ASM-01-I-1036

অসমীয়াৰ স্নাতকোত্তৰ পাঠ্যক্ৰম

# গুৱাহাটী বিশ্ববিদ্যালয়
# Gauhati University
## দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান
## Institute of Distance and Open Learning

**প্ৰথম ষান্মাসিক**

অসমীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম (০১)

# M.A. in Assamese (01)

*(Under CBCS)*

**পাঠ্যবিষয় ঃ ASM-০১- -১০৩৬**

## তৃতীয় কাকত ঃ অসমৰ সংস্কৃতিৰ অধ্যয়ন

গোপীনাথ বৰদলৈ নগৰ
গুৱাহাটী- ৭৮১০১৪ (অসম)

ASM-01-1036

গুৱাহাটী বিশ্ববিদ্যালয়

**Gauhati University**

দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান

**Institute of Distance and Open Learning**

অসমীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম (০১)

**M.A. in Assamese (01)**

**(under CBCS)**

প্ৰথম ষাণ্মাসিক

**First Semester**

পাঠ্যবিষয় ঃ **ASM-1036**

# অসমৰ সংস্কৃতিৰ অধ্যয়ন

## Contributors:

| | |
|---|---|
| **Dr. Nabin Chandra Sarma**<br>Retd. Professor, Gauhati University | Block:1 (Unit : 1 & 2) |
| **Dr. Jayanta Pathak**<br>CKB College | Block:2 (Unit : 2) |
| **Dr. Upen Rabha Hakacham**<br>Prof. Dept. of Assamese, GU | Block: 2 (Unit : 2, 3, 5, 6 & 9)<br>Block: 4 (Unit : 2, 3 & 4) |
| **Dr. Prafulla Kumar Nath**<br>Prof. Dept. of Assamese, GU | Block:2 (Unit : 4, 7, 8) |
| **Dr. Kanak Saharia**<br>Prof. Dept. of Assamese, GU | Block: 3 (Unit 1, 2 & 3) |
| **Dr. Pradipjypti Mahanta**<br>Retd. Professor, Tezpur University | Block: 3 (Unit 4) |
| **Dr. Paramananda Rajbongshi**<br>Retd. Professor, Pragjyotish College | Block: 3 (Unit 5 & 6) |
| **Dr. Utpal Saikia**<br>Kalabari College | Block: 4 (Unit 1) |

## Course Coordination:

| | |
|---|---|
| **Director** | GUIDOL, Gauhati University |
| **Prof. Taranee Deka** | Dept. of Assamese, Gauhati University |
| **Dr. Apurba Kr. Deka** | Asstt. Prof., GUIDOL |

## Content Editor:

| | |
|---|---|
| **Prof. Kanak Ch. Saharia** | Dept. of Assamese, Gauhati University |

## Format Editor

| | |
|---|---|
| **Dr. Apurba Kr. Deka** | Asstt. Prof., GUIDOL |

## Typesetting & Cover Designing:

| | |
|---|---|
| Bhaskar Jyoti Goswami | GUIDOL, Gauhati University |
| Nishanta Das | GUIDOL, Gauhati University |



**MAY, 2022**



© Copyright by GUIDOL, Gauhati University. All rights reserved. No part of this work may be reproduced, stored in a retrieval system, or transmitted, in any form or by any means, electronic, mechanical, photocopying, or otherwise.


Published on behalf of Institute of Distance and Open Learning, Gauhati University by the Director, and printed at Gauhati University Press, Guwahati-781014.

# বিষয়সূচী (Contents)


**প্ৰথম খণ্ড**

প্ৰথম বিভাগ ঃ সংস্কৃতি আৰু ইয়াৰ স্বৰূপ (বৈশিষ্ট্য)
দ্বিতীয় বিভাগ ঃ মৌখিক সাহিত্য আৰু লিখিত সাহিত্যৰ ভাষা

**দ্বিতীয় খণ্ড**

প্ৰথম বিভাগ ঃ অসমৰ নৃগোষ্ঠী (অসমৰ নৃগোষ্ঠীসমূহৰ পৰিচয়)
দ্বিতীয় বিভাগ ঃ অসমৰ জনজাতি আৰু তেওঁলোকৰ সংস্কৃতি (১)
তৃতীয় বিভাগ ঃ অসমৰ জনজাতি আৰু তেওঁলোকৰ সংস্কৃতি (২)
চতুৰ্থ বিভাগ ঃ অসমৰ জাতি আৰু তেওঁলোকৰ সংস্কৃতি
পঞ্চম বিভাগ ঃ অসমৰ অন্যান্য জনগোষ্ঠী আৰু তেওঁলোকৰ সংস্কৃতি
ষষ্ঠ বিভাগ ঃ অসমৰ লোকচাৰ আৰু লোকবিশ্বাস
সপ্তম বিভাগ ঃ অসমৰ লোকউৎসৱ অনুষ্ঠান
অষ্টম বিভাগ ঃ অসমৰ পৰম্পৰাগত খেল-ধেমালী
নৱম বিভাগ ঃ অসমৰ লোক চিকিৎসা আৰু লোক ঔষধ

**তৃতীয় খণ্ড**

প্ৰথম বিভাগ ঃ অসমৰ ভৌতিককলা ঃ লোকশিল্প আৰু লোককলা
দ্বিতীয় বিভাগ ঃ অসমৰ লোকস্থপতি, লোকৰন্ধন আৰু লোক আভৰণ
তৃতীয় বিভাগ ঃ অসমৰ স্থাপত্য আৰু ভাস্কাৰ্য্য
চতুৰ্থ বিভাগ ঃ অসমৰ সাঁচিপতীয়া পুথি আৰু চিত্ৰকলা
পঞ্চম বিভাগ ঃ লোকনাট আৰু লোকনৃত্য
ষষ্ঠ বিভাগ ঃ অসমৰ সংগীত আৰু বাদ্য

**চতুৰ্থ খণ্ড**

প্ৰথম বিভাগ ঃ অসমৰ সামাজিক সাংস্কৃতিক অনুষ্ঠান আৰু সংগঠন
দ্বিতীয় বিভাগ ঃ সংস্কৃতিৰ সমন্বয়, সমাহৰণ, অনাৰ্যীকৰণ আৰু সাংস্কৃতিক বিনিময়
তৃতীয় বিভাগ ঃ সাংস্কৃতিক সম্পদৰ সংৰক্ষণ
চতুৰ্থ বিভাগ ঃ সংস্কৃতিৰ গোলকীকৰণ

## প্ৰথম বিভাগ
## সংস্কৃতি আৰু ইয়াৰ বৈশিষ্ট্য

**বিভাগৰ গঠন ঃ**


১.১ ভূমিকা (Introduction)

১.২ উদ্দেশ্য (Objectives)

১.৩ প্ৰাক্ ঐতিহাসিক সংস্কৃতি

১.৪ প্ৰাক্ ঐতিহাসিক যুগৰ সংস্কৃতিৰ বিন্যাস

১.৫ সংস্কৃতিৰ সংজ্ঞা আৰু ধাৰণা

১.৫.১ জীৱনৰ প্ৰয়োজনীয়তা আৰু সংস্কৃতি

১.৫.২ সংস্কৃতিৰ উপাদান

১.৫.৩ সংস্কৃতিৰ বৈশিষ্ট্য

১.৬ সাৰাংশ (Summing Up)

১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


### ১.১ ভূমিকা (Introduction)

সংস্কৃতি মানৱৰ প্ৰতি মানৱ সমাজৰ দান। সামাজিক জীৱ মানুহে সামাজিক পৰিস্থিতি সৃষ্টি কৰা বিবিধ আচৰণ বা কৃতিৰ সমষ্টিৰ আধাৰত সংস্কৃতিৰ উদ্ভৱ হয়। মানুহৰ জন্ম কেতিয়া হয় হ'ল সঠিককৈ ক'ব নোৱাৰিলেও কিছুমান প্ৰত্নতাত্ত্বিক প্ৰমাণৰ আধাৰত ক'ব পাৰি যে মানুহৰ পোনতে জন্ম হৈছিল উত্তৰ ভাৰতত। কোনো কোনো পণ্ডিতৰ মতে আকৌ মানুহৰ জন্ম হৈছিল আফ্ৰিকাত। সৰহসংখ্যক পণ্ডিতৰ মতে আদিমতম মানুহৰ সন্ধান পোৱা গৈছে দূৰ প্ৰাচ্যত। জীৱাশ্ম বিজ্ঞানীসকলৰ মতে আন আন জীৱ-জন্তুৱে বিভিন্ন বিৱৰ্তন আৰু বিৱৰ্ধনৰ মাজেৰে যিদৰে বৰ্তমানৰ ৰূপ লাভ কৰিছে, তদ্ৰূপ মানুহৰ শাৰীৰিক বিৱৰ্তনো বিভিন্ন পৰিস্থিতি আৰু বিৱৰ্ধনৰ পৰিণতিৰ বাবেহে হৈছে। মানুহ যে নেজবিহীন বান্দৰৰ (ape) বিৱৰ্ধনৰ পৰিণতি এই তত্ত্বটো ডাৰৱিনৰ গৱেষণাৰ ফলশ্ৰুতি মাথোন। বান্দৰ য'তে আছে মানুহো ত'তে আছে। বান্দৰৰ শাৰীৰিক বৈশিষ্ট্যৰ সৈতে মানুহৰ শাৰীৰিক বৈশিষ্ট্যৰ সাদৃশ্য লক্ষ্য কৰা যায়। সেইফালৰ পৰা অনুমান কৰিব পাৰি যে বন মানুহৰ (ape) বিৱৰ্ধিত ৰূপেই মানুহ।

প্ৰাক্ ঐতিহাসিক মানৱে সমাজ পাতি বাস কৰিছিল। গতিকে তেওঁলোকৰ মাজত বিবিধ বিশ্বাস, আচাৰ-অনুষ্ঠান, উৎসৱ-অনুষ্ঠানৰ প্ৰচলন আছিল। ভৌতিক সংস্কৃতিও তেওঁলোকৰ সমাজত উদ্ভৱ নোহোৱাকৈ থকা নাছিল। সেইদৰে বৃষ্টি কামনা, অপশক্তি বিদূৰণ, বেমাৰ-ব্যাধি নিৰাময় আদিৰ বাবে বিবিধ ধৰ্মীয় কৃত্য অনুষ্ঠিত হৈছিল আৰু তেনে অনুষ্ঠানত তেওঁলোকে গীত-পদ, নাচ-নাচোন পৰিৱেশন কৰিছিল। এইদৰে তেওঁলোকৰ মাজত সংস্কৃতিৰ বিভিন্ন সমলৰাজিৰ স্থিতি লক্ষ্য কৰিব পাৰি।

তাম্র আৰু লৌহ যুগৰ পৰাই প্ৰাক্ঐতিহাসিক মানৱ সমাজত বিভিন্ন পৰিৱৰ্তনবোৰ দেখা গৈছিল। সেই সমাজ-ব্যৱস্থাত খেতি-বাতিৰ উন্নতি হৈছিল। অৰ্থনৈতিক বিকাশো ঘটিছিল— লাহে লাহে ধনী-দুখীয়া, দুটা অৰ্থনৈতিক গোটৰ সৃষ্টি হ'বলৈ ধৰিছিল।

সংস্কাৰৰ জৰিয়তে সংস্কৃতিৰ সৃষ্টি হয়। সংস্কৃতিৰ দ্যোতনা অতিকে বিশাল। বিভিন্ন পণ্ডিতে বিভিন্নভাৱে সংস্কৃতিৰ ব্যাখ্যা দি আহিছে। সংস্কৃতি মানসিক আৰু শাৰীৰিক এই হিচাপে দুভাগত বিভক্ত হ'ব পাৰে। জীৱনৰ বিভিন্ন প্ৰয়োজনীয়তাৰ সৈতে সংস্কৃতি বিজড়িত। এই প্ৰয়োজনীয়তাবোৰ হৈছে— জীৱ দেহৰ ৰাসায়নিক ৰূপান্তৰ, প্ৰজনন, দৈহিক সুখ-স্বাচ্ছন্দ্য, আৰাম, নিৰাপত্তা, গতি, বৃদ্ধি, স্বাস্থ্য আদি।

সংস্কৃতি বিভিন্ন উপাদানৰ সমষ্টি, যেনে— বস্তু বা ভৌতিক সংস্কৃতি, সামাজিক আচাৰ-অনুষ্ঠান আদি, মানুহ আৰু বিশ্বজগত, নান্দনিকতা, সাহিত্য, সংগীত-নাটক-নৃত্য আৰু ভাষা।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ পাছত আপুনি—

- মানৱ সৃষ্ট সংস্কৃতিৰ স্বৰূপ সম্পৰ্কে বুজিবলৈ সমৰ্থ হ'ব,
- সংস্কৃতিৰ বিশ্বজনীনতাৰ বিষয়ে জানিব পাৰিব,
- সংস্কৃতিৰ উত্তৰণৰ বিভিন্ন দিশসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব,
- সমাজৰ বিভিন্নতা অনুসৰি বিভিন্ন শ্ৰেণীত বিভক্ত হোৱা লোক-সংস্কৃতি, শিষ্ট সংস্কৃতি, গঞাসংস্কৃতি আৰু জনজাতীয় সংস্কৃতি আদিৰ বিষয়ে পৰ্যালোচনা আগবঢ়াব পাৰিব।

## ১.৩ প্ৰাক্ ঐতিহাসিক সংস্কৃতি

প্ৰাক্ ঐতিহাসিক সংস্কৃতিক এক প্ৰকাৰে প্ৰত্নতত্ত্ব আখ্যা দিব পাৰি; যিহেতু প্ৰাক্ ঐতিহাসিক মানুহে নিৰ্মাণ কৰা কোনো এটা বস্তু বা শিল্পবস্তুৰ আধাৰতহে এই যুগৰ সংস্কৃতি নিৰ্ভৰ কৰে। কুৰি হাজাৰ বছৰ পুৰণি বেৰ চিত্ৰ লেখন (wall painting) উদ্ধাৰ হৈছে ফৰাচীত। বেৰ চিত্ৰ বিদ্যাৰ এই প্ৰাচীনতম নমুনাটি জগত বিখ্যাত আৰু ই মগডলেনিয়ান (Magdalenian) যুগৰ উৎকৃষ্ট কৃতি। এই মূৰ্তিটো থিয় হৈ আছে গুহাৰ ওচৰত মানুহৰ ভৰিৰ সহায়ত, এই মূৰ্তিটোৰ মস্তক আছে। এই ফালৰপৰা ইয়াক শিঙাল বাঘুৰ মূৰ্তি বুলিব পাৰি। যি ঠাইত এই মূৰ্তিটো প্ৰতিষ্ঠিত হৈছে তাত বা তাৰ ওচৰে-পাজৰে মানুহৰ বসতিৰ চিন-মোকাম নাই। গতিকে অলৌকিক শক্তি নিয়ন্ত্ৰণৰ প্ৰতীক হিচাপেও এই মূৰ্তিটো নিৰ্মিত বা প্ৰতিষ্ঠিত হৈছিল বুলিও ক'ব নোৱাৰি। সেইবাবে এই মূৰ্তিটো যাদুৰ সৈতে জড়িত হ'ব পাৰে। মূৰ্তিটোৰ নাম দিয়া হৈছে—Le Sorcier de Trois Freres। মগ্‌ডলেনিয়ানসকলৰ মৌখিক ইতিহাসৰ আধাৰত ক'ব পাৰি যে, দূৰ অতীতত এই গুহাটোত আদিম মানৱে বাস কৰিছিল। কোনো কোনোৰ মতে এই গুহাটোত বাস কৰিছিল মগ্‌ডলেনিয়াৰ লোকসকলে। তেওঁলোক যাদুবিদ্যাত সুদক্ষ আছিল। এই গুহাটো যে মানুহৰ বাসস্থান আছিল তাৰ আভাস পোৱা যায়— তাত থকা জুই ধৰা

সঁজুলিবোৰৰ পৰা। মানুহৰ জঁকা কিছুমানো এই গুহাত দেখা গৈছে। ইয়াত ছাঁইৰ দ'ম পৰি আছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে ইয়াত বহুদিন ধৰি মানুহে বসবাস কৰিছিল। দ্বিতীয়তে, আৰু এটি কথা অনুমান কৰিব পাৰি যে, এই গুহাত সামাজিক দল বা গোষ্ঠী এটাই দীঘলীয়া সময় ধৰি বসবাস কৰিছিল। তাত উদ্ধাৰ হোৱা জঁকাটোৰ পৰা ঠাৰৰ কৰিব পাৰি যে, যি ঠাইত জঁকাটো পোৱা হৈছে— তাতেই শৱটোক সমাধিস্থ কৰা হৈছিল। মাংসবোৰ নিঃশেষ হৈ যোৱাৰ পিছত হাঁড়বোৰ পৰি থাকিল— মাজৰ মাজত। সমাধিস্থ কৰা পূৰ্বে শৱটো সজোৱা হৈছিল। তাৰ অধিবাসীসকলে মৃতকৰ উদ্দেশ্যে খাদ্য দিছিল আৰু সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছিল। মৃতকৰ সৈতে জড়িত ধৰ্মীয় কৃত্যৰ পৰম্পৰা পৃথিৱীৰ সৰ্বত্ৰতে লক্ষ্য কৰা যায়। ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে মানৱৰ জন্মৰ লগে লগেই বিবিধ ধৰণৰ বিশ্বাস-বৃত্তৰ সৃষ্টি হৈছিল— বিশেষকৈ জন্ম-মৃত্যুক কেন্দ্ৰ কৰি।

পৰ্বতৰ গহ্বৰ-গুহাত মানুহে সমাজ পাতি বাস কৰিছিল— এই সন্দৰ্ভত আপত্তি কৰিবলগীয়া একো নাই। প্ৰশ্ন উঠিব পাৰে গুহাশায়ী মানৱৰ এজনী পত্নী আছিল নে বহুজনী আছিল অথবা এজনী মহিলাৰ এজন স্বামী আছিল নে বহুজন আছিল, সেই সময়ত সমাজ জীৱনৰ পৰম্পৰা প্ৰচলিত হৈছিল নে নাই, গোটেই গোষ্ঠীটোৱে বাচ-বিচাৰ নোহোৱাকৈ যৌনসম্ভোগত প্ৰবৃত্ত হৈছিল নে নাই ইত্যাদি প্ৰশ্নৰ উত্তৰ সহজে দিব নোৱাৰি। আমি ইতিমধ্যে উল্লেখ কৰি অহা শৱটো ধৰ্ম সাপেক্ষ নেতাৰ আছিল নে ধৰ্ম নিৰপেক্ষ দলপতিৰ আছিল তাকো খাটাঙকৈ কোৱা টান। সেই মানুহবিলাকৰ বিশ্বাসৰ প্ৰকৃতি কেনে আছিল স্পষ্টকৈ ক'ব নোৱাৰি। আমাৰ হাতত মাত্ৰ আছে গুহাটো, ছাঁইখিনি, হাঁড়বোৰ আৰু শিল্পবস্তুটো। এইবোৰৰ ভিত্তিত অৱশ্যে ক'ব পাৰি যে, তেতিয়াও আছিল সামাজিক জীৱন আৰু শৱ সৎকাৰৰো ৰীতি।

আন যি কি নহওক প্ৰাক্-ঐতিহাসিক পুৰাতত্ত্বই মানুহৰ প্ৰাকৃতিক বা ভৌতিক অথবা বস্তু-সংস্কৃতিৰ বিষয়েহে কিছু আভাস দিব পাৰে। মানুহৰ সভ্যতাৰ বিষয়েও ই ?গৰ পৰা সবিশেষ পোৱা টান অথবা অনেক বিষয় অবোধগম্য হৈ থাকিবলগা হয়। প্ৰাক্ ঐতিহাসিক পুৰাতত্ত্বৰ আধাৰত আমি স্পষ্টভাৱে ক'ব নোৱাৰোঁ যে সেই সময়ৰ মানুহে গুহাৰ বাহিৰে আন খোলা ঠাইত বাস কৰিছিল নে নাই, ছালৰ তম্বু ব্যৱহাৰ কৰিছিল নে নাই, তেওঁলোকে কাঠৰ বাচন-বৰ্তন ব্যৱহাৰ কৰিছিল নে নাই, —এনেবিলাক প্ৰশ্নৰ উত্তৰ অলপ-অচৰণ জীৱাশ্মৰপৰা পদ্ধতিগতভাৱে পোৱা টান; অৱশ্যে এই সম্বন্ধে অলপ ধাৰণা কৰিব পাৰি।

পুৰাতত্ববিদসকলে এনে পুৰাতাত্ত্বিক সমলৰ আধাৰত প্ৰাক্ ঐতিহাসিক মানুহ, সমাজ আৰু সংস্কৃতিৰ বিষয়ে সাধাৰণ আভাস দিব পাৰে। প্ৰাক্ ঐতিহাসিক পুৰাতত্ত্বৰ গৱেষণাৰ আধাৰত ফ্ৰান্স, আমেৰিকা আদিত সেই সময়ৰ সভ্যতা-সংস্কৃতিৰ পৰিচয় পোৱা গৈছে। ভাৰতবৰ্ষৰ মহেঞ্জোদাৰো-হৰপ্পা আদিৰ আধাৰত চলোৱা প্ৰত্নতাত্ত্বিক অধ্যয়ন-চিন্তন আদিৰ মাধ্যমেৰে ভাৰতবৰ্ষৰ সভ্যতা-সংস্কৃতিৰ সম্ভেদ পোৱা গৈছে। অসমৰ নুমলিগড়, কপিলী, আমবাৰী আদিৰ খনন কাৰ্য অৰ্থাৎ প্ৰত্নতাত্ত্বিক সমলৰ অধ্যয়নৰ সহায়ত অশমৰ সভ্যতা সংস্কৃতি বিষয়ক অনেক নতুন সম্ভেদ পোৱা গৈছে।

বৰ্তমানলৈকে উদ্ধাৰ হোৱা প্ৰাক্-ঐতিহাসিক সমলৰ আধাৰত প্ৰত্নতাত্ত্বিক সংস্কৃতিৰ সুনিৰ্দিষ্ট বিভাজন কৰা টান, কাৰণ এনে বিভাজন অনেক ক্ষেত্ৰত স্থানিক, কালিক হোৱাৰ সম্ভাৱনা বেছি। দেশে দেশে আৱিষ্কৃত প্ৰাক্ ঐতিহাসিক সমলৰ প্ৰকৃতি বেলেগ বেলেগ আৰু বিকাশৰ ধাৰাও সুকীয়া সুকীয়া। ইউৰোপীয় প্ৰাক্-ঐতিহাসিক প্ৰত্নতত্ত্বৰ শ্ৰেণী বিভাজন এটি প্ৰচলিত হৈ আছে। এই শ্ৰেণী বিভাজন এচিয়া আৰু আফ্ৰিকা আদিতো প্ৰয়োগ কৰা দেখা গৈছে। কিন্তু এই শ্ৰেণী বিভাজন নতুন বিশ্বত প্ৰয়োগ কৰা টান— যিহেতু এইবোৰ অঞ্চলত মানুহৰ বসবাস সৌ সিদিনাহে সম্ভৱ হৈছে। এই প্ৰসংগত এগৰাকী পণ্ডিতে হৈছে যে, যোৱা কেইবছৰ মানৰ ভিতৰতে এচিয়া মহাদেশত উদ্ধাৰ হোৱা সমলে প্ৰত্ন প্ৰস্তৰ যুগীয়া প্ৰত্নতত্ত্বৰ নতুন দিশ উদ্‌ঘাটন কৰিছে। পশ্চিম ইউৰোপীয় শাস্ত্ৰীয় প্ৰত্নতাত্ত্বিক সমল দূৰ-প্ৰাচ্যত লক্ষ্য কৰা নাযায়। গতিকে আমি এইক্ষেত্ৰত বেলেগ উপায় উদ্ভাৱন কৰিব লাগিব। মানৱ আৰু সমাজৰ বিভিন্নতা অনুসৰি সংস্কৃতিৰ ৰূপতো বিভিন্নতা আহি পৰে। এই পৰিৱৰ্তনত সহায় কৰিব পাৰে— শিলৰ পৰা নিৰ্মিত সঁজুলি আৰু নিৰ্মাণ পদ্ধতি আদিয়ে।

এই পণ্ডিতগৰাকীয়ে Lower Paleolithic অৰ্থাৎ প্ৰত্ন প্ৰস্তৰযুগীয় প্ৰত্নতত্ত্ব অধ্যয়নৰ প্ৰসংগত প্ৰাচ্য প্ৰত্ন প্ৰস্তৰ যুগ আৰু পাশ্চাত্য প্ৰত্নপ্ৰস্তৰ যুগ— এই শ্ৰেণী দুটি মানি ল'বলৈ ইচ্ছা নকৰি পাশ্চাত্যৰ 'হস্ত-কুঠাৰ সংস্কৃতি' (hand-axe cultures) আৰু প্ৰাচ্যৰ 'ছেদন সঁজুলি সংস্কৃতি' (chopping tool cultures) এই দুটা শ্ৰেণীহে মানি ল'ব খোজে। আদিম যুগত প্ৰচলিত আন আন সা-সঁজুলিৰ ভিতৰত বৰ্তমানলৈ শিলেৰে নিৰ্মাণ কৰা কুঠাৰ আৰু ছেদন সঁজুলি দুটিহে ধ্বংসৰ গ্ৰাসৰপৰা ৰক্ষিত হৈ আছে. বাকীবোৰ সঁজুলি কালৰ হাতত ধ্বংস হৈ গ'ল আৰু আৰু সেইবাবে সংস্কৃতিৰ নামো এই সঁজুলি দুটাৰ আধাৰতেই ৰক্ষিত হৈছে।

প্ৰাক্-ঐতিহাসিক সংস্কৃতি কেইবা শ বছৰলৈকে এইদৰে শ্ৰেণীবিভাজন কৰা হৈছিল—

(ক) প্ৰত্ন প্ৰস্তৰ যুগ (প্ৰাচীন প্ৰস্তৰ, old stone) Paleolithic Age

(খ) মধ্যযুগীয় প্ৰস্তৰ যুগ (উত্তৰণ-যুগ Transition) বা Mesolithic Age

(গ) নব্য প্ৰস্তৰ যুগ (নৱ-প্ৰস্তৰ, New stone age) বা Neolithic Age

(ঘ) তাম্ৰযুগ, Bronze Age

(ঙ) লৌহযুগ, Iron Age

প্ৰত্নপ্ৰস্তৰ যুগ তিনিটা শ্ৰেণীত বিভক্ত— প্ৰাথমিক (Lower), মধ্যযুগীয় (Middle) আৰু উৰ্ধ্বতৰ (Upper)। খৃঃ ১৯২৫চন মানলৈকে ৰচিত গ্ৰন্থত এনে ভাগবোৰ স্বীকাৰ কৰা হৈছিল।

মানুহে অশেষ চেষ্টাৰ বিনিময়ত কিদৰে উন্নতিৰ পথত অগ্ৰসৰ হ'ব পাৰিছিল— তাৰ সাধাৰণ নিদৰ্শন পশ্চিম ইউৰোপৰ প্ৰাক্ ঐতিহাসিক বিকাশৰ পৰা অনুমান কৰিব পাৰি। মানুহে হাজাৰ হাজাৰ পীৰি বনৰীয়া জন্তুৰ দৰে জীৱন নিৰ্বাহ কৰিবলৈ বাধ্য হৈছিল। তেতিয়া তেওঁলোকৰ হাতত পৰাহি নাছিল চকা, খেতিৰ সা-সঁজুলি, মাটিৰ বাচন-বৰ্তন বা ধাতুৰ সা-সঁজুলি। হাজাৰ হাজাৰ পীৰিৰ চেষ্টা-প্ৰচেষ্টাৰ অন্তত তেওঁলোকে শিকিছিল

শিলেৰে নিৰ্মিত কটাৰীৰ ব্যৱহাৰ। সেইদৰে হাজাৰ হাজাৰ পীৰিৰ অশেষ চেষ্টাৰ বিনিময়তহে মানুহে কঠোৰতাৰ ঠাইত সহনশীলতা ভাৱ পোষণ কৰিবলৈ শিকিছিল আৰু সেইদৰে আভাস পাইছিল নান্দনিকতাৰ। ইয়াৰ বাবে কিমান চেষ্টা-প্ৰচেষ্টাৰ প্ৰয়োজন হৈছিল তাক কোৱা নিষ্প্ৰয়োজন।

প্ৰত্ন প্ৰস্তৰ যুগীয় প্ৰাথমিক সঁজুলিসমূহ তিনিটা ভাগত ভগাব পাৰি। যেনে ঃ

(ক) মূল সঁজুলি (Core)

(খ) গৌণ সঁজুলি (Flake) আৰু

(গ) ছেদক অস্ত্ৰ (Blade)

মূল সঁজুলিৰ ভিতৰত হাত কুঠাৰ (শিলৰ), গৌণ অৰ্থাৎ Flake সঁজুলিৰ ভিতৰত হাত-কুঠাৰ আৰু ছেদক অস্ত্ৰৰ বাহিৰে যিকোনো সঁজুলিয়েই হ'ব পাৰে। এনে সঁজুলিৰ আকৃতি বা গঠনৰীতিৰ কোনো সুনিৰ্দিষ্ট ৰূপ নাই। ছেদক অস্ত্ৰ অৰ্থাৎ Blade এডোখৰ শিল আন এডোখৰ শিলত ঘঁহি নিৰ্মাণ কৰা কিছু পৰিমাণে নিমজ অস্ত্ৰ।

**আত্মমূল্যায়ণ প্ৰশ্ন**

প্ৰাক্ ঐতিহাসিক সংস্কৃতি এই শিতানত এটি টোকা প্ৰস্তুত কৰক (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................................

..........................................................................................................................

## ১.৪ প্ৰাক্ ঐতিহাসিক যুগৰ সংস্কৃতিৰ বিন্যাস

মানৱ সংস্কৃতিৰ আৰম্ভ কেতিয়াৰ পৰা হ'ল— ই এক বিবদমান বিষয়। কোনো কোনো পণ্ডিতৰ মতে মানৱৰ জন্মৰ লগে লগেই বিভিন্ন সামাজিক আচৰণৰ সৃষ্টি হৈছিল আৰু এই আচৰণৰাজিৰ সমষ্টিৰ আধাৰত সৃষ্টি হৈছিল সংস্কৃতিৰ। কিন্তু আমি এই প্ৰসংগত মনত ৰাখিব লাগিব যে সংস্কৃতি সামাজিক আচৰণহে, ব্যক্তিগত আচৰণ নহয়। গতিকে প্ৰাক্ ঐতিহাসিক যুগত বা প্ৰাক্প্ৰস্তৰ যুগত মানুহে সমাজ পাতি বাস কৰিছিল নে নাই ভাবি চাবলগীয়া। মানুহৰ বাহিৰে অন্য জীৱ-জন্তুৱে সমাজ পাতি বাস কৰে; আনকি মানৱৰ দৈহিক গঠন আৰু মানসিক অভিবৃত্তিৰ সৈতে মিল থকা বনমানুহ, গৰিলা, গিৱন, চিম্পাঞ্জী আদি জীৱ-জন্তুৱেও সমাজ পাতি বাস কৰে। এইফালৰ পৰা মানুহেও প্ৰত্নপ্ৰস্তৰ যুগতো সমাজ পাতিয়েই বাস কৰিছিল বুলি অনুমান কৰিব পাৰি।

প্ৰত্নপ্ৰস্তৰ যুগৰ মানুহে শিলৰপৰা বিভিন্ন সা-সঁজুলি নিৰ্মাণ কৰিছিল। এই সঁজুলিবিলাকে ক্ৰমশঃ পৰিমাৰ্জিত ৰূপ লাভ কৰিবলৈ ধৰিছিল। গুহা বা গহ্বৰৰ প্ৰৱেশ পথত বিভিন্ন চিত্ৰ অংকিত হৈছিল— যাৰপৰা সেই সময়ৰ মানৱৰ অংকন প্ৰণালীৰ বৈশিষ্ট্য আৰু অনুভূতিৰ বৈচিত্ৰ্যৰ আভাস পোৱা যায়। ভাস্কৰ্য আৰু স্থাপত্যৰ দৰে চিত্ৰাংকনৰ ক্ষেত্ৰতো প্ৰাক্ ঐতিহাসিক মানৱ সমাজে দক্ষতা লাভ কৰিছিল।

তাম্ৰ আৰু লৌহ যুগত সংস্কৃতিৰ বিকাশত জটিলতাই দেখা দিছিল। মানুহে লিখিব পৰা ক্ষমতা লাভ কৰাৰ লগে লগে সংস্কৃতিৰ ইতিহাসত এক অভিনৱ আলোড়নৰ

সৃষ্টি হ'ল। ধাতৰ পদাৰ্থৰ ব্যৱহাৰে ইউৰোপ, ভাৰতবৰ্ষ আদিত সভ্যতা আৰু সংস্কৃতিৰ বিকাশত তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। মানৱ ইতিহাসৰ বিকাশ আৰু অগ্ৰগতিত ধাতৰ পদাৰ্থৰ ব্যৱহাৰেও বিভিন্নভাৱে সহায় কৰিছিল। মানুহে প্ৰযুক্তিবিদ্যাত দক্ষতা লাভ কৰাৰ লগে লগে প্ৰকৃতি বা পৰিবেশৰ ওপৰত গভীৰভাৱে নিৰ্ভৰ কৰিব নলগা হ'ল। তেওঁলোকৰ বাসস্থানৰ ক্ষেত্ৰতো পৰিৱৰ্তনে দেখা দিলে। খেতিত পানীযোগান ধৰাৰ ব্যৱস্থাও কৰা হ'ল। খেতি-বাতিৰ ফচলৰ ক্ষেত্ৰতো পূৰ্বতকৈ লাভৱান হ'ব পৰা হ'ল। এইদৰে, তেওঁলোকৰ অৰ্থনৈতিক উদ্বৃত্ত অৱস্থাই দেখা দিছিল। ফলস্বৰূপে তেওঁলোকৰ মাজত শ্ৰেণীবিন্যাসৰ সৃষ্টি হ'বলৈ ধৰিলে। সমাজৰ একাংশ লোকে উদ্বৃত্ত ধন লাভ কৰি ধনী হ'ল। ওপৰৰ আলোচনাৰ পৰা সহজে অনুমান কৰিব পাৰি যে, তাম্ৰ আৰু লৌহ যুগৰ সূচনাৰ লগে লগে প্ৰকৃত অৰ্থত সংস্কৃতিৰ উদ্ভৱ হ'বলৈ ধৰিছিল।

মানুহে মাটিৰ ঘৰ বা পৰ্বতৰ গুহাত বাস কৰাৰ উপৰি খেৰ-তৃণাদিৰে নিৰ্মিত ঘৰত বাস কৰিবলৈ শিকিছিল। জুইৰ ব্যৱহাৰো লাহে লাহে শিকিছিল। কেঁচা মঙহ খাবলৈ এৰি পোৰা মঙহ খাবলৈ লৈছিল। পানী যোগান, হাল, শিলৰ কোৰ আদিৰ প্ৰচলন হোৱাৰ লগে লগে কৃষি জীৱন আৰম্ভ হৈছিল। শস্য সংগ্ৰহ কৰা হৈছিল। বনৰীয়া জীৱ-জন্তুক ঘৰচীয়া কৰি লোৱা হৈছিল আৰু সেই জীৱ-জন্তুক পৰিয়ালৰ স্বাৰ্থ সাধনত লগোৱা হৈছিল। পৰিয়াল আৰু সমাজৰ স্পষ্ট চিত্ৰ সেই সময়ত দেখা গৈছিল।

প্ৰাক্ ঐতিহাসিক মানুহে নিজৰ প্ৰয়োজনৰ বাবে শিল, তাম্ৰ, লোহা, কাঠ আদিৰ পৰা প্ৰয়োজনীয় সা-সঁজুলি, শিল্প-বস্তু নিৰ্মাণ কৰি ব্যৱহাৰ কৰিছিল। বাসস্থান নিৰ্মাণ কৰিবলৈও শিকিছিল। পিন্ধা-উৰা আদিৰ ক্ষেত্ৰতো পৰিৱৰ্তন সূচিত হৈছিল। সেইদৰে খাদ্য সংগ্ৰহ আৰু সেই খাদ্য দ্ৰব্য ৰান্ধি-বাঢ়ি খাবলৈও তেওঁলোকে শিকিছিল। এইদৰে বস্তু-সংস্কৃতিৰ প্ৰস্তুতি পৰ্ব আৰম্ভ হৈছিল।

আমি ইতিমধ্যে আলোচনা কৰি আহিছোঁ যে, আদিম মানৱৰ মাজতো বিভিন্ন বিশ্বাস প্ৰচলিত হৈ আছিল। এই বিশ্বাস আকাশ, পৃথিৱী, বৰষুণ, ধুমুহা, বাৰিষা, অন্ধকাৰ, পোহৰ আদি কেন্দ্ৰিক আছিল। ইয়াৰ বাহিৰে জন্ম-মৃত্যু-বিবাহ বা যুগ্ম জীৱন সম্পৰ্কেও বিবিধি বিশ্বাস জনপ্ৰিয় হৈ উঠিছিল। এনে বিশ্বাসৰ আধাৰতেই বিবিধ সংস্কাৰ বা আচাৰ-অনুষ্ঠান সৃষ্টি হৈছিল আৰু এইদৰে ধৰ্ম আৰু ধৰ্মীয় জীৱনৰ পথ পৰিষ্কাৰ হৈ উঠিছিল। উৎসৱ-অনুষ্ঠানৰ বিকাশত ধৰ্মীয় বিশ্বাসে অনেক পৰিমাণে সহায় কৰিছিল। ৰোগ-ব্যাধি নিৰাময়ৰ বাবে আদিম মানুহে বিবিধ বনৌষধি ব্যৱহাৰ কৰিছিল। আনকি মন্ত্ৰও প্ৰয়োগ কৰিছিল। পৰিশ্ৰান্ত আদিম মানৱে পৰিশ্ৰম লাঘৱৰ অৰ্থে নানা খেল-খেলিছিল, চিকাৰ কৰিছিল, সাঁতুৰিবলৈ শিকিছিল। নানা অনুষ্ঠান-প্ৰতিষ্ঠান বা ধৰ্মীয় বা সামাজিক অনুষ্ঠানত গীত-পদ গাইছিল, নাচিছিল, অভিনয় কৰিছিল আৰু এইদৰে আৰম্ভ হৈছিল পৰিৱেশ্য কলাৰ। আদিম মানৱ পোনতে অধিকাৰী হৈছিল গীত-নৃত্যৰ। সময়ৰ অগ্ৰগতিৰ লগে লগে তেওঁলোক ভাষাৰ অধিকাৰী হোৱাৰ লগতে তেওঁলোকৰ সৃজনী প্ৰতিভাৰ বিকাশ ঘটিছিল আৰু তেওঁলোকৰ মাজত লাহে লাহে গীত-পদ, কথা-সাধুকথা, আখ্যান-উপাখ্যান, বচন-প্ৰবচন, মন্ত্ৰ আদি বাচিক ৰূপত প্ৰচলিত হৈছিল।

ইয়াৰপৰা আমি সহজে অনুমান কৰিব পাৰোঁ যে, প্ৰাক্ ঐতিহাসিক মানৱ সমাজত সংস্কৃতিৰ আৰম্ভ আৰু বিকাশ সম্ভৱ হৈ উঠিছিল। সংস্কৃতিৰ আন দিশৰ কথা নক'লেও স্থাপত্য আৰু ভাস্কৰ্যৰ দিশত প্ৰাক্ ঐতিহাসিক সংস্কৃতিৰ তাৎপৰ্য লক্ষ্য কৰা গৈছিল। চিত্ৰকলাই এই সময়ত বিকাশ লাভ কৰিছিল। প্ৰাক্ ঐতিহাসিক চিত্ৰকলাই পূৰ্বৰ বিস্তৃতি এৰি লাহে লাহে জ্যামিতিক চিহ্ন বা ৰূপলৈ সংকুচিত হৈছিল। প্ৰাক্ ঐতিহাসিক শিল্পীয়ে শিলগুটিত বিবিধ নক্সা অংকন কৰিছিল। চিত্ৰৰূপ সম্পাদিত বা চিত্ৰায়িত শিলগুটিবোৰে বৰ্ণমালাৰ পৰম্পৰা নিৰ্মাণত বিশেষভাৱে সহায় কৰিব পাৰিছিল বুলি কোনো কোনো পণ্ডিতে ক'ব খোজে। আকৌ কোনো কোনো পণ্ডিতে চিত্ৰায়িত এই শিলগুটিবোৰে ধৰ্মীয় জীৱনৰ আৰম্ভণিৰ ইংগিত দিব পাৰে বুলিও ক'ব খোজে। কিছুমানে আকৌ এই শিলগুটিবোৰত দেৱোপম শক্তি নিহিত থকা বুলিও কৈছিল। অন্যহাতে খেলা-ধূলাৰ প্ৰসংগতো এনে শিলে ভূমিকা গ্ৰহণ কৰাৰ সপক্ষেও যুক্তি প্ৰদৰ্শন কৰিব পাৰি।

প্ৰাক্ ঐতিহাসিক যুগৰ আদি ছোৱাত মানুহে শিলৰ অস্ত্ৰ-শস্ত্ৰ বা সা-সঁজুলি ব্যৱহাৰ কৰিছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে তেওঁলোকে ধাতৱ অস্ত্ৰ-শত্ৰ বা সা-সঁজুলি ব্যৱহাৰ কৰিছিল। কটাৰী, কুঠাৰ, বটালী, ছেদন সঁজুলি, তৰোৱাল, শেল আদি নিৰ্মাণ কৰি বস্তু সংস্কৃতিত তেওঁলোকে নতুন নতুন প্ৰযুক্তি-বিদ্যাৰ বা নিৰ্মাণ কৌশল আৰু ক্ষমতাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল।

গৃহ-বাৰী নিৰ্মাণ, সূতা কটা, কাপোৰ বোৱা, মৃন্ময় অথবা ধাতৱ বাচন-বৰ্তন নিৰ্মাণ পদ্ধতি আদিতো আদিম মানৱ সমাজে শেষস্তৰত দক্ষতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। নাও নিৰ্মাণ, জলপথৰ চিনাক্ত কৰণ, বেপাৰ-বাণিজ্য আদিতো তেওঁলোকে প্ৰগতি পথেৰে অগ্ৰসৰ হৈছিল।

ইতিমধ্যে উল্লেখ কৰি অহা আদিম সমাজৰ তাম্ৰ আৰু লৌহ যুগতেই তেওঁলোকৰ সাংস্কৃতিক জীৱন দ্ৰুত গতিত পৰিৱৰ্তিত হৈছিল, যি পৰিৱৰ্তনে পৰৱৰ্তী যুগৰ সংস্কৃতি বিস্ময়কৰভাৱে নিৰ্মাণৰ ভূমিকা গ্ৰহণ কৰিছিল।

**আত্মমূল্যায়ণ প্ৰশ্ন**

মানৱ আচৰণৰ লগত সংস্কৃতিৰ সম্পৰ্ক বিচাৰ কৰক? (৩০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....................................................................................................

.....................................................................................................

## ১.৫ সংস্কৃতিৰ সংজ্ঞা আৰু ধাৰণা

ভাৰতীয় দৃষ্টিভংগীমতে সংস্কাৰৰ জৰিয়তে সংস্কৃতিৰ জন্ম হয়। জন্মোতেই মানুহে সংস্কাৰিত হৈ নাহে, তেনে অৱস্থাত মানুহ অপৰিমাৰ্জিত হৈ থাকে। তাৰ পিছত সামাজিক আচাৰ-অনুষ্ঠান আৰু শিক্ষা-দীক্ষাৰ মাজেৰে সংস্কাৰিত হৈ নতুন জীৱন লাভ কৰে, সংস্কৃতি সম্পন্ন বা সুশিক্ষিত হয় বা দ্বিতীয়বাৰ জন্মলাভ কৰে। তেওঁ প্ৰথমবাৰ জন্ম লাভ কৰে

মাকৰ গৰ্ভৰপৰা আৰু দ্বিতীয়বাৰ জন্ম লাভ কৰে সংস্কাৰৰ জৰিয়তে অৰ্থাৎ তেওঁ দ্বিজ হয়। সেইহে কোৱা হয় "জন্মনা জায়তে শূদ্রং সংস্কাৰাৎ দ্বিজ উচ্যতে।" অৰ্থাৎ পৰিমাৰ্জন প্ৰক্ৰিয়াৰ দ্বাৰা লাভ কৰা অৱস্থা বা ব্যাপাৰৰ নাম সংস্কৃতি।

কোনো কোনো দাৰ্শনিকৰ মতে সামাজিক মাধুৰ্য বা সামাজিক সৌন্দৰ্যৰ নামেই সংস্কৃতি। *ঐতৰেয় ব্ৰাহ্মণত* সংস্কৃতিৰ বিষয়ে এনেদৰে কোৱা হৈছে ঃ "আত্ম সংস্কৃতিৰ্ৱাব শিল্পানি" অৰ্থাৎ শিল্পসমূহ আত্মাৰ সংস্কৃতি।

লেটিন ভাষাৰ 'কোল' ধাতুৰপৰা উদ্ভৱ হোৱা 'কুলতুৰা' শব্দৰ অৰ্থৰ লগত ইন্দো-এৰিয়ান ভাষাৰ কৃষ্টি-সংস্কৃতি পৰিভাষাৰ মিল লক্ষ্য কৰিব পাৰি। কৃষ্ বা কৰ্ষণ পৰিভাষাত মাৰ্জিত বা ৰুচিবান হোৱাৰ ধাৰণাও স্পষ্ট।

সংস্কৃতি পদৰ দ্যোতনা অত্যন্ত বিশাল। সংস্কৃতি অন্তঃ আৰু বহিঃ এই দুটা ভাগতো বিভক্ত হ'ব পাৰে। মানসিক উৎকৰ্ষ সাধনেই অন্তঃসংস্কৃতি আৰু ভাষা-সাহিত্য, নৃত্য-গীত আদি বহিঃসংস্কৃতি। কৃষ্ণ, বুদ্ধ, যীশু, শংকৰদেৱ আদি মহাপুৰুষ আছিল অন্তঃসংস্কৃতিৰ প্ৰৱৰ্তক।

সংস্কৃতিৰ অন্যতম লক্ষ্য আত্ম সংস্কৃতিৰ বিকাশ অৰ্থাৎ চিত্তৰ পূৰ্ণ বিকাশ সাধন। সংস্কৃতিৰ পৰিসৰ কিন্তু ইমানতেই সীমিত নহয়। প্ৰকৃতাৰ্থত সমগ্ৰ জীৱন চৰ্যাৰ মাধ্যমেৰে সংস্কৃতিৰ পূৰ্ণ বিকাশ ঘটে। জীৱনৰ বিচিত্ৰ কৃতিয়েই সংস্কৃতি অৰ্থাৎ সম্যক ভাৱে সম্পাদিত কৃতিৰ সমষ্টিয়েই সংস্কৃতি (সম-কৃ+ক্তি)।

সামাজিক মন আৰু দেহ উভয়ৰ বিকাশৰ মাধ্যমেৰেই সংস্কৃতিৰ উদ্ভৱ হয়, বিকাশ হয়, প্ৰসাৰিত হয়। সেয়েহে বৌদ্ধিক পৰমোৎকৰ্ষ আৰু সামাজিক সৌন্দৰ্যকেই সংস্কৃতি আখ্যা দিয়া হৈছে। দাৰ্শনিক নৃতত্ত্ববিদ ডেবিড বিন্দিৰ মতে "কোনো এক ভৌগোলিক পৰিৱেশৰ মাজত মানৱ প্ৰকৃতিৰ উৎকৰ্ষ সাধনেই সংস্কৃতি।"

আন এগৰাকী সমাজ বিজ্ঞানীৰ মতে মানৱ প্ৰকৃতিৰ উৰ্ধ্বতম প্ৰক্ৰিয়াই সংস্কৃতি। মানুহে জন্ম লাভ কৰে অসামাজিক (asocial) ৰূপে আৰু সংস্কাৰৰ মাধ্যমত লাভ কৰে সামাজিকতা। সংস্কাৰৰ আন নাম সংস্কৃতি।

ইংৰাজী কাল্‌ছাৰ (culture) পদটো পোনতে প্ৰয়োগ কৰিছিল বৃটিছ নৃতত্ত্ববিদ এডৱাৰ্ড বাৰ্ণেট টাইলাৰ-এ; খৃ. ১৮৭১ চনত। তেওঁ কালছাৰ পৰিভাষাটিৰ ব্যাখ্যা এনেদৰে আগবঢ়াইছিল—

*Culture is that complex whole which includes knowledge, belief, art, morals, law, custom and any other capabilities and habits acquired by man as a member of society.* অৰ্থাৎ

সমাজৰ অংগীভূত সদস্যৰূপে মানৱে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা-কৃষ্টি, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা, অভ্যাস আৰু অন্যান্য সামাজিক সামৰ্থৰ সামগ্ৰিক যৌগিক ৰূপেই সংস্কৃতি।

টাইলাৰৰ মতে সংস্কৃতি সামাজিক উত্তৰাধিকাৰ বা ঐতিহ্য (social heritage)। সংস্কৃতি ব্যক্তিৰ প্ৰতি সমাজৰ দান।

ৰিচাৰ্ড টি লেপাৰি নামৰ এগৰাকী বিখ্যাত সমাজ বিজ্ঞানীয়ে সংস্কৃতিৰ সূত্ৰ দিবলৈ এনেদৰে চেষ্টা কৰিছে ঃ

মানুহে বংশ-পৰম্পৰা সমাজপাতি বাস কৰিবলৈ লোৱাৰে পৰা সামাজিক প্ৰাণী হিচাপে মানুহে বিভিন্ন পৰিস্থিতিত সেই সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস-অবিশ্বাস, ধৰ্ম-অধৰ্ম-পৰম্পৰা আদি প্ৰবৃত্তিগতভাৱে শিকে। এই ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ-পৰম্পৰা আদিৰ সামগ্ৰিক ৰূপক সংস্কৃতি আখ্যা দিয়া হয়। সংস্কৃতিত সামাজিক জীৱ মানৱৰ শাৰীৰিক আৰু জৈৱিক আচৰণ বৰ্তমান থাকে। সংস্কৃতি সামাজিক সংযুতিৰ উপাদান বিশেষ। ধৰ্ম, কলা, আৱেগিক উক্তি আদি বিভিন্ন সামাজিক ব্যাপাৰ সংস্কৃতি পৰিসীমাৰ অংগীভূত।

মালিনৱস্কি-এ টাইলাৰে আগবঢ়োৱা সূত্ৰটোৰ আধাৰত কৈছে যে, সংস্কৃতি সামাজিক উত্তৰাধিকাৰ মাথোন। এই উত্তৰাধিকাৰ আচলতে ভৌতিক (material) আৰু অভৌতিক (non material) উভয়বিধ উপাদানৰ সমষ্টি। অৱশ্যে অভৌতিক উপাদানক সহজে উপলব্ধি কৰিব নোৱাৰি। আন কথাত সংস্কৃতি, জীৱনৰ সামগ্ৰিক পদ্ধতি মাথোন। মানসিক, সামাজিক আৰু ভৌতিক আদি উপাদানেৰে জীৱন পদ্ধতি নিৰ্মিত হয়। বহলভাৱে সংস্কৃতিৰ দিশ দুটা (ক) সামাজিক সংস্কৃতি আৰু (খ) ভৌতিক সংস্কৃতি।

ৰুথ বেনেডিক্ট-এ সংস্কৃতিৰ সংজ্ঞা আনুষ্ঠানিক (formalistic) আৰু নান্দনিক (aesthetic) উভয় দিশৰ ফালৰ পৰা দিবলৈ প্ৰয়াস কৰিছে। তেওঁৰ মতে সংস্কৃতিৰ ব্যাখ্যা সামাজিক জীৱনৰ আধেয়ৰ আধাৰত নিৰ্ভৰ নকৰে। আনুষ্ঠানিক ব্যৱস্থা সংগঠনৰ আধাৰতহে নিৰ্ভৰ কৰে।

মেলৱিল জে হাৰস্কোৱিটছ-এ অতি কম কথাৰ ভিতৰতে সংস্কৃতিৰ সূত্ৰ এনেদৰে দিছে— culture is the man-made part of the environment,

মানৱৰদ্বাৰা পাৰিপাৰ্শ্বিক অংশবোৰেই সংস্কৃতি। স্বৰূপাৰ্থত মানৱ সৃষ্ট সামাজিক আচৰণেই সংস্কৃতি।

সংস্কৃতিৰ সৰ্বজনগ্ৰাহ্য আধুনিক সূত্ৰ এগৰাকী নৃতত্ত্ববিদে এনেদৰে দিছে ঃ

সংস্কৃতি কিছুমান নিয়মৰ সংযুতি অথবা পৰিমাপক। এই সংযুতিবোৰে কোনো এখন সমাজৰ অংগীভূত ব্যক্তিসকলক প্ৰভাৱান্বিত কৰাৰ ফলস্বৰূপে সেই সমাজৰ অংগীভূত ব্যক্তিসকলৰ বাবে উপযুক্ত আৰু গ্ৰহণযোগ্য বিভিন্ন আচৰণৰ জন্ম হয়। এই আচৰণৰ সমষ্টিয়েই সংস্কৃতি।

**আত্মমূল্যায়ণ প্ৰশ্ন**

মানৱ প্ৰকৃতিৰ উৎকৰ্ষ সাধনেই সংস্কৃতি নে? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................................................

.......................................................................................................................

### ১.৫.১ জীৱনৰ প্ৰয়োজনীয়তা আৰু সংস্কৃতি

সংস্কৃতিৰ জন্ম হয় জীৱনৰ প্ৰয়োজনীয়তাৰ আধাৰত। গতিকে জীৱন আৰু সমাজক এৰি সংস্কৃতি সৃষ্টি হ'ব নোৱাৰে। সামাজিক আচৰণৰ সমলয়ত সংস্কৃতিৰ জন্ম।

জীৱনক বাদ দি সমাজ হ'ব নোৱাৰে; যিহেতু জীৱন আৰু সমাজৰ মাজত নিবিড় সম্পৰ্ক আৰু সম্বন্ধ ৰক্ষিত হৈ আহিছে।

| **জীৱনৰ মূল প্ৰয়োজনীয়তা** | **সাংস্কৃতিক অভিব্যক্তি** |
|---|---|
| ১. জীৱদেহৰ ৰাসায়নিক ৰূপান্তৰ (Metabolism) | খাদ্য সংগ্ৰহ (Commissariat) |
| ২. প্ৰজনন (Reproduction) | জ্ঞাতিত্ব (Kinship) |
| ৩. দৈহিক 'সুখ-স্বাচ্ছন্দ্য' আৰাম (Bodily comforts) | আশ্ৰয় (Shelter) |
| ৪. নিৰাপত্তা (Safety) | সুৰক্ষা (Protection) |
| ৫. গতি (Movement) | বিবিধ কাৰ্যাৱলী (Activities) |
| ৬. বৃদ্ধি (Growth) | প্ৰশিক্ষণ (Training) |
| ৭. স্বাস্থ্য (Health) | স্বাস্থ্য বিজ্ঞান (Hygiene) |

**১.৫.২ সংস্কৃতিৰ উপাদান**

সংস্কৃতিৰ পৰিসৰ অতিশয় ব্যাপক। জীৱনৰ সৈতে জড়িত সকলো বিধৰ আচৰণ-অভিজ্ঞতাৰ সমষ্টিয়েই সংস্কৃতি। জীৱনৰ এনে এটি দিশ নাই, এনে এখন ক্ষেত্ৰ নাই যাৰ সৈতে সংস্কৃতিৰ সম্পৰ্ক নাই। সেইবাবে সংস্কৃতিৰ পৰিসৰে জীৱনৰ বিভিন্ন অভিজ্ঞতাক সামৰে। তলত সংস্কৃতিৰ সমলৰাজিৰ সাধাৰণ আভাস দিয়া হ'ল ঃ

১. ভৌতিক সংস্কৃতি আৰু ইয়াৰ অনুমোদন (Material culture and its sanctions)
   (ক) প্ৰযুক্তিবিদ্যা, কাৰিকৰী বিদ্যা (Technology)
   (খ) অৰ্থনীতি (Economics)

২. সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান (Social institutions)
   (ক) সামাজিক সংগঠন (Social organisation)
   (খ) শিক্ষা (Education)
   (গ) ৰাজনৈতিক সংযুতি (Political structure)

৩. মানুহ আৰু বিশ্বজগত (Man and the universe)
   (ক) বিশ্বাস পদ্ধতি (Belief system)
   (খ) অলৌকিক শক্তিৰ নিয়ন্ত্ৰণ প্ৰচেষ্টা (The control of supermatural power)

৪. নান্দনিকতা (Aesthetics)
   (ক) চাৰুকলা (Fine arts)
   (খ) গ্ৰাফিক কলা আৰু প্লাষ্টিক কলা (Graphic and plastic arts)
   (গ) লোকসংস্কৃতি (Folklore)

(ঘ) সংগীত-নাটক-নৃত্য-নৃত্ত (Music-drama-dance)

৫. ভাষা (Language)

**আত্মমূল্যায়ণ প্ৰশ্ন**

সংস্কৃতিৰ মূল উপাদানসমূহ কি? (২৫টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................................................................

.............................................................................................................

### ১.৫.৩ সংস্কৃতিৰ বৈশিষ্ট্য

নৃতত্ত্ববিদ হাৰস্কোৱিটছৰ মতে সংস্কৃতিৰ প্ৰধান বৈশিষ্ট্য তিনিটা ঃ

ক) মানৱ অভিজ্ঞতাত সংস্কৃতি বিশ্বজনীন, তথাপি ইয়াৰ স্থানীয় আৰু আঞ্চলিক ৰূপ লক্ষ্য কৰা যায়।

খ) সংস্কৃতি স্থবিৰ অথচ ই গতিশীল অবিচ্ছিন্ন।

(গ) সংস্কৃতিয়ে সমাজৰ প্ৰত্যেকজন সদস্যৰ জীৱন গতি নিৰ্ধাৰণ আৰু ইয়াৰ পৰিপুষ্টিত সমল যোগালেও কেতিয়াবাহে ই আমাৰ সচেতন ভাৱ-চিন্তাত প্ৰৱেশ কৰিব পাৰে।

তলত এই বৈশিষ্ট্যকেইটাৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল ঃ

(১) সংস্কৃতিৰ উৎস বিশ্বজনীন মন। বিশ্ব মানৱৰ মন আৰু অনুভূতিৰ অমিল নাই। পৃথিৱীৰ সকলো লোকে হিয়াৰ জুই আৰু পেটৰ জুইৰ পোৰণি পাহৰিব নোৱাৰে। এনে পোৰণিৰ বাবে জীৱন সুকৰো হ'ব পাৰে দুখৰো হ'ব পাৰে। এনে ভাৱ অনুভূতিৰ সাদৃশ্যৰ বাবেই মানৱ-সংস্কৃতিৰ স্বৰূপো একেই। সংস্কৃতিগত উপাদানৰ পাৰ্থক্য থাকিলেও ইয়াৰ অন্তৰালত কিন্তু এক সমসূত্ৰই বিশ্ব সংস্কৃতিৰ ধাৰণাৰ জন্ম দিয়ে। এনে সাদৃশ্যৰ বাবে পৃথিৱীৰ সকলো মানুহে হাঁহে, দুখত কান্দে, কান্দিলে চকুৰ পানীৰ নিজৰা বয়, নিজৰাৰ পানী সুকায়, চকুৰ পানী নুশুকায়। গতিকে বিশ্ব মানৱৰ মন যে এটাই তাক সহজে বুজিব পাৰি। প্ৰেম-প্ৰণয়, বিবাহ-পৰিণয়, বিৰহ-বিচ্ছেদ, সুখৰ চকুপানী আৰু দুখৰ চকুপানী সংস্কৃতিৰ সমল। গতিকে সংস্কৃতি বিশ্বজনীন।

আকৌ মানুহ একে হ'লেও ভৌগোলিক, ঐতিহাসিক আদি কাৰণবশতঃ মানৱ সমাজত কিছুমান বৈচিত্ৰ্যও পৰিদৃষ্ট হয়। সংস্কৃতিৰ অন্যতম সমল পোছাক-পৰিচ্ছদ, খোৱা-লোৱা, খাদ্য-সামগ্ৰী, আচাৰ-অনুষ্ঠান, ভৌতিক সংস্কৃতি, পৰিৱেশ্য কলা আদিৰ মাজত পাৰ্থক্য দেখা যায়।

(২) সংস্কৃতিৰ দ্বিতীয় বৈশিষ্ট্য হৈছে— ই স্থবিৰ অথচ ই পৰিৱৰ্তনশীল। পৰম্পৰা-আধাৰতভূত হোৱা বাবে সংস্কৃতি স্থবিৰ হ'ব পাৰে। মানুহে বা সমাজে তেওঁলোক পিতৃ-পিতামহ আদিৰ দিনৰে পৰা চলি অহা নীতি-নিয়ম, বিধি-বিধান, আচাৰ-অনুষ্ঠান, ৰহন-চহন আদি পৰিৱৰ্তন কৰিব নোখোজে। কিন্তু সময়ৰ অগ্ৰগতিৰ লগে লগে সমাজৰো পৰিৱৰ্তন হয়; যিহেতু পৰম্পৰা অতীতৰ প্ৰতি অন্ধ আনুগত্য নহয়, ই এক ঐতিহাসিক চেতনাহে।

আমাৰ বিহু উৎসৱ আৰু বিহুগীত আৰু বিহুনাচৰ প্ৰতি লক্ষ্য লক্ষ্য কৰিলেই স্থবিৰ সংস্কৃতি যে পৰিৱৰ্তিত হয়— তাৰ স্পষ্ট আভাস পোৱা যায়। সৌ সিদিনালৈকে বিহুগীত, বিহুনাচ, বিহু উৎসৱ আছিল গাঁওঁ সমাজৰ, পথাৰৰ, এতিয়া হ'ল নগৰৰ বিহু, হ'ল মঞ্চৰ বিহু। পোছাক-পৰিচ্ছদলৈ চালেও দেখা যায় যে পূৰ্বে অসমীয়া পুৰুষসকলে পিন্ধিছিল ধুতী, মহিলাই পিন্ধিছিল মেখেলা-চাদৰ, আজিকালি পুৰুষে পিন্ধে পেণ্ট-ছাৰ্ট আৰু মহিলাই পিন্ধে ছুৰিদাৰ-কামিজ। ধুতী পিন্ধা আৰু মেখেলা ছাদৰ পিন্ধা পুৰুষ-মহিলাৰ সংখ্যা কমিল বুলিয়েই ক'ব পাৰি।

(৩) সংস্কৃতিয়ে আমাৰ জীৱন-গতি নিৰ্ধাৰণ আৰু ইয়াৰ পৰিপুষ্টিত সমল যোগালেও কেতিয়াবাহে ই আমাৰ সচেতন ভাৱ-চিন্তাত প্ৰৱেশ লাভ কৰিব পাৰে। মানুহ হিচাপে আমাৰ কিছুমান মনস্তাত্ত্বিক আৰু দাৰ্শনিক সমস্যা আছে। মানুহে কেনেকৈ নিজৰ সংস্কৃতি শিকিবলৈ প্ৰয়াস কৰে আৰু সমাজৰ অংগীভূত সদস্য হিচাপে কিদৰে ক্ৰিয়া বা কাৰ্য সম্পাদন কৰে ইত্যাদি কথাবোৰ নিশ্চিতভাৱে এক মনস্তাত্ত্বিক সমস্যা। দ্বিতীয়তে, সংস্কৃতি মানৱ-মনৰ ক্ৰিয়া হয়নে নহয় তাৰ বিচাৰ কৰা বাস্তৱিকতে দাৰ্শনিক সমস্যা। সংস্কৃতি মানৱৰ বিশেষ গুণ, ই মানৱ সমাজতহে সীমিত। ব্যক্তি বিশেষে গ্ৰহণ কৰিব পৰা ক্ষমতাৰ বাহিৰতো সংস্কৃতিৰ সত্তা বৰ্তমান। গতিকে সংস্কৃতিৰ পৰিসৰ ব্যক্তিসত্তাৰ পৰিসৰতকৈও ব্যাপক। অন্য মনস্তাত্ত্বিক সত্তাৰ বাহিৰে সংস্কৃতিৰ আন দ্বিতীয় সত্তা নাই, মানৱ মনত নিৰ্মিত অনুবৰ্তিতা ৰূপেহে ই স্থিতি লাভ কৰে।

**আত্মমূল্যায়ণ প্ৰশ্ন**

সংস্কৃতিক স্থবিৰ অথচ পৰিৱৰ্তনশীল বোলাৰ কাৰণ কি? (৬০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

....................................................................................................................................

....................................................................................................................................

## ১.৬ সাৰাংশ (Summing Up)

এই খণ্ডটো পঢ়ি সংস্কৃতি নিৰ্মাতা মানুহৰ সামাজিক ইতিহাসৰ বিভিন্ন স্তৰ, প্ৰত্ন প্ৰস্তৰ যুগ, মধ্যযুগীয় প্ৰস্তৰ যুগ, নব্য প্ৰস্তৰ যুগ, তাম্ৰযুগ, লৌহ যুগ আদিৰ মাজেৰে গৈ কেনেদৰে তেওঁলোকে কৃষিকৰ্মত স্থিতি লাভ কৰি সামাজিক নান্দনিকতাৰ ফালে অগ্ৰসৰ হৈছে সেই বিষয়ে কিছু কথা শিকিলোঁ। এই ইতিহাস নানা ঘাত-প্ৰতিঘাত, নানা সংঘাত, নানা বিপৰ্যয়ৰ মাজেৰে অগ্ৰসৰ হোৱা এক জীৱন্ত আৰু চলন্ত ইতিহাস। বন্যজীৱ সদৃশ মানুহে কিদৰে নিজৰ নিৰন্তৰ চেষ্টা-প্ৰচেষ্টাৰ মাজেৰে সংস্কৃতি নিৰ্মাতাৰূপে আত্মপ্ৰকাশ কৰিলে সেই বিষয়েও আমি শিকিলোঁ।

আমি আৰু জানিলো যে, মানৱ সমাজতহে সংস্কৃতিৰ জন্ম। মানুহে নিৰ্মাণ কৰা পদাৰ্থইহে সংস্কৃতি নামবাচ্য হ'ব পাৰে। সংস্কৃতিৰ ব্যাখ্যা বিভিন্নজনে বিভিন্নভাৱে দিছে। জীৱনৰ প্ৰয়োজনীয়তাৰ সৈতে সংস্কৃতিৰ সম্পৰ্ক। জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ আধাৰত সংস্কৃতিৰ জন্ম হয়।

## ১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১) মানৱৰ বিকাশ সম্পৰ্কে আলোচনা কৰক। প্ৰাক্ ঐতিহাসিক যুগৰ মানুহ, সমাজ আৰু সংস্কৃতি সম্পৰ্কে আলোচনা কৰক।

২) মানুহক বান্দৰৰ বংশধৰ বোলাৰ কাৰণ কি কি?

৩) "সংস্কৃতি পদৰ দ্যোতনা অত্যন্ত বিশাল।" কথাষাৰ বহলাই আলোচনা কৰক।

৪) সংস্কৃতিক কি কাৰণে সামাজিক আচৰণৰ সৃষ্টি বোলা হৈছে উদাহৰণৰ সৈতে বুজাই লিখক।

৫) কৃতি-কৃষ্টি আৰু সংস্কৃতিৰ মাজত কিদৰে সম্পৰ্ক ৰক্ষিত হৈ আহিছে বুজাই লিখক।

৬) সংস্কৃতি মানৱ নিৰ্মিত বুলি কি কাৰণে কোৱা হৈছে বহলাই লিখক।

৭) জীৱনৰ প্ৰয়োজনীয়তাৰ সৈতে সংস্কৃতিৰ সম্পৰ্ক কিদৰে ৰক্ষিত হৈ আহিছে বুজাই লিখক।

৮) সংস্কৃতিৰ উপাদানবোৰ কি কি বুজাই লিখক।

৯) চমুটোকা লিখক ঃ
জ্ঞাতিত্ব (Kinship), চাৰুকলা, হস্ত-কুঠাৰ, বিশ্বাস পদ্ধতি, অলৌকিক শক্তি, যৌথ নৃত্য, আদিম যৌন জীৱন।

১০) সংস্কৃতিৰ প্ৰধান বৈশিষ্ট্যকেইটা কি কি বুজাই লিখক।

১১) সংস্কৃতি বিশ্বজনীন মনৰ আধাৰত সৃষ্টি হৈছে বুলি কোৱাৰ কাৰণ কি কি? বুজাই লিখক।

১২) সংস্কৃতিক বিশ্বজনীন ব্যাপাৰ বুলি কোৱাৰ কাৰণ কি বুজাই লিখক।

১৩) সংস্কৃতি কেনেদৰে একে সময়তে স্থবিৰ আৰু গতিশীল, যুক্তিৰে বুজাই লিখক।

## ১.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Books)


| | | |
|---|---|---|
| শৰ্মা, নবীন চন্দ্ৰ | ঃ | অসমীয়া লোকসংস্কৃতিৰ আভাস |
| — | ঃ | লোকসংস্কৃতি |
| — | ঃ | ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ লোকসংস্কৃতি |
| Herskovits, Melville, J | ঃ | Cultural Anthropology |
| Gregory, W.K. | ঃ | our Face from Fish to Man |

## দ্বিতীয় বিভাগ
## সংস্কৃতিৰ ৰূপ আৰু সংযুতি

**বিভাগৰ গঠন ঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ পৰম্পৰা আৰু সংস্কৃতি
২.৪ সংস্কৃতিৰ বিভাজন বা শ্ৰেণীবিভাগ
২.৪.১ আদিম সংস্কৃতি
২.৪.২ গঁঞা সংস্কৃতি
২.৪.৩ লোক সংস্কৃতি
২.৪.৪ জনজাতীয় সংস্কৃতি
২.৪.৫ শিষ্ট বা অভিজাত সংস্কৃতি
২.৫ লোক সংস্কৃতি আৰু লোক জীৱন
২.৬ লোক সংস্কৃতি, জনজাতীয় সংস্কৃতি আৰু অভিজাত সংস্কৃতি
২.৭ সাৰাংশ (Summing Up)
২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

সংস্কৃতি মানৱ সমাজৰ সৃষ্টি। সময়ৰ সৈতে সমাজ জীৱনৰ সম্পৰ্ক অতিকে গাঢ়। সময়ে ইতিহাস সৃষ্টি কৰে। গতিকে ঐতিহাসিক পৰিক্ৰমা, মানৱ সমাজৰ প্ৰকৃতি আদিৰ আধাৰত সংস্কৃতিৰ পৰিৱৰ্তন ঘটে। এই পৰিৱৰ্তনৰ বাবেই সংস্কৃতিক আদিম সংস্কৃতি, লোক সংস্কৃতি বা গঁঞা সংস্কৃতি, জনজাতীয় সংস্কৃতি, শিষ্ট সংস্কৃতি, নগৰীয়া সংস্কৃতি আদি শ্ৰেণীত ভাগ কৰিব পাৰি। এই বিভাগ বা শ্ৰেণীবোৰ পানী নসৰকাবিধৰ নহয়— বৰং পৰস্পৰৰ মাজত সম্পৰ্ক ৰক্ষিত হৈ আহিছে। সেইবাবেই মৌখিক পৰম্পৰা লিখিত পৰম্পৰাত প্ৰৱেশ কৰে আৰু লিখিত পৰম্পৰাই গৈ মৌখিক পৰম্পৰাত প্ৰৱেশ কৰে।

### ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ ফলত আপুনি—

- সংস্কৃতি মানৱ সৃষ্টি, গতিকে মানুহৰ ইতিহাসৰ সৈতে সংস্কৃতিৰ সম্পৰ্ক ৰক্ষিত হৈ আহিছে।
- পৰম্পৰা আৰু সংস্কৃতিৰ পাৰ্থক্যৰ বিষয়ে অৱগত হ'ব পাৰিব।
- আঞ্চলিক বৈশিষ্ট্যয়ো সংস্কৃতিৰ সংযুতিত ভূমিকা গ্ৰহণ কৰে। যেনে ঃ অসমৰ

সংস্কৃতি, গোৱালপাৰাৰ সংস্কৃতি, দৰঙৰ সংস্কৃতি, কামৰূপৰ সংস্কৃতি ইত্যাদি। সংস্কৃতিৰ আঞ্চলিক বৈশিষ্ট্যসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব,

- সমাজৰ স্তৰ অনুসৰি স্তৰ বিভাজন হোৱা আদিম সংস্কৃতি, লোক সংস্কৃতি, জনজাতীয় সংস্কৃতি, অভিজাত বা শাস্ত্রীয় সংস্কৃতি আদিৰ বিষয়ে জানিব পাৰিব,
- সমাজৰ লগে লগে সংস্কৃতিৰো যে পৰিৱৰ্তন হয় এই বিষয়ে বুজিব পাৰিব।

## ২.৩ পৰম্পৰা আৰু সংস্কৃতি

সংস্কৃতি আৰু পৰম্পৰাৰ মাজত নিবিড় সম্পৰ্ক ৰক্ষিত হৈ আহিছে। পাৰম্পৰিক সমাজ ব্যৱস্থাত জনকৃষ্টি বা জনসংস্কৃতিয়েই হওক বা লোকসংস্কৃতি বা লোকবিদ্যাই হওক সকলোৰে সম্পৰ্ক পৰম্পৰাৰ সৈতে। সংস্কৃতিৰ মূল কথা হ'ল যিখন সমাজত ই প্ৰচলিত সেইখন সমাজৰ মানুহে সেই সাংস্কৃতিক উপাদানৰাজিক নিজৰ বুলি গ্ৰহণ কৰিব লাগিব; অৰ্থাৎ, এক কথাত ক'বলৈ হ'লে সেই সমাজখনৰ পৰম্পৰাৰ সৈতে সেই সাংস্কৃতিক উপাদানৰাজি সুন্দৰকৈ খাপ খাব লাগিব। পৰম্পৰাৰ সৈতে খাপ নাখালে মানুহে সংস্কৃতি গ্ৰহণ নকৰে, বৰং ইয়াক বৰ্জন কৰে। উদাহৰণস্বৰূপে অসমীয়া লোকগীত পৰিৱেশনত দোতোৰা, খঞ্জুৰী, জুৰি আদি ব্যৱহাৰ কৰাটো পৰম্পৰাগত; কিন্তু ইয়াৰ ইফাল-সিফাল হ'লে সেই সমাজৰ জনসাধাৰণে ইয়াক প্ৰকৃতাৰ্থত গ্ৰহণ নকৰে।

পৰম্পৰা শব্দটো ইংৰাজী tradition শব্দৰ সমাৰ্থবাচক। এই শব্দটো আহিছে মূল tradition শব্দৰ পৰা, যাৰ অৰ্থ handed down, অৰ্থাৎ পৰম্পৰা হ'ল এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সমাজৰ পদ্ধতি আৰু প্ৰথাৰ হস্তান্তৰকৰণ। পৰম্পৰাক এক প্ৰকাৰে ঐতিহ্য বুলিব পাৰি। ঐতিহ্যই আমাৰ স্বকীয় জীৱন ৰক্ষা কৰে। এই ফালৰপৰা সংস্কৃতি আৰু ঐতিহ্যৰ মাজত ৰক্ষিত হৈ আহিছে নিবিড় সম্পৰ্ক।

পৰম্পৰা স্থবিৰ নহয়, গতিশীল। সময়ৰ অগ্ৰগতিৰ লগে লগে, সমাজৰ পৰিৱৰ্তনৰ লগে লগে পৰম্পৰাৰো পৰিৱৰ্তন হয়। কোনোৰে কোনোৰে পৰম্পৰাৰ পৰিৱৰ্তন হোৱা দেখিলে তেনে সালসলনিক অস্বীকাৰ কৰিব খোজে। সমাজৰ পৰিৱৰ্তন ব্যৱস্থা পদটোৰ লগতে পৰিৱৰ্তন প্ৰক্ৰিয়াটোও অংগীভূত হৈ আছে। তদ্ৰূপ সমাজৰ পৰিৱৰ্তনৰ লগতে পৰম্পৰাৰ পৰিৱৰ্তনৰ কথাটিও সাঙোৰ খাই আছে। সেই কাৰণে কোৱা হয়— অতীতৰ প্ৰতি থকা অন্ধ আনুগত্যই পৰম্পৰা নহয়, পৰম্পৰা মানে ঐতিহাসিক চেতনা। অতীত-বৰ্তমান-ভৱিষ্যতৰ সৈতে পৰম্পৰাৰ আছে এক নিবিড় সম্পৰ্ক।

পৰম্পৰা দুবিধ ঃ (ক) মৌখিক আৰু (খ) লিখিত। যি পৰম্পৰা মুখে মুখে চলি আহিছে তাৰ নামেই মৌখিক পৰম্পৰা আৰু যি পৰম্পৰা লিখিতভাৱে চলি আছে তাৰ নাম লিখিত পৰম্পৰা। মৌখিক পৰম্পৰা আশ্ৰয়ী সংস্কৃতিৰ নাম লোকসংস্কৃতি বা লোকবিদ্যা। জনজাতীয় সংস্কৃতি বা আদিম সংস্কৃতিৰ বহু কথা পৰম্পৰাৰ অন্তৰ্ভুক্ত। লোকসংস্কৃতি অৰ্থাৎ মৌখিক সংস্কৃতিক পৰিমাৰ্জন কৰি ল'লৈই পৰিমাৰ্জিত বা অভিজাত বা আনুষ্ঠানিক বা শাস্ত্রীয় সংস্কৃতিৰ জন্ম হয়। ইয়াৰ বিপৰীতে সৃষ্টি হয় লোকসংস্কৃতিৰ।

লোক পৰম্পৰা আৰু লিখিত পৰম্পৰাৰ মাজত সদা সৰ্বদাই অন্যোন্য প্ৰক্ৰিয়া চলি থাকে, অৰ্থাৎ এটাৰ পৰা আনটো আঁতৰি থাকিব নোৱাৰে। লোক পৰম্পৰাই লিখিত পৰম্পৰাত প্ৰৱেশ কৰে আৰু লিখিত পৰম্পৰাই লোক পৰম্পৰাত প্ৰৱেশ কৰে। এইদৰে দুয়োৰে মাজত অন্যোন্য প্ৰক্ৰিয়া চলি থাকে।

ভাৰতীয় সমাজত লিখিত পৰম্পৰা আৰম্ভ হৈছে খৃ.পূৰ্ব তৃতীয় শতিকাত (খৃ. ২৭২) মহাৰাজ অশোকৰ ৰাজত্বকালত। বৌদ্ধধৰ্ম প্ৰচাৰৰ অৰ্থে তেওঁ তাম্ৰলিপি আৰু শিলালিপি লিখি দিয়াইছিল আৰু এই তাম্ৰলিপি আৰু শিলালিপিৰ জৰিয়তেই ভাৰতবৰ্ষত পোনতে লিখিত পৰম্পৰাৰ আৰম্ভ হৈছিল। ইয়াৰ পূৰ্বে যিবোৰ পৰম্পৰাৰূপে কথিত হৈছিল সেইবোৰ মুখে মুখে চলি মৌখিক পৰম্পৰাত প্ৰচলিত হৈ আছিল। বেদ-উপনিষদ আদিও মৌখিকভাৱে ৰচিত হৈ মুখ পৰম্পৰা প্ৰচলিত হৈ আছিল। আনকি বৰ্তমানো তেনেদৰে প্ৰচলিত হৈ আছে। সেইবাবে বেদৰ আন এটি নাম শ্ৰুতি। বেদ-উপনিষদ আদিয়ে লিখিত ৰূপ পোৱাৰ লগে লগে ইয়াৰ লিখিত পৰম্পৰাৰ সূত্ৰপাত হয়।

**আত্মমূল্যায়ণ প্ৰশ্ন**


পৰম্পৰাৰ অৰ্থ ব্যাখ্যা কৰা। পৰম্পৰাক অতীতৰ প্ৰতি অন্ধ আনুগত্য বুলিব পাৰিনে? (৬০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................................

..............................................................................................................

## ২.৪ সংস্কৃতিৰ বিভাজন বা শ্ৰেণীবিভাগ

সমাজ-জীৱন, প্ৰকৃতি, গুণ আদি বৈশিষ্ট্যৰ আধাৰত সংস্কৃতিক কেইটিমান শ্ৰেণীত বিভক্ত কৰিব পাৰি। যেনে—




আদিম সংস্কৃতি, লোক সংস্কৃতি অথবা জন জাতীয় সংস্কৃতি মৌখিক পৰম্পৰাত প্ৰচলিত। পৰৱৰ্তী কালতহে এইবোৰে লিখিত ৰূপ পৰিগ্ৰহ কৰি লিখিত পৰম্পৰাত প্ৰৱেশ কৰে। তলত বিভিন্ন সংস্কৃতিৰ সাধাৰণ আলোচনা আগবঢ়োৱা হ'ল।

### ২.৪.১ আদিম সংস্কৃতি

আদিম সমাজত প্ৰচলিত সংস্কৃতিৰ নাম আদিম সংস্কৃতি। কোনো কোনো সমাজ বিজ্ঞানীৰ মতে লোকসংস্কৃতিৰ পূৰ্ব ৰূপটোৱেই আদিম সংস্কৃতি। যাযাবৰী জীৱন, চিকাৰবৃত্তি, সুসংগঠিত সমাজ আৰু সামাজিক জীৱনৰ প্ৰায় পৰিচয়বিহীন, জীৱিকাৰ অন্যতম মাধ্যম হিচাপে কৃষি-বৃত্তিৰ বিষয়ে সম্পূৰ্ণ অজ্ঞান— এনেবিধ বৈশিষ্ট্যসম্পন্ন সংস্কৃতিৰ নামেই আদিম সংস্কৃতি। আদিম সংস্কৃতিৰ বিষয়ে ইতিমধ্যে পূৰ্বৱৰ্তী অধ্যায়ত আলোচনা কৰা হৈছে।

### ২.৪.২ গাঁওলীয়া সংস্কৃতি

নৃতত্ত্ববিদসকলে যাক Rural Culture বা Peasant Culture বোলে, সেই সংস্কৃতিক গাঁওলীয়া সংস্কৃতি বুলিব পাৰি। পোনতে গাঁৱৰ জন্ম— তাৰ পিছতহে নগৰ-চহৰ আদিৰ জন্ম। ৰবাৰ্ট ৰেডফিল্ডৰ মতে মানৱ সংস্কৃতিৰ যিটো স্তৰক আদিম আৰু শিষ্ট বা অভিজাত সংস্কৃতি নাম দিয়া হৈছে; এই দুয়ো সংস্কৃতিৰ মাজতেই গাঁওলীয়া সংস্কৃতিক স্থাপন কৰিব পাৰি; অৰ্থাৎ গাঁওলীয়া সংস্কৃতি আদিম আৰু অভিজাত সংস্কৃতিৰ মধ্যৱৰ্তী স্তৰ। গাঁওলীয়া সংস্কৃতি দুভাগত বিভক্ত ঃ লোক সংস্কৃতি বা জনকৃষ্টি আৰু জনজাতিৰ সংস্কৃতি বা জনজাতীয় সংস্কৃতি। প্ৰকৃতাৰ্থত এই দুয়োবিধ সংস্কৃতিয়েই গাঁওলীয়া সংস্কৃতি। লোকসংস্কৃতি আৰু জনজাতীয় সংস্কৃতি পৰম্পৰাবাদী, অতীতমুখী, কৃষিভিত্তিক অৰ্থনীতি নিৰ্ভৰশীল, যাদু মন্ত্ৰত বিশ্বাসী, হস্তশিল্প নিৰ্ভৰশীল, মৌখিক সঞ্চৰণত গুৰুত্ব প্ৰদান, বিভিন্ন দেৱ-দেৱী, ভূত-প্ৰেত, যখ-যখিনীত বিশ্বাসী, ভাগ্য, জ্যোতিষ আদিত বিশ্বাসী, বিজ্ঞানগত উদ্ভাৱন বা সিদ্ধান্তৰ প্ৰতি অসচেতন ইত্যাদি। এইফালৰ পৰা লোক সংস্কৃতি আৰু জনজাতীয় সংস্কৃতিৰ মাজত অমিলতকৈ মিলৰ পৰিমাণহে অধিক। লোকসংস্কৃতিৰ পৰিসৰ বহল-বিস্তৃত। ইয়াৰ বিপৰীতে জনজাতীয় সংস্কৃতি বিশেষ বিশেষ নৃ-গোষ্ঠীৰ মাজত সীমিত। যেনে ঃ বৰো নৃগোষ্ঠীৰ সংস্কৃতি, ৰাভা নৃগোষ্ঠীৰ সংস্কৃতি, মিছিং নৃগোষ্ঠীৰ সংস্কৃতি, কাৰ্বি নৃগোষ্ঠীৰ সংস্কৃতি ইত্যাদি। প্ৰতিটো নৃগোষ্ঠীৰ সংস্কৃতি সুকীয়া সুকীয়া, তাত সামগ্ৰিকতা নাই। ইয়াৰ বিপৰীতে লোকসংস্কৃতিৰ পৰিসৰ বহল, সামগ্ৰিক ৰূপ এটা আছে। অনেক ক্ষেত্ৰত জনজাতীয় সংস্কৃতি লোক সংস্কৃতিৰ বহল পৰিসৰতে সোমাই পৰে। ইয়াৰ মূলতে আছে ইতিমধ্যে কৈ অহা সংস্কৃতিৰ বিশ্বজনীনতা।

### ২.৪.৩ লোকসংস্কৃতি

লোকসংস্কৃতি পৰিভাষাটো প্ৰয়োজিত কৰা হৈছে ইংৰাজী Folklore পদটোৰ অৰ্থ সূচাবলৈ। এই অভিধাটি উদ্ভাৱন কৰে জন থমছ নামৰ এগৰাকী পণ্ডিতে খৃঃ ১৮৪৬ চনৰ ২২ ফেব্ৰুৱাৰী তাৰিখে।

লোকসংস্কৃতিৰ ব্যাখ্যা দিয়াৰ পূৰ্বে 'লোক'নো কোন এই বিষয়ে আলোচনা কৰা উচিত হ'ব। 'লোক' পদটোৰ সমাৰ্থক স্বৰূপে কোনো কোনো পণ্ডিতে 'জন' 'গণ' আদি পদো ব্যৱহাৰ কৰে। কিছুমানে আকৌ 'লোক সংস্কৃতি' অভিধাটিৰ ক্ষেত্ৰতো আপত্তি তোলে।

সাধাৰণতে Folk অৰ্থাৎ ফোক অৰ্থাৎ 'ফোক'ৰ পদটো প্ৰতিশব্দ স্বৰূপে 'লোক' পদটো ব্যৱহাৰ কৰা হয়। ঊনবিংশ শতিকাৰ বৃটিছ সমাজবিজ্ঞানী আৰু নৃতত্ত্ববিদৰ মতে যিসকল মানুহ আদিম আৰু অভিজাত শ্ৰেণীৰ মধ্যৱৰ্তী অৰ্থাৎ যিসকল আদিমো নহয়, আনফালে অভিজাতো নহয়— যিসকল আদিম স্তৰৰ পৰা গঁঞা স্তৰলৈ আগবাঢ়িছে সেই শ্ৰেণীৰ মানুহহে Folk, ফোক বা লোক।

তেওঁলোক ক'ত বাস কৰিব লাগিব? —গাঁৱত।

তেওঁলোকৰ অৰ্থনীতি নিৰ্ভৰ কৰে কিহত? —

প্ৰধানকৈ কৃষিত, হস্ত শিল্পত, শ্ৰম দানত।

তেওঁলোকে বিশেষভাৱে কিহত বিশ্বাস স্থাপন কৰে?

—পৰম্পৰাত।

ইয়াৰ বাহিৰেও 'লোক' বা 'Folk'ৰ আন আন বিশেষত্বৰাজি হৈছে ঃ তেওঁলোক অতীতমুখী, যুক্তিতকৈ বিশ্বাসত অধিক গুৰুত্ব প্ৰদানৰ প্ৰতি আগ্ৰহী, যাদু-মন্ত্ৰ আশ্ৰয়ী, শিল্পজাত সামগ্ৰীতকৈ হস্তনিৰ্মিত সঁজুলি বা সামগ্ৰীৰ তুলনামূলকভাৱে অধিক গুৰুত্ব প্ৰদানকাৰী। তেওঁলোক প্ৰায়ে নিৰক্ষৰ; কিন্তু শিক্ষিত বা জ্ঞানী, মৌখিক পৰম্পৰা আশ্ৰয়ী, অনগ্ৰসৰ, সমাজৰ নিম্নস্তৰৰ আৰু প্ৰায়ে কোনো এটা অঞ্চলৰ প্ৰান্তভাগ নিবাসী।

'লোক'ৰ যি বৈশিষ্ট্যৰাজি উল্লেখ কৰা হৈছে সেইবোৰ শিষ্ট বা অভিজাত শ্ৰেণীৰ বৈশিষ্ট্যৰ প্ৰতি সজাগ আৰু সচেতন হৈহে কৰা হৈছে। অভিজাত বা শিষ্টৰ ধাৰণা অবিহনে Folk বা লোকৰ ধাৰণা অৰ্থহীন হ'ব, যদিহে বৃটিছ নৃতত্ত্ববিদসকলে সময়ৰ সৈতে সংগতি ৰাখি 'লোক'ৰ অৰ্থ সলনি কৰিবলৈ তৎপৰ নহয়। ঐতিহাসিকভাৱে লোক বা জনৰ ধাৰণা শিষ্ট বা অভিজাত ধাৰণাৰ আধাৰত প্ৰতিষ্ঠিত নহয়। শিষ্ট বা অভিজাত শ্ৰেণী অবিহনেও লোকসমাজ জীয়াই থাকিব পাৰে, অথবা লোকসমাজৰ লগত সংগতি নৰখাকৈও শিষ্ট সমাজ বৰ্তি থাকিব পাৰে বা থাকিব। অন্যহাতে লোক আৰু কৃষকৰ মাজতো অনেক পাৰ্থক্য দেখা যায়। চহৰ বা নগৰত বাস কৰা অনেক লোককেই 'লোক' বা 'জন' আখ্যা দিয়াত আপত্তি উঠিব নোৱাৰে। ইয়াৰ বিপৰীতে চহৰ বা নগৰত বাস কৰা সকলক কৃষক আখ্যা দিব নোৱাৰি। চহৰ বা নগৰত বাস কৰা চহৰীয়া বা নগৰীয়া সকলো লোক কৃষ্টিৰ সমলৰ ক্ষেত্ৰত চহকী।

আন এদল সমাজতাত্ত্বিকে ক'ব খোজে যে লোকসংস্কৃতিৰ সমলৰাজি দূৰ অতীতত সৃষ্টি হৈছিল, বৰ্তমান আৰু সৃষ্টি নহয়— অতীতৰ সমলৰাজিৰ খণ্ড-বিখণ্ডবোৰহে বৰ্তমান সমাজত চলি আছে। তেওঁলোকৰ এই অনুমান অমূলক, যিহেতু আধুনিক যুগতো লোকসংস্কৃতিৰ সমলৰাজি সৃষ্টি হৈয়েই আছে। প্ৰকৃতাৰ্থত লোকসংস্কৃতি এক জীৱন্ত পৰম্পৰা; এক নিৰৱচ্ছিন্ন প্ৰৱাহ।

ৰেডফিল্ডৰ মতে লোকসংস্কৃতি কোনো এক সংস্কৃতিৰ পৰিপূৰ্ণ ৰূপ নহয়। ই অৰ্ধসমাজ (half society), অৰ্থাৎ সংস্কৃতিৰ পৰিপূৰ্ণ ৰূপৰ অংশ বিশেষহে। তেওঁৰ মতে লোকসংস্কৃতি 'লিটিল ট্ৰেডিছন'ৰ (little tradition) নামান্তৰ মাথোন আৰু অভিজাত সংস্কৃতি 'গ্ৰেট ট্ৰেডিছন'ৰ (great tradition) অন্যৰূপ। ৰেডফিল্ডৰ এই মত আজিকালিৰ পণ্ডিতসকলে গ্ৰহণ কৰিব নোখোজে।

আচলতে কোনো এটা সম্প্ৰদায় বা নৃগোষ্ঠীৰ সামগ্ৰিক জীৱন পদ্ধতিৰ নামেই লোকসংস্কৃতি। এইফালৰ পৰা জনজাতীয় সংস্কৃতিকো লোকসংস্কৃতি আখ্যা দিয়াত আপত্তি উঠিব নোৱাৰে। সমাজৰ সৰ্বস্তৰৰ সৈতে লোকসংস্কৃতিৰ নিবিড় সম্পৰ্ক ৰক্ষিত হৈ আহিছে। Folk বা লোক বুলিলে কাক বুজায়। সেই বিষয়ে মত পাৰ্থক্য থাকিলেও এলেন ডাণ্ডেচ ( Alan Dundes)ৰ ব্যাখ্যা প্ৰায় গ্ৰহণীয়। তেওঁৰ মতে নূন্যতম এটা উমৈহতীয়া উপাদানৰ অংশীদাৰ কোনো এক জনসমষ্টিয়েই লোক বা Folk। এই নূন্যতম উপাদানটো ভাষা, ধৰ্ম, ব্যৱসায় আদিও হ'ব পাৰে, যিয়ে বিশেষ এটা জনগোষ্ঠীৰ সদস্যসকলৰ মাজত সম্পৰ্ক বা সম্বন্ধ ৰক্ষা কৰিব পাৰে। পিছে এইক্ষেত্ৰত অতি প্ৰয়োজনীয় চৰ্ত হৈছে— যি উমৈহতীয়া উপাদানৰ কাৰণে সেই জনগোষ্ঠী গঠিত নহওক কিয় তাত বৰ্তমান থাকিব লাগিব পৰম্পৰা আৰু এই পৰম্পৰাক তেওঁলোকে নিজৰ বুলি গ্ৰহণ কৰিবলৈ সক্ষম হ'ব লাগিব।

লোকসংস্কৃতি পৰম্পৰা আশ্ৰয়ী; কিন্তু পৰম্পৰাও কোনোদিনে স্থবিৰ নহয়; ই গতিশীল, যুগ বা সময় সাপেক্ষ। গতিকে আধুনিক জীৱনত পৰম্পৰাৰ স্থিতি অস্বীকাৰ কৰিব নোৱাৰি; যিহেতু পৰম্পৰা আশ্ৰয়ী সমাজেই লোকসমাজ আৰু লোকসমাজৰ সামাজিক আচৰণেই লোকসংস্কৃতি, গতিকে আধুনিক সমাজতো লোকসংস্কৃতি জীৱন্ত পৰম্পৰা স্বৰূপে বৰ্তি থাকিব পাৰে— অবিচ্ছিন্নভাৱে।

লোকসংস্কৃতি অতীতৰ সৈতে সম্পৰ্কযুক্ত হ'লেও ইয়াত সমসাময়িক বৈশিষ্ট্যও বৰ্তমান। নগৰ-চহৰৰ কেন্দ্ৰসমূহ, শিল্প বিপ্লৱ, বৰ্তমানৰ বিভিন্ন সমস্যা আৰু জীৱন তথা দৰ্শনতো লোকসংস্কৃতিৰ ভূমিকা স্পষ্ট। এই দৃষ্টিভংগীৰ ফালৰপৰা ক'ব লাগিব যে, আধুনিক জগতৰ লোকসংস্কৃতিৰ অৱধাৰণাৰ ওপৰত কাৰ্য বা ক্ৰিয়াৰ আধাৰতহে গুৰুত্ব দিয়া হয়, সাম্প্ৰতিক ঘটনাৰ প্ৰভাৱ মুক্ত উপাদানৰ ক্ষেত্ৰত মুঠেই গুৰুত্ব দিয়া নহয়।

আপোনালোকে আগতে পাই আহিছে যে 'Folk' বা 'জন' বা 'লোক' অভিধাটিয়ে কেৱল গাঁঞা, নিৰক্ষৰ বা অনগ্ৰসৰ লোককেই নুবুজায়, পৰম্পৰা আশ্ৰয়ী সকলো লোককেই বুজায়। সাধাৰণতে দেখা যায় যে, গাঁঞা লোকসকল চহৰ বা নগৰত নানা কাৰণবশতঃ স্থায়ীভাৱে বাস কৰিবলৈ লয় আৰু তেওঁলোকৰ জৰিয়তে লোক সাংস্কৃতিক সমলৰাজি চহৰ-নগৰ বা ৰাজধানীতো বৰ্তি থাকে বা থাকিব পাৰে। নগৰ, চহৰ, ৰাজধানী আদিত স্থায়ীভাৱে বাস কৰি থকা গাঁঞা লোকসকলৰ বংশধৰসকলক লোক বা Folk আখ্যা দিয়া অনেক ক্ষেত্ৰত টান হ'লেও তেওঁলোকৰ জীৱন-পদ্ধতি, আচৰণ, পোছাক-পৰিচ্ছদ, ৰন্ধন-প্ৰণালী, জাগতিক দৃষ্টিভংগী পৰম্পৰাগত ৰীতি-নীতি অনুসাৰে পৰিচালিত হ'ব পাৰে।

ওপৰৰ আলোচনাৰ আধাৰত লোকসংস্কৃতিৰ অন্তৰ্গত 'লোক' পদটিৰ সূত্ৰ এনেদৰে দিব পাৰি ঃ

ৰাজনৈতিকভাৱে পৰিচিহ্নিত উন্নত সাংস্কৃতিক অঞ্চলত বসবাস কৰি অহা অথচ ভূসংস্থান, ভৌগোলিক পৰিৱেশ, ধৰ্ম, কথিত ভাষা, অৰ্থনীতি আৰু প্ৰজাতিৰ ফালৰ পৰা পৃথক হৈ থকা জনসমষ্টিয়েই Folk বা লোক।

Folklore অভিধাটি দুটা পদৰ সমষ্টি folk আৰু lore; folkৰ বিষয়ে ইতিমধ্যে আলোচনা কৰি অহা হৈছে। এতিয়া lore পদটোৰ অৰ্থ এনেদৰে ব্যাখ্যা কৰিব পাৰি। loreৰ অৰ্থ জনসাধাৰণৰ কৃতি, তেওঁলোকৰ বিভিন্ন আচৰণ, জ্ঞান-বিদ্যা আদি। পৰম্পৰাগত জ্ঞান অভিজ্ঞাপনেই এইবিধ বিজ্ঞানৰ মূল লক্ষ্য। লোকসংস্কৃতি মানৱ-ইতিহাস আৰু মানৱ-বিজ্ঞান। সেইফালৰ পৰা এই বিজ্ঞানক 'লোকজ্ঞান' আখ্যা দিলেহে খাপ খায়। সৰ্বস্তৰৰ মানৱৰ মাজত জ্ঞান দেখা যায়। আজিৰ মানৱৰ বিবিধ কাৰ্যৱলীতো জ্ঞানৰ অভিজ্ঞাপন লক্ষ্য কৰা যায়, আধুনিক মানৱ সমাজতো জ্ঞান-বিজ্ঞানৰ জয়জয়কাৰ অহৰহ নিনাদিত হৈছে। সেইদৰে গঁএগ্রা সমাজতো জ্ঞান চৰ্চাৰ অভাৱ নাই— এই জ্ঞান লিখিত নহ'ব পাৰে (মৌখিকজ্ঞান) "সাতত তিতা আঠত লোণ। তাৰ ঘৰলৈ বেজ গ'ল বা কোন?" —এনে উক্তি-প্ৰত্যুক্তি জ্ঞান-চৰ্চাৰেই নিদৰ্শন। সেইবাবে ইংৰাজী 'folklore' অভিধাটিৰ সঠিক অসমীয়া সমাৰ্থক পদ হ'ব লোকজ্ঞান।

লোকজ্ঞান লোকবিদ্যাৰ ভিতৰুৱা। জ্ঞান এক মানসিক অৱস্থা। আনহাতে, বিদ্যা মানসিক আৰু শাৰীৰিক অৱস্থা। ঘৰবন্ধা, নাও নিৰ্মাণ কৰা, শৰাই আদি গৃহ-সজ্জাৰ সঁজুলি তৈয়াৰ কৰা, আ-অলংকাৰ গঢ়া, বাদ্যযন্ত্ৰ সজা বা নিৰ্মাণ কৰা, কাপোৰ-বস্ত্ৰ আদি বোৱা-কটা কৰা আদিত আকৌ বিদ্যাৰ গুৰুত্বটোহে বেছি। সেইবাবে folklore অভিধাটিৰ অসমীয়া প্ৰতিশব্দ স্বৰূপে লোকবিদ্যা পৰিভাষাটি প্ৰয়োগ কৰা উচিত। এই প্ৰসংগত 'lore' পদটোক বুজাবলৈ কৃষ্টি পদটোও ব্যৱহাৰ কৰা হয়। কৰ্ষণ প্ৰক্ৰিয়াৰ দ্বাৰা যি পোৱা যায় সেয়ে কৃষ্টি আৰু কৃষ্টিক কৰ্ষণ কৰি পোৱা যায় সংস্কৃতি। সংস্কৃতিত বৰ্তমান থাকে পৰিমাৰ্জনৰ ক্ৰিয়া-প্ৰক্ৰিয়া; কিন্তু কৃষ্টিত এনে বিধৰ পৰিমাৰ্জন নাথাকে। জনসাধাৰণ বা লোকসাধাৰণৰ জীৱন-পদ্ধতি আৰু বিবিধ কৃত্য আৰু অভিব্যঞ্জনাত পৰিমাৰ্জনৰ গভীৰতা নাথাকে। সেইবাবে lore পদৰ প্ৰতিশব্দ ৰূপে আমি কৃষ্টি পদটো ব্যৱহাৰ কৰিব পাৰোঁ।

লোকসংস্কৃতি, জনকৃষ্টি, লোকজ্ঞান লোকবিদ্যাৰ অংগীভূত বিষয়বস্তুবোৰ হৈছে মিথ-পুৰাণ-কথা, জনশ্ৰুতি, সাধু, সাধুকথা, টেটকুটি, লোকোক্তি, বচন-প্ৰবচন, সাঁথৰ দিষ্টান, আবৃত্তি, মন্ত্ৰ, আশীৰ্বাদ, অভিশাপ, শাও-শপনি, গালি-গালাজ, শপত, সথাথতোলা, অপমান-অমৰ্যাদা, প্ৰতিশোধ, উপহাস, উক্তাক্তকৰণ, সুস্বাস্থ্য কামনা, মংগল কামনা, কুবচন, অশ্লীল শব্দ উচ্চাৰণ, দুৰুচাৰ্য শব্দ, সম্বৰ্দ্ধনা আৰু বিদায় গ্ৰহণৰ সৈতে জড়িত আচৰণাদি, পোছাক-পৰিচ্ছদ, বেশ-ভূষা, অয়-অলংকাৰ, লোকনৃত্য, নাট, লোককলা, লোকবিশ্বাস, লোকঔষধ আৰু চিকিৎসা পদ্ধতি, জ্যোতিষ-ভেষজ, জ্ঞান-বিজ্ঞান, বাদ্যযন্ত্ৰ, সংগীত, গীত-পদ, ভাষা-বিভাষা-দোৱান, উপমা-ৰূপক, নাম (উপনাম, স্থাননাম), লোক-কবিতা, পুৰাণ, খেল-ধেমালি, ৰন্ধন প্ৰকৰণ আৰু খাদ্য সামগ্ৰী, জগৎ-জীৱন, জনম-মৰণ, আকাশ-পৃথিৱী, গছ-গছনি, নদ-নদী, সাগৰ-মহাসাগৰ, হ্ৰদ-দীঘিকা, পুষ্কৰ-পুখুৰী, পৰ্বত-পাহাৰ আদি সম্পৰ্কীয় ধ্যান-ধাৰণা আৰু বিশ্বাস, সমাধিস্তম্ভত উৎকীৰ্ণ লিপি (Epigraphs), ৰাজহুৱা ঘৰৰ বেৰ বা ৰাজহুৱা পায়খানা, স্নানাগৃহ আদিৰ প্ৰাচীৰ-লেখন, পঞ্চপদী অৰ্থহীন কবিতা, আঙুলি বা বুঢ়া আঙুলি বা দেহৰ অংগী-ভংগী, মুদ্ৰা, প্ৰাৰ্থনা, লোকব্যুৎপত্তি, গাৰু-তুলি, কঠা-থঙা, খাট-চালপীৰা, চাং-হেদালি, নাঙল-কোৰ,

মৈ, জাপি-পাটী, ঢৰা-ঢাৰী, পীৰা-মূঢ়া, জাকৈ-খালৈ, পলো-জুলুকি, জাল-খেৰালী-আচাৰা আদিৰ প্ৰস্তুত প্ৰণালী, ঘৰ-বাৰী, বেৰ-হেঙাৰ-জেওৰা, দুৱাৰ-খিৰিকি আদি প্ৰস্তুতকৰণ; ৰাস্তাৰে গৈ থকা বস্তু বিক্ৰেতাৰ চিঞৰ-বাখৰ, ঘৰচীয়া জন্তুক মাতোতে আৰু আদেশ দিয়াৰ প্ৰসংগত প্ৰয়োগ কৰা ধ্বনি, স্মৃতি সহায়ক উপায় (গাঁথি মাৰি), হামি-হাঁচি-হেকতি আদিৰ অন্তত প্ৰকাশ কৰা পৰম্পৰাগত মন্তব্য, উৎসৱ-অনুষ্ঠান, ব্ৰত-উপবাস, পবিত্ৰ দিৱস, দৃশ্য-শ্ৰব্য কলা আদি বিবিধ উপাদানআৰু আচৰণ লোকবিদ্যা বা লোককৃষ্টি বা জনকৃষ্টি পৰিসৰে সামৰে। এই উপাদানৰাজি প্ৰকৃত ক্ষেত্ৰৰ পৰা সংগ্ৰহ কৰি আনি কিদৰে অধ্যয়ন-বিশ্লেষণ কৰিব লাগে তাৰ দিহা দিয়ে লোকসংস্কৃতি বিজ্ঞান অৰ্থাৎ Folkloristics-এ। আৰু সংগৃহীত সমলৰাজিয়েই হ'ল লোকসংস্কৃতি।

### ২.৪.৪ জনজাতীয় সংস্কৃতি

নিৰ্দিষ্ট ভৌগোলিক সীমাৰেখাৰ মাজত যিসকল লোকে দূৰ অতীতৰ পৰা বসবাস কৰি আহিছে, যিসকলৰ সুকীয়া ভাষা, সুকীয়া সংস্কৃতি আৰু সুকীয়া অৰ্থনীতি আছে, যিসকলৰ জীৱন-ধাৰণ প্ৰণালীত আন সংস্কৃতিৰ প্ৰায় প্ৰভাৱ পৰা নাই— তেনে নৃ-গোষ্ঠীক জনজাতি বা 'ট্ৰাইবেল গ্ৰুপ' বোলে আৰু তেওঁলোকৰ বিদ্যা বা জ্ঞান বা কৃষ্টিক জনজাতীয় সংস্কৃতি বুলিব পাৰি। 'লিটল ট্ৰেডিছন'ৰ অন্তৰ্গত জনজাতিসকলৰ সংস্কৃতিত 'গ্ৰেট ট্ৰেডিছন'ৰ সাংস্কৃতিক সমলৰ প্ৰভাৱ পৰে, তেনেদৰে তেওঁলোকৰ সামাজিক মৰ্যাদাৰ উন্নতি হয় আৰু জাতিৰ শাৰীত উঠিবলৈ সক্ষম হয়। এই সামাজিক প্ৰক্ৰিয়াৰ নাম Sanskritisation বা সংস্কৃতীয়াকৰণ।

অসমত বড়ো, ৰাভা, মিছিং, কাৰ্বি, দেউৰী, তিৱা, ডিমাছা আদি জনজাতীয় লোক আছে। আধুনিকতাৰ দ্বাৰা এওঁলোকৰ সমাজ আৰু সংস্কৃতিৰ পৰিৱৰ্তন ঘটিলেও তেওঁলোকে নিজা নিজা সাংস্কৃতিক পৰিচয় অব্যাহতভাৱে ৰক্ষা কৰিছে। সেয়েহে বড়োসকলৰ জীৱন-সমাজ-সংস্কৃতিৰ সৈতে ৰাভাৰ জীৱন সমাজ-সংস্কৃতিৰ সামগ্ৰিক আৰু পূৰ্ণ সাদৃশ্য পৰিলক্ষিত নহয়; তদ্ৰূপ ডিমাছা জীৱন-সমাজ-সংস্কৃতিৰ লগত মিছিংসকলৰ জীৱন-সমাজ-সংস্কৃতিৰ মিল নাই। তেওঁলোকৰ বাসস্থানৰ ক্ষেত্ৰতো মিল নাই, মিল নাই ভাষা আৰু অৰ্থনীতিৰ ক্ষেত্ৰতো।

মধ্যযুগত অসমৰ প্ৰায়বিলাক অধিবাসীয়েই জনজাতিকৰণ প্ৰক্ৰিয়াৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱান্বিত হৈছিল আৰু ইয়াৰ পৰিণতিত কৈৰাতিক মত বা ধৰ্মৰ সৃষ্টি হৈছিল। কিন্তু ভক্তি আন্দোলনৰ ক্ষেত্ৰত ইয়াৰ বিপৰীত প্ৰক্ৰিয়াই স্থান পালে— যাক আমি De-tribalization বুলিব পাৰোঁ। কোনো কোনো ক্ষেত্ৰত অসমৰ অধিবাসীসকলৰ মাজত জাতি-জনজাতি অবিচ্ছেদ্যতা অৰ্থাৎ Caste-tribe-continuum ৰক্ষিত হৈ আছে। মহাৰাজ নৰনাৰায়ণে এই প্ৰক্ৰিয়াটো সুন্দৰকৈ ৰক্ষা কৰিছিল। অসমৰ ক্ষেত্ৰত জাতি আৰু জনজাতিৰ মাজত নৃতাত্ত্বিক আৰু লোকসাংস্কৃতিক দিশৰ ফালৰ পৰা বিশেষ পাৰ্থক্য দেখা নাযায়।

### ২.৪.৫ শিষ্ট বা অভিজাত সংস্কৃতি

সাধাৰণতে মৌখিক সংস্কৃতিয়েই লোকসংস্কৃতি আৰু লিখিত সংস্কৃতিয়েই শিষ্ট বা অভিজাত সংস্কৃতি। পিছে এই মন্তব্যটি আলোচনা-বিলোচনা নকৰাকৈ গ্ৰহণ কৰিব নোৱাৰি। বেদ-উপনিষদ আদি মুখ-পৰম্পৰা ৰূপে প্ৰচলিত হৈছিল, তথাপি সেইবোৰক লোকসংস্কৃতিৰ অন্তৰ্গত সমল বুলিব নোৱাৰি।

শিষ্ট বা অভিজাত সংস্কৃতিৰ উদ্ভৱ আৰু বিকাশ লোকসংস্কৃতিৰ পূৰ্বে হৈছিল নে পৰৱৰ্তী কালত হৈছিল খাটাঙকৈ ক'ব নোৱাৰি। ভাৰতবৰ্ষৰ প্ৰসংগত ক'ব লাগিব যে, ২৫০০ বছৰৰ পূৰ্বেই শিষ্ট বা অভিজাত সংস্কৃতিৰ উদ্ভৱ হৈছে। অভিজাত সংস্কৃতি 'গ্ৰেট ট্ৰেডিছন' ৰূপেও পৰিচিত। লোকসংস্কৃতিৰ তুলনাত অভিজাত বা শিষ্ট সংস্কৃতি অধিক ৰীতিবদ্ধ, সুনিৰ্দিষ্ট, আত্মসচেতন, অধিক সুগঢ়ী, সুপৰিমাৰ্জিত আৰু প্ৰায় সমৰূপ বিশিষ্ট। অভিজাত বা শিষ্ট সংস্কৃতিক শাস্ত্ৰীয় বা বৈদিকী (sanskritic) বা মাৰ্গী বা মাৰ্গীয় সংস্কৃতি আখ্যা দিয়া হয়।

অভিজাত সংস্কৃতিক শাস্ত্ৰীয় সংস্কৃতি আখ্যা দিয়া হয়; কাৰণ শাস্ত্ৰৰ অনুশাসন অনুসৰি এই সংস্কৃতিৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান পালিত বা অনুষ্ঠিত হয়, অৰ্থাৎ বৈদিক (বা শাস্ত্ৰীয়) পৰম্পৰাৰ আধাৰত উদ্ভৱ আৰু সঞ্চাৰিত হৈ যি প্ৰৱাহমান হৈ থাকে সেই সংস্কৃতিৰ নাম শাস্ত্ৰীয় সংস্কৃতি। অভিজাত সংস্কৃতি বেদাদি শাস্ত্ৰৰ দ্বাৰা নিৰ্দেশিত মাৰ্গ বা পথ অনুসৰি সঞ্চাৰিত হৈ থাকে, সেইবাবে এইবিধ সংস্কৃতিৰ নাম মাৰ্গ বা মাৰ্গীয় সংস্কৃতি। ভাৰতবৰ্ষৰ প্ৰসংগত ক'ব পাৰি যে, শাস্ত্ৰীয় বা অভিজাত সংস্কৃতি 'গ্ৰেট ট্ৰেডিছন'ৰ সাংস্কৃতিক সমলৰ প্ৰভাৱ পৰে তেনেদৰে তেওঁলোকৰ সামাজিক মৰ্যাদাৰ উন্নতি হয় আৰু জাতিৰ শাৰীত উঠিবলৈ সক্ষম হয়।

**আত্মমূল্যায়ণ প্ৰশ্ন**

জনজাতীয় সংস্কৃতিৰ বিষয়ে এটি চমু টোকা লিখক। (৩০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................................

..........................................................................................................................

### ২.৫ লোক সংস্কৃতি আৰু লোকজীৱন

লোকসংস্কৃতি অভিধাৰে বৃটিছ নৃতত্ত্ববিদসকলে মৌখিক প্ৰক্ৰমখিনিকহে সূচাইছিল। খৃ. বিংশ শতিকাৰ আমেৰিকাৰ সমাজ বিজ্ঞানীসকলে দেখুৱাই দিলে যে, লোকজীৱনৰ বিষয়ে নজনাকৈ লোকজ্ঞান বা লোকবিদ্যা অৰ্থাৎ মৌখিক লোকবিদ্যাৰ বিষয়ে প্ৰকৃতাৰ্থত একো জনা নাযায়। তেওঁলোকৰ এই সিদ্ধান্ত সমগ্ৰ পৃথিৱীতে গৃহীত হয়। তেওঁলোকে এই দুয়োটাৰ মাজত ৰক্ষিত হৈ অহা সম্পৰ্কটো এনেদৰে দেখুৱাইছে। Folklore and folklife; এই যুগ্ম অভিধাৰ ব্যৱহাৰেৰে তেওঁলোকে লোকসংস্কৃতিৰ সামগ্ৰিকতাক বুজাইছিল।

**লোকসংস্কৃতি (বহল অৰ্থত)**

| | |
|---|---|
| (ক) লোকসংস্কৃতি | (খ) লোকজীৱন |
| —লোকগীত-পদ | ভৌতিক সংস্কৃতি— |
| —লোক কথা | আচাৰ-অনুষ্ঠান— |
| —প্ৰবাদ-প্ৰবচন | পৰিবেশ্য-কলা— |
| —দিষ্টান-সাঁথৰ | |
| —লোক কবিতা | |

| | |
|---|---|
| লোকগীত পদ, লোক কবিতা | ঃ উৎসৱ অনুষ্ঠানৰ সৈতে জড়িত গীত-পদ, পূজা উপাসনাৰ সৈতে জড়িত। সংস্কাৰমূলক গীত, কাহিনী গীত, ল'ৰা-ছোৱালীৰ সৈতে জড়িত গীত, প্ৰেম-প্ৰণয়মূলক, বিবিধ বিষয়ক, পুৰাণ কাব্য ভাষা। |
| লোক কথা | ঃ পুৰাবৃত্ত, জনশ্ৰুতি বা কিংবদন্তি আৰু সাধুকথা। |
| ভৌতিক সংস্কৃতি | ঃ হস্ত শিল্প, কলা স্থাপত্য-ভাস্কৰ্য, গৃহস্থালিৰ সা-সামগ্ৰী লোকৰন্ধন প্ৰণালী আৰু খাদ্য সামগ্ৰী, বস্ত্ৰ, অলংকাৰ আৰু আভৰণ। |
| আচাৰ-অনুষ্ঠান | ঃ বিশ্বাস আৰু ধৰ্ম-উৎসৱ অনুষ্ঠান, ঔষধ আৰু চিকিৎসা, অৱসৰ, বিনোদন আৰু খেল-ধেমালি। |
| পৰিৱেশ্য কলা | ঃ গীত-নৃত্য-নাটক। |

## ২.৬ লোকসংস্কৃতি-জনজাতীয় সংস্কৃতি আৰু অভিজাত সংস্কৃতিৰ সম্পৰ্ক

লোকসংস্কৃতি, জনজাতীয় সংস্কৃতি আৰু মাৰ্গী তথা শিষ্ট সংস্কৃতিৰ মাজত জল নিৰোধক বা পানী নসৰা পাৰ্থক্য নাই; তিনিওৰো মাজত আছে অবিচ্ছেদ্য সম্পৰ্ক। মাৰ্গী বা অভিজাত সংস্কৃতিৰ দৰে লোকসংস্কৃতি আৰু জনজাতীয় সংস্কৃতিত সামাজকি প্ৰক্ৰিয়া, তিনিওটা ধাৰা সমান্তৰালভাৱে চলি থকা নাই, ইটোৰ সৈতে সিটোৰ সম্বন্ধ আৰু সম্পৰ্ক ৰক্ষা কৰি চলি আছে। এই সম্পৰ্ক এক জীৱন্ত প্ৰক্ৰিয়া। সেইকাৰণে কোৱা হয় যে সংস্কৃতিৰ এই ত্ৰিধাৰাৰ মাজত গংগা-যমুনা-সৰস্বতী বা সন্ধ্যা-ললিতা-কান্তাৰ দৰে পাৰস্পৰিক মাজত অন্যোন্য প্ৰক্ৰিয়া চলি আছে। দূৰ অতীতৰ পৰা লোকসংস্কৃতি বা জনজাতীয় সংস্কৃতিৰ সমলৰাজি পৰিমাৰ্জিত হৈ মাৰ্গী বা অভিজাত সংস্কৃতিত প্ৰৱেশ কৰে। সৌ-সিদিনালৈ সত্ৰীয়া সংস্কৃতিয়ে শাস্ত্ৰীয় সংস্কৃতিৰ পৰিসীমাত প্ৰৱেশ কৰিব পৰা নাছিল শাস্ত্ৰীয় বৈশিষ্ট্য সম্পন্ন হোৱা সত্বেও। ভাৰতৰ ক্ষেত্ৰত শাস্ত্ৰীয় সংস্কৃতি হ'ব লাগিলে চৰকাৰৰ স্বীকৃতি লাভ কৰিব পাৰিব লাগিব। আজি কেইবছৰমান আগতে সত্ৰীয়া সংস্কৃতিয়ে শাস্ত্ৰীয় সংস্কৃতিৰ স্বীকৃতি লাভ কৰিছে। সত্ৰীয়া সংস্কৃতিত বিদ্যমান নৃত্য, গীত, ৰাগ-তাল, বাদ্য-ভাণ্ড, নাট মঞ্চ আদিৰ আদৰ্শ গ্ৰহণ কৰা হৈছিল তদানীন্তন সমাজত প্ৰচলিত লোক আৰু জনজাতীয় সাংস্কৃতিক উপাদানৰ পৰা। সত্ৰীয়া সংগীতত প্ৰচলিত 'মাহুৰ' ৰাগটোৰ নামোল্লেখ কোনো সংগীত শাস্ত্ৰত পোৱা নাযায়, অনা হৈছে ডিমাছা সংগীত পৰম্পৰাৰ পৰা। তেনেদৰে 'কৌ' ৰাগৰ উল্লেখ প্ৰাচীন সংগীত শাস্ত্ৰত নাই— কিন্তু শঙ্কৰদেৱৰ

দ্বাৰা ৰচিত বৰগীতত কৌ ৰাগৰ প্ৰয়োগ আছে। কৌ ৰাগ অনা হৈছে অসমৰ লোকসংগীতৰ পৰা। তেনেদৰে বিভিন্ন তাল, বাদ্যযন্ত্ৰ আদিতো লোকসংস্কৃতিৰ সৈতে সত্ৰীয়া সংস্কৃতিৰ অন্যান্য প্ৰক্ৰিয়া সংঘটিত হৈছে. সত্ৰীয়া নৃত্য-নাট-অভিনয়ৰ আদৰ্শ অনা হৈছে লোক সংস্কৃতিত বিশিষ্ট স্থান অধিকাৰ কৰি অহা ঢুলীয়া, পুতলা নাচ, ওজাপালি আদি অনুষ্ঠানৰ পৰা। বৰগীত বা আন আন মাৰ্জিত গীত-পদত লোক-গীতৰ প্ৰভাৱ সুস্পষ্ট।

ভাৰতীয় সংগীত শাস্ত্ৰত উল্লেখ থকা পাহাৰী, ভৈৰৱী আদি ৰাগৰ উৎস লোক সংস্কৃতি আৰু জনজাতীয় সংস্কৃতি। শাস্ত্ৰীয় নৃত্য দেৱদাসীৰ উদ্ভৱ হৈছে মোহিনী অত্তম নামৰ এটি লোকনৃত্যৰ পৰা। অসমৰ খেৰাই নৃত্যৰ দৌদিনীৰ আদৰ্শত নটী নাচৰ উদ্ভৱ হোৱা যেন লাগে। মণিপুৰী ৰাসনৃত্যৰো উদ্ভৱ হৈছে লোকনৃত্যৰ পৰা।

বাদ্যযন্ত্ৰৰ ক্ষেত্ৰত দেখা যায় যে— বাঁহী, বেণু, লাউটোকাৰী, ঢোল, তাল আদি লোক আৰু জনজাতীয় বাদ্যযন্ত্ৰই শাস্ত্ৰীয় সংগীতত প্ৰৱেশ কৰিছে।

শাস্ত্ৰীয় সাংস্কৃতিক সমলৰাজিও লোকসংস্কৃতি বা জনজাতীয় সংস্কৃতিলৈ যাব পাৰে। বাল্মীকিৰ ৰামায়ণ আদিতে আছিল মুখ-পৰম্পৰা প্ৰচলিত গাঁথা বা কাহিনী গীত। ৰামায়ণ অভিজাত সংস্কৃতিৰ বিশিষ্ট উপাদান। পূৰ্ব কবি মাধৱ কন্দলীয়ে বাল্মীকিৰ ৰামায়ণ পদবন্ধে অসমীয়া ভাষাত ৰচনা কৰে। মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণৰ আদৰ্শত কাৰ্বি ভাষাত মুখ-পৰম্পৰা ৰচিত হ'ল ছাবিন আলুন বা কাৰ্বি ৰামায়ণ। এতিয়া চোৱা যাওক ৰামায়ণ পৰম্পৰাৰ বিভিন্ন প্ৰক্ৰিয়াবোৰ।

| **লোকসংস্কৃতি** | **শাস্ত্ৰীয় সংগীত** | **মাধৱ কন্দলী** | **জনজাতীয়** |
|---|---|---|---|
| মৌখিক পৰম্পৰা → | লিখিত পৰম্পৰা | লিখিত পৰম্পৰা | মৌখিক পৰম্পৰা |
| মৌখিক গাথা বা | বাল্মীকি ৰামায়ণ | মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণ | কাৰ্বি ৰামায়ণ ছাবিন আলুন |

শংকৰদেৱ আৰু মাধৱদেৱৰ বৰগীতৰ আধাৰত বিবিধ লোকগীতৰ সৃষ্টি হৈছে। এইদৰে চালে দেখা যায় যে লোক, জনজাতীয় আৰু শাস্ত্ৰীয় পৰম্পৰাৰ মাজত অন্যোন্য প্ৰক্ৰিয়া দূৰ অতীতৰ পৰা চলি আহিছে।

**আত্মমূল্যায়ণ প্ৰশ্ন**

১) লোকজীৱন অভিধাটোৱে কি সূচায়? (৩০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

২) লোকসংস্কৃতি আৰু শিষ্ট সংস্কৃতিৰ সম্পৰ্ক বিচাৰ কৰক। (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

## ২.৭ সাৰাংশ (Summing Up)

ইতিহাস, ভূগোল-নৃগোষ্ঠী আদিৰ অভিবৃত্তিৰ আধাৰত সংস্কৃতি কেইটিমান শ্ৰেণীত বিভক্ত; যেনেঃ আদিম সংস্কৃতি, গাঁওঁলীয়া সংস্কৃতি, লোকসংস্কৃতি, জনজাতীয় সংস্কৃতি আৰু শিষ্ট সংস্কৃতি। পৰম্পৰাৰ আশ্ৰয়ত সংস্কৃতিৰ জন্ম অৰ্থাৎ পৰম্পৰীণ সমাজতহে সংস্কৃতিৰ বিকাশ সম্ভৱ হ'ব পাৰে। পৰম্পৰা আৰু ঐতিহ্যৰ মাজত বিশেষ পাৰ্থক্য নাই।

যি দূৰ অতীতৰ পৰা চলি থাকে তাৰ নামেই সংস্কৃতি। সংস্কৃতি স্থবিৰ নহয়, গতিশীল। আদিম সমাজত আদিম সংস্কৃতিৰ জন্ম হয়। পৰম্পৰাগত সমাজত বিশেষকৈ গাঁওঁলীয়া সমাজত বা লোক সমাজত লোকসংস্কৃতিৰ উদ্ভৱ হয়। লোকসংস্কৃতি চাৰিটি ভাগত বিভক্ত ঃ বাচিক কলা, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ আৰু পৰিৱেশ্য কলা। ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ আৰু পৰিৱেশ্য কলাক একেলগে লোক সমাজ বোলে। জনজাতীয় আৰু লোক সংস্কৃতিৰ মাজত বিশেষ পাৰ্থক্য নাই। একো একোটি জনজাতীয় গোষ্ঠীৰ মাজত প্ৰচলিত সংস্কৃতিৰ নাম জনজাতীয় সংস্কৃতি। পৰিমাৰ্জিত বা সংস্কাৰিত সংস্কৃতিৰ নাম শাস্ত্ৰীয় বা শিষ্ট সংস্কৃতি।

গাঁওঁলীয়া বা লোকসংস্কৃতি, শিষ্ট সংস্কৃতি আৰু জনজাতীয় সংস্কৃতিৰ মাজত গভীৰ সম্পৰ্ক লক্ষ্য কৰা যায়।

## ২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) সংস্কৃতিক কি কি ভাগত ভগাব পাৰি? প্ৰত্যেক ভাগৰে পৰিচয়মূলক বৰ্ণনা দিয়ক।

২) গাঁওঁলীয়া সংস্কৃতি আৰু লোকসংস্কৃতিৰ মাজত থকা সম্পৰ্কবোৰ কি কি বুজাই লিখক।

৩) শাস্ত্ৰীয় বা শিষ্ট সংস্কৃতিৰ বিকাশ সম্পৰ্কে আলোচনা কৰক।

৪) লোকসংস্কৃতি আৰু শিষ্ট সংস্কৃতিৰ মাজত কিদৰে গভীৰ সম্পৰ্ক ৰক্ষিত হৈ আহিছে বুজাই লিখক।

৫) পৰম্পৰা কাক বোলে? পৰম্পৰা কেইবিধ আৰু কি কি? ইহঁতৰ মাজত কিদৰে সম্পৰ্ক ৰক্ষিত হৈ আহিছে বুজাই লিখক।

৬) লোকসংস্কৃতি বা জনকৃষ্টি বা লোকবিদ্যা আৰু মৌখিক পৰম্পৰাৰ মাজত কিদৰে সম্পৰ্ক ৰক্ষিত হৈ আহিছে বিতঙকৈ লিখক।

৭) পৰম্পৰাক অতীতৰ প্ৰতি অন্ধ আনুগত্য বুলিব পাৰি নে নোৱাৰি যুক্তিসহ আলোচনা কৰক।

৮) পৰম্পৰাগত সংস্কৃতিক শিষ্ট বা মাৰ্গী সংস্কৃতি আখ্যা দিব পাৰি নে আলোচনা কৰক।

৯) লোক সমাজৰ অন্যতম বৈশিষ্ট্যবোৰ কি কি? বহলাই আলোচনা কৰক।

১০) লোকসংস্কৃতিৰ ক্ষেত্ৰবোৰ কি কি? প্ৰত্যেকটো ক্ষেত্ৰৰ বিষয়ে খৰচি মাৰি লিখক।

১১) লোকজীৱন কাক বোলে? লোকজীৱন পৰিসৰে কি কি ক্ষেত্ৰ সামৰে? প্ৰত্যেকটো ক্ষেত্ৰৰ বিষয়ে আলোচনা কৰক।

১২) জনজাতীয় সংস্কৃতিৰ বৈশিষ্ট্যবোৰ কি কি? লোকসংস্কৃতিৰ সৈতে জনজাতীয় সংস্কৃতিৰ সাদৃশ্য আৰু বৈসাদৃশ্যবোৰ দেখুৱাই দিয়ক।

১৩) জনজাতীয় সংস্কৃতিক গঁঞা সংস্কৃতি বুলিব পাৰি নে আলোচনা কৰক।

১৪) লোকসংস্কৃতি, জনজাতীয় সংস্কৃতি আৰু শিষ্ট সংস্কৃতিৰ মাজত কিদৰে অন্যোন্য প্ৰক্ৰিয়া (Process of interaction) নিৰন্তৰভাৱে চলি থাকে দৃষ্টান্তসহ আলোচনা কৰক।

১৬) **চমুটোকা লিখক**

ক) সমাজ আৰু সংস্কৃতিৰ সম্পৰ্ক

খ) ই. বি. টাইলাৰ

গ) গ্ৰীম ভ্ৰাতৃদ্বয়

ঘ) জেমছ ফ্ৰেজাৰ আৰু ডি গল্ডেন বাঅ (James Frazer and The Goldern Bough)

ঙ) পৰম্পৰা আৰু ৰূপান্তৰ

চ) পৰম্পৰা আৰু দ্বিতীয় অস্তিত্ব

ছ) বিদেশী প্ৰব্ৰজন আৰু লোকসংস্কৃতি

জ) আধুনিকতা আৰু লোকসংস্কৃতি

ঝ) লোকসংস্কৃতি আৰু মহিলা

ঞ) লোকসংস্কৃতি আৰু প্ৰচাৰ মাধ্যম

ট) লোকসংস্কৃতিৰ দ্বিতীয় অস্তিত্ব

## ২.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Book)

### (ক) অসমীয়া


গোস্বামী, প্ৰফুল্ল দত্ত ঃ অসমীয়া জনসাহিত্য

বৰদলৈ, নিৰ্মলপ্ৰভা ঃ অসমৰ লোকসংস্কৃতি

বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমৰ লোকসংস্কৃতি

ৰাভা হাকাচাম, উপেন ঃ অসমৰ জনজাতি সংস্কৃতি

শৰ্মা, নবীন চন্দ্ৰ ঃ অসমীয়া লোকসংস্কৃতিৰ আভাস

— ঃ লোকসংস্কৃতি

— ঃ ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ লোক সংস্কৃতি


### (খ) ইংৰাজী


Bascom, W.R. ঃ Contribution to Folkloristics

Dorson, R.M. ঃ Folklore and Folklife : An Introduction

Dundes, Alan ঃ Essays in Folkloristics

| | | |
|---|---|---|
| Handoo, J. | ঃ | Folklore : An Introduction |
| Herskoists, M. J. | ঃ | Cultural Anthropology |
| Redfield, R. | ঃ | Peasant Society and Culture |
| Sokolov. Y. M. | ঃ | Russian folklore |
| Yondev, Don. (ed.) | ঃ | American Folklife |

## প্ৰথম বিভাগ
## অসমৰ নৃগোষ্ঠীসমূহ

**বিভাগৰ গঠন**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ পৃথিৱীৰ নৃগোষ্ঠীসমূহ
১.৪ ভাৰতৰ নৃগোষ্ঠীসমূহ
১.৫ অসমৰ নৃগোষ্ঠীসমূহ
১.৫.১ অষ্ট্ৰেলীয়
১.৫.২ ক'কেছীয়
১.৫.২.১ ভূমধ্যসাগৰীয়
১.৫.২.২ পশ্চিমীয়া প্ৰশস্তমস্তকী
১.৫.২.৩ ইণ্ডো-আৰ্য
১.৫.২.৪ ইৰাণো-চিথীয়
১.৫.৩ মঙ্গোলীয়
১.৬ সাৰাংশ (Summing Up)
১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৮ প্ৰসঙ্গ-গ্ৰন্থ (References/Suggested Readings)

### ১.১ ভূমিকা (Introduction)

পৃথিৱীৰ সমগ্ৰ মানৱ প্ৰজাতিক চাৰিটা ভাগত বিভক্ত কৰা হৈছে। সেই ভাগ চাৰিটা হ'ল ঃ নিগ্ৰো, মঙ্গোলীয়, ক'কেছীয় আৰু অষ্ট্ৰেলীয়। বহুতো নৃতাত্ত্বিকে অষ্ট্ৰেলীয়ক ক'কেছীয়ৰ এটা ভাগ হিচাপেহে আলোচনা কৰিব বিচাৰে। তেওঁলোকে অষ্ট্ৰেলীয়ক 'প্ৰত্ন-ক'কেছীয়' নামকৰণ কৰিছে। তেওঁলোকৰ মতে পৃথিৱীৰ নৃগোষ্ঠীৰ সংখ্যা তিনিটা। সাম্প্ৰতিক সময়ত অৱশ্যে অষ্ট্ৰেলীয়ক সুকীয়া নৃগোষ্ঠীৰূপে নৃবৈজ্ঞানিকসকলে মানি লৈছে আৰু পৃথিৱীৰ নৃগোষ্ঠীৰ সংখ্যা চাৰিটা বুলি স্বীকৃত হৈছে। ভাৰতত চাৰিওটা নৃগোষ্ঠীৰে লোক পোৱা যায়। অসমত কিন্তু তিনিটা নৃগোষ্ঠীৰহে লোক থকাৰ কথা নৃতাত্ত্বিকসকলে স্বীকাৰ কৰে। অসমত তেওঁলোকে নিগ্ৰোৰ কোনো লোক নাই বুলি বিশ্লেষণৰদ্বাৰা প্ৰমাণ কৰিছে। নগাসকলক বহুতে নিগ্ৰোৰ এটা উপ-ভাগ নেগ্ৰিটো বুলি ক'ব খোজে যদিও সেই কথা যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয়। এই কথা প্ৰমাণিত হৈছে যে অসমত অষ্ট্ৰেলীয়, ক'কেছীয় আৰু মঙ্গোলীয় নৃগোষ্ঠীৰ লোকহে আছে। ক'কেছীয়ৰ চাৰিটা উপ-বিভাগৰ লোক অসমত দেখা পোৱা যায়। সেই উপ-ভাগকেইটা হ'ল ঃ ভূমধ্যসাগৰীয়, পশ্চিমীয়া প্ৰশস্তমস্তকী, ইণ্ডো-আৰ্য আৰু ইৰাণো-চিথীয়। পশ্চিমীয়া প্ৰশস্তমস্তকীৰ তিনিটা উপ-ভাগৰ ভিতৰত আলপাইন আৰু আৰ্মেনীয়ৰ লোক অসমত আছে। পশ্চিমীয়া প্ৰশস্তমস্তকীৰ অন্তৰ্গত ডিনাৰিকসকলৰ উপস্থিতি অসমত নাই।

এইটো বিভাগত পৃথিৱীৰ নৃগোষ্ঠীসমূহৰ আভাস দাঙি ধৰি ভাৰতৰ নৃগোষ্ঠীৰ সম্যক পৰিচয়ৰ মাজেৰে অসমৰ নৃগোষ্ঠীৰ বিশেষ আলোচনা কৰা হৈছে। অসমলৈ নৃগোষ্ঠীসমূহ ক'ৰপৰা, কেনেকৈ প্ৰব্ৰজিত হ'ল সেই বিষয়েও এই বিভাগত আলোকপাত কৰা হৈছে। অসমৰ নৃগোষ্ঠীৰ এই আলোচনাৰ জৰিয়তে অসমৰ নৃগোষ্ঠী সম্পৰ্কীয় ধাৰণাক পৰিস্ফুট কৰি তুলিবলৈ যত্ন কৰা হৈছে। আশাকৰা হৈছে এই বিভাগৰ আলোচনাই আপোনাক অসমৰ নৃগোষ্ঠীৰ সম্পৰ্কে এটি স্পষ্ট ধাৰণা দিবলৈ সমৰ্থ হ'ব।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগত অসমৰ নৃগোষ্ঠীসমূহৰ বিষয়ে এক সামগ্ৰিক ৰূপৰেখা দাঙি ধৰা হৈছে। এই বিভাগৰ আলোচনা অধ্যয়ন কৰি আপুনি—

- পৃথিৱীৰ নৃগোষ্ঠীসমূহৰ বিষয়ে জানিব পাৰিব;
- ভাৰতবৰ্ষৰ নৃগোষ্ঠীসমূহৰ পৰিচয় লাভ কৰিব;
- ভাৰতবৰ্ষৰ নৃগোষ্ঠীসমূহ সম্পৰ্কে বিভিন্নজন নৃতাত্ত্বিকে আগবঢ়োৱা মতৰ লগত পৰিচয় ঘটিব;
- অসমৰ নৃগোষ্ঠীসমূহৰ পৰিচয়, অসমৰ নৃগোষ্ঠীসমূহৰ বৈশিষ্ট্য, নৃগোষ্ঠীসমূহৰ অন্তৰ্গত জাতি-জনজাতিৰ আভাস লাভ কৰিবলৈ সক্ষম হ'ব; আৰু
- পৃথিৱীৰ মানুহৰ প্ৰব্ৰজনৰ বিষয়ে ধাৰণা স্পষ্ট হোৱাৰ সমান্তৰালভাৱে অসমলৈ ক'ৰপৰা, কেনেকৈ, কোন সময়ত, কোনবোৰ মানুহৰ আগমন ঘটিছিল সেই বিষয়ে পূৰ্ণ আভাস লাভ কৰিব।

## ১.৩ পৃথিৱীৰ নৃগোষ্ঠীসমূহ

পৃথিৱীৰ সকলো মানুহকে একেলগে এটা জীৱগোষ্ঠীৰ অন্তৰ্ভুক্ত কৰি 'মানৱগোষ্ঠী' নাম দিয়া হৈছে। এই মানৱগোষ্ঠীৰ বৈজ্ঞানিক নাম 'হ'ম' ছেপিয়েন্স'। পৃথিৱীৰ মানৱ প্ৰজাতিসমূহক প্ৰধানতঃ চাৰিটা ভাগত ভগোৱা হৈছে ঃ নিগ্ৰো, মঙ্গোলীয়, ক'কেছীয় আৰু অষ্ট্ৰেলীয়। বহুতো পণ্ডিতে অষ্ট্ৰেলীয়ক ক'কেছীয়ৰ অন্তৰ্ভুক্ত কৰি আলোচনা কৰা দেখা পোৱা যায়। তেওঁলোকে অষ্ট্ৰেলীয়ক 'প্ৰত্ন-ক'কেছীয়' নাম দি আলোচনা কৰে। এই মুখ্য প্ৰজাতিসমূহ কেইবাটাও উপ-প্ৰজাতিত বিভক্ত হোৱা দেখা পোৱা যায়।

নিগ্ৰোক দুটা ভাগত ভাগ কৰা হৈছে ঃ (ক) আফ্ৰিকাৰ নিগ্ৰো আৰু (খ) ওছেনীয় নিগ্ৰো। নিগ্ৰোৰ প্ৰথমটো ভাগ আফ্ৰিকাৰ নিগ্ৰোক পাঁচটা উপ-বিভাগত বিভক্ত কৰা হৈছে ঃ (ক) প্ৰকৃত নিগ্ৰো, (খ) নাইলোটীয় নিগ্ৰো, (গ) বাণ্টু ভাষাভাষী নিগ্ৰো বা বাণ্টু, (ঘ) বুশ্বমেন-হুটেনত আৰু (ঙ) নেগ্ৰিলো। আনহাতে ওছেনীয় নিগ্ৰোৰ ভাগ দুটা ঃ (ক) নেগ্ৰিটো আৰু (খ) মেলানেছীয় আৰু পাপুৱান।

মঙ্গোলীয়ক ভৌগোলিক বিস্তাৰৰ আধাৰত চাৰিটা ভাগত ভাগ কৰা হৈছে ঃ (ক) মূল বা মধ্য মঙ্গোলীয় (খ) মেৰুৰ এস্কিমীয় বা উত্তৰীয় মঙ্গোলীয় (গ) আমেৰিকান ইণ্ডিয়ান বা আমেৰিণ্ড আৰু (ঘ) ইণ্ডোনেছীয়-মালয়ী মঙ্গোলীয়।

ক'কেছীয়ৰ ভাগসমূহ হ'ল এনেধৰণৰ ঃ (ক) ভূমধ্যসাগৰীয়, (খ) আলপাইন, (গ) আৰ্মেনীয়, (ঘ) ডিনাৰিক, (ঙ) নৰ্ডিক, (চ) বাল্টিক, (ছ) কেল্টিক, (জ) ইউৰেছিয়াটিক,

(ঝ) ছেমাইট, (ঞ) হে-মাইট আৰু (চ) ইণ্ডো-দ্ৰাবিড়।

অষ্ট্ৰেলীয় প্ৰজাতিৰ উপ-বিভাগ দেখা পোৱা নাযায়। বিশ্বৰ ভিন্ন প্ৰান্তত অষ্ট্ৰেলীয় প্ৰজাতিৰ জনসমষ্টিয়ে বসবাস কৰি আহিছে। সেইসমূহৰ ভিতৰত অষ্ট্ৰেলিয়াৰ আদিবাসী, শ্ৰীলংকাৰ ভেড্ডা, মালয় উপদ্বীপৰ ছাকাই বা ছেনয় আদি বিশেষভাৱে উল্লেখযোগ্য। ভেড্ডাক অষ্ট্ৰেলীয়ৰ আদৰ্শ প্ৰতিনিধি বুলি কোৱা হয়। এই ভেড্ডাৰ বাবে অষ্ট্ৰেলীয়ক ভেড্ডাইড বুলিও নামকৰণ কৰিব খোজে।

**জানি থওঁ আহা**

পৃথিৱীৰ মানৱ সমষ্টিক প্ৰধানতঃ চাৰিটা নৃগোষ্ঠীত ভাগ কৰা হৈছে। সেই ভাগকেইটা হ'ল ঃ নিগ্ৰো, মঙ্গোলীয়, ক'কেছীয় আৰু অষ্ট্ৰেলীয়। অষ্ট্ৰেলীয়ক বহুতো নৃতাত্ত্বিকে 'প্ৰত্ন-ক'কেছীয়' নামেৰে ক'কেছীয়ৰ অন্তৰ্ভুক্ত কৰি আলোচনা কৰিব বিচাৰে যদিও বৰ্তমান অষ্ট্ৰেলীয় এটা স্বকীয় নৃগোষ্ঠীৰূপে স্বীকৃত। চাৰিওটা নৃগোষ্ঠীৰে কিছুমান উপ-বিভাগ দেখা পোৱা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

পৃথিৱীৰ নৃগোষ্ঠীসমূহৰ চমু পৰিচয় দাঙি ধৰক। (৫০ টা শব্দৰ ভিতৰত)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

**অগ্ৰগতিৰ খতিয়ান**

১. পৃথিৱীৰ মানুহক কেইটা নৃগোষ্ঠীত বিভক্ত কৰা হৈছে?

২. পৃথিৱীৰ মানুহক শ্ৰেণীবদ্ধ কৰা নৃগোষ্ঠীসমূহৰ নাম লিখক।

৩. অষ্ট্ৰেলীয় নৃগোষ্ঠীক কিছু নৃতাত্ত্বিকে কোনটো নৃগোষ্ঠীৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব বিচাৰে?

৪. পৃথিৱীৰ নৃগোষ্ঠীসমূহৰ পৰিচয় দাঙি ধৰক।

### ১.৪ ভাৰতৰ নৃগোষ্ঠীসমূহ

ভাৰতত থকা নৃগোষ্ঠীসমূহৰ বিষয়ে বিভিন্নজন পণ্ডিতে ভিন্ন মত প্ৰকাশ কৰি আহিছে। ৰিজলে, ৰুগেৰি, হেডন, আইকষ্টেড, গুহ আৰু সৰকাৰৰ মত এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য। 'Census of India'ত প্ৰকাশিত ড° বিৰজাশঙ্কৰ গুহৰ ভাৰতীয় মানুহৰ প্ৰজাতীয় উপাদানৰ শ্ৰেণীকৰণে বিশেষভাৱে গুৰুত্ব লাভ কৰিছে। অৰ্থাৎ গুহৰ শ্ৰেণীকৰণক প্ৰামাণিক শ্ৰেণীকৰণৰূপে বিদ্বৎ সমাজে গ্ৰহণ কৰিছে।

ৰিজলেই ভাৰতৰ মানুহৰ মাজত প্ৰধানতঃ তিনিটা প্ৰজাতীয় প্ৰকাৰ ঃ দ্ৰাবিড়, ইণ্ডো-আৰ্য আৰু মঙ্গোলীয় দেখা পাইছে। তেওঁ উল্লেখ কৰা ভাৰতীয় মানুহৰ মাজত থকা সাতটা প্ৰজাতীয় উপাদান হ'ল ঃ

১। তার্কো-ইৰাণীয়

২। ইণ্ডো-আৰ্য

৩। চিথীয়-দ্রাবিড়

৪। আৰ্য-দ্রাবিড় বা হিন্দুস্তানী প্রকাৰ

৫। মঙ্গো-দ্রাবিড় বা বঙালী প্রকাৰ

৬। মঙ্গোলীয় প্রকাৰ

৭। দ্রাবিড়

( উৎস ঃ ড° ভুবন মোহন দাসৰ 'অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়' গ্ৰন্থ, পৃষ্ঠা ঃ ২৮-২৯)

ৰুগেৰিয়ে ভাৰতৰ মানুহৰ মাজত ছটা প্রজাতীয় উপাদান থকাৰ কথা কৈছে ঃ

১। নেগ্ৰিটো

২। প্রাক্-দ্রাবিড় (অষ্ট্রেল'য়ড, ভেড্ডাইক)

৩। দ্রাবিড় (হ'ম' ইণ্ডো-আফ্ৰিকানাছ ইথ'পিকাছৰ লগত সাদৃশ্য থকা)

৪। দীৰ্ঘকায় দীৰ্ঘমস্তকী (মধ্যমস্তকী?) উপাদান

৫। দীৰ্ঘমস্তকী আৰ্য (হ'ম' ইণ্ডো-ইউৰোপিয়াছ ডলিক'মৰফাছ)

৬। প্রশস্তমস্তকী শ্বেতচৰ্মী (হ'ম' ইণ্ডো-ইউৰোপিয়াছ ব্ৰেকিমৰফাছ)

(উৎস ঃ ড° ভুবন মোহন দাসৰ 'অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়', পৃষ্ঠা ঃ ২৯)

হেডনে দাক্ষিণাত্য, হিন্দুস্তান আৰু হিমালয় — এই তিনিটা অঞ্চলত বিভক্ত কৰি ভাৰতৰ প্রজাতীয় উপাদানৰ আলোচনা সম্পন্ন কৰিছে। দাক্ষিণাত্যত তেওঁ পাঁচটা প্রজাতীয় উপাদান থকাৰ বিষয়ে মত ব্যক্ত কৰিছে। সেই পাঁচটা প্রজাতীয় উপাদান হ'ল ঃ (১) নেগ্ৰিটো, (২) প্রাক্-দ্রাবিড়, (৩) দ্রাবিড়, (৪) দক্ষিণৰ প্রশস্তমস্তকী আৰু (৫) পশ্চিমৰ প্রশস্তমস্তকী। হিন্দুস্তানত কেৱল ইণ্ডো-আফগান প্রকাৰ থকাৰ কথা উল্লেখ কৰিছে। হিমালয় অঞ্চলত তিনিটা প্রজাতীয় উপাদান আছে বুলি তেওঁ কৈছে। সেই তিনিটা প্রজাতীয় উপাদান হ'ল ঃ (১) ইণ্ডো-আফগান, (২) ইণ্ডো-আৰ্য আৰু (৩) মঙ্গোলীয়।

আইকষ্টেডে ভাৰতৰ মানুহক চাৰিটা প্রধান ভাগত বিভক্ত কৰিছে। আইকষ্টেডে বিভাজন কৰা ভাৰতীয় মানুহৰ ভাগকেইটা হ'ল ঃ

(১) ভেড্ডীড বা প্রাচীন ক'কেছীয়। ইয়াৰ দুটা উপ-ভাগ, যেনে ঃ গনডিড আৰু মেলিড।

(২) মেলানিড বা কৃষ্ণ ভাৰতীয়। এই ভাগটোও দুটা উপ-ভাগত বিভক্ত ঃ দক্ষিণৰ মেলানিড আৰু ক'লিড।

(৩) ইণ্ডিড বা নৰ-ভাৰতীয়। ইয়াৰ দুটা উপ-ভাগ হ'ল ঃ গ্ৰেছাইল ইণ্ডিড আৰু উত্তৰ ইণ্ডিড ।

(৪) প্রত্ন-মঙ্গোলীয়।

(উৎস ঃ ড° ভুবন মোহন দাসৰ 'অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়', পৃষ্ঠাঃ৩১)

ড° শশাঙ্কশেখৰ সৰকাৰে ভাৰতত থকা লোকৰ ছটা প্ৰকাৰৰ বিষয়ে উল্লেখ কৰিছেঃ

(১) অষ্ট্ৰেলীয়

(২) ইণ্ডো-আৰ্য

(৩) ইৰাণোচীথীয়

(৪) মুণ্ডাৰী ভাষাভাষী

(৫) মালয়-পলিনেছীয় (ফাৰ ইষ্টাৰ্ণ)

(৬) মঙ্গোলীয়।

ড° বিৰজাশঙ্কৰ গুহৰ ভাৰতৰ মানুহৰ শ্ৰেণী বিভাজনে বিদ্বৎ সমাজত বিশেষ গুৰুত্ব লাভ কৰিছে। গুহই আগবঢ়োৱা শ্ৰেণী বিভাজন এনেধৰণৰ ঃ

(১) নেগ্ৰিটো

(২) প্ৰায়-অষ্ট্ৰেলীয়

(৩) মঙ্গোলীয় ঃ (ক) প্ৰত্ন-মঙ্গোলীয়

(অ) দীৰ্ঘমস্তকী

(আ) প্ৰশস্তমস্তকী

(খ) তিব্বতীয়-মঙ্গোলীয়

(৪) ভূমধ্যসাগৰীয় ঃ (ক) প্ৰত্ন-ভূমধ্যসাগৰীয়

(খ) ভূমধ্যসাগৰীয়

(গ) প্ৰাচ্য (ওৰিয়েণ্টেল)

(৫) পশ্চিমীয়া প্ৰশস্তমস্তকী ঃ (ক) আলপাইনীয়

(খ) ডিনাৰিক

(গ) আৰ্মেনীয়

(৬) নৰ্ডিক

ড° ভুবন মোহন দাসে অসম সাহিত্য সভাই প্ৰকাশ কৰা 'অসমীয়া জাতিৰ ইতিবৃত্ত' গ্ৰন্থত সন্নিৱিষ্ট 'জনগোষ্ঠীত প্ৰজাতীয় উপাদান' প্ৰবন্ধত ড° বিৰজাশঙ্কৰ গুহৰ প্ৰজাতিকৰণ বিশ্লেষণ কৰি কৈছে যে ভাৰতত নিগ্ৰো, মঙ্গোলীয়, ক'কেছীয় আৰু অষ্ট্ৰেলীয় —এই চাৰিওটা মুখ্য প্ৰজাতিৰ লোক আছে। তেওঁ কৈছেঃ "গুহৰ প্ৰজাতিকৰণখন বিশ্লেষণ কৰিলে দেখা যায় যে ভাৰতীয়ৰ মাজত চাৰিও প্ৰকাৰ মুখ্য প্ৰজাতীয় উপাদান প্ৰৱেশ কৰিছে। নেগ্ৰিটো নিগ্ৰো প্ৰজাতিৰ প্ৰতিনিধি। প্ৰায়-অষ্ট্ৰেলীয়বোৰেই অষ্ট্ৰেলীয়, ভূমধ্যসাগৰীয়, পশ্চিমীয়া প্ৰশস্তমস্তকী আৰু নৰ্ডিক ক'কেছীয়ৰ অন্তৰ্ভুক্ত ! মংগোলীয় লোকসকল আছেই। গুহৰ মতে ভাৰতৰ আদিবাসীবোৰ প্ৰধানকৈ প্ৰায়-অষ্ট্ৰেলীয় আৰু মংগোলীয় উপাদানেৰে গঠিত। কোনো কোনোৰ মাজত সামান্য নেগ্ৰিটো উপাদান দেখা যায়। সাধাৰণভাৱে ক'বলৈ গ'লে পূব আৰু উত্তৰ-পূবৰ আদিবাসী লোক মংগোলীয়। অন্যহাতে দাক্ষিণাত্যৰ আদিবাসীৰ মাজত প্ৰায়-অষ্ট্ৰেলীয় লক্ষণ বিদ্যমান।" (পৃষ্ঠা ঃ ৯)

ভাৰতবৰ্ষৰ খিলঞ্জীয়া অধিবাসীসকল কোন সেই লৈ বিভিন্নজনে বিভিন্ন মত পোষণ কৰি আহিছে। ৰিজলেই কৈছে যে দ্ৰাবিড়সকল হৈছে অসমৰ আদিম অদিবাসী। ড°

বিৰজাশঙ্কৰ গুহ, হাটন আদিয়ে কৈছে যে ভাৰতৰ খিলঞ্জীয়া লোক হৈছে নেগ্রিটোসকল। সৰকাৰ, মজুমদাৰকে প্ৰমুখ্য কৰি অন্যান্য বহুতে ভাৰতৰ প্ৰাচীন অধিবাসী বুলি অষ্ট্ৰেলীয়সকলৰ কথা কয়।

যদিওবা ৰিজলেই দ্ৰাবিড়সকলক আদিম অধিবাসী বুলি কৈছে যদিও সেই কথা আনসকলে মানি লোৱা নাই। কাৰণ দ্ৰাবিড়সকল ভাৰতলৈ অহাৰ পূৰ্বেই ভাৰতত মানুহৰ বসতি আছিল। নেগ্রিটোসকলো ভাৰতৰ আদিম অধিবাসী নহয়। ভাৰতৰ বিভিন্ন প্ৰান্তত আৱিষ্কাৰ হোৱা প্ৰাক্-ঐতিহাসিক কালৰ নৰ-কংকালে প্ৰমাণ কৰে যে অষ্ট্ৰেলীয়সকল হৈছে ভাৰতৰ আদিম অধিবাসী। ড° ভুবন মোহন দাসে কৈছে যে মানুহৰ ক্ৰমবিকাশৰ ঐতিহাসিক বিশ্লেষণে অষ্ট্ৰেলীয়সকল ভাৰতৰ আদিম অধিবাসী বুলি প্ৰমাণ কৰে। তাৎপৰ্যপূৰ্ণ যে বৰ্তমান বহুতো নৃতাত্ত্বিকেই অষ্ট্ৰেলীয়সকল ভাৰতৰ আদিম লোক বুলি মানি লয়। বৈজ্ঞানিক গৱেষণাসম্ভূত তথ্যই অষ্ট্ৰেলীয়সকলৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰিছে।

**জানি থওঁ আহা**

ভাৰতবৰ্ষৰ নৃগোষ্ঠীসমূহৰ বিষয়ে ৰিজলে, ৰুগেৰি, হেডন, আইকষ্টেড, গুহ, সৰকাৰ, দাস আদি নৃতাত্ত্বিকে বিশেষভাৱে আলোচনা কৰিছে। এই নৃতাত্ত্বিকসকলৰ ভিতৰত গুহৰ ভাৰতীয় মানুহৰ শ্ৰেণীকৰণখনে বিদ্বৎ সমাজত বিশেষ গুৰুত্ব লাভ কৰিছে। ভাৰতবৰ্ষত নিগ্ৰো, মঙ্গোলীয়, ক'কেছীয় আৰু অষ্ট্ৰেলীয়— এই চাৰিওটা নৃগোষ্ঠীৰে মানুহ পোৱা যায়। এই নৃগোষ্ঠীসমূহৰ ভিতৰত অষ্ট্ৰেলীয়সকলেই ভাৰতবৰ্ষৰ আদিম অধিবাসী বুলি প্ৰমাণিত হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

ভাৰতবৰ্ষৰ নৃগোষ্ঠীসমূহৰ চমু পৰিচয় দিয়ক। (৫০ টা শব্দৰ ভিতৰত)

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

**অগ্ৰগতিৰ খতিয়ান**

১. ভাৰতবৰ্ষত কোনকেইটা নৃগোষ্ঠীৰ লোক আছে?

২. ভাৰতীয় নৃগোষ্ঠী সম্পৰ্কে কোনজন নৃতাত্ত্বিকৰ শ্ৰেণীকৰণে বিশেষ গুৰুত্ব লাভ কৰিছে?

৩. কোনটো নৃগোষ্ঠী ভাৰতৰ আদিম নৃগোষ্ঠী বুলি মানি লোৱা হৈছে?

৪. ভাৰতবৰ্ষৰ নৃগোষ্ঠীসমূহৰ বিষয়ে এটি আলোচনা দাঙি ধৰক।

### ১.৫ অসমৰ নৃগোষ্ঠীসমূহ

অসমৰ নৃগোষ্ঠীসমূহৰ বিষয়ে নৃতাত্ত্বিকসকলে বিশেষভাৱে আলোচনা কৰিছে। নৃতাত্ত্বিক এ. চি. হেডনে অসমৰ মানুহৰ মাজত প্ৰত্যক্ষ কৰা প্ৰজাতিসমূহৰ বিষয়ে আগবঢ়োৱা বিশ্লেষণক ড° ভুবন মোহন দাসে 'অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়' গ্ৰন্থত এইদৰে সন্নিৱিষ্ট কৰিছে ঃ "হেডনে অসমৰ বিষয়ে বেলেগে আলোচনা কৰিছে। তেওঁ অসমৰ মানুহৰ মাজত কেইবাটাও প্ৰজাতি প্ৰকাৰ লক্ষ্য কৰিছে, যেনে,

(১) দীৰ্ঘমস্তকী প্ৰশস্তনাসিকী (প্ৰাক্-দ্ৰাবিড়) ঃ এইটো এটা অতি প্ৰাচীন উপাদান। খাছীয়া, কুকী, কছাৰী, মণিপুৰী আদি লোকৰ মাজত এইটো উপাদনৰ প্ৰাধান্য বেছি। নগাৰ মাজত কম।

(২) দীৰ্ঘমস্তকী মধ্যনাসিকী (নেছিয়ট) ঃ নগা আৰু অন্যান্য পাহাৰী জনজাতিৰ মাজত ইয়াৰ প্ৰাবল্য পৰিলক্ষিত হয়।

(৩) মধ্যমস্তকী প্ৰশস্তনাসিকী ঃ খাছীয়াসকলৰ মাজত এই উপাদান দেখা যায়। এনেধৰণৰ উপাদান চোটনাগপুৰ, ব্ৰহ্মদেশ, দক্ষিণ চীন আদি ঠাইৰ মানুহৰ মাজতো আছে।

(৪) মধ্যমস্তকী মধ্যনাসিকী ঃ এই প্ৰকাৰটো ভাৰতৰ অন্য ঠাইতো দেখা যায়। বিশেষকৈ বংগদেশৰ কিছুমান জাতি, বিহাৰৰ কুৰ্মী, দোসাধ, লেপচা, মুৰ্মীৰ মাজতো এই উপাদান আছে।

(৫) প্ৰশস্তমস্তকী দীৰ্ঘনাসিকী ঃ এই উপাদানটো উত্তৰ দিশৰ অহা। ইউৰেছিয়াটিক গোটৰ মানুহৰ লগত ইয়াৰ সম্বন্ধ আছে।

(৬) প্ৰশস্তমস্তকী প্ৰশস্তনাসিকী ঃ ইয়াক পেৰিওৱান প্ৰকাৰ বুলি ক'ব পাৰি। ইয়াৰ উৎস ব্ৰহ্মদেশ।

(৭) দীৰ্ঘমস্তকী দীৰ্ঘনাসিকী ঃ ভাৰতৰ উত্তৰ পশ্চিম দিশৰপৰা এই উপাদানটোৰ অসমৰ মানুহৰ মাজত প্ৰৱেশ ঘটিছে।" (পৃষ্ঠা ঃ ২৯-৩০)

ড° ভুবন মোহন দাসে উল্লিখিত গ্ৰন্থখনত লেখিছে যে যিবোৰ নৃদেহমাপতাত্ত্বিক সমলৰ আধাৰত বিশ্লেষণ কৰি হেডনে অসমৰ প্ৰজাতীয় উপাদান নিৰ্ণয় কৰিছিল, সেইসমলসমূহ নৃতাত্ত্বিক ৰাডেল, ব্ৰাউন আৰু কেম্প, হাটন আৰু ডিস্কনে সংগ্ৰহ আৰু অধ্যয়ন কৰিছিল। নৃতাত্ত্বিক ডিক্সনে হেডনৰ তথ্যৰ আধাৰত অসমত চাৰিটা প্ৰকাৰ থকাৰ কথা উল্লেখ কৰিছে। সেই প্ৰকাৰকেইটা হ'ল ঃ (১) দীৰ্ঘমস্তকী প্ৰশস্তনাসিকী (২) প্ৰশস্তমস্তকী প্ৰশস্তনাসিকী (৩) প্ৰশস্তমস্তকী দীৰ্ঘনাসিকী আৰু (৪) দীৰ্ঘমস্তকী দীৰ্ঘনাসিকী।

ডিক্সনে দীৰ্ঘমস্তকী প্ৰশস্তনাসিকী লোকসকলক অসমৰ আদিম অধিবাসী বুলি কৈছে। দীৰ্ঘমস্তকী প্ৰশস্তনাসিকী লোকসকল হ'ল নিগ্ৰো প্ৰজাতিৰ। সময়ৰ সোঁতত দীৰ্ঘমস্তকী প্ৰশস্তনাসিকী লোকসকল প্ৰশস্তমস্তকী প্ৰশস্তনাসিকী লোকৰ লগত মিলি যোৱাৰ ফলত তেওঁলোকক চিনাক্ত কৰিব নোৱৰা হৈ পৰিল। প্ৰশস্তমস্তকী প্ৰশস্তনাসিকী লোকসকল দক্ষিণ চীন, দক্ষিণ-পূব এছিয়া আৰু মালয় দ্বীপপুঞ্জত বসবাস কৰা লোকৰ এটা বিস্তাৰিত ৰূপ বুলি ড° ভুবন মোহন দাসে ক'ব খোজে। প্ৰশস্তমস্তকী দীৰ্ঘনাসিকী লোকসকল মধ্য এছিয়া, মালভূমি অঞ্চল, উত্তৰ চীন আৰু এছিয়া মহাদেশৰ উত্তৰ-পূব অঞ্চলৰপৰা দক্ষিণলৈ বিস্তাৰিত হৈ আহিছে। প্ৰশস্তমস্তকী দীৰ্ঘনাসিকী লোকসকলৰ লগত আলপাইন প্ৰজাতিৰ লোকৰ লগত ওচৰ সম্পৰ্ক আছে। আলপাইনসকল মধ্য আৰু পশ্চিম ইউৰোপত বিস্তাৰিত হৈ

থকাৰ কথা নৃতাত্ত্বিকসকলে ব্যক্ত কৰিছে। দীৰ্ঘমস্তকী দীৰ্ঘনাসিকীসকলৰ অসমলৈ গংগা উপত্যকাৰে আগমন ঘটিছিল। ইণ্ডো-আৰ্যসকলৰ প্ৰব্ৰজনে এওঁলোকৰ আগমন ঘটাইছিল।

ডিক্সনে নিগ্ৰোসকলক অসমৰ আদিম অধিবাসী বুলি কৈছে যদিও ড° ভুবন মোহন দাসে সেই মত খণ্ডন কৰিছে। তেওঁ কৈছেঃ "ডিক্সনে নিগ্ৰ' প্ৰকাৰকে অসমৰ আদিম অধিবাসী বুলি কৈছে যদিও ধাৰণা হয় তেওঁ নিগ্ৰ' আৰু প্ৰায়-অষ্ট্ৰেলীয়ৰ মাজত থকা প্ৰভেদ ভালদৰে অনুধাৱন কৰিব পৰা নাছিল।" (পৃষ্ঠা ঃ ৩১)

'অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়' গ্ৰন্থখনত ড° ভুবন মোহন দাসে হেডন আৰু ডিক্সনৰ অসমৰ মানুহৰ প্ৰজাতীয় প্ৰকাৰ চিনাক্তকৰণৰ বৈশিষ্ট্যলৈ আঙুলিয়াই দেখুৱাইছে। তেওঁ লেখিছেঃ "হেডন আৰু ডিক্সন দুয়োজনেই অসমৰ মানুহৰ মাজত প্ৰজাতীয় প্ৰকাৰ চিহ্নিত কৰোঁতে মাত্ৰ দুবিধ আৱয়বিক লক্ষণ, যেনে, মস্তক (মস্তক আনুপাতিক সূচনা) আৰু নাকৰ (নাসিক আনুপাতিক সূচনা)ৰ ওপৰতে সম্পূৰ্ণৰূপে গুৰুত্ব দিছিল। কিন্তু আইক্‌ষ্টেডে চৰ্মবৰ্ণ আৰু কেশৰো উল্লেখ কৰিছে। ৰিজলেই মূৰ আৰু নাকৰ লগতে দৈহিক উচ্চতা, চৰ্মবৰ্ণ, চকু, কেশ, দাড়ি-গোঁফ আদিৰো বৰ্ণনা দিছে।" (পৃষ্ঠা ঃ ৩১)

ডিক্সনৰ উপৰি গুহ, হাটন, মিলছ, ড° সুনীতি কুমাৰ চেটাৰ্জী আদিয়েও উত্তৰ-পূব ভাৰতৰ কিছুমান জনসমষ্টিৰ মাজত, বিশেষকৈ নগাসকলৰ মাজত নেগ্ৰিটোৰ উপাদান আছিল বুলি ক'ব খোজে। মিলছেও প্ৰাচীন কালত অসমৰ পাৰ্বত্য অঞ্চলৰ লোকসকল নেগ্ৰিটো আছিল বুলি ক'ব খোজে। তেওঁ এই লোকসকলৰ ক'লা ছাল আৰু ডেকা চুলিৰ প্ৰসংগলৈ আঙুলিয়াইছে। এওঁলোকৰ মতৰ বিপৰীতে অলিভিয়েৰ আৰু সুৰীয়ে নগাসকলৰ মাজত নেগ্ৰিটোৰ লক্ষণ নাই বুলি প্ৰমাণ কৰিছে।

অসমত নেগ্ৰিটো লোক আছে নাই সেই বিষয়ে ড° ভুবন মোহন দাসে 'অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়' গ্ৰন্থত এক প্ৰণিধানযোগ্য মত প্ৰকাশ কৰিছে ঃ "অসমীয়া মানুহৰ মাজত নেগ্ৰিট' প্ৰজাতীয় চৰিত্ৰ থকাৰ কোনো সম্ভাৱনা নাই। ক'কেছীয় অসমীয়া লোকসকলৰ আগমন ঘটিছে গংগা, ব্ৰহ্মপুত্ৰ উপত্যকাৰে পশ্চিম দিশৰপৰা। ভাৰতৰ সেই ভূভাগত নেগ্ৰিট' লোক নাছিল বুলি সকলোৱে মন্তব্য প্ৰকাশ কৰিছে। গতিকে প্ৰব্ৰজনৰ পথত তেওঁলোকে নেগ্ৰিট' উপাদান লগত লৈ আহিব নোৱাৰে। অসমীয়া মানুহৰ ওচৰে-পাজৰে থকা মংগ'লীয় লোকসকলৰ মাজতো নেগ্ৰিট'ৰ উপস্থিতি মানি লোৱাৰ সপক্ষে তেনে কোনো প্ৰমাণ পোৱা নগ'ল। অতএব সেইসকল লোকৰপৰাও অসমীয়াৰ মাজত নেগ্ৰিট' লক্ষণৰ অনুপ্ৰৱেশ ঘটিব নোৱাৰে।" (পৃষ্ঠা ঃ ৩৬)

আলোচনাৰপৰা এটা কথা স্পষ্ট হৈছে যে অসমৰ জনসমষ্টিৰ মাজত নেগ্ৰিটো নৃগোষ্ঠীৰ মানুহ নাই। অসমৰ জনসমষ্টিৰ মাজত অষ্ট্ৰেলীয়, ক'কেছীয় আৰু মঙ্গোলীয় — এই তিনিটা নৃগোষ্ঠীৰ মানুহহে আছে। তলত প্ৰণালীবদ্ধভাৱে অসমৰ অষ্ট্ৰেলীয়, ক'কেছীয় আৰু মঙ্গোলীয় নৃগোষ্ঠীৰ বিষয়ে আলোচনা কৰা হৈছে। আশাকৰা হৈছে এই আলোচনা অধ্যয়নৰপৰা আপোনাৰ অসমৰ নৃগোষ্ঠীসমূহৰ বিষয়ে ধাৰণা স্পষ্ট হ'ব।

### ১.৫.১ অষ্ট্ৰেলীয়

আপোনাক ইতিমধ্যে অৱগত কৰি অহা হৈছে যে ভাৰত তথা অসমৰ আদিম আধিবাসীসকল হৈছে অষ্ট্ৰেলীয়সকল। এই অষ্ট্ৰেলীয়সকলক বিভিন্ন নামেৰে জনা যায়।

সেই নামসমূহ হ'ল ঃ প্রাক্-দ্রাবিড়, প্রায়-অষ্ট্ৰেলীয়, ভেড্ডীড, নিষাদ ইত্যাদি। লাপিকে প্রাক্-দ্রাবিড় নামটো দিছিল আৰু হেডনেও একেটা নামকে ব্যৱহাৰ কৰাৰ তথ্য পোৱা যায়। ডিক্সনে দিয়া প্রায়-অষ্ট্ৰেলীয় নামটো চুৰেল আৰু গুহইও ব্যৱহাৰৰদ্বাৰা সেই নামটো জনপ্রিয় কৰি তোলে। হাটনেও প্রায়-অষ্ট্ৰেলীয় ব্যৱহাৰ কৰাৰ বিপৰীতে ৰুজেৰিয়ে অষ্ট্ৰেলীয়ড-ভেড্ডাইড নামকৰণ কৰিছিল। আইক্‌ষ্টেডে আকৌ শ্রীলংকাৰ ভেড্ডীক জনসমষ্টিৰ লগত সাদৃশ্য থকাৰ বাবেও ভেড্ডিড নামকৰণ কৰিছিল। আনহাতে, ভাৰতৰ প্রাচীন সংস্কৃত গ্রন্থসমূহত 'নিষাদ' নামৰ অতি প্রাচীন অধিবাসীৰ বিষয়ে উল্লেখ আছে। 'ভাগৱত পুৰাণ'ত এই 'নিষাদ'ৰ আৱয়বিক লক্ষণৰ বিষয়ে এইদৰে আছে বুলি ড° ভুবন মোহন দাসে লেখিছে ঃ "কাউৰীৰ নিচিনা ক'লা, বৰ চুটি-চাপৰ, খৰ্ব বাহু, উচ্চ কপোলস্থি, নিম্ন চূড়ায়িত নাসিকা, ৰক্তচক্ষু আৰু তাম্রবর্ণৰ কেশ।" এওঁলোক দীর্ঘমস্তকী আৰু প্রশস্তনাসিনী আছিল। চন্দই পুৰণি কালত উল্লেখিত 'নিষাদ' নামটো এওঁলোকৰ ক্ষেত্রত প্রয়োগ হোৱাটো বিচাৰিছিল। ড° শশাঙ্কশেখৰ সৰকাৰে পোনতে ভেড্ডীড ব্যৱহাৰ কৰাৰ বিপৰীতে পৰৱৰ্তী সময়ত অষ্ট্ৰেলীয় নামটো প্রয়োগ কৰিছিল। উল্লেখযোগ্য যে অষ্ট্ৰেলীয়ৰ লগত ক'কেছীয়ৰ মিল থকা বাবে বহুতো নৃতাত্ত্বিকে ক'কেছীয়ৰ এটা ভাগ হিচাপেই অষ্ট্ৰেলীয়ক আলোচনা কৰিব বিচাৰে। তেওঁলোকে অষ্ট্ৰেলীয়ক 'প্রত্ন ক'কেছীয়' বুলি নামকৰণ কৰিব বিচাৰে। কিন্তু আপোনাক জনাওঁ যে অষ্ট্ৰেলীয় ক'কেছীয়ৰ এটা ভাগ হিচাপে নহয়, সুকীয়া নৃগোষ্ঠীৰূপে বৰ্তমান স্বীকৃতি লাভ কৰি আহিছে।

অষ্ট্ৰেলীয়সকলৰ উৎপত্তিস্থল ভূমধ্যসাগৰৰ পূব অঞ্চল বা পেলেষ্টাইন বুলি ধাৰণা কৰা হৈছে। ভূমধ্যসাগৰৰ পূব অঞ্চলৰপৰা অষ্ট্ৰেলীয়সকল ভাৰত অভিমুখে আহে। তাৰ পৰৱৰ্তী সময়ত তেওঁলোকে ভাৰতৰপৰা দক্ষিণ-পূব এছিয়া হৈ অষ্ট্ৰেলিয়ালৈ যায় বুলি নৃতাত্ত্বিকসকলে মত প্রকাশ কৰিছে। আপুনি জানি ভাল পাব যে এসময়ত দক্ষিণ-পূব এছিয়াৰপৰা স্থলপথেৰে অষ্ট্ৰেলিয়ালৈ যাব পাৰিছিল বুলি তথ্য পোৱা যায়। এইখিনিতে ড° ভুবন মোহন দাসৰ 'অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়'ৰ এটা মন্তব্যলৈ আপুনি মন কৰিব। তেওঁ লেখিছে ঃ "দক্ষিণ ভাৰতত অষ্ট্ৰেলীয়ই স্বকীয় বৈশিষ্ট্য আহৰণ কৰাৰ সম্ভাৱনা থকা যেন ধাৰণা হয়। তাৰপৰা তেওঁলাক শ্রীলংকাত প্রৱেশ কৰে। অষ্ট্ৰেলিয়ালৈও গতি কৰে। ভৌগোলিক আৰু অন্যান্য কাৰণবশতঃ অষ্ট্ৰেলিয়াত অলপ বেলেগ লক্ষণযুক্ত এটা প্রকাৰৰ সৃষ্টি হোৱাটো একো অস্বাভাৱিক নহয়। এই প্রকাৰটোৰ লোক পিছলৈ পশ্চিম দিশলৈ প্রব্রজন কৰাৰ সম্ভাৱনাও অস্বীকাৰ কৰিব নোৱাৰি। অৰ্থাৎ দক্ষিণ-পূবৰপৰাও অষ্ট্ৰেলীয়ৰ উত্তৰ-পূব ভাৰতত প্রৱেশ ঘটিব পাৰে।" (পৃষ্ঠা ঃ ৪০) হাটন, চেটাৰ্জীৰেও অনুৰূপ মন্তব্য আগবঢ়াই গৈছে।

অষ্ট্ৰেলীয়সকলৰ আৱয়বিক বৰ্ণনা নৃতাত্ত্বিকসকলে এইদৰে কৰিছে ঃ "চৰ্ণবৰ্ণ গাঢ় পিংগলৰপৰা প্রায় ক'লা। চুলিৰ বৰণ  ক'লা, অমসৃণ, তৰংগায়িত বা বক্র। দাড়ি গোঁফ আৰু গাৰ নোম সৰহ। কৃশতনু আৰু খৰ্বকায়। দীঘমস্তকী। প্রশস্তনাসিকী, নাসিকামূলদেশ লক্ষণীয়ভাৱে অৱনত। মুখমণ্ডল খৰ্ব আৰু ঠেক। মুখমণ্ডলৰ প্রক্ষিপ্ততা মধ্যমীয়া ধৰণৰ। থুঁতৰি ক্ষীণ বা বৰ স্পষ্ট নহয়। ওঁঠ সাধাৰণতে ডাঠ। কপাল পাছলৈ এঢলীয়া। অধ্যক্ষি বা চকুৰ ওপৰৰ অংশৰ হাড় বৰ স্পষ্ট।" (উৎস ঃ ভুবন মোহন দাসৰ 'অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়', পৃষ্ঠা ঃ ৪০-৪১)

অসমৰ মানুহৰ মাজত হেডনে যি প্ৰাক্-দ্ৰাবিড় বা দীৰ্ঘমস্তকী প্ৰশস্তনাসিকী উপাদান আছে বুলি কৈছে সেইয়া খাছীয়া, কুকী, মণিপুৰী, কছাৰীৰ মাজত পোৱা যায়। সেয়া অষ্ট্ৰেলীয় উপাদানৰূপে স্বীকৃত। বাক্সটনেও উত্তৰ-পূব ভাৰতৰ মানুহৰ মাজত প্ৰাক্-দ্ৰাবিড় অৰ্থাৎ অষ্ট্ৰেলীয় উপাদান আছে বুলি কৈ গৈছে। মিলছে চিটাগং পাহাৰৰ ম্ৰু নামৰ যিটো জনসমষ্টিৰ মাজত মঙ্গোলীয় বৈশিষ্ট্যৰ অভাৱ বুলি কৈছিল সেই জনগোষ্ঠীক সৰকাৰে ভেড্ডীড অৰ্থাৎ অষ্ট্ৰেলীয়ৰ এটি প্ৰাচীন গোট বুলি স্বীকাৰ কৰিছে। কিছু নগালোকৰ মাজত কৰা পৰীক্ষাৰদ্বাৰা গুহ আৰু বাসুৱে দুটা স্পষ্ট ভাগ দেখা পাইছে ঃ এটা অষ্ট্ৰেলীয় আৰু আনটো মঙ্গোলীয়।

এই আলোচনাৰপৰা আপোনাৰ এটা ধাৰণা নিশ্চয় স্পষ্ট হৈছে যে অতি প্ৰাচীন কালতে অষ্ট্ৰেলীয় লোকসকল অসম আৰু পাৰ্শ্বৱৰ্তী অঞ্চললৈ আহিছিল। অষ্ট্ৰেলীয় লোকসকলৰ পাছতহে মঙ্গোলীয়সকলৰ আগমন ঘটিছিল। তাৎপৰ্যপূৰ্ণ যে মঙ্গোলীয়সকলে প্ৰথমে আংশিকভাৱে আৰু পৰ্যায়ক্ৰমে প্ৰায় সম্পূৰ্ণৰূপে অসমৰ অষ্ট্ৰেলীয়সকলৰ উপাদান আত্মস্থ কৰি তেওঁলোকক প্ৰায় নিঃচিহ্ন কৰি পেলাইছিল। নৃতাত্ত্বিকসকলে কয় যে সেয়েহে বৰ্তমান সময়ত অসমত অষ্ট্ৰেলীয় প্ৰজাতিৰ স্বয়ংসম্পূৰ্ণ জনসমষ্টি দেখা পোৱা নাযায়। তাৰ বিপৰীতে কিছুমান জনসমষ্টিৰ কিছু লোকৰ মাজত অষ্ট্ৰেলীয় প্ৰজাতিৰ উপাদান প্ৰত্যক্ষ কৰা হয়। অৰ্থাৎ অসমীয়া মানুহৰ মাজত অষ্ট্ৰেলীয় উপাদান স্বাভাৱিকতে আছে। যদিও কোৱা হৈছে যে অসমত প্ৰাচীন কালৰ অষ্ট্ৰেলীয় উপাদান থকা স্বয়ংসম্পূৰ্ণ জনসমষ্টি নাই তথাপি আধুনিক সময়ত অসমৰ চাহ বাগিচাত কাম কৰিবলৈ যিসকল লোক আহিছিল তেওঁলোক অষ্ট্ৰেলীয়। চাহ জনগোষ্ঠীৰ লোকসকলৰ মাজত অষ্ট্ৰেলীয় প্ৰজাতিৰ জনসমষ্টি দেখা পোৱা যায়।

অষ্ট্ৰেলীয় লোকসকলে সাধাৰণতে হাবি-বননি আৰু পাহাৰৰ নামনিত বসবাস কৰিছিল। অষ্ট্ৰেলীয়সকল আহাৰ সংগ্ৰহকাৰী আৰু চিকাৰজীৱি লোক আছিল বুলি নৃতাত্ত্বিকসকলে নিৰ্ণয় কৰিছে। এনে নহয় যে তেওঁলোকে কৃষিকৰ্ম নাজানিছিল। দুই মূৰ জোঙা গছৰ ডালেৰে তেওঁলোকে মাটি খুঁচৰি আলু-কচু আদি সংগ্ৰহ কৰাৰ সমান্তৰালভাৱে দুই-এটা সাধাৰণ খেতিও কৰিছিল। পৰৱৰ্তী সময়ত কৃষি কাৰ্যত ব্যুৎপত্তি লাভ কৰি কৃষি সঁজুলিৰ বিকাশ ঘটাই বিবিধ খেতি কৰিবলৈ লয়। নৃতাত্ত্বিকসকলে ধাৰণা কৰিছে যে অষ্ট্ৰেলীয়সকলেই পোনপ্ৰথমে হাতী পুহিবলৈ আৰম্ভ কৰিছিল।

অষ্ট্ৰেলীয়সকলে মাটিৰ পাত্ৰ গঢ়িব জানিছিল। মাটিৰ পাত্ৰ গঢ়িবলৈ তেওঁলোকে চাক ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে হাতেৰেই গঢ়িছিল। তেওঁলোকে পাচি-খৰাহী সাজিবও জানিছিল বুলি সৰকাৰৰ বিশ্লেষণৰপৰা তথ্য প্ৰাপ্ত হয়।

জীৱবাদ আৰু পিতৃপুৰুষৰ পূজাক কেন্দ্ৰ কৰি অষ্ট্ৰেলীয়সকলৰ ধৰ্মীয় বিশ্বাস আৰু আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি গঢ়ি উঠিছিল বুলি ড° ভুবন মোহন দাসে মন্তব্য কৰিছে। তেওঁ কৈছে যে অষ্ট্ৰেলীয়সকলে গোত্ৰবোৰৰ নাম জীৱ-জন্তু, বৃক্ষ আৰু বিবিধ প্ৰাকৃতিক বস্তুৰ নামেৰে দিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে তাৰপৰাই বিভিন্ন গোত্ৰৰ মানুহবোৰৰ উৎপত্তি হৈছিল। মেজিক, তন্ত্ৰ-মন্ত্ৰ আদি কৰা শ্বামান নামৰ একশ্ৰেণী লোকে সমাজত বিশেষ গুৰুত্ব লাভ কৰিছিল বুলি জনা যায়। অষ্ট্ৰেলীয়সকলৰ মাজত দীক্ষা-প্ৰথাৰ ব্যৱহাৰ আছিল। এই সংস্কাৰ পৰ্বত তেওঁলোকে দাঁতবোৰ ঘঁহি ঘঁহি সৰু, চোকা আৰু জোঙা কৰি লোৱাৰ বিষয়ে তথ্য পোৱা গৈছে।

অষ্ট্ৰেলীয়সকলে কোনটো ভাষা ব্যৱহাৰ কৰিছিল তাৰ সঠিক তথ্য পোৱা নাযায় যদিও অষ্ট্ৰিক ভাষা তেওঁলোকৰ ভাষা আছিল বুলি বহুতো পণ্ডিতে মত প্ৰকাশ কৰিছে। ড° সুনীতিকুমাৰ চেটাৰ্জীয়েও অষ্ট্ৰেলীয়সকলৰ ভাষা অষ্ট্ৰিক বুলি মতপোষণ কৰিছে। এই অষ্ট্ৰিক ভাষাক দুটা ভাগত ভাগ কৰা হয় ঃ অষ্ট্ৰ'নেছীয় আৰু অষ্ট্ৰ'-এছীয়। আকৌ অষ্ট্ৰ'নেছীয়ৰ উপ-ভাগ তিনিটা ঃ ইণ্ডোনেছীয়, মেলানেছীয় আৰু পলিনেছীয়। ইণ্ডোনেছীয় ইণ্ডোনেছীয়াত, মেলানেছীয় মেলানেছীয়াত আৰু পলিনেছীয় পলিনেছিয়াত প্ৰচলিত। অষ্ট্ৰ'-এছীয় ভাষা ইণ্ডো-চীন, ম্যানমাৰ, ভাৰতবৰ্ষত প্ৰচলিত। মধ্যভাৰতৰ কোল, মুণ্ডা, হো, চাভাৰো; মেঘালয়ৰ খাছীয়া; আন্দামান নিকোবৰৰ দ্বীপপুঞ্জৰ নিক'বাৰী আদি ভাষা অষ্ট্ৰ'-এছীয় বা অষ্ট্ৰ'-এছিয়াটিক ভাষাৰ অন্তৰ্গত।

খাছীয়াসকলৰ ভাষা অষ্ট্ৰিক। কিন্তু তেওঁলোকৰ মাজত মঙ্গোলীয় জৈৱিক লক্ষণ আছে বুলি নৃতাত্ত্বিকসকলে ব্যাখ্যা কৰিছে। তাৎপৰ্যপূৰ্ণ যে খাছীয়াসকল মঙ্গোলীয় তিব্বত-বৰ্মী ভাষী লোকসকলৰ মাজত থাকিও অষ্ট্ৰিক ভাষাক নিজৰ ভাষাৰূপে সংৰক্ষিত কৰি আহিছে। দুই-এক পণ্ডিতে কয় যে খাছীয়াসকল মঙ্গোলীয় আছিল আৰু অসমত প্ৰৱেশ কৰি তেওঁলোকে অষ্ট্ৰেলীয়সকলৰ অষ্ট্ৰিক ভাষা গ্ৰহণ কৰে। কোনোৱে আকৌ এই কথাও ক'বলৈ যত্ন কৰে যে অসমলৈ আহি থাকোঁতে খাছীয়াসকলে ম্যানমাৰত অষ্ট্ৰিক ভাষা শিকিছিল। পৰৱৰ্তী সময়ত অসমত বড়োসকলৰ মাজত বসবাস কৰিও অষ্ট্ৰিক ভাষা এৰি দিয়া নাছিল। ড° ভুবন মোহন দাসে আন এটা মত প্ৰকাশ কৰি কৈছে যে খাছীয়াসকল আচলতে অষ্ট্ৰেলীয়। অষ্ট্ৰিক আছিল তেওঁলোকৰ নিজৰ ভাষা। পৰৱৰ্তী সময়ত অসমলৈ অহা মঙ্গোলীয়সকলৰ লগত এওঁলোক সংমিশ্ৰিত হৈ নিজৰ জৈৱিক বৈশিষ্ট্য হেৰুৱাই মঙ্গোলীয় বৈশিষ্ট্য গ্ৰহণ কৰিছিল। অথচ তেওঁলোকে নিজৰ ভাষাটো এৰি দিয়া নাছিল। দাসৰ এই মতো অস্বীকাৰ কৰিব নোৱাৰি। ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যই 'অসমৰ সংস্কৃতি সমীক্ষা' গ্ৰন্থত সন্নিৱিষ্ট 'অসমৰ জনগোষ্ঠীসমূহৰ পৰিচয়' শীৰ্ষক প্ৰবন্ধত অসমৰ খাছীয়া আৰু জয়ন্তীয়া ভাষা অষ্ট্ৰিক ভাষাৰ অন্তৰ্গত বুলি মন্তব্য কৰিছে।

অষ্ট্ৰেলীয়সকলৰ সাংস্কৃতিক উপাদান অসমীয়া সংস্কৃতিৰ অংগ হৈ অসমীয়া সংস্কৃতিক সমৃদ্ধিশালী কৰি তুলিছে।

ড° ভুবন মোহন দাসে গাৰো, ৰাভা, কছাৰীসকলৰ মাজতো অষ্ট্ৰেলীয় লক্ষণ প্ৰত্যক্ষ কৰাৰ বিষয়ে গৱেষণালব্ধ তথ্য পোহৰলৈ আনিছে। অসম সাহিত্য সভাই প্ৰকাশ কৰা 'অসমীয়া জাতিৰ ইতিবৃত্ত' গ্ৰন্থত সন্নিৱিষ্ট 'জনগোষ্ঠীত প্ৰজাতীয় উপাদান' শীৰ্ষক প্ৰবন্ধত তেওঁ এই বিষয়ে লেখিছে ঃ "এই প্ৰবন্ধৰ লিখকে গাৰো, ৰাভা, কছাৰী আদি বড়ো জনসমষ্টিৰ আবয়ৱিক লক্ষণ বৈজ্ঞানিক পদ্ধতিৰে অধ্যয়ন কৰি তাৰ মাজত যথেষ্ট অনা-মংগোলীয় বৈশিষ্ট্য দেখিবলৈ পাইছে। মংগোলীয় জনসমষ্টি বড়োৰ মাজত অনা-মংগোলীয় লক্ষণৰ উপস্থিতিৰ ব্যাখ্যাৰ প্ৰয়োজন। কিছু ককেছীয় চৰিত্ৰ যে এই মংগোলীয়সকলৰ মাজত সোমাই পৰিছে তাত কোনো সন্দেহ নাই। কিন্তু তাৰ লগতে অষ্ট্ৰেলীয় লক্ষণো যথেষ্ট আছে। এই জনসমষ্টিৰ লোকক সমূহীয়াভাৱে চালে অষ্ট্ৰেলীয় লক্ষণবোৰ চকুত পৰে। কিন্তু গাইগুটীয়াকৈ নিৰীক্ষণ আৰু বিশ্লেষণ কৰিলে অষ্ট্ৰেলীয় লক্ষণবোৰ স্পষ্ট হৈ পৰে।" (পৃষ্ঠা ঃ ১২)

অষ্ট্ৰেলীয়সকলৰ সংস্কৃতিক অষ্ট্ৰিক সংস্কৃতি বুলি কোৱা হৈছে। ড° লীলা গগৈয়ে 'অসমৰ সংস্কৃতি' গ্ৰন্থত অষ্ট্ৰিক সংস্কৃতিৰ বিষয়ে আলোচনা কৰি কৈছে যে অষ্ট্ৰিক সংস্কৃতি আছিল প্ৰধানতঃ গাঁওমুখী কৃষি-সংস্কৃতি। অষ্ট্ৰিকসকলে ভাৰতবৰ্ষত সভ্যতাৰ পাতনি মেলিছিল আৰু পৰ্বত-ভৈয়াম সকলোতে বসবাস কৰিছিল। গগৈয়ে লগতে এই কথাও কৈছে যে মধ্য ভাৰতৰ গভীৰ অৰণ্য অঞ্চল, হিমালয়ৰ পাদদেশ, ব্ৰহ্মপুত্ৰ আৰু গংগা উপত্যকাৰ সাৰুৱা পথাৰত গাঁও পাতি বসবাস কৰিছিল। তেওঁ উল্লেখ কৰিছে যে নগাসকলৰ সংস্কৃতিত অষ্ট্ৰিক সংস্কৃতিৰ পৰোক্ষ লক্ষণ থকাৰ বিপৰীতে খাছী-জয়ন্তীয়াসকলৰ ভাষা-সংস্কৃতিত প্ৰত্যক্ষ উপাদান আছে।

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে অষ্ট্ৰেলীয়সকলে চিকাৰ কৰাৰ লগতে কৃষিকাৰ্যও কৰিবলৈ শিকিছিল। পৰৱৰ্তী সময়ত তেওঁলোকে ঝুম খেতি কৰাৰ লগতে আহু আৰু শালিখেতিও কৰিছিল। ড° বাণীকান্ত কাকতিয়ে 'জহা' ধানৰ নামটো অষ্ট্ৰিক বুলি ধাৰণা কৰিছে। লাও, কোমোৰা, বেঙেনা, কেৰেলা, ভোল, জিকাৰ লগতে হালধি, আদা, কাঠআলু, কল, তামোল, নাৰিকল আদি খেতিও অষ্ট্ৰেলীয়সকলে প্ৰথম কৰিছিল বুলি গগৈ উল্লেখ কৰিছে। অসমীয়া মানুহে খাদ্যৰূপে ব্যৱহাৰ কৰা মেচাকি, মেজেঙ্গা, নেফাফু, থেকেৰা, লফা, ঔ, মছন্দৰী আদি অষ্ট্ৰিকমূলৰ বুলি গগৈয়ে ধাৰণা কৰিছে। অসমীয়া সমাজলৈ তামোল অষ্ট্ৰিকৰ সংস্কৃতিৰে অৱদান। অসমীয়া সমাজত তামোল-পাণে লাভ কৰা উচ্চস্থান অষ্ট্ৰিক সংস্কৃতিৰ পৰাই আহুত। ইতিমধ্যে উল্লেখ কৰা হৈছে যে অষ্ট্ৰেলীয়সকলে হাতী ঘৰচীয়া কৰিছিল। হাতীৰ লগতে বনকুকুৰা ঘৰচীয়া কৰাৰ তথ্যও পোৱা যায়। কুকুৰা পোহা, ধৰ্মীয় অনুষ্ঠানত কুকুৰাৰ ব্যৱহাৰ, কুকুৰা বলি দিয়া, কুকুৰা কাটি মঙল চোৱা প্ৰথা, খাদ্যৰূপে কুকুৰাৰ ব্যৱহাৰ কৰাৰ ৰীতি অষ্ট্ৰিকসকলৰ বুলি গগৈয়ে আলোচ্য গ্ৰন্থত মত প্ৰকাশ কৰিছে। তেওঁ লগতে এই কথাও কৈছে যে অষ্ট্ৰিকসকলৰ পৰাই মঙ্গোলীয়সকলে এই ঐতিহ্য লাভ কৰিছিল। গড়, মেথোন, ভুৰা (গাহৰি), কেৰ্কেটুৰা, জহামাল, হেঁপা, কুকুৰনেচীয়া, লতামাকৰি, ৰাংকুকুৰ, টিয়া-ভাটৌ, কামচৰাই, কপৌ — অসমীয়া ভাষাৰ এই সমূহ অষ্ট্ৰিকমূলৰ বুলি গগৈয়ে উল্লেখ কৰিছে। লগতে তেওঁ এই কথাও কৈছে যে অসমীয়া ভাষাত ব্যৱহৃত বহুতো গছ-বনৰ নাম, পোক-পৰুৱাৰ নাম, মাছৰ নাম, ধানৰ নাম, ঠাইৰ নাম অষ্ট্ৰিক মূলৰ। গছৰ নামৰ ক্ষেত্ৰত গগৈয়ে হোলোং, পমা, উৰিয়াম, বিৰিং, চাকলাই, থৈলাঙনি, ফাকডেমা, ভাতঘিলা, শলখৰ কথা উল্লেখ কৰিছে।

অসমীয়া সংস্কৃতিত অষ্ট্ৰিক সংস্কৃতিৰ প্ৰভাৱৰ বিষয়ে 'অসমৰ সংস্কৃতি' গ্ৰন্থত ড° লীলা গগৈয়ে এইদৰে লেখিছে ঃ "অসমৰ পৰ্বত-ভৈয়াম উভয়তে সাংস্কৃতিক জীৱনৰ দীঘে-বাণিয়ে অষ্ট্ৰিক সংস্কৃতিৰ উপাদান উপচি আছে। ঘাইকৈ মঙ্গোলীয় সংস্কৃতিৰ ওপৰত ইয়াৰ প্ৰভাৱ অধিক। অষ্ট্ৰ-মঙ্গোলীয় সংস্কৃতিৰ উৰ্বৰতাই পাছৰ যুগত কোবাল আৰ্য্য সংস্কৃতিৰ সিৰে সিৰে সোমাই সমন্বয়ৰ সৌধ গঢ় দি তোলে। অসমৰ গ্ৰাম্য আৰু কৃষি সংস্কৃতি মূলতঃ উৰ্বৰা বিশ্বাসৰ সংস্কৃতি। এই বিখ্যাত উৰ্বৰা মতবাদৰ বাটকটীয়া হ'ল অষ্ট্ৰিকসকল। অষ্ট্ৰিকসকলে সিঁচি থৈ যোৱা সংস্কৃতিৰ কঠীয়াতলীতে পিছৰ যুগৰ আৰ্য্য, দ্ৰাবিড়, মঙ্গোলীয়সকলে খেতি কৰি নতুনৰ সৃষ্টি কৰে।" (পৃষ্ঠা ঃ ১৮)

### ১.৫.২ ক'কেছীয়

পৃথিৱীৰ ক'কেছীয় নৃগোষ্ঠীক কেইটামান উপ-বিভাগত বিভক্ত কৰা হৈছে। সেই বিষয়ে ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। আপোনাৰ অৱগত যে ক'কেছীয়ৰ সেই ভাগসমূহ হ'ল ঃ ভূমধ্যসাগৰীয়, আলপাইন, আৰ্মেনীয়, ডিনাৰিক, নৰ্ডিক, বাল্টিক, কেল্টিক, ইউৰেছিয়াটিক, ছেমাইট, হে-মাইট, ইণ্ডো-দ্ৰাবিড় ইত্যাদি। ড° বিৰজাশঙ্কৰ গুহই ভাৰতবৰ্ষৰ মানুহৰ মাজত উল্লিখিত ক'কেছীয় উপ-বিভাগৰ ভিতৰত তিনিটা উপ-বিভাগ পোৱা যায় বুলি মন্তব্য কৰিছে। সেই ভাগকেইটা হ'ল ঃ ভূমধ্যসাগৰীয়, পশ্চিমীয়া প্ৰশস্তমস্তকী আৰু নৰ্ডিক। গুহই পশ্চিমীয়া প্ৰশস্তমস্তকী বুলি এটা উপ-বিভাগ চিহ্নিত কৰিছে যদিও আচলতে পশ্চিমীয়া প্ৰশস্তমস্তকী বুলি ক'কেছীয়ৰ কোনো প্ৰকাৰ নাই। আলপাইন, ডিনাৰিক আৰু আৰ্মেনীয় লোকসকল প্ৰশস্তমস্তকী। এই তিনিটা প্ৰকাৰক গুহই পশ্চিমীয়া প্ৰশস্তমস্তকীৰ অন্তৰ্ভুক্ত কৰিছে। ভাৰতবৰ্ষত ইণ্ডো-আৰ্য আৰু ইৰাণো-চিথীয় নামৰ আৰু দুটা প্ৰকাৰ থকাৰ বিষয়ে সৰকাৰে উল্লেখ কৰিছে।

অসমৰ লোকসকলৰ মাজত ভূমধ্যসাগৰীয়, আলপাইন, আৰ্মেনীয় আৰু ইণ্ডো-আৰ্য — এইকেইটা ক'কেছীয় উপ-বিভাগৰ লোকৰ উপাদান দেখা পোৱা যায়। ড° বিৰজাশঙ্কৰ গুহই কৰা শ্ৰেণীকৰণৰ আধাৰতে অৰ্থাৎ পশ্চিমীয়া প্ৰশস্তমস্তকী উপ-বিভাগৰ অন্তৰ্ভুক্ত কৰিয়েই আলপাইন, ডিনাৰিক, আৰ্মেনীয়ৰ বিষয়ে আলোচনা কৰা হ'ব। 'অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়' শীৰ্ষক অসমীয়া নৃগোষ্ঠী অধ্যয়নৰ প্ৰামাণিক গ্ৰন্থখনতো ড° ভুবন মোহন দাসে আলপাইন, ডিনাৰিক, আৰ্মেনীয়ৰ বিষয়ে পশ্চিমীয়া প্ৰশস্তমস্তকী উপ-বিভাগত আলোচনা কৰিছে। আলোচ্য গ্ৰন্থখনত দাসে মন্তব্য কৰিছে উত্তৰ ভাৰতত, বিশেষকৈ পঞ্জাৱ আৰু ৰাজপুতনাত দেখা পোৱা ক'কেছীয়ৰ এটা প্ৰকাৰ নৰ্ডিকক অসমীয়াৰ মাজত দেখা পোৱা নাযায়। তেওঁৰ ভাষাত ঃ "অসমীয়াৰ মাজত নৰ্ডিক প্ৰকাৰৰ লোক দেখা নাযায়।" (পৃষ্ঠা ঃ ৫৬) ভাৰতৰ ক'কেছীয়সকলৰ মাজত যিদৰে ভিন ভিন ৰূপ প্ৰত্যক্ষ কৰা যায়; ঠিক সেইদৰে অসমৰ ক'কেছীয়সকলৰ ক্ষেত্ৰতো সুকীয়া ৰূপ থকাটো স্বাভাৱিক বুলি তেওঁ ব্যক্ত কৰিছে। ড° বিৰজাশঙ্কৰ গুহই ভাৰতৰ এটা প্ৰধান

#### ১.৫.২.১ ভূমধ্যসাগৰীয়

ভূমধ্যসাগৰীয়সকলৰ পূৰ্বৰ বাসভূমি আছিল ভূমধ্যসাগৰৰ পূব অঞ্চল। ভূমধ্যসাগৰীয় লোকসকল দীৰ্ঘমস্তকী আছিল। মুখমণ্ডল আছিল ডিম্ব আকৃতিৰে অলপ দীঘলীয়া। নাসিকা মধ্যমীয়া যদিও দীৰ্ঘ নাসিকাৰ লোকো দেখা পোৱা যায়। কপাল পোন আৰু পাছমূৰ পাছলৈ প্ৰসাৰিত হোৱা দেখা পোৱা যায়। চৰ্মবৰ্ণ পাতল কপিলৰপৰা কপিল বুলি দাসে উল্লেখ কৰাৰ লগতে কেশ ক'লা, চকুৰ ৰং গাঢ় ক'লা বুলি ব্যক্ত কৰিছে। তেওঁলোকৰ উচ্চতা মধ্যম। শাৰীৰিক গঠন শক্তিশালী নহয়। সেয়েহে নৃতাত্ত্বিকসকলে তেওঁলোকক ক্ষীণাংগী বুলি ক'ব খোজে।

ভূমধ্যসাগৰীয়সকলক নৃতাত্ত্বিকসকলে তিনিটা প্ৰধান ভাগত বিভক্ত কৰি আলোচনা কৰিছে। সেই ভাগকেইটা হ'ল ঃ ক্লাছিক বা মূল ভূমধ্যসাগৰীয়, আটলাণ্টো-ভূমধ্যসাগৰীয় বা লিটোৰেল আৰু ইণ্ডো-আফগান বা ইৰাণো-আফগান। প্ৰথম ভাগটো পৰ্তুগাল, স্পেইন, ফ্ৰান্স, ইটালি, উত্তৰ আফ্ৰিকা, আৰব আদিত পোৱা যায়। ইয়াৰ উপৰি

পেলেষ্টাইন, মধ্য আৰু উত্তৰ-পশ্চিম ইউৰোপতো ভূমধ্যসাগৰীয়সকলৰ উপস্থিতি আছে। দ্বিতীয় ভাগটো উত্তৰ আফ্রিকা, ইৰাক, পেলেষ্টাইন, আৰব, ব্রিটিছ দ্বীপপুঞ্জ, পর্তুগাল আৰু স্পেইনত পোৱা যায়। তৃতীয় ভাগটো ইৰাণ, ইৰাক, আফগানিস্তান, বেলুচিস্তান, পাকিস্তান আৰু উত্তৰ-পশ্চিম ভাৰতত পোৱা যায়।

ভূমধ্যসাগৰীয়সকলৰ অষ্ট্রেলীয়সকলৰ পিছতে ভাৰতলৈ আগমন ঘটিছিল। ভাৰতত তিনি প্রকাৰৰ ভূমধ্যসাগৰীয় লোক আছে বুলি গুহই উল্লেখ কৰিছে। সেই প্রকাৰ তিনিটা হ'ল ঃ প্রত্ন-ভূমধ্যসাগৰীয়, ভূমধ্যসাগৰীয় আৰু প্রাচ্য (অ'ৰিয়েণ্টেল)। প্রথমটোৱে তামিল ব্রাহ্মণ, তেলেগু ব্রাহ্মণ আৰু ক'চিনৰ নায়াৰসকলক সামৰি লয়। দ্বিতীয়টোৰ উপস্থিতি উত্তৰ প্রদেশ, মহাৰাষ্ট্র, পশ্চিমবংগত দেখা পোৱা যায়। নামবুদ্রি ব্রাহ্মণ, এলাহাবাদৰ ব্রাহ্মণ আৰু পশ্চিমবংগৰ ব্রাহ্মণৰ মাজত এই দ্বিতীয় প্রকাৰৰ বৈশিষ্ট্য বিদ্যমান। তৃতীয়টোৰ উপস্থিতি দেখা পোৱা যায় পঞ্জাৱ, ৰাজপুতনা আদিত।

আপুনি জানি থোৱা ভাল যে সকলো প্রকাৰৰ ভূমধ্যসাগৰীয় লোকৰ একেসময়তে বা একেলগে ভাৰতবর্ষলৈ আগমন ঘটা নাছিল। ভিন্ন সময়ত ভিন্ন চাম ভূমধ্যসাগৰীয় লোকে ভাৰতবর্ষত প্রৱেশ কৰিছিল। সর্বপ্রথমে প্রত্ন-ভূমধ্যসাগৰীয়সকলৰ ভাৰতলৈ আগমন ঘটিছিল। বহুতো পণ্ডিতে এই কথা মানি লয় যে ভূমধ্যসাগৰীয়সকলেই সিন্ধু উপত্যকা সভ্যতাৰ আৰম্ভণি কৰিছিল।

ভূমধ্যসাগৰীয় লোকসকলে ভাৰতৰ মাজেৰে দক্ষিণ-পূব এছিয়ালৈ বিস্তাৰিত হৈছিল বুলিও তথ্য পোৱা যায়। পৰৱর্তী সময়ত অন্যান্য গোষ্ঠীৰ লোকৰ প্রভাৱত ভূমধ্যসাগৰীয় লোকৰ বিস্তাৰ শেষ হৈ পৰে। আন লোকৰ লগত সংমিশ্রণ ঘটি ভূমধ্যসাগৰীয়ৰ অস্তিত্ব ক্রমে নাইকিয়া হৈ আহে। নগাসকলৰ মাজত বহুজনে নেছিয়ট নামৰ এটা উপাদান লক্ষ্য কৰে। তেওঁলোক মঙ্গোলীয় যদিও অনা-মঙ্গোলীয় উপাদানো প্রত্যক্ষ কৰা যায়, যি উপাদানক ভূমধ্যসাগৰীয় উপাদান বুলি ড° ভুবন মোহন দাসে উল্লেখ কৰিছে। তেওঁ কৈছে যে এনে উদাহৰণৰদ্বাৰা এই কথা ক'ব পাৰি যে অতি প্রাচীন কালতেই অসমলৈ এনে ভূমধ্যসাগৰীয় জৈৱিক উপাদানৰ প্রৱেশ হৈছিল। ভাৰতবর্ষৰ বিভিন্ন স্থানত উদ্ধাৰ হোৱা নৰ-কংকালৰ অৱশেষে ভূমধ্যসাগৰীয় লোকসকল এসময়ত সমগ্র ভাৰততে আছিল বুলি প্রমাণ কৰে। পৰৱর্তী সময়ত ইণ্ডো-আর্যসকলৰ আগমনত ভূমধ্যসাগৰীয়সকলৰ আধিপত্য উত্তৰ ভাৰতত লোপ পায়। ফলত তেওঁলোক কেৱল দক্ষিণ ভাৰতত সীমাবদ্ধ হৈ থাকে। ড° ভুবন মোহন দাসে লেখিছে ভূমধ্যসাগৰীয় লোকসকল, লোক হিচাপে নহ'লেও, তেওঁলোকৰ প্রজাতিৰ জৈৱিক উপাদান বর্তমানেও উত্তৰ-পূব ভাৰতৰ বহুতো জনগোটৰ মাজত স্পষ্টভাৱে বিদ্যমান হৈ আছে।

পৌৰাণিক কাহিনীয়েও অসমত ভূমধ্যসাগৰীয় লোকৰ অৱস্থিতিৰ কথা প্রমাণ কৰে। কিৰাত ৰজা ঘটকাসুৰক পৰাস্ত কৰি নৰকাসুৰে প্রাগজ্যোতিষপুৰৰ ৰাজ্যভাৰ গ্রহণ কৰাৰ কথা জনা যায়। নৰকাসুৰ — এই নামটোৱে তেওঁ যে ইণ্ডো-আর্য নাছিল সেই কথা প্রমাণ কৰে। নৰকাসুৰক ডাঙৰ-দীঘল কৰিছিল বিদেহৰ ৰজাই। বিদেহৰ ৰজাৰ সহায়তে নৰকাসুৰে কিৰাতসকলক পৰাস্ত কৰিছিল। ৰাজপাট গ্রহণ কৰাৰ পাছত নৰকাসুৰে বিদেহৰ ৰজাৰ কন্যা মায়াক বিয়া কৰাইছিল। বিদেহৰ ৰজাক ভূমধ্যসাগৰীয় বুলি ধৰা হয়। তেওঁৰ ৰাজ্যত কিছু পৰিমাণে হ'লেও ভূমধ্যসাগৰীয় প্রজাতিৰ প্রজা থাকিব বুলি দাসে ধাৰণা

কৰিছে। তেওঁ এই ধাৰণাও কৰিছে যে নৰকাসুৰো ভূমধ্যসাগৰীয় প্ৰজাতিৰ লোক হ'ব পাৰে। সেয়েহে তেওঁ ঠাৱৰ কৰিছে তদানীন্তন সময়ত উত্তৰ-পূব ভাৰতত ভূমধ্যসাগৰীয় লোক আছিল। কনকলাল বৰুৱাই এই মত প্ৰকাশ কৰিছে যে পূৰ্বৰেপৰা প্ৰাগজ্যোতিষপুৰ আছিল ভূমধ্যসাগৰীয় ৰাজ্য। উত্তৰ-পূব ফালেৰে প্ৰৱেশ কৰা ইণ্ডো-মঙ্গোলীয় লোকে প্ৰাগজ্যোতিষপুৰ অধিকাৰ কৰি শাসন কৰিবলৈ আৰম্ভ কৰে। পৰৱৰ্তী সময়ত বিদেহ ৰজাৰ সহায়ত ইণ্ডো-মঙ্গোলীয়সকলৰ কবলৰপৰা প্ৰাগজ্যোতিষপুৰ উদ্ধাৰ কৰিছিল। এই কথাই প্ৰমাণ কৰে যে নৰকাসুৰৰ পূৰ্বৰেপৰাই প্ৰাগজ্যোতিষপুৰত ভূমধ্যসাগৰীয় লোকসকলে বাস কৰিছিল।

ড° ভুবন মোহন দাসে এটা গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে যে ভাৰতৰ সকলোবোৰ ভূমধ্যসাগৰীয় লোকৰ জৈৱিক চৰিত্ৰ একে নহয়। বিভিন্ন অঞ্চলত বিভিন্ন প্ৰজাতিৰ সংমিশ্ৰণলৈ আহি ভূমধ্যসাগৰীয় উপাদানে ভিন্ন ৰূপ গ্ৰহণ কৰিছে। তেওঁ কৈছে অসমীয়াৰ মাজত প্ৰত্যক্ষ কৰা লক্ষণসমূহ বিহাৰী বা বঙালীৰ মাজত সম্পূৰ্ণ একে ৰূপত, একে অনুপাতত থাকিব বুলি আশা কৰা অনুচিত। দাসে অসমৰ আধুনিক কালৰ মানুহৰ মাজতো ভূমধ্যসাগৰীয় উপাদান থকাৰ কথা উল্লেখ কৰিছে।

### ১.৫.২.২ পশ্চিমীয়া প্ৰশস্তমস্তকী

পশ্চিমীয়া প্ৰশস্তমস্তকীৰ ভিতৰত আলপাইন, ডিনাৰিক আৰু আৰ্মেনীয় প্ৰজাতি থকাৰ বিষয়ে ইতিমধ্যে আপোনাক অৱগত কৰি অহা হৈছে। ড° বিৰজাশঙ্কৰ গুহই এই তিনিটা প্ৰজাতিক সামৰি পশ্চিমীয়া প্ৰশস্তমস্তকী অভিধা প্ৰয়োগ কৰিছিল।

আলপাইনসকলৰ চৰ্মবৰ্ণ জলফাই ৰঙৰ বা পাতল শ্বেত। তেওঁলোকৰ দাড়ি-গোঁফ আৰু গাৰ নোম ঘন আৰু কেশ অৰ্থাৎ চুলিৰ ৰং মধ্যমীয়া বা ডাঠ পিংগল। ক'লা কেশ দেখা পোৱা নাযায়। ড° ভুবন মোহন দাসে তেওঁৰ পূৰ্বে উল্লিখিত গ্ৰন্থত তেওঁলোকৰ শৰীৰৰ অন্যান্য বিৱৰণ এনেকৈ দিছেঃ "কেশ তৰংগায়িত। প্ৰশস্তমস্তক, পাছফাল ঘোৰখোৱা আৰু উচ্চ। মুখমণ্ডল গোলাকৃতিৰ বা ডিম্বাকৃতিৰ। অধ্যক্ষি সুগঠিত। মুখমণ্ডল প্ৰক্ষিপ্ততাবিহীন। থুতৰি সুগঠিত। দীৰ্ঘনাসিকী, মধ্যনাসিকীৰ সংখ্যাও কম নহয়। নাসিকাদণ্ড পোন আৰু কেতিয়াবা উত্তল। চকুৰ বৰণ মধ্যমীয়া বা ডাঠ পিংগল। নীলাভ ৰং কেতিয়াবাহে চকুত পৰে। দৈহিক উচ্চতা মধ্যমীয়া (গড়ে প্ৰায় ১৬৫ ছেণ্টিমিটাৰ)। শৰীৰ সুগঠিত আৰু বলিষ্ঠ।" (পৃষ্ঠা ঃ ৫১)

ইউৰোপৰ সকলো অঞ্চলতে আলপাইনসকল বিস্তাৰিত হৈ আছে। মধ্য ইউৰোপত তেওঁলোকৰ অৱস্থিতি বেছিকৈ দেখা পোৱা যায়। গুজৰাটৰ বনিয়া, কাথিৱাৰৰ কাথী, বঙালী কায়স্থসকলৰ মাজত আলপাইনীয় লোকৰ উপস্থিতি দেখা পোৱা যায়।

আৰ্মেনীয়সকলৰ শৰীৰৰ বিৱৰণ উল্লিখিত গ্ৰন্থত ড° ভুবন মোহন দাসে এইদৰে দিছেঃ "আৰ্মেনীয় চৰ্মবৰ্ণ জলফাই বা ঈষৎ পিংগলীয় শ্বেত। কেশৰ বৰণ গাঢ় পিংগল বা ক'লা। সাধাৰণতে কেশৰ আকৃতি বক্ৰ। গাৰ নোম, দাড়ি গোঁফ ঘন। মস্তকৰ পাছফাল উচ্চ আৰু উলম্ব। কপাল পাছলৈ এঢলীয়া। নাক চকুত পৰা ধৰণে দীঘলীয়া আৰু ঠেক। নাসিকা মূলদেশ উচ্চ আৰু প্ৰশস্ত। নাসিকাদণ্ড সাধাৰণতে উত্তল। মুখমণ্ডল দীৰ্ঘাকৃতিৰ আৰু ঠেক। হনু অঞ্চল সুগঠিত। থুতৰি মধ্যমীয়া ধৰণে স্পষ্ট। দৈহিক উচ্চতা মধ্যমীয়াৰপৰা ওখ (গড়ে

প্ৰায় ১৬৭ ছেণ্টিমিটাৰ)। শৰীৰৰ বান্ধোন সুগঠিত। পিছে শকতৰ লক্ষণো দেখা যায়।” (পৃষ্ঠা ঃ ৫১)

অসমত আলপাইন আৰু আৰ্মেনীয়সকলৰহে উপস্থিতি পোৱা যায়। সেয়েহে পশ্চিমীয়া প্ৰশস্তমস্তকীৰ অন্তৰ্গত ডিনাৰিকসকলৰ বিষয়ে ইয়াত আলোচনা কৰা হোৱা নাই। প্ৰাগৈতিহাসিক যুগ, হৰপ্পা সভ্যতা, লৌহ যুগ আদি সময়ৰ উদ্ধাৰ হোৱা নৰ-কংকালে আলপাইন আৰু আৰ্মেনীয়সকল ভাৰতত থকাৰ প্ৰমাণ পোৱা যায়। এছিয়া মাইনৰৰ ইৰাণীয় মালভূমি আৰু পামিৰ অঞ্চল আলপাইন-আৰ্মেনীয়ৰ আদি বাসস্থান আছিল। সেই আদি বাসস্থানৰপৰাই তেওঁলোক ভাৰতত উত্তৰ-পশ্চিম দিশেৰে প্ৰৱেশ কৰিছিল। বহুজনে মত প্ৰকাশ কৰিছে যে হিমালয়ৰ পাদদেশেৰে পূবলৈ আহি আলপাইনৰ কিছু লোক অসমতো উপস্থিত হৈছিলহি। কনকলাল বৰুৱাই মত প্ৰকাশ কৰিছে যে বৈদিক আৰ্যসকল অহাৰ আগেয়েই আলপাইনসকল পূব ভাৰতলৈ আহি অঞ্চলটোৰ সভ্যতা-সংস্কৃতি গঢ়ি তুলিছিল। বৈদিক আৰ্যৰ আগমনে আলপাইনসকলৰ সংস্কৃতিক প্ৰভাৱিত কৰি নাইকিয়া কৰি পেলায়। কনকলাল বৰুৱাই আলপাইনসকলৰ সাংস্কৃতিক, ভাষিক, ঐতিহাসিক আৰু নৃতাত্ত্বিক সমলৰ বিশ্লেষণৰদ্বাৰা এই কথা স্পষ্ট কৰিছে যে অসমীয়া হিন্দু সংস্কৃতিৰ মূলতঃ আলপাইন সংস্কৃতিৰ অৱদান আছে।

তাৎপৰ্যপূৰ্ণ যে খৃষ্টপূৰ্ব তিনি হাজাৰ বছৰৰ আগেয়ে আলপাইনসকল ভাৰতলৈ আহিছিল। ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে তেওঁলোক প্ৰশস্তমস্তকী আৰু দীৰ্ঘনাসিকী। আলপাইনসকল দুটা দলত বিভক্ত হৈ এটা দল সিন্ধু উপত্যকাৰে ভাৰতৰ পশ্চিম উপকূলৰ দিশলৈ যোৱাৰ বিপৰীতে আনটো দল পূব ফাললৈ গৈছিল। কনকলাল বৰুৱাৰ প্ৰত্যয় জন্মিছে যে পূব ভাৰতত অনা-মঙ্গোলীয় প্ৰশস্তমস্তক আলপাইন লোকৰপৰা লাভ কৰিছিল। তেওঁৰ ধাৰণা বহুতো ব্ৰাহ্মণ, কায়স্থ আৰু কলিতাৰ মূল আলপাইনসকল আছিল। কনকলাল বৰুৱাই ১৯৩৭ চনৰ অসম সাহিত্য সভা সপ্তদশ অধিৱেশনৰ বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণত কৈছিল ঃ “অসমৰ এই কলিতাবিলাকেই যে ইৰাণৰপৰা আৰ্য ভাষা আৰু সভ্যতা লগত লৈ অহা আলপাইন জাতিৰ মানুহ এইটোহে মোৰ অনুমান হয়। বৰ্তমান সময়ত কিছুমান অসমীয়া ব্ৰাহ্মণ আৰু কায়স্থও যে বঙালী ব্ৰাহ্মণৰ নিচিনা মূলতে আলপাইন আছিল সেই বিষয়ে সন্দেহ খুব কমেই আছে।”

কনকলাল বৰুৱাইও আলপাইনসকল প্ৰশস্তমস্তকী আৰু দীৰ্ঘনাসিকী বুলি বৰ্ণনা কৰিছে। অসমীয়া লোকৰ মাজতো তেনে লক্ষণ প্ৰত্যক্ষ কৰাৰ কথা কৈছে। ড° ভুবন মোহন দাসে আশীৰ দশকত অসমীয়া ব্ৰাহ্মণ, কলিতা, কায়স্থ আদি মানুহৰ নৃদেহমাপতাত্ত্বিক সমল গোটাই অধ্যয়ন কৰোঁতে এওঁলোকৰ মস্তক আৰু নাকৰ ক্ষেত্ৰত ক্ৰমে মধ্যমস্তকী আৰু প্ৰায় দীৰ্ঘনাসিকী দেখা পোৱাৰ কথা কৈছে। কনকলাল বৰুৱাৰ বিশ্লেষণ আলোচনা কৰি দাসে অৱশ্যে এই কথা কৈছে যে মিথিলা বা কনৌজত প্ৰশস্তমস্তকী আলপাইনৰ দীৰ্ঘমস্তকী ভূমধ্যসাগৰীয় অথবা ইণ্ডো-আৰ্যৰ লগত সংমিশ্ৰণ ঘটিছে। তাৰ পৰৱৰ্তী সময়তহে সেই মিশ্ৰিত লোকৰ অসমলৈ আগমন হৈছে। দাসে আৰু এটা সম্ভাৱনাৰ কথা ব্যক্ত কৰিছে যে সংমিশ্ৰিত লোকসকল অসমলৈ আহি অসমত পূৰ্বৰেপৰা বাস কৰি থকা ভূমধ্যসাগৰীয় লোকৰ লগত সংমিশ্ৰিত হোৱাত তেওঁলোকৰ মস্তক আৰু নাসিকাই ৰূপ সলায়।

কনকলাল বৰুৱাই আলপাইনীয় সাংস্কৃতিক উপাদানৰ ক্ষেত্ৰত শৱ সৎকাৰৰ প্ৰসংগ উল্লেখ কৰিছে। আলপাইনসকলৰ দৰে অসমীয়া হিন্দুৱেও শৱদাহ কৰে। ইৰাণীয়সকলে ব্যক্তিৰ মৃত্যুৰ লগে লগে দেহটো ঘৰৰ বাহিৰলৈ উলিয়াই আনে। তাৰ পাছত ঘৰটো ধুই ভিতৰত জুই জ্বলাই ঘৰটো পৱিত্ৰ কৰাৰ প্ৰথা প্ৰচলিত। অসমীয়াৰ মাজতো এই প্ৰথা আছে। ইৰাণীয়সকলৰ দৰে অসমীয়াই ঘৰৰ ভিতৰত জুই জ্বলোৱাৰ পৰিৱৰ্তে বাহিৰত জ্বলায়। আনহাতে শ্মশানৰপৰা শৱ দাহ কৰি ঘৰলৈ আহি গা-পা ধুই জুইত ভৰি-হাত সেকি শিলত ভৰি থৈ তিতা বস্তু, বিশেষকৈ শিলিখা খাইহে ঘৰত প্ৰৱেশ কৰে।

আকৌ অসমীয়া সমাজত নাৰী ঋতুমতী হ'লে তেওঁক অশুচি বুলি গণ্য কৰা, নাৰীগৰাকীক স্পৰ্শ কৰিলে গা ধুবলগীয়া হোৱা, তেওঁক স্পৰ্শ নকৰাকৈ খাদ্যবস্তু দূৰৈৰপৰা দিয়া আদি প্ৰথা আলপাইন লোকৰপৰা অসমীয়া সমাজলৈ আহিছে বুলি কনকলাল বৰুৱাই ধাৰণা কৰিছে। ইয়াৰ লগতে তেওঁ অসমীয়া ভাষাৰ ওপৰতো আলপাইন ভাষাৰ প্ৰভাৱ থকাৰ কথা ব্যক্ত কৰিছে।

### ১.৫.২.৩ ইণ্ডো-আৰ্য

ইণ্ডো-আৰ্যসকলৰ ভাৰতবৰ্ষলৈ আগমন ঘটিছিল খ্ৰীষ্টপূৰ্ব প্ৰায় ১৫০০ বছৰৰ পূৰ্বে। ইণ্ডো-আৰ্যক সাধাৰণতে 'আৰ্য' বুলি কোৱা হয়। সাংস্কৃতিক দিশৰপৰা বৈদিক আৰ্য বুলি কয়। এওঁলোক দীৰ্ঘমস্তকী লোক। মধ্য এছিয়া ইণ্ডো-আৰ্যৰ আদি বাসস্থান আছিল বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে। মধ্য এছিয়াৰপৰা প্ৰব্ৰজন আৰম্ভ কৰি উত্তৰ-পশ্চিম কোণেৰে তেওঁলোক ভাৰতত প্ৰৱেশ কৰিছিল। ইণ্ডো-আৰ্যসকল ভাৰতলৈ অহাৰ আগতেই কৃষিকৰ্মত পাৰ্গত আছিল। ধাতুবিদ্যাত তেওঁলোক আছিল পাৰদৰ্শী। আন বিদ্যাটো তেওঁলোকৰ ব্যুৎপত্তি আছিল। কিন্তু বৰ্তমান সময়ৰ কিছু পণ্ডিতৰ চিন্তন-মননে এই কথা কৈছে যে ইণ্ডো-আৰ্যই ভাৰতবৰ্ষতহে নিজৰ বিকাশ সাধন কৰিছিল আৰু পৰৱৰ্তী সময়ত সেয়া পশ্চিমলৈ প্ৰসাৰিত হৈছিল। এই কথা কোৱা পণ্ডিতসকলে সংস্কৃত সাহিত্যৰপৰা প্ৰামাণিক সমলো প্ৰদৰ্শন কৰিছে। এই ক্ষেত্ৰত ড° ভুবন মোহন দাসে স্বামী বিদ্যানন্দ সৰস্বতীৰ 'আৰ্য কা আদিদেশ' গ্ৰন্থৰ আলোচনা কৰি কৈছে যে যদিও বহুতে ইণ্ডো-আৰ্যসকল ইৰাণ আৰু ইৰাকৰপৰা আহিছে বুলি কয়, কিন্তু ইৰাণৰ ছাত্ৰক এই কথা শিকোৱা হয় ভাৰতৰপৰা ইৰাণলৈ ইণ্ডো-আৰ্যসকলৰ প্ৰব্ৰজন হৈছিল। এই তথ্যই স্বাভাৱিকতে এক বিশেষ তাৎপৰ্য বহন কৰিছে।

ইৰাণ, ইৰাক, আফগানিস্তান, মধ্য এছিয়া আৰু ভাৰতৰ মানুহৰ মাজত জৈৱিক ক্ষেত্ৰত মিল থকাৰ কথা প্ৰাচীনকালৰ নৰ-কংকালৰ অৱশেষবোৰে নিশ্চিত কৰিছে। এই মানুহবোৰৰ উৎপত্তি একেমূলতে ঘটিছে বাবে সাদৃশ্য পৰিলক্ষিত হয়। দাসে এটা কথা স্পষ্ট কৰিছে যে ইণ্ডো-আৰ্যসকলৰ অসমত পশ্চিম দিশৰপৰা প্ৰৱেশ কৰিছিল।

ইণ্ডো-আৰ্যসকল অষ্ট্ৰেলীয় আৰু ভূমধ্যসাগৰীয় সকলতকৈ আৱয়বিক ক্ষেত্ৰত পৃথক। তেওঁলোকৰ অৱয়বৰ বিষয়ে ড° ভুবন মোহন দাসে কৈছে ঃ "তেওঁলোক ওখ ডাঙৰ। শৰীৰ পেশীবহুল আৰু সুগঠিত। দৈহিক গঠন অধিক দৃঢ় আৰু সবল। ইণ্ডো-আৰ্যও দীৰ্ঘমস্তকী যদিও মস্তক বিশাল আকৃতিৰ, আয়তনো বৃহৎ। চৰ্মবৰ্ণ আৰু নেত্ৰবৰ্ণ পাতল। কেশ মিহি আৰু বেছি ক'লা নহয়।"

ক'কেছীয়ৰ এটা স্বতন্ত্ৰ ভাৰতীয় প্ৰকাৰ ইণ্ডো-আৰ্যসকল ভাৰতলৈ অহাৰ পিছৰেপৰা ভাৰতত এক নতুন যুগৰ সূচনা হৈছিল। খ্ৰীষ্টপূৰ্ব ১৫০০ বছৰৰ পূৰ্বতেই তেওঁলোক ভাৰতলৈ বৃহৎ ৰূপত আহিছিল যদিও তাৰ পূৰ্বে সৰু সৰু দল মাজে মাজে ভাৰতলৈ আহি থকাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। ইণ্ডো-আৰ্যসকলৰ অৱস্থিতি প্ৰসংগত ড° ভুবন মোহন দাসে 'অসমীয়া জাতিৰ ইতিবৃত্ত' গ্ৰন্থত সন্নিৱিষ্ট 'জনগোষ্ঠীত প্ৰজাতীয় উপাদান' প্ৰবন্ধত লেখিছে ঃ "হিন্দুকূশ পৰ্বতৰ দক্ষিণাঞ্চলত থকা বৰ্তমানৰ বাল্টিকসকল ইণ্ডো-আৰ্যৰ আদৰ্শ প্ৰতিনিধি। সিন্ধু আৰু গংগা উপত্যকাত ইণ্ডো-আৰ্যৰ প্ৰাধান্য দেখা যায়। গংগা উপত্যকাত তেওঁলোক অখণ্ডিতভাৱে পশ্চিম বিহাৰলৈ বিস্তৃত। তাৰপৰা পূবলৈ এওঁলোকৰ অখণ্ড বিস্তাৰ দেখা নগ'লেও বিক্ষিপ্তভাৱে পূব বিহাৰ, বংগ আৰু অসমতো তেওঁলোকক দেখা যায়। প্ৰধানকৈ উচ্চ জাতিৰ মানুহৰ মাজতহে এওঁলোকৰ লক্ষণৰ প্ৰাবল্য চকুত পৰে।" (পৃষ্ঠা ঃ ২১)

ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে 'কিৰাত-জন-কৃতি' গ্ৰন্থত খ্ৰীষ্টপূৰ্ব ৭০০ বছৰ পূৰ্বে ইণ্ডো-আৰ্যসকল বিহাৰত উপস্থিত হৈছিল বুলি উল্লেখ কৰিছে। বিহাৰৰপৰা তেওঁলোক পূবলৈ প্ৰব্ৰজন কৰি অসমত উপস্থিত হৈছিলহি। এবাৰতে বা একেটা দলতে তেওঁলোক অসমলৈ যে আহিছিল এনে নহয়। পৃথক দলত মাজে-সময়ে তেওঁলোক অসমলৈ আহি আছিল। অৱশ্যে অসমত তেওঁলোকৰ প্ৰৱেশৰ সময় নিৰ্ণয় কৰা কঠিন। কিন্তু এই কথা ক'ব পাৰি যে ইণ্ডো-আৰ্যসকল অসমলৈ অহাৰ পূৰ্বৰে পৰাই অসমত ভূমধ্যসাগৰীয়সকলৰ প্ৰাধান্য আছিল। আলপাইন-আৰ্মেনীয়সকলো কিছু পৰিমাণে আছিল বুলি ধাৰণা কৰিব পাৰি।

পৌৰাণিক কাহিনীবোৰতো বৰ্তমানৰ অসম নামৰ অঞ্চলৰ উল্লেখ পোৱা যায়। 'ৰামায়ণ' আৰু 'মহাভাৰত' — এই দুখন মহাকাব্যত উল্লেখ থকা ইণ্ডো-আৰ্যৰ লগত উত্তৰ-পূব ভাৰতৰ অৰ্থাৎ অসমৰ লোকৰ মিলন ঘটাৰ উদাহৰণ পোৱা যায়। শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধ আৰু বাণৰজাৰ জীয়ৰী ঊষাৰ প্ৰণয়গাঁথা আৰু বিবাহ; শ্ৰীকৃষ্ণই কুণ্ডিল নগৰ বা শদিয়াৰপৰা ৰুক্মিণীক হৰণ কৰা; অৰ্জুনে মণিপুৰৰ ৰাজকন্যা চিত্ৰাংগদাক বিয়া কৰোৱা; ভীমে হিড়িম্বাক পত্নীৰূপে গ্ৰহণ কৰা আৰু ভীম-হিড়িম্বাৰ পুত্ৰ ঘটোৎকচে কুৰুক্ষেত্ৰ যুদ্ধত অংশগ্ৰহণ কৰা আদি পৌৰাণিক ঘটনাইও ইণ্ডো-আৰ্যৰ লগত অসমৰ সংযোগৰ কথা নিৰ্দেশ কৰে। অৱশ্যে এয়া কিমান বাস্তৱিক ঘটনা সেয়া ক'ব পৰা নাযায়। আকৌ 'কালিকা পুৰাণ'ত পোৱা যায় যে নৰকাসুৰে কিৰাতসকলক সাগৰৰ তীৰলৈকে খেদি পঠিয়াই কৰতোৱা আৰু ললিতকান্তাৰ মধ্যৱৰ্তী অঞ্চলত দ্বিজক অৰ্থাৎ ইণ্ডো-আৰ্যক প্ৰতিষ্ঠা কৰিছিল।

সপ্তম শতিকাৰ ৰজা কুমাৰ ভাস্কৰবৰ্মাৰ সময়ৰ ডুবি আৰু নিদানপুৰ তাম্ৰফলিয়ে তেওঁৰ ৰাজ্যত ইণ্ডো-আৰ্য লোক থকাৰ তথ্য প্ৰদান কৰে। কুমাৰ ভাস্কৰবৰ্মাৰ ৰাজত্বকালত অসমলৈ অহা (তেতিয়া কামৰূপ) চীনা পৰিব্ৰাজক হিউৱেন-চাঙৰ টোকাৰপৰাও ব্ৰাহ্মণ আৰু কায়স্থ লোকক লগ পোৱাৰ তথ্য পোৱা যায়। কুমাৰ ভাস্কৰবৰ্মাৰ পূৰ্বৰ ৰজা, ষষ্ঠ শতিকাৰ মহাভূতবৰ্মনৰ ৰাজত্বকালতো ব্ৰাহ্মণ লোক আছিল বুলিও তথ্যও পোৱা গৈছে।

ওপৰৰ আলোচনাৰপৰা আপোনাৰ এই কথা নিশ্চয় প্ৰতীয়মান হৈছে যে অসমত ইণ্ডো-আৰ্য লোক আছিল আৰু বৰ্তমানেও আছে।

### ১.৫.২.৪. ইৰাণো-চিথীয়

ড° শশাঙ্কশেখৰ সৰকাৰে ভাৰতৰ মানুহৰ মাজত ইৰাণো-চিথীয় প্ৰজাতিৰ লোকো আছে বুলি যুক্তি প্ৰদৰ্শন কৰিছে। পূব বিহাৰ, বংগ, অসম আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত দীৰ্ঘমস্তকীৰ বিপৰীতে মধ্যমস্তকী দেখা পোৱা যায়। এই লোকসকল মধ্যমস্তকী আৰু মধ্যকায় হোৱাৰ অন্যতম কাৰণৰূপে সৰকাৰে ইৰাণো-চিথীয়সকলৰ আগমন বুলি ব্যক্ত কৰিছে। এইধৰণৰ অৱয়বৰ লোকৰ উপস্থিতি ভাৰতৰ পশ্চিম উপকূলৰ মহাৰাষ্ট্ৰ, গুজৰাট আদিতো প্ৰত্যক্ষ কৰা যায়। পৰৱৰ্তী সময়ত উত্তৰ মহীশূৰৰপৰা আৰম্ভ কৰি একেবাৰে দক্ষিণলৈকে তেওঁলোক বিস্তাৰিত হয়। দাক্ষিণাত্যত উদ্ধাৰ হোৱা মহাপাষাণ সংস্কৃতিৰ লগত ইৰাণো-চিথীয়সকল সম্পৰ্কিত।

ইণ্ডো-আৰ্যতকৈ ইৰাণো-চিথীয়সকল পৃথক। ইণ্ডো-আৰ্যসকল দীৰ্ঘনাসিকী, দীৰ্ঘমস্তকী আৰু উচ্চকায়; তাৰ বিপৰীতে ইৰাণো-চিথীয়সকল মধ্যনাসিকী, মধ্যমস্তকী আৰু মধ্যকায়। পণ্ডিতসকলে এই কথা কৈছে যে ভাৰতৰ কলা আৰু স্থপতিবিদ্যাত ইৰাণো-চিথীয়সকলৰ প্ৰভাৱ পৰিছে।

এই প্ৰসংগত ড° ভুবন মোহন দাসে এক নৃবৈজ্ঞানিক অধ্যয়নৰ বিষয়ে উল্লেখ কৰিছে ঃ "অসমীয়া ব্ৰাহ্মণ, কলিতা, কায়স্থ, কুমাৰ, যোগী, কৈৱৰ্ত আৰু হীৰা জাতিৰ ক্ৰমান্বয়ে শতকৰা প্ৰায় ৫৬, ৫০, ৫২, ৬৪, ৫৬, ৬০ আৰু ৬১ ভাগ লোক মধ্যমস্তকী। মস্তক আনুপাতিক সূচনাৰ মাধ্যও মধ্যমস্তকী ভাগত পৰে। মাধ্য হিচাপত এই জাতিবোৰ মধ্যকায়, অৰ্থাৎ মধ্যমীয়া উচ্চতাৰ। শতকৰা হিচাপতো মধ্যকায়ৰ সংখ্যা সৰহ। অসমীয়া মুছলমান লোকো মধ্যমস্তকী (শতকৰা প্ৰায় ৪৮ ভাগ), মধ্যনাসিকী (শতকৰা প্ৰায় ৬৯ ভাগ) আৰু মধ্যমীয়া উচ্চতাৰ। কোনোৱে কৰাৰ দৰে যদি জনগোটৰ মাজত কোনো প্ৰজাতীয় প্ৰকাৰৰ উপাদানৰ উপস্থিতি প্ৰায় সম্পূৰ্ণৰূপে মস্তক, নাসিকা আৰু দৈহিক উচ্চতাৰ ওপৰত ভিত্তি কৰি নিৰূপন কৰা হয়, তেন্তে অসমীয়া মানুহৰ মাজত সৰকাৰে চিহ্নিত কৰা ইৰাণ'-চিথীয় প্ৰজাতীয় উপাদানৰ প্ৰাধান্য স্বীকাৰ কৰিব ল'ব লাগিব।" ('অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়', পৃষ্ঠা ঃ ৬১)

দাসে অৱশ্যে এটা কথালৈ আঙুলিয়াইছে যে আলপাইন-আৰ্মেনীয় আৰু ইৰাণো-চিথীয়ৰ আদিবাসস্থান, ভাৰতলৈ প্ৰব্ৰজনৰ পথ, ভাৰতত প্ৰব্ৰজন আৰু বিস্তাৰ ইত্যাদি দিশৰ সাদৃশ্য দেখা পোৱা যায়। সাংস্কৃতিক দিশতো আলপাইন-আৰ্মেনীয় আৰু ইৰাণো-চিথীয়ৰ মাজত মিল আছে। মস্তক, নাসিকা, উচ্চতাৰ মাজত পাৰ্থক্য থকাৰ লগতে দুয়োটা প্ৰজাতিৰ পথ দুটাও পৃথক।

ইণ্ডো-আৰ্য আৰু ইৰাণো-চিথীয়সকল সমসাময়িকভাৱে বা ইৰাণো-চিথীয়সকল কিছু পিছত ভাৰতবৰ্ষত প্ৰৱেশ কৰে বুলি দাসে মন্তব্য প্ৰকাশ কৰিছে। তেওঁ কয় যে ইণ্ডো-আৰ্যই পূব দিশলৈ গংগা উপত্যকাকে ধৰি আগ বাঢ়ি গৈ পশ্চিম বিহাৰ পায়গৈ। ইৰাণো-চিথীয়ই পশ্চিম দিশেৰে ভাৰতৰ দক্ষিণলৈ গতি অব্যাহত ৰাখিছিল। তাৰ পাছত নৰ্মদা আৰু শোণ নদী উপত্যকাকে ধৰি বংগদেশত উপস্থিত হৈ তাৰপাছত অসমত প্ৰৱেশ কৰিছিল। অসমত ইণ্ডো-আৰ্য নে ইৰাণো-চিথীয়ই প্ৰথমে প্ৰৱেশ কৰিছিল কোৱাটো জটিল। দাসে অৱশ্যে অসমৰ জাতিগোটৰ মানুহবোৰৰ মাজত ইৰাণো-চিথীয় উপাদানৰ প্ৰাবল্য বেছি বুলি অনুমান কৰিছে।

**১.৫.৩ মঙ্গোলীয়**

অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত মঙ্গোলীয়সকলৰ বিশেষ অৱদান আছে। নৃতাত্ত্বিসকলে অসমক ক'কেছীয় আৰু মঙ্গোলীয় লোকৰ মিলনভূমি বুলি অভিহিত কৰিব বিচাৰে। মঙ্গোলীয়ৰ আদিবাসস্থান বুলি মধ্য এছিয়াৰ বিশাল ষ্টেপি ভূমিভাগৰ কথা নৃতাত্ত্বিকসকলে কয়। প্ৰব্ৰজনৰদ্বাৰা তেওঁলোক বিশ্বৰ বিভিন্ন প্ৰান্তত বিয়পি পৰে। মঙ্গোলীয় যে চাৰিটা ভাগত বিভক্ত সেই কথা আপোনাৰ জ্ঞাতাৰ্থে ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। তথাপি পুনৰ উল্লেখ কৰা হৈছে। সেই ভাগ চাৰিটা হ'ল ঃ (ক) মূল বা মধ্য মঙ্গোলীয়, (খ) মেৰুৰ এস্কিমীয় বা উত্তৰীয় মঙ্গোলীয়, (গ) আমেৰিকান ইণ্ডিয়ান বা আমেৰিণ্ড আৰু (ঘ) ইণ্ডোনেছীয়-মালয়ী মঙ্গোলীয়।

ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে ভাৰতলৈ অহা মঙ্গোলীয়সকলক ইণ্ডো-মঙ্গোলীয় নামেৰে অভিহিত কৰিছে। ড° বিৰজাশঙ্কৰ গুহই ভাৰতৰ মঙ্গোলীয় দুটা ভাগত দুটা ভাগত বিভক্ত কৰিছে ঃ প্ৰত্ন-মঙ্গোলীয় আৰু তিব্বতীয়-মঙ্গোলীয়। প্ৰত্ন-মঙ্গোলীয়ক আকৌ দুটা উপ-বিভাগত বিভক্ত কৰিছেঃ দীৰ্ঘমস্তকী আৰু প্ৰশস্তমস্তকী। তিব্বতীয়-মঙ্গোলীয়ক কোনো উপ-বিভাগত ভাগ কৰা নাই। ইণ্ডো-মঙ্গোলীয়সকলৰ আৱয়বিক ৰূপৰ বৰ্ণনা ড° ভুবন মোহন দাসে এইদৰে দিছে ঃ "চৰ্মবৰ্ণ পীত বা পীত পিংগল। দাড়ি-গোঁফ আৰু গাৰ নোম তাকৰ। কেশৰ বৰণ ক'লা, কেশ ঋজু আৰু অমসৃণ। নেত্ৰ বক্ৰ আৰু নেত্ৰ কোণ ঠেক। অন্তঃনেত্ৰচ্ছেদ বা সম্পূৰ্ণ নেত্ৰচ্ছেদ মংগ'লীয়ৰ এটা বিশেষ লক্ষণ। মুখমণ্ডল বহল আৰু চেপেটা।"

ড° ভুবন মোহন দাসে আলোচনা কৰিছে যে দীৰ্ঘমস্তকী উপ-বিভাগৰ লোকসকল মধ্যমীয়া উচ্চতাৰ আৰু তেওঁলোক মধ্যনাসিকীৰ।তেওঁৰ চৰ্মবৰ্ণ গাঢ় আৰু মুখমণ্ডল খৰ্ব আৰু চেপেটা। হিমালয়ৰ পাদদেশত এওঁলোকৰ বিস্তৃতি প্ৰত্যক্ষ কৰা যায়। অসমৰ জনজাতিবোৰ এই দীৰ্ঘমস্তকী উপ-বিভাগত পৰে। গুইট ছেমা নগা আৰু নেপালৰ লিম্বুসকল এই উপ-বিভাগৰ আদৰ্শ প্ৰতিনিধি বুলি অভিহিত কৰিছে। অসমত মঙ্গোলীয়সকল অষ্ট্ৰেলীয় আৰু ক'কেছীয়ৰ সংমিশ্ৰণলৈ আহি বিভিন্ন ৰূপ পৰিগ্ৰহ কৰাৰ কথাও নৃতাত্ত্বিকসকলে ব্যক্ত কৰিছে। দৈহিক উচ্চতাৰ ফালৰপৰা অসমৰ মঙ্গোলীয় জনসমষ্টিসমূহক এছিয়াৰ মঙ্গোলীয় গোটৰ অন্তৰ্ভুক্ত কৰিব পাৰি। অসমৰ ইণ্ডো-মঙ্গোলীয়সকলৰ মুখমণ্ডল আন ইণ্ডো-মঙ্গোলীয়বোৰৰ মুখমণ্ডলতকৈ ঠেক আৰু এই ক্ষেত্ৰত ইণ্ডো-চীন আৰু শ্যাম দেশৰ লগত মিলে। নাকৰ ক্ষেত্ৰত আন মঙ্গোলীয়সকলতকৈ বহল। দাসে অৱশ্যে এই কথাও কৈছে যে মঙ্গোলীয়া, চীন, কোৰিয়া, নেপাল আৰু ইণ্ডো-চীনৰ কিছুমান জনসমষ্টিৰ নাক অসমৰ মঙ্গোলীয় লোকতকৈ বেছি বহল। এছিয়াৰ আন আন মঙ্গোলীয় গোটৰ লগত উত্তৰ-পূবৰ মঙ্গোলীয়ৰ সাদৃশ্য আছে যদিও স্বকীয়তা পৰিলক্ষিত হয়। আপেক্ষিকভাৱে উত্তৰ-পূবৰ মঙ্গোলীয়ৰ দৈহিক উচ্চতা কম, মুখমণ্ডল ঠেক, মস্তক ঠেক আৰু নাসিকা বহল দেখা পোৱা যায়।

ইণ্ডো-মঙ্গোলীয়সকলক 'কিৰাত' বুলি জনা যায়। ইণ্ডো-আৰ্যসকল ভাৰতলৈ আহি দুই প্ৰকাৰৰ লোক লগ পাইছিল ঃ নিষাদ আৰু কিৰাত। নিষাদসকলৰ চৰ্মবৰ্ণ ক'লা আৰু কিৰাতসকল পীতচৰ্মী। প্ৰাচীন সংস্কৃত গ্ৰন্থত কিৰাতসকলৰ বিষয়ে উল্লেখ পোৱা যায়। হিমালয়ৰ পাদদেশ আৰু উত্তৰ-পূব ভাৰত কিৰাতসকলৰ স্থান বুলি উল্লেখ আছে। চীনা,

তিব্বতীয় লোককো কিৰাত আখ্যা দিয়াৰ কথা ড° ভুবন মোহন দাসে উল্লেখ কৰিছে। ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে 'কিৰাত-জন-কৃতি' গ্ৰন্থত কিৰাতসকলৰ বিষয়ে বিশেষভাৱে আলোচনা কৰিছে। 'যৰ্জুবেদ'ত কিৰাত নামটোৰ প্ৰথম উল্লেখ পোৱা যায়। 'অথৰ্ববেদ'তো কিৰাতৰ উল্লেখ আছে। 'ৰামায়ণ', 'মহাভাৰত' মহাকাব্যতো কিৰাতৰ বিষয়ে উল্লেখ আছে। 'মহাভাৰত'ৰ 'সভাপৰ্ব'ত উল্লেখ থকা মতে নকুলে যেতিয়া উত্তৰ-পশ্চিমলৈ যাত্ৰা কৰিছিল, তেতিয়া কিৰাত লোকক লগ পাইছিল। ভীমে দিগ্বিজয় কৰিবলৈ পূব দিশলৈ যাওঁতে বিদেহ ৰাজ্যৰ অন্তত কিৰাত লোকক লগ পাইছিল। ভীমে সাতজন কিৰাত ৰজাক ৰণত পৰাস্ত কৰাৰ তথ্যৰপৰা উত্তৰ-পূব ভাৰতত কিৰাতৰ আধিপত্যৰ প্ৰমাণ লাভ কৰা যায়। অৰ্জুনে পশুপাত অস্ত্ৰ লাভৰ বাবে যেতিয়া শিৱক স্তুতি কৰিছিল, তেতিয়া শিৱই কিৰাতৰ বেশত অৰ্জুনক দেখা দিয়াৰ কথা জনা যায়। আনকি 'মহাভাৰত'ৰ 'বনপৰ্ব'ত 'কিৰাত পৰ্ব' নামৰ এটা ভাগ পোৱা যায়। কুৰুক্ষেত্ৰ যুদ্ধত অংশগ্ৰহণ কৰা প্ৰাগজ্যোতিষপুৰৰ ৰজা ভগদত্তৰ সৈন্য বাহিনী কিৰাত, চীন আৰু সমুদ্ৰপাৰৰ যোদ্ধাৰদ্বাৰা গঠিত আছিল বুলি তথ্য পোৱা যায়। সৈন্যসকলৰ চৰ্মবৰ্ণ সোণবৰণীয়া বা পীতবৰ্ণৰ। মানে তেওঁলোক মঙ্গোলীয় লোকৰ দৰে। তেওঁলোকৰ দাড়ি-গোঁফ কম। 'ৰামায়ণ'তো সোণবৰণীয়া চৰ্মৰ কিৰাতৰ উল্লেখ পোৱা যায়। 'ৰামায়ণ'ৰ 'কিষ্কিন্ধ্যা কাণ্ড'ত কিৰাতৰ বিৱৰণ প্ৰাপ্ত হৈছে। 'বিষ্ণুপুৰাণ' আৰু 'মাৰ্কণ্ডেয় পুৰাণ'ত ভাৰতৰ পূব দিশত কিৰাতসকলৰ অৱস্থিতিৰ কথা উল্লেখ গৈছে।

মহীৰাংগ দানৱ নামৰ এজন ৰজাই প্ৰাগজ্যোতিষপুৰত ৰাজত্ব কৰাৰ কথা জনা যায়। তেওঁ কিৰাত আছিল আৰু ৰজাসকলো কিৰাত আছিল। মহীৰাংগৰ পিছত হতকাসুৰ, সম্বৰাসুৰ, ৰত্নাসুৰ আৰু ঘটকাসুৰে ৰাজত্ব কৰিছিল। নৰকাসুৰে কিৰাত ৰজা ঘটকাসুৰক পৰাস্ত কৰি প্ৰাগজ্যোতিষপুৰত ৰাজবংশ প্ৰতিষ্ঠা কৰাৰ বিষয়ে ইতিমধ্যে উল্লেখ কৰি অহা হৈছে।

মধ্যযুগত ৰচিত 'ত্ৰিপুৰা ৰাজমালা', 'যোগিনী তন্ত্ৰ' গ্ৰন্থখনতো কিৰাতৰ বিষয়ে উল্লেখ পোৱা যায়। এই তথ্যসমূহে কিৰাতৰ উপস্থিতিৰ সম্ভেদ দাঙি ধৰে। কিৰাতসকলে পাহাৰ আৰু হাবিতলীয়া ঠাইত বাস কৰিছিল। বোৱা-কটাত তেওঁলোক পাৰ্গত আছিল। তেওঁলোক বসবাস কৰা অঞ্চলসমূহ বনজ আৰু খনিজ সম্পদেৰে চহকী আছিল।

চীন দেশৰ পশ্চিম অঞ্চলত বসবাস কৰা মঙ্গোলীয়সকল চীনীয়-তিব্বতীয় ভাষিক লোক। চীনীয়-তিব্বতীয় ভাষাৰ প্ৰধান ভাগ দুটা ঃ শ্যাম-চীনীয় আৰু তিব্বতীয়-বৰ্মী। তিব্বতীয়-বৰ্মীকো কেইটামান উপ-বিভাগত বিভক্ত কৰা হৈছে। এই ভাষাৰ প্ৰচলন দেখা পোৱা যায় তিব্বত, হিমালয়ৰ দক্ষিণ অঞ্চল, ছিকিম, নেপাল আদিত। অৰুণাচল প্ৰদেশৰ বহুকেইটা জনসমষ্টি এই ভাষিক গোটৰ ভিতৰুৱা। তিব্বতীয়-বৰ্মী ভাষাৰ এটি গুৰুত্বপূৰ্ণ ভাগ হৈছে অসম-বাৰ্মা। অসম-বাৰ্মাক পুনৰ কেইটামান উপ-ভাগত বিভক্ত কৰা হৈছে। ড° ভুবন মোহন দাসে উল্লেখ কৰিছে যে সেই সমূহ হ'ল কছাৰী, গাৰো, ৰাভা, মেচ আদি জনগোষ্ঠীয়ে কোৱা বড়ো ভাষা; নগাসকলৰ ভাষা; ত্ৰিপুৰা, মণিপুৰ, মিজোৰাম আদিৰ কিছুমান জনসমষ্টিয়ে কোৱা কুকী-চীন ভাষা; উত্তৰ-ম্যানমাৰত প্ৰচলিত কাচিন-লল' ভাষা আৰু ম্যানমাৰৰ কিছুমান জনসমষ্টিৰ ভাষা।

তিব্বতীয়-বৰ্মীভাষী মঙ্গোলীয়সকলে আদি স্থান চীনদেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰপৰা দক্ষিণলৈ প্ৰব্ৰজন কৰি ম্যানমাৰৰ উত্তৰ-পূব অঞ্চল পোৱাৰ পাছত এটা ভাগ

দক্ষিণ-পূব এছিয়া পায়গৈ। যাত্ৰাত পথত কিছু লোক পশ্চিমলৈ গৈ উত্তৰ-পূব ভাৰতত সোমায়। তেওঁলোককে নগা, কুকি, মিজো আদিৰ পূৰ্বপুৰুষ বুলি কোৱা হৈছে। আন এটা দল হিমালয়ৰ পাদদেশেৰে গৈ নেপাল, ভূটান, তিব্বত অঞ্চলত বাস কৰেগৈ। এওঁলোকৰ কিছু লোকে পৰৱৰ্তী সময়ত দক্ষিণলৈ প্ৰব্ৰজন কৰি আহি ব্ৰহ্মপুত্ৰ উপত্যকা, তাৰ দাঁতিকাষৰীয়া পাহাৰত থাকিবলৈ লৈছিল। কিছুমান বৰাক উপত্যকা, ত্ৰিপুৰা আদি পায়গৈ। দাসে এই দুটা ভাগৰ উপৰিও আন এটা সৰু দল অসমলৈ আহিছিল বুলি সম্ভাৱনা ব্যক্ত কৰিছে। তেওঁলোক ব্ৰহ্মপুত্ৰ নদীৰ গতিপথেৰে অৰ্থাৎ পূব কোণেৰে অসমত প্ৰৱেশ কৰিছিল। ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে এই অভিমত ব্যক্ত কৰিছে যে খৃষ্টপূৰ্ব ১০০০ বছৰৰ আগতেই তিব্বতীয়-বৰ্মী লোকসকল হিমালয়ৰ দক্ষিণ অঞ্চল আৰু তিব্বতৰ মাজেৰে ভাৰতত প্ৰৱেশ কৰিছিল।

ড° ভুবন মোহন দাসে আলোচনা কৰিছে যে তিব্বতীয়-বৰ্মী ভাষী লোকসকল প্ৰব্ৰজনৰ জৰিয়তে অসমলৈ অহাৰ লগতে তেওঁলোক বসতি স্থাপন কৰি জনসমষ্টি গঠন কৰিছিল। গোটবিলাকৰ মাজত বৈবাহিক সম্পৰ্ক স্থাপন কৰাৰ লগতে ধৰ্মীয় বিশ্বাস, আচাৰ-ব্যৱহাৰ, নিজস্ব ভাষা ৰক্ষাৰ্থে জনসমষ্টিসমূহে নিজৰ বাবে সুকীয়া নাম লৈছিল। ইয়াৰ ফলতেই ৰাভা, গাৰো, তিৱা, কছাৰী, নগা, মিজো, কুকি আদি বিভিন্ন জনসমষ্টিৰ সৃষ্টি হ'ল বুলি দাসে মত প্ৰকাশ কৰিছে। গাৰো, ৰাভা, কাৰ্বিসকলৰ মাজত প্ৰচলিত প্ৰব্ৰজনৰ কাহিনীৰপৰা তেওঁলোকৰ প্ৰব্ৰজনৰ পথ, বাসস্থান আদিৰ আভাস পাব পাৰি। ৰাভা আৰু গাৰোৰ মাজত প্ৰচলিত কাহিনীয়ে তেওঁলোকৰ আদিবাসস্থান হিমালয়ৰ নামনি অঞ্চল বা তিব্বত বুলি ক'ব খোজে। সেই আদিবাসস্থানৰপৰাই তেওঁলোক অসমলৈ আহিছিল। কাহিনীয়েও কৈছে যে তেওঁলোক একে পথেৰে একে সময়তে অসমলৈ অহা নাছিল। চীন বা তিব্বত আদি স্থানৰপৰা কছাৰীসকলো একেধৰণেই অসমলৈ আহিছিল। এওঁলে ধাৰণা কৰিছে যে দুটা বৃহৎ প্ৰব্ৰজনৰদ্বাৰা তেওঁলোক অসমলৈ আহিছিল। এটা দল উত্তৰ দিশ আৰু আন এটা দল উত্তৰ-পূব কোণেৰে আহিছিল। ইতিমধ্যে উল্লেখ কৰা তিব্বতী-বৰ্মীভাষী তৃতীয় অৰ্থাৎ সৰু দলটো সোৱণশিৰি, দিবং, দিহিং নদীৰ উপত্যকাৰে অসমলৈ আহিছিল; সেই পথটো চুতীয়া আৰু মৰাণসকলেও ব্যৱহাৰ কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। চুতীয়া আৰু মৰাণসকল অতি প্ৰাচীন মঙ্গোলীয় গোট বুলি দাসে অভিহিত কৰিছে। এঞ্জেলে কৈছে যে চুতীয়া আৰু মৰাণৰ লগত আছিল বড়ো ভাষীৰ সম্বন্ধ।

ড° ভুবন মোহন দাসে বড়ো ভাষা গোটৰ জনসমষ্টিবোৰৰ অৱস্থিতিৰ বিষয়ে এইদৰে লেখিছে ঃ "তিব্বতীয়-বৰ্মী ভাষা পৰিয়ালৰ বড়ো ভাষাগোটৰ জনসমষ্টিবোৰক ভৌগোলিক বিস্তাৰ অনুসৰি এওঁলে দুটা প্ৰধান ভাগত ভাগ কৰিছে। এভাগ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ আৰু আনভাগ দক্ষিণপাৰৰ। ৰাভা আৰু গাৰোৰ মাজত প্ৰচলিত কাহিনীযোগে পাই অহা হৈছে যে তেওঁলোক ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ দক্ষিণপাৰলৈ যায়। প্ৰধানকৈ দক্ষিণপাৰতেই গাৰোৰ বিস্তাৰ। ডিমাচাসকলে দক্ষিণপাৰত আৰু বেছি দক্ষিণলৈ গৈ উত্তৰ কাছাৰ পাহাৰত থিতাপি লয়। ত্ৰিপুৰাৰ ত্ৰিপুৰীসকলে তাতোতকৈ বেছি দক্ষিণত বাস কৰে। তিৱাসকল মধ্য অসমৰ দক্ষিণপাৰতেই প্ৰধানকৈ বিস্তাৰিত। অৱশ্যে সকলোবোৰ জনসমষ্টিয়েই ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত উপনীত হোৱা নাছিল। বহুতেই উত্তৰপাৰতেই ৰৈ যায় আৰু বিভিন্ন অঞ্চলত বিয়পি পৰে। আকৌ বড়ো ভাষাগোটৰ লোকক বাসস্থান অনুসৰি

পশ্চিম আৰু পূব ভাগতো ভগাব পাৰি। ৰাভা, মেচ, গাৰো আদি পশ্চিম ভাগত পৰে। আনহাতে সোণোৱাল, ঠেঙাল, ঝাৰুৱা আদি পূৰ্বাঞ্চলৰ বাসিন্দা।"('অসমীয়া মানুহৰ নৃগোষ্ঠীয় পৰিচয়', পৃষ্ঠা ঃ ৭২-৭)

কাৰ্বি সকলো তীব্বতীয়-বৰ্মী ভাষী লোক যদিও অষ্ট্ৰিকৰ সংমিশ্ৰণ তেওঁলোকৰ ভাষাত দেখা পোৱা যায়। বিভিন্ন জনসমষ্টিৰপৰা সাংস্কৃতিক উপাদান গ্ৰহণ কৰি তেওঁলোকে কাৰ্বি আংলঙত বসতি কৰিবলৈ লয়।

অসমৰ এটি অন্যতম প্ৰধান জনসমষ্টি কোচৰ বিষয়ে পণ্ডিতসকলৰ মাজত বিভিন্ন মত পোৱা যায়। ড° ভুবন মোহন দাসে সেই বিষয়ে এনেদৰে লেখিছে ঃ "কোচৰ বিষয়ে নানাজনে নানা মন্তব্য দিছে। পুৰাণ আৰু তন্ত্ৰত কোচক কুভাচ নামে অভিহিত কৰা হৈছে। হগছনে কোচক বড়োৰ অন্তৰ্গত কৰিছে। ডেণ্টনে কোচক দ্ৰাবিড় বুলি ক'ব খোজে। ৰিজলে কোচৰ মাজত দ্ৰাবিড় আৰু মংগোলীয় লক্ষণৰ সংমিশ্ৰণ দেখিছে। তেওঁৰ মতে, এই দুইবিধৰ ভিতৰত দ্ৰাবিড় উপাদান বেছি। দ্ৰাবিড় লোক উত্তৰ আৰু উত্তৰ-পূবলৈ বিতাৰিত হৈ মংগোলীয়ৰ লগত সংমিশ্ৰিত হ'ল। কিন্তু আনহাতে ৰাডেলৰ মতে কোচসকল স্পষ্টৰূপে মংগোলীয়।" ('অসমীয়া জাতিৰ ইতিবৃত্ত', পৃষ্ঠা ঃ ১৬) হাজং, দেউৰী, মিচিং, নগা, কুকি, মিজো আদি মঙ্গোলীয় জনসমষ্টিয়েও অসমীয়া জাতি গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

১২২৮ খ্ৰীষ্টাব্দত উত্তৰ ম্যানমাৰৰপৰা উত্তৰ-পূব কোণৰ পথেৰে পাটকাই পৰ্বত পাৰ হৈ অসমলৈ অহা আহোমসকল মঙ্গোলীয় জনগোট। আহোমসকল শ্বান বা টাই জনগোটৰ অন্তৰ্গত। ভাষাৰ ফালৰপৰা চীনীয়-তীব্বতীয় পৰিয়ালৰ অন্তৰ্গত শ্যামীয়-চীনীয় শাখাৰ। আহোমসকলক অনুকৰণ কৰি আন বহুতো সৰু সৰু জনগোট টাই ফাকে (বা ফাকিয়াল), খায়মাং, টুৰুং, খামতি, আইতন, দোৱনীয়া অন্যতম। এওঁলোক বৌদ্ধ ধৰ্মাৱলম্বী লোক। অসমলৈ আহি এওঁলোকে উজনি অসমত বাস কৰিছিলহি।

ড° লীলা গগৈয়ে 'অসমৰ সংস্কৃতি' গ্ৰন্থত মঙ্গোলীয় সংস্কৃতিৰ বিষয়ে আলোচনা কৰি কৈছে ঃ "অসমৰ সংস্কৃতি ভাৰতীয়-আৰ্যমুখী হ'লেও ইয়াৰ দীঘে-বাণিয়ে মঙ্গোলীয় উপাদান উপচি আছে।" (পৃষ্ঠা ঃ ১৩৩) আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে অসমৰ অধিকাংশ জনসংখ্যাই হ'ল মঙ্গোলীয়। গগৈয়ে উল্লেখ কৰিছে "অসমৰ ব্ৰাহ্মণ, দৈৱজ্ঞ, কায়স্থ, আৰু কলিতা মানুহখিনিক বাদ দিলে বাকী সকলো থলুৱা মানুহেই মংগোলীয় জনসমষ্টিৰ অন্তৰ্গত।" তেওঁ নৃতাত্ত্বিক পৰ্যবেক্ষণৰ আধাৰত আৰু এটা গুৰুত্বপূৰ্ণ কথা কৈছে যে থলুৱা মুছলমানৰ লগত মঙ্গোলীয় তেজৰ সংমিশ্ৰণ ঘটিছে।

অসমীয়া ভাষা-সংস্কৃতি, ধৰ্ম সকলোতে মঙ্গোলীয়সকলৰ উপাদান আছে। মাছ ধৰা সঁজুলি, তাঁতশালৰ সঁজুলি, গছ-লতাৰ নাম, ধানৰ নাম, নৈৰ নাম, ঠাইৰ নাম, মাছৰ নাম, ঘৰৰ সঁজুলি ইত্যাদিত মঙ্গোলীয় উপাদান আছে। অসমৰ মঙ্গোলীয়সকলৰ ধৰ্ম পৰম্পৰাত জীৱ বলি দিয়া ৰীতি দেখা পোৱা যায়। অৰ্থাৎ উপাস্য দেৱতালৈ কেঁচা তেজ আগবঢ়োৱা কাৰ্য তেওঁলোকৰ ৰীতি। মঙ্গোলীয় সমাজত বিয়াৰ লগত সামাজিক ৰীতিৰ লগতে ধৰ্মীয় ধাৰণাও জড়িত হৈ আছে। মঙ্গোলীয়সকলৰ মাজত তামোল-পাণৰ ব্যাপক ব্যৱহাৰ আছে। অষ্ট্ৰিকসকলৰপৰা তেওঁলোকে তামোল-পাণৰ ব্যৱহাৰ শিকে। মঙ্গোলীয়সকলৰ বেছিভাগেই গাখীৰ খোৱা নাছিল। গৰুৰ পৰিৱৰ্তে তেওঁলোকে ম'হ

পুহিছিল, ম'হৰ হাল বাইছিল। মঙ্গোলীয়সকলে দা এখন আৰু মোনা এটা সদায় লগত ৰাখিছিল। মঙ্গোলীয় সমাজত তাঁতশালৰ প্ৰচলন পুৰণিকালৰেপৰা আছে। তেওঁলোকে মাটিৰ শাল আৰু কঁকালত বান্ধি বোৱা শাল — এই দুই প্ৰকাৰৰ তাঁতশাল ব্যৱহাৰ কৰিছিল। তেওঁলোকে কপাহী, পাট, মুগা আৰু এৰীসূতাৰ কাপোৰ বৈছিল। মঙ্গোলীয় শিপিনীসকল অতি পাকৈত আছিল। মিচিং, কাৰ্বি, বড়ো, খামতি, ফাকিয়াল তিৰোতাৰ হাতৰ পৰশত সপোন দিঠকলৈ ৰূপান্তৰিত হয় বুলি ড° লীলা গগৈয়ে উল্লেখ কৰিছে। নিৰাপত্তা আৰু স্বাস্থ্যজনিত কাৰণত মঙ্গোলীয় লোকসকলে চাংঘৰ ব্যৱহাৰ কৰিছিল। তেওঁলোকে ঘৰত প্ৰস্তুত কৰা লাওপানী খাদ্য ৰূপে ব্যৱহাৰ কৰে। তেওঁলোকৰ খাদ্যভ্যাসত কোনো ধৰণৰ নিষেধাজ্ঞা নাছিল। মাছ-মাংস তেওঁলোকে শুকুৱাই সংৰক্ষণ কৰাৰ পৰম্পৰাও আছে। মঙ্গোলীয় সমাজত নাৰীৰ বিশেষ গুৰুত্ব আছে। তেওঁলোকে নাৰীক উৰ্বৰা শক্তিৰ উৎস ৰূপে গণ্য কৰে। অষ্ট্ৰিকসকলে আৰম্ভ কৰা শালি ধানৰ খেতি আহোমসকলে ব্যাপক হাৰত কৰিছিল। মঙ্গোলীয়সকলে যৌথ পৰিয়াল ব্যৱস্থাৰ পোষকতা কৰিছিল। বিয়া, সবাহ আদিত সকলোৰে সহায়-সহযোগিতা আগবঢ়াইছিল। মঙ্গোলীসকল স্বভাৱত যিদৰে সহজ-সৰল আছিল; ঠিক সেইদৰে তেওঁলোকৰ জীৱন-যাপন পদ্ধতিও আছিল সৰল।

**জানি থওঁ আহা**

পৃথিৱীৰ চাৰিটা নৃগোষ্ঠীৰ ভিতৰত অসমত তিনিটা নৃগোষ্ঠীৰ লোক আছে বুলি নৃতাত্ত্বিকসকলে মত প্ৰকাশ কৰিছে। সেই নৃগোষ্ঠী তিনিটা হ'ল ঃ অষ্ট্ৰেলীয়, ক'কেছীয় আৰু মঙ্গোলীয়। ক'কেছীয়ৰ চাৰিটা উপ-বিভাগৰ মানুহ অসমত আছে। সেই উপ-বিভাগকেইটা হ'ল ঃ ভূমধ্যসাগৰীয়, পশ্চিমীয়া প্ৰশস্তমস্তিকী, ইণ্ডো-আৰ্য আৰু ইৰাণো-চিথীয় ।পশ্চিমীয়া প্ৰশস্তমস্তিকীৰ তিনিটা ভাগৰ ভিতৰত আলপাইন আৰু আৰ্মেনীয়ৰ লোকহে অসমত থকাৰ কথা প্ৰমাণিত হৈছে; ডিনাৰিক উপ-বিভাগৰ লোক অসমত নাই। ঠিক সেইদৰে অসমত নিগ্ৰো নৃগোষ্ঠীৰ লোক নাই বুলি নৃতাত্ত্বিকসকলে মত পোষণ কৰিছে। নগাসকলৰ মাজত নেগ্ৰিটোৰ উপাদান আছে বুলি কোনোৱে মত প্ৰকাশ কৰিলেও সেই ধাৰণা প্ৰামাণিক নহয়। অষ্ট্ৰেলীয়সকল অসমৰ আদিম অধিবাসী বুলি প্ৰমাণিত হৈছে। অসমৰ জনজাতিসকলৰ অধিকসংখ্যকেই মঙ্গোলীয় নৃগোষ্ঠীৰ অন্তৰ্গত। প্ৰাচীন ভাৰতীয় পৰম্পৰাত অষ্ট্ৰেলীয়সকলক 'নিষাদ' আৰু মঙ্গোলীয়সকলক 'কিৰাত' বুলি কোৱা হৈছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

অসমৰ নৃগোষ্ঠীসমূহৰ চমু আভাস দিয়ক। (৫০ টা শব্দৰ ভিতৰত)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

**অগ্ৰগতিৰ খতিয়ান**

১. অসমত কোনকেইটা নৃগোষ্ঠীৰ লোক আছে?

২. নিগ্ৰো নৃগোষ্ঠীৰ লোক অসমত আছে নে?

৩. অসমৰ আদিম নৃগোষ্ঠীৰূপে কোনটো নৃগোষ্ঠী স্বীকৃতি হৈছে?

৪. অসমৰ জনজাতিসকলৰ অধিকসংখ্যক কোনটো নৃগোষ্ঠীৰ অন্তৰ্গত?

৫. অসমৰ অষ্ট্ৰেলীয় নৃগোষ্ঠীৰ পৰিচয় দাঙি ধৰক।

৬. অসমৰ ক'কেছীয় নৃগোষ্ঠীৰ পৰিচয় দিয়ক।

৭. অসমৰ ক'কেছীয় নৃগোষ্ঠীৰ উপ-বিভাগ ভূমধ্যসাগৰীয়সকলৰ আভাস দিয়ক।

৮. অসমৰ ক'কেছীয় নৃগোষ্ঠীৰ উপ-বিভাগ পশ্চিমীয়া প্ৰশস্তমস্তকীৰ অন্তৰ্গত আলপাইন-আৰ্মেনীয়সকলৰ পৰিচয় দিয়ক।

৯. অসমৰ ক'কেছীয় নৃগোষ্ঠীৰ উপ-বিভাগ ইণ্ডো-আৰ্যসকলৰ পৰিচয় দাঙি ধৰক।

১০. অসমৰ ক'কেছীয় নৃগোষ্ঠীৰ উপ-বিভাগ ইৰাণো-চিথীয়সকলৰ চমু পৰিচয় দিয়ক।

১১. অসমৰ মঙ্গোলীয় নৃগোষ্ঠীৰ আভাস দাঙি ধৰক।

১২. অসমলৈ বিভিন্ন সময়ত কোনবোৰ মানুহৰ প্ৰব্ৰজন ঘটিছিল সেই বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

**১.৬ সাৰাংশ** (Summing Up)

আপোনাৰ সুবিধা হোৱাকৈ এই বিভাগত অসমৰ নৃগোষ্ঠীসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। অসমৰ নৃগোষ্ঠীসমূহৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে পৃথিৱীৰ নৃগোষ্ঠীসমূহ আৰু ভাৰতৰ নৃগোষ্ঠীসমূহৰ সম্যক পৰিচয় দাঙি ধৰা হৈছে। ইতিমধ্যে আপোনাৰ অৱগত হৈছে যে পৃথিৱীৰ সমগ্ৰ মানৱ প্ৰজাতিক নিগ্ৰো, মঙ্গোলীয়, ক'কেছীয় আৰু অষ্ট্ৰেলীয় — এই চাৰিটা ভাগত বিভক্ত কৰা হৈছে। আপোনাৰ এই ধাৰণাও হৈছে যে কেইবাজনো নৃতাত্ত্বিকে অষ্ট্ৰেলীয়ক ক'কেছীয়ৰ এটা ভাগ হিচাপেহে আলোচনা কৰিব বিচাৰে। তেওঁলোকে অষ্ট্ৰেলীয়ক 'প্ৰত্ন-ক'কেছীয়' নামকৰণ কৰি পৃথিৱীৰ নৃগোষ্ঠীৰ সংখ্যা তিনিটা বুলি ক'ব খোজে। তাৎপৰ্যপূৰ্ণ যে সাম্প্ৰতিক সময়ত অষ্ট্ৰেলীয়ক সুকীয়া নৃগোষ্ঠীৰূপে নৃবৈজ্ঞানিকসকলে মানি লৈছে আৰু পৃথিৱীৰ নৃগোষ্ঠীৰ সংখ্যা চাৰিটা বুলি স্বীকৃত হৈছে। আপোনাৰ জ্ঞাত হৈছে যে ভাৰতত চাৰিওটা নৃগোষ্ঠীৰে লোক পোৱা যায়। আলোচনা প্ৰসংগত বিভিন্ন নৃতাত্ত্বিকে ভাৰতৰ নৃগোষ্ঠী সম্পৰ্কে আগবঢ়োৱা অভিমতো পোহৰলৈ অনা হৈছে। ভাৰতলৈ পৃথিৱীৰ বিভিন্ন ঠাইৰপৰা কোন পথেৰে কোন সময়ত নৃগোষ্ঠীসমূহে প্ৰৱেশ কৰিছিল তাৰ আভাসো আপোনাক দিয়া হৈছে। অসমৰ নৃগোষ্ঠীৰ বিষয়ে বিশেষভাৱে এই বিভাগত আলোচনা কৰা হৈছে। অসমত তিনিটা নৃগোষ্ঠীৰহে লোক থকাৰ কথা নৃতাত্ত্বিকসকলে প্ৰমাণ কৰি দেখুৱাইছে। অসমত তেওঁলোকে নিগ্ৰোৰ কোনো লোক নাই বুলি বিশ্লেষণৰদ্বাৰা প্ৰতিপাদিত কৰিছে। নগাসকলক বহুতে নিগ্ৰোৰ এটা উপ-ভাগ নেগ্ৰিটো বুলি ক'ব খোজে যদিও সেই কথা যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয়। এই কথা প্ৰমাণিত হৈছে যে অসমত অষ্ট্ৰেলীয়, ক'কেছীয় আৰু মঙ্গোলীয় নৃগোষ্ঠীৰ লোকহে আছে। অষ্ট্ৰেলীয়সকল ভাৰত তথা অসমৰ আদিম বাসিন্দা বুলি প্ৰমাণিত হৈছে। অসমীয়া সংস্কৃতিলৈ অষ্ট্ৰিক সংস্কৃতিৰ স্মৰণীয় অৱদানকো আলোচনাৰ মাজলৈ অনা হৈছে। আপোনাৰ ধাৰণা স্পষ্ট হৈছে যে

ক'কেছীয়ৰ চাৰিটা উপ-বিভাগৰ লোক অসমত দেখা পোৱা যায়। সেই উপ-বিভাগকেইটা হৈছে ঃ ভূমধ্যসাগৰীয়, পশ্চিমীয়া প্ৰশস্তমস্তকী, ইণ্ডো-আৰ্য আৰু ইৰাণো-চিথীয়। পশ্চিমীয়া প্ৰশস্তমস্তকীৰ তিনিটা উপ-ভাগৰ ভিতৰত আলপাইন আৰু আৰ্মেনীয়ৰ লোকহে অসমত আছে। পশ্চিমীয়া প্ৰশস্তমস্তকীৰ অন্তৰ্গত ডিনাৰিকসকলৰ উপস্থিতি অসমত দেখা পোৱা নাযায়। আপোনাৰ অৱগত হৈছে যে অসমৰ জনজাতিবিলাকৰ বেছিসংখ্যকেই মঙ্গোলীয় নৃগোষ্ঠীৰ। অসমীয়া জাতিগঠন প্ৰক্ৰিয়ালৈ মঙ্গোলীয়সকলে অনবদ্য অৱদান আগবঢ়াই আহিছে। প্ৰাচীন ভাৰতীয় পৰম্পৰাত অষ্ট্ৰেলীয়সকলক 'নিষাদ' আৰু মঙ্গোলীয়সকলক 'কিৰাত' বুলি কোৱা হৈছিল।

আমি আশাকৰোঁ এই বিভাগটো অধ্যয়ন কৰি আপুনি অসমৰ নৃগোষ্ঠী সম্পৰ্কে জ্ঞান লাভ কৰিবলৈ সমৰ্থ হৈছে।

## ১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১. সমগ্ৰ পৃথিৱীৰ মানুহক কেইটা নৃগোষ্ঠীত বিভক্ত কৰা হৈছে? পৃথিৱীৰ নৃগোষ্ঠীসমূহৰ চমু আভাস দাঙি ধৰক।

২. ভাৰতবৰ্ষৰ নৃগোষ্ঠীসমূহৰ বিষয়ে আলোচনা কৰক।

৩. ভাৰতবৰ্ষত কোনবোৰ নৃগোষ্ঠী আছে বুলি বিভিন্নজন নৃতাত্ত্বিকে নিজৰ মত প্ৰদৰ্শন কৰিছে সেই বিষয়ে আভাস দিয়ক।

৪. অসমৰ নৃগোষ্ঠীসমূহৰ চমু পৰিচয় দাঙি ধৰক।

৫. অসমৰ অষ্ট্ৰেলীয় নৃগোষ্ঠীৰ বিষয়ে এটি আলোচনা প্ৰস্তুত কৰক।

৬. অসমৰ ক'কেছীয় নৃগোষ্ঠীৰ বিষয়ে এটি প্ৰবন্ধ লিখক।

৭. অসমৰ ক'কেছীয় নৃগোষ্ঠীৰ উপ-বিভাগ ভূমধ্যসাগৰীয়সকলৰ আভাস দিয়ক।

৮. অসমৰ ক'কেছীয় নৃগোষ্ঠীৰ উপ-বিভাগ পশ্চিমীয়া প্ৰশস্তমস্তকীৰ অন্তৰ্গত আলপাইন-আৰ্মেনীয়সকলৰ পৰিচয় দিয়ক।

৯. অসমৰ ক'কেছীয় নৃগোষ্ঠীৰ উপ-বিভাগ ইণ্ডো-আৰ্যসকলৰ পৰিচয় দাঙি ধৰক।

১০. অসমৰ ক'কেছীয় নৃগোষ্ঠীৰ উপ-বিভাগ ইৰাণো-চিথীয়সকলৰ চমু পৰিচয় দিয়ক।

১১. অসমৰ মঙ্গোলীয় নৃগোষ্ঠীৰ বিষয়ে এটি প্ৰবন্ধ লিখক।

১২. "অসমৰ জনজাতিসকলৰ অধিক সংখ্যকেই মঙ্গোলীয়।" — এই মন্তব্যৰ আধাৰত এটি আলোচনা প্ৰস্তুত কৰক।

১৩. ভাৰত তথা অসমত বসবাস কৰা আদিম নৃগোষ্ঠী বুলি কোনটো নৃগোষ্ঠীক পণ্ডিতসকলে মানি লৈছে? সেই আদিম নৃগোষ্ঠীটোৰ পৰিচয় দাঙি ধৰক।

১৪. অসমলৈ বিভিন্ন সময়ত কোনবোৰ মানুহৰ প্ৰব্ৰজন ঘটিছিল সেই বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

১৫. 'অসমৰ মানুহ' — এই বিষয়ে এটি প্ৰবন্ধ লিখক।

## ১.৮ প্ৰসঙ্গ গ্ৰন্থ (References/ Suggested Readings)

অসম সাহিত্য সভা। *অসমীয়া জাতিৰ ইতিবৃত্ত (আদিম কালৰপৰা দ্বাদশ শতিকালৈ)*। গুৱাহাটী ঃ বনলতা, ২০০৫। মুদ্ৰিত।

গগৈ, লীলা। *অসমৰ সংস্কৃতি*। গুৱাহাটী ঃ বীণা লাইব্ৰেৰী, ১৯৯০। মুদ্রিত।
দাস, ভুবন মোহন। *অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়*। গুৱাহাটী ঃ অসম বিজ্ঞান সমিতি, ২০০৩। মুদ্রিত।
পাটৰ, পদ্ম (সম্পা.)। *জনজাতি সমাজ সংস্কৃতি*। গুৱাহাটী ঃ ৰিংছাং পাব্লিকেশ্যন, ২০০৮। মুদ্রিত।
বৰুৱা, বিৰিঞ্চি কুমাৰ। *অসমীয়া ভাষা আৰু সংস্কৃতি*। নলবাৰী ঃ জাৰ্ণাল এম্প'ৰিয়াম, ২০১৩। মুদ্রিত।
ৰাজবংশী, পৰমানন্দ (সম্পা.)। *অসমীয়া জাতি আৰু সংস্কৃতি*। গুৱাহাটী ঃ অসমীয়া বিভাগ, প্রাগজ্যোতিষ মহাবিদ্যালয়, ২০০৩। মুদ্রিত।
শইকীয়া, নগেন। *অসমীয়া মানুহৰ ইতিহাস*। গুৱাহাটী ঃ কথা পাব্লিকেশ্যনচ্, ২০১৩। মুদ্রিত।
শৰ্মা, নবীন চন্দ্ৰ আৰু চহৰীয়া, কনক চন্দ্ৰ (সম্পা.)। *অসমৰ সংস্কৃতি-সমীক্ষা*। গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ, ২০১৬ (২০০০) মুদ্রিত।

# দ্বিতীয় বিভাগ

# অসমৰ জনজাতি আৰু তেওঁলোকৰ সংস্কৃতি (১)

**বিভাগৰ গঠন ঃ**


২.১ ভূমিকা (Introduction)

২.২ উদ্দেশ্য (Objectives)

২.৩ অসম আৰু অসমীয়াৰ ধাৰণা

২.৪ কাৰ্বি জনজাতি আৰু তেওঁলোকৰ সংস্কৃতি

২.৫ বৰো জনজাতি আৰু তেওঁলোকৰ সংস্কৃতি

২.৬ ৰাভা জনজাতি আৰু তেওঁলোকৰ সংস্কৃতি

২.৭ সাৰাংশ (Summing Up)

২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

২.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


## ২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগত অসমৰ নৃগোষ্ঠী সমূহৰ বিষয়ে বিষদভাৱে পৰ্যালোচনা কৰি অহা হৈছে। এই বিভাগটিত অসমত বসবাস কৰা তিনিটা উল্লেখযোগ্য জনজাতি কাৰ্বি, বৰো আৰু ৰাভাৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ব।

ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশৰ তুলনাত অসমৰ জাতি গঠন প্ৰক্ৰিয়া অত্যন্ত জটিল। ইতিহাসৰ বিভিন্ন স্তৰত এই ৰম্য ভূমিৰ সুৰম্য প্ৰকৃতিৰ প্ৰতি আকৃষ্ট হৈ বিভিন্ন যুগত বিভিন্ন ঠাইৰ মানুহ অসমলৈ আহিছে আৰু ইয়াৰ প্ৰাকৃতিক শোভা-সৌন্দৰ্য, মানুহৰ আদৰ-স্নেহ আৰু অতিথিপৰায়ণতাত সন্তুষ্ট হৈ ভৱিষ্যতৰ বাবে অসমকে নিজৰ মাতৃভূমি হিচাপে গ্ৰহণ কৰি নিগাজিকৈ বসতি স্থাপন কৰিছে। ইতিহাসৰ বিভিন্ন স্তৰত এই দেশলৈ প্ৰব্ৰজন কৰা জনগোষ্ঠীসমূহৰ ভিতৰত অষ্ট্ৰিক জনগোষ্ঠীয়ে ইয়াৰ প্ৰাচীনতম অধিবাসী বুলি নৃতাত্বিকসকলে মত পোষণ কৰিছে। তেওঁলোকৰ পাছতে ক্ৰমান্বয়ে মংগোলীয়, দ্ৰাবিড়, আৰ্য আদি নৃ-গোষ্ঠীৰ আগমন ঘটে। ঐতিহাসিক দৃষ্টিৰে চালে অষ্ট্ৰিক আৰু মংগোলীয় নৃ-গোষ্ঠীৰ অন্তৰ্গত কাৰ্বি, বড়ো, ৰাভা, দেউৰী, মিছিং, সোণোৱাল-কছাৰী, হাজং আদি জনজাতিসমূহেই হ'ল অসমৰ প্ৰাচীনতম বাসিন্দা। এই বিভিন্ন জনজাতিসমূহে তেওঁলোকৰ বিবিধ সাংস্কৃতিক সম্পদ, ভাষিক আৰু আৰ্থসামাজিক বৈশিষ্ট্যই অসমীয়া সংস্কৃতিৰ সৈতে বিলীণ হৈ থলুৱা সংস্কৃতি গ্ৰহণ, বৰ্জন আৰু বিনিময়ৰ যোগেদি পৰিপূৰ্ণ অসমীয়া সাংস্কৃতিক ভেঁটি নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ পাছত আপুনি—

- অসমৰ আৰু অসমীয়াৰ সংজ্ঞা সম্পৰ্কে বিভিন্নজনে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ

মত পোষণ কৰি আহিছে বুলি জানিব পাৰিব। ইয়াৰ জৰিয়তে অসম আৰু অসমীয়াৰ সম্পৰ্কেও এটি সম্যক ধাৰণা লাভ কৰিব পাৰিব,

- প্ৰাচীন কালৰে পৰা অসমত বসবাস কৰি অহা কাৰ্বি, বড়ো আৰু ৰাভা জনজাতিৰ ধৰ্মীয় পৰম্পৰা, আৰ্থ-সামাজিক গাঁথনি, সামাজিক পৰম্পৰা আদিৰ বিষয়ে অৱগত হ'ব,
- অসমীয়া সংস্কৃতিৰ সমাৰোহণ প্ৰক্ৰিয়াত এই জনজাতিসমূহৰ অৱদান সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব।

## ২.৩ অসম আৰু অসমীয়াৰ ধাৰণা

উত্তৰ-পূৰ্বাঞ্চল তথা 'বৰ অসম' নৃতত্ত্বৰ ভূস্বৰ্গ। ড° সূৰ্যকুমাৰ ভূঞাই জনপ্ৰিয় কৰা 'বৰ অসম'ৰ ঐতিহাসিক ধাৰণা সাংস্কৃতিক তথা নৃতাত্ত্বিক দিশতো প্ৰযোজ্য। প্ৰাচীন কামৰূপ বা প্ৰাগজ্যোতিষপুৰ বিভিন্ন সময়ত বিভিন্ন নামেৰে সৰু বৰ একাধিক খণ্ডত বিভক্ত হৈ বিভিন্ন বংশীয় ৰজা-মহাৰজাৰ অধীনস্থ হৈ বা স্বতন্ত্ৰভাৱে শাসিত হৈ আহিছিল। লৌহিত্য/লুইত লাওতু/তিলাও, নাম ডিলাও/নাম-দাও-ফি, বুৰ্লুং বুথুৰ/ব্ৰহ্মপুত্ৰ ইত্যাদি নামেৰে অভিহিত বৰনৈৰ দুয়োপাৰ আৰু দাঁতি কাষৰীয়া পাহাৰীয়া ভূখণ্ডক লৈয়ে পাৰলৌহিত্য বা লৌহিত্য দেশৰ ধাৰণা প্ৰোষিত হৈছিল। অসুৰবংশীয় ঘটকাসুৰ, মহীৰঙ্গ দানৱ, বাণাসুৰ, ভীষ্মক, নৰক, ভগদত্ত প্ৰমুখ্যে ৰজা-ৰাজন্যবৰ্গৰ দৰে পৰৱৰ্তীকালত বৰ্মন বংশ, শালস্তম্ভ বংশ, পালবংশ, জিতাৰি বংশ, কোচ-কছাৰী, চুতীয়া-বৰাহী, লালুং-জয়ন্তীয়া-মিকিৰ, আহোম প্ৰভৃতি বংশজাত ৰজা-মহাৰজাসকলেও কামৰূপ (কামৰু/কা-মো-লু-পো), প্ৰাগজ্যোতিষ (পাগৰ জোহতিছ) কৌণ্ডিল্য (কুণ্ডিল), কমতাপুৰ, কোচবিহাৰ-কোচ হাজো, হৈড়ম্ব (কছাৰী ৰাজ্য), গোভা-ডিমৰুৱা, হালালী/হাবুং (চুতীয়া ৰাজ্য), ভূঞা ৰাজ্য, কামপীঠ-ৰত্নপীঠ-স্বৰ্ণপীঠ-সৌমাৰপীঠ, আসাম/অসম আদি ৰাজ্য আৰু পোৱালী ৰাজ্য শাসন কৰি নিজ নিজ প্ৰজাৰ সাতপুৰুষীয়া ঐতিহ্য-পৰম্পৰাক কেতিয়াবা শ্ৰদ্ধা জনাই আৰু কেতিয়াবা মষিমূৰ কৰি (আহোমৰ দিনত 'সাত ৰাজ মাৰি একৰাজ কৰা' কথাটো কিন্তু সমন্বিত অসমীয়া সংস্কৃতিৰ বৰভেটি ৰচনা কৰা কাৰ্যতহে প্ৰযোজ্য) বৰ অসমত বৰ্ণাঢ্য জনগোষ্ঠীৰ এক বৰ্ণিল ভাষা-সংস্কৃতিয়ে ঠন ধৰি উঠা এক পৃষ্ঠভূমি ৰচিত হৈছিল।

এনে এক সাংস্কৃতিক তথা নৃতাত্ত্বিক পৰিঘটনাত সৃষ্টি হোৱা আৰ্য-দ্ৰাবিড় আৰু অষ্ট্ৰ-মংগোলীয় সংস্কৃতিৰ ধাৰক আৰু বাহক হিচাপে চিহ্নিত কৰিব পৰা এই অঞ্চলৰ অধিবাসীসকলক নৃতাত্ত্বিকসকলৰ দৰে দুটা প্ৰধান ভাগত ভগাই আলোচনা কৰিলে কিছু নিয়াৰি লগা হয়। নৃতাত্ত্বিকসকলে ভগোৱা সেই প্ৰধান দুটা ভাগ হ'ল— (ক) জাতিগোট আৰু (খ) জনজাতি গোট। (ড° ভূবন মোহন দাস এইক্ষেত্ৰত বাটকটীয়া)

হিন্দু বৰ্ণাশ্ৰম ধৰ্মৰ অনুগামী নতুবা অন্য প্ৰধান ধৰ্মীয় পন্থাৰ শিষ্য-প্ৰশিষ্যসকল, যিসকলৰ মাজত বসবাসৰ কোনো নিৰ্দিষ্ট ভূখণ্ড নাই আৰু বৃত্তি বা জীৱিকাৰ ক্ষেত্ৰতো কোনো বাধ্যবাধকতা মানি চলিবলগা নহয়, তুলনামূলকভাৱে আৰ্থ-সামাজিক দিশত

কিছু ক্ষেত্ৰত আগবঢ়া আৰু পৰিমাৰ্জিত ভাষা-সাহিত্যৰে ধন্য, তেনে ভাষিক বা সামাজিক গোটৰ লোককে জাতিগোটত অন্তৰ্ভুক্ত কৰা হৈছে। জাতিগোট বুলিলে সেয়ে প্ৰাচীন হিন্দু ধৰ্মীয় চতুৰ্বৰ্ণৰ অন্তৰ্গত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰৰ পৰা জাত ভিন ভিন নামেৰে পৰিচিত বিভিন্ন বৃত্তিজীৱি লোক-সমষ্টি যেনে বামুন-গোঁসাই (দ্বিজ), নাপিত-গণক (দৈৱজ্ঞ), কায়স্থ-কলিতা (বৰকলিতা, সৰুকলিতা, কমাৰ, কুমাৰ, বণিয়া/সোণাৰি, সূত, নট, বেজ, খনিকৰ), শূদিৰ/নমঃশূদ্ৰ আদিকে বুজোৱা হয়। এওঁলোককে বৰ্ণহিন্দুৰ লোক বোলা হয়। অসম তথা ভাৰতত সংবিধানে স্বীকৃত দিয়া আৰু কেতবোৰ পিছপৰা সম্প্ৰদায় (OBC/MOBC) আৰু অনুসূচীত জাতি (Scheduled Caste)-ৰ লোককো এই জাতিগোটৰ অন্তৰ্গত বুলিয়ে ধৰা হয়। তেনে জনগোটৰ ভিতৰত-নাথযোগী (কাটনী), কৈৱৰ্ত/কেওট (হালোৱা কেওট, জালোৱা কেওট, জালো-মালো, কাটনি, নদীয়াল, ডোম), মালী/মালাকৰ, হীৰা, কুমাৰ, হাৰী, সুৰী, মুচি/চমাৰ, চড়াল/চণ্ডাল, জলধা/সূত্ৰধাৰ (তাঁতী), গৰীয়া-মৰিয়া (মুছলমান), ধোবা/ৰজক, গোৱাল, হৰিজন/বাছফৰ ইত্যাদিৰ নামে থাউকতে আমাৰ মনলৈ আহে। এইসমূহ জাতিগোটৰ লোকসকলৰ কোনো গাইগুটীয়া ভাষা-ধৰ্ম, উছৱ-অনুষ্ঠান, খাদ্যাভাস-সাজপাৰ প্ৰভৃতি সাংস্কৃতিক পৰিচয় নাই। সাধাৰণতে অসমত আৰ্য ভাৰতীয় অসমীয়া ভাষাই তেওঁলোকৰ মাতৃভাষা আৰু অসমীয়াৰ জাতীয় উছৱ বিহু (ৰঙালী, ভোগালী আৰু কঙালী) আৰু শাক্ত-শৈৱ-বৈষ্ণৱ পৰম্পৰাইও ঢুকি নোপোৱা শিলপূজা, বাঁহ পূজা, গো পূজা, আমতী (বসুমতী পূজা), বুঢ়া গোঁসাই-বুঢ়ী গোঁসানী, আই সবাহ-লখিমী সবাহ আদি অনুষ্ঠানেই তেওঁলোকৰ আদিম প্ৰকৃতি-পুৰুষৰ পূজা। ৰিহা-মেখেলা-চাদৰেই নাৰীৰ প্ৰধান আভৰণ আৰু খাৰু-মণি-কেৰুৰেই প্ৰধান আভূষণ। পুৰুষৰ আঁঠুমূৰীয়া বা আঠুছেৰা চুৰিয়া (ধুনি/ধুতি), গাত খনীয়া চেলেং আৰু সমাজত মান অনুসৰি ভিন ভিন পাগ বা পাগুৰী। অসমত অসমীয়া ভাষী শ্বেখ, চৈয়দ, মোগল, পাঠান— এই চাৰি শ্ৰেণীৰ ইছলাম ধৰ্মাৱলম্বী মুছলমান লোকসকলৰো নিগাজী বাসস্থান আছে। সেইদৰে অসমত অসমীয়া ভাষী শিখ/পাঞ্জাৱী, ৰাজস্থানীমূলীয় মাৰোৱাৰী/কেঞা, ভূটীয়া/চিকিমী, মণিপুৰী/বিষ্ণুপ্ৰিয়া গোৰ্খা/নেপালী, হিন্দুস্তানী/বিহাৰী, বাঙালী/চিলেটীয়া আদি লোকৰ সাতামপুৰুষীয়া সহ-অৱস্থানে ইয়াক ভাৰতৰ ক্ষুদ্ৰ সংস্কৰণ স্বৰূপ কৰি তুলিছে। হিন্দু, মুছলমান, বৌদ্ধ, শিখ, জৈনৰ দৰে খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকৰ সংখ্যাও অসমত নিচেই সামান্য নহয়। অসমত তাওপন্থী টাই আহোমৰ বাহিৰে বৌদ্ধ ধৰ্মাৱলম্বী চিংফৌ/দোৱনীয়া, টাই ফাকে (ফাকিয়াল), টাই খামটি, টাই-আইতন আদি মান-টাই ভাষী মংগোলীয় লোকৰ সৰহভাগে কিন্তু জনজাতি গোটহে। অকল সংখ্যাত সৰহ ভৈয়ামৰ আহোমসকল (টাই) অন্যান্য পিছপৰা সম্প্ৰদায়ৰ ভিতৰুৱা। ঠিক অনুৰূপভাৱে উজনি অসমৰ মটক-মৰাণ, চুতীয়া আৰু নামনি অসমৰ কোচ ৰাজবংশী লোকসকল মূলতঃ মংগোলীয় মূলৰ হোৱা সত্বেও অসমীয়া ভাষী বৰ্ণ হিন্দুসকলৰ সৈতে বিশেষ পাৰ্থক্য ৰক্ষিত কৰিব পৰা নাই বাবে জনজাতি শ্ৰেণীৰ মৰ্যাদা লাভ কৰাহি নাই। চাহ-জনগোষ্ঠী হিচাপে পৰিচিত সৰহসংখ্যক লোক অসমত বৰ্ণহিন্দু হিচাপে স্বীকৃত নহ'লেও তেওঁলোকেও জাতি গোটৰে অন্তৰ্ভুক্ত। অৱশ্যে

কোল, মুণ্ডা, চাওতালী আদি অইন প্ৰান্তৰ জনজাতীয় মূলৰ লোকো অসমত চাহ জনগোষ্ঠীৰ সৈতে একাকাৰ হৈ মিলি পৰিছে। তেওঁলোকৰ স্বকীয় ভাষা-ধৰ্ম-সংস্কৃতি থাকিলেও উমৈহতীয়া চাদানি বা সাদৰি (অসমীয়া সদৃশ অইন আৰ্যভাৰতীয় ভাষাৰ সংমিশ্ৰিত ৰূপ) ভাষাই তেওঁলোকৰ সংযোগী ভাষা আৰু অসমীয়াই তেওঁলোকৰ ৰাজ্যিক ভাষা। এইদৰে জাতিগোটৰ অন্তৰ্গত সৰু-বৰ অলেখ জাতি-জনগোষ্ঠী সম্প্ৰদায়েৰে বৃহত্তৰ অসমীয়া ভাষা সম্প্ৰদায় (Assamese community) গঢ়ি উঠিছে আৰু সেইবাবে তেওঁলোকেও অসমীয়া জাতিসত্বাৰ একো একোটা অঙ্গ।

আনহাতে ৰাজনৈতিক ৰক্ষণাবেক্ষণৰ সুবিধাৰ্থে ভাৰতীয় সংবিধানে যিবিলাক জনগোষ্ঠী (Ethnic group) তুলনামূলকভাৱে অন্যান্যতকৈ পিছপৰা আৰু অনগ্ৰসৰ আৰু যিবিলাক জনগোষ্ঠী পুৰণিকলীয়া ৰীতি-নীতি খামোচ মাৰি ধৰি স্বকীয় পৰম্পৰা অটুত ৰখাত কিছুক্ষেত্ৰত হ'লেও এতিয়াও সক্ষম হৈ আছে সেইবিলাক জনগোষ্ঠীকে অনুসূচীত জনজাতি বা আদিবাসীৰ (Scheduled Tribes) মৰ্যাদা প্ৰদান কৰিছে। দৰাচলতে এনে একোটা জনগোষ্ঠীয়ে আদিম ধ্যান-ধাৰণাৰে প্ৰৱৰ্তিত বৃত্তি আৰু অৰ্থনীতিজনিত কাৰণত কাৰিকৰী, অৰ্থনীতি আৰু শৈক্ষিক উন্নয়নৰ অভাৱ হেতুকে ভৌগোলিকভাৱে সম্পূৰ্ণ বা কিছু আওহতীয়া একোটা বিশেষ অঞ্চলত বসবাস কৰি ভাল পোৱা হয় আৰু নিজস্ব সমাজ-অৰ্থনীতি আৰু সাংস্কৃতিক পৰম্পৰা ৰীতি-নীতি মতে জীৱন যাপন কৰি গৌৰৱবোধ কৰে। সেইবাবেই তেওঁলোকক বিশেষ ভৌগোলিক সীমাৰেখাৰ গণ্ডীত পেলাব পাৰি আৰু সেই ভৌগোলিক সীমাৰেখাৰ ভিতৰত তেওঁলোকেই তাৰ খিলঞ্জীয়া (Indigeneous tribe) আৰু ভূমিপুত্ৰ (Son of the soil authocthone)।

এই দৃষ্টিভংগীৰে আলোচনা কৰিলে অসমত দুই ধৰণৰ অনুসূচীত জনজাতিৰ লোক আছে। একশ্ৰেণীৰ লোকে দুৰ্গম পাহাৰীয়া ঠাইত ঝুম খেতি কৰি এতিয়াও নিজস্ব ভূখণ্ডত বসবাস কৰি আহিছে আৰু আন শ্ৰেণীৰ লোকে ব্ৰহ্মপুত্ৰ তথা বৰাক উপত্যকাত পানীখেতি কৰি অন্যান্য বৰ্ণহিন্দু জাতিগোটৰ সৈতে একেলগে সহঅৱস্থান কৰি আহিছে। প্ৰথম শ্ৰেণীৰ জনগোষ্ঠীকে পাহাৰীয়া জনজাতি (STH) আৰু দ্বিতীয় শ্ৰেণীৰ জনগোষ্ঠীকে ভৈয়ামৰ জনজাতি (STP) হিচাপে সংবিধানে স্বীকৃতি দিছে। ইয়াৰ উপৰি সৰহসংখ্যক জনজাতীয়ে সমাজতে বিশেষকৈ ভৈয়ামৰ জনজাতিৰ মাজত দুইধৰণৰ জীৱনধাৰা পৰিলক্ষিত হয়। এক শ্ৰেণীৰ লোকে নিজস্ব সাতামপুৰুষীয়া ৰীতি-নাতি, কলা-সংস্কৃতি পূৰ্ণমাত্ৰে বজাই ৰাখিব পাৰিছে আৰু আন শ্ৰেণীৰ লোকে সময়ৰ সোঁতত নিজৰ প্ৰাচীন ৰীতি-নীতি পৰম্পৰা হয় একেবাৰে বিসৰ্জন দি নহয় নামমাত্ৰ অক্ষুণ্ণ ৰাখি বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ প্ৰধান অংশীদাৰ হিচাপে নিয়োজিত হৈছে। আৰ্যীভূত (Sanskritised) পিছৰ শ্ৰেণীৰ লোকে নিজকে এতিয়া অসমীয়া বুলি চিনাকি দিয়ে গৌৰৱ অনুভৱ কৰে যদিও তাহানিতে তেওঁলোকক অইন বৰ্ণ হিন্দুৰ লোকে কোচ-কছাৰী, আহোম-চুতীয়া, মটক-মৰাণ ইত্যাদি নামেৰে অভিহিত কৰিছিল। পৰৱৰ্তী কালত এইসমূহ জনগোষ্ঠীৰ পৰাই কোচ ৰাজবংশী, মেচ, সোণোৱাল কছাৰী, ঠেঙাল কছাৰী,

দেউৰী চুতীয়া, আহোম চুতীয়া, হিন্দু চুতীয়া, মিৰি চুতীয়া, মায়ামৰীয়া-মটক আদি জাতি-উপজাতিৰ সৃষ্টি হয়। আনহে নালাগে অসমত একমাত্ৰ কোচৰে সৰুকোচ, বৰকোচ, হেৰেমীয়া কোচ, মদাহী কোচ নতুবা শৰণীয়া কছাৰী বুলি পৃথক পৃথক পৰিচয় প্ৰাপ্ত কিছু জনগোটৰ সৃষ্টি হ'ল। সময়ৰ সোঁতত এনে কিছু জনগোষ্ঠীৰে চিন-চাব একেবাৰে নোহোৰা হ'ল। তাহানিৰ বৰাহী (কছাৰী বা চুতীয়া), হোজাই কছাৰী, দাঁতিয়াল কছাৰী প্ৰভৃতি জাতি-জনগোষ্ঠীৰ সঁচ এতিয়া বিচাৰি পাবলৈ নাই। ইয়াৰ পৰিৰৰ্তে বৈদিক পানী কোচ বা কুৱাচ ভাষী নামে পৰিচিত কোচ জনজাতি, ম্লেছ ভাষী নামে পৰিচিত মেচ জনজাতি, প্ৰাচীন বৰ্মনবংশীয় ৰজাৰ উত্তৰাধিকাৰী বুলি দাবী কৰা কাছাৰৰ বৰ্মন কছাৰী আদি কিছু নতুন নতুন জনজাতিৰো নাম সংবিধানত অন্তৰ্ভুক্ত হৈছে। এইদৰে ভৈয়ামৰ সৰহভাগ জনজাতিৰে তিনিটা পৰ্যায়ৰ নহ'লেও অত্যন্ত দুটা পৰ্যায়ৰ আৰ্যীকৰণৰ স্তৰ অতিক্ৰম কৰি বৰ্তমান হিন্দু হিচাপে নিজকে পৰিচয় স্থিৰ কৰিছে। হিন্দুধৰ্মীয় আচাৰ বিধি পালন কৰি গো প্ৰভৃতি মাংস ভক্ষণ পৰিবৰ্জন কৰি আৰ্যীকৰণৰ (প্ৰথম স্তৰ), হিন্দু পুৰাণ আশ্ৰিত দেৱ-দেৱীক পূজা কৰি (দ্বিতীয় স্তৰ) আৰু সৰ্বশেষত অষ্ট্ৰ-মংগোলীয় মাতৃতান্ত্ৰিক পৰম্পৰাৰ পৰিপন্থী পিতৃ তান্ত্ৰিক পৰম্পৰাক আদৰ্শ হিচাপে মানি চলি আৰ্যীকৰণৰ (তৃতীয় স্তৰ) পৰিগণ্ডীত নিজৰ সমাজ-বিধি, লোকাচাৰ পুনৰ নিৰ্মাণ কৰিছে। তেনে উপৰুৱা পৰিচয় (Sub-Identity) লাভ কৰা জনগোষ্ঠীসমূহৰ ভিতৰত ৰাভাসকলৰ পাতি, দাহৰি, টোটলা, বিটলীয়া, হানা আদি আৰ্যীভূত ফৈদ (লেমা বা হাবাই অৰ্থাৎ ৰাভামিজ উপভাষা-ভাষী); দেউৰীৰ বৰগঞা, পাটৰ গঞা (লুপ্ত), টেঙাপনীয়া ফৈদ (দেউৰীমিজ উপভাষা-ভাষী); ডিমাচাৰ হাৱাৰছা (বৰ্মন অৰ্থাৎ দেৱান উপভাষা-ভাষী); ভৈয়ামৰ তিৱা (থলুৱা); ভৈয়ামৰ কাৰ্বি (দুমৰালি); মিছিঙৰ তেমেৰ গঁঞা, চামুগৰীয়া, বংকোৱাল, বিহিয়া, বেবেজীয়া আদি মিছিং ভাষা নোকোৱা মিছিং (মিছিং মিজ উপভাষা-ভাষী) বিশেষভাৱে উল্লেখযোগ্য। জনজাতীয় পৰিচয় প্ৰাপ্ত হাজং (পাৰ্বত্য অঞ্চলত পাহাৰীয়া জনজাতি হিচাপে), চাকমা বা অজনজাতীয় বিষ্ণুপ্ৰিয়া মণিপুৰীসকলৰ ক্ষেত্ৰতো পূৰ্বে এই ধৰণৰে মূলৰ তিব্বত-বৰ্মীয় ভাষাৰ প্ৰতি উদাসীন ভাৱাপন্ন আছিল যদিও বৰ্তমান তেওঁলোকৰ কথিত ভাষাই (আৰ্যভাৰতীয় বাংলা-অসমীয়া সংমিশ্ৰিত একধৰণৰ নৃগোষ্ঠীয় উপভাষা) স্বকীয় ভাষা হিচাপে মৰ্যাদা পোৱাৰ পথত। টাইমূলীয় হোৱা সত্ত্বেও সৰহসংখ্যক আহোম বুলি পৰিচিত অন্যান্য পিছপৰা সম্প্ৰদায়ৰ লোকৰো মাতৃভাষা এইধৰণৰ অসমীয়া নৃগোষ্ঠীয় উপভাষাই (আহোমীয়া ৰূপ)। এইধৰণে অসমত নেফামিজ, নাগামিজ আদি সংযোগী ভাষা কোৱা জনজাতীয়-অজনজাতীয় মূলৰ লোকৰো বসবাস আছে।

অসমৰ জনজাতিগোটৰ লোক বুলিলে সংবিধান স্বীকৃত ভৈয়াম জনজাতিৰ ৯টা আৰু পাৰ্বত্য জনজাতিৰ ১৪টা মিলি এই মুঠ ২৩টা জনগোষ্ঠীকে বুজোৱা হয় যদিও আৰু বহু সৰু-সুৰা উপগোষ্ঠী ইয়াৰ ভিতৰতে সোমাই আছে. এইসমূহ থোৰতে ক'ব লাগিলে মংগোলীয় গোষ্ঠীৰ অন্তৰ্ভুক্ত অসম-বৰ্মীয়ৰ উত্তৰ অসম শাখাৰ হুছু (অঁকা), নিচি (ডফলা) মিছিং (মিৰি), মিচিমি আদি (আবৰ), গালং, আপাটানি ইত্যাদি; বড়ো ভাষাপুঞ্জৰ অন্তৰ্গত কছাৰী (বৰো/মেচ/সোণোৱাল/ঠেঙাল), ডিমাচা, ৰাভা, গাৰো,

তিপ্ৰ (ককবৰক), তিৱা (লালুং), দেউৰী (চুতীয়া) ইত্যাদি; নগা উপভাষাৰ আও, আংগামী, লোঠা, চেমা, তাংখুল, কন্যাক, ৰেংমা, মাও, চাং, তাং, জেলিয়াং, ৰাংচু, তাংচা, নক্টে ইত্যাদি; কুকি-চীন শাখাৰ-কুকি, হমাৰ, থাদৌ ৰাইফে, মিজো (লুচাই), ৰিয়াং, কাৰবি (মিকিৰ), মেইথেই (মণিপুৰী) ইত্যাদি তিব্বত বৰ্মীয় ভাষীৰ লগতে শ্যাম চীনীয় ভাষীৰ বিভিন্ন টাই গোষ্ঠীৰ খামতি, খাময়াং, ফাকে, নৰা, আইতন, তুৰুং, চিংফৌ ইত্যিাদিৰ নামেই সতকাই আমাৰ মনলৈ আহে। অৱশ্যে অষ্ট্ৰিক ভাষা পৰিয়ালৰ খাচী জয়ন্তীয়া (ছিনতেং), প্লাৰ, ৱাৰ, ভোই, লি্যংগাম আদি ভাষা-ভাষী আৰু চাহ জনগোষ্ঠীৰ ভিতৰুৱা কোল, মুণ্ডা, চাওতাল আদি ভাষা-ভাষীৰ কথাও আমি বিবেচনা কৰিব লাগিব।

জাতিগোটৰ মানুহবোৰ প্ৰধানকৈ আমাৰ দুয়োখন উপত্যকা-ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ ভৈয়াম অঞ্চলত আৰু জনজাতি গোটৰ মানুহবোৰে পৰ্বত-ভৈয়াম উভয়তে বসবাস কৰি আহিছে। প্ৰব্ৰজনৰ দিশৰ পৰা জনজাতিগোটৰ লোকসকল জাতিগোটৰ তুলনাত কিছু পুৰণি আৰু এইসকল লোক চীনদেশৰ হোৱাংহো আৰু ইয়াং চিকিয়াং আদি ঠাইৰ পৰা উত্তৰ-পূৰ দিশেৰে চামে চামে অসমত প্ৰৱেশ কৰিছিল বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। প্ৰাচীন কিৰাত অসুৰ নামেৰে প্ৰখ্যাত  এওঁলোক মূলতঃ পীতচৰ্মী মংগোলীয় প্ৰজাতিৰ লোক। প্ৰাক্-অষ্ট্ৰেলীয় প্ৰজাতিৰ উপাদানৰ বাহক আৰু ধাৰক কিছু জনজাতীয় লোকো নগা ৰাজ্যত পোৱা গৈছে। তাৰো আগতে খাচী আদি অষ্ট্ৰ' এছিয়াটিক ভাষা-ভাষী লোকে উত্তৰ-পূৰ্বাঞ্চলত থিতাপি লৈছিল বুলি কোৱা হয়। এইসকলোবোৰ নৃগোষ্ঠীয় লোকেই অসমৰ কিছু পৰিমাণে পুৰণি আদিবাসী অৰ্থাৎ ভূমিপুত্ৰ। আনহাতে জাতিগোটৰ লোকসকল মূলতঃ শ্বেতচৰ্মী ককেচীয় প্ৰজাতিৰ (নৰ্ডিক আৰু আলপাইনীয় আৰ্য নামে পৰিচিত) আৰু ভূমধ্য সাগৰীয়া উপঠালৰ। আৰ্য ভাষা-ভাষী এইসকল লোকৰ ভাৰতৰ অন্যান্য প্ৰান্তৰ পৰা পশ্চিম দিশেৰে আজিকোপতি আগমন ঘটিয়েই আছে। দ্ৰাবিড় মূলীয় লোকৰ পোনপটীয়া প্ৰব্ৰজন হিচাপে দুই একে মৎস্যজীৱি কৈৱৰ্ত আৰু বৃত্তিজীৱি কলিতা জাতিৰ অসম আগমনৰ কথাটো বিবেচনা কৰে। অৱশ্যে এই লৈ বিতৰ্কৰো যথেষ্ট অৱকাশ আছে। দ্ৰাবিড় সংস্কৃতিৰ বীজ অসমলৈ আৰ্যসকলৰ মাজেদি ওৱাদানি হৈছিল। বৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চল ভাৰত উপমহাদেশৰে ক্ষুদ্ৰ সংস্কৰণ। ইয়াতো কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে বৰ্ণোৱা ভাৰত তীৰ্থত অৱগাহন কৰি বিভিন্ন জাতি-জনজাতিৰ মিলনেৰে ৰোপিত হোৱা মহামানৱৰ বীজ স্বৰূপে বিভিন্ন জাতি-উপজাতিৰ সমন্বয়ৰ সৌধ নিৰ্মিত হৈছে। প্ৰাগ্ ঐতিহাসিক মহাকাব্যৰ যুগৰে পৰা বিশেষকৈ কালিকা পুৰাণ ৰচিত হোৱা যুগৰ পৰা নিষাদ-শবৰ, কিৰাত-অসুৰ নামেৰে আখ্যায়িত অনাৰ্যসকলৰ লগত আৰ্যসকলৰ তেজৰ সংমিশ্ৰণ আৰু সাংস্কৃতিক সমাহৰণ (আৰ্যবৃত্তৰ আৰ্য-দ্ৰাবিড় আৰু প্ৰাগজ্যোতিষপুৰৰ অষ্ট্ৰ'-মংগোলীয়) এই প্ৰান্ততো ঘটিছে— যাৰ পৃষ্ঠভূমিত বিভিন্ন ভাষা-উপভাষা, জাতি-জনজাতি, ধৰ্ম-সংস্কৃতিৰ সমন্বয় আৰু সহনশীলতাৰ আদৰ্শেৰে ধন্য পুণ্যভূমি 'আৰ্যভিন্নসকলৰ সাগৰত আৰ্যৰ দ্বীপ স্বৰূপ' সুৰম্য স্থানত (বৰ অসমত) সুৰদি-সুৰীয়া অসমীয়া ভাষাৰে লালিত-পালিত বৰ্ণাঢ্য অসমীয়া সংস্কৃতি গঢ় লৈছে। সেয়েহে কোৱা হয় অসমীয়াক আঁচুৰিবলৈ নাযাবা আঁচুৰিলে অসমীয়াৰ তেজ নোলাব, ওলাব বিভিন্ন

জনগোষ্ঠীৰ তেজ; ঠিক ৰাছিয়ানক আঁচুৰিলে ওলোৱা টাৰ্টাৰৰ তেজৰ দৰে (Scratch a Russian, you will find a Tarter)। অসমীয়া কোন প্ৰশ্নৰ সমিধানো ইয়াতেই আছে।

### আত্মমূল্যায়ণ প্ৰশ্ন

অসমীয়া জাতি গঠন-প্ৰক্ৰিয়াত কোনকেইটা নৃ-গোষ্ঠীৰ উপাদান আছে? এই নৃ-গোষ্ঠীৰ অন্তৰ্গত জনজাতি, প্ৰজাতি, জনগোষ্ঠীসমূহ কি কি? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................................................................

.............................................................................................................

## ২.৪কাৰ্বি জনজাতি

আমি জানো যে অসমৰ পাহাৰে ভৈয়ামে বিভিন্ন জনগোষ্ঠী সিঁচৰতি হৈ আছে। তাৰ ভিতৰত পাহাৰৰ বুকুত সজীৱ হৈ উঠা মঙ্গোলীয় নৃগোষ্ঠীৰ তিব্বত-বৰ্মীয় ভাষা পৰিয়ালৰ অন্তৰ্গত কুকী-চীন শাখাৰ ভাষা-ভাষী হিচাপে কাৰ্বি জনগোষ্ঠী উল্লেখযোগ্য। কাৰ্বিসকল বিশেষকৈ অসমৰ পাৰ্বত্য জিলা দুখনত সংখ্যাগৰিষ্ঠভাৱে আছে। প্ৰাচীন কালৰ 'মিকিৰ' নামেৰে জনাজাত বৰ্তমানৰ কাৰ্বিসকল কিন্তু নিজৰ মাজত পুৰুষ হ'লে 'আৰ্লেং' শব্দৰ অৰ্থ হ'ল হেলনীয়া ওখ ঠাই। অৰ্থাৎ ওখ ঠাইৰ (পাহাৰ-পৰ্বত) বাসিন্দা এই অৰ্থতে তেওঁলোকে নিজকে এই নামেৰে বিভূষিত কৰে। সেইদৰে 'কাৰ্বি' আৰু 'মিকিৰ' শব্দৰ ব্যুৎপত্তি সম্বন্ধেও ভিন্ ভিন্ মত পোৱা যায়।

কাৰ্বি জনজাতিৰ ইতিহাস বিচাৰি গ'লে আমি পাওঁ যে তেওঁলোকে কছাৰী, আহোম নতুবা জয়ন্তীয়া ৰজাৰ অধীনতে বেছিভাগ সময় অতিবাহিত কৰিছিল। এই সম্বন্ধে কাৰ্বি জনশ্ৰুতি আৰু সমসাময়িক বুৰঞ্জীবোৰত উল্লেখ পোৱা যায়। কেউগৰাকী ৰজাৰ দিনতে কাৰ্বিসকলে অমানুষিক অত্যাচাৰৰ সন্মুখীন হ'বলগীয়া হৈছিল। কছাৰী ৰজাই কাৰ্বি মাতৃৰ বুকুৰ পিয়াহেৰে বাঘ পোৱালী পোহ মনোৱা আৰু জয়ন্তীয়া ৰজাই কাৰ্বি প্ৰজাৰ কপালত দাগ দি শ্ৰমিক গণনা কৰা ব্যৱস্থাত বিতুষ্ট হৈ যথাক্ৰমে কাৰ্বি বীৰাঙ্গনা ৰংফাৰপী ৰংবে আৰু কাৰ্বি বীৰপুৰুষ থং নকবেই বিদ্ৰোহ ঘোষণা কৰিছিল। কাৰ্বিসকলৰ মাজৰ পৰাই আদিজনা ৰজা চৎ ৰেচ', প্ৰথম সংগীতজ্ঞ ৰাংছিনা, নৰবলি প্ৰথাৰ বিলোপ সাধন কৰা সমাজ সংস্কাৰক ৰেংবহম আদি সিদ্ধ পুৰুষৰ আৱিৰ্ভাৱ হৈছিল। কাৰ্বিসকল অতিশয় ধৰ্মভীৰু আৰু শান্তিপ্ৰিয় লোক। কাৰ্বি সমাজত হংহাৰী (সনাতন হিন্দু ধৰ্মৰ অনুগামী) লোকৰ সংখ্যাই তুলনামূলকভাৱে বেছি। খৃষ্টান ধৰ্মীয় কাৰ্বি লোকৰ সংখ্যাও নিচেই তাকৰ নহয়। কাৰ্বিসকলৰ মাজত ৰাম কথাৰ বিশেষ সমাদৰ আছে। ছাবিন আলুন নামেৰে পৰিচিত কাৰ্বি ৰামায়ণৰ মূল কাহিনীভাগ বাল্মিকী ৰামায়ণৰ লগত প্ৰায় একেই যদিও চৰিত্ৰসমূহৰ নামকৰণ কাৰ্বিৰ নিজ ভাষাৰে গঢ়া। কাৰ্বি ৰামায়ণৰ পটভূমি, অংকিত চৰিত্ৰ-চিত্ৰণ, জীৱন-প্ৰণালী, ধ্যান-ধাৰণা, ৰীতি-নীতি, লোক-বিশ্বাস আদি কাৰ্বি সমাজৰ বাস্তৱ ৰূপবোৰ ইয়াত অতি সুন্দৰভাৱে প্ৰতিফলিত হৈছে।

কাৰ্বিসকলৰ কিছুমান নিজস্ব সামাজিক ৰীতি-নীতি আছে। তেওঁলোকৰ সমাজ

ব্যৱস্থা মূলতঃ পিতৃতান্ত্ৰিক। পিতৃপক্ষীয় প্ৰধান পাঁচোটা কুৰ বা গোত্ৰ আছে। এই গোত্ৰবোৰৰ আকৌ কেইবাটাও উপগোত্ৰ আছে। উদাহৰণস্বৰূপে ৮টা উপগোত্ৰৰে ইংতি ফৈদ, ৩০টা উপগোত্ৰৰে তিমুং ফৈদ, ১৮টা উপগোত্ৰৰে তেৰাং ফৈদ, ৯টা উপগোত্ৰৰে টেৰন ফৈদ আৰু ৩০টা উপগোত্ৰৰে ইংতি ফৈদটো গঠিত। গোত্ৰ বা ফৈদবিলাকে নামৰ শেষত পুৰুষ হ'লে যথাযথভাৱে আৰু স্ত্ৰী হ'লে— পী প্ৰত্যয়ান্ত ৰূপত উপাধি হিচাপে ব্যৱহাৰ কৰে। এই গোত্ৰসমূহ বৰ্হিবৈবাহিক অৰ্থাৎ একেটা গোত্ৰৰ ল'ৰা-ছোৱালীৰ মাজত বিবাহ নিষিদ্ধ। বিয়াত মোমায়েক বা পেহাকৰ পুতেকক প্ৰাধান্য দিয়া হয় আৰু বিয়াৰ পিছত কইনাই স্বামী গৃহত গৃহবাস কৰে। কাৰ্বিসকলৰ সামাজিক কাম গণতান্ত্ৰিক পদ্ধতিৰে চলে। তাহানিতে চচ্ছেং পাহাৰত অৱস্থিত ৰংখাং ৰংবং (নিজ ৰংখাং) নামৰ ঠাইৰ পৰাই গণতান্ত্ৰিক পদ্ধতিৰে প্ৰতিটো গোত্ৰৰপৰা নিৰ্বাচিত প্ৰতিনিধিৰে কাৰ্বি ৰজা লিংদকপই কাৰ্বি সমাজতন্ত্ৰ পৰিচালিত কৰিছিল। এজন লিংদক'পৰ তলত সৰ্বমুঠ বাৰটা লংৰি বা অঞ্চল আছে। একোজন হাবাইৰ তলত আৰু কিছুমান সহায়কাৰী ছাৰবাছা বা ছাৰথে (কাংবুৰা) থাকে। ৰাইজৰ আৰু ৰজাৰ মাজত জনসংযোগকৰ্তা হ'ল পীনপ'।

এইটো সৰ্বজনবিদিত যে কাৰ্বি সংস্কৃতি বৃহত্তৰ মংগোলীয় সংস্কৃতিৰে ক্ষুদ্ৰ সংস্কৰণ স্বৰূপ। সমাজতাত্ত্বিক ডব্লিউ. চি. স্মিথে উল্লেখ কৰি যোৱা মংগোলীয় সংস্কৃতিৰ তেৰটা উমৈহতীয়া বৈশিষ্ট্যৰ লগত লীলা গগৈয়ে উল্লেখ কৰা আন বাৰটা উমৈহতীয়া বৈশিষ্ট্যৰ প্ৰায়বিলাকেই কাৰ্বি সংস্কৃতিতো বিদ্যমান। সেইসমূহৰ ভিতৰত— ঝুমখেতিৰ প্ৰচলন, দুচলীয়া চাংঘৰত বসবা, ডেকাচাং, গেবাৰি খাটি হোৱা বিবাহ, গাত উল্কি (দুক) আঁকা, বেং-শাল (থেৰাং), ঢাল, পাণ-তামোলৰ প্ৰচলন, মদ কুকুৰাৰ প্ৰাধান্য, বলিদান, কইনাৰ গা ধন, সগোত্ৰ বিবাহ নিষিদ্ধ ইত্যাদিৰে প্ৰধান। ইয়াৰ উপৰিও অন্যান্য তিব্বতবৰ্মীয় জনগোষ্ঠীসমূহৰ সৈতে মিল থকা কাৰ্বি সংস্কৃতিৰ উমৈহতীয়া লক্ষণ কেতবোৰ হ'ল— কেঁছুৱাক বোকোচাত লোৱা প্ৰথা, সাউৰি খোৱা, ৰাজহুৱা শ্ৰমদান প্ৰথা, শুকান মাছ-মাংসৰ প্ৰাচুৰ্য, বাঁহ গাঁজ-খৰিচাৰ প্ৰস্তুতি, মুদ্ৰাৰ মালা পৰিধান, জোলোঙা আৰু কটাৰীৰ ব্যৱহাৰ, তিতালাওৰ খোলত মদ সঞ্চয়, হোৰাত বস্তু আহৰণ, কাঠৰ পৰা হেতা, পীৰা, উৰল-উৰলমাৰি আদি দৈনন্দিন ব্যৱহাৰ্য সঁজুলি প্ৰস্তুত কৰা, চুহাত পানী কঢ়িওৱা আৰু খৰাহিৰে খাৰলি নিলৰোৱা, বাঁহী-পেঁপা-শিঙা-গগনা আৰু ঢোল জাতীয় বাদ্যযন্ত্ৰৰ প্ৰচলন ইত্যাদি।

প্ৰাকৃতিক সৌন্দৰ্যৰ বুকুত বাস কৰা কাৰ্বিসকলৰ সৌন্দৰ্য-চৰ্চাৰ দিশতো এক স্বকীয় পৰম্পৰা আৰু ঐতিহ্য আছে। অতীজত কাৰ্বিসকলে কাঁজিলাৰে দাঁত বোলাই, কাণত বাঁহৰ কুণ্ডল (ন'লাংপং) পিন্ধি, কপালত দীঘলকৈ উল্কি (দুক) আঁকি বেশভূষা কৰিছিল। উৎসৱ-সমাৰোহত ডেকাসকলে মূৰত পাগুৰী (পহ') মাৰি তাতে 'ৰ'জাৰু আনি' জুগি লৈ, গাত বিভিন্ন ৰঙৰ ফটুৰৈ চোলা (চ'ই) পিন্ধি, কঁকালত কৌপীন সদৃশ ৰিকঙৰ ওপৰত চাতৰ ৱামকক্ মেৰিয়াই দি ডিঙিত ৰূপৰ 'লেক জিনজিৰি' আৰু হাতৰ আঙুলিত 'আৰনান' পিন্ধি সুসজ্জিত হৈ লয়। নাৰীসকলেও বয়স আৰু মৰ্যাদা অনুসৰি বিভিন্ন সাজপাৰ আৰু আ-অলংকাৰেৰে নিজকে সুশোভিতা কৰিছিল। বয়োবৃদ্ধাসকলৰ

বাবে গাত 'পেছাৰপী' চাদৰ, কাণত মাকৈ গঢ়ীয়া 'ন'খেংপী কেৰু, হাতত কাঁইটীয়া 'ৰয় পেংখ্রা' খাৰু আৰু 'চই-আৰি' নামৰ হাঁচতি অপৰিহাৰ্য আভূষণ। সম্ভ্রান্ত মহিলাই দুতৰপীয়া 'পেচেলেং' চাদৰেৰে গা আবৃত কৰি, কলডিলীয়া কেৰু 'ন'জাংচাই'ৰে কৰ্ণশোভিত কৰি, সেন্দুৰীয়া পখিলা 'লেক-প্লিপ্লি' খোপাত গুজি লৈ ৰূপসজ্জা কৰে। গাভৰুসকলে পেজাংফং, পেদুৰফিছ' আদি চাদৰ, পীনি নামৰ মেখেলা, ৰামকক নামৰ কঁকালবন্ধনী, জিছ' নামৰ বক্ষ বন্ধনীৰ লগতে লেক-হিকি, লেক-ছ'বাই, লেক-পংতেং আদি বিভিন্ন মালা-মণি আৰু হাতত ৰয় (খাৰু) আৰু আঙুলিত আঙঠি (আৰনান) পিন্ধি ভাল পায়।

কাৰ্বিসকলৰ জীৱনযাত্রা কৃষিক কেন্দ্র কৰি গঢ় লোৱা। বিশেষকৈ ঝুমখেতিৰ ওপৰত তেওঁলোকে বেছি নিৰ্ভৰ কৰে। কৃষিজীৱি কাৰণে তেওঁলোকৰ উৎসৱ-পাৰ্বণবোৰ কৃষিৰ লগতেই বেছিকৈ জড়িত। তেওঁলোক উদ্‌যাপন কৰা পূজা-পাৰ্বণৰ ভিতৰত বছৰৰ প্ৰথম দিনতে পতা ৰাছিনজা, কৃষি-কাৰ্যৰ আৰম্ভণিতে পতা ৰংকেৰ (প্ৰাচীন কালত এই পূজাতে নৰবলি দিয়া হৈছিল) আৰু বৰষুণৰ বাবে পতা চ'জুন পূজা অন্যতম। ইয়াৰোপৰি সৃষ্টিৰকৰ্তা 'মুকৰাং', পালনকৰ্তা 'হেমফু' ৰণদেৱতা 'পেং' আৰু ব্যাঘ্ৰদেৱতা 'উম্‌খ্ৰা' আদি দেৱতালৈও পূজা এভাগ দিয়া হয়। পূজাত উপচাৰ হিচাপে চাউল, পিঠাগুৰি, মদ আৰু গাহৰি-কুকুৰাৰ তেজ প্ৰযোজ্য। অতি আড়ম্বৰপূৰ্ণভাৱে নৃত্য-গীতসহ উদ্‌যাপিত অন্যতম উৎসৱ হ'ল 'চমাংকান' বা মৃতকৰ যৌথ শ্ৰাদ্ধ। ই তিনি প্ৰকাৰৰ— (১) সাধাৰণ পৰ্যায়ৰ 'কানফ্লাফা', (২) মধ্যমীয়া 'লাংটুক' আৰু (৩) উচ্চখাপৰ 'হানৈ'। চমাংকান উৎসৱ 'জাম্বিলি আথন' নামৰ কাঠৰ-কাৰুকাৰ্য খচিত যতন প্ৰতিষ্ঠিত কৰি এফালে বৃত্তিধাৰী ওচেপীৰে মৃতকৰ দোষ-গুণ বৰ্ণাই কৰুণ শোক গীত (কাৰ্চাহে) গাই মৃতকৰ উদ্দেশ্যে মদ-ভাত অৰ্পণ কৰি; আৰু আনফালে ডেকা-গাভৰুৰদ্বাৰা অশ্লীলধৰ্মী 'কাপায়েৰ' গীত গাই বিভিন্ন নাচ নাচি এৰাতিৰ পৰা তিনি ৰাতিলৈকে উদ্‌যাপিত হয়। কাৰ্বিসকলৰ আন এটা পবিত্র বছৰেকীয়া উৎসৱ হ'ল 'ৰ'লকেতৰ'। এই উৎসৱ ৰাজকীয়ভাৱে ৰাজন্যবৰ্গই পাতে। প্ৰজা তথা দেশৰ মঙ্গলৰ বাবে কৰা এই পূজা-উৎসৱত সৰ্বসাধাৰণৰ অংশগ্ৰহণ সীমিত।

কৃষিজীৱি কাৰ্বিসকলৰ মাজত ধানৰ আগমন আৰু ধান সৃষ্টি সম্পৰ্কে বৰ্ণনা থকা ন-খোৱা উৎসৱত গোৱা 'লক্ষ্মী কেপ্লাং' আৰু চপোৱা উৎসৱৰ সৈতে জড়িত নৃত্য-গীত 'হাচাকেকান' দুয়োটাই কৰ্মগণ্ডী উৎসৱ। আন এবিধ শ্ৰম বিষয়ক নৃত্য হ'ল ডেকা-গাভৰুৰ দ্বাৰা পৰিৱেশিত অটব্য পাহাৰৰ পৰা কাঁক বাঁহ কাটি আনি সমজুৱাভাৱে খৰিচা প্ৰস্তুত কৰা পৰ্বৰ সৈতে জড়িত 'হান উপকেকান' নামৰ পৰম্পৰাগত লোকনৃত্য।

কাৰ্বি সমাজৰ বিবাহৰ বাবে কন্যা খোজা-বঢ়া কৰা ৰীতি গীতৰ মাজেদিহে সম্পাদিত হয়। এই গীতকে 'আদাম-আছাৰ কাংখুৰ' বোলা হয়। ককায়েক-নবৌয়েকৰ ওচৰত পুত্ৰৰ বাবে ভাগিনী বোৱাৰী বিচাৰি ভনীয়েকে 'বংদাম-দাম' নামৰ তিতালাওৰ খোলত মদ এলাও আগবঢ়াই প্ৰথমে ইংগিত প্ৰদান (নেংপি নেংছ কাচিংকি), দ্বিতীয়তে উদ্দেশ্য ব্যাখ্যা (পিছকেহাং), তাৰ পিছত বন্দবস্ত (লাম কেপাথিক) আৰু সৰ্বশেষত বিয়াৰ দিন-বাৰ নিৰ্দ্ধাৰণ (আজ আৰণি কেফা) এই চাৰিটা স্তৰত বিবাহ কাৰ্য সমাপন

কৰে। কাৰ্বি সমাজত বিয়াৰ পাছত পালিবলগীয়া বিশেষ ৰীতিটো হৈছে এগৰাকী বিবাহিতা স্ত্ৰীয়ে সদায় গিৰিয়েকগৰাকীৰ আগে আগে যাবলগীয়া হোৱাটো; যাক বোলা হয় 'কাচাৰ্বি' প্ৰথা।

লোক পৰম্পৰা আৰু লোক বিশ্বাসত কাৰ্বিসকলৰ বিশেষ বৈশিষ্ট্য আছে। পৃথিৱীৰ শস্য বৃদ্ধি হ'বৰ বাবে কাথাৰ বুঢ়াই হাবাই-পীনপ' সমন্বিতে ডাক দিয়া ৰঙা কুকুৰা দুটা আৰু বগা কুকুৰা এটাৰে বছৰেকীয়া পূজা পাতি 'হাঈ' অৰ্থাৎ বতৰৰ দেৱীৰ গীত গাই বৰ্ষাদেৱীক আহ্বান কৰে। হাঈ আৰু লঙৰ অমৰ প্ৰেমৰ কাহিনী শুনাই গীত গালে সৰগবাসী হাঈয়ে হেনো চকুপানী টোকে আৰু সেই চকুপানীয়ে বৰষুণৰ ৰূপ ধাৰণ কৰি ধৰাতললৈ নামি আহে। সেইদৰে ঋতু পৰিৱৰ্তনৰ বাবে বৰ্ষাৰ বাতৰি আনোতা ভেকৰাজ, জিলী আৰু 'ক্ৰকচুৰ' পক্ষীক স্তুতি কৰা হয়।

উত্তৰ-পূৰ্বাঞ্চলৰ সৰহসংখ্যক জনগোষ্ঠীৰ দৰে তন্ত্ৰ-মন্ত্ৰ আৰু ভেল্কীবাজিৰ প্ৰভাৱ কাৰ্বি সমাজতে অত্যন্ত ব্যাপক। মন্ত্ৰ বলত মানুহে বাঘকে প্ৰমুখ্য কৰি বিভিন্ন জীৱ-জন্তুৰ দেহ ধাৰণ কৰা নতুবা নিৰুদ্দিষ্ট হোৱা আৰু লোকৰ নানা ধৰণৰ অহিত সাধন কৰাটো কোনো কথাই নাছিল। কাৰ্বি সমাজত কুকুৰা কাটি মঙল চোৱা প্ৰথাৰো প্ৰচলন আছে। ওজাই নিজৰ মন্ত্ৰপুৰ তামৰ আঙঠি (আৰ্নন) আৰু হাতী দাঁত কিম্বা বাঘৰ দাঁত জুবুৰিওৱা পানী খুৱাই নতুবা মূৰত এমুঠি মাটি লোৱাই চন্দ্ৰ-সূৰ্যকে প্ৰমুখ্যে পাৰ্থিৱ পদাৰ্থক দোহাই দি শপত খুওৱা প্ৰথাৰ প্ৰচলন কাৰ্বি সমাজত আছে।

কাৰ্বি জনশ্ৰুতি মতে— তেওঁলোকেই তিতালাও, ধান, কোমোৰা আদি কৃষিজাত সামগ্ৰীৰ উদ্ভাৱক। তেওঁলোকৰ মাজত লোকবিশ্বাস আছে যে আদিম মানৱ শিশুৰ প্ৰসৱৰ সময়ত মাকৰ গৰ্ভৰ পৰা সৰিপৰা ফুলটোৱে কাল-কোমোৰা হয়। সেয়ে তেওঁলোকে চাল-কোমোৰা নাখায়।

কাৰ্বিসকলে নিজস্ব সুকীয়া পদ্ধতিৰে বাৰ, মাহ আৰু সময়ৰ জোখ-মাখ লয়। কাৰ্বিৰ সাতবাৰৰ নামসমূহ এনেধৰণৰ— উৰ্মি (সোম), দূৰ্মি (মঙ্গল), থেলাং (বুধ), থেমান (বৃহস্পতি), ভমতি (শুকুৰ), ভমতা (শনি) আৰু ভমকুৰু (দেওঁ)। কাৰ্বি মাহবোৰৰ নাম বেছিভাগে ধান খেতিৰ লগত সম্পৰ্কিত। যেনে— অৰু/আৰো (শস্যৰ গুটি সিঁচা-ব'হাগ), ৰছিক/বচিক (শস্য) বৃদ্ধি পোৱা- জেঠ, জাখং (বাঁহগাজ ভঙা-আহাৰ), পাই পাই (বাঁহ গাজ পূৰঠ হোৱা- শাওন), চিতি (ধানে গেঁৰ মেলা- ভাদ), ফ্লে (ধানে গুটি ধৰা- আহিন), ফাইকুনি (পথাৰত ধান জমা কৰা- কাতি), মাতিয়ুং/মাতিজং (মেজিৰ বন্দবস্ত কৰা- আঘোণ), আৰকয় (ধান মৰণা মৰা- পুহ), চংলতি (ভোজভাত খোৱা-মাঘ), থাং থাং (ঝুমতলী নিৰ্বাচন কৰা- ফাগুন), জাংমি (বনত জুই লগোৱা- চ'ত)। সেইদৰে কুকুৰা চৰায়ে ডাক দিয়াৰ সময় নিৰীক্ষণ কৰি, বেলিৰ (উদয়-অস্ত) আৰু জোনৰ (ন-জোন, পূৰ্ণিমা, শুক্লপক্ষ, কৃষ্ণপক্ষ) গতি নিৰীক্ষণ কৰি নতুবা তামোল এখন খোৱাৰ পৰা নিৰীক্ষণ কৰি সময়ৰ জোখ লয়। কাৰ্বিসকলে ইচি (১) হিনি (২), কেথন (৩), ফ্রি (৪), ফ' (৫), থ্ৰক (৬) এই ছটা মৌলিক সংখ্যাৰে আৰু থ্ৰকছি (৭), নেৰ্কেপ (৮), ছিৰ্কেপ (৯), কেপ (১০)— এই চাৰিটা যৌগিক সংখ্যাৰে বস্তু গণনা কৰে।

লিপিৰ নিদৰ্শন নাথাকিলেও মুখে মুখে প্ৰচলিত হৈ অহা লোকগীত, ফঁকৰা যোজনা, সাধুকথা আদি লোক সাহিত্যৰে কাৰ্বি ভাষা তেনেই চহকী। কাৰ্বি ভাষাটো মূলতে কুকি চীন ভাষাগোষ্ঠীৰ পৰাই জন্ম লাভ কৰা যদিও অসমীয়া প্ৰভৃতি অন্যান্য প্ৰতিবেশী ভাষাসমূহৰ পৰা ঋণসূত্ৰে লাভ কৰা শব্দ সম্ভাৰ আৰু অন্যান্য ভাষাগত উপাদানেৰে ই সমৃদ্ধ। ৰামায়ণ মধুৰ প্ৰকাশ ছাবিন আলুন সকৰুণ কাহিনী গীত— হাঈমু আলুন (হাঈমু-লঙৰ প্ৰণয় গীত), ৰুকাছেন আলুন (কাছেন ককাৰ গীত), কাচিং আলুন (কাছিঙৰ গীত), লাৰতা আলুন (লাৰতাৰ গীত), হানৰী আলুন (হানৰীৰ গীত), যৌনগন্ধী গীত— কাপায়েৰ, মহাপ্ৰস্থানৰ গীত— কাছাৰহে আলুন, শাও-শপনিৰ গীত— হৰণ জাটাং, সৃষ্টিতত্ত্ব বিষয়ক গীত মুছেৰা কেহিৰ, বিয়াগীত-থেলু আলুন, জোৰা নাম— চ'কৰে আলুন, নিচুকনি গীত— অছ' কেবেই/আছ'পাদক আলুন, প্ৰণয়ী গীত-বংঐ আলুন, চাক'ছন পোক মতা গীত- ছিংকাই আলুন, কৰ্মগীত/যঁতৰৰ গীত-মিচুং ক্ৰেত আলুন, সন্তানৰ অশৌচ খেদা বিধি সম্পৰ্কীয়— ক্লংক' আথেকাৰ বিতি, বৈবাহিক নিয়মৰ পৰম্পৰা বৰ্ণিত— আদাম আছাৰ কাংথুৰ ইত্যাদি লোকগীত (পৰম আলুন); ছেআমান, ছেআতাম, আৰ্ণাম কিপু প্ৰভৃতি স্তোত্ৰ-মন্ত্ৰ-গীত; বয়োবৃদ্ধ লোকৰ মাজত প্ৰচলিত বিভিন্ন ফঁকৰা-যোজনা (চাৰ লামথে); হাৰাতা কুংনৰ (শৰৎকোঁৱৰ) চংহ ৰেচ' (ভেকুলী ৰজা), বৰামপী (ময়ূৰী), হাৰপ'কাং (হাৰ পেটেলা), জাংৰেচ (মাউৰা), বকলাপ' (অঁকৰা) ইত্যাদি সাধুকথা (আতম)-ৰে কাৰ্বি লোক-সাহিত্য খুন্দ খাই আছে।

মন কৰিবলগীয়া যে কাৰ্বি ভাষাৰ দুটা স্তৰ পোৱা যায়— এই কথোপকথনৰ ভাষা আৰু আনটো গীত-মাতৰ ভাষা। কথোপকথনৰ ভাষাত অসমীয়া প্ৰভৃতি আৰ্যমূলীয় ভাষাৰ প্ৰভাৱ স্পষ্ট, আনহাতে গীত-মাতৰ খাচী প্ৰভৃতি অষ্ট্ৰিক ভাষাৰ প্ৰভাৱ স্পষ্ট। কাৰ্বি সংস্কৃতিৰ সকলোতে প্ৰযোজ্য এনে উমৈহতীয়া ৰীতিয়ে সমন্বয়ৰ এক প্ৰৱাহৰ কথাকে নুসূচায় নে বাৰু?

সেইদৰে ভৈয়ামৰ কাৰ্বিসকলৰ বিশেষকৈ ডিমৰীয়া অঞ্চলৰ কাৰ্বিসকলৰ মাজত প্ৰচলিত মাঘবিহুৰ পৰম্পৰাকে প্ৰমুখ্যে কৰি বাঘ চিকাৰ (টিকে কিকান), আৰকুৰা (ৰেতকিনং), গৰখীয়া সবাহ আৰু এইবিলাক উৎসৱৰ লগত জড়িত দোমাহী আলুন (বিহুগীত), পথাৰ কিতাক আলুন (আঘোণৰ কৃষি উৎসৱৰ গীত), টিকে কিকান আলুন (বাঘ চিকাৰৰ গীত), আৰকুৰা গীত, বনগীত বা বনঘোষা (লুন ফাৰাৱ), বাৰেবৰণীয়া গীত (লালিলাং) আৰু নানা ধৰণৰ সাধুকথা আখ্যান— লোকাচাৰেৰে এওঁলোকৰ সংস্কৃতি বৰ্ণাঢ্য আৰু বৈচিত্ৰ্যময়। ভৈয়ামৰ কাৰ্বিসকলৰ মুখে মুখে বাগৰি অহা লালিলাং গীতৰ ভাৱ-ভাষা আৰু প্ৰতীক বা প্ৰকৃতি চিত্ৰণত বিহুগীত-বনঘোষাৰ দূৰণিবটীয়া সাদৃশ্য সততে বিৰাজমান। এওঁলোকৰ এই বাৰেৰহণীয়া সংস্কৃতিয়ে প্ৰকাৰন্তৰে অসমীয়া সংস্কৃতিৰে সোণত সুৰগা চৰাইছে। সেয়েহে সমন্বয় প্ৰৱাহৰ আজীৱন অন্বেষক পদ্মশ্ৰী ৰংবং তেৰাঙৰ সুৰতে সুৰ মিলাই আমিও ক'ব পাৰোঁ যে— "কাৰ্বি কৃষ্টিৰ ইতিহাস এখন সমন্বয়ৰ ইতিহাস। ঝুমখেতিৰ মাজেৰে গঢ়ি উঠা কাৰ্বি সমাজ গাঁথনিত অষ্ট্ৰিক জনগোষ্ঠীৰ প্ৰভাৱে অতি গভীৰ। খাছী ছিনটেং দৰ্শনৰ উপৰিও ভাৰতীয় হিন্দু দৰ্শনৰ

প্ৰভাৱ কাৰ্বিসকলৰ কৃষ্টিৰ গছজোপাক পল্লৱিত কৰি তুলিছে। ঝুমখেতিৰ মাজেৰেই তেওঁলোকৰ জীৱনৰ অভিজ্ঞতাসমূহক গীত-মাতৰ সহায়ত জীয়াই ৰাখিছে। জনগোষ্ঠীৰ সংমিশ্ৰণে একোটা জাতিৰ ভাষা কৃষ্টিক বিচিত্ৰতা দান কৰে আৰু বিকাশতো সহায় কৰে। কলং আৰু কপিলীৰ পাৰতেই অসমীয়া সমাজ জীৱনৰ লগত পৰিচয় ঘটি, আজিৰ কাৰ্বি ভাষা-কৃষ্টিয়ে বিকাশৰ সুযোগ পাইছে। 'ছাবিন আলুন' অসমীয়া সাংস্কৃতিক জীৱনৰে সৈতে ঘটা দীৰ্ঘদিনীয়া সমন্বয়ৰ এক স্বৰ্ণ সৌধ। সমন্বয়ৰ এই প্ৰৱাহটোৰেই কাৰ্বি কৃষ্টি-সংস্কৃতিৰ অবিনাশী আত্মা।"

### আত্মমূল্যায়ণ প্ৰশ্ন

(১) কাৰ্বি সমাজ ব্যৱস্থাৰ লগত গণতান্ত্ৰিক প্ৰক্ৰিয়া কেনেদৰে জড়িত হৈ আছে? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................................................................................

..................................................................................................................................

(২) পাহাৰৰ কাৰ্বি আৰু ভৈয়ামৰ কাৰ্বিৰ মাজত সাংস্কৃতিক দিশত পাৰ্থক্য আছেনে? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................................................................................

..................................................................................................................................

## ২.৫ বৰো জনজাতি

আপোনালোকৰ নিশ্চয় এইটো অবিহিত নহয় যে, অসম তথা উত্তৰ-পূৰ্বাঞ্চল নৃতত্ত্বৰ ভূ-স্বৰ্গ। ই শতাধিক জাতি-জনজাতিৰ বাসভূমিয়ে নহয় মিলনভূমিও। এই বিচিত্ৰ জনগোষ্ঠীৰ ভিতৰত বৰোসকল অন্যতম। অসমৰ ভৈয়াম অঞ্চলত বসবাস কৰা জনজাতীয়সকলৰ ভিতৰত বৰোসকল ঘাইকৈ কোকৰাঝাৰ জিলা অঞ্চলতে থুপ খাই আছে যদিও অসমৰ সকলোকেইখন ভৈয়ামৰ জিলা আৰু পাৰ্বত্য জিলা দুখনৰ উপৰিও পশ্চিমবঙ্গ, উত্তৰবঙ্গ, মেঘালয়, নগালেণ্ড, অৰুণাচল আনকি ভূটান-নেপালতো বৰো জনসংখ্যা পোৱা যায়।

বৰোসকল মংগোলীয় নৃগোষ্ঠীৰ তিব্বত-বৰ্মীয় ভাষা-ভাষী লোক। বৰোসকল ঘাইকৈ শৈৱ পন্থাৰ লগত জড়িত বাথৌ-পন্থীয় লোক। অৱশ্যে তেওঁলোকৰ মাজত কিছুসংখ্যক সনাতন, বৈষ্ণৱ আদি হিন্দুধৰ্মৰ ধাৰাৰ আৰু খৃষ্টধৰ্মীয় লোকো নথকা নহয়। (বঃ সঃ সংঃ, পৃঃ ১৭) বৰোসকলৰ এচামে পুৰণি সমাজ, ৰীতি-নীতি, সাজ-পাৰ, ভাষা-কৃষ্টি খামোচ মাৰি ধৰি ৰাখিবলৈ সমৰ্থ হৈছে আৰু আন এচামে ভিন্ ভিন্ পন্থাৰ প্ৰতি অনুৰক্ত হৈ নিজৰ সাতামপুৰুষীয়া আচাৰ-নীচি বিসৰ্জন দিবলৈ আৰম্ভ কৰিছে। পুৰণি আচাৰ-নীতি বিসৰ্জন দি সম্পূৰ্ণ আৰ্যীভূত হোৱা খেলৰ ভিতৰত সোণোৱাল কছাৰী, ঠেঙাল কছাৰী, শৰণীয়া, মদাহী, মেছ আদি অন্যতম। বুৰঞ্জী বৰ্ণিত প্ৰাচীন বৰাহী কছাৰী,

তিৰুৱাল কছাৰী (তিৰু পৰ্বতৰ লোৰ খনিত কাম কৰা কছাৰী সম্প্ৰদায়ৰ কমাৰসকল), হোজাই কছাৰী— এইবিলাক বৰো মূলীয় লোকৰ অৱস্থিতি বৰ্তমান পোৱা নাযায়। আনহাতে নিজৰ ভাষা-সংস্কৃতি সংৰক্ষণ কৰা দলৰ ভিতৰত হাজোৱাৰী (পাহাৰৰ), হায়েনাৰী (ভৈয়ামৰ), ছৌনাবমাৰী/ছৌন্দামাৰী (পশ্চিমৰ), ছানমাৰী ছৌনজামাৰী (পূবৰ), দৈখ্‌লংখোলাৰি (ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ) আদিয়ে প্ৰধান। এইবিলাক বৰো-কছাৰী সম্প্ৰদায়ে নিজৰ ভিতৰতে দি লোৱা নাম। তেওঁলোকৰ সমাজ ব্যৱস্থা পিতৃতান্ত্ৰিক যদিও মাতৃতান্ত্ৰিক (মাহাৰী) সমাজ ব্যৱস্থাও কিছুমান সামাজিক অনুষ্ঠানত পৰিলক্ষিত হয়। বিবাহ অনুষ্ঠানত কইনাৰ উদ্দেশ্যে ৰাইজৰ বাবে 'মালছা' আৰু মোমায়েকৰ বাবে 'মামায় মাৰা' নামৰ গা-ধন দিবলগীয়া হোৱা, 'ছামদাং জাগাৰনায়' প্ৰথামতে ঘৰজোঁৱাই ৰকা আৰু ঢোকা ৰখা প্ৰথা— মাতৃতান্ত্ৰিক ৰীতিৰ কেইটামান উদাহৰণ। (বঃ সঃ সঃ, পৃঃ ২১-২২) বিয়াৰ পাছত কইনা দৰাৰ ঘৰত গৃহবাস কৰে আৰু সতি-সন্ততিয়ে দেউতাকৰ উপাধি গ্ৰহণ কৰে। অৱশ্যে অন্য জনজাতীয় সমাজত প্ৰচলিত নথকা সগোত্ৰীয় বিবাহ বৰোৰ মাজত প্ৰচলন আছে।

আমি জানো যে মানুহ সামাজিক প্ৰাণী আৰু ইহঁতে সমাজ পাতি বাস কৰে। বৰোসকলো ইয়াৰ উৰ্দ্ধত নহয়। তেওঁলোকে পৰম্পৰাগতভাৱে পাঁচোটা সমাজ বান্ধোনেৰে (বৰো ভাষাত ই 'আচাৰবা' নামে পৰিচিত) সমাজ পৰিচালনা কৰে। যেনে— অগৰবাদ, ফংছ্‌লথবাদ, দাওখিবাদ, খাওয়ালিবাদ আৰু খৌলৌবৌদবাদ। গাঁওখনৰ মন্ত্ৰপাঠ (স্বৌগিয়াৰী), প্ৰায়শ্চিত্ত বিধান (নাৰ্জিয়াৰী), খেতি-বাতি (বসুমতাৰী), মাছমৰা (দৈমাৰী), চিকাৰ কৰা (মুছাহাৰী) আদি ভিন্ ভিন্ কাৰ্যৰ বাবে ভিন্ ভিন্ ফৈদৰ লোকৰ হাতত দায়িত্ব ন্যস্ত থাকে যদিও গোত্ৰ ভিত্তিক এই শ্ৰম বিভাজনৰ সিমান ধৰা-বন্ধা নিয়ম নাই। বৰোসকলে প্ৰধানতে ভৈয়ামত বাস কৰে বাবে মংগোলীয় সংস্কৃতিৰ অন্যতম উপাদান স্বৰূপ চাংঘৰ, ঝুমখেতি আদিৰ প্ৰচলন নাই। তেওঁলোকৰ ঘৰ-বাৰী মুকলিমূৰীয়াকৈ সোঁমাজত এখন চোতাল ৰাখি চাৰিওফালে সজোৱা। চোতালখনৰ উত্তৰ-পূৱ চুকত সিজু গছ এজুপি ৰুই তাত পাঁচোটা বাঁহৰ টাটী-চকোৱাৰে ঘেৰি 'বাথৌশালী' প্ৰতিষ্ঠা কৰা থাকে। অৱশ্যে আদৰ্শ বৰো বৰঘৰৰ (নোমানো) কুঠৰি তিনিটা— ইছিং, ওখং আৰু খফ্ৰা। বৰঘৰৰ উপৰিও আলহী অতিথি থকা-মেলাৰ সুবিধাৰ্থে বা অবিবাহিত ডেকা ল'ৰাৰ বাবে 'চৌৰানো' একোটাও থাকে। পূবে পুখুৰী, পশ্চিমে ঔৱাবাৰী (বাঁহ), উত্তৰে গয়বাৰী (গুৱা) আৰু দক্ষিণে ধুৰা (মুকলি) ৰাখি বাৰীত ঢাপ তুলি (চেখৰ দুমনায়) উত্তৰলৈ নঙলামুখ ৰাখি বাৰী পাতে আৰু নিচেই কাষতে হাঁহ কুকুৰাৰ গঁৰাল, ভঁৰাল, গোহালিঘৰ আৰু কিছু আঁতৰত গাহৰিৰ গঁৰাল, কুঁৱা আদি থাকে। তাঁতশাল, খৰিঘৰ আদি থাকিলেও ঢেঁকীশাল নাই বুলিবই পাৰি। ঘৰবোৰ বাঁহ-খেৰেৰে সজোৱা আৰু গোবৰেৰে লিপা-মচা কৰা। বাঁহৰ ব্যৱহাৰ বৰোসকলৰ এক অন্যতম বৈশিষ্ট্য। তেওঁলোকৰ প্ৰয়োজনীয় বহু সামগ্ৰী বাঁহেৰে নিৰ্মিত। খেতি-পথাৰৰ কাষতে বৰোসকলে সৰু সৰু চুবুৰী পাতি বাস কৰে আৰু খেতি-খোলাত পুৰুষৰ লগতে তিৰোতাই সমানে সমানে ভাগ লয়। বৰো তিৰোতাসকল প্ৰত্যেকে একোগৰাকী পাকৈত দাৱনী, ৰোৱনী, মাছুৱৈ আৰু ৰান্ধনী।

এড়ি পালন আৰু এড়ি সূতা কটাত বৰো তিৰোতা অতিশয় সুদক্ষ। কাপোৰ বব নজনা 'আলুৰি' ছোৱালীৰ বিয়াৰ বজাৰত মূল্যহীন। বৰো মহিলাসকল ভাল শিপিনী আৰু নাচনীও। উছৱ-পাৰ্বণত পুৰুষৰ লগতে বৰো ছিখ্‌লা (গাভৰু), আয়থা (আয়তী), বৈৰাথী (নামতী) আৰু বয়বৃদ্ধা লোকৰ বিশেষ ভূমিকা আছে। খেৰাই পূজাৰ দৈদিনী (দেওধনী) আৰু বাগুৰুম্বা আদি নৃত্যগীত নাৰীকেন্দ্ৰিক। বৰো তিৰোতাই বুকুত দখনা (মেথনী) মাৰি, গাত ফাছ্‌ৰা লৈ, ঘিলা খোপা বান্ধি, খোপাত একোটা কাঁকৈ গুজি লৈ ধুনপেচ্‌ মাৰি ভাল পায়। কাণত খেৰা (কেৰু), তালিং লৰা (দুল); নাকত বালি (নাকফুল); ডিঙিত লৌ (চন্দ্ৰহাৰ) হাতত আছান মুঠা (বালা); আঙুলিত আখথাম (আঙঠি) আৰু গাত দখনা থাউছি (তেল-গামোছা)ৰে সালংকৃতা হৈ কইনাজনী হৈ বহিলে বৰো নাৰীৰ অপূৰ্ব ৰূপ ফুটি উঠে। তেওঁলোকৰ মাজত প্ৰিয়জনৰ সৈতে ঘৰ-সংসাৰ কৰিব নোৱাৰাৰ দুখত দিয়া 'হাংমা-হাংছানি ফালি' নামৰ ৰুমালৰ ব্যৱহাৰ অতিশয় চিন্তা উৎকৰ্ষক। আনহাতে বৰো পুৰুষৰ সাজ-পাৰ অতি সাধাৰণ বিধৰ। কঁকালত আঁঠুমূৰীয়া বা আঁঠুচেৰা ফখৰা-চিতৰা গামছা (চুৰিয়া), গাত গছ্‌লা (চোলা) আৰু ডিঙিত ফুলাম (আৰনাই)— এই তিনিবিধ বৰো পুৰুষৰ উমৈহতীয়া সাজপাৰ।

বৰোসকলৰ জন্ম, বিবাহ আৰু মৃত্যুৰ লগত জড়িত বিভিন্ন আচাৰ-অনুষ্ঠান আছে। তাৰ ভিতৰত সন্তানৰ নাড়ী এঁৰা সূতাৰে বান্ধি বাঁহৰ চেঁচুৰে কটা, নাড়ী কটাৰ পিছত শান্তি পানী চঁটিয়াই প্ৰায়শ্চিত্ত কৰা (জাতত তোলা), এবছৰৰ ভিতৰত ধাইক মান ধৰা, পাঁচ বছৰত মোমায়েকৰ দ্বাৰা চূড়াকৰণ কৰা পৰ্ব আছে। অন্নপ্ৰাসন্ন জাতীয় সন্তানৰ মুখত ভাত দিয়া অনুষ্ঠানৰ অতীজত প্ৰচলন নাছিল। আদিমধৰ্মী বৰোসকলে 'হাথাছুনি' প্ৰথাৰে আৰু ব্ৰহ্মধৰ্মীয় বৰোসকলে হিন্দুৰ বৈদিক প্ৰথাৰে (বৰো ভাষাৰ মন্ত্ৰৰে) বিয়া-বাৰু কৰে। বৰো সমাজত প্ৰচলিত বিয়া ছয় প্ৰকাৰৰ— (ক) হাবা গীলাও (চাই-মেলি কৰা), (খ) খাৰছ্ননায় (ঘৰ সোমোৱা), (গ) গীৰজিয়া লাখিনায় (ঘৰজোঁৱাই ৰখা), (ঘ) দংখা হাবনায় (ঢোকা ৰখা), (ঙ) বীনীনৈ হাবা খালামনায় (জোৰ পূৰ্বক হৰণ) আৰু (চ) দীনখাৰ লাংনায় (পলুৱাই নিয়া)। বৰোৰ হাথাছুনি প্ৰথাটো ৰাইজে স্বামী-স্ত্ৰী হিচাপে স্বীকৃতি দিয়া পৰ্ববিশেষহে। সকলো প্ৰকাৰৰ বিয়াতে ভোজন পৰ্বৰ সময়ত এই নিয়ম পালন কৰিবলগীয়া হয়। শুচি-শুদ্ধাচাৰে বয়সস্থা এগৰাকী তিৰোতাৰ (আয়থা) তত্ত্বাৱধানত ন-কইনাই নিজ হাতে ৰান্ধি-বাঢ়ি বাথৌ-শালী বা বৰঘৰৰ ইছিঙত ইষ্টদেৱতাৰ উদ্দেশ্যে আগৰ কৰি, দৰা সমন্বিতে সমজুৱা ৰাইজৰ ভোজনৰ পাত্ৰত প্ৰথমবাৰৰ বাবে অলপ অলপ পৰিমাণৰ হ'লেও এটা কাঠৰ পাত্ৰৰ পৰা (হাথা) ভাত বিতৰণ কৰা অনুষ্ঠানৰ নামেই হাথাছুনি। বৰোৰ বিয়াৰ বাবে দুগৰাকী বৈৰাথী (ব্ৰতী) আৰু দুগৰাকী আয়থা (আয়তী) আৰু এজন বা দুজন বাৰলাম্ফা (ভাৰী) অতি আৱশ্যক। বিয়াৰ জোৰোণ দিয়া, অভ্যাগতক মান ধৰা, নানা ধৰণৰ মাংগলিক কাৰ্যত সহায় কৰা আৰু নৃত্য-গীতৰ মাজেদি গোটেই অনুষ্ঠানটোকে সতেজ কৰি ৰখাত এওঁলোকৰ বিশেষ ভূমিকা আছে। বাৰলাম্ফাই বোকোচাত মাটিৰ চপৰা বান্ধি নাচি নাচি দৰাক আগবঢ়াই নিয়া দৃশ্য অতি অপূৰ্ব আৰু তাৎপৰ্যপূণ। বৰোসকলৰ মাজত মৃত্যুৰ লগত জড়িত বিভিন্ন লোকাচাৰ আৰু

লোকবিশ্বাস আছে। মৃতকক গা ধুৱাই, মিঠাতেল সানি মূৰ ফণিয়াই, ভোজনাহাৰ কৰাই (ভাওজুৰি), পাৰি নথকা বগা কাপোৰেৰে ঢাকি বাঁহৰ চাঙত কঢ়িয়াই আগে আগে গোবৰ-পানী চঁটিয়াই আৰু এঁৰা সূতা টানি নি গৌথৌবাৰীত (মৰিশালী) সৎকাৰ কৰে। মৰাশ সৎকাৰ কৰাৰ পিছত শৱযাত্ৰীক গোবৰ-পানীৰে শুচি কৰে আৰু শোকোতা চোবাই মৃতকৰ সৈতে সকলো পাৰ্থিৱ সম্বন্ধ ছেদ কৰাৰ বিধান আছে। মৃত্যুৰ দহ দিনৰ দিনা 'দাহা গাৰনায়' (দহা পেলোৱা) পৰ্ব আৰু বাৰ দিনত শ্ৰাদ্ধ পাতে। মূল গৃহস্থৰ মৃত্যুৰ ক্ষেত্ৰত শ্ৰাদ্ধত যাঁড় গৰু এৰি দিয়া হয়। সেইদৰে অবিবাহিত পুৰুষৰ মৃত্যু হ'লে শ্মশানত মূৰৰ ফালে কলগছ এজুপি আৰু অন্যান্যৰ ক্ষেত্ৰত হ'লে ঠানি এডাল ৰুই দিয়া হয়। এনে কৰিলে পৰজন্মত যথাক্ৰমে বিবাহ আৰু চুলি ঘন হয় বুলি লোকবিশ্বাস আছে। মৃতকৰ পৰজন্মত যতে ওঁঠ ৰঙা হয় তাৰ বাবে শৱযাত্ৰীসকলে আঁহতৰ পাতেৰে পানী খুৱাই দি একোচা ৰঙা সূতা ওঁঠত পাৰি দিয়ে। পৰজন্মত কঁকাল চিঁয়া হ'বৰ বাবে মৃতকক চাঙীত বান্ধোতে কঁকাল অংশত বেঁতেৰে খুব টানকৈ আঁটি আঁটি বান্ধি দিয়া হয়।

অসমৰ সমাজ ব্যৱস্থাত তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। বৰোসকলৰ মাজতো তন্ত্ৰ-মন্ত্ৰ, ভেল্কি বাজি, ডাকিনী-যোগিনী (ডায়না), বীৰা-ভূত-প্ৰেতৰ বিশ্বাস অতি প্ৰবল। আনকি মন্ত্ৰৰ দ্বাৰা ভালুকৰ সৈতে সখি পতা, বীৰা পোহা আৰু মেলি দিয়া, বেঁত জৰা, বাতি চলোৱা আদি কাৰ্যও কৰিব পাৰে বুলি বিশ্বাস আছে। বৰোসকলৰ মাজত প্ৰচলিত ছুথি দাননায় (নজৰ কটা), খুগা দাননায় (মুখ ভঙা) সমায় (শপত খোৱা), শপত মোচন, বধ-শপত দিয়া, বৰ লোৱা প্ৰথাত কিছু স্বকীয়তা থাকিলেও অন্যান্য সমাজৰ সৈতে প্ৰায় একেই।

বৰোসকল প্ৰধানতঃ কৃষিজীৱি। শালি, আহু আৰু বাও এই তিনিবিধ ধানখেতিৰ লগতে মাহ-সৰিয়হ, তিল, আদা, কচু, লাই-লফা আদি শাক-পাচলিৰ খেতিও কৰে। বৰো সকলকে দোং-খান্দি পথাৰত আলি বান্ধি কৰা শালি খেতিৰ প্ৰৱৰ্তক বুলি কোৱা হয়। কৃষিৰ লগত জড়িত নানান ধৰণৰ লোকাচাৰ যেনে- ন গছা দিয়া, মায়নাও লায়নায় (লখিমীৰ আগ অনা) ন-ভাত খোৱা, কাতি গাছা চাওনায় (কঙালী বিহুত ঔ খোলেৰে পথাৰত বনিজ জ্বলোৱা), শইচ চপোৱা আৰু মাঘবিহুত বেলাগুৰ ( মেজিৰ ভোজ) খোৱা, ব'হাগ বিহুত গৰুক গা ধুওৱা আদিৰ উদ্ভাৱক এওঁলোকেই বুলি পণ্ডিতসকলৰ ধাৰণা। বৰোসকল ৰন্ধন কলাত অতি নিপুন। তেওঁলোক ভোজনবিলাসী আৰু আমিষহাৰী। অতি কম খৰচত বাৰীত হোৱা শাক-পাচলিৰ উপৰি ঠাইতে পোৱা বনৰীয়া শাক-পাতেৰে অতি উপাদেয় ব্যঞ্জন প্ৰস্তুত কৰি জুতি-বুধিৰে তেওঁলোকে খায়। পচলা, ঢেঁকীয়া, কচু থোৰা, পালেং, লফা, বাঁহগাজ-খৰিচা আদি ব্যঞ্জন মংগোলীয় সংস্কৃতিৰ দান। শুকান মাছ (নাফাম), শুকান মাংস, শোকোতা আদি তেওঁলোকৰ উদ্ভাৱন। জুমায়, জৌ, ফিথিখা আদি বিভিন্ন প্ৰকাৰৰ লাওপানী, কোমল চাউল, ভাপ পিঠা, চুঙা পিঠা, টোপোলা পিঠা, খাৰলি-কাঁহুদি আদি লোক ৰুচিকৰ খাদ্য প্ৰস্তুত কৰাত তেওঁলোক সিদ্ধহস্ত।

বৰোসকল পাকৈত চিকাৰী আৰু ভাল মাছমৰীয়া। জন্তুৰ লাদ আৰু খোজ নিৰীক্ষণ কৰি চোঙত ঘেৰি জালেৰে চিকাৰ কৰা প্ৰথা বৰোৰ এদনীয়। চিকাৰৰ বাবে

বনদেৱতা-দেৱীক পূজা এভাগি দি বিশেষ শুচি-শুদ্ধাচাৰে জাল কঢ়িয়াই নিয়ে। এই ক্ষেত্ৰত বিশেষ সাৱধানতা অৱলম্বন কৰি জাল পাতি পিছফালৰপৰা বেঢ়ি-কুঢ়ি খেদি নি গাহৰি, হৰিণ আদিৰ উপৰি বাঘ চিকাৰ কৰে। বাঘ চিকাৰৰ বেলিকা মুছাহাৰী গোত্ৰৰ লোকে বিশেষ ভূমিকা পালন কৰে। ফান্দ পাতি বনকুকুৰা, শহা, হেপা জাতীয় জীৱ-জন্তু ধৰে। ধোঁৱা দি গাঁতৰ কেটেলা পহু ধৰা, কুকুৰ মেলি গুঁই চিকাৰ কৰা, গছত বগাই কেৰ্কেটুৱা ধৰা আদি কাৰ্যত আদিম খাদ্য সংগ্ৰহ ৰীতিৰ লগতে তেওঁলোকৰ ক্ৰীড়াপ্ৰেমী মনৰো উমান পোৱা যায়। বৰোসকলে চেপা-ডিঙৰা-খোকা আদি পাতি, শূলেৰে কুচিয়া হানি, হাঁকুটিৰে কেঁকোৰা ঘূকটিয়াই, জাকৈ বাই, পলৰে চবিয়াই, জাল মাৰি সাধাৰণতে মাছ-কাছ ধৰে। বৰোসকলৰ 'চাক জে' নামৰ সাত/আঠ হাত দীঘল বাঁহৰ নালযুক্ত জালেৰে দ পানীত মাছ ধৰা কাৰ্যত বুদ্ধিৰ লগতে বলৰো পৰিচয় পোৱা যায়। বৰোসকলৰ 'দাহাব' প্ৰথাৰে সমজুৱাকৈ মাছ মাৰি সমানে ভগাই লোৱা ব্যৱস্থাত সমবায় আদৰ্শ জড়িত হৈ আছে। বৰোসকলে সকলো বিধৰ মাছ-পুঠিৰ উপৰিও পানী ভালুক, লিংকৰি, শামুক, কেঁকোৰা আদি খায়। আমৰলি পৰুৱাৰ টোপ, উঁইচিৰিঙা, পাখি গজা উঁই, গুঁই বা কাছৰ কণী বৰোসকলৰ বৰ প্ৰিয়।

বৰোসকলে বছৰেকত সমজুৱাকৈ অতিকমেও এবাৰ গাৰ্জা, এবাৰ খেৰাই (বাথৌ) আৰু সময়-সুবিধা অনুযায়ী ব্যক্তিগতভাৱে মায়নাওব্ৰী (লক্ষ্মী), বুৰ্লিব্ৰী (কামাখ্যা), মাৰাই (মনসা) আৰু আনুষঙ্গিক দেৱতা হিচাপে লাওখাৰ গছাই (শ্ৰীকৃষ্ণ), নবাব বাদচা বা পীৰ চাহাবৰ (মুছলমানৰ দেৱতা) উদ্দেশ্যে বিশেষ ৰীতি-নীতিৰে আৰু বলি-বাহনেৰে পূজা দিয়ে। খেৰাই উৎসৱ অতি জাক-জমকতাৰে উদ্‌যাপন কৰে। 'আমথিছুৱা' (অম্বুবাচী), 'কাতিগাছা' (কাতি বিহু), 'দোমাছি' (ভোগালী বিহু), 'ফুছলি হাবা' (পুতলী বিয়া), বৈছাগু' (ব'হাগ বিহু) আদিৰো বৰো সমাজত প্ৰচলন আছে। খাম-ছিফুং, জথা-ছেৰজা এই চাৰিবিধ লোকবাদ্য উছৱত অপৰিহাৰ্য। পহিলা ব'হাগত মানুহ বিহুৰ দিনাখন নিচেই পুৱাতে বজোৱা ছিফুং বাঁহীৰ ছত্ৰাওলি ৰাগে বিষাক্ত সাপৰো কণী ঘোলা কৰিব পাৰে বুলি বিশ্বাস আছে। বাগুৰুম্বা, বৈশাগু বসন্তকালীন মন উৰুঙা কৰা নৃত্য-গীতৰ লগতে জাৰাফাগ্লা, থেন্থামালি, ছাৰানি ছ্লাছিপ, খফ্রি মৌছানায় (জাপি নৃত্য), ৰৌনচণ্ডী আদি ধৰ্মীয় প্ৰকাৰ্যৰ নৃত্য-গীত আৰু দাওহা (যুদ্ধ), না হুমনায় (মাছ মৰা) আদি বিভিন্ন শ্ৰম বিষয়ক নৃত্য-গীত বৰো সমাজত বিদ্যমান। নানা প্ৰকাৰৰ লোকগীত, হাবা মেথায় (বিয়াগীত), 'গথ'বুৰ্খানায় (নিচুকণি গীত), দেহবিচাৰৰ গীত আদিৰে বৰো লোকসাহিত্য অতি চহকী। ৰাওনা-ৰাওনী, চন্দ্ৰমালি-খৌথিয়া, থেন্থন, আছাগি-বৈছাগি, জাৰা ফাগ্লা আদি সাধুকথা; বাছিৰাম জৌহীলাও, জাওলিয়াছৗন দেওৱান আদি কাহিনীগীত আৰু বিভিন্ন মন্ত্ৰ-স্তোত্ৰ, ফকৰা-যোজনা, প্ৰবচন ইত্যাদিৰে এওঁলোকৰ লোক-সাহিত্য উভৈনদী। অসমীয়াৰ দৰে বৰো ভাষাও সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত হৈছে। সেইদৰে ভাৰতৰ কেইবাখনো বিশ্ববিদ্যালয়ত বৰ্তমানে বৰো ভাষা-সাহিত্যৰ গৱেষণা আৰু পঠন-পাঠন হৈ আছে। এই ভাষাৰ সাহিত্যই সাহিত্য অকাডেমিৰ বঁটা লাভ কৰি আন এক গৌৰৱোজ্বল পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। তাৰ উপৰি বৰ্তমান বৰো

ভাষাত তথ্যচিত্ৰ, কথা ছবি আদি সৃষ্টিৰ দ্বাৰা ই স্বমহিমামণ্ডিত হৈ উঠিছে। এই জয়যাত্ৰাৰে বৰো ভাষা-সাহিত্য-সংস্কৃতিয়ে উত্তৰ-পূৰ্বাঞ্চল তথা ভাৰততে নহয় বিশ্বৰ দুৱাৰদলিতো আগশাৰীৰ স্থান পোৱাৰ যোগ্যতা ক্ৰমে ক্ৰমে লাভ কৰিছে।

### আত্মমূল্যায়ণ প্ৰশ্ন

বৰো জনগোষ্ঠীয় সংস্কৃতিৰ কোনবোৰ উপাদান বৃহত্তৰ অসমীয়া সংস্কৃতিৰ প্ৰধান অংগ হৈ পৰিছে? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................................

..........................................................................................................................

## ২.৬ ৰাভা জনজাতি

আপোনালোকে নিশ্চয় জানে যে অসমলৈ বিভিন্ন সময়ত বিশ্বৰ বিভিন্ন প্ৰান্তৰপৰা ভিন্ ভিন্ লোকৰ প্ৰব্ৰজন ঘটিছিল। ভাৰতৰ উত্তৰ-পূৰ কোণেৰে প্ৰব্ৰজন ঘটা মংগোলীয় নৃগোষ্ঠীৰ ভিতৰত ৰাভাসকল অন্যতম। তেওঁলোকে অসমৰ বুকুত সোমাই অসমৰ বায়ু পানী সেৱন কৰি নিজকে উজলাই ৰাখিছে। অসমৰ বৈচিত্ৰ্যপূৰ্ণ বৰ্ণিল সংস্কৃতিত ৰাভা জনগোষ্ঠীৰ এক সুকীয়া আসন আছে।

ভাৰতীয় সংবিধানৰ অনুসূচীত জনজাতি (ভৈয়ামৰ) হিচাপে তালিকাভুক্ত হোৱা তিব্বত-বৰ্মীয় মূলৰ ভাষা-ভাষী ৰাভাসকলৰ নামনি জিলা কেইখনত আৰু মেঘালয়ৰ পূৰ আৰু পশ্চিম গাৰোপাহাৰ জিলাত কেন্দ্ৰীভূত হৈ আছে। তদুপৰি অসমত পাৰ্বত্য জিলা দুখনত, অবিভক্ত শিৱসাগৰ, লক্ষীমপুৰ, দৰং আৰু পশ্চিমবঙ্গৰ কোচবিহাৰ, জলপাইগুৰি অঞ্চলতো ৰাভাসকল ছেগা-ছোৰোগাকৈ বসবাস কৰি আছে।

ৰাভাসকলৰ সমাজ ব্যৱস্থা গণতান্ত্ৰিক। গাঁৱৰ সমাজ পৰিচালনা কৰিবৰ বাবে গাঁওবুঢ়া আৰু মণ্ডল থাকে। গাঁৱৰ সকলো ধৰণৰ কাৰ্যত গাঁওবুঢ়াজনৰ গুৰুত্ব অপৰিসীম। তেওঁলোকে প্ৰয়োজন অনুসৰি সুচল ঠাইত গাঁও পাতি বাস কৰে। বাঁহ, খেৰ, ইকৰা, কাঠ, বেত আদিৰে গৃহ নিৰ্মাণ কৰে। পুৰুষ-মহিলা উভয়ে কৃষিকাৰ্য, মাছমৰা আদি কামত হাত উজান দিয়ে। ৰাভা জনগোষ্ঠী প্ৰধানকৈ আঠটা খেলত বিভক্ত। যেনে— ৰংদানি, মায়তৰি, পাতি, দাহৰি, বিটলীয়া, টোটলা, কোচা (ছোংগা) আৰু হানা।

ৰাভাসকলৰ পৰিয়াল-গাঁথনি আগতে মাতৃতান্ত্ৰিক আছিল যদিও বৰ্তমান পিতৃতান্ত্ৰিক হোৱা দেখা যায়। আচলতে সম্পত্তিৰ অধিকাৰী বা অধিকাৰিণীৰ ওপৰত নিৰ্ভৰ কৰি সমান্তৰালভাৱে পিতৃ-মাতৃ প্ৰধান ৰূপত সমাজ-ব্যৱস্থা আছে। ৰাভা সমাজত পিতৃস্বত্ব আৰু মাতৃস্বত্ব— এই দুটা অধিকাৰৰ প্ৰথা থাকিলেও বৰ্তমান সংশ্লিষ্ট আত্মীয়-কুটুম্ব আৰু মাহাৰীৰ বিবেচনা আৰু অনুগ্ৰহক্ৰমে কোনো সা-সম্পত্তি বা তাৰ অংশ পিতৃস্বত্বৰ পৰা মাতৃস্বত্বলৈ নাইবা মাতৃস্বত্বৰ পৰা পিতৃস্বত্বলৈ ৰূপান্তৰিত হোৱা দেখা যায়। এই প্ৰথা ৰাভাসকলৰ সকলো শাখা সমাজৰ দ্বাৰাই বৰ্তমান স্বীকৃত। তেওঁলোকৰ গোত্ৰবোৰৰ মাকৰ পৰা অহা আৰু কন্যা সন্তানে মাকৰ আ-অলংকাৰ স্থাৱৰ-অস্থাৱৰ

আদি সম্পত্তি বংশানুক্ৰমে লাভ কৰে। তাত পুত্ৰ সন্তানৰ কোনো অধিকাৰ নাথাকে। তেনেকৈ বাপেকৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ ক্ষেত্ৰত কন্যা সন্তানৰ কোনো অধিকাৰ নাই। অৱশ্যে ঘৰজোঁৱাই ৰাখি দুই-এক ভিতৰুৱা গাঁৱত এতিয়াও মাতৃতান্ত্ৰিক পৰিয়াল প্ৰথাৰ প্ৰচলন বাহাল ৰখা দেখা যায়।

ৰাভাসকল ঘাইকৈ কৃষিজীৱি। তেওঁলোকৰ প্ৰধান আহাৰ ভাত। আগতে কৃষিজাত শস্যবোৰ খন্তিজাতীয় সঁজুলিৰে (বাখু) ঝুম খেতি কৰি উৎপাদন কৰিছিল যদিও বৰ্তমান স্থায়ী পথাৰত পানী-খেতিৰ প্ৰচলন কৰি নানা ধৰণৰ শস্য উৎপাদন কৰে। চিকাৰীজীৱিৰ দৰে আগেয়ে হাবিত বিভিন্ন জন্তু চিকাৰ কৰি তাৰ মাংস ভক্ষণ কৰিছিল যদিও বৰ্তমান ঘৰতে কুকুৰা-গাহৰি পুহি তাৰ মাংস খায়। সমজুৱাভাৱে মাছ ধৰা নিয়ম আছে যদিও গাইগুটীয়াভাৱেও বাৰিষাৰ পথাৰত চেপা, ঠোহা আদি পাতি, বৰশী বাই, জাকৈ নতুবা টঙী জাল আদিৰে মাছ সংগ্ৰহ কৰে। এইবোৰ কামত বয়স আৰু লিংগ নিৰ্বিচাৰে পৰিয়ালৰ আটায়ে অংশগ্ৰহণ কৰাত বাধা আৰোপ কৰা নহয়।

উইলিয়াম স্মিথ-এ উল্লেখ কৰা তেৰটা মঙ্গোলীয় সংস্কৃতিৰ উমৈহতীয়া লক্ষণ মাত্ৰ তিনিটাহে ৰাভাসকলৰ মাজত দেখা যায়। সেইকেইটা হ'ল— (১) সৰ্বত্ৰতে তামোল-পাণৰ ব্যৱহাৰ, (২) পূজা আৰু খাদ্যৰ তালিকাত গাখীৰ বৰ্জন আৰু (৩) সাদাৰণ ধৰণৰ তাঁতশাল। বাকীবোৰ লক্ষণ যেনে— চাৰি বা ছয়কোণীয়া ঢালৰ ব্যৱহাৰ, পৰ্বতীয়া অংশত বাসস্থান, ৰাজনৈতিক সংগঠনৰ অভাৱ, গাত উল্কি অঁকা, প্ৰাক্ বৈবাহিক যৌন সম্পৰ্ক, চাংঘৰত বসবাস আদিৰ প্ৰচলন হয়তো তাহানিতে আছিল। কিন্তু মূৰ চিকাৰ, ডেকাসকলৰ বাবে ডেকা চাং আৰু চাঙত ৰ'দাই মৰাশ সৎকাৰ কৰা এই তিনিটা বৈশিষ্ট্য ৰাভাসকলৰ মাজত একেবাৰে নাছিল যেন অনুমেয় হয়। অৱশ্যে নৰবলি (সৰ্পৰাজক নাৰী বলিৰ যোগান ধৰা), টঙীঘৰ (ভৰং) আৰু মৃতকক মদ প্ৰস্তুত নোহোৱালৈকে মাটিত পুতি থৈ পুনৰ উলিয়াই সৎকাৰ কৰা ৰীতিৰ (কায় ৰদায়কায়) সৈতে ইয়াৰ আংশিক সাদৃশ্য আছে। ইয়াৰ উপৰি লীলা গগৈয়ে উল্লেখ কৰা মঙ্গোলীয় সংস্কৃতিৰ কেতবোৰ উমৈহতীয়া লক্ষণো ৰাভাসকলৰ মাজত বৰ্তমান। সেইবোৰ হ'ল— (১) দেৱ-দেৱীৰ পূজাত কেঁচা তেজৰ উপহাৰ, (২) সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানত চাউলৰপৰা তৈয়াৰী লাওপানী বা মদৰ মুকলি ব্যৱহাৰ, (৩) হিন্দুৰ আদৰ্শত অস্পৃশ্য বুলি বিবেচিত কুকুৰা-গাহৰি আদিক খাদ্যৰূপে গ্ৰহণ, (৪) বিবাহত গা-ধন লোৱাৰ ব্যৱস্থা, (৫) ঝুমখেতিৰ জনপ্ৰিয়তা, (৬) শুকান মাছ-মাংস খাদ্যৰূপে গ্ৰহণ, (৭) কৈৰাতজ ধৰ্মৰ প্ৰভাৱ, (৮) বিপদ-আপদ, ৰং-আনন্দ সকলোতে সামূহিক দায়িত্ব গ্ৰহণ, (৯) মান-মৰ্যাদাৰ প্ৰশ্নত অনমনীয়তা, (১০) নিজা অস্তিত্ব-ৰক্ষাৰ অৰ্থে অসীম চেষ্টা, (১১) সৰলতা আৰু (১২) জাতি-বৰ্ণ ভেদভাৱহীনতা।

এইবিলাকৰ উপৰি ৰাভাসকলৰ মাজত একে কেতবোৰ ভৌতিক সংস্কৃতিৰ প্ৰচলন আছে যিবোৰ সকলো জনজাতিৰ মাজতে সমানেই সমাদৃত। যেনে- ধান খুন্দা উৰাল, মদ বিতৰণৰ বাবে তিতালাউৰ খোল, পীৰা, ভাত ৰন্ধা-বঢ়া আৰু খোৱাৰ বাবে কাঠৰ হেতা, দীঘল ঢোল (খাম), বাঁহী, বাঁহৰ বিভিন্ন খাং-জপা, মদ আৰু খাৰনি নিগৰোৱা বাঁহৰ শংকু আকৃতিৰ ছেকনি (জান্তি/পানাতোপ), বোকোচাত লোৱা ফুলাম কাপোৰ

(বাছেক), হাতত পিন্ধা গধূৰ খাৰু, ডিঙিত পিন্ধা মুদ্ৰাৰ মালা ইত্যাদি।

সাজপাৰৰ দিশতো ৰাভাসকলৰ বৈশিষ্ট্য মনকৰিবলগীয়া। নাৰীসকলে তিনিখলপীয়াকৈ পৰিধান কৰা সাজৰ ভিতৰত ৰু'ফান বা পাতানি, কাম্বুং আৰু খদাবাং (খপ্ৰং)। কিছুমান মহিলাই বুকুৰপৰা গেৰুৱালৈকে ৰু'ফান বা লেমাফোটা আৰু লগতে গাত এখন আংচা বা কাম্বুং মেৰিয়াই লয়। বাহিৰত যিকোনো কাপোৰ পিন্ধিলেও সামাজিক অনুষ্ঠানত তেওঁলোকে জাতীয় সাজ পৰিধানত গুৰুত্ব দিয়া দেখা যায়। পুৰুষবোৰে সাধাৰণতে ঘৰত পাজাল (চুৰিয়া) পিন্ধে। উৎসৱ আদিত ডিঙিত মেৰিয়াই লোৱা পাজাৰ (ফালি) একোখন, জামা (কামিজ জাতীয়) আৰু গোন্ধ মাৰি পিন্ধা পখৰা-চিখৰা আঁঠুমূৰীয়া (গামোচা) চুৰিয়াৰ সমাদৰ আছে।

ৰাভাসকলৰ ঘৰবোৰ আহল-বহলকৈ খেৰ-বাঁহেৰে সজা ঘৰৰ কেইবাটাও কোটালী থাকে। তাহানিতে বনৰীয়া জীৱ-জন্তুৰ পৰা খেতি ৰক্ষা কৰিবলৈ হামজাৰ (ঝুমতলী)ত টঙীঘৰ সাজি লৈছিল। ডেকাচাং, চাংঘৰ আদি তেওঁলোকৰ মাজত বৰ্তমানৰ দৰে অতি পূৰ্বকালতো নাছিল যেন লাগে।

অলংকাৰপ্ৰিয়তা ৰাভা মহিলাসকলৰ আন এক দিশ। অলংকাৰবিহীন মহিলাক সমাজত ঘৃণাৰ চকুৰে চায়। তেওঁলোকৰ কেইবিধমান আকৰ্ষণীয় অলংকাৰ হ'ল— নামব্ৰি, বলানামব্ৰি (কাণত পিন্ধা), দালা (কাণত পিন্ধা), নাকপাতি, নাকবালি, ছান, খুছুমাক্ৰং, বালি, চন্দ্ৰহাৰ, হাঞ্চা, কাটা বাজু, জিঞ্জিৰি, মৰচিংচাপ, ছাছিতাম, ঠেংচেলা (ভৰিখাৰু), গুটিমালা, ছুকিমালা (সিকিহাৰ), ফোফ্‌লা খাৰু, ৰুবুল (কঁকালত পিন্ধা) ইত্যাদি।

ৰাভাসকল বোৱা-কটা শিল্পতো চহকী। কপাহৰ খেতি কৰি, পলু পুহি, সূতা কাটি তেওঁলোকে পৰম্পৰাগতভাৱে কাপোৰ বয়। গছৰ শিপা, পাত, ফুল আৰু ফলৰ পৰা ৰস উলিয়াই তেওঁলোকে সূতাত ৰং দিয়ে। প্ৰকৃতিৰ পৰাই তেওঁলোকে ফুলৰ চানেকি সংগ্ৰহ কৰে। একেৰাতিৰ ভিতৰতে বৈ-কাটি উলিওৱা কবচ কাপোৰো তেওঁলোকৰ সমাজত আছিল। কাপোৰত তোলা কিছুমান ফুলৰ চানেকিৰ নাম হ'ল— গোৰাইনি পাৰ (ঘোঁৰাৰ চিত্ৰ), হুতিনি পাৰ (হাতীৰ চিত্ৰ), মাছা চামেন পাৰ (বাঘৰ খোজৰ চিত্ৰ), ৰি'নদা বু'কাই পাৰ (শাৰীকৈ থোৱা ফুলৰ চিত্ৰ), বেৰগা পাৰ (বিভিন্ন ফুলৰ), ৰাংছাং পাৰ (সূৰ্যৰ চিত্ৰ), কদম পাৰ (কদম ফুলৰ চিত্ৰ), হাচুপাৰ (পাহাৰৰ চিত্ৰ), চিকাদাৰা (নিজৰাৰ চিত্ৰ), বাগাবাগি (বাঘৰ চিত্ৰ), ৰথচাকা (ৰথৰ চিত্ৰ) ইত্যাদি।

বিয়াৰ ক্ষেত্ৰত পলুৱাই আনি কৰা বিবাহ, উপযাচি যোৱা বিবাহ (নোক ধাংকায়), দৰা সাজি যোৱা বিবাহ (বুৰি ছি'ংকায়) ঘৰজোঁৱাই বা চপনীয়া বিবাহ (জাওয় ধাংকায়) আদি অন্যতম। আগতে জোৰপূৰ্বক ঘেৰাও পদ্ধতিৰে কইনা হৰণ কৰা জাতীয় আসূৰিক বিবাহকো ৰাবা সমাজত স্বীকৃতি দিয়া হৈছিল। বিয়াত মোমায়েকৰ জীয়েকক প্ৰাধান্য দিয়া আচাৰো আছিল। বাল্য বিবাহ, বহুপতি বিবাহ (polyandry), গেবালি খাটি হোৱা বিবাহ (trial marriage) আদিৰ উদাহৰণ ৰাভা সমাজত আগৰে পৰা প্ৰচলন নাই। কিন্তু বিধবা বিবাহ-বৰলাৰ বিবাহ, বহুপত্নী বিবাহ পূৰ্ববিধি মতে প্ৰচলিত হৈ আহিছে। সগোত্ৰীয় বিবাহ সমাজ বিগৰ্হিত। লাহে লাহে তেওঁলোকৰ সমাজ আন্তঃগোষ্ঠীয় বিবাহৰ (intercast

marriage) প্ৰতি সহনশীল হোৱা দেখা গৈছে। বিবাহত তেলৰ ভাৰ (পানছিনি), আঠমঙলা (ঘৰ ফেৰানি), গা-ধন (কাননিটাকা) আদিৰ প্ৰচলন আছে।

স্বজনতা আৰু আত্মীয়তা দুফালৰ পৰা গঢ়ি উঠে। এবিধ জন্মসূত্ৰে আৰু আনবিধ বৈবাহিক সূত্ৰে। ইয়াৰ উপৰি পোষ্য পুত্ৰ (বেটাভাস), ধৰ্ম পিতৃ (বাপদায়), সখিপতা, মিত্ৰতা আদিৰ যোগেদিও তেওঁলোকৰ মাজত সম্বন্ধ গঢ়ি উঠে। ৰাভা সমাজ সংস্কৃতিত মোমাই-ভাগিন আৰু মোমাই-ভাগিনী সম্বন্ধ অতি মধুৰ। ভাগিনীয়েকৰ চূড়াকৰণ, চিকাথাতা (শিশুৰ কেঁচুৰা অৱস্থাত শুকাই যোৱা বেমাৰত গোত্ৰৰ উৎস সুমৰি কৰা পূজা) আদিত মোমায়েকৰ ভূমিকা মন কৰিবলগীয়া। মোমায়েকৰ মৃত্যুৰ ফাৰকান্তি (শ্ৰাদ্ধ) উৎসৱত ভাগিনীয়েকবোৰে ‘গান্থি’ (কৃত্ৰিম কাপোৰৰ অস্থি) বোকোচাত লৈ নাচি নাচি সংসাৰ বন্ধনৰপৰা মুক্তি প্ৰদান কৰিবলগীয়া হয়। সেই সূত্ৰেই ৰাভা মোমায়েকগৰাকীৰ বাবে ভাগিনীয়েকগৰাকী হাত পাতিলেই পাব পৰা সহায়কাৰী অৰ্থাৎ ‘নামচাকব্ৰা’ আৰু তেনে ভাগিনীয়েক এগৰাকীকে পুত্ৰলৈ বোৱাৰী কৰি অনাত গুৰুত্ব দিছিল। ৰাভা সম্বন্ধ ব্যৱস্থা মতে মাকৰ ককায়েক বা ভায়েক যেনেকৈ মামা হয়, তেনেকৈ বাপেকৰ ভনীয়েক বা বায়েকৰ গিৰিয়েকো পেহা, জেঠপেহাৰ পৰিৱৰ্তে ‘মামাই’ হয়। ৰাভা সমাজত বৌৱেক-দেওৰেক, ভিনিহি, খুলশালী (মোমায়েকৰ পুতেক-জীয়েক), ককা-নাতি, আইতা-নাতিনীৰ মাজত থকা সম্বন্ধ পৰিহাসসূচক কিন্তু বৰজনাক ভাই-বোৱাৰী, জেশাহু-ভনী জোঁৱাইৰ সম্বন্ধ পৰিহাৰ্যসূচক। স্ত্ৰীয়ে স্বামীৰ নাম ভুলতেও নাকাঢ়ে আৰু পুতেক বা জীয়েকৰ নাম ধৰি অমুক বা অমুকৰ বাপেক বুলিহে মাতে। ঠিক তেনেদৰে— শাহুৱেকেও জোঁৱায়েকক জীয়েকক নাম ধৰি অমুকীৰ গিৰিয়েক (আমকা-জাক) আৰু বোৱাৰীয়েকক পুতেকৰ নাম ধৰি অমুকৰ ঘৈণীয়েক (আমকা-জাক) বুলিহে সম্বন্ধ লয়। বোৱাৰীয়েক বা জোঁৱায়েকেও নিজৰ শহুৰেক-শাহুৱেকক দেউতা-আই নুবুলি ‘মামা-মামী’ বুলিহে সম্বন্ধ লোৱা দেখা যায়। বিশেষকৈ ৰংদানি ফৈদৰ মাজত এই ৰীতি প্ৰচলিত আছে।

জন্ম-মৃত্যু-বিবাহ উপলক্ষে নানাধৰণৰ লোকাচাৰ লোকবিশ্বাস ৰাভা সমাজত পালিত হৈ আহিছে। নোৱাই তোলনী বিয়া, পুংসবন, পঞ্চামৃত ভক্ষণ আদিৰ প্ৰচলন পূৰ্বতে ৰাভা সমাজত নাছিল। সুপ্ৰসৱৰ বাবে ‘বায়মাবা’ দেৱতাৰ নামত পূজা এভাগি আগবঢ়োৱা হয় আৰু নাভি সৰাৰ লগে লগে অশৌচ খেদা হয়। গাঁৱৰ অবৃত্তিধাৰী ধাইমাকে প্ৰসূতি গৰাকীৰ পৰিচৰ্যা লয় আৰু তেওঁক মদ-কাপোৰেৰে মাননি আগবঢ়োৱা হয়। অন্যথাই মৃত্যুৰ পিছত পোঁৱাতীৰ তেজ পান কৰাবলগীয়া হয় বুলি লোকবিশ্বাস আছে। ৰাভা সমাজত যঁজা সন্তান প্ৰসৱ দুবাৰকৈ স্বাভাৱিক বুলি গণ্য কৰিলেও তৃতীয় বাৰত এনে প্ৰসৱ হ’বলৈ পালে পশুজ্ঞান কৰি ন-কৈ প্ৰস্তুত কৰা গাহৰিৰ আহাৰ খোৱা পাত্ৰ (বাকচিকং) এটাত ভাত খাবলৈ দি উদ্ধাৰ পৰাচিত কৰা হয়। গৰ্ভৱতী অৱস্থাত কোনো জীয়া বস্তুক মৰিয়াবলৈও দিয়া নহয় আৰু ৰন্ধন শালতো (ৰাজহুৱা ভোজৰ) সোমাবলৈ দিয়া নহয়। কাৰণ এই কাৰ্যৰ দ্বাৰা যথাক্ৰমে পেটত থকা সন্তানৰ অনিষ্ট হোৱা আৰু ভোজৰ বৃহদাংশ পেটত থকা সন্তানে চান কাঢ়ি খোৱা বুলি বিশ্বাস। ঘৈণীয়েকৰ গৰ্ভৱতী অৱস্থাত গিৰিয়েকে কোনো মৰাশ নকঢ়িয়ায়। ৰাভা সমাজ-বিধি মতে মৰাশ সাধাৰণতে

দাহ কৰি চান্দোৱা তৰি এটি সৰু পঁজাঘৰ (মাংখ্ৰাম) সাজি দিয়া হয়। কেতিয়াবা অৱশ্যে মাটিত পুতিও খোৱা হয়। 'মৰাকাম' বা দহাৰ বাধ্য-বাধকতা থাকিলেও কোনো নিৰ্দ্ধাৰিত সময় বান্ধি দিয়া নহয়। সময় আৰু সুযোগ উলিয়াই পৰিয়ালে গাইগুটীয়াকৈ বা সমজুৱাকৈ বহু মৃতকক একেলগে শ্ৰাদ্ধ পাতি মূৰ খুৱাই আমিষ বা নিৰামিষ ভোজ দি সমাজৰ পৰা প্ৰায়চিত্ত লভে। শ্ৰাদ্ধত বামুণ মতা নহয় যদিও দুই একে গঙ্গাত পিণ্ডদানো কৰা দেখা যায়। অবিবাহিত অৱস্থাত মৃত্যু হ'লে মৃতকৰ আত্মাই শান্তি নাপায় বুলি ভবা হয়। বিবাহ ৰাভা সমাজত একান্ত বাঞ্চনীয়।

ৰাভাসকল জড়োপাসক যদিও শিৱ (লাঙা) আৰু পাৰ্বতী (কালী)কো মানে। নানা ধৰণৰ অপ-দেৱতী, যখ-যখিনী, ডাইনী, ভূত-প্ৰেত আদিৰ আক্ৰমণৰ পৰা হাত সাৰিবলৈ তেওঁলোকে বিভিন্ন সময়ত অসংখ্য বলি-বিধানেৰে পূজা দি সন্তুষ্ট কৰি ৰাখে। হাছং, বায়খো, ৰোন্তাক আদি হ'ল পৰম্পৰাগত মঙ্গলকাৰী দেৱ-দেৱী। আনহাতে লাঙামাৰা, কেঁচাই-খাইতী, ঝাকুৰা (বাগ্ৰা) আদি হ'ল অমঙ্গলকাৰী দেৱ-দেৱী। ৰাভাসকল পৰজন্ম বিশ্বাসী। সেয়ে কপৌ চৰাইৰূপে মৃতকৰ আত্মাই জন্ম লৈ কিছুদিন কৰুণ বিননি তুলিবলৈ গৃহস্থৰ কাষ চাপে বুলি বিশ্বাস কৰে। মউল চোৱা, দেওধা-দেওধনী উঠা, তন্ত্ৰ-মন্ত্ৰ, বাণ মৰা-হৰা কৰা আদিৰ প্ৰতি তেওঁলোকৰ অগাধ বিশ্বাস। ৰাভাসকলৰ পূজাৰ বিধি দুই প্ৰকাৰৰ (১) লেমাবায়ৰ বাবে লেমাকাথা (আৰ্য অসমীয়া ভাষা) আৰু (২) ৰাভাবায়ৰ বাবে ৰাভাকাথাৰে (ৰাভা-ভাষা) ৰচিত স্তোত্ৰগীত গাই যথাক্ৰমে হাঁহ-পাৰ-ছাগলী, মাহ প্ৰসাদেৰে (আৰ্য-হিন্দু বিধি অনুসাৰে) আৰু কুকুৰা-গাহৰি-মদ অৰ্পণ কৰি (ৰাভা-বিধি অনুসাৰে) পূজা আৰাধনা কৰে। ইয়াৰোপৰি গাৰোৰ দেৱতা, কছাৰীৰ দেৱতাৰ লগতে মুছলমান পীৰ বা বাবাজী পূজাও ৰাভাসকলৰ মাজত প্ৰচলন আছে।

ৰাভাসকল উৎসৱপ্ৰিয়। ৰাভা সমাজত বাৰ মাহত তেৰ পূজা অনুষ্ঠিত হয় আৰু প্ৰতিটো অনুষ্ঠান নৃত্য-গীতেৰে মুখৰিত। অঞ্চল আৰু খেল ভেদে উছৱ-অনুষ্ঠানৰ পাৰ্থক্য বিদ্যমান। মায়তৰি খেলৰ বায়খো; ৰংদানি খেলৰ ফাৰকান্তি, হাছং, কোচাখেলৰ চোংবায় তাঙি; দহাৰি খেলৰ খোকচি, তৰঙা; পাতি ৰাভাৰ লাঙামাৰা, টুকুৰীয়া; টোটলা খেলৰ মেৰু গোহাই, সুবচনী আৰু হানা খেলৰ জাৰীঘোঁৰা, হানাঘোঁৰা তেনে কেতবোৰ ধৰ্মীয় কৃত। আনহাতে ছাথাৰ, গিৰকায়, বগেজাৰী, বহুৰঙী, ধেং চংচং (ভালুক নচুৱা), হামজাৰ আদি নৃত্যৰে আৰু শ্ৰাদ্ধগীত, নিচুকনি গীত, গৰখীয়া বা বাংদিয়া গীত, বাৰকামলাৰ গীত ভৰপুৰ ৰাভা লোক সংস্কৃকি অতি গৰিমাময়ী। স্বভাৱতে সংগীত প্ৰাণা হোৱা বাবে আৰু ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ, সাঁথৰ, সাধুকথা, আদি লোক-সাহিত্যৰে তেওঁলোকৰ লোকবাদ্য-নৃত্য-লোকনাট্য আদিয়ে অকল ৰাভা সংস্কৃতিকে চহকী কৰা নাই, ই অসমৰ সংস্কৃতিকে সমৃদ্ধ আৰু বৈচিত্ৰ্যময় কৰি তুলিছে।

## আত্মমূল্যায়ণ প্ৰশ্ন

ৰাভাসকলৰ পৰিয়াল-গাঁথনি সম্পৰ্কে পৰ্যালোচনা কৰক? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................................................................................

.............................................................................................................................

## ২.৭ সাৰাংশ (Summing Up)

অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। যুগ যুগ ধৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক উপাদানসমূহৰ আদান-প্ৰদান আৰু বিনিময়ৰ যোগেদি সাংস্কৃতিক সমাহৰণ ঘটিছে আৰু সংস্কৃতি গ্ৰহণৰ মাধ্যমেদি পৰিৱৰ্তিত ৰূপত বৃহত্তৰ অসমীয়া সংস্কৃতিয়ে বৰ্ণাঢ্য ৰূপ পৰিগ্ৰহ কৰিছে। সেইবাবেই কোন জনগোষ্ঠীৰ মাধ্যমেদি কোনবিধ উপাদান অসমীয়া সংস্কৃতিত প্ৰৱেশ কৰিছে, সেই কথা খাটাঙকৈ ক'ব নোৱাৰি।

মহাভাৰতীয় যুগৰে পৰাই প্ৰাগজ্যোতিষপুৰ কামৰূপত এক সুকীয়া সাংস্কৃতিক পৰম্পৰাই গঢ় লৈ উঠা বুলি বিভিন্ন সাহিত্যিক সমলৰ সাক্ষ্যৰ আধাৰত অনুমান কৰা হৈছে। সেইবাবেই ভাৰতীয় সংস্কৃতিৰ সৈতে ঐক্যভাৱ প্ৰদৰ্শন কৰিও কেতবোৰ দিশত অসমীয়া সংস্কৃতিয়ে স্বকীয়তা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ চিত্ৰকলা, ভাস্কৰ্য, স্থাপত্য, নৃত্যবিদ্যা ইত্যাদি বিভিন্ন দিশত প্ৰাগজ্যোতিষপুৰ-কামৰূপৰ সংস্কৃতিৰ এক স্বকীয় ধাৰা দেখিবলৈ পোৱা যায়, যাৰ সমৃদ্ধি আৰু বিকাশত ইয়াত অতীজৰে পৰা বসবাস কৰা থলুৱা জনগোষ্ঠীসমূহৰ অৰিহণা আছে বুলি বিনাদ্বিধাই ক'ব পাৰি।

অসমৰ জাতিগঠন প্ৰক্ৰিয়াও ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত যথেষ্ট সুকীয়া বৈশিষ্ট্যৰে পৰিপূৰ্ণ। অষ্ট্ৰিক, মঙ্গোলীয়, দ্ৰাবিড়, নৰ্ডিক ইত্যাদি বিভিন্ন নৃগোষ্ঠীৰ লোকে অসমত যুগ যুগ ধৰি বসবাস কৰি আহিছে আৰু এই নৃগোষ্ঠীয়সমূহৰ পাৰস্পৰিক আদান-প্ৰদান, বিনিময় আৰু সমিলমিলৰ যোগেদি বৃহত্তৰ অসমীয়া সংস্কৃতিৰ সৃষ্টি হৈছে। মন কৰিবলগীয়া যে অসমীয়া সংস্কৃতিৰ পৰিপুষ্টি আৰু বিকাশত এই দেশত অতি প্ৰাচীন কালৰে পৰা বসবাস কৰি অহা জনজাতীয় মূলৰ বিবিধ জনগোষ্ঠীৰ প্ৰভাৱ অতি গভীৰ আৰু সুবিস্তৃত।

## ২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অসমৰ মানুহ অৰ্থাৎ অসমত বসবাস কৰা সকলো শ্ৰেণীৰ লোকক 'অসমীয়া'ৰ গণ্ডীত অন্তৰ্ভুক্ত কৰিব পাৰি নে নোৱাৰি ভাষিক, নৃতাত্ত্বিক আৰু লোক-সংস্কৃতিক দৃষ্টিভংগীৰে বিচাৰ কৰক।

২) অসমীয়া সংস্কৃতি গঢ়ি উঠাত অসমৰ থলুৱা জনগোষ্ঠীসমূহৰ লোকৰ ভূমিকা সম্বন্ধে আলোকপাত কৰি প্ৰবন্ধ এটা যুগুত কৰক।

৩) গাঁথনিৰ ফালৰ পৰা অসমক ভাৰতৰ ক্ষুদ্ৰ সংস্কৰণ বুলি কিয় কোৱা হয়, সবিশেষ বুজাই লিখক।

৪) পৃথিৱীৰ প্ৰধান কি কি নৃ-গোষ্ঠীৰ আৰু ভাষাগোষ্ঠীৰ লোকেৰে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াই গঢ় লৈছে, আলোচনা কৰক।

৫) অসমৰ সমাজ-জীৱন বৰ্ণাঢ্য আৰু বৈশিষ্ট্যপূৰ্ণ কৰি তোলাত অষ্ট্ৰ-মংগোলীয় সংস্কৃতিয়ে কিদৰে অৱদান আগবঢ়াই আহিছে উদাহৰণসহ বুজাই লিখক।

৬) অসমৰ জনজাতীয় সংস্কৃতিৰ কিছুমান উমৈহতীয়া বৈশিষ্ট্য চিহ্নিত কৰি সিবিলাকৰ প্ৰাচীন ঐতিহ্য আৰু ৰূপান্তৰ সম্পৰ্কে এটি ৰচনা যুগুত কৰক।

৭) মূল জনজাতীয় সমাজ-জীৱনৰ পৰা আঁতৰি আহি আৰ্য-হিন্দু মূলীয় (বৰ্ণহিন্দু) লোকৰ সৈতে সহ-অৱস্থান কৰা কিছুমান জনগোষ্ঠীৰ নামোল্লেখ কৰি তেওঁলোকৰ সাংস্কৃতিক দিশত কি কি পাৰ্থক্য আহি পৰিছে ফঁহিয়াই দেখুৱাওক।

৮) "অসমত চামে চামে বিভিন্ন মানৱ প্ৰজাতিৰ লোকৰ আগমন ঘটিছে।" ইবিলাকৰ ভিতৰত সৰ্বপ্ৰাচীন বুলি ভবা জনগোষ্ঠীৰ পৰা অতি সম্প্ৰতিক কাললৈকে অনুপ্ৰৱেশ ঘটা জনগোষ্ঠী/ভাষাগোষ্ঠীক সামৰি এটা প্ৰব্ৰজনৰ খতিয়ান দাঙি ধৰক।

৯) অসমৰ যিকোনো এটা থলুৱা জনগোষ্ঠীৰ চমু পৰিচয় দাঙি ধৰি তেওঁলোকে উদ্‌যাপন কৰা উৎসৱ-পাৰ্বণ আৰু নৃত্য-গীতৰ বিষয়ে বিতংভাৱে লিখক।

১০) কাৰ্বি জনগোষ্ঠীৰ মাজত মঙ্গোলীয় প্ৰজাতিৰ কোনবোৰ লক্ষণ পৰিস্ফূট হয়, চমুকৈ আলোচনা কৰক।

১১) অসমৰ বৰো জনগোষ্ঠীৰ চমু পৰিচয় দি তেওঁলোকৰ সাংস্কৃতিক জীৱন সম্পৰ্কে এটি চমু সমীক্ষা আগবঢ়োৱাওক।

১২) ৰাভাসকলৰ অসমীয়া সংস্কৃতিলৈ আগবঢ়োৱা বৰঙণিৰ সম্যক পৰিচয় দিয়ক।

১৩) নৈপৰীয়া সংস্কৃতিৰ বাহক হিচাপে দেউৰী আৰু মিছিং সংস্কৃতিৰ এটি তুলনামূলক আলোচনা আগবঢ়াওক।

১৪) মংগোলীয় সংস্কৃতিৰ সাধাৰণ বৈশিষ্ট্যবোৰ কি কি? অসমত জনজাতিসকলৰ মাজত এনে লক্ষণসমূহ কেনেদৰে পৰিলক্ষিত হয় আলোচনা কৰক।

## ২.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Books)


কাকতি, বাণীকান্ত : পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, ১৯৯৫

কাগয়ুং, ভৃগুমণি (সম্পা) : মিছিং সংস্কৃতিৰ আলেখ্য, ১৯৭০

গগৈ, লীলা : অসমৰ সংস্কৃতি, ১৯৮৬

— : টাই সংস্কৃতিৰ ৰূপৰেখা, ১৯৭১

গোস্বামী, প্ৰফুল্লদত্ত : অসমীয়া জনসাহিত্য, ১৯৮৬

— : বাৰ মাহৰ তেৰ গীত, ১৯৬২

গোস্বামী, সত্যেন্দ্ৰনাৰায়ণ : অসমীয়া সাজিত্য আৰু সংস্কৃতিৰ সমীক্ষা, ১৯৭১

চুতীয়া, ৰামচন্দ্ৰ : পৰ্বতীয়া মিৰি, ১৯৮১

চাত্তাৰ, আব্দুচ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি

টেৰণ, লংকাম : কাৰ্বি জনগোষ্ঠী, ১৯৭৪

তেৰাং, ৰংবং : সমন্বয় প্ৰবাহ, ১৯৮৯

দত্ত, বীৰেন্দ্ৰ নাথ (সম্পা) ঃ চিফুং গুংগাং, ১৯৮৬

দাস, ভুবনমোহন (সম্পা) ঃ অসমীয়া জাতিৰ ইতিবৃত্ত

ঃ অসমীয়া মানুহৰ নৃ-বৈজ্ঞানিক পৰিচয়

দেউৰী, মনেশ্বৰ ঃ মৰিগাঁও জিলাৰ লোক সংস্কৃতি, ১৯৯৪

নাথ, ৰাজমোহন ঃ গৌৰৱময় অসম, ১৯৪৯

নাৰ্জি, ভবেন ঃ বৰো কছাৰীৰ সমাজ আৰু সংস্কৃতি, ১৯৬৬

নাথ, প্ৰফুল্ল কুমাৰ ঃ অসমীয়া সাজিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা, ২০০৪

নাথ, ভৱকান্ত ঃ নাথযোগী সংবাদ, ১৯৯৫

নেওগ, মহেশ্বৰ ঃ পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, ১৯৬৬

— ঃ পবিত্ৰ অসম, ১৯৬৯

পাদূন, নাহেন্দ্ৰ ঃ অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি, ১৯৮৮

বৰদলৈ, নিৰ্মলপ্ৰভা ঃ অসমৰ লোক-সংস্কৃতি, ১৯৭২

— ঃ কাৰ্বি সমাজ আৰু সংস্কৃতিৰ এচেৰেঙা, ১৯৮২

বৰা, প্ৰশান্ত ঃ নাথ ধৰ্ম-দৰ্শন আৰু সংস্কৃতি, ২০০৫

বৰুৱা, অতুল চন্দ্ৰ ঃ মনসাকাব্য আৰু ওজাপালি, ১৯৭৬

বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমীয়া ভাষা আৰু সংস্কৃতি, ১৯৫৭

— ঃ অসমৰ লোক সংস্কৃতি, ১৯৮৫

বৰুৱা, প্ৰহ্লাদ কুমাৰ (সম্পা) ঃ অসমীয়া লোক-সাহিত্য, ২০০১

ভট্টাচাৰ্য, প্ৰমোদচন্দ্ৰ (সম্পা) ঃ অসমৰ লোক উৎসৱ, ১৯৬৯

— ঃ অসমৰ জনজাতি, ১৯৬২

ৰাভা, ৰাজেন ঃ ৰাভা জনজাতি, ১৯৭৪

— ঃ ৰাভা লোক গীত, ২০০১

ৰাভা, হাকাচাম, উপেন ঃ অসমৰ জনজাতীয় সংস্কৃতি, ২০০৫

— ঃ ৰাভা লোক সংস্কৃতি, ২০০৬

ৰাভা, ধনঞ্জয় ঃ ৰাভা জনজাতিৰ চমু ইতিহাস, ১৯৯৮

শৰ্মা, নবীন চন্দ্ৰ ঃ অসমৰ লোকসংস্কৃতিৰ চমু আভাস, ১৯৯৫

শৰ্মা, শশী ঃ অসমৰ লোক সাহিত্য, ১৯৯৩

শৰ্মা, হেমন্ত কুমাৰ ঃ অসমীয়া লোকগীতি সঞ্চয়ন, ১৯৭৮

শইকীয়া, ললিত কুমাৰ ঃ সোণোৱাল কছাৰী সংস্কৃতি, ১৯৮১

সৰকাৰ, হৰিমোহন ঃ বহুৰঙী গীতৰ আঁচলত, ১৯৬৫

— ঃ ৰাভা সমাজ আৰু সংস্কৃতিৰ আভাস, ১৯৮১

সোণোৱাল, গগন চন্দ্ৰ ঃ সোণোৱাল সাধু, ১৯৯৫

হাজং, পৰেশ চন্দ্ৰ ঃ হাজং জাতি আৰু কৃষ্টিৰ আভাস, ২০০০

হাজৰিকা, অতুল চন্দ্ৰ ঃ উৎসৱৰ ভোগজৰা, ১৯৬৫

| | | |
|---|---|---|
| — | ঃ | উৎসৱৰ ৰংচ’ৰা, ১৯৬৩ |
| হাজৰিকা, পৰীক্ষিত | ঃ | চৰ্যাপদ, ১৯৯৯ |
| হাজৰিকা, সূৰ্যকান্ত (সম্পা) | ঃ | সংস্কৃতি সঞ্চয়ন, ১৯৮০ |
| হাঞ্চে, ছামছিং | ঃ | ছাবিন আলুন, ১৯৮৬ |
| AIRTSC | : | Socio Economic Conditions of the Kaibartas of Assam, A Case Study, 1994. |
| Ali, ANM Irsad | : | Adoptation among the Bodo Kacharis, 1973 |
| Anderson, J. D. and Athparia, R. P. | : | Kachari Folktales, 1911 |
| Buzarbarua, M | : | Social and Cultural life of the Mishing of Assam, 1991 |
| Bakht, Humayan | : | A Sociological Study of Bodo Movement, 1989 |
| Bondapadhyay, P. K. | : | The Tai Phakes of Assam, 1983 |
| Baruah, H. | : | History and Culture of the Khasi People, 1969 |
| Barkakati, S. N. | : | Tribal Folktales, 1971 |
| Baruah, H. C. | : | Marriage Customs of the People of Assam, 1895 |
| Barua, B. K. | : | A Cultural History of Assam, 1969 |
| Baruah, K. L. | : | Early History of Kamrupa, 1966 |
| Brahma, M. M. | : | Folk song of the Bodos, 1966 |
| Chetterjee, S. K. | : | Kirat-Jana-Krti, 1974 |
| Choudhury, P. C. | : | The History of Civilization of the People of Assam, 1966 |
| Croke, William | : | The People, Religion and Folklore of Northern India, 1978 |
| Dorson, R. M. | : | Folklore and Folklife : An Introduction, 1972 |
| Das, J | : | Folklore of Assam, 1973 |
| Dundes, Alen | : | Essays in Folkloristics, 1978 |
| Datta, B. N. (at.al.,ed.) | : | A Handbook of Folkore Materials of North-East India, 1994 |
| Dutt, K. N. (Ed) | : | Aspects of the Heritage of Assam, 1959 |
| Goswami, P. | : | Ballads and Tales of Assam, 1980 |
| – | : | The Spring time Bihu of Assam, 1966 |
| Kakati, B. | : | Visnuite Myths and legends, 1982 |
| – | : | The Mother Goddess Kamakhya, 1967 |

| | | |
|---|---|---|
| Kabiraj, Gopinath | : | Some Aspects of the History and Doctrine of the Naths |
| Mipun, L. | : | The Mishins (Miris) of Assam : Development of a New Lifestyle, 1992 |
| Nath, Rajmohan | : | The Background of Assamese Culture, 1948 |
| – | : | Pre-vedic Kamrup, 1958 |
| Playfair, M. A. | : | The Garos, 1909 |
| Rabha, Rajen | : | The Rabhas, 2002 |
| Sen, Sipra | : | Tribes and Castes of Assam, 1999 |
| Vidyarathi, L. P. | : | Art and Culture of North-East India, 1993 |
| Waddell, L. A. | : | The Tribes of the Brahmaputra Valley, 1900 |
| Tylor, E. B. | : | Primitive Culture, 1974 |

## তৃতীয় বিভাগ
# অসমৰ জনজাতি আৰু তেওঁলোকৰ সংস্কৃতি (২)

**বিভাগৰ গঠন ঃ**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ দেউৰী জনজাতি আৰু তেওঁলোকৰ সংস্কৃতি
৩.৪ মিছিং জনজাতি আৰু তেওঁলোকৰ সংস্কৃতি
৩.৫ সোণোৱাল-কছাৰী জনজাতি আৰু তেওঁলোকৰ সংস্কৃতি
৩.৬ হাজং জনজাতি আৰু তেওঁলোকৰ সংস্কৃতি
৩.৭ সাৰাংশ (Summing Up)
৩.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

## ৩.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগত অসমত বসবাস কৰা তিনিটা উল্লেখযোগ্য জনজাতি কাৰ্বি, বৰো আৰু ৰাভাৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে। এই বিভাগটিত অসমৰ আন কেইটামান উল্লেখযোগ্য জনজাতি— দেউৰী, মিছিং, সোণোৱাল-কছাৰী আৰু হাজংৰ পৰিচয় জ্ঞাপন কৰি তেওঁলোকৰ বাৰেবৰণীয়া সংস্কৃতিৰ বিষয়ে পৰ্যালোচনা দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল।

আগৰ বিভাগটিত উল্লেখ কৰা হৈছে যে বিভিন্ন সময়ত অসম দেশলৈ প্ৰব্ৰজন কৰা জনগোষ্ঠীসমূহৰ ভিতৰত অষ্ট্ৰিক জনগোষ্ঠীয়ে ইয়াৰ প্ৰাচীনতম অধিবাসী বুলি নৃতাত্ত্বিকসকলে মত পোষণ কৰিছে। ঐতিহাসিক দৃষ্টিৰে চালে অষ্ট্ৰিক আৰু মংগোলীয় নৃ-গোষ্ঠীৰ অন্তৰ্গত কাৰ্বি, বড়ো, ৰাভা, দেউৰী, মিছিং, সোণোৱাল-কছাৰী, হাজং আদি জনজাতিসমূহেই হ'ল অসমৰ প্ৰাচীনতম বাসিন্দা। এই বিভিন্ন জনজাতিসমূহে তেওঁলোকৰ বিবিধ সাংস্কৃতিক সম্পদ, ভাষিক আৰু আৰ্থসামাজিক বৈশিষ্ট্যই অসমীয়া সংস্কৃতিৰ সৈতে বিলীণ হৈ থলুৱা সংস্কৃতি গ্ৰহণ, বৰ্জন আৰু বিনিময়ৰ যোগেদি পৰিপূৰ্ণ অসমীয়া সাংস্কৃতিক ভেঁটি নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

## ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ পাছত আপুনি—

- দেউৰী জনজাতিৰ পৰিচয় লাভ কৰি তেওঁলোকৰ সংস্কৃতিৰ বিষয়ে ফঁহিয়াই চাব পাৰিব,
- মিছিং জনজাতিৰ সংস্কৃতিৰ বিষয়ে বিস্তৃতভাৱে বৰ্ণনা কৰিব পাৰিব,
- সোণোৱাল-কছাৰীৰ সমাজ আৰু সংস্কৃতিৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব,
- হাজং জনজাতিয় সমাজৰ সকলো দিশ পৰ্যালোচনা কৰিব পাৰিব।

## ৩.৩ দেউৰী জনজাতি

আপোনালোকে নিশ্চয় অসমৰ বিভিন্ন জনজাতিৰ বিষয়ে এতিয়া সম্যক ধাৰণা কৰিবলৈ সক্ষম হৈছে। লগতে জনজাতি গোট, অজনজাতি গোট আৰু দুয়োটাৰ সংমিশ্ৰণত একশ্ৰেণীৰ জাতি-জনজাতিৰ দোমোজাত থকা পৰ্যায়ৰ (Tribe Caste continuum) ফৈদ বা জন-সমাজৰ সৃষ্টি হোৱা কথাটোও নিশ্চয় মন কৰিছে। এই জাতি-জনজাতিৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখা স্তৰৰ জনজাতিৰ ভিতৰত দেউৰীসকলো অন্যতম। দেউৰীসকলৰ আৰ্যীকৰণ প্ৰক্ৰিয়া তথা সামাজিক স্থিতি অনুযায়ী চাৰিটা শাখা পোৱা যায়। সেই শাখা চাৰিটা হ'ল— (ক) একালত দিবং নৈৰ পাৰত বাস কৰা আৰু গিৰা-গিৰাচিৰ (বুঢ়াগোঁসাই-বুঢ়ীগোঁসানী) উপাসকলসকলৰ বংশধৰ হ' ডিবঙীয়া, (খ) টেঙাপানী নৈৰ পাৰত বাস কৰা আৰু পিচা ডেমাৰ (বলিয়া বাবা) উপাসকসকলৰ বংশধৰ হ'ল টেঙা পনীয়া, (গ) বৰগাং অৰ্থাৎ বৰনৈৰ পাৰত বাস কৰা আৰু পিচাচিৰ (তাম্ৰেশ্বৰী/কেঁচাইখাতী) উপাসকসকলৰ বংশধৰ হ' বৰগঞা। এইবোৰৰ উপৰি বৰ্তমান বিলুপ্ত পাটশদিয়াৰ পাটৰ শালত যিসকলে পূজা উপাসনা কৰি জীৱন-যাপন কৰিছিল তেওঁলোকেই পাটৰ গঞা। কিছুমানৰ মতে তিৱাসকলৰ পাটৰ উপাধিৰ লোকসকলেই এই লুপ্তপ্ৰায় পাটৰ গঞাৰ বংশধৰ। এই চাৰিটা ফৈদৰ ভিতৰত অকল ডিবঙীয়াসকলৰ মাজতহে তেওঁলোকৰ প্ৰাচীন ভাষা-সংস্কৃতি পূৰ্ণমাত্ৰে বৰ্তি আছে। অইন ফৈদৰ ক্ষেত্ৰত আৰ্যীকৰণৰ মাত্ৰাধিক্য ঘটি ভাষাটো সম্পূৰ্ণৰূপে বিসৰ্জন দিছেই আনকি সাংস্কৃতিক দিশতো মংগোলীয় বৈশিষ্ট্য কথমপি ৰক্ষিত হৈ আছে। অৱশ্যে দেউৰীসকলৰ মাজত এসময়ত বৰাহী চুতীয়াসকলৰ মুখত সমাদৃত সৌমাৰ প্ৰাকৃতৰ ৰেহ থকা অসমীয়াৰ নৃগোষ্ঠীৰ উপভাষাই (দেউৰীমিজ) স্বকীয় ৰূপত প্ৰতিষ্ঠা লাভ কৰিছে। বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ দৰে সাৰ্বজনীন অসমীয়া ভাষাৰ (Assamese lingua franca) উদ্ভৱে বিকাশ আৰু সমৃদ্ধিত এইসকল দেউৰীৰ অৱদান সৰ্বাধিক।

দেউৰীসকলে বৰ্তমান নিজকে জিম'চায়া (নৈপৰীয়া) বুলি চিনাকি দি ভাল পালেও এসময়ত তেওঁলোকক চুতীয়া বুলিও অভিহিত কৰা হৈছিল। আহোম বুৰঞ্জীত সঘনাই উল্লিখিত চুতীয়া ৰাজ্য আৰু ইয়াৰ প্ৰজা চুতীয়াসকলৰ পৰাই আহোম চুতীয়া, দেউৰী চুতীয়া, বৰাহী চুতীয়া, মিৰি চুতীয়া আদি ভিন ভিন পৰিচয়ৰ জনজাতি বা সামাজিক থুপ একোটাৰ যে একালত সৃষ্টি হৈছিল এয়া নিশ্চিত। অৱশ্যে এইসকল জনগোষ্ঠীৰ বৰ্তমান স্থিতি কি এয়া কিন্তু বিতৰ্কিত বিষয়। বুৰঞ্জীবিদ বেণুধৰ শৰ্মা প্ৰমুখ্যে পণ্ডিতসকলৰ অভিমত এয়ে যে— স্বতী নদীৰ তীৰৱৰ্তী কুণ্ডিল ৰাজ্যৰ প্ৰজা আৰু ভীষ্মকৰ বংশধৰসকলেই স্বতীয়া বা চুতীয়া। এওঁলোক চুতীয়াসকলৰ পুৰোহিত এই অৰ্থত দেউৰী। দেউৰীসকলে শদিয়াৰ তাম্ৰেশ্বৰী বা কেঁচাইখাতী গোঁসানীক একালত নৰবলি দি পূজিছিল বুলি জনশ্ৰুতি আছে। উজনি অসমত শদিয়া, তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, লক্ষীমপুৰ, ধেমাজি আদি অঞ্চলত সংখ্যাগৰিষ্ঠভাৱে বসবাস কৰি থকা বৰ্তমান দেউৰী নামেৰে সংবিধান স্বীকৃত অসমৰ অন্যতম ভৈয়ামৰ জনজাতিয়ে সামগ্ৰিকভাৱে নিজস্ব ভাষা-সংস্কৃতি আৰু সমাজ ব্যৱস্থাৰ দিশত স্বকীয়তা বজাই ৰাখিব পাৰিছে ইয়াত কাৰো

সন্দেহ নাই। দেউৰীসকলৰ মাজত আৰ্যীভূত জনজাতি হিচাপে হিন্দুধৰ্মীয় পৰম্পৰা অতি প্ৰবল। নাৰীৰ স্বাধীনতা সম্পূৰ্ণৰূপে খৰ্ব নহ'লেও প্ৰাচীন অষ্ট্ৰ'মংগোলীয় মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থা তেওঁলোকৰ সমাজ জীৱনত অনুপস্থিত। বিয়াৰ পিছত কইনা দৰাৰ ঘৰত বসবাস আৰু দৰাৰ গোত্ৰলৈ গোত্ৰান্তৰ, পিতৃতান্ত্ৰিক গোত্ৰ-ব্যৱস্থাৰ প্ৰচলন, পিতৃসূত্ৰীয় সম্পত্তিৰ আৰু উত্তৰাধিকাৰৰ দৰে হিন্দুধৰ্মীয় মনুসংহিতা আৰু ব্ৰাহ্মণ্যধৰ্মৰ গভীৰ প্ৰভাৱে দেউৰী সমাজৰ বিশেষ বৈশিষ্ট্য। জন্ম-মৃত্যুৰ অশৌচ বিচাৰ নাৰীৰ ঋতুস্ৰাৱ, পুষ্পিতাপ্ৰাপ্ত কিম্বা গৰ্ভাৱস্থাত পালন কৰিবলগীয়া নানা ধৰণৰ আচাৰ-বিধি হিন্দুৰ দশ সংস্কাৰ কেন্দ্ৰিক। অৱশ্যে পুষ্পিতা প্ৰাপ্ত হ'লে বুকুত ৰিহা মেখেলা লোৱা পৰ্ব পালন (ইগু পিচ্চ চিৰুৱা) আৰু এটা উপনাম ধাৰণ প্ৰথাটো দেউৰীৰ নিজস্ব উদ্ভাৱন। বিবাহৰ ক্ষেত্ৰতো হিন্দু ধৰ্মৰ আঠ প্ৰকাৰৰ বিবাহকে গুৰুত্ব দিয়া হয় আৰু অধিবাস আদি মনা হয়। হিন্দুধৰ্মীয় বিভিন্ন দেৱ-দেৱীকে তেওঁলোকে নিজস্ব নাম আৰু ৰীতিৰে পূজা-পাতল কৰে আৰু তিনিও প্ৰকাৰৰ বিহুকো ধৰ্ম-কাৰ্য হিচাপে উদ্‌যাপন কৰে। তেওঁলোকে অন্যান্য মংগোলীয় মূলীয় জনজাতিৰ দৰে মঙ্গলে উৰুকা, বুধে বিহু তিথিটো পূৰ্ব পৰম্পৰা ক্ৰমে মানি আহিছে। সকলো ধৰণৰ উছৱ-অনুষ্ঠান কিম্বা পূজা-পাৰ্বণ তেওঁলোকে অস্থায়ীভাৱে নিৰ্মাণ কৰা নৈ পাৰৰ 'দেগৰ' নামৰ থানটিত সম্পাদন কৰে। অৱশ্যে গিৰা-গিৰাচি, বলিয়া বাবা, তাম্ৰেশ্বৰী আদিৰ বাবে স্থায়ী দেওশালো নথকা নহয়। দেউৰীসকলে পূজা আদি সম্পাদনৰ বাবে গণতান্ত্ৰিক পদ্ধতিৰে ৰাইজৰ মাজৰ পৰা ন-জন বিষয়া বাচি লয়, তাৰ ভিতৰত চাৰিজন মুখ্য— (১) বৰদেউৰী (বদেৰী), (২) সৰুদেউৰী (সদেৰী), (৩) বৰভঁৰালী আৰু (৪) সৰু ভঁৰালী।

দেউৰীসকল মূলতঃ কৃষিজীৱি। কৃষিৰ উদ্দেশ্যে নৈপৰীয়া অঞ্চলতে বসবাসৰ বাবে স্থান নিৰ্ধাৰণ কৰে। তেওঁলোকৰ ঘৰবোৰ সাধাৰণতে কাঠ-বাঁহ-খেৰেৰে পূৱ-পশ্চিমাকৈ চাংঘৰ হিচাপে সাজি লোৱা আৰু কেবা কোঠালীয়া। প্ৰত্যেক ঘৰৰে ঘাই দুৱাৰ এখন। ঘৰৰ ইমূৰৰ পৰা সিমূৰলৈ থকা দীঘলীয়া বাটেৰে ইবিলাক সংলগ্ন। চাংঘৰৰ প্ৰথমচোৱা মুকলিকৈ ৰখা হয় আৰু ল'ৰাবোৰে ৰাতি এই কোঠাতে শোৱে। এই কোঠালীটো 'মিচ্চ' বুলি কোৱা হয় আৰু ইয়াতে জুহাল অৱস্থিত। তাৰ পিছত গৃহদেৱতাৰ নামত সংৰক্ষিত 'সুবচনী' কোঠা ৰন্ধনশাল একেবাৰে ঘৰটোৰ সিটো মূৰত থাকে। তাৰ কাষতে মূল গৃহস্থ-গৃহস্থনীৰ শোৱা কোঠা। পৰিয়ালৰ আটাইবোৰে একেলগে বহি ৰন্ধনশালতে খোৱা-বোৱা কৰে। মন কৰিবলগীয়া যে দেউৰীসকল মাটিত বহি খোৱা-বোৱা কৰিলেও ভাতৰ কাঁহীখন' 'মেহেঙা' নামৰ বেতেৰে নিৰ্মিত বিশেষ সঁজুলিৰ ওপৰত থৈহে খোৱা বোৱা কৰে। কাঠৰ জখলাৰে চাংঘৰত উঠা-নমা কৰে।

দেউৰীসকল আমিষাহাৰী আৰু দুই-এজন মহাপুৰুষীয়া ভকত-বৈষ্ণৱৰ বাহিৰে প্ৰায়ে মাছ-মাংসহে নালাগে কেঁকোৰা, কুঁচিয়া, কুকুৰা-গাহৰি আদিও খায়। অৱশ্যে হিন্দুৰ নিষিদ্ধ গো মাংস আদি ভক্ষণ কৰাটো সমাজ বিৰুদ্ধ কাৰ্য। নিজ ঘৰতে পতা মদ চঁজে, খাৰ-খাৰলিকে ৰন্ধা ডাল জুবৰা, শুকতি মাছৰ আঞ্জা আদি খাদ্য তেওঁলোকৰ অতি প্ৰিয়। তেওঁলোক অতি অতিথিপৰায়ণ আৰু আলহী-অতিথিক তামোল-পাণ নাযাচি

নোসোধে। সমাজৰ দুই-এক ক্ষেত্ৰতো নাৰীৰ অংশগ্ৰহণৰ সীমাবদ্ধতা থাকিলেও প্ৰায়বিলাক উৎসৱ-পাৰ্বণ, বিয়া-সবাহত নাৰীৰ ভূমিকাই মুখ্য। গাহৰি-কুকুৰা পালন, এড়ীপলু পালন, বয়নশিল্প আদিত নাৰী ব্যতিৰেকে পুৰুষৰ ভূমিকা নাই। যৌথ পৰিয়ালক প্ৰাধান্য দিয়া দেউৰীসকল পুৰুষ-নাৰী উভয়ে সমানে পৰিশ্ৰমী আৰু পৰস্পৰৰ প্ৰতি দায়বদ্ধ।

দেউৰীসকলৰ জন্ম-মৃত্যুৰ লোকাচাৰ অইনতকৈ কিছু বেলেগ। নৱজাতকৰ নাভি নসৰালৈকে অৰ্থাৎ সাতৰ পৰা দহ দিনলৈকে জন্মৰ অশৌচ পালন কৰা হয় আৰু নাভি সৰাৰ দিনাখন কেঁচুৱাক ঘৰৰ বাহিৰ উলিয়াই মূৰ খুৰাই 'ভেজনী খুউৰা' পৰ্ব পালন কৰা হয় যদিও পোঁৱতীৰ অশুচি এমাহলৈ থাকে। এই সময়ছোৱাৰ ভিতৰত পোঁৱতীৰ লগতে পৰিয়ালকো ৰাইজৰ সকাম-নিকাম আৰু থান পূজাত অংশগ্ৰহণ কৰিবলৈ দিয়া নহয়। ঠিক সেইদৰে মৃতকৰ সৎকাৰৰ পিছত সাতদিনলৈকে পুৱা-সন্ধ্যা পিণ্ড দিয়া হয় আৰু ইয়াকে 'মৰা দিয়া' বোলে। স্ত্ৰী-পুৰুষ আৰু বিশেষ ব্যক্তি সাপেক্ষে যথাক্ৰমে পাঁচ, সাত আৰু ন দিনলৈ মৃত্যুৰ অশৌচ মানি সুবিধা অনুসৰি যিকোনো এদিন গৃহস্থই গাহৰি মাৰি আদ্যশ্ৰাদ্ধ পতা নিয়ম। ৰাইজেও সাধ্যানুসাৰে ধনে-জনে গৃহস্থক সহায় কৰে। দেউৰী সমাজত প্ৰধানকৈ তিনিপ্ৰকাৰৰ বিবাহ চলে— (ক) বৰ বিয়া, (খ) মাজু বিয়া আৰু (গ) সৰু বিয়া। সমাজত ছোৱালী খোজা-বঢ়া নিয়ম আছে যদিও গন্ধৰ্ব বিবাহৰো প্ৰচলন আছে। বিষয়া দেউৰী-ভৰালীয়ে পৰম্পৰাগত নীতি-নিয়মেৰে বিয়া পাতি দিয়ে।

দেউৰীসকলেও অইন জনজাতীয় মূলৰ লোকৰ দৰে বাৰমাহত তেৰ পূজা পাতে আৰু পূজাত নৃত্য-গীতৰ পৰিৱেশন বাধ্যতামূলক। বুধবাৰে বুধবাৰে উদ্‌যাপিত বিহু তিনিটাৰ উপৰি শাওনত 'ন ভাতৰ পূজা', আহাৰত 'যাঠৰ চুৱা', পুহত 'ন খুউৰা' ইত্যাদি অতি জাক-জমকতাৰে পালন কৰে। পূজাত সকলোৱে ইষ্টদেৱতাক তামোল-পাণৰ শৰাই দি 'এৰাও কৰে' (বন্দনা কৰে) আৰু ব'হাগৰ বিহুত হ'লে সাতবিহুৰ দিনাখন বিহু উৰুৱা, দেওধনি নচুৱা, ৰীতি বা ডিঙা উটুৱা আদি পৰ্ব পালন কৰে। ইয়াৰ উপৰিও লখিমী, গৰখীয়া ভোজ, দেওপূজা, বুঢ়া ডাঙৰীয়াৰ পূজা, জলশাই-থলশাই ডাঙৰীয়া পূজা গাঁৱৰখীয়া পূজা, গাটীয়াল আৰু খেদি খুকুৰি, ছায়ায়াঁ বা সূৰ্য দেৱতাৰ পূজা, ৰঙাচন দেৱতাৰ পূজা, অপেশ্বৰী সবাহ, আইনাম গোৱা, প্ৰেতকৰ্ম, নপুৰুষৰ সকাম আদি অনুষ্ঠান। বিশেষ বিশেষ কাৰণত অনুষ্ঠিত কৰে। প্ৰাচীন বিধিমতে পূজাৰ চচমো (মোগেলা), চচকাৰি (খাগৰি), চ্চাগি বিচ্চ (কৌপাত), কিমাৰু (টংলতি) আদিহে বিশেষ নৈবেদ্য বা উপচাৰ আছিল যদিও বৰ্তমান তুলসী, পিঠাগুৰি, কলপাত তেল-সেন্দুৰৰ বিশেষ ব্যৱহাৰ আছে।

উৎসৱ-পাৰ্বণৰ লগত জড়িত গীতৰ ভিতৰত বিহুনাম (দেৱ-দেৱীৰ শালত গোৱা আৰু গাঁৱৰ ভিতৰত গোৱা নাম), দেওধনি উৎসৱত গোৱা নাম, হাঁচতি নাম, আবৰৱ' হুৰাই ৰাঙলী, হুঁচৰি, আইনাম, বিয়ানাম, মজেবা ইত্যাদিয়ে প্ৰধান। এইসমূহৰ বেছিভাগে অসমীয়াত ৰচিত আৰু সৈতে ৰচিত আৰু নৃত্যৰ সৈতে পৰিৱেশিত। অৱশ্যে মন্ত্ৰ বা স্তোত্ৰ গীত দেউৰী ভাষাত ৰচিত। দেউৰীসকলৰ মাজত নিচুকণি গীত বা ওমলা গীতৰো প্ৰচলন আছে। গীত-মাত চৰ্চাৰ উপৰিও নানা ধৰণৰ খেল-ধেমালি কৰি অৱসৰ বিনোদন

কৰে। খেলসমূহৰ ভিতৰত ঘিলাখেল, লাটুম ঘূৰোৱা, ধোপ-খেল, বাঘ-গৰু, লাঠি খেল, মালযুঁজ, জাঁপমৰা, চেকুৰা, সাঁতোৰা, নাওবোৱা প্ৰভৃতিয়ে প্ৰধান। পুৰুষৰ ক্ষেত্ৰত নহ'লেও দেউৰী নাৰীৰ সাজপাৰত সম্পূৰ্ণ স্বকীয়তা বিদ্যমান। পৰিস্কাৰ-পৰিচ্ছন্ন আৰু একৰঙী সাজ-পোছাক পৰিধান কৰি ভালপোৱা দেউৰী পুৰুষসকলে হাতে বোৱা চুৰিয়া আৰু গামোচা লোৱাৰ উপৰি উছৱে-পাৰ্বণে চেলেঙো লয়। দেউৰী নাৰীৰ সাজ-পাৰ বয়স আৰু সামাজিক মৰ্যাদাভেদে কিছু সুকীয়া সুকীয়া। গাভৰু হোৱাৰ আগলৈকে কঁকালত আঁঠুমূৰীয়া মেখেলা পিন্ধে, তাৰ পিছত গাভৰু হ'লে কলাফুল ঢকা মেখেলাৰে বুকুত পাউগা/বাইগা নামৰ টঙালি মেৰিয়াই বান্ধে। বিবাহিতাসকলে কঁকালত জোৰ পাবলৈ 'জকা চিচবা' নামৰ কাপোৰেৰে কঁকাল বান্ধে। মূৰত ওৰণিসদৃশ 'গাতিগি' নামৰ ফুলাম গামোচা বান্ধে। অইন দিনা কামৰ সময়ত চুলি বন্ধা মুজোৰি বা টকয়া ব্যৱহাৰ কৰে। দেউৰী মহিলৰো অলংকাৰ বৰ প্ৰিয়। অলংকাৰৰ ভিতৰত বাখৰ খটোৱা জাংফাই, থুৰিয়া, কাণফুলি, কেৰু, উজণ্টি বা উণ্টি, গলপতা, ডুগডুগি, গেজেৰা-জোনমণি, পোৱালমণি আদি বিশেষভাৱে উল্লেখযোগ্য। দেউৰী নাৰীয়ে নাকফুলি নিপিন্ধে দেউৰী নাৰীৰ সাজ-পাৰৰ বিশেষকৈ বিবাহিতা নাৰীৰৰ সাজ-পাৰত এতিয়াও প্ৰাচীন বৈশিষ্ট্য পূৰ্ণমাত্ৰেই সুৰক্ষিত আছে— এইবাবেই যে দেউৰীসকলে তেওঁলোকৰ পূৰ্বপুৰুষে লাভ কৰা কেৰ্কেটুৱাৰ দৰে কঁকাল বান্ধনীৰে থোৰ মেলা সাজ-পাৰতে জাতীয় তথা ধৰ্মীয় ঐতিহ্য নিহিত হৈ আছে বুলি ধাৰণা কৰে।

বৰ্তমান দেউৰীসকলৰ মাজত অতীত প্ৰীতিৰ লগতে ৰাজনৈতিক জাগৰণ আৰম্ভ হৈছে। নিজৰ হেৰুৱাবলৈ ধৰা সাতামপুৰুষীয়া ভাষা-সংস্কৃতিৰ উদ্ধাৰ আৰু বিকাশৰ বাবে তেওঁলোক এতিয়া বদ্ধপৰিকৰ। লোকসাহিত্যৰ দিশত অতি সমৃদ্ধ দেউৰী ভাষাত বৰ্তমান পাঠ্যপুথি ৰচনাৰ লগতে সাহিত্যৰ নানা দিশত চিন্তা-চৰ্চা হ'ব ধৰিছে।

## ৩.৪ মিছিং জনজাতি

মিৰি বা মিছিংসকল অসমৰ ভৈয়াম অঞ্চলত বাস কৰা এটি উন্নত কৃষ্টিসমৃদ্ধ জনজাতি। বৰ্তমানে আবৰ পাহাৰত থকা 'মিয়ং' আৰু 'দাম্ৰ' নামৰ দুই জাতিৰ মানুহৰ পৰা এওঁলোক ফাটি আহিছে বুলি অনুমান কৰা হয়।

মিৰি বা মিছিংসকলে নিজকে 'মিছিং'; 'মি' (মানুহ) 'য়াছিং' (বগা বা ভাল) বুলি পৰিচয় দিয়ে আৰু অনা মিছিংসকলক 'মি' (মানুহ) + 'কি পাগ্' (লেখত ল'ব নোৱৰা, অৰ্থাৎ বেয়া)— আমাৰ ভাল জাতত নপৰা মানুহ বুলিছিল। পাহাৰৰ ফালে দেওধাইসকলক 'মিৰু' (মি-ৰ-উ) বুলি কয়, যিহেতুকে পূৰ্বতে মিৰুসকলেও মিৰি বা মিছিংসকলৰ পুৰোহিত কাম কৰিছিল সেয়ে 'মিৰু' শব্দৰ পৰাই 'মিৰি' হোৱা বুলি ভাবিব পাৰি।

মিছিংসকলে চন্দ্ৰক পিতৃ আৰু সূৰ্যক মাতৃ ৰূপত স্মৰণ কৰে। সেইবাবে কোনো পৰ্ব, উৎসৱ, সকাম- নিকামত তেওঁলোকে প্ৰথমতেই 'আনে দঞিঃ' (মাতৃ সূৰ্য) আৰু 'আৰু-প-ল-ৰ' (পিতৃ চন্দ্ৰ)ক স্মৰণ কৰি পূজা-সেৱা আগবঢ়ায়। মিছিংসকলৰ পূৰ্বপুৰুষসকল সোণ-ৰূপৰ জখলাইদি স্বৰ্গৰ পৰা নামি আহিছিল বুলি তেওঁলোকৰ মাজত বিশ্বাস প্ৰচলিত।

নদীমাতৃক ৰাজ্য অসমৰ প্ৰধানতঃ উজনি অসমৰ সৰু-ডাঙৰ নৈৰ পাৰত মিছিং লোকৰ বসতি আছে। ব্ৰহ্মপুত্ৰ, সোৱণশিৰি, ধনশিৰি, ভৰলী, দিচাং, দিখৌ, দিহিং-দিবাং, লোহিত, খেৰকটা, ঘুণাসুঁতিৰ পাৰে পাৰে মিছিং সমাজৰ বসতি। বাসস্থান অনুসাৰে মিছিংসকলক প্ৰধানকৈ আঠোটা খেলত ভগাব পাৰি। যেনে— 'চায়াং' বা চায়েঙ্গীয়া, 'অয়ঁন বা অয়েঙ্গীয়া, 'ময়িং' বা ময়েঙ্গীয়া, 'দেলো', 'পাগৰ', 'দাম্বুক', 'চামগুৰীয়া' আৰু 'তামাৰ'। সম্ভৱতঃ 'চামগুৰীয়া' আৰু 'তামাৰ' খেলৰ মানুহেই পোনপ্ৰথম ভৈয়ামলৈ নামি আহিছিল। ওপৰত উল্লেখ কৰা খেলসমূহৰ উপৰি মিছিংসকলৰ বমি, মিয় পাংকং, চুংগা-চুৰাং, কন্দাৰ, চ-ব আদি বহুতো গোত্ৰ আছে। সেইদৰে বিভিন্ন গোত্ৰৰ পায়েং, টায়ে, পেৰতিন, পেৰমে, দলে, পেগু আদি বহুতো জাত মিছিংসকলৰ মাজত পোৱা যায়।

মিছিংসকল মঙ্গোলীয় নৃগোষ্ঠীৰ তিব্বত বৰ্মীয় ভাষাগোষ্ঠীৰ মানুহ। শাৰীৰিক গঠনৰ দিশৰ পৰা তেওঁলোকক আন মঙ্গোলীয় জাতিৰ মানুহৰ সৈতে একে শ্ৰেণীত ৰাখিব পাৰি। মধ্যমীয়া উচ্চতা, গাৰ বৰণ প্ৰায় বগা, হাত ভৰি নোদোকা আৰু শৰীৰ হৃষ্ট-পুষ্ট। নাক চুটি আৰু গাল উঠঙা। সৰুৰে পৰা জখলাত উঠা-নমা কৰাৰ বাবে ভৰিৰ কলাফুল শকত।

মিছিংসকলৰ মাজত বহুতো পৰিয়াল লগলাগি একে ঘৰতে বাস কৰাৰ নিয়ম আছে। এজন মুখিয়াল মানুহৰ দিহামতে ঘৰৰ সকলো কাম-কাজ পৰিচালিত হয়। মিছিং পুৰুষ-মহিলা উভয়ে পৰিশ্ৰমী। তেওঁলোক প্ৰধানকৈ কৃষিজীৱি। ধান, মাহ, সৰিয়হ, আলু, কচু ইত্যাদি প্ৰধান খেতি। মিছিং মহিলাসকলে ঘৰুৱা কাম-কাজ, খেতি-বাতিৰ কাম কৰাৰ লগতে তাঁত বোৱা, কুকুৰা-গাহৰি পোহা আদিৰ দ্বাৰা নিজৰ যাৱতীয় খৰচ উলিয়াই লয়। পুৰুষসকলেও ঘৰৰ সমূহীয়া কাম-কাজ কৰাৰ উপৰি আজৰি সময়ত 'ৰিকচেং' অৰ্থাৎ বেলেগে মাহ, সৰিয়হ আদিৰ খেতি কৰি নিজৰ লাগতিয়াল খৰচ যোগাৰ কৰে।

মিছিংসকল নৈপৰীয়া জনজাতি। নৈৰ দাঁতি-কাষৰীয়া অঞ্চলত তেওঁলোকে চাংঘৰ সাজি বাস কৰে। ভাত এওঁলোকৰ প্ৰধান খাদ্য। মা-মচলাৰ ব্যৱহাৰ বা ভজা-পোৰাতকৈ সিজোৱা আহাৰ তেওঁলোকৰ প্ৰিয়। 'কিঃৰুগ' (চিকাৰ কৰি পোৱা আৰু শুকাই থোৱা মাংস), 'ঙচান' (শুকান মাছ) আদি খোৱাটো মিছিংসকলৰ পৰম্পৰাগত ৰীতি। তেওঁলোকে চাউলৰ পৰা 'আপং' (এবিধ মদ) তৈয়াৰ কৰে আৰু অতিথিক আপঙেৰে শুশ্ৰূষা কৰে। বৰ্তমানে মিছিংসকলে নৱবৈষ্ণৱধৰ্ম গ্ৰহণ কৰিলেও তেওঁলোকৰ কিছুমান সকাম-নিকাম, পৰ্ব, উৎসৱাদিত 'আপং' ব্যৱহাৰ কৰে। দেৱ-দেৱীক উদ্দেশ্য কৰিও 'আপং' আগবঢ়োৱা হয়।

বয়ন শিল্পত মিছিং মহিলা অতি পাকৈত। উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতিসকলৰ ভিতৰত মিছিংসকলৰ কাপোৰত অধিক বিবিধ্য আৰু বৈচিত্ৰ্য দেখা যায়। মিছিং তিৰোতাই ব্যৱহাৰ কৰা পোছাক হৈছে— এগে, ৰিঃবি, গাচেং, ছমৌৰ, পতালি বা চেগ্ৰেগ, চেগবুং, পঃতুব, কেবুং, পেঃৰে, পুচুংএগে, পুচুংগাচৰ, নিচেগ, কেগ্ৰেগ্, মচাঃ নাম এগে ইত্যাদি।

সেইদৰে পুৰুষে ব্যৱহাৰ কৰা কাপোৰবোৰ হৈছে— মিবু গালুক, লুকৰ, গালুন, গনৰ, উগন, দুমীৰ আদি। এইবোৰৰ উপৰি মিছিং তিৰোতাই গাদু (মিৰিজিম), তাপুম্, গাচৰ আদি মূল্যবান কাপোৰ বয়।

মিছিং সমাজ শান্তিপ্ৰিয়। কোনো বাদ-বিবাদ হ'লে বা কোনোবাই দায়-জগৰ লগালে 'কেবাং' বা সমাজ গোট খায়। এই 'কেবাঙ'তে বয়োবৃদ্ধসকলে বিচাৰ কৰি ৰায় দিয়ে। অতীতত গাম বা গাঁৱৰ বয়োবৃদ্ধসকলেই সমাজ একোখনৰ প্ৰধান ব্যক্তি আছিল। তেওঁলোকৰ দিহা-পৰামৰ্শতেই গাঁও বা সমাজখন পৰিচালিত হয়। উৎসৱ-পাৰ্বণ, সকাম-নিকাম আদিত গাঁৱৰ সকলোৱে একগোট হৈ কাম কৰে।

সহজ-সৰল মিছিং সমাজত ভেদভাৱৰ ছাঁ দেখা নাযায়। তেওঁলোকৰ মাজত একতা আৰু ভাতৃত্ববোধ বৰ প্ৰবল। উৎসৱ-পাৰ্বণ আদিত তেওঁলোকে নাচ-বাগ কৰি ভাল পায় আৰু পুৰুষ-তিৰোতা উভয়ে নৃত্য-গীতত যোগদান কৰে। এই নৃত্যবিলাকৰ কিছুমান অৰ্থ আৰু উদ্দেশ্য আছে। নৰা ছিগা বিহু বা 'পঃৰাগ'ত নচা নাচ সামাজিক হ'লেও মূলতঃ এই নৃত্যই এখন সমাজৰ আশীৰ্বাদ লাভ বা মিলাপ্ৰীতি বিধিৰ পৰিবেশো প্ৰদান কৰে। দেওধাইৰ লগত গাভৰু ছোৱালীয়ে নচা নাচ ধৰ্মমূলক। দেওধাইৰ লগত নাচিলে দেওধাইৰ দেও উঠে আৰু তেতিয়া দেওধায়ে গাঁৱৰ বা সমাজৰ আগন্তুক অপায়-অমঙ্গলৰ কথা কয় আৰু তাৰ প্ৰতিকাৰৰ বিধান দিয়ে। তেনেদৰে 'আলি-আয়ে-লৃগাং' বা গুটি সিঁচা উৎসৱত নচা নাচতো (গুমৰাগ) ধৰ্মমূলক বিশ্বাস প্ৰচলিত আছে। এই উৎসৱত প্ৰাণভৰি নানাচিলে দেৱতা বিতুষ্ট হ'ব আৰু মেঘ দেৱতাই পানী নমাই নানিব বুলি তেওঁলোকে বিশ্বাস কৰে আৰু সেয়ে ডেকা-গাভৰু, বুঢ়া-বুঢ়ী, ল'ৰা-ছোৱালী সকলোৱে অবাধে নাচ-ধেমালি কৰে।

মিছিং সমাজত দাস প্ৰথা নাই। তেনেদৰে তেওঁলোকৰ মাজত কোনো উচ্চ-নীচৰ ভেদ দেখা নাযায়। সমানে সকলোৱে খোৱা-বোৱা কৰিব পাৰে। তেওঁলোকৰ মাজত একে গোত্ৰৰ ভিতৰত বিয়া হ'ব নোৱাৰে। একে গোত্ৰৰ বা একে জাতৰ মানুহ তেওঁলোকৰ ভিতৰত ভাই-ককাই হৈয়েই থাকিব। পেগুৱে-পেগুক বা পায়েঙে-পায়েঙক যুগ যুগ পাৰ হ'লেও কেতিয়াও বিয়া কৰাব নোৱাৰে। তেওঁলোকৰ সমাজত পলুৱাই নি বিয়া কৰা, 'কুমচুজচু' বা জোৰণ পিন্ধাই ছোৱালী অনা আৰু বিয়া পাতি ছোৱালী অনা প্ৰথা আছে। বিয়াৰ এই নিয়মবোৰ তেওঁলোকৰ নিজস্ব।

মিছিংসকল হিন্দুধৰ্মী হ'লেও তেওঁলোকৰ কিছুমান নিজা পূজা সেৱা আৰু উৎসৱ আছে। তেওঁলোকে 'তালেং উয়ু' বুলি ওপৰ দেৱতা দু-মুৰ্গ, দংবাং, মুগলিং, তাকাৰ, দঞিও, পল (মেঘ-বিজুলী-তৰা-চন্দ্ৰ-সূৰ্য) আদিক পূজা কৰে। 'অচাগ' আৰু 'গিয়াতি' বুলিও ন-পুৰুষীয়া সকাম পাতে। তদুপৰি বছৰি 'দবুৰ' বুলি পৃথিৱীত শস্য হ'বৰ কাৰণে এভাগ পূজা পাতে। এই 'দবুৰ' পূজা নাপাতিলে গাঁৱত মানুহ আৰু গৰু-ম'হৰ অমঙ্গল হয় বুলি বিশ্বাস। মিছিংসকলে কাতি বিহু, মাঘ বিহু, ব'হাগ বিহু পালন কৰাৰ উপৰি আহি-কাতিমহীয়া আহুধান চপাই শেষ কৰি 'পঃৰাগ' (নৰাছিগা বিহু) আৰু আহুধান সিঁচিবৰ সময়ত 'আলি-আয়ে-লৃগাং' বা চমুকৈ 'লৃ-গাং' (গুটি সিঁচা) উৎসৱ পাতে।

মিছিংসকলৰ গীত-মাতত অতি চহকী। মৌখিক ভাষাত ৰচনা কৰা তেওঁলোকৰ অনেক বনগীত (অইনিঃতম) আছে। অইনিঃতমসমূহত ডেকা-গাভৰুৰ প্ৰেমৰ মূৰ্ত প্ৰকাশ ঘটে। এই প্ৰেম-সৌন্দৰ্য, পিপাসা, আশা-নিৰাসা, মিলন-বিচ্ছেদ আদিৰ ছবি ইয়াত প্ৰতিফলিত হয়। উদাহৰণস্বৰূপে—

"তাগাদ চিংগি আপ্লুনদী
আলি লৃগাং মৌঃপা মদাগ
ঐকী লুকাম আগমদী
চুঃ চাং আচিন ৰংকি মদাগ।"
(ভাবাৰ্থ ঃ শিমলু-মদাৰ ফুলে
আলি লৃগাঙলৈ মনত পেলায়
চেনাই তোমাৰ কোৱা কথাই
যৌৱনৰ মন উতলায়।)

তদুপৰি নিচুকনি গীততো মিছিং লোকগীত চহকী। তেনেদৰে আদিম মানুহৰ বিশ্বাসৰ ভেটিত মিছিং সমাজত বহুতো সাধু (Myth) পোৱা যায়। পৃথিৱীলৈ ভূত-প্ৰেতবিলাক কেনেকৈ আহিল, নানা প্ৰাণীবোৰৰ জন্ম কিদৰে হ'ল আদি বিষয় এই সাধুবোৰৰ মাজত পোৱা যায়। যোজনা-পটন্তৰ, ফকৰা আদিয়ে মিছিং সমাজৰ ছবি প্ৰতিফলিত কৰে।

বাদ্যযন্ত্ৰৰ দিশতো মিছিং সকল চহকী। দুম্‌দুম্ (এবিধ ঢোল), পেম্পা (পেঁপা), তু-লু (পেঁপাজাতীয় বাদ্য), গুংগাং (গগনা), কুৰুলি, পুলি (বাঁহী), অজুক বা এজুক (এবিধ তিতা লাওৰ খোলাৰে সজা পেঁপা), দুম্পাক, দেনদুন্ (টোকাৰী, কেকুং (বীণ), তক্‌ক (বাঁহৰ টকা), লেলং, লুপি (তাল) আদি মিছিংসকলৰ পৰম্পৰাগত বাদ্যযন্ত্ৰ।

মিছিং সমাজ জীৱনত বহুতো জনবিশ্বাস প্ৰচলিত। যেনে- ককুৰাই যদি কাণে কাণে কথা পতাৰ নিচিনা কৰি থাকে তেতিয়া আলহী আহিব বুলি বিশ্বাস। অকলশৰীয়াকৈ যদি বৰ ঘৰৰ মূধত কপৌৱে ৰুণ্ দিয়ে, তেতিয়া সেই ঘৰৰ কোনো উপৰি-পুৰুষৰ আত্মাই কপৌৰ ৰূপ ধৰি কন্দা বুলি বিশ্বাস কৰা হয়। তেনেদৰে ভঁৰাল ঘৰত যদি ঘৰচিৰিকা চৰাই নাথাকে, তেতিয়া তেওঁলোকে কোনো বেমাৰ-আজাৰ হ'ব বুলি বিশ্বাস কৰে। এনেদৰে আৰু বহুতো লোকবিশ্বাস মিছিং সমাজৰ মাজত যুগে যুগে প্ৰচলিত।

মিছিংসকলৰ লিখিত ভাষা নাছিল। যদিও বৰ্তমানে ই এক লিখিত পৰম্পৰা লাভ কৰিবলৈ ধৰিছে। তেওঁলোকৰ লিখিত ভাষা নথকাৰ সন্দৰ্ভত এটা সাধুকথা মিছিং সমাজত প্ৰচলিত আছে। সৃষ্টিকৰ্তাই যেতিয়া সকলো জাতিক আখৰ ভাগ কৰি দিছিল তেতিয়া মিছিংসকলে তেওঁলোকৰ আঘৰবোৰ পহুৰ ছাল এখনত লিখি ৰাখিলে। পিছত সেই কথা পাহৰি পহুৰ ছালখন তেওঁলোকে খাই পেলোৱাত তেওঁলোকৰ আখৰ নোহোৱা হ'ল। ৰীতি-নীতি, পূজা-পাৰ্বণ আদিত 'মিছিং ভাষা' ব্যৱহাৰ হয়।

অসমৰ উত্তৰ-পূব প্ৰান্তৰ পাহাৰৰ পৰা নামি অহা এই মিৰি বা মিছিংসকল অসমৰ অতি পুৰণি বাসিন্দা। নৈৰ পাৰে পাৰে এওঁলোকৰ বসতি সিঁচৰতি হৈ আছে। কোনো

ভৌগোলিক পৰিসীমাত এওঁলোকক বান্ধিব নোৱাৰি। তেনেদৰে তেওঁলোকৰ বৰ্ণাঢ্য কৃষ্টি-সংস্কৃতিকো সীমাৰ ভিতৰত ৰাখিব পৰা নাযায়। বৰ্তমান বিভিন্ন ৰাজনৈতিক-অৰ্থনৈতিক তথা সামাজিক কাৰণত ৰীতি-নীতি বা জনগাঁথনিৰ পৰিৱৰ্তন সামান্যভাৱে ঘটিলেও মিছিংসকলে স্বকীয়তা বিসৰ্জন দিয়া নাই।

অসমীয়া সামাজিক-সাংস্কৃতিক পৰিক্ৰমাত মিছিংসকলৰ অৱদান অনস্বীকাৰ্য। সাংস্কৃতিক দিশত অতিকৈ চহকী মিছিংসকলৰ পৰা অসমীয়া শিষ্ট সংস্কৃতিয়ে বহু উপাদান আহৰণ কৰিছে। মিছিং লোকগীত আৰু তাৰ সুৰৰ আধাৰত ৰচিত গীত সাম্প্ৰতিক অসমত অতি জনপ্ৰিয়। এনেদৰেই মিছিং সমাজ-সংস্কৃতিয়ে অসমৰ সংস্কৃতিক ঋদ্ধ কৰিছে।

## আত্মমূল্যায়ণ প্ৰশ্ন

মিছিং জনগোষ্ঠীয়ে ব্যৱহাৰ কৰা সাজপাৰত কি কি বৈচিত্ৰ্য দেখা যায়? (৩৫টা শব্দৰ ভিতৰত উত্তৰ লিখক)

...........................................................................................................................

...........................................................................................................................

## ৩.৫ সোণোৱাল-কছাৰী জনজাতি

আমি জানো যে বিভিন্ন জাতি জনজাতিৰে মিলি বৃহত্তৰ অসমৰ অসমীয়া জাতি গঠন হৈছে। এই জনজাতিসমূহৰ ভিতৰত সোণোৱাল-কছাৰীসকল অন্যতম। তেওঁলোক কিৰাত মূলীয় মঙ্গোলীয় জনজাতিৰ। অসমত বসবাস কৰা এই জনজাতিটোৱে কেনেকৈ সোণোৱাল নাম পালে তাৰ ভিন্ন মত পোৱা যায়। বিশেষকৈ নদীৰ বালিত সোণ কমোৱা বাবেই সোণোৱাল হোৱা মতটোৱে অতি জনপ্ৰিয়। ইতিহাস সমৰ্থিত বিশেষকৈ আহোম ৰাজত্বৰ সময়ৰ বহু তথ্যই নৃ-গোষ্ঠীটোৰ পৰিচয় বহন কৰে।

নিজকে অসমৰ ভূমিপুত্ৰ বুলি পৰিচয় দিয়া সোণোৱাল-কছাৰীসকল বৰ্তমান অসমৰ লক্ষীমপুৰ, ডিব্ৰুগড়, ধেমাজি, তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট, গোলাঘাট জিলাৰ লগতে নগালেণ্ড আৰু অৰুণাচলৰ অংশবিশেষত বসতি স্থাপন কৰি আছে। অতীজতে তেওঁলোকে শদিয়াৰ হালালী ৰাজ্যত ৰাজপাট খাইছিল আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ দুয়োপাৰে বসবাস কৰিছিল।

অন্যান্য জনজাতিৰ দৰে সোণোৱাল-কছাৰীসকলেও সমাজ পাতি বাস কৰে। প্ৰধানতঃ তেওঁলোকৰ সমাজ ব্যৱস্থা যৌথ পৰিয়ালকেন্দ্ৰিক। সোণোৱাল-কছাৰীসকল সহজ-সৰল, শান্তিপ্ৰিয়। এওঁলোকে সকলো ধৰণৰ সামাজিক নিয়ম মানি চলে। উজনি অসমৰ আন জনগোষ্ঠীৰ লগত তেওঁলোকৰ সমাজ-ব্যৱস্থাৰ বহুখিনি মিল দেখা যায়। গাঁৱৰ মুৰব্বীজনক গাঁওবুঢ়া বোলে। ইয়াৰ বাহিৰেও বৰা, বাৰিক, পাঠক, আশীৰ্বদীয়া বুঢ়া, গীতঘাই মেধি, তামুলী, ৰান্ধনি, বায়ন আদি বিষয়ববীয়া নিৰ্বাচন ব্যৱস্থা সমাজত প্ৰচলিত। সোণোৱাল-কছাৰীৰ প্ৰাচীন সমাজ ব্যৱস্থাত ১৪টা বংশৰ নাম পোৱা যায়। সেইবোৰ হ'ল— (১) হগ্ৰাল, (২) মূক্তাল (মুকুতিয়াল), (৩) মদন, (৪) মানিকিয়াল,

(৫) এহমাহ, (৬) ফৰমাল, (৭) বৰহাজোৱাল, (৮) সৰুহাজোৱাল, (৯) কুমৰালি, (১০) ঢেকিয়াল, (১১) ডিঙিয়াল, (১২) লথিয়াল, (১৩) দঙ্গৰাল আৰু (১৪) চেতিয়াল। তদুপৰি তেওঁলোকৰ সমাজত খেল পদ্ধতিৰ পৰম্পৰাও প্ৰচলিত আছে। যেনে— (১) বালিগিতাৰী, (২) চিৰিপৰীয়া, (৩) অমৰাপৰীয়া, (৪) ধুলিয়াল, (৫) উজনীকুচিয়া, (৬) নামনিকুচীয়া, (৭) টিপমীয়া— এই সাতটা। সোণোৱাল কছাৰীৰ চাৰিটা পৰিয়াল মিলি এটা বংশৰ সৃষ্টি হয়। তেওঁলোকৰ সমাজ মূলতঃ পিতৃপ্ৰধান। গাঁওবুঢ়াই গাঁওখন যিদৰে পৰিচালনা কৰে, সেইদৰে পিতৃজনেই ঘৰখন পৰিচালনা কৰে। জন্মগতভাৱে জ্যেষ্ঠজনক সন্মান দিয়া হয়। তেওঁলোকৰ পৰিয়ালত বিভিন্ন গোত্ৰৰ সঁচ আছে। একে বংশৰ পৰিয়ালৰ বা গোত্ৰৰ মাজত বিবাহ নিষিদ্ধ। সোণোৱাল-কছাৰীসকলৰ মাজত গাঁৱৰ নামঘৰেই সাধাৰণ বিচাৰালয়, দায়-দণ্ড মৰিষণৰ একমাত্ৰ অনুষ্ঠান।

অতিপূৰ্বৰে পৰা সোণোৱাল-কছাৰীসকল ধৰ্ম ভীৰু লোক। কৈৱাত ধৰ্ম অনুযায়ী অন্যান্য কছাৰীৰ দৰে সোণোৱাল-কছাৰীসকলো শাক্ত-শৈৱ ধৰ্মী। তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা হ'ল 'বাইথ' বা 'খিৰিং' ৰজা (শিৱ)। ইয়াৰ বাহিৰেও তেওঁলোকে কেঁচাইখাতী, বুমা-বুঢ়ী, তাম্ৰেশ্বৰী আদি দেৱীক পূজা কৰে। ধৰ্মৰ দিশত সোণোৱাল কছাৰীসকলৰ মাজত 'হেন্দুৰীয়া' আৰু 'বেহাৰী' এই দুই পন্থাৰ লোক পোৱা যায়। আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ কেশদেউ আৰু পৰৱৰ্তী সত্ৰাধিকাৰসকলৰ ওচৰত যিসকল সোণোৱাল-কছাৰীয়ে শৰণ-ভজনাদি ল'লে তেওঁলোকক 'হেন্দুৰীয়া' বোলা হয় আৰু পূৰ্বৰ ৰীতি-নীতিৰে পূজা-অৰ্চনা কৰি অহাসকলক 'বেহাৰী' বোলা হয়। কিন্তু তেওঁলোকৰ মাজত কোনো ধৰ্মীয় দ্বন্দ্ব বা গোড়ামি দেখিবলৈ পোৱা নাযায়।

সোণোৱাল-কছাৰীসকলৰ মাজত জন্ম-মৃত্যু সম্বন্ধীয় বিভিন্ন ৰীতি-নীতি আৰু পৰ্ব আছে। সন্তান জন্মিলে তেওঁলোকেও 'অশৌচ' মানে। ল'ৰা সন্তান হ'লে সাধাৰণতে বিশ দিনত আৰু ছোৱালী সন্তান হ'লে এমাহত শুচি (শুদ্ধি) হোৱাটো নিয়ম। শুচি নোহোৱালৈকে ঘৰখন আৰু পৰিয়ালটোৱে আন কোনো ৰাজহুৱা মাঙ্গলিক কাৰ্যত সহযোগিতা কৰিব নোৱাৰে। হেন্দুৰীয়া আৰু বেহাৰীৰ মাজত এই শুচি হোৱা নীতি-নিয়মৰ কিছু হীন-দেঢ়ি আছে। নৱজাতকৰ আত্মাৰ শুদ্ধিৰ বাবেই তেওঁলোকে মন্ত্ৰ আদি উচ্চাৰণ কৰি নিজৰ মতে সংস্কাৰ কৰি লয়। সোণোৱাল-কছাৰীসকলৰ বয়সীয়া মানুহৰ মৃত্যু হ'লে শ দাহ কৰে আৰু কম বয়সীয়া হ'লে মাটিত পুতি থয়। শ চাঙীত তুলি শ্মশানলৈ নিয়ে। পুত্ৰই মুখাগ্নি কৰে। মৃতকৰ সৎকাৰৰ পিছত তিনি দিনত তিলনি, দহদিনত দহা আৰু সুবিধা অনুযায়ী এঘাৰ/বিশ দিনত বা এমাহত শ্ৰাদ্ধ কৰে। এই দহা কাজত তেওঁলোকে নাম-কীৰ্তন আদিও কৰা দেখা যায়।

বৈবাহিক সম্বন্ধৰ ক্ষেত্ৰত সোণোৱাল-কছাৰীসকলৰ সামাজিক নিয়ম বৰ কটকটীয়া। তেওঁলোকে একে বংশ বা পৰিয়ালৰ ল'ৰা-ছোৱালীৰ মাজত বিয়া পাতিব নোৱাৰে। তেওঁলোকে হিন্দুৰ আঠ প্ৰকাৰৰ বিবাহ-ব্যৱস্থাকে মানি লয় যদিও ছোৱালী পলুৱাই অনা বিবাহৰ প্ৰতি নমনীয়তা বেছি। তেওঁলোকৰ সমাজত সাধাৰণতে দেখা ছয়প্ৰকাৰৰ বিবাহ হ'ল— (১) নোৱাই-ধোৱাই দিয়া বিবাহ অৰ্থাৎ বৰবিয়া, (২) হোমপুৰি

কৰা বিবাহ বা প্ৰাজপত্য বিবাহ, (৩) গন্ধৰ্ব প্ৰথামতে হোৱা বিবাহ, (৪) পলুৱাই নিয়া বিবাহ (ৰাক্ষস বিবাহ), (৫) আসুৰিক বিয়া, (৬) অনুষ্টুপীয়া বা ৰভা সৰকাই দিয়া বিয়া। মদ-পানী আৰু ভোজ-ভাতেৰে তেওঁলোকৰ বিবাহ অনুষ্ঠানবোৰ সম্পন্ন হয়। মান্যজনক দৰা-কইনাই মানধৰা নিয়ম আছে। ছোৱালী পুষ্পিতা হ'লে অৰ্থাৎ ৰজঃ দৰ্শন হ'লে তেওঁলোকে নোৱাই-তোলনী বিয়া পাতে। এই বিয়া সাতদিন, নদিন, এঘাৰ দিন বা পোন্ধৰ দিনত তোলে। নোৱাই তোলনী বিয়াতো বেই সাজি কইনাক গা ধুওৱা হয়। আখৈ আৰু পিঠাগুৰিৰো ব্যৱহাৰ ইয়াত আছে। এই বিয়াক ফুলবিয়া বুলিও কোৱা হয়।

পূৱে ভঁৰাল, পশ্চিমে গঁড়াল।
উত্তৰে চৰু, দক্ষিণে গৰু।।

সাধাৰণতে এনেধৰণৰ নিয়ম মানি সোণোৱাল কছাৰীসকলে গৃহ নিৰ্মাণ কৰে। তেওঁলোকে ঘৰ-দুৱাৰ খেৰ-বাঁহ, ইকৰা, কাঠ আদিৰে সাজে যদিও আজিকালি এইবোৰ দুৰ্লভ হোৱাত পকীঘৰ সাজিবলৈ লৈছে। বৰঘৰটো পূৱমুৱাকৈ আৰু মাৰল ঘৰ উত্তৰা-দক্ষিণাকৈ সাজে। মাৰলঘৰত এখন জুহাল থাকে। এই মাৰল ঘৰতে ধান মৰা, ঢেঁকীত ধান বনা, মানুহ বহা আদি কাম কৰা হয়। বৰঘৰৰ উত্তৰ দিশত মজিয়া বা মঝিয়া থাকে। এই মজিয়াতে 'ঘাই পাচী'ত চাউল ভৰাই কিছুমান নিয়ম-নীতি পালন কৰে।

ধানখেতিৰ ওপৰত নিৰ্ভৰ কৰা হেতুকে কৃষিজীৱি সোণোৱাল কছাৰী জনগোষ্ঠীৰ প্ৰধান আহাৰ ভাত। এওঁলোকে বৰাধানৰ পৰা নানাবিধ জলপান প্ৰস্তুত কৰে আৰু মদ প্ৰস্তুত কৰোঁতে ইয়াক ব্যৱহাৰ কৰে। মদ তেওঁলোকৰ এবিধ প্ৰিয় পানীয়। বিভিন্ন শাক-পাচলি যেনে ঃ লাউ, লফা, খুতুৰা, কবি, পালেং, ধনীয়া, আলু, কচু, মিঠা আলু, কাঠ আলু, মোৱা আলু আদি খাদ্য হিচাপে ব্যৱহাৰ কৰে। হাঁহ-কুকুৰা, ছাগলী আদি ঘৰতে পুহি খাদ্য হিচাপে ব্যৱহাৰ কৰে। বৰ্ণ হিন্দুৰ অস্পৃশ্য বুলি বিবেচিত কেঁকোৰা, ৰিংকয়া, তেতেমা, হেতাতলীয়া, কুচিয়া আদি পানীত থকা জীৱ তেওঁলোকে খাদ্য হিচাপে খায়। আমৰলি পৰুৱাৰ টোপৰ নিচিনাকৈ এৰী, পাট-মুগাৰ লেটাও খাদ্য হিচাপে খায়। তামোল-পাণেৰে মুখ শুদ্ধি কৰে আৰু বিভিন্ন মাঙ্গলিক কামত ইয়াক ব্যৱহাৰ কৰে।

কুটিৰ শিল্পৰ ক্ষেত্ৰত সোণোৱাল-কছাৰীসকলৰ কলাসুলভ মনৰ পৰিচয় পোৱা যায়। গৃহ-নিৰ্মাণ কৌশল, ঘৰৰ ভিতৰৰ আচবাব, খেতিৰ সঁজুলি, মাছমৰা সঁজুলি, বয়ন শিল্পৰ সঁজুলি আদি তৈয়াৰ কৰাত তেওঁলোক সিদ্ধহস্ত। বাঁহ-বেতৰ পৰা পাচি, খৰাহি, জাকৈ, চালনী, চেপা, পল, নাঙল-যুঁৱলী, মৈ, গছা, ঠগা, শৰাই, চেৰেকী আদি সামগ্ৰী তৈয়াৰ কৰে। সুন্দৰ কাপোৰ ব'ব পৰাটো সোণোৱাল কছাৰী জনগোষ্ঠীৰ নাৰীসকলৰ কাৰণেও গৌৰৱৰ বিষয়।

লোক সংস্কৃতিৰ পথাৰ উজ্বলাই ৰখা সোণোৱাল-কছাৰীসকলৰ বিভিন্ন উৎসৱত গীত আৰু নৃত্য আৱশ্যম্ভাৱী। বায়থ' পূজা তেওঁলোকৰ অন্যতম উৎসৱ। এই পূজাৰ দেৱতা শিৱ। শিৱৰাত্ৰিৰ পিছৰ দৌল পূৰ্ণিমাৰ শুক্ল' পক্ষৰ দ্বিতীয় সোমবাৰৰ আগদিনা অৰ্থাৎ দেওবাৰে এই পূজা হয়। তিনি-চাৰিদিন ধৰি এই পূজা হয়। বলি-বিধান, পূজা-পাৰ্বণৰ উপৰি ইয়াত হাইদাং গীত পৰিৱেশন কৰা হয়। হায়দাং গীত তেওঁলোকৰ প্ৰথম আৰু প্ৰাচীন গীত। অতি তাৎপৰ্যপূৰ্ণ কথা যে— এই গীতবোৰ ধৰ্ম বিশ্বাস আৰু জনজীৱনক

লৈ সৃষ্টি হোৱা। সৃষ্টিতত্ত্ব আৰু দেহতত্ত্ব সম্বন্ধে বৰ্ণিত এই গীতত বিশ্ব ব্ৰহ্মাণ্ডৰ চাৰি মুঠি জীৱৰ কথাই মুখ্যতঃ স্থান পাইছে। অসমৰ জনসাধাৰণে পালন কৰা তিনিওটা বিহু সোণোৱাল কছাৰীসকলেও পালন কৰে। ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহু নিজস্ব ৰীতিৰে পালন কৰে। বিশেষকৈ তেওঁলোকৰ হুঁচৰি গীতবোৰ মন কৰিবলগীয়া। ব'হাগৰ সাতবিহুৰ দিনা বহুৱা নৃত্য অনুষ্ঠিত কৰে। এই লোকনৃত্য বৰ আকৰ্ষণীয়। বহুৱা-বহুৱানীক কলগছৰ বাকনিৰে গোটেই গাতে ধুনীয়াকৈ মেৰিয়াই দিয়ে। ইয়াত কলপাতো ব্যৱহাৰ কৰে। শুকান লাউৰ খোলাত মুখা আঁকি শিং লগাই বহুৱাৰ মূৰত পিন্ধাই দিয়ে। লগৰ অন্যান্য নাচনীয়ে মুখ আৰু শৰীৰত ছাঁই সানি নৃত্য কৰে। সোণোৱাল-কছাৰীসকলে পালন কৰা অন্যান্য উৎসৱ আৰু ইয়াৰ লগত জড়িত নাচ-গানসমূহ হ'ল— হায়দাং নৃত্য, হুগ্ৰা নৃত্য, গায়ন-বায়ন, বাঘদেউ পূজা, গজায় মনায় পূজা, লখিমী সবাহ, আয়ুতোলা প্ৰথা, সৰগদেউ পূজা, ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত, অপেশ্বৰী সবাহ, গাতিগুৰি, ভুৰ উটুৱা সবাহ, বালি সবাহ, চেৰেলীমাছৰ সবাহ, নৰা চিগা সবাহ, জলখাই পূজা, চাউলখোৱা আদি।

সোণোৱাল-কছাৰী সমাজত বেজ-বেজালি আৰু বিভিন্ন লোক-বিশ্বাস আছে। গ্ৰাম্য জীৱনত তেওঁলোকে বহু ৰোগ-ব্যাধি জৰা-ফুকা, মন্ত্ৰ, বেজ-বেজালি আৰু বনৌষধিৰে নিৰাময় কৰে। এই ব্যৱস্থা চহা জীৱনৰ খুব জনপ্ৰিয়। জন্ম-মৃত্যু-বিবাহ আদিৰ প্ৰসংগত তেওঁলোকৰ কিছুমান লোক বিশ্বাস আছে। যেনে- মৃত্যুৰ ক্ষণ ভাল নহ'লে পোকৰ (পহিকৰ) বা পুস্কৰ লগা, দৰা-কইনাৰ ৰাহিজোৰা বা লগন নিমিলিলে অঘটন হোৱা, ঘৰৰ ভেটিক লৈ অসুখ-অশান্তি লোৱা, যাত্ৰাত বাৰ কাল বিশ্বাস, উজুতি খালে অশুভ হোৱা, ঘৰত সাপ সোমালে অমঙ্গল হোৱা আদি তেওঁলোকে বিশ্বাস কৰে।

লিখিত ভাষা বা লিখিত সাহিত্য নাথাকিলেও সোণোৱাল-কছাৰীসকলৰ লোক-সাহিত্য আৰু ভাষাই এক সুকীয়া মৰ্যাদা লাভ কৰিছে। জনজীৱনৰ লগত জড়িত বিভিন্ন ফকৰা-যোজনা, প্ৰবচন, সাধুকথা আৰু গীত-মাতে এই দিশটোক পুষ্ট কৰি ৰাখিছে য'ত স্বকীয় বৈশিষ্ট্যও বৰ্তি আছে। হাইদাং গীত, হুঁচৰি গীত আদিৰ প্ৰকাশভংগী, ছন্দসজ্জা, সুৰৰ মাধুৰ্যই তেওঁলোকৰ ভাষা সাহিত্যৰ উজ্বল দিশৰ ইংগিত দিয়ে। অসমীয়া নৃ-গোষ্ঠীয় উপভাষা হিচাপে চিহ্নিত কৰিব পৰা তেওঁলোকৰ কথিত ভাষাৰো গৱেষণাৰ যথেষ্ট উপাদান আছে।

নিজকে বৃহত্তৰ অসমীয়া জাতিৰ অংশীদাৰী কৰি, বহু 'মিথ' সম্বলিত এই সোণোৱাল-কছাৰী জনগোষ্ঠীৰে নিজস্ব কথিত ভাষা-সংস্কৃতিৰ পৰম্পৰাৰে অসমৰ এক বৃহৎ আৰু অন্যতম জনগোষ্ঠী হিচাপে পৰিচয় দিবলৈ সক্ষম হৈছে। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ ইতিহাসত তেওঁলোকৰ ধৰ্ম, সাহিত্য-সংস্কৃতিক বেলেগকৈ চাব নোৱাৰি।

## ৩.৬ হাজং জনজাতি

অসমৰ মংগোলীয় গোষ্ঠীৰ বিভিন্ন জনজাতিসকলৰ ভিতৰত হাজং সকলো এটি অন্যতম জনজাতি। ভাৰতীয় সংবিধানৰ স্বীকৃতি অনুসৰি হাজংসকল পাৰ্বত্য

জনজাতি যদিও বৰ্তমান তেওঁলোক ওখ পৰ্বততকৈ পাৰ্বত্য অঞ্চলৰ নামনি ভাগৰ ঠেক সমভূমি আৰু ভৈয়াম অঞ্চলতহে বসবাস কৰে। হাজংসকলৰ অধিক সংখ্যকেই নামনি অসমৰ দক্ষিণ পশ্চিমৰ গোৱালপাৰা জিলা, মেঘালয়ৰ অবিভক্ত গাৰো পাহাৰ জিলাৰ পশ্চিম আৰু দক্ষিণ অঞ্চল আৰু খাছিয়া পাহাৰৰ দক্ষিণ অঞ্চল আৰু তাহানিৰ পূৰ্ববঙ্গৰ মৈমনসিং অঞ্চলত অতীজৰে পৰা বসবাস কৰি আছে। প্ৰাক-স্বাধীনতাকালত এই অঞ্চলৰ পৰাই জীৱন আৰু জীৱিকাৰ তাগিদাত বিশেষকৈ ৰাজনৈতিক কাৰণত (শৰণাৰ্থী হিচাপে) অসমৰ দুয়োখন পাৰ্বত্য জিলাৰ লগতে ভৈয়ামৰ বিভিন্ন জিলালৈ হাজংসকল সিঁচৰতি হৈ আছে।

হাজংসকল কৃষিজীৱি। তেওঁলোক অতি পৰিশ্ৰমী। বোকাত লুতুৰি-পুতুৰিকৈ কাম কৰি শস্য উৎপাদন কৰিছিল কাৰণে এসময়ত হাজংসকলক ওচৰ-চুবুৰীয়া গাৰোসকলে 'হাজং' নামটো দিয়ে বুলি কথিত আছে। কাৰণ গাৰোভাষাত হাজং শব্দৰ অৰ্থ মাটিৰ পোক- (হা=মাটি, জ=পোক)। 'হাজং' শব্দটো বৰো ভাষাৰ হা গী-জৌ>হাজৌ বা 'হাজো' শব্দৰ পৰা অহা বুলি কোৱা হয়। 'হাজো' শব্দৰ অৰ্থ ওখ ঠাই। হাজং সকলৰ ঘৰবাৰী বা বাসস্থান লৈ নিৰীক্ষণ কৰিলে স্পষ্ট হয় যে, সাধাৰণতে হাজংসকলে সমতল ভূমিতকৈ কিছু ওখ ঠাই নাইবা পাহাৰৰ নামনিৰ এঢলীয়া কিছু ওখ ঠাইতহে ঘৰবাৰী সজাই ভাল পায়।

হাজংসকলে সমাজপাতি বসবাস কৰে। তেওঁলোকৰ সমাজ তিনিটা পদ্ধতিৰে পৰিচালিত হয়। এইবোৰ হ'ল— (১) গাঁওলা সমাজ, (২) পাঁচ-গাঁও আৰু (৩) জোৱাৰ। গাঁৱৰ সমাজৰ ভিতৰত কোনো দ্বন্দ্ব বা কাজিয়া-পেঁচাল হ'লে প্ৰথমতে গাঁওলা সমাজে নিষ্পত্তি কৰে। যদি কাজিয়া ডাঙৰ হয় তেনেহ'লে সেই কাজিয়া ভাঙিবলৈ পাঁচ গাঁও সমাজ মতা হয়। তাতো যদি উক্ত কাজিয়া নিষ্পন্ন নহয়, তেনেহ'লে জোৱাৰ বা চাক্‌লা সমাজক নিষ্পন্ন কৰিবলৈ ভাৰ অৰ্পণ কৰে।

হাজংসকলৰ ঘৰবাৰী কাঠ, বাঁহ, খেৰ আদিৰে সজা। ঘৰবোৰ প্ৰায় সৰু সৰু আৰু গোবৰেৰে লিপা-মোচা কৰা। ভঁৰাল ঘৰৰ (চাংঘৰ) বাহিৰে পূৰ্বৰ মংগোলীয় লোকৰ অতি প্ৰিয় চাংঘৰৰ বৈশিষ্ট্য ৰক্ষিত হোৱা নাই। গাঁৱৰ মুখীয়াল বা আদৰ্শ গৃহস্থৰ ঘৰ-বাৰী এনেধৰণৰ ঃ (১) মাইজৌ ঘৰ (বৰঘৰ), (২) আখলি ঘৰ (ৰান্ধনি ঘৰ), (৩) গুলিঘৰ (গোহালি ঘৰ), (৪) চাংঘৰ (ভঁৰাল) আৰু (৫) কাছাৰী ঘৰ (চ'ৰাঘৰ)। হাজং আদৰ্শৰ গৃহস্থৰ ঘৰবাৰী বুলিলে সেয়ে পাঁচোটা কোঠাৰ ঘৰকে বুজোৱা হয়। মাইজৌঘৰৰ আকৌ কমেও দুটা 'খপৰা' (কোঠালি) থাকে। আখলি ঘৰ ৰন্ধা বঢ়া কৰাত, গুলিঘৰ গৰু বা ম'হ ৰখাত, চাংঘৰ ধান থোৱাত ব্যৱহাৰ হয়। হাজংসকলৰ 'কাছাৰী ঘৰ' আচলতে পূৰ্বৰ ডেকা চাং সদৃশ। বৰ্তমান গাঁৱৰ স্বচ্ছল ব্যক্তি বা গৰাকীয়েহে 'কাছাৰী ঘৰ' সাজি দিয়ে যদিও তাত গাঁৱৰ চেমনীয়া ডেকাসকলেহে ৰাত্ৰি যাপন কৰে। এসময়ত এই কাছাৰীঘৰতে হাজং ডেকাসকলৰ বিভিন্ন উৎসৱ আৰু নৃত্য-গীত-বাদ্যৰ আখৰা হৈছিল। প্ৰাথমিক পৰ্যায়ৰ বিচাৰ নিষ্পত্তি কৰাৰ ক্ষেত্ৰত যি ঘৰ ব্যৱহাৰ কৰা হয়, সেই ঘৰক 'কাছাৰী ঘৰ' বোলে।

হাজং তিৰোতাসকল পুৰুষৰ দৰে পৰিশ্ৰমী। তেওঁলোক কঠিয়া তোলা, ভূঁইৰুৱা, ধান দোৱা, খৰিলুৰা, জাকৈ মৰা আদি সকলো কামতে পাকৈত। তেওঁলোক একোগৰাকী

সুনিপুণ শিপিনী। তেওঁলোকৰ পৰম্পৰাগত তাঁতশাল 'বানা'ত তেওঁলোক সাত বৰণৰ, ৰংচঙীয়া পাটানি (মেথনি) বৈ লয়। ইয়াৰ উপৰিও তেওঁলোকে ৰংচঙীয়া পাটিন (মেথনি) পিন্ধি গাত ফুলা আগুৰুণ বা ফুলা পাছৰা লৈ 'হাজং খোপা' বান্ধি হাজং গাভৰুসকলে উছৱ-পাৰ্বণত ভাগ লয়। আনহাতে, ফুল পাছৰাত 'হুৰুম' (মুৰি) বা খৈ (ধানৰ আখৈ)ৰ টোপোলা ডাঙৰকৈ পিঠিত বান্ধি লৈ গুষ্ঠি খাবলৈ (আলহী খাবলৈ) যাবলৈ হাজং তিৰোতাই বৰ ভাল পায়।

হাজংসকলৰ পুৰুষে সাধাৰণতে আঠুমূৰীয়া গামোছা ভিচা/ভিজা/নেংটি পিন্ধে। ই সাধাৰণতে নীলা, সেউজীয়া আৰু বগা ৰঙেৰে পখৰা-চিখৰাকৈ বৈ লোৱা। হাজং পুৰুষসকল বৰ পৰিশ্ৰমী। তেওঁলোক কৃষি কামৰ বাহিৰেও মাছধৰা, চিকাৰ কৰা আৰু অন্যান্য কামতো পটু।

হাজংসকল এসময়ত জড়োপাসক আছিল; কিন্তু বৰ্তমান তেওঁলোক হিন্দু। বহু পূৰ্বৰপৰা তেওঁলোক হিন্দু ধৰ্মৰ সৈতে অভ্যস্ত হৈ অহাত বৰ্তমান হাজং জনগোষ্ঠীয় ধৰ্ম আৰু হিন্দু ধৰ্মৰ আচাৰ-নীতিৰ সংমিশ্ৰণ ঘটিছে। হাজংসকল এসময়ত মাতৃতান্ত্ৰিক জনগোষ্ঠী আছিল। তেওঁলোকৰ মাতৃতান্ত্ৰিক প্ৰথাৰ চিহ্ন স্বৰূপে গোত্ৰৰ উমান পোৱা যায়। মাতৃতান্ত্ৰিক এই গোত্ৰক হাজংসকলে 'নিকনি' বোলে। তেওঁলোকৰ মাজত ২২টা নিকনি আছে বুলি জনা যায়। যেনে— শিমুলগা, বগেচা, ডিং জোৰৰ, কাট্‌লেগা, পোৰকাছি ইত্যাদি। পিছে সাম্প্ৰতিক কালত হাজংসকলৰ বহুতে নিজৰ মাতৃতান্ত্ৰিক এই 'নিকনি'ৰ নাম ক'ব নোৱাৰে। হিন্দু ধৰ্মীয় লোকৰ লগত সহঅৱস্থান কৰা বাবে আৰু হিন্দু ধৰ্মীয় ধ্যান-ধাৰণাৰে অভ্যস্ত হৈ আহি প্ৰায়ভাগ হাজং লোকে বৰ্ণহিন্দুৰ ব্ৰাহ্মণ্য আচাৰ মানি চলা বাবে হিন্দুধৰ্মৰ পিতৃতান্ত্ৰিক গোত্ৰহে তেওঁলোকৰ মাজতো চলিবলৈ লৈছে। সেয়ে হ'লেও দেখা যায় যে হাজংসকলে নিজৰ পৰম্পৰাগত ঐতিহ্য একেবাৰে পাহৰিব পৰা নাই। যাৰ বাবে ঘৰৰ কোনো শুভ কাম বা অন্যান্য পূজা আদি কৰাৰ পূৰ্বে মাতৃতান্ত্ৰিক 'নিকনি'ৰ নিয়ম অনুসৰি নিজৰ 'নিকনি'ৰ অধিষ্ঠাত্ৰী দেৱতা বা দেৱীক পূজা দিয়ে।

ধৰ্মীয় আচাৰ অনুসৰি হাজংসকল দুই ভাগত বিভক্ত— (১) শাক্ত আৰু (২) খাটল বা বৈষ্ণৱ। যিসকল হাজং লোকে প্ৰাচীন স্বগোষ্ঠীয় পৰম্পৰা নীতি-নিয়মকে মানি আহিছে আৰু আমিষভোজী তেওঁলোক শাক্ত। আনহাতে যিসকলে হিন্দু ধৰ্মত শৰণ লৈ পূজা-পাতল কৰে আৰু নিৰামিষভোজী তেওঁলোকক খাটল বা বৈষ্ণৱ বোলা হয়। কোনো কোনো লোকে এই বৈষ্ণৱ শ্ৰেণীৰ পৰাই উন্নীত হৈ কালক্ৰমে পূজা সেৱা আৰু ধৰ্ম আলোচনাকাৰীৰ মৰ্যাদা লাভ কৰি 'অধিকাৰী' হয়। হাজংসকলৰ সামাজিক ক্ৰিয়া-কাণ্ডত সাধাৰণতে এই অধিকাৰীসকলে পৌৰোহিত্য কৰে। আজিকালি অৱশ্যে বিশেষ ব্ৰাহ্মণ পুৰোহিতৰো সহায় লোৱা হয়।

হাজংসকলৰ বিবাহ তিনি প্ৰকাৰৰ। যেনে— (১) সামাজিক বিবাহ, (২) সাঙা (হাভা) বিবাহ আৰু (৩) দায়পাৰা বা ঠেংপাৰা। সমাজৰ মানুহৰ যোগেদি প্ৰস্তাৱ দি সামাজিক নিয়মমতে যি বিবাহ সম্পাদন হয় সি সামাজিক বিবাহ। দ্বিতীয়তে এজন বৰলা আৰু এজনী বিধবাৰ যি বিবাহ হয় তাকে সাঙা বিবাহ বোলে। তৃতীয়তে ডেকা-গাভৰুৰ মাজত যি প্ৰণয়ঘটিত গোপন বিবাহ হয়, সিয়েই 'দায়পাৰা' বা 'ঠেং পাৰা' বিবাহ।

আচলতে সমাজৰ পৰা পূৰ্ব অনুমতি নোলোৱাকৈ ডেকা-গাভৰুৰ মাজত অবৈধভাৱে মিলন হ'লেই তাক 'দায়পাৰা' বুলি কোৱা হয়। ইয়াৰ বাবে 'দায়পাৰা' ডেকা-গাভৰুৱে সমাজৰ ওচৰত দণ্ড ভৰিব লাগে আৰু তাৰ পিছত সামাজিকভাৱে উদ্ধাৰ পৰাচিত হৈ সমাজৰ দাবী অনুসৰি এসাঁজ খাৱন দি পুনৰ সমাজভুক্ত হ'ব পাৰে।

সমাজত একে 'নিকনি'ৰ মাজত (সগোত্ৰ) বিবাহ নিষিদ্ধ। সামাজিক বিবাহ ষাহু (ঘটক)ৰ দ্বাৰাই ঠিক-ঠাক কৰে। এই বিবাহ দৰাৰ ঘৰতো হ'ব পাৰে আৰু কইনাৰ ঘৰতো হ'ব পাৰে। বিবাহত সাত বা নজনী সধবা 'আয়ৰক' (আয়তী), 'ধনি মাও'-ধনিবাপ (ধৰ্ম পিতা-মাতা), দৰাৰ মিতা বা সখি, কইনাৰ পিতৃ বা ভ্ৰাতৃৰ ভূমিকাই মুখ্য। অধিবাসৰ নিশা অধিকাৰীৰ পৌৰোহিত্যত বিবাহ অনুষ্ঠিত হয়। পিছদিনা আকৌ দিনৰ ভাগত আমন্ত্ৰিত আলহী-অতিথিৰ কাৰণে বিবাহ অনুষ্ঠিত হয়। প্ৰথম অনুষ্ঠিত নিশাৰ বিয়াক 'ভৰ বিয়া' আৰু পিছদিনা অনুষ্ঠিত দিনৰ ভাগৰ বিবাহক 'বাহী বিয়া' বোলা হয়। 'বাহী বিয়া'ত নিমন্ত্ৰিত আত্মীয়-কুটুম্বই যৌতুক উপহাৰ আগবঢ়ায়। ল'ৰাই ঘৰজোঁৱাই নগ'লে পিছত ছোৱালীয়ে ল'ৰাৰ ঘৰলৈ যায় আৰু দৰাৰ পৰিয়ালভুক্ত হয়। আনহাতে ঘৰজোঁৱাই বিয়াত দৰাহে কইনাৰ পৰিয়ালভুক্ত হয়।

হাজংসকলৰ শিশু জন্ম হ'লে অশৌচ মানে। সাধাৰণতে পুত্ৰ সন্তান হ'লে পাঁচদিন আৰু কন্যা-সন্তান হ'লে সাত দিনৰ দিনা নৱজাত শিশুৰ ক্ষৌৰ কৰ্ম কৰি অশৌচ খেদোৱা হয়। কোনো মানুহ মৰিলে হাজংসকলে কোনো কোনোৱে বাৰ দিন আৰু কোনো কোনোৱে দহ দিনৰ দিনা ক্ষৌৰ কৰ্ম কৰে আৰু পিছদিনা অধিকাৰী পুৰোহিতৰ মাতি সমাজ বিদ্যমান শ্ৰাদ্ধ আদি কাৰ্য সমাধা কৰে। হাজংসকলৰ শৱদেহ সৎকাৰ কিছুমানে শ্মশানত দহ কৰে আৰু কিছুমানে মাটিত পুতি থয়।

হাজংসকলৰ সামাজিক-সাংস্কৃতিক জীৱন মংগোলীয় মূলৰ বৰো, ৰাভা, গাৰো আদি জনজাতিসকলৰ দৰেই বাৰেবৰণীয়া আৰু বাৰেৰহণীয়া। জনজাতি হিচাপে একালত সকলো হাজং পৰিয়ালতে দৈনন্দিন সাজত মাছ-মঙহ চলিছিল; কুকুৰা, পাগৰি, বনৰীয়া পহু তেওঁলোকৰ মাজত খাদ্য হিচাপে এতিয়াও প্ৰচলিত। মাছৰ কথাটো ক'বই নালাগে; কাছ, শামুক, কেঁকোৰা-কুচিয়া পৰ্যন্ত তেওঁলোকৰ খাদ্য তালিকাৰ ভিতৰত পৰে। শুকান মাছৰ পৰা প্ৰস্তুত কৰা শুকতি (সিন্দল) তেওঁলোকৰ অতি প্ৰিয় খাদ্য। বাঁহৰ পৰা প্ৰস্তুত বাঁহ গাজ, খৰিচাৰ পৰা আৰম্ভ কৰি বিভিন্ন টেঙা আঞ্জা তেওঁলোকৰ মাজত সমাদৃত। ভাতৰ ভিতৰত বৰা চাউল, তিতামৰা আৰু শোকোতাও তেওঁলোকে ভাল পায়। ভাপত বনোৱা 'বিচিভাত' আৰু গঁজালি মেলা ধানেৰে ৰন্ধা 'বুকলি ভাত' আলহী অতিথি আপ্যায়নৰ বাবে খুবেই প্ৰয়োজনীয়। হাজংসকলৰ প্ৰিয় খাদ্য সম্বন্ধে এষাৰ কথাই আছে—

"দৈ চিৰা, বিচি ভাত
খাৰ পানী, লেবাশাক,
কাওছা মাছাং,
বুকলি ভাত।

(লেবা শাক=পিঠাগুৰি দি ৰন্ধা খাৰৰ আঞ্জা, কাওছা মাছাং=কাছ মাংস, বুকলি ভাত=এবিধ পিঠা জাতীয় ৰুচিকৰ খাদ্য)।

হাজংসকলে ব'হাগত 'সঙৰাণি' বা বিষুবা' বুলি ৰঙালী বিহুটোকে উদ্‌যাপন কৰে। তেওঁলোকে ব'হাগত 'পাগলা বাশুপূজা' উদ্‌যাপন কৰে। সাধাৰণতে একোখন সমাজে কোনো আওহতীয়া ঠাইৰ কোনো গছৰ তলত দেৱ-দেৱীৰ থান শাৰী পাতি সজাই সকলোৰে মিলি পূজা কৰে। থানখনক 'বাইশশালী' বোলা হয়। 'বাশু' দেৱতাৰ লগতে তাত কেইবাগৰাকী দেৱ-দেৱী থাপিত হয়। সেই দেৱ-দেৱীসমূহ হ'ব— 'বাশু', 'কালী', 'কামাখ্যা', 'চৰাবুৰি', 'পাৰলী', 'লক্ষ্মী', হাংহাঙী', 'খাংখাঙী', 'দাদৰী' আদি। হাজংসকলৰ এই বাশু দেৱতাই মূল কাৰণে থানটোক 'বাইশশালী' দেৱী বোলা হয়। হিন্দু ধৰ্মৰ প্ৰভাৱত সংস্কৃতকৰণ কৰি ৰাভাৰ 'বায়খো দেৱী', বৰোৰ 'বাথৌ', সোণোৱাল কছাৰীৰ বাইথ দেৱতাৰ সমপৰ্যায়ৰ, 'বাইশ' দেৱতাকে 'বাশু' হিচাপে পৰিগণিত কৰা যেন লাগে। পূজাত যাৱতীয় সামগ্ৰীৰ লগতে ঘৰুৱা মদৰো প্ৰয়োজন হয়। সাম্প্ৰতিক বৈষ্ণৱ পন্থীসকলে অৱশ্যে বৈষ্ণৱ আচাৰেৰে এই পূজা কৰে।

হাজংসকলে বাৰিষাত 'সাতৰা' বা 'আমতিচুৱা', শাওণত 'বৰত' পূজা বা 'কাণীদেও' পুজা, আহিনত 'যাত্ৰাপূজা', দ্বীপাৱলী-আউলীত 'চৰখেলা' বা 'চৰমাগা' উৎসৱ; কাতিত 'কাতিগাছা' (কঙালী বিহু), পুহৰ শেষদিনা 'পুষনৌ' (মাঘবিহু) আদি পৰম্পৰাগতভাৱে পালন কৰি আহিছে। হাজংসকলৰ নৃত্য-গীতৰ শ্ৰেষ্ঠ উৎসৱ হ'ল— 'চৰখেলা' বা 'চৰমাগা' উৎসৱ। এই উৎসৱ শৰত কালত দ্বীপাৱলী-আউসীৰ পৰা আৰম্ভ হৈ সাত বা ন দিনলৈকে চলে। এই সময়ত গাঁৱৰ ডেকাসকলে ঘৰে ঘৰে নানা ধৰণৰ নৃত্য-গীত গাই গৃহস্থক আশীৰ্বাদ প্ৰদান কৰে আৰু ধান বা চাউল বৰঙণি স্বৰূপে লয়। এই নৃত্যটোৰে হ'ল 'লেৱাটানা নৃত্য'।

হাজংসকল মংগোলীয় নৃ-গোষ্ঠীৰ তথা তিব্বত বৰ্মীয় ভাষা পৰিয়ালৰ বড়ো শাখাৰ অন্তৰ্ভুক্ত হ'লেও তেওঁলোকৰ সাম্প্ৰতিক যি ভাষা সি বৰো, ৰাভা, গাৰো আদি অন্যান্য তিব্বত-বৰ্মীয় জনজাতীয় ভাষাৰ দৰে নহয়। হাজংসকলৰ কথিত ভাষা আৰ্যমূলীয়। অসমীয়া ভাষাৰ সৈতে বিশেষকৈ প্ৰাচীন অসমীয়া বা কামৰূপী উপভাষাৰ সৈতে ইয়াৰ বহুলভাৱে মিল পোৱা যায়। সেয়েহে ড° বাণীকান্ত কাকতিদেৱে তেওঁৰ Assamese : Its Formation and Development নামৰ গৱেষণা গ্ৰন্থত প্ৰাচীন অসমীয়া ভাষাৰ ব্যাকৰণিক ৰূপৰ সৈতে হাজং ভাষাৰ কেইটিমান বৈয়াকৰণিক দিশৰ সাদৃশ্য পোৱাৰ কথা উল্লেখ কৰিছে। ইয়াৰ দ্বাৰা স্পষ্ট হয় যে, হাজংসকল তিব্বত-বৰ্মীয় বড়ো গোষ্ঠীয় ভাষা-ভাষীৰ লোক হোৱা সত্বেও বহু শতাব্দীৰ পূৰ্বতে স্বকীয় ভাষাৰ সৈতে উপভাষাৰ সংমিশ্ৰণ ঘটি তেওঁলোকৰ ভাষাৰ বৰ্তমানৰ এই ৰূপ পোৱা হৈছে।

হাজংসকলে অসমৰ দক্ষিণ-পশ্চিম অঞ্চলৰ গোৱালপাৰা আৰু ধুবুৰী জিলাৰ দক্ষিণপাৰে মেঘালয়ৰ গাৰোপাহাৰৰ পশ্চিম-দক্ষিণাঞ্চল আৰু খাছিয়া পাহাৰৰ দক্ষিণাঞ্চল আৰু পূৰ্বৰ পূৰ্ববঙ্গৰ মৈমনসিং আদি অঞ্চলত অতীজৰে পৰা বসবাস কৰি থকা কাৰণেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ প্ৰৱৰ্তিত ভাগৱতী বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ তেওঁলোকৰ ওপৰত পৰা নাই। বৰং বঙ্গীয় চৈতন্য বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱহে তেওঁলোকৰ ওপৰত পৰিছে। ফলস্বৰূপে চৈতন্যদেৱৰ দ্বাৰা প্ৰৱৰ্তিত এই বৈষ্ণৱ ধৰ্মই হাজংসকলৰ সামাজিক সাংস্কৃতিক দিশত বেছ প্ৰভাৱ পেলাইছে।

হাজংসকলক অঞ্চল হিচাপে (১) দশকাহনীয়া, (২) কৰাইবাৰীয়া, (৩) ছছঙী, (৪) মেছপৰীয়া আৰু (৫) বাৰহাজাৰী— এই পাঁচ ভাগত ভগোৱা হৈছে। এইবোৰৰ ভিতৰত ভাষাৰ ক্ষেত্ৰত দশকাহনীয়া ছছঙী আৰু কৰাইবাৰী শাখাই স্বকীয় বৈশিষ্ট্য অটুট ৰাখিছে। আনহাতে মেছপৰীয়া আৰু বাৰহাজাৰী শাখাক গোৱালপৰীয়া ভাষাৰ পশ্চিম আঞ্চলিক ভাষাৰ ৰূপত মিলি একাকাৰ হোৱা বুলি ক'ব পাৰি।

হাজংসকল এনেদৰে এসময়ত এচুকত থাকিলেও বৰ্তমান অসমৰ ভৈয়ামৰ প্ৰায়ভাগ জিলাৰ ভিতৰুৱা বিভিন্ন অঞ্চলত সিঁচৰতি হৈ পৰিছে। এসময়ত সকলো দিশত টনকিয়াল হাজং জনজাতীয় লোকৰ যি স্বকীয় সাংস্কৃতিক ৰূপ বিদ্যমান আছিল আৰ্জি অৰ্থনৈতিক দুৰৱস্থাৰ বাবে হাজংসকলৰ স্বকীয় সাংস্কৃতিক ৰূপটো তেনেদৰে পৰিস্ফুট হৈ উঠা দেখা নাযায় বুলিব পাৰি।

## আত্মমূল্যায়ণ প্ৰশ্ন

(১) অসমৰ জনজাতিসমূহক সাংস্কৃতিক জীৱন আৰু ধৰ্মীয় ৰীতি-নীতিৰ ভিত্তিত কেইটা ভাগত ভগাব পাৰি? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

(২) অসমৰ কোনকেইটা পাৰ্বত্য জনজাতি ঝুম খেতিৰ ওপৰত নিৰ্ভৰশীল? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

## ৩.৭ সাৰাংশ (Summing Up)

অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। যুগ যুগ ধৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক উপাদানসমূহৰ আদান-প্ৰদান আৰু বিনিময়ৰ যোগেদি সাংস্কৃতিক সমাহৰণ ঘটিছে আৰু সংস্কৃতি গ্ৰহণৰ মাধ্যমেদি পৰিৱৰ্তিত ৰূপত বৃহত্তৰ অসমীয়া সংস্কৃতিয়ে বৰ্ণাঢ্য ৰূপ পৰিগ্ৰহ কৰিছে। সেইবাবেই কোন জনগোষ্ঠীৰ মাধ্যমেদি কোনবিধ উপাদান অসমীয়া সংস্কৃতিত প্ৰৱেশ কৰিছে, সেই কথা খাটাঙকৈ ক'ব নোৱাৰি।

এই বিভাগটিৰ আলোচনাৰ পৰা এইটো কথা স্পষ্ট হ'ল যে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত দেউৰী, মিছিং, সোণোৱাল-কছাৰী আৰু হাজং জনজাতিৰ অৱদান উল্লেখযোগ্য। সকলো জনজাতিৰ সংস্কৃতিৰ সংমিশ্ৰণতে বৃহত্তৰ অসমীয়া সংস্কৃতিয়ে

গঢ় লৈ উঠিছে। ভাষা সাহিত্য লোকসংস্কৃতি সংগীত নৃত্য আদিত চহকী এই জনজাতি সকলৰ অৱদানে অসমীয়া সংস্কৃতিত মহীয়মান কৰি তুলিছে।

## ৩.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) সোণোৱাল কছাৰীসকলৰ সংস্কৃতিৰ বিষয়ে চমুকৈ লিখক।

২) হাজংসকলৰ সংস্কৃতিৰ চমু পৰিচয় দিয়ক।

৩) অসমৰ পাহাৰীয়া আৰু ভৈয়ামত বসবাস কৰা জনজাতিসকলৰ মাজত সাংস্কৃতিক দিশত কোনবোৰ মিল-অমিল ধৰা পৰে ফঁহিয়াই দেখুৱাওক।

৪) ঝুমখেতিৰ ওপৰত নিৰ্ভৰশীল পাৰ্বত্য জনজাতিবোৰৰ বিষয়ে চমুকৈ লিখক।

৫) খেৰাই উৎসৱ কি? কোন জনগোষ্ঠীৰ মাজত এই উৎসৱ পালনৰ পৰম্পৰা প্ৰচলিত আছে। ইয়াৰ লগতে সাদৃশ্য থকা অসমৰ আন আন উৎসৱৰো উল্লেখ কৰি এটি তুলনামূলক আলোচনা দাঙি ধৰক।

৬) অসমৰ জনজাতিসকলৰ মাজত প্ৰচলিত বিবিধ লোকাচাৰৰ বিষয়ে চমুকৈ লিখক।

৭) কোন জনগোষ্ঠীৰ মাজত অতীজতে কেঁচাইখাতী গোঁসানীৰ পূজা কৰা পৰম্পৰাৰ প্ৰচলন আছিল আৰু বৰ্তমান ইবোৰক কি ৰূপত প্ৰৱৰ্তি আএছ লিখক।

৮) বয়ন শিল্পত চহকী অসমৰ দুটিমান জনগোষ্ঠীৰ সাজপাৰৰ আৰু বয়ন শিল্পৰ বিষয়ে চমুকৈ লিখক।

৯) দেউৰী আৰু মিছিংসকলৰ লোকগীত সম্পৰ্কে এটি চমু আলোচনা আগবঢ়াওক।

১০) সোণোৱাল কছাৰীসকলৰ ধৰ্ম বিশ্বাস আৰু লোক বিশ্বাস সম্পৰ্কে চমুকৈ লিখক।

১১) দেউৰীসকলৰ বসতিস্থান সম্পৰ্কে এটি নাতি-দীৰ্ঘ আলোচনা আগবঢ়াওক। অসমীয়া সমাজ জীৱনলৈ এওঁলোকৰ সাংস্কৃতিক অৱদানৰ বিষয়েও উল্লেখ কৰক।

## ৩.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Books)


কাকতি, বাণীকান্ত ঃ পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, ১৯৯৫

কাগয়ুং, ভৃগুমণি (সম্পা) ঃ মিছিং সংস্কৃতিৰ আলেখ্য, ১৯৭০

গগৈ, লীলা ঃ অসমৰ সংস্কৃতি, ১৯৮৬

— ঃ টাই সংস্কৃতিৰ ৰূপৰেখা, ১৯৭১

গোস্বামী, প্ৰফুল্লদত্ত ঃ অসমীয়া জনসাহিত্য, ১৯৮৬

— ঃ বাৰ মাহৰ তেৰ গীত, ১৯৬২

গোস্বামী, সত্যেন্দ্ৰনাৰায়ণ ঃ অসমীয়া সাজিত্য আৰু সংস্কৃতিৰ সমীক্ষা, ১৯৭১

চুতীয়া, ৰামচন্দ্ৰ : পৰ্বতীয়া মিৰি, ১৯৮১
চাত্তাৰ, আব্দুচ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি
টেৰণ, লংকাম : কাৰ্বি জনগোষ্ঠী, ১৯৭৪
তেৰাং, ৰংবং : সমন্বয় প্ৰবাহ, ১৯৮৯
দত্ত, বীৰেন্দ্ৰ নাথ (সম্পা) : চিফুং গুংগাং, ১৯৮৬
দাস, ভুবনমোহন (সম্পা) : অসমীয়া জাতিৰ ইতিবৃত্ত
: অসমীয়া মানুহৰ নৃ-বৈজ্ঞানিক পৰিচয়
দেউৰী, মনেশ্বৰ : মৰিগাঁও জিলাৰ লোক সংস্কৃতি, ১৯৯৪
নাথ, ৰাজমোহন : গৌৰৱময় অসম, ১৯৪৯
নাৰ্জি, ভবেন : বৰো কছাৰীৰ সমাজ আৰু সংস্কৃতি, ১৯৬৬
নাথ, প্ৰফুল্ল কুমাৰ : অসমীয়া সাজিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা, ২০০৪
নাথ, ভৰকান্ত : নাথযোগী সংবাদ, ১৯৯৫
নেওগ, মহেশ্বৰ : পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, ১৯৬৬
— : পবিত্ৰ অসম, ১৯৬৯
পাদূন, নাহেন্দ্ৰ : অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি, ১৯৮৮
বৰদলৈ, নিৰ্মলপ্ৰভা : অসমৰ লোক-সংস্কৃতি, ১৯৭২
— : কাৰ্বি সমাজ আৰু সংস্কৃতিৰ এচেৰেঙা, ১৯৮২
বৰা, প্ৰশান্ত : নাথ ধৰ্ম-দৰ্শন আৰু সংস্কৃতি, ২০০৫
বৰুৱা, অতুল চন্দ্ৰ : মনসাকাব্য আৰু ওজাপালি, ১৯৭৬
বৰুৱা, বিৰিঞ্চি কুমাৰ : অসমীয়া ভাষা আৰু সংস্কৃতি, ১৯৫৭
— : অসমৰ লোক সংস্কৃতি, ১৯৮৫
বৰুৱা, প্ৰহ্লাদ কুমাৰ (সম্পা) : অসমীয়া লোক-সাহিত্য, ২০০১
ভট্টাচাৰ্য, প্ৰমোদচন্দ্ৰ (সম্পা) : অসমৰ লোক উৎসৱ, ১৯৬৯
— : অসমৰ জনজাতি, ১৯৬২
ৰাভা, ৰাজেন : ৰাভা জনজাতি, ১৯৭৪
— : ৰাভা লোক গীত, ২০০১
ৰাভা, হাকাচাম, উপেন : অসমৰ জনজাতীয় সংস্কৃতি, ২০০৫
— : ৰাভা লোক সংস্কৃতি, ২০০৬
ৰাভা, ধনঞ্জয় : ৰাভা জনজাতিৰ চমু ইতিহাস, ১৯৯৮
শৰ্মা, নবীন চন্দ্ৰ : অসমৰ লোকসংস্কৃতিৰ চমু আভাস, ১৯৯৫
শৰ্মা, শশী : অসমৰ লোক সাহিত্য, ১৯৯৩
শৰ্মা, হেমন্ত কুমাৰ : অসমীয়া লোকগীতি সঞ্চয়ন, ১৯৭৮
শইকীয়া, ললিত কুমাৰ : সোণোৱাল কছাৰী সংস্কৃতি, ১৯৮১
সৰকাৰ, হৰিমোহন : বহুৰঙী গীতৰ আঁচলত, ১৯৬৫

— : ৰাভা সমাজ আৰু সংস্কৃতিৰ আভাস, ১৯৮১
সোণোৱাল, গগন চন্দ্ৰ : সোণোৱাল সাধু, ১৯৯৫
হাজং, পৰেশ চন্দ্ৰ : হাজং জাতি আৰু কৃষ্টিৰ আভাস, ২০০০
হাজৰিকা, অতুল চন্দ্ৰ : উৎসৱৰ ভোগজৰা, ১৯৬৫
— : উৎসৱৰ ৰংচ'ৰা, ১৯৬৩
হাজৰিকা, পৰীক্ষিত : চৰ্যাপদ, ১৯৯৯
হাজৰিকা, সূৰ্যকান্ত (সম্পা) : সংস্কৃতি সঞ্চয়ন, ১৯৮০
হাঞ্চে, ছামছিং : ছাবিন আলুন, ১৯৮৬
AIRTSC : Socio Economic Conditions of the Kaibartas of Assam, A Case Study, 1994.
Ali, ANM Irsad : Adoptation among the Bodo Kacharis, 1973
Anderson, J. D. and Athparia, R. P. : Kachari Folktales, 1911
Buzarbarua, M : Social and Cultural life of the Mishing of Assam, 1991
Bakht, Humayan : A Sociological Study of Bodo Movement, 1989
Bondapadhyay, P. K. : The Tai Phakes of Assam, 1983
Baruah, H. : History and Culture of the Khasi People, 1969
Barkakati, S. N. : Tribal Folktales, 1971
Baruah, H. C. : Marriage Customs of the People of Assam, 1895
Barua, B. K. : A Cultural History of Assam, 1969
Baruah, K. L. : Early History of Kamrupa, 1966
Brahma, M. M. : Folk song of the Bodos, 1966
Chetterjee, S. K. : Kirat-Jana-Krti, 1974
Choudhury, P. C. : The History of Civilization of the People of Assam, 1966
Croke, William : The People, Religion and Folklore of Northern India, 1978
Dorson, R. M. : Folklore and Folklife : An Introduction, 1972
Das, J : Folklore of Assam, 1973
Dundes, Alen : Essays in Folkloristics, 1978
Datta, B. N. (at.al.,ed.) : A Handbook of Folkore Materials of North-East India, 1994
Dutt, K. N. (Ed) : Aspects of the Heritage of Assam, 1959

| | | |
|---|---|---|
| Goswami, P. | : | Ballads and Tales of Assam, 1980 |
| – | : | The Spring time Bihu of Assam, 1966 |
| Kakati, B. | : | Visnuite Myths and legends, 1982 |
| – | : | The Mother Goddess Kamakhya, 1967 |
| Kabiraj, Gopinath | : | Some Aspects of the History and Doctrine of the Naths |
| Mipun, L. | : | The Mishins (Miris) of Assam : Development of a New Lifestyle, 1992 |
| Nath, Rajmohan | : | The Background of Assamese Culture, 1948 |
| – | : | Pre-vedic Kamrup, 1958 |
| Playfair, M. A. | : | The Garos, 1909 |
| Rabha, Rajen | : | The Rabhas, 2002 |
| Sen, Sipra | : | Tribes and Castes of Assam, 1999 |
| Vidyarathi, L. P. | : | Art and Culture of North-East India, 1993 |
| Waddell, L. A. | : | The Tribes of the Brahmaputra Valley, 1900 |
| Tylor, E. B. | : | Primitive Culture, 1974 |

# চতুৰ্থ বিভাগ
# অসমৰ জাতি আৰু তেওঁলোকৰ সংস্কৃতি

**বিভাগৰ গঠন ঃ**

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ কোচ-ৰাজবংশী
৪.৪ কলিতা জনগোষ্ঠী
৪.৫ নাথ-যোগী সম্প্ৰদায়
৪.৫.১ যোগী জাতিৰ প্ৰকাৰভেদ
৪.৫.২ নাথ-যোগী সংস্কৃতিৰ চমু পৰিচয়
৪.৬ সাৰাংশ (Summing Up)
৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

## ৪.১ ভূমিকা (Introduction)

অষ্ট্ৰিক আৰু মংগোলীয় নৃ-গোষ্ঠীৰ পিছতে কিছু পৰৱৰ্তী কালত সামান্তৰালভাৱে দ্ৰাবিড় আৰু আৰ্য নৃ-গোষ্ঠীৰ লোকসকলৰ অসমলৈ প্ৰব্ৰজন ঘটে। পুৰণি অসমত বসবাস কৰি বিভিন্ন জনগোষ্ঠীসমূহৰ ভিতৰত আলপাইন জনগোষ্ঠীৰ অন্তৰ্গত কলিতাসকলে বিশেষ প্ৰাধান্য লাভ কৰিছে। ইতিহাস, জনশ্ৰুতি, কিম্বদন্তি আদিৰ অন্তৰালত কলিতা, কোচৰাজবংশী আদি বিবিধ জনগোষ্ঠীৰ বিষয়ে যিমানবোৰ কাহিলীৰ প্ৰচলন আছে সেইবোৰে এই জনগোষ্ঠীসমূহৰ প্ৰাচীনত্বৰেই ইংগিত দিয়ে। যিদৰে নাথ যোগী সিদ্ধসকলৰ সহযোগিতাই যোগতান্ত্ৰিক, শৈৱ-যোগ ধৰ্ম প্ৰচাৰত অৰিহণা যোগাইছিল, অনুৰূপভাৱে সেই সময়তে কলিতা আৰু কৈৱৰ্তসকলৰ সহযোগিতাত বৌদ্ধ-সহজীয়া ধৰ্মমতে কামৰূপত বিশেষ গুৰুত্ব লাভ কৰিছিল।

এই বিভাগটিত এই জনগোষ্ঠীসমূহৰ গীত-নৃত্য-বাদ্য, লোকাচাৰ, লোকৰীতি, উৎসৱ-পাৰ্বণ আদিৰ বিষয়ে আলোচনা কৰি অসমীয়া সংস্কৃতিৰ পৰিপূৰ্ণ বিকাশত সকলোকে অংশীদাৰ হ'বলৈ প্ৰেৰণা যোগোৰাৰ লগতে জনগোষ্ঠীসমূহৰ ঐতিহ্য, পৰম্পৰা, সংস্কৃতি সম্পৰ্কে অৱগত কৰি পৰস্পৰৰ মাজত সহযোগিতাৰ ভাৱ আৰু পৰম্পৰাগত ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱ বৃদ্ধি কৰিবলৈ প্ৰয়াস কৰা হৈছে।

## ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ পাছত আপুনি—

- কোচ ৰাজবংশী জনগোষ্ঠীৰ বিস্তৃতি সম্পৰ্কে জ্ঞাত হোৱাৰ লগতে তেওঁলোকৰ সংস্কৃতিৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব,

- কলিতা জাতিৰ ইতিহাস আৰু সংস্কৃতিৰ বিভিন্ন দিশৰ বিষয়ে পৰ্যালোচনা কৰিব পাৰিব,
- অসমৰ বিভিন্ন স্থানত বসবাস কৰি থকা নাথ-যোগীসকলৰ বিভিন্ন প্ৰকাৰভেদৰ লগতে সংস্কৃতিৰ বিভিন্ন দিশবোৰৰ বিষয়ে বুজিবলৈ অৱকাশ পাব।

## ৪.৩ কোচ-ৰাজবংশী

অসমৰ বৰ্ণিল সংস্কৃতিত বিভিন্ন জাতি-জনগোষ্ঠীয়ে বিৰাজ কৰি আছে। তেনে এক জনগোষ্ঠী হ'ল কোচ-ৰাজবংশীসকল। তেওঁলোক অসমৰ অতি প্ৰাচীন জনগোষ্ঠী। বৃহত্তৰ কামৰূপী সংস্কৃতিৰ অন্যতম ধ্বজাবাহী হ'ল কোচ-ৰাজবংশীসকল। কোচ-ৰাজবংশীসকল তিব্বত-বৰ্মী ফৈদৰ বড়ো জনগোষ্ঠীয় মূলৰে। এসময়ত কমতা ৰাজ্য কোচ বংশীয় ৰজাই ৰাজত্ব কৰিছিল কাৰণেই এই বংশৰ লোক আৰু তেওঁলৰ অনুগামীসকল কোচ-ৰাজবংশী নামেৰে পৰিচিত হয়। গোৱালপাৰা জিলা আৰু উত্তৰবঙ্গই কোচ-ৰাজবংশীসকলৰ প্ৰাচীন বাসস্থান আছিল যদিও বৰ্তমান সমগ্ৰ অসমতে তেওঁলোক সিঁচৰতি হৈ আছে।

সমাজ বিৱৰ্তন আৰু সভ্যতাৰ ক্ৰমবিকাশত এই আদিম জনগোষ্ঠীটোৱো অন্যান্য জনগোষ্ঠীৰ দৰে আচাৰ-বিচাৰ, ৰীতি-নীতি, ধ্যান-ধাৰণাত আৰ্য-অনাৰ্যৰ প্ৰভাৱ পৰা দেখা যায়। এই কথা আমি সকলোৱে জানে যে সংস্কৃতি চিৰপ্ৰবহমান। অসমৰ সাহিত্য-সংস্কৃতিৰ ইতিহাসত ৰাজদৰবাৰৰ পৰা গ্ৰাম্য জীৱনলৈ বিভিন্ন পৰিক্ৰমাত কোচ-ৰাজবংসীসকলৰ পৰশ বিৰাজমান। তেওঁলোকৰ মাজতে 'কোচ' হিচাপে এটা বেলেগ আৰু ৰাজবংশী হিচাপে এটা বেলেগ দুটা ঠাল, ঠাই বিশেষে পোৱা যায়। অইন জনজাতীয় মূলৰ লোকে হিন্দু ধৰ্মৰ বিভিন্ন পন্থাৰ প্ৰতি অনুৰক্ত হৈ শৰণ-ভজন লোৱাৰ পিছত সৰু কোচ, বৰকোচ, হেৰেমীয়া বা মদাহী কোচ আদি নাম পায় বুলি সমাজবিদসকলে ক'ব বিচাৰে। কোচ-ৰাজবংশী জনগোষ্ঠীৰ সমাজ ব্যৱস্থাত চাৰিটা সামাজিক স্তৰ দেখা পোৱা যায়। যেনে— (১) সাপ্তা, (২) লেপ্তা, (৩) গোপ্তা। কোচ-ৰাজবংশী গোষ্ঠী এটা হ'লেও তেওঁলোকৰ স্তৰভেদে পাৰিবাৰিক নিয়ম-নীতিৰ বহুতো পাৰ্থক্য আছে। অতীজত এই নিয়ম বেছি প্ৰকট আছিল যদিও আজিকালি ই শিথিল হৈছে। মূলতঃ এই চাৰিটা স্তৰ নতুন ধানৰ আগ অনাক কেন্দ্ৰ কৰি গঢ়ি উঠিছে। এই চাৰিস্তৰ আচলতে চাৰি ধামহে (১) মহাপুৰুষীয়া, (২) দামোদৰীয়া, (৩) চৈতন্যপন্থীয়া আৰু (৪) হৰিদেৰীয়া। আজিকালি প্ৰায় ক্ষেত্ৰতে এই চাৰিস্তৰ একাকাৰ হোৱা দেখা যায় আৰু অন্যান্য নতুন ধৰ্মৰ সংযোজন দেখা যায়। কোচ-ৰাজবংশীৰ সমাজ ব্যৱস্থাত মাতৃৰ গুৰুত্ব যথেষ্ট যদিও তেওঁলোক পিতৃতান্ত্ৰিক। ঠায়ে ঠায়ে ৰাজ-পৰম্পৰা এতিয়াও আছে অৰ্থাৎ গাঁওবুঢ়াৰ নেতৃত্বত পৰিচালিত ৰজাঘৰ আছে। কোচ-ৰাজবংশীসকলে পূৰ্বপুৰুষৰে পৰা কিছুমান নিয়ম মানি চলি আহিছে। যেনে— তেওঁলোকৰ ঘৰৰ চোতালত মাটিৰ ঢিপ বা থান থাকে। এই ঢিপ বা থানৰ কাষত এজোপা তুলসী গছ ৰোৱে আৰু সদায় তাত চাকি-বন্তি লগায়। কিছুমানৰ ঘৰৰ চৌহদত বিষহৰিৰ থানো থাকে। কোচ-ৰাংজবংশীসকলে বিভিন্ন পূজা-পাতলৰ

উপৰিও শংকৰী আৰ্হিত নাম-কীৰ্তন কৰে। কোচ-ৰাজবংশীৰ ঘৰত পুত্ৰ সন্তান জন্মিলে পাঁচ দিনত আৰু কন্যা সন্তান জন্মিলে চাৰিদিনত জাতক পেলোৱা নিয়ম আছে।

তেওঁলোক প্ৰধানতঃ শৈৱ আৰু শাক্ত পন্থাৰ অনুগামী আছিল। অৱশ্যে তেওঁলোক প্ৰাচীন কালৰে পৰা দেৱ-দেৱীৰ পূজা-পাতল কৰিছিল। এই দেৱ-দেৱীৰ ভিতৰত মা মনসা বা পদ্মা বা বিষহৰি পূজা কৰাটো তেওঁলোকৰ অন্যতম ধৰ্মীয় ৰীতি। এই পূজাৰ বাবে গোটা মাৰাই, লাখল মাৰাই, ধূম কীৰ্তন আদি কৰে। এই পূজাত নৃত্য-গীত হয়, যাক 'পদ্মপুৰাণ গাওন (গান)' বোলা হয়। এনে নত্য-গীতৰ আন কেইটামান অনুষ্ঠান হ'ল— 'মুখ পুৰাণ' (মুখ 'জোৰানী গাওণ'), 'জাগেৰ গাওন' বা 'জাগ পুৰাণ', 'বাশী পুৰাণ', 'কুশান গাওন', 'খাৰাতাল', 'নামাতি গাওন' (বিয়া নাম), 'কাতিকা পূজা', 'পাতি নাম', 'ধুপালী নাম', 'ঝালি মাটি গাওন' ইত্যাদি। এই নৃত্য-গীতবোৰে কোচ-ৰাজবংশী জনগোষ্ঠীৰ প্ৰাচীন ঐতিহ্য বহন কৰে। এই চহকী লোকাচাৰে মহাপুৰুষ শংকৰ-মাধৱক অংকীয়া নাটৰো সমল যোগাইছিল।

**বাঁশ পূজা ঃ** কোচ-ৰাজবংশীসকলৰ এক অন্যতম উৎসৱ। ই মদন-কামদেৱ পূজাৰে নামান্তৰ। এই পূজা পূৰ্ণাঙ্গ ৰূপত পাতিবলৈ হ'লে ১০৮ ডাল বাঁহ লাগে। প্ৰত্যেকডাল বাঁহ দেৱ-দেৱীৰ নামত সজোৱা হয়। পূজাত দেওধা থাকে। অশুভ নাশৰ বাবেই মূলতঃ এই পূজা কৰা হয়। কাৰ্তিক পূজাৰ সময়ত কোচ-ৰাজবংশী মহিলাসকলে পালন কৰা আন এক পূজা হ'ল কাতিকা পূজা। অনুৰূপভাৱে হুদুম পূজা বা হুদুমদেউৰ পূজা কৰে। এই পূজাৰ যাৱতীয় বিধি ব্যৱস্থা মহিলাৰ মাজতে সীমাবদ্ধ। কাতিকা পূজা বা হুদুম পূজাৰ অনুষ্ঠান পুৰুষৰ বাবে নিষিদ্ধ। কোচ-ৰাজবংশীসকলৰ মাজত প্ৰাচীন আৰ্যভিন্ন দেৱ-দেৱীৰ পূজা এতিয়াও চলি আহিছে। কোচ-ৰাজবংশীৰ 'মাৰাই' আৰু বৰোৰ 'খেৰাই'ৰ মাজত বিশেষ মিল আছে। কোচ-ৰাজবংশী জনগোষ্ঠীৰ মাজত দেৱতাৰ পূজাতকৈ দেৱীৰ পূজা বেছিকৈ দেখা পোৱা যায়।

অন্যান্য জনগোষ্ঠীৰ কৃষিকেন্দ্ৰিক পূজা-উৎসৱৰ তুলনাত কোচ-ৰাজবংশীসকলৰ কম। তথাপি তেওঁলোকৰ কৃষিকৰ্মৰ লগত জড়িত এক উৎসৱ হ'ল 'কাতিগাছা'। কাতি মাহৰ দোমাহীক কোচ-ৰাজবংশীসকলে 'কাতিগাছা' হিচাপে পালন কৰে। তেওঁলোকৰ প্ৰধান জীৱিকা যিহেতু কৃষি সেয়ে ধানক তেওঁলোকে লক্ষ্মী দেৱী জ্ঞান কৰে। কাতি মাহত ধানৰ পথাৰত গছা অৰ্থাৎ বন্তি জ্বলাই পালন কৰে বাবে 'কাতি গাছা'। কাতিগাছাত ঔটেঙাৰ খোলত বনিজ জ্বলোৱা আৰু তুলসী তলত নকৈ কাটি অনা বাঢ়নীক দেৱী জ্ঞান কৰি পূজা দিয়াৰ নিয়ম আছে। কিছুমান ঠাইত 'কাতিগাছা'ৰ দিনৰ পৰা গোটেই কাতি মাহটোতে আকাশবন্তি জ্বলোৱা নিয়ম আছে। তেওঁলোকে কাতিমাহক ধৰ্ম মাহ হিচাপে জ্ঞান কৰে।

কোচ-ৰাজবংশীসকলে ভাদ মাহৰ পূৰ্ণিমাত 'হট্টাকি' পালন কৰে। তেওঁলোকে ভাদ মাহৰ চন্দ্ৰৰ পোহৰক কলংক জ্ঞান কৰে। চন্দ্ৰই পাপ কৰাৰ কাৰণে গাত চন্দ্ৰকলংক আছে আৰু তাৰ পোহৰ মানুহৰ গাত পৰিলে তেওঁলোকো কলংকিত হোৱা বুলি ভাবে। সেয়ে তেওঁলোকে 'হট্টাকি' বা 'নষ্টচন্দ্ৰ' পালন কৰি বেলেগৰ ঘৰত 'ময়নাৰ ফল' দলিয়ায়

আৰু গৃহস্থই গালি দিলে কলংক বা পাপ মোচন হয় বুলি ভাবে। তেওঁলোক এই হুট্টাকিত নিশি জাগৰণ কৰে।

'অৰিমাগা' কোচ-ৰাজবংশীসকলৰ আন এক উৎসৱ। আঘোণ মাহৰ পূৰ্ণিমাত তেওঁলোকে আৰিমাগা পাতে। ঠাণ্ডা দিনত জুই পুওৱা অভ্যাসটো বা এলাহৰ দৰে শত্ৰুক নাশ কৰিবৰ বাবে গাঁৱৰ মানুহে লগ হৈ ঘৰে ঘৰে ভিক্ষা খোজে— ধান বা চাউল। তেওঁলোকৰ উদ্দেশ্য অৰি অৰ্থাৎ শত্ৰুক দমন কৰি মানসিক উদ্দীপনাত সংঘবদ্ধভাৱে এই নিয়ম কৰিলে ঠাণ্ডা পলাবলৈ বাধ্য হ'ব অৰ্থাৎ অৰি পৰাহত হ'ব। 'অৰিমাগা' বা 'এউৰিমাগা'ত বিভিন্ন ধৰণৰ গীত-নৃত্য কৰে। গছপাত বা শুকান কলপাত বান্ধি ভালুক সাজি "অৰি অৰি, অৰিৰে মোহ ছোঁ, মোহ (ছয় ৰিপু) মাৰিবা যাংছো" আদি গীত 'অৰিমগাত' গোৱা হয়।

কোচ-ৰাজবংশীসকলে 'দেমাসী' বা 'পুষণা' নামেৰে মাঘ মাহৰ দোমাহীও পালন কৰে। বছৰটোত দোমাহী ছয়টা পৰে। ইয়াৰে মাঘ আৰু বৈশাখৰ দোমাহী তেওঁলোকৰ বাবে তাৎপৰ্যপূৰ্ণ। মাঘৰ দোমাহী তেওঁলোকে তিনিদিনীয়াকৈ পালন কৰে। দোমাহীৰ আগদিনা (উৰুকাত) 'ঘৰবেৰা' বা 'গুৱা পাণ বান্দ' পৰ্ব তাৰপিছত যথাক্ৰমে প্ৰথণ দিনা গৰুৰ দোমাহী, দ্বিতীয় দিনা মানুহৰ দোমাহী আৰু তৃতীয় দিনা চৰাই-চিৰিকতিৰ দোমাহী। এই দোমাহীত পিঠা, জলপান, কাৰাই, চিৰা আদি উপভোগ কৰে। মাঘৰ দোমাহীত তেওঁলোকে ভেলাঘৰ জ্বলায়। ফাগুন মাহৰ ফাকুৱাৰ সময়ত কোচ-ৰাজবংশীসকলে 'ধুলয়াযাত্ৰা' পালন কৰে।

কোচ-ৰাজবংশীৰ এক অন্যতম পৰ্ব হৈছে বিষুৱা বা সাত তিথি। এই উৎসৱ বছৰৰ প্ৰথম মাহ 'বৈশাখ'ত হয়। নতুন বছৰৰ শুভাৰম্ভৰ পৰা সাতদিন ধৰি নানা নীতি-নিয়ম, খাদ্যাখাদ্য আৰু কৰ্মৰে এই উৎসৱ পালন কৰে। এই উৎসৱত অসমীয়াৰ ব'হাগ বিহুৰ দৰে কিছুমান নিয়ম পালন কৰা দেখা যায়। তাৰ ভিতৰত প্ৰথম ব'হাগৰ পৰা সাত ব'হাগলৈ সপ্তৰস পান কৰাটো বিশেষ বিধি স্বৰূপ।

কোচ-ৰাজবংশী জনগোষ্ঠীৰ সংস্কৃতিৰ এক অন্যতম দিশ হ'ল বিবাহ অনুষ্ঠান। পৰম্পৰাগতভাৱে তেওঁলোকে বিয়াত দৰা আৰু কইনাৰ বাবে বস্ত্ৰ আৰু গহনা-গাথৰি তৈয়াৰ কৰি লয়। বিয়াত দৰাই ১০ হাত দীঘল আৰু ১০ ইঞ্চি বহল পাগুৰী পৰিধান কৰিব লাগে। পূৰ্বতে এই পাগুৰী একে ৰাতিৰ ভিতৰত তৈয়াৰ কৰি উলিওৱা হৈছিল। সৃষ্টি-পাতনিৰ ওঁম (অ+উ+ম) শব্দৰ লগত এই পাগুৰীৰ দশ কলাৰ তত্ত্ব নিহিত হৈ আছে। যেনে 'অ'ৰ পৰা উৎপত্তি হৈছে— (১) সৃষ্টি, (২) ঋদ্ধি, (৩) স্মৃতি, (৪) মেধা, (৫) কান্তি, (৬) লক্ষ্মী, (৭) ধৃতি, (৮) স্থিৰা, (৯) স্থিতি, (১০) সিদ্ধি। সেইদৰে 'উ'ৰ পৰা— জ্বৰা, মালিনী, শান্তি, ঈশ্বৰী, ৰতি, কামিকা, বৰদা, আহ্লাদিনী, প্ৰীতি আৰু দীঘ। 'ম'ৰ পৰা— তীক্ষ্ণ, ৰৌদ্ৰী, ভয়, নিদ্ৰা, তন্ত্ৰী, ক্ষুৎ, ক্ৰোধিনী, ক্ৰিয়া, উৎকাৰী আৰু মৃত্যু উৎপত্তি হৈছে। মূৰত পাগুৰী লোৱা মানে সেইদিনাৰ পৰা জীৱনৰ গুৰু দায়িত্ব পালন কৰা। আনহাতে কইনাই বিয়াত 'পঞ্চৰঙী' পাটানী', ডিঙিত 'দোপাটী' পিন্ধিব লাগে। বিয়াৰ আসনত কোচ-ৰাজবংশীৰ কইনাজনী জিলিকি থাকে। কইনাৰ ডিঙিত হাসা,

পেওচি, চন্দ্ৰহাৰ, বেচাহাৰ; কাণত ঝিজিৰি, টনা, ফুলকৰি, উপৰ কাণৰ বালি; নাকত নোত, নাকফুল, নলো; বাহুত কাটাবাজু, কংকন; হাতত খাৰু, মুঠাখাৰু, কাতিলা; ভৰিত ঠেংখাৰু; মূৰত সীতা-পাটি, আঙুলিত চিৰি আংঠি (শ্ৰী আংঠি) পিন্ধি ওলালে তেওঁলোকৰ জাতীয় সৌন্দৰ্যৰ পোহৰ বিকিৰিত হৈ পৰে।

কোচ-ৰাজবংশী মহিলাসকল সূতাকটা আৰু কাপোৰ বোৱাত পাকৈত। তেওঁলোক এড়ি পলু পুহি এৰি সূতা কাটিছিল। ৰন্ধন-কলা আৰু কৃষি-কৰ্মতো মহিলাসকলৰ সমানে পাৰদৰ্শিতা আছে।

কোচ-ৰাজবংশীৰ সংস্কৃতিৰ আন এক দিশ হ'ল জন্ম-মৃত্যুৰ আচাৰ বিধি। ল'ৰা জন্মিলে এদিনত আৰু ছোৱালী জন্মিলে চাৰিদিনত জাতক পেলোৱা নিয়ম তেওঁলোকৰ সমাজত আছে। এই জাতকৰ অশৌচ মাক-দেউতাক আৰু ঘৰৰ পৰিয়ালৰ মাজতে সীমাবদ্ধ থাকে। তেওঁলোকৰ সংস্কাৰমুখী কৰ্মবোৰ হ'ল— জাতকৰ্ম, নামকৰণ, অন্নপ্ৰাসন, চূড়াকৰণ, উপনয়ন, বিয়া আৰু মৃতাত্মাৰ সৎকাৰৰ বাবে কৰা শ্ৰাদ্ধ। এইবোৰ সাধাৰণতে বৈদিক সংস্কাৰেৰে পালন কৰে। অৱশ্যে কোচ ৰজাৰ আমোলৰ পৰাহে এনে হৈছে। এই জনগোষ্ঠীৰ মানুহ মৰিলে শ্মশানত জুইৰে সৎকাৰ কৰে। প্ৰথমে চাঙি সাজি শ্মশানলৈ নিয়ে। এই যাত্ৰাত এটা খেৰৰ জুমুঠি লৈ যায়। মৃত ব্যক্তি শ্মশানলৈ নিওঁতে মূৰটো পিছফালে আৰু ভৰি আগফালে কৰি নিয়ে; যাতে মৃত ব্যক্তিৰ চিৰবিদায়ৰ সময়ত ঘৰৰ ফালে দৃষ্টি নপৰে। এঁৰা সূতাৰ টুকুৰা বাটে বাটে পেলাই যায়। চিতাত পুৰুষ হ'লে ন থাক (খলপ) আৰু মহিলা হ'ল সাত থাক খৰি দি সজায়। বিধি অনুযায়ী এই কৰ্মৰ পিছত দহদিনৰ দিনা দহা আৰু এঘাৰ বা তেৰদিনত শ্ৰাদ্ধ কৰি মৎস্যস্পৰ্শ কৰে। দহাত মুণ্ডন অপৰিহাৰ্য।

কোচ-ৰাজবংশীসকলৰ লোকসাহিত্যৰ ভঁৰালো চহকী। আধ্যাত্মিকমূলক, প্ৰেম-প্ৰীতিমূলক, আখ্যানমূলক, পূজা-পাতলসংক্ৰান্তীয় প্ৰায় কুৰিৰো অধিক প্ৰকাৰৰ লোকগীত এই জনগোষ্ঠীৰ এক অলিখিত সাহিত্যৰ ইতিহাস হৈ আছে। চৰ্যাগীতৰ ভাষা আৰু ৰাগৰ নিদৰ্শন কোচ-ৰাজবংশীৰ গীত-মাতত পোৱা যায়। ফকৰা-যোজনা, যাদু-মন্ত্ৰ আৰু সাধুকতাই এই দিশটোক আৰু অধিক সবল কৰি তুলিছে। বিষহৰি, কাতিকা পূজা, শীতলা পূজা আদি কৃষ্টিয়ে যিদৰে জনপ্ৰিয়তা লাভ কৰিছে সেইদৰে কুশান নৃত্য-গীত, গোৱালিনী নৃত্য, হাতী মাউতৰ গীত, মৈশালগীত নামেৰে জনাজাত ভাওয়াইয়া-চটকা আদিও অসমীয়া সমাজে আদৰি লোৱাটো আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰদৰ্শনৰ সুবিধা লাভ কৰাটোৱে কোচ-ৰাজবংশীৰ কৃষ্টি-সংস্কৃতিৰ সাতামপুৰুষীয়া ঐতিহ্যকে আকৌ এবাৰ প্ৰতিপন্ন কৰিছে। প্ৰাক্ শংকৰী, শংকৰী আৰু উত্তৰ-শংকৰী যুগৰ সাহিত্যসমূহত প্ৰতিফলিত লোকজীৱনৰ চানেকি কোচ-ৰাজবংশীৰ লোকজীৱনতো বিদ্যমান।

## ৪.৪ কলিতা জনগোষ্ঠী

আপোনালোকে জানে যে অসমৰ সৰ্বত্ৰতে বসতিস্থল থকা প্ৰাচীন থলুৱা জনগোষ্ঠীসকলৰ ভিতৰত কলিতাসকলো অন্যতম। এই লোকসকল অঞ্চলভেদে কলিতা,

কোলিতা, কুলতা, কোলতা প্ৰভৃতি নামেৰে পৰিচিত। এই প্ৰসঙ্গতে উল্লেখনীয় যে ওড়িশা অন্তৰ্গত সম্বলপুৰ, বোলাই গড় আদিত কলিতাসকল কোলিতা, কোলতা, কুল্‌তা, কুলিতা ইত্যাদি ভিন্ন ৰূপত পৰিচিত বুলি বাণীকান্ত কাকতিয়ে উল্লেখ কৰি কৈছে। ওড়িশাৰ অন্তৰ্গত বোনাই গড়, সম্বলপুৰ প্ৰভৃতি ঠাইত বসবাস কৰা কলিতাসকলৰ আবয়বিক লক্ষণ অসমৰ কলিতাসকলৰ সৈতে একে বুলি নৃতাত্ত্বিক পণ্ডিতসকলে মতপ্ৰকাশ কৰিছে। তেওঁলোক তাম বৰণীয়া আৰু দেহৰ গঠন আৰ্যসকলৰ সৈতে সাদৃশ্যযুক্ত। কালিৰাম মেধিয়ে তেওঁৰ এটি প্ৰবন্ধত নেপালৰ টন্‌স উপত্যকা আৰু জৌমস বাৱাৰত কলিতা জাতিৰ অৱস্থিতিৰ কথা উল্লেখ কৰিছে।

বুৰঞ্জী আৰু কিম্বদন্তিৰ আধাৰত পণ্ডিতসকলে মত প্ৰকাশ কৰে যে কলিতাসকল পশ্চিমৰ বিহাৰ, যুক্তপ্ৰদেশ আদিৰ পৰা অহা। শৰৎচন্দ্ৰ গোস্বামীয়ে এটি কিম্বদন্তিৰ আধাৰত পুৰণিকালত হিমালয়ৰ দাঁতিত কলিতা জাতিয়ে ৰাজত্ব কৰিছিল বুলি উল্লেখ কৰি গৈছে। পুৰণি সাহিত্যত এনে প্ৰসঙ্গৰ পুনৰাবৃত্তি ঘটিছে। কথাগুৰুচৰিতত ভবানীপুৰীয়া গোপাল আতাৰ বংশাৱলী প্ৰসঙ্গত কলিতা দেশৰ উল্লেখ পোৱা যায়।

"এতিয়া ভনিপুৰ আতাৰ চৰিত্ৰ। আতাৰ আদি কলিতাদেশত। কলা কলিতাৰ গৃহ আছিল। চেকখাম-হাট-জিলৈ গ্ৰামে। তানে পুত্ৰ বাসুদেৱ। তানে পুত্ৰ হৰিদেৱ। তানে বেটা শংকৰদাস। ....বৈমাতৃ বিহালে নৰদেৱে সত্যম নামে হৰি বৰ কলিতা গৃহৰ।"

এসময়ত কলিতাসকলে বৌদ্ধমত অনুসৰণ কৰিছিল বুলি পণ্ডিতসকলে মতপ্ৰকাশ কৰিছে। এসময়ত কলিতাসকলে কোচসকলৰ পুৰোহিত কাম কৰিছিল। অৱশ্যে তেওঁলোকৰ গুৰুৰ দ্বাৰা প্ৰদত্ত ধৰ্মমত কি আছিল, সেই বিষয়ে সঠিকভাৱে জনা নাযায়। সেয়া ব্ৰাহ্মণসকলৰ দ্বাৰা প্ৰদৃত্ত হিন্দু মততকৈ যে পৃথক আছিল, সেইটো সহজেই অনুমেয়। পৰৱৰ্তী কালত ব্ৰাহ্মণ পুৰোহিতৰ বাবে কলিতাসকলৰ আধিপত্য কমি আহিবলৈ ধৰিলে। পিছত তেওঁলোকে হিন্দুমত গ্ৰহণ কৰে।

বৌদ্ধ জাতকতো উপাধি হিচাপে 'কোলিত' শব্দৰ প্ৰয়োগ লক্ষ্য কৰা যায়। বুদ্ধদেৱৰ প্ৰধান ব্ৰাহ্মণ শিষ্য মোস্‌গলানৰ উপাধি আছিল 'কোলিত'। তেওঁৰ জন্মস্থান মগধ ৰাজ্যৰ কুলিক নামৰ গাঁৱত। অৱশ্যে এই 'কুলিক' বা 'কুলিত' শব্দৰ সৈতে কলিতা জাতিৰ কোনো সম্বন্ধ নাই।

কলিতাসকল মূলতঃ কৃষিজীৱি; তেওঁলোকে জলসিঞ্চন পদ্ধতি অৱলম্বন কৰি অধিক কৃষি-শস্য উৎপাদন কৰিছিল আৰু তেওঁলোকৰ অৱস্থাও সচ্চল আছিল বুলি হাণ্টাৰ চাহাবে দি ইম্পেৰিয়াল গেজেটিয়াৰ অব ইণ্ডিয়া (১৮৮৫) নামৰ গ্ৰন্থত উল্লেখ কৰি গৈছে। অসমৰ কলিতাসকলো মূলতঃ কৃষিজীৱি।

কালিকা পুৰাণত পুৰণি কামৰূপ ৰাজ্যৰ অন্তৰ্গত জলপাইগুৰি জিলাত জামদগ্ন্যৰ ভয়ত আত্মগোপন কৰি থকা গুপ্ত ক্ষত্ৰিয় জাতিৰ উল্লেখ পোৱা যায়। ৰিজলেই Tribes and Castes of Bengalত বঙ্গদেশৰ খেন বংশৰ খেনজাতিৰ লোকসকলেই অসমৰ কলিতা বুলি মতপ্ৰকাশ কৰিছে। (Vol. I, P.489)। ইতিহাসেও প্ৰমাণ কৰে যে কমতাৰ ৰজা নীলধ্বজ খেনবংশী আছিল আৰু এতিয়াও এই বংশৰ লোক ৰংপুৰ জিলাত বসবাস কৰে।

কলিতাসকলৰ ভিতৰত বৰকলিতা আৰু সৰুকলিতা নামৰ দুটি শ্ৰেণীবিভাগ আছে। কথা গুৰুচৰিতত ভবানন্দ ঠাকুৰ আতাৰ বিয়াৰ প্ৰসঙ্গত বৰ কলিতা (সজ কলিতা)ৰ উল্লেখ পোৱা যায়। বৰকলিতাসকল বংশগতভাৱে কলিতা কুলত জন্ম হোৱা মানুহ। আনহাতে কলিতাসকলৰ লগত কলিতা দেশৰ পৰা অহা মানুহবোৰেই সৰু কলিতা।

বাণীকান্ত কাকতিয়ে কলিতা জাতিৰ ইতিবৃত্তত উল্লেখ কৰিছে কলিতা নামে জাতি এটিয়ে ভাৰতৰ মধ্যদেশৰ পৰা পূব, পশ্চিম, উত্তৰ, দক্ষিণফালে যাত্ৰা কৰে। আওচৰীয়া ঠাইত আশ্ৰয় গ্ৰহণ কৰাৰ কাৰণে আন জাতিৰ লগত মাৰ নগৈ তেওঁলোক নিজৰ নামেৰে অস্তিত্ব ৰাখি আছে। অসমৰ ফালে যিটো শাখা ঢাল খায়, তেওঁলোকৰ অতি প্ৰবল আৰু বিশিষ্ট আছিল, সেই কাৰণে আগৰ দিনৰ অসমবাসীসকলক কলিতা আৰু আন জাতি বুলি ভাগ কৰা হৈছিল। তেওঁলোক পৌৰোহিত্য, ৰাজ্য পতা আদি কাম কৰাটো উল্লেখ আছে।

কালিকাপুৰাণ, যোগিনীতন্ত্ৰ, মঞ্জুশ্ৰীমূলকল্প প্ৰভৃতি গ্ৰন্থত প্ৰাচীন কামৰূপত অৱস্থিত কোলনগৰ আৰু কলবংশৰ উল্লেখ পোৱা যায়।

সৰহভাগ পণ্ডিতেই কলিতাসকল পূৰ্বতে বৌদ্ধ মতাৱলম্বী আছিল বুলি উল্লেখ কৰিছে। ইতিহাসৰ পৰা জনা যায় যে, অষ্টম শতাব্দীৰ বঙ্গৰ পালবংশীয় ৰজাসকলৰ দিনত কামৰূপলৈ কলিতা পণ্ডিত অনা হৈছিল। অৱশ্যে কলিতাসকল কেতিয়া অসমলৈ প্ৰব্ৰজিত হয়, সেই বিষয়ে সঠিকবাৰে একো ক'ব পৰা নাযায়। মনকৰিবলগীয়া যে পুৰণি কামৰূপৰ উত্তৰে তিব্বত, দক্ষিণে সমটত (পূৰ্ববঙ্গ), পশ্চিমে পুণ্ড্ৰবৰ্দ্ধণ আদি ঠাইত বৌদ্ধ বিহাৰ আৰু সংঘ আদি প্ৰতিষ্ঠাৰ যোগেদি বৌদ্ধধৰ্মই প্ৰসাৰ লাভ কৰিছিল যদিও হিউয়েন চাঙৰ সময়লৈকে অৰ্থাৎ সপ্তম শতিকালৈকে অসমত এটিও বৌদ্ধ বিহাৰ প্ৰতিষ্ঠা হোৱাৰ সম্ভেদ পোৱা নাযায়। কিন্তু, গোপনে মানুহৰ মাজত বৌদ্ধধৰ্মই জনপ্ৰিয়তা লাভ কৰিছিল বুলি ভবাৰ থল যথেষ্ট পৰিমাণে আছে। বেডেন পাওয়েলে উল্লেখ কৰিছে যে, হিন্দুৰজাৰ উৎপীড়ন সহ্য কৰিব নোৱাৰি বৌদ্ধ ধৰ্মাৱলম্বী কলিতাসকল চৌদিশে সিঁচৰতি হৈ পৰে। বিভিন্ন ঐতিহাসিক তথ্য বিশ্লেষণ কৰি বাণীকান্ত কাকতিয়ে খ্ৰীষ্টীয় দুশৰ পৰা পাঁচশ শতাব্দীৰ ভিতৰতেই কলিতাসকল কামৰূপলৈ আহে বুলি মতপ্ৰকাশ কৰিছে।

কলিতাসকলৰ দ্বাৰা অনুসৃত বৌদ্ধধৰ্মৰ সহজযান পন্থাৰ সৈতে জড়িত দেহতত্ত্ব সম্পৰ্কীয় গীতসমূহে তেওঁলোকৰ ধৰ্মমতৰ পৰিচয় দাঙি ধৰে। কলিতাসকলৰ লগতে সেইসময়ত অসমৰ কৈৱৰ্ত সম্প্ৰদায়ৰ লোকসকলো বৌদ্ধ ধৰ্মাৱলম্বী আছিল। তেওঁলোকৰ আমোলতে অসমত বিভিন্ন বৌদ্ধ দেৱ-দেৱীৰ মন্দিৰ প্ৰতিষ্ঠা হৈছিল বুলি অনুমান কৰিব পাৰি। কামৰূপৰ উগ্ৰতাৰা, হয়গ্ৰীৱ, কৰ্মনাশা, জনাৰ্দন প্ৰভৃতি মূলতঃ বৌদ্ধ তীৰ্থস্থান বুলি বাণীকান্ত কাকতিয়ে উল্লেখ কৰিছে। যোগিনীতন্ত্ৰতো জনাৰ্দন মূৰ্ত্তিক 'কলৌ বৌদ্ধৰূপিনম' বুলি উল্লেখ কৰা হৈছে। অৱশ্যে অসমৰ বিভিন্ন স্থানত আৱিষ্কৃত স্থাপত্য-ভাস্কৰ্য আৰু শিলালিপি আদি প্ৰত্নতাত্ত্বিক সমলসমূহ, কলিতা সম্পৰ্কীয় লিপিবদ্ধ মূল সংস্কৃত গ্ৰন্থাৱলী আৰু বিদেশী পণ্ডিতসকলৰ লগতে বিদেশী ভ্ৰমণকাৰীসমূহৰ আদিৰ আধাৰত কলিতা জাতি সম্পৰ্কে গৱেষণাৰ যথেষ্ট অৱকাশ আছে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে, অসমৰ সামাজিক আৰু সংস্কৃতিক ইতহাসত কলিতাসকলে বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। কলিতাসকল আৰ্যমূলীয় ক্ষত্ৰিয় জাতিৰ অন্তৰ্গত আৰু তেওঁলোক আছিল মূলতঃ কৃষিজীৱি। কৃষিৰ লগে লগে ব্ৰাহ্মণ্য ধৰ্মৰ বাহিৰত থকা তদানীন্তন বিভিন্ন গোষ্ঠীৰ লোকসকলৰ পৌৰোহিত্যৰ সৈতেও কলিতাসকল জড়িত হৈ আছিল। মুঠতে নৱবৈষ্ণৱ ভক্তিধৰ্মৰ প্ৰাদুৰ্ভাবৰ পূৰ্বলৈকে, পঞ্চম শতিকা মানৰপৰা পঞ্চম শতিকামানলৈকে অসমৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক দিশত কলিতা জনগোষ্ঠীৰ লোকসকলে বিশেষ প্ৰভুত্ব বিস্তাৰ কৰিছিল বুলি স্পষ্টভাৱে ক'ব পাৰি।

## ৪.৫ নাথ-যোগী সম্প্ৰদায়

আমি আটায়ে জানো যে, বিভিন্ন জাতিগোষ্ঠী আৰু ধৰ্ম সংস্কৃতিৰে পৰিপূৰ্ণ ভাৰতবৰ্ষ এচিয়া মহাদেশৰ ভিতৰতে এখন উল্লেখযোগ্য দেশ। এই ভাৰতবৰ্ষৰে অবিচ্ছেদ্য অংগ স্বৰূপ 'অসম' নানা জাতি, ধৰ্ম, ভাষা, সংস্কৃতিৰ মিলন ভূমি। এনে বহু জাতি, এনে বহু ধৰ্ম অথবা এনে বহু সংস্কৃতিৰ ভিতৰত 'নাথ-যোগী'সকলৰ নামো এৰিব নোৱাৰা। অৱশ্যে-নাথ-যোগী নামৰ এই জাতিটোক জাতি বোলাতকৈয়ো 'এটা ধৰ্মীয় সম্প্ৰদায়' বোলাতোহে অধিক যুক্তিযুক্ত। "কিয়নো এই ধৰ্মীয় সম্প্ৰদায়টোৰ মূল লক্ষ্য সাধনাৰ জৰিয়তে সৰ্বব্যাপী পৰমপুৰুষ দেৱাদিদেৱ শিৱ মহাদেৱৰ চৰণ লাভ আৰু মোক্ষপ্ৰাপ্তি।" দ্বিতীতে জাতিটো জন্মসূত্ৰে শৈৱ (এই বিষয়ে যথাস্থানত আলোচনা কৰা হৈছে)। শিৱ মহাদেৱ তেওঁলোকৰ আদি আৰু পৰম গুৰু। কোৱা হয় "নাথ ধৰ্ম ঈশ্বৰবাদী; শিৱকেই 'পৰমপদ' বা 'পৰমেশ্বৰ' বুলি আভিজ্ঞান কৰা হয়।" গতিকে নাথ সম্প্ৰদায়টোত ধৰ্মীয় সম্প্ৰদায় বুলি কোৱাটোহে যুক্তিযুক্ততা বেছি।

নাম সম্প্ৰদায়টোৰ ইতিবৃত্ত সম্বন্ধে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত যিবোৰ ঐতিহাসিক সমল তথা লিখিত নিদৰ্শন অথবা জনশ্ৰুতি, কিংবদন্তি প্ৰচলিত আছে সেইবোৰৰ পৰা জাতিগোষ্ঠীটোৰ ঐতিহ্যপূৰ্ণ ইতিহাস, ধৰ্মতত্ত্ব অথবা ধৰ্মসাধনা সম্বন্ধে তত্ত্বগধূৰ কথা জানিব পৰা যায়। তদুপৰি নাথ ধৰ্মৰ ইতিহাস যে অতি প্ৰাচীন সেই সম্পৰ্কেও এনে গ্ৰন্থসমূহে প্ৰমাণ কৰি দেখুৱায়। স্মৰণাতীত কালৰে পৰা আফগানিস্থান, তিব্বত, ৰাছিয়া আদি দেশত 'নাথ-যোগী'ৰ অলৌকিক প্ৰভাৱৰ বিভিন্ন কাহিনী পোৱা যায়। প্ৰাক্ বৈদিক যুগৰ পৰাই এই সম্প্ৰদায়টোৱে ভাৰতবৰ্ষৰ ধৰ্ম, জ্ঞান, আদৰ্শ, ভাষা, সাহিত্য আদিৰ নিয়ন্ত্ৰণ কৰি অহাৰ লগতে সম্প্ৰদায়টোৰ স্মৃতিবিজড়িত শৈৱস্থান, যোগাশ্ৰমসমূহ আৰু যোগদৰ্শন আদিয়ে সম্প্ৰদায়টোৰ জীৱন্ত সাক্ষ্য আজিও বহন কৰি আহিছে।

'নাথ' আৰু 'যোগী' দুটা সুকীয়া শব্দ হ'লেও দুয়োটাৰে অঙ্গাঙ্গী সম্বন্ধ বিদ্যমান। ধৰ্মটোৰ নাম 'নাথ'; নাথ ধৰ্মটোৰ ৰক্ষকসকল 'যোগী'। পিচলৈ সেয়ে নাথ বুলিলে যোগী আৰু যোগী বুলিলেও নাথ একেটা অৰ্থকে সমান্তৰালভাৱে বুজোৱা হ'ল। "যোগ সাধক সম্প্ৰদায় বাবেই যোগী জাতি নামে পৰিচিত হোৱা এই জাতিটোৰ ধৰ্মও যোগৰ ওপৰত অৱধাৰিত যোগধৰ্ম বা নাথ ধৰ্ম।" "শাৰীৰিক, মানসিক, আধ্যাত্মিক আৰু

নৈতিকভাৱে সুস্থ জীৱন যাপন কৰি মানৱ জীৱনক চৰম লক্ষ্যৰ পিনে আগুৱাই নিয়াৰ যি বৈজ্ঞানিক পদ্ধতি তাকে নাথ-যোগ বা নাথধৰ্ম বোলা হয়" নাথ-ধৰ্ম মতে "শিৱই হ'ল সৃষ্টি-স্থিতি-লয়ৰ গৰাকী; তেওঁ সৰ্বনিয়ন্তা, সৰ্বব্যাপ্ত, সৰ্বজ্ঞ, অনন্ত শক্তি; সেই শক্তিৰ লগত যুক্ত হৈ আছে— ক্ষিতি, অপ, তেজ, মৰুৎ, ব্যোম আৰু ইন্দ্ৰিয়গ্ৰাহ্য উপাদান। যেনে— শব্দ, স্পৰ্শ, ৰূপ, ৰস, গন্ধ। জীৱৰ পঞ্চভূতী দেহত থকা এই শক্তিসমূহৰ দ্বাৰা যথাৰ্থ ফল লাভ কৰাই নাথ সাধনাৰ লক্ষ্য।"

'নাথ' শব্দৰ আভিধানিক অৰ্থ হ'ল— প্ৰভু, অধিকাৰ, গৰাকী, ৰক্ষক, স্বামী ইত্যাদি। পণ্ডিতসকলৰ ধাৰণা 'নাথ' শব্দৰ অৰ্থ পালন কৰা। ৰাজগুহ্যৰ মতে 'না' শব্দৰ অৰ্থ 'অনাদি ৰূপ' আৰু 'থ' শব্দৰ অৰ্থ 'স্থাপন কৰা'। গতিকে নাথ ধৰ্মৰ অৰ্থ সেই অনাদিধৰ্ম, যি ত্ৰিভূৱনৰ স্থিতিৰ কাৰণ। অন্যমতে 'না' শব্দৰ অৰ্থ 'মোক্ষ দায়ক নাথব্ৰহ্ম' আৰু 'থ'-ই অজ্ঞানতাৰ স্থগিতকৰণক বুজাইছে। গতিকে অজ্ঞানতাৰ পৰিসমাপ্তি ঘটাই নাথব্ৰহ্মৰ সাক্ষাত লাভত যি সহায় কৰে সেয়ে নাথ—

শ্ৰীমোক্ষদানদক্ষত্বাৎ নাথব্ৰহ্মানুবোধনাত্।
স্থগিতজ্ঞানবিভৱাত শ্ৰীনাথ ইতি গীৱতে।।

(শক্তিসংগমতন্ত্ৰ)

সংস্কৃত ব্যাকৰণবিদ পাণিনিয়ে 'নাথ' শব্দ অৰ্থ এনেদৰে দেখুৱাইছে ঃ

'নাধৃ-নাথৃয়াআপতাহৈশ্বৰ্যাশীঃ ইতি পাণিনিঃ।' (ধাতুপাঠ)

অৰ্থাৎ য'ৰ পৰা ঐশ্বৰ্য, আশীৰ্বাদ, কল্যাণ আদি প্ৰাপ্তি হয় সেয়ে 'নাথ'। নাথ-যোগীসকলৰ ধাৰণা শিৱই হৈছে সৃষ্টিৰ অধিকাৰী, মোক্ষদানকাৰী অথবা যাৰ হাতত জগতৰ কল্যাণ প্ৰাপ্তিৰ যোগ নিহিত হৈ আছে। সেয়ে নাথসকলৰ স্বৰূপত শিৱকেই তেওঁলোকে আদি গুৰু বা আদি নাথ শিৱক মূল দেৱতা বা শক্তি হিচাপে মানি আহিছে।

জাতি সৃষ্টিৰ পূৰ্বৰে পৰা ভাৰতবৰ্ষত 'নাথ' এটা ধৰ্ম আৰু নাথ-যোগীসকল এটা ধৰ্মীয় সম্প্ৰদায় হিচাপে চিহ্নিত হৈ আহিছে। এই সম্প্ৰদায়টোৰ উৎপত্তি সম্বন্ধে বৈদিক কাহিনী, জনশ্ৰুতি, প্ৰবাদ বচন পোৱা যায়; যিবোৰ বিভিন্ন শাস্ত্ৰীয় গ্ৰন্থত উল্লিখিত হৈ আছে। তাৰে কেইটামান উৎপত্তি বিষয়ক কাহিনী তলত আলোচনা কৰা হ'ল ঃ

(ক) গোৰক্ষ-বিজয় পুথিৰ মতে আদ্যা শক্তিৰ (মহামায়া) শৰীৰৰ বিভিন্ন অঙ্গৰপৰা আদি নাথ (প্ৰথম নাথ বা শিৱ), মীননাথ, গোৰক্ষনাথ, কানুপা নাথ, হাড়িপ নাথৰ জন্ম হয় আৰু তেওঁলোকৰ পৰাই নাথ সম্প্ৰদায় জন্ম হয়। গোপীচাঁদ সন্যাস পুথিত (পৃঃ ৬) সদাশিৱৰ বিভিন্ন অঙ্গৰ পৰা নাথসকলৰ জন্ম বৃতান্তৰ উল্লেখ আছে।

(খ) ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ মতে বিধাতা পুৰুষে বিশ্ব সৃষ্টি কৰি গৈ থাকোঁতে ক্ৰোধবশতঃ ললাটৰপৰা একাদশ ৰুদ্ৰৰ জন্ম হয়।

(গ) 'জাতি কৌমুদী' বা 'জাতিবিবেক' গ্ৰন্থমতে ব্ৰাহ্মণীৰ গৰ্ভত শিৱৰ ঔৰষত 'নাথ' উৎপন্ন হয়। বৃদ্ধ শতাতপ সংহিতাত উক্ত আছে যে সাক্ষাৎ মহাদেৱৰ সন্তান যোগীৰ শিৱৰগোত্ৰ। এওঁলোকেই 'যোগী-নাথ' নামে যোগীজাতি হৈছে।

(ঘ) মহাবিৰাট তন্ত্ৰমতে—

অৱধূতো হহং সাক্ষাৎ সত্যং বৰাননে।

তদ্‌জাতো যোগীবংশশ্চ সৰ্ব্বেষাং পৰমোত্তমম্।।

অৰ্থাৎ মহাদেৱে পাৰ্বতীক কৈছে যে, তেওঁৱেই সাক্ষাৎ অৱধূত। তেওঁৰপৰা উৎপত্তি হোৱা যোগীবংশ আন সকলো বংশতকৈ শ্ৰেষ্ঠ।

(ঙ) চন্দ্ৰাদিত্য পৰমাগম নামৰ এখন পুৰণি সংস্কৃত গ্ৰন্থৰ এটি কাহিনীমতে সত্যযুগত 'সুধন্না' নামে এজন ধাৰ্মিক ৰজাৰ কন্যা সূৰ্যৰতীৰ প্ৰবল ইচ্ছা জন্মিল মহাদেৱক স্বামীৰূপে পাবলৈ। পিতৃৰ কথামতে সূৰ্যৰতী ধ্যানস্থ হ'ল। মহাদেৱে এই কথা জানি পদুমৰ পাতত বীৰ্য স্থাপন কৰিলে। মহাদেৱৰ বীৰ্য স্থাপিত পদুমৰ পাতৰ পানী খাই সূৰ্যৰতী গৰ্ভৱতী হয় আৰু যোগীনাথ নামে এটি পুত্ৰ সন্তানৰ জন্ম দিয়ে। এই যোগনাথৰ পৰাই নাথ-যোগীজাতিৰ উৎপত্তি হয়। পাৰ্বতীয়ে উক্ত জাতিৰ উৎপত্তিৰ বিষয়ে জানিব বিচৰাত মহাদেৱে এই কাহিনী শুনায়।

(চ) গোপাল ভট্টৰ বল্লাল চৰিত পুথিত ব্ৰহ্মাৰ কপালৰ পৰা নাথ সিদ্ধসকলৰ জন্মৰ কথা উল্লেখ আছে।

অকল ইয়ে নহয়, কৌলজ্ঞান নিৰ্ণয়, হাড়মালা আগম সংহিতা, পদ্ম পুৰাণ, নাৰদ পুৰাণ, স্কন্দপুৰাণ, মৎস্যেন্দ্ৰ নাথ চৰিত ইত্যাদি নানা গ্ৰন্থত নাথ বা যোগী জাতিৰ উৎপত্তি বিষয়ক কাহিনীৰ উল্লেখ পোৱা যায়। কিন্তু যি গ্ৰন্থলৈকে নাচাওক কিয় 'নাথ-যোগী' জাতিৰ উৎপত্তিৰ অন্তৰালত শিৱ মহাদেৱ বা ব্ৰহ্মাৰ সম্পৰ্ক গভীৰভাৱে জড়িত হৈ থকা দেখিবলৈ পাওঁ।

### ৪.৫.১ যোগী জাতিৰ প্ৰকাৰভেদ

নাথ যোগীসকলৰ মাজত জাতিভেদৰ কৃত্ৰিমতা লক্ষ্য কৰা নাযায়। সকলো সম্প্ৰদায়ৰ লোকেই নাথ ধৰ্মত দীক্ষিত হৈ নাথ হ'ব পাৰে। এইবিধ যোগী শিষ্যত্ব লাভ কৰি হোৱা যোগী। আনবিধ যোগী হ'ল কুলজাত যোগী। এইবিধ বংশানুক্ৰমে বা জন্ম সূত্ৰে যোগী। এই দুই প্ৰকাৰ প্ৰধান যোগীৰ উপৰি আৰু দুই প্ৰকাৰ যোগীৰ কথা প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি ঃ ইয়াৰে এবিধ গৃহস্থী যোগী আৰু আনবিধ সংসাৰ ত্যাগী সন্ন্যাসী বা তপস্বী যোগী। মাধৱ কন্দলিৰ ৰামায়ণৰ অযোধ্যা কাণ্ডত আছে—

যোগীৰ কান্ধত কাণি ঝুলি যত
হাতে দোৱাদশ কাঠী।
লৰৰন্তে লৰ ৰত্নে পাছ ছান্তে
হিয়া মানে গৈল ফাটি।।
পাইলেক ভাগৰ ভোকোণ্ডা কাষৰ
সৱে পৰি গৈল খসি।
মুখে শিৱ শিৱ সুমৰন্তে আতি
পলাইলা যত তপসী।।

পদত বৰ্ণনা থকা কান্ধত কানি ঝুলি, কাষত ভোকোণ্ডা আৰু হাতত দোৱাদশ কাঠী লৈ শিৱ শিৱ বুলি সুঁৱৰি লৰৰি যোৱা যোগীসকল প্ৰকৃতাৰ্থত গৃহস্থী যোগী যেন

নালাগে। কিন্তু গুৰুচৰিত কথাত পোৱা বৰ্ণনা মতে মাধৱদেৱে ডেকাবয়সত পিতা গোবিন্দগিৰি আৰু মাতা মনোৰমাৰে অন্নৰ সন্ধানত ঘূৰি ফুৰোঁতে মাধৱে ''সেই কাচিকটা কাখৰে যুগীৰ গৃহতে সোমাল; সি পাট-পলু বাচিছে, চাইছে। বোলে বাপু, কি চোৱা? বোলে, পলুহে চাইছো। তোমালোকে মেলিব নাজানা।' বোলে— 'কেনেকৈনো মেলে?' পাছে তিনিখন ডলা অনালে; তাতে বৰ, সৰু, মাজু বাচি দিয়ালে; পাতো সেইক্ৰম দিয়ালে; পলু চপ চপ কৰে পাত খাব লৈলে। গুৰু বোলে— এনেকৈ দিব লাগে, চা বৰৰ খচাত সৰু কত মৰিছে।' সি বোলে— 'পাট পলু পুহি এতমান হলু, তেও এনে বুদ্ধি নেজানোনে পা।' এইবিধক গৃহস্থী যোগী বুলি অনুমান কৰিব পাৰি।

### ৪.৫.২ নাথ-যোগী সংস্কৃতিৰ চমু পৰিচয়

নাথ সম্প্ৰদায় এটা সৰ্বভাৰতীয় ধৰ্মীয় সম্প্ৰদায়। অসমত যুগ যুগ ধৰি বসবাস কৰি অহা নাথ-যোগী সকলো সৰ্বভাৰতীয় সম্প্ৰদায়টোৰে অঙ্গীভূত। সেয়ে ধৰ্মীয়, সাহিত্যি সামাজিক পৰম্পৰা অথবা সাংস্কৃতিক দিশত ভাৰতৰ অন্য ঠাইৰ নাথসকলৰ সৈতে তেনে কোনো পাৰ্থব্য নাই।

সামবেদীয় নিয়মেৰে সকলো ক্ৰিয়াকাণ্ড সমাপন কৰা নাথ-যোগীসকল জন্মসূত্ৰে শৈৱ। মহাদেৱৰ প্ৰতি সাধাৰণ মানুহৰ যি ধাৰণা তাক আৰু অধিক সাধনা আৰু ভাৱনাৰে ভাৰোজ্জ্বল কৰি পৰম পুৰুষৰ প্ৰকৃত সাধক হোৱাৰ যি পৰম্পৰা তাক নাথসকলে যুগ যুগ ধৰি ৰক্ষা কৰি আহিছে। সেয়ে তেওঁলোকৰ মাজত 'নাথ' (গৰাকী) উপাধিৰ জৰিয়তে মহাদেৱৰ অস্তিত্ব আৰু 'দেৱী' উপাধিৰ জৰিয়তে দেৱী পাৰ্বতীৰ অস্তিত্ব স্বীকাৰেৰে নিজতে আৰোপ কৰি 'নাথ' (পুৰুষসকলে) আৰু 'দেৱী' (মহিলাসকলে) উপাধি গ্ৰহণ কৰি আহিছে। অৱশ্যে বৰ্তমান অসমত প্ৰচলিত অন্য উপাধিও নাথ-সম্প্ৰদায়টোৰ মানুহে গ্ৰহণ কৰা দেখা যায়। তাৰে ভিতৰত মজুমদাৰ, ৰায়, দেৱনাথ, মহাজন, বৰা, চহৰীয়া, শইকীয়া, শৰ্মা, ভূঞা, চৌধুৰী, গোস্বামী, হাজৰিকা, চক্ৰৱৰ্তী আদিয়ে প্ৰধান।

সামবেদীয় নিয়ম অনুসাৰে নাথসকলে দশকৰ্ম কৰাৰ নিয়ম। সেই দশ কৰ্ম হ'ল ঃ (১) গৰ্ভধান, (২) পুংসবন, (৩) সীমান্তোন্নয়ণ, (৪) জাতকৰ্ম, (৫) নামকৰণ, (৬) নিস্ক্ৰমন, (৭) অন্নপ্ৰাসন, (৮) চূড়াকৰণ, (৯) উপনয়ন আৰু (১০) বিবাহ। পৰম্পৰাগত নিয়ম অনুসাৰে নাথ-যোগীসকলে কৃতকৰ সমাধি দিয়াৰ নিয়ম। অৱশ্যে এই নিয়ম সন্ন্যাসী যোগীৰ বাহিৰে বাকী যোগীৰ মাজত বৰ্তমান শিথিল হৈ আহিছে। যোগীসকলৰ অশৌচ দহদিনীয়া হয়। জন্ম বা মৃত্যু দুয়োটাৰে অশৌচ দহদিনীয়াকৈ পালন কৰা হয়।

ৰেচম শিল্পত পাৰদৰ্শিতা অসমৰ নাথসকলৰ মাজত তাহানিৰে পৰা দেখা যায়। যি সময়ত নাথসকল বঙ্গদেশৰ পৰা অসমত আহি সোমাইছিল সেই সময়ত তেওঁলোকে জীৱিকা নিৰ্বাহৰ পথ হিচাপে পলু পুহি, সূতা কাটি কাপোৰ বৈছিল। সম্প্ৰদায়টোৰ এক বৃত্তিত পৰিণত হৈছিল। ইয়াৰ বাবে তেওঁলোকক আন জাতিৰ মানুহে 'কাটনি' বুলিও পৰিচয় দিছিল। অসমত বহু কাটনি গাঁও দেখিবলৈ পোৱা যায়।

ইতিমধ্যে আমি ওপৰত উল্লেখ কৰি আহিছোঁ যে নাথসকল শৈৱ। গতিকে তেওঁলোকে শিৱ পূজা কৰে। নিজ গৃহত শিৱ মন্দিৰ প্ৰতিষ্ঠা কৰাৰ উপৰি 'মহাশিৱৰাত্ৰি'

তেওঁলোকে উলহ-মালহেৰে পালন কৰে। তদুপৰি গোৰক্ষনাথৰ পূজা, শীতলা পূজা, মনসা পূজা আদিও তেওঁলোকৰ মাজত প্ৰচলিত। লোক উৎসৱৰ ভিতৰত মহাশিৱৰাত্ৰিৰ বাহিৰেও গোৰক্ষ অক্ষয় জয়ন্তী, গুৰু পূৰ্ণিমা, খিচড়ী উৎসৱ আদি বিশেষভাৱে উল্লেখযোগ্য।

নাথযোগীসকল শিৱভক্ত হোৱা সূত্ৰে নিয়মিত পূজা-অৰ্চনা কৰিবলৈ বিভিন্ন মঠ, মন্দিৰ, দেৱালয় সৃষ্টি কৰি লোৱাৰ প্ৰমাণ পোৱা যায়। সেইসমূহৰ ভিতৰত গোৱালপাৰাৰ দুধনাথ শিৱমন্দিৰ, মৌন ধ্যানৰ স্থান যোগীঘোপা, নগাঁও জিলাৰ যোগীজানৰ মঠ আৰু শিৱলিঙ্গ বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ বাহিৰেও শিঙৰীৰ মহানাথ মন্দিৰ; গোৱালপাৰাৰ টুক্ৰেশ্বৰী মন্দিৰ; ভোজমলা শিৱমন্দিৰ, বগুৱানৰ জগন্নাথ মন্দিৰ; কাছাৰৰ লক্ষ্মীটিলা দেৱালয়, নিমাতাদেৱীৰ মন্দিৰ আদি মঠ-মন্দিৰৰ সৈতে নাথ-যোগী লোক জড়িত থকা বুলি জনা যায়।

গতিকে দেখা যায় যে প্ৰাচীন কালৰে পৰা 'নাথ' নামৰ এই ধৰ্ম সম্প্ৰদায়টোৱে অসমৰ মাটি, পানী, বায়ুৰ পৰশত সামাজিক, ধাৰ্মিক আৰু সংস্কৃতিৰ বাতাবৰণ সৃষ্টি কৰি বৃহত্তৰ অসমৰ সোণালী ঐতিহ্য জীয়াই ৰাখিবলৈ সক্ষম হৈছে।

## ৪.৬ সাৰাংশ (Summing Up)

অসমীয়া জাতি-সত্বা গঠন আৰু সংস্কৃতিৰ পৰিপুষ্টিত কোচ-ৰাজবংশী, কলিতা, নাথ আদি জনগোষ্ঠীৰ অৰিহণা অনস্বীকাৰ্য। এই জনগোষ্ঠীসমূহৰ ধৰ্মীয়, সামাজিক ৰীতি-নীতিসমূহে অসমীয়া সংস্কৃতিত প্ৰভূত প্ৰভাৱ পেলাইছে। এই বিভাগটিত এই জনগোষ্ঠীসমূহৰ নৃ-তাত্ত্বিক বৈশিষ্ট্যসমূহৰ লগতে বিভিন্ন সাংস্কৃতিক দিশসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। তেওঁলোকৰ সাংস্কৃতিক উপাদানসমূহে কেনেদৰে অসমীয়া সংস্কৃতিৰ পৰিপুষ্টিত অংশ লৈছে সেই বিষয়েও সম্যকভাৱে ইয়াত উনুকিওৱা হৈছে।

## ৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১) কোচ-ৰাজবংশীসকলৰ সমাজ আৰু সংস্কৃতি সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

২) বাঁশ পূজা কি? কোন জনগোষ্ঠীয়ে কি উদ্দেশ্যে এই উৎসৱ পালন কৰে, বিৱৰি লিখক।

৩) কলিতা জাতিৰ ইতিবৃত্ত দাঙি ধৰি অসমীয়া সংস্কৃতিলৈ তেওঁলোকৰ বৰঙণি সম্পৰ্কে আলোচনা কৰক।

৪) আৰ্যমূলীয় ক্ষত্ৰিয় হিচাপে অসমৰ কৃষি শিল্প আৰু সমাজ জীৱনলৈ কলিতাসকলৰ বৰঙণিৰ বিষয়ে চমুকৈ লিখক।

৫) অসমীয়া সংস্কৃতিলৈ নাথ-যোগীসকলৰ বৰঙণি কেনেধৰণৰ? এইবিষয়ে এটি চমু সমীক্ষা আগবঢ়াওক।

৬) ৰেচম শিল্পলৈ নাথ-যোগীসকলৰ বৰঙণিৰ বিষয়ে চমুকৈ লিখক।

৭) ভাৰতীয় চিকিৎসা বিদ্যালৈ নাথ-যোগীসকলে আগবঢ়োৱা বৰঙণিৰ বিষয়ে চমুকৈ লিখক।

৮) চমুটোকা লিখক—
বাঁশী পুৰাণ, কুশান গাওন, এউৰি মাগা, বিষুৱা, গোৰক্ষ বিজয়, কলিতা, জাতিৰ ইতিবৃত্ত, মহাশিৱৰাত্ৰি, গোৰক্ষ নাথৰ পূজা, খিচড়ী উৎসৱ।

## ৪.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Books)


কাকতি, বাণীকান্ত ঃ পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, ১৯৯৫

গগৈ, লীলা ঃ অসমৰ সংস্কৃতি, ১৯৮৬

গোস্বামী, প্ৰফুল্লদত্ত ঃ অসমীয়া জনসাহিত্য, ১৯৮৬

— ঃ বাৰ মাহৰ তেৰ গীত, ১৯৬২

গোস্বামী, সত্যেন্দ্ৰনাৰায়ণ ঃ অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ সমীক্ষা, ১৯৭১

চাত্তাৰ, আব্দুচ ঃ সংমিশ্ৰণত অসমীয়া সংস্কৃতি

তেৰাং, ৰংবং ঃ সমন্বয় প্ৰবাহ, ১৯৮৯

দত্ত, বীৰেন্দ্ৰ নাথ (সম্পা) ঃ চিফুং গুংগাং, ১৯৮৬

দাস, ভূবনমোহন (সম্পা) ঃ অসমীয়া জাতি ইতিবৃত্ত,

দেউৰী, মনেশ্বৰ ঃ মৰিগাঁও জিলাৰ লোক সংস্কৃতি, ১৯৯৪

নাথ, ৰাজমোহন ঃ গৌৰৱময় অসম, ১৯৪৯

নাৰ্জি, ভবেন ঃ বৰো কছাৰীৰ সমাজ আৰু সংস্কৃতি, ১৯৬৬

নাথ, প্ৰফুল্ল কুমাৰ ঃ অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা, ২০০৪

নাথ, ভৱকান্ত ঃ নাথযোগী সংবাদ, ১৯৯৫

নেওগ, মহেশ্বৰ ঃ পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, ১৯৬৬

— ঃ পবিত্ৰ অসম, ১৯৬৯

পাদুন, নাহেন্দ্ৰ ঃ অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি, ১৯৮৮

বৰদলৈ, নিৰ্মলপ্ৰভা ঃ অসমৰ লোক-সংস্কৃতি, ১৯৭২

— ঃ কাৰ্বি সমাজ আৰু সংস্কৃতিৰ এচেৰেঙা, ১৯৮২

বৰা, প্ৰশান্ত ঃ নাথ ধৰ্ম-দৰ্শন আৰু সংস্কৃতি, ২০০৫

বৰুৱা, অতুলচন্দ্ৰ ঃ মনসাকাব্য আৰু ওজাপালি, ১৯৭৬

বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমীয়া ভাষা আৰু সংস্কৃতি, ১৯৫৭

— ঃ অসমৰ লোক সংস্কৃতি, ১৯৮৫

বৰুৱা, প্ৰহ্লাদ কুমাৰ (সম্পা) ঃ অসমীয়া লোক-সাহিত্য, ২০০১

ভট্টাচাৰ্য, প্ৰমোদ চন্দ্ৰ (সম্পা) ঃ অসমৰ লোক উৎসৱ, ১৯৬৯

— ঃ অসমৰ জনজাতি, ১৯৬২

ৰাভা, হাকাচাম, উপেন ঃ অসমৰ জনজাতীয় সংস্কৃতি, ২০০৫

শৰ্মা, নবীন চন্দ্ৰ ঃ অসমৰ লোকসংস্কৃতিৰ চমু আভাস, ১৯৯৫

শর্মা, শশী ঃ অসমৰ লোক সাহিত্য, ১৯৯৩

শর্মা, হেমন্ত কুমাৰ ঃ অসমীয়া লোকগীতি সঞ্চয়ন, ১৯৭৮

সৰকাৰ, হৰিমোহন ঃ বহুৰঙী গীতৰ আঁচলত, ১৯৬৫

হাজৰিকা, অতুলচন্দ্ৰ ঃ উৎসৱৰ ভোগজৰা, ১৯৬৫

— ঃ উৎসৱৰ ৰংচ'ৰা, ১৯৬৩

হাজৰিকা, পৰীক্ষিত ঃ চৰ্যাপদ, ১৯৯৯

হাজৰিকা, সূৰ্যকান্ত (সম্পা) ঃ সংস্কৃতি সঞ্চয়ন, ১৯৮০

AIRTSC ঃ Socio Economic Conditions of the Kaibartas of Assam, A Case Study, 1994.

Ali, ANM Irsad ঃ Adoptation among the Bodo Kacharis, 1973

Buzarbarua, M ঃ Social and Cultural life of the Mishing of Assam, 1991

Bakht, Humayan ঃ A Sociological Study of Bodo Movement, 1989

Barkakati, S. N. ঃ Tribal Folktales, 1971

Baruah, H. C. ঃ Marriage Customs of the People of Assam, 1895

Barua, B. K. ঃ A Cultural History of Assam, 1969

Baruah, K. L. ঃ Early History of Kamrupa, 1966

Chetterjee, S. K. ঃ Kirat-Jana-Krti, 1974

Choudhury, P. C. ঃ The History of Civilization of the People of Assam, 1966

Croke, William ঃ The People, Religion and Folklore of Northern India, 1978

Das, J ঃ Folklore of Assam, 1973

Datta, B. N. (at.al.,ed.) ঃ A Handbook of Folkore Materials of North-East India, 1994

Dutt, K. N. (Ed) ঃ Aspects of the Heritage of Assam, 1959

Goswami, P. ঃ Ballads and Tales of Assam, 1980

– ঃ The Spring time Bihu of Assam, 1966

Kakati, B. ঃ Visnuite Myths and legends, 1982

– ঃ The Mother Goddess Kamakhya, 1967

Kabiraj, Gopinath ঃ Some Aspects of the History and Doctrine of the Naths

Nath, Rajmohan ঃ The Background of Assamese Culture, 1948

– ঃ Pre-vedic Kamrup, 1958

| | | |
|---|---|---|
| Sen, Sipra | ะ | Tribes and Castes of Assam, 1999 |
| Vidyarathi, L. P. | ะ | Art and Culture of North-East India, 1993 |
| Waddell, L. A. | ะ | The Tribes of the Brahmaputra Valley, 1900 |
| Tylor, E. B. | ะ | Primitive Culture, 1974 |

## পঞ্চম বিভাগ

## অসমৰ অন্যান্য জনগোষ্ঠী আৰু তেওঁলোকৰ সংস্কৃতি

**বিভাগৰ গঠন ঃ**


৫.১ ভূমিকা (Introduction)

৫.২ উদ্দেশ্য (Objectives)

৫.৩ টাই-আহোম জনগোষ্ঠী

৫.৪ অসমৰ মুছলমান জনগোষ্ঠী

৫.৫ অসমৰ চাহ জনগোষ্ঠী

৫.৬ অসমৰ নেপালী জনগোষ্ঠী

৫.৭ সাৰাংশ (Summing Up)

৫.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

৫.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


### ৫.১ ভূমিকা (Introduction)

প্ৰকৃতাৰ্থত অসমীয়া জাতি গঠনৰ প্ৰকৃত স্বৰূপ ফুটি উঠে ত্ৰয়োদশ শতিকাতহে। ১২০৬ খৃষ্টাব্দত পাটকাই পৰ্বত পাৰহৈ অসমত প্ৰৱেশ কৰা চুকাফাই 'সাত ৰাজ মাৰি এক ৰাজ' কৰাৰ প্ৰয়াসেৰে তেতিয়াৰ অসমৰ বৰাহী, চুটীয়া, মৰাণ, জয়ন্তীয়া, কছাৰী প্ৰভৃতি সামন্ত ৰজাসকলক একত্ৰিত কৰি বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। টাই-আহোম জনগোষ্ঠীয়ে অসমীয়া সাহিত্য-সংস্কৃতিলৈ আগবঢ়োৱা বৰঙণিৰ বিষয়ে নিৰ্দিষ্ট অনুচ্ছেদত বিস্তৃতভাৱে আলোচনা কৰা হৈছে। পৰৱৰ্তী কালত কোচ ৰজা নৰনাৰায়ণৰ ৰাজত্বকালত মহাপুৰুষ শংকৰদেৱে তেওঁৰ প্ৰৱৰ্তিত ধৰ্মৰ যোগেদি অসমীয়া সমাজক নতুনকৈ সংগঠিত কৰি তোলে।

অষ্ট্ৰিক আৰু দ্ৰাবিড় সংস্কৃতিৰ অন্তৰ্গত চাহ জনগোষ্ঠীৰ লোকসকলে চাহ শিল্পৰ যোগেদি অসমৰ অৰ্থনৈতিক দিশটো টনকিয়াল কৰাত সহায় কৰিছে। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰব্ৰজিত কৃষিজীৱি আৰু জনজাতীয় লক্ষণাক্ৰান্ত চাহ-জনগোষ্ঠীৰ লোকসকলে পাৰস্পৰিক যোগাযোগৰ বাবে সাদানী ভাষা ব্যৱহাৰ কৰে। লোকসংগীত আৰু নৃত্যৰ লগতে লোকসাহিত্যৰ ক্ষেত্ৰত এওঁলোক যথেষ্ট চহকী।

ঐতিহাসিকভাৱে মুছলমানসকলৰ অসম আগমন ঘটে খৃষ্টীয় ত্ৰয়োদশ শতিকাত। অসমৰ সাহিত্য, সঙ্গীত, স্থাপত্য, ভাস্কৰ্য, চিত্ৰকলা আদিলৈ মুছলমানসকলে বিশেষ বৰঙণি আগবঢ়াইছে।

অসমত বসবাস কৰা নেপালীসকলে কৃষি, পশুপালন আৰু ব্যৱসায় ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। তেওঁলোকে পূৰ্বৰ ভাষা-সংস্কৃতি পৰিহাৰ কৰি থলুৱা সংস্কৃতি আদৰি লৈছে। ধৰ্মভীৰু নেপালীসকলৰ মাজত ভালেমান অন্ধবিশ্বাস আৰু কু-সংস্কাৰে ঠাই পাইছে। এওঁলোকৰ মাজত আৰ্য আৰু আৰ্যভিন্ন উভয় জনগোষ্ঠীৰ উপস্থিতি লক্ষ্য কৰা যায়।

## ৫.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ পাছত আপুনি—

- অসমত বসবাস কৰা টাই-আহোম জনগোষ্ঠীৰ বিস্তৃতি সম্পৰ্কে জ্ঞাত হোৱাৰ লগতে তেওঁলোকৰ সংস্কৃতিৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব,
- মুছলমান জনগোষ্ঠীৰ ইতিহাস আৰু সংস্কৃতিৰ বিভিন্ন দিশৰ বিষয়ে পৰ্যালোচনা কৰিব পাৰিব,
- চাহ জনগোষ্ঠীৰ অসমলৈ আগমনৰ লগতে তেওঁলোকৰ সাংস্কৃতিক জীৱনৰ লগত পৰিচিত হ'ব পাৰিব,
- অসমত বসবাস কৰা নেপালী জনগোষ্ঠীৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ বিষয়ে জানিব পাৰিব।

## ৫.৩ টাই-আহোম জনগোষ্ঠী

আপোনালোকে জানে যে, টাই-সংস্কৃতি অতি পুৰণি আৰু সুসমৃদ্ধ সংস্কৃতি। এই সংস্কৃতি চীনা সংস্কৃতিতকৈয়ো প্ৰাচীন। উত্তৰ-পূৰ ভাৰতৰ অসম আৰু অৰুণাচলকে ধৰি এক বিস্তৃত ভূখণ্ডত টাই-আহোম জনগোষ্ঠীৰ লোকসকলে বসবাস কৰে। লীলা গগৈৰ মতে— "চীনদেশত চীনা-সংস্কৃতি নামেৰে এটা মিশ্ৰিত সংস্কৃতিয়ে গঢ় লোৱাৰ আগেয়েই অন্ততঃ খৃষ্টপূৰ্ব কেইবাশ বছৰৰ আগতে টাই সংস্কৃতিয়ে জন্মলাভ কৰে।"

১২২৮ খৃঃত টাই জাতিৰ এটা গোট পাটকাই পৰ্বত পাৰ হৈ উত্তৰ ব্ৰহ্মৰ পৰা আহি অসমত প্ৰৱেশ কৰে। চুকাফাৰ নেতৃত্বত অহা টাই জাতিৰ এই লোকসকলৰ সতি-সন্ততি আৰু পিছত খেলত তুলি লোৱা বৰাহী, কছাৰী, মৰাণ, চুটীয়া আদি লোকসকলৰ সতি-সন্ততিয়েই আজিৰ আহোম জাতি। আহোমসকল অসমলৈ অহাৰ সময়ত উজনি অসমত মৰাণ, বৰাহী, চুটীয়া আদি বিভিন্ন জনগোষ্ঠীয় ৰজাসকলে সৰু সৰু ৰাজ্য স্থাপন কৰি ৰাজত্ব কৰিছিল। আহোম ৰজা চুকাফাই এই লোকসকলক একগোট কৰি বৃহত্তৰ অসমীয়া জাতি গঠনত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। পৰৱৰ্তী কালত তেওঁলোকৰ ৰাজ্যৰ পৰিসৰ আৰু পৰিসীমা বৰ্দ্ধিত হয় আৰু এনেদৰেই টাই-ভাষা-সংস্কৃতিৰ বিকাশ ত্বৰান্বিত হোৱা বুলি ধাৰণা কৰিব পাৰি।

টাই জনগোষ্ঠীৰ লোকসকলৰ ভিতৰত আহোমসকলেই বোধকৰো সবাতোকৈ আগতে অসমলৈ আহিছিল আৰু স্থায়ী ৰাজ্য স্থাপনৰ যোগেদি টাই সংস্কৃতিৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। পৰৱৰ্তী কালত এই জনগোষ্ঠীৰ বিভিন্ন ফৈদ সণ্ঢালনীভাৱে অসমলৈ আহে। তেনে লোকসকলৰ ভিতৰত টাই-খামতি, টাই-ফাকে, টাই-আইতন, টাই-তুৰুং, টাই-খাময়াং ইত্যাদি প্ৰধান। টাই-খাময়াংসকল নৰা বা শ্যাম ৰূপেও পৰিচিত। খামতিসকলৰ বৰ্তমান বাসস্থান উত্তৰ-পূৰ্ব সীমান্তৰ লোহিত আৰু টিৰাপ জিলা আৰু লগতে লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰ। টাই-ফাকেসকল মানৰ আক্ৰমণৰ পিছত অহা। বৰ্তমান মাৰ্ঘেৰিটাৰ ওচৰৰ বৰ ফাকিয়াল আৰু টিপাম-ফাকিয়াল গাঁও এইলোকৰ প্ৰধান বসতিস্থান।

টাই খাময়াং বানৰাসকল খামতিসকলৰ দৰেই আহোমসকলৰ অতি ওচৰ সম্বন্ধীয়। এওঁলোক থেৰবাদী বৌদ্ধ। ফাকিয়াল, টাই-তুৰুং আদি টাই জাতিৰে এটা ঠাল।

নৰা, খাময়াং, আইতন আৰু তুৰুং আদি ফৈদৰ লোকসকল পাটকাই পৰ্বতৰ চৌকান গিৰিপথেদি আহি অসমত প্ৰৱেশ কৰে আৰু শদিয়া অঞ্চলত থিতাপি লয়হি। আহোম ৰজা কমলেশ্বৰ সিংহৰ দিনত খাময়াংসকলক শিৱসাগৰ জিলাৰ তিতাবৰ-খৰিকটীয়া অঞ্চলত বসতি কৰিবলৈ দিয়া হয়। পিছত তেওঁলোকৰ এটি অংশ সেই ঠাইৰ পৰা উঠি গৈ চিলাপথাৰ, ধেমাজি, দিচাংপানী আদি অঞ্চলৰ বসতি কৰিবলৈ লয়।

চীনদেশত বাস কৰা সময়ত টাইসকলে তাওধৰ্ম অনুসৰণ কৰিছিল। এক পৰম শক্তিত বিশ্বাস আৰু আস্থা স্থাপনেই আছিল এই ধৰ্মৰ অনুগামীসকলৰ মূল বৈশিষ্ট্য। টাইসকলৰ ওপৰত থেৰবাদী বৌদ্ধধৰ্মৰ প্ৰভাৱ অতি গভীৰ। আহোমসকলে অসমলৈ আহি থলুৱা লোকসকলৰ সৈতে মিলি যোৱাত স্বাভাৱিকতেই তেওঁলোক হিন্দুধৰ্মৰ প্ৰতি আকৰ্ষিত হয়। অৱশ্যে অসমত আহোম ৰাজত্ব স্থাপনৰ কেইবাশ বছৰৰ পাছতহে তেওঁলোকে হিন্দুধৰ্ম গ্ৰহণ কৰে। বিশেষকৈ ৰুদ্ৰসিংহৰ সময়ৰ পৰাই হিন্দুধৰ্মই ৰাজধৰ্ম হিচাপে স্বীকৃতি লাভ কৰে।

আহোমসকলে নিজস্ব কুলদেৱতা হিচাপে চোম দেৱতাক পূজা কৰিছিল। চোম দেৱতাৰ লগতে লাংকুৰি বা বুঢ়া গোঁসাই, লেংডন বা ইন্দ্ৰ, খাওখাম প্ৰভৃতি দেৱতাকো পূজা কৰিছিল।

আহোম ৰাজত্বকালত শেষৰ ফালে হিন্দুধৰ্ম ৰাজধৰ্মৰূপে পৰিগণিত হোৱাত হিন্দুধৰ্মৰ বিশেষকৈ শৈৱ, শাক্ত আৰু বৈষ্ণৱ পৰম্পৰাৰ বিকাশত আহোম ৰজাসকলে গুৰুত্বপূৰ্ণ উদ্যোগ গ্ৰহণ কৰে। অৱশ্যে আহোমসকলৰ বাহিৰে টাই-জনগোষ্ঠীৰ অন্যান্য ফৈদৰ লোকসকল মূলতঃ বৌদ্ধ ধৰ্মাৱলম্বী।

বুৰঞ্জী লেখা প্ৰথাটো অসমীয়া সাহিত্যলৈ আহোমসকলৰ বিশিষ্ট দান। বুৰঞ্জীসমূহ আৰম্ভণিতে টাই ভাষাত লিখা হৈছিল যদিও পিছত থলুৱা অৰ্থাৎ অসমীয়া ভাষাতো বুৰঞ্জী লিখা হয়। বুৰঞ্জীসমূহ ভাৰতীয় ভাষাবোৰৰ ভিতৰতে একক আৰু অতুলনীয়। ছশ বছৰীয়া আহোম ৰাজত্বকালত বহুসংখ্যক বুৰঞ্জী ৰচিত হয়। সত্ৰীয়া পৰম্পৰাৰ ধৰ্মীয় সাহিত্য আৰু দৈনন্দিন জীৱনৰ বাবে প্ৰয়োজনীয় ব্যৱহাৰিক সাহিত্যই আহোম ৰাজ-পৃষ্ঠপোষকতাতে সমৃদ্ধি লাভ কৰিছিল। আহোম ৰজাসকলো বিদ্যানুৰাগী আছিল। ৰুদ্ৰসিংহই নিজে গীত ৰচনা কৰিছিল আৰু তেওঁৰ পৃষ্ঠপোষকতাতে কবিৰাজ চক্ৰৱৰ্তীয়ে গীত-গোবিন্দ অসমীয়া ভাষালৈ ভাঙনি কৰিছিল। অনন্ত আচাৰ্যৰ আনন্দ লহৰী, কবিচন্দ্ৰ দ্বিজৰ ধৰ্মপুৰাণ, সুকুমাৰ বৰকাঠৰ হস্তী বিদ্যাৰ্ণৱ আদি আহোম ৰাজপৃষ্ঠপোষকতাত ৰচিত কেইখনমান উল্লেখযোগ্য গ্ৰন্থ। ৰজাৰ লগতে ডা-ডাঙৰীয়াসকলেও গ্ৰন্থাদি ৰচনাত অনুপ্ৰেৰণা যোগাইছিল।

আহোমসকলে পূৰ্বতে ক'লা কাপোৰ পিন্ধিছিল। বুৰঞ্জীত আহোমসকলৰ বৰ্ণনা দিওঁতে লিখিছে— "মানুহবোৰ লণ্ডামুণ্ডা, গাতো কলীয়া কাপোৰ।" এওঁলোকৰ ডা-

ডাঙৰীয়া আৰু বিষয়াসকলে সামাজিক মৰ্যাদা অনুসৰি সাজপাৰ পৰিধান কৰিছিল। পাট আৰু মূগাৰ কাপোৰৰ ব্যৱহাৰ আছিল সৰ্বাধিক। সাধাৰণতে পাটৰ ৰিহা-মেখেলা, চেলেং, মূগাৰ চোলা চুৰীয়া, এৰীয়া চেলেং, চাদৰ আদি প্ৰচুৰভাৱে ব্যৱহৃত হৈছিল। সম্ভ্ৰান্ত আহোমৰ তিৰোতাই সাধাৰণতে ৰিহা-মেখেলাহে পিন্ধিছিল, শাৰী নিপিন্ধিছিল। স্বৰ্গদেউ গদাধৰ দিনলৈকে ডা-ডাঙৰীয়াসকলে আৰু সাধাৰণ প্ৰজাই চুৰিয়া, মূৰত ফচৌ আৰু গাত চুটি চোলা পিন্ধিছিল, কিন্তু ৰুদ্ৰসিংহ স্বৰ্গদেৱে ভাটিলৈ বৰাগী পঠিয়াই সাজপাৰ সম্পৰ্কে অধ্যয়ন কৰাই আৰু ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত প্ৰচলিত সাজপাৰৰ আৰ্হিত অসমীয়া সাজপাৰৰ পৰিৱৰ্তন ঘটাই নতুন সাজপাৰৰ প্ৰচলন কৰায়। টাই সংস্কৃতিৰ ৰূপৰেখাত এই সম্পৰ্কে উল্লেখ কৰি ড° লীলা গগৈয়ে লিখিছে ঃ "বৈৰাগীৰ মুখে বুজি ও নমুনাতে স্ত্ৰী-পুৰুষৰ পিন্ধা অলংকাৰ আৰু চুৰিয়া চোলা, পাগুৰি, পাগজামা ও বুকুচোলা, এংগা ও কটা ফুলৰ বুকু তোবতাৰ, জিজিয়া ও কাৰছিপি ও স্ত্ৰীসকলৰ মেখেলা-ৰিহা আদি পিন্ধাৰ নিয়ম হ'ল।"

আহোমসকলৰ শাসননীতিত পদ-মৰ্যাদা অনুসৰি নিৰ্দ্ধাৰিত সাজপাৰ পৰিধান কৰাৰ নিয়ম প্ৰচলিত আছিল। বিষয়াসকলে মূৰত মৰা পাগুৰি আৰু গাত লোৱা চেলেঙৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোকৰ পদমৰ্যাদা নিৰূপিত হৈছিল। পুৰুষসকলে গাত চুৰিয়া-চোলা আৰু মূৰত পাগুৰি পৰিধান কৰিছিল। মতা-তিৰোতা উভয়ে মূৰত চেলেংকাপোৰ জাপি মেৰিয়াই লৈছিল।

টাই আহোমসকলে ধাতুৰ ব্যৱহাৰ জানিছিল। তেওঁলোকে সোণ, ৰূপ আৰু তাম এই তিনিওবিধ ধাতুৰ অলংকাৰ পৰিধান কৰিছিল।

বিবাহৰ ক্ষেত্ৰত চকলং বিবাহৰ ৰীতি আহোমসকলৰ অতি পুৰণি আৰু বৈশিষ্ট্যপূৰ্ণ। আনকি ৰজায়ো চকলং পদ্ধতিৰে বিয়া পাতিছিল। তেওঁলোকৰ বিয়াত বুৰঞ্জী কোৱা প্ৰথাৰ প্ৰচলন আছে। আহোম ৰীতি অনুসৰি বৰ-কন্যা উভয় পক্ষৰ সাত পুৰুষৰ বুৰঞ্জী আৰু বংশাৱলী কোৱাকুই কৰিব লাগে। টাই যুঁজাৰু জাতি। তেওঁলোক অতি সাহসী আৰু যুদ্ধবিদ্যাত নিপুণ। আহোম ৰাজত্বকালত দেশৰ প্ৰায় সকলো প্ৰাপ্তবয়স্ক লোকক যুদ্ধৰ বাবে প্ৰশিক্ষণ দিয়া হৈছিল। যুদ্ধ-বিগ্ৰহ সম্পৰ্কীয় যিকোনো গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ বাবে ৰজাই ৰাজহুৱা মেল-আহ্বান কৰি ৰাজহুৱা অনুমতি ল'ব লাগিছিল। যুদ্ধৰ বাবে গড় মৰাটো আহোম যুদ্ধ-ব্যৱস্থাৰ এটা গুৰুত্বপূৰ্ণ বিষয় আছিল।

টাইসকল মূলতঃ কৃষিজীৱী। তেওঁলোকে ধানখেতি কৰিছিল আৰু বাৰীত নানা ধৰণৰ ফল-মূল ৰোপণ কৰিছিল। ধানখেতি ভাৰতীয় সংস্কৃতিলৈ মঙ্গোলীয় সভ্যতাৰ বিশিষ্ট দান।

আহোমসকলৰ মাজত প্ৰচলিত কৃষি উৎসৱৰ ভিতৰত ব'হাগ বিহুৰ সময়ত দ খেতিত নামিবৰ বাবে পালন কৰা পয়-চাং-কেন নামৰ উৎসৱটো অসমৰ ব'হাগ বিহুৰ সৈতে সাদৃশ্যযুক্ত। অসমৰ হুঁচৰিৰ দৰেই ব্ৰহ্মদেশত পয়-চাং-কেন উৎসৱৰ সময়ত গীত গাই বাদ্য বজাই বাটে বাটে পৰিভ্ৰমণ কৰি আনন্দ কৰাৰ লগতে গৃহস্থৰ মঙ্গল কামনা কৰি আশীৰ্বাদ দিয়া প্ৰথাৰ প্ৰচলন দেখা যায়।

চিত্ৰকলাৰ বিকাশতো আহোমসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। পুৰণি সাঁচিপতীয়া পুথিসমূহত আহোম যুগৰ চিত্ৰবিদ্যাৰ পৰিচয় পোৱা যায়। স্বকীয় স্থাপত্য আৰু ভাস্কৰ্য ৰীতিৰ বিকাশতো আহোম যুগৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। ৰংপুৰৰ ৰংঘৰ, তলাতল ঘৰ, শিল সাঁকো আৰু গড়আলি আদিয়ে সেই যুগৰ স্থপতিবিদ্যাৰ পৰিচয় দাঙি ধৰে।

আহোম যুগৰ মৈদামসমূহ এই যুগৰ স্থপতি বিদ্যাৰ উল্লেখযোগ্য উদাহৰণ। উজনি অসমৰ চৰাইদেওকে ধৰি বিভিন্ন ঠাইত মৈদাম নিৰ্মাণ কৰা হৈছিল। এই যুগৰ ভাস্কৰ্য প্ৰাক্-আহোম যুগৰ ভাস্কৰ্যতকৈ কিছু খহটা আছিল। অৱশ্যে জয়সাগৰ জয়দৌল আৰু ইয়াৰ বেৰৰ ভাস্কৰ্যত উচ্চ খাপৰ শৈল্পিক দক্ষতা আৰু সূক্ষ্ম কৌশলৰ পৰিচয় পোৱা যায়। এই যুগত নিৰ্মিত খাট-পালেং, চালপীৰা নৰাপীৰা, তামুলীপীৰা, সিংহাসন, মুখা, মূৰ্তি, শৰাই, পেৰা, সঁফুৰা আদি কুন্দত কাটি নানা চানেকিৰে সজাৰ উপৰি তাৰ ওপৰত ৰং-ৰহন লগাই আৰু ধুনীয়া কৰি তুলিছিল। চ'ৰানাও, বাচৰু, হয়কলি, মগৰী নাও আদিতো বাহিৰফালে খোদাই কৰি হেঙুল-হাইতাল লগাই জিক্‌মিকীয়া কৰিছিল। এই যুগত নিৰ্মাণ কৰা পোৰামাটিৰ ভাস্কৰ্যসমূহ সংস্কৃতিৰ দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ।

ৰূদ্ৰসিংহকে ধৰি আহোম ৰজাসকল সংগীতানুৰাগী আছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনতেই অসমৰ থলুৱা সঙ্গীতে ৰাজকীয় স্বীকৃতি আৰু পৃষ্ঠপোষকতা লাভ কৰিবলৈ সক্ষম হয়। প্ৰাক-আহোম যুগত অসমৰ বিভিন্ন দেৱ-মন্দিৰত দেৱদাসী আৰু দেওধ্বনি নৃত্যৰ প্ৰচলন আছিল। আহোম যুগত নৃত্য-গীতৰ চৰ্চাৰ বাবে প্ৰায় আটাইবোৰ মন্দিৰৰ সন্মুখতে নাট-মন্দিৰ সংযোজিত কৰি সেইবোৰ নৃত্য-গীতৰ ব্যৱস্থা কৰা হৈছিল।

ৰুদ্ৰসিংহই ভাৰতীয় শাস্ত্ৰীয় নৃত্য-গীতৰ লগে লগে সত্ৰীয়া থলুৱা নৃত্য-গীত আদিৰো পৃষ্ঠপোষকতা কৰিছিল। আহোম ৰজাসকলৰ ৰাজত্বকালত বিহু উৎসৱে জাতীয় উৎসৱ হিচাপে প্ৰতিষ্ঠা লাভ কৰে। ৰুদ্ৰসিংহই গছতলৰ বিহু মাতি আনি ৰংপুৰৰ ৰংঘৰৰ চোতাল পোৱায় আৰু বঁটা দি ঢুলীয়া-নাচনীক উৎসাহিত কৰে।

আহোম ৰজাসকলৰ ভিতৰত থলুৱা সংগীতৰ সমৃদ্ধি আৰু বিকাশ সাধনত ৰুদ্ৰসিংহৰ অৱদানেই সৰ্বাধিক। তেওঁৰ বাহিৰেও শিৱসিংহ, প্ৰমত্তসিংহ, ৰাজেশ্বৰ সিংহ আদিও সঙ্গীতানুৰাগী আছিল বুলি জনা যায়।

সেই সময়ত আহোম ৰজা নগৰৰ পৰা বাহিৰলৈ গ'লে তেওঁৰ আগে আগে ঢুলীয়া খুলীয়া আদিয়ে বাদ্যধ্বনি কৰি গৈছিল। ৰজাৰ দৰেই তিনিজন ডাঙৰীয়াৰ আগতো ঢোল-খোল বজোৱাৰ পৰম্পৰা আছিল। এই যুগতেই সৰহভাগ বেলাড ধৰ্মী গীতি সাহিত্যৰ সৃষ্টি হোৱা বুলি অনুমান কৰিব পাৰি। সত্ৰীয়া সংস্কৃতি আৰু অঙ্গীয়া নাটৰ চৰ্চা আৰু অভিনয়তো আহোমসকলে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল।

অসমৰ খাদ্য তালিকাত ভালেমান নতুন নতুন খাদ্যৰ সংযোজন হৈছিল আহোম যুগতেই। ভাতেই প্ৰধান আহাৰ যদিও নানা ধৰণৰ জা-জলপানৰো ব্যৱহাৰ কৰিছিল। শুকান খৰিচা আৰু পকা খৰিচাৰ বহুল ব্যৱহাৰ আছিল। নানা ধৰণৰ ফল-মূল, বনৰীয়া আলু আদি প্ৰিয় খাদ্য আছিল। বিভিন্ন থলুৱা শাক-পাচলিৰ ব্যৱহাৰ জানিছিল।

মঙ্গোলীয় জনগোষ্ঠীৰ অন্তৰ্গত আহোমসকলে নিজৰ সুকীয়া ভাষা-সাহিত্য, ধৰ্ম আৰু সংস্কৃতি থকা সত্ত্বেও থলুৱা ভাষা-সংস্কৃতি গ্ৰহণ কৰি অসমীয়া সংস্কৃতিৰ ভেটি সুদৃঢ়ভাৱে প্ৰতিষ্ঠা কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। এনেদৰেই থলুৱা জনগোষ্ঠীসমূহৰ সৈতে আদান-প্ৰদান, বিনিময় আৰু সমাহৰণৰ যোগেদি বৃহৎ অসমীয়া জাতি গঠনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ লগে লগে অসমীয়া সংস্কৃতিৰ পৰিপুষ্টি আৰু বিকাশ সাধনতো তেওঁলোকে বিশেষভাৱে উদ্যোগ গ্ৰহণ কৰিছিল।

আহোমসকলে নিজৰ সমৃদ্ধ ভাষা-সংস্কৃতিকে খামোচ মাৰি ধৰি নাথাকি থলুৱা ভাষা-সংস্কৃতিকো উদাৰ দৃষ্টিভংগীৰে আদৰি ল'ব পাৰিছিল বাবেই অসমীয়া সংস্কৃতিৰ ভেটি সুদৃঢ় ৰূপত প্ৰতিষ্ঠিত হৈছিল। তেওঁলোকে মঙ্গোলীয় সংস্কৃতিৰ কেইপদমান বস্তু আনি অসমীয়া সংস্কৃতি চহকী কৰাৰ উপৰি অসমৰ ভাষা-সাহিত্য, চিত্ৰকলা, ভাস্কৰ্য, স্থাপত্য ইত্যাদি বিভিন্ন দিশৰ সামগ্ৰিক বিকাশত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি বাৰেৰহণীয়া অসমীয়া সংস্কৃতিক বৰ্ণাঢ্য ৰূপ প্ৰদান কৰিছিল। পৰম্পৰাগত জাতীয় কৃষ্টি আৰু সাংস্কৃতিক সম্পদসমূহৰ সংৰক্ষণ, সংবৰ্দ্ধন আৰু অনুশীলনৰ লগে লগে সমসাময়িক ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ পৰা নৃত্য-গীত, বাদ্য, সাজ-পাৰ, অলংকাৰ আদিৰ আৰ্হি আনি সেইবোৰ অনুশীলনৰ ব্যৱস্তা কৰিছিল। এনেদৰেই ১২২৮ খৃষ্টাব্দৰ পৰা ১৮২৬ খৃষ্টাব্দলৈ সুদীৰ্ঘ ছশ বছৰীয়া আহোম ৰাজত্বকালত অসমীয়া সংস্কৃতিয়ে ভৌতিক আৰু অভৌতিক উভয় দিশতে বিকাশ লাভ কৰিবলৈ সক্ষম হৈছিল। লুইতৰ দুয়ো পাৰৰ থলুৱা ভাষা, ধৰ্ম আৰু সংস্কৃতিৰ সৈতে আহোমসকলে লগত লৈ অনা ভাষা, ধৰ্ম আৰু সংস্কৃতিৰ মিলন ঘটি পৰস্পৰৰ সংযোগ আৰু সমন্বয়ত এনেদৰেই বৈচিত্ৰ্যপূৰ্ণ অসমীয়া সংস্কৃতিৰ সৃষ্টি হৈছে।

### ৫.৪ অসমৰ মুছলমান সম্প্ৰদায়

আপোনালোক সকলোৱে জানে যে অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। যুগ যুগ ধৰি বিভিন্ন জাতি-উপজাতি, বিভিন্ন ধৰ্মাৱলম্বী লোকৰ সমন্বয় আৰু সমাহৰণৰ যোগেদি বৃহত্তৰ অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে। প্ৰাচীন প্ৰাগজ্যোতিষপুৰ-কামৰূপৰ সভ্যতা-সংস্কৃতি মূলতঃ অষ্ট্ৰিক আৰু কিৰাত জনগোষ্ঠীৰ দ্বাৰা প্ৰভাৱিত সংস্কৃতি। সময়ৰ পৰিৱৰ্তনৰ লগে লগে দ্ৰাবিড়, নৰ্ডিক প্ৰভৃতি জনগোষ্ঠীৰ প্ৰব্ৰজনে এই বিশাল ভূখণ্ডত বসবাস কৰা লোকসকলৰ মাজত বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিয়ে গঢ় লৈ উঠাত সহায় কৰে। মুঠতে অসমৰ সাংস্কৃতিক পৰিপূৰ্ণতাত আৰ্য আৰু আৰ্যভিন্ন উভয় উপাদানত সমন্বয় সাধিত হৈছে আৰু এনেকৈয়ে বৈচিত্ৰ্যৰ মাজত ঐক্য আৰু সমন্বয়ৰ যোগেদি সংস্কৃতি গ্ৰহণ (acculturation) আৰু সমাহৰণ (synthesis) সম্ভৱ হৈ উঠিছে।

অসমৰ থলুৱা জনগোষ্ঠীৰ মাজত বিভিন্ন যুগৰ বিভিন্ন ৰক্তৰ সংমিশ্ৰণ ঘটিছে। এনেদৰেই অষ্ট্ৰিক, মঙ্গোলীয় আৰু ককেচীয় ৰক্তৰ সংমিশ্ৰণত ক্ৰমবৰ্দ্ধমান অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে। অসমীয়া সংস্কৃতিৰ সমৃদ্ধিত ইছলামীয় প্ৰভাৱো তাকৰ নহয়।

ঐতিহাসিক দৃষ্টিভংগীৰ পৰা চাবলৈ গ'লে খৃষ্টীয় ত্ৰয়োদশ শতিকাৰ পৰাই (১২০৬ খৃঃ) মুছলমানসকলৰ অসমলৈ আগমন ঘটে। উত্তৰ গুৱাহাটীৰ খোদিত কানাই

বৰশীবোৰা শিলালিপিত মহম্মদ বিন বখতিয়াৰৰ অনুগামী ভালেমান সেনানী কামৰূপত ধ্বংস হোৱাৰ উল্লেখ পোৱা যায়। সেইদৰে তুৰ্বকৰ অধীনত অসম আক্ৰমণ কৰিবলৈ অহা ভালেমান সৈন্যই আহোম সেনাৰ হাতত পৰাজয় বৰণ কৰি যুদ্ধবন্দী হ'বলগীয়া হৈছিল।

মীৰজুমলাৰ অসম আক্ৰমণৰ সময়ত তেওঁৰ লগত অহা মুছলমান ইতিহাসবিদ চাহাবুদ্দিন তালিচৰ মতে— "যুদ্ধত বন্দী হৈ ৰৈ যোৱা সৈনিকৰ নাতি-পুতিসকল অসমীয়াৰ লগত হাড়ে-হিমজুৰে মিলি গৈছে। তেওঁলোকে মুছলমান বা অনা-মুছলমানে ৰন্ধা-বঢ়া আহাৰৰ ক্ষেত্ৰত কোনো বাধা-নিষেধ আৰোপ নকৰে।"

আহোম স্বৰ্গদেউ প্ৰতাপসিংহৰ দিনত মুছলমান সদাগৰ ৰতন শ্বাহে অসমৰ সৈতে বেপাৰ-বাণিজ্য কৰোঁতে ভালেমান বিদেশী সামগ্ৰী অসমলৈ অহা বুলি অনুমান কৰিব পাৰি। আহোম আৰু মোগলৰ মাজত হোৱা যুদ্ধসমূহতো ভালেমান যুদ্ধৰ আহিলা আহোম ৰজাৰ হস্তগত হয়। আহোমৰ সৈতে বিভিন্ন যুদ্ধত বন্দী হোৱা সৈনিকসকল পিছত অসমতে স্থায়ীভাৱে বসবাস কৰিবলৈ লয় আৰু স্থানীয় কন্যাৰ সৈতে বিবাহপাশত আৱদ্ধ হৈ নতুন আচাৰ-নীতি আদৰি লয়। অৱশ্যে এই আচাৰ-নীতিৰ লগতে তেওঁলোকে পৰম্পৰাগতভাৱে মানি অহা কিছুমান ৰীতি-নীতি, আচাৰ-অনুষ্ঠানো থলুৱা সংস্কৃতিৰ সৈতে সম্পৃক্ত হৈ পৰে বুলি ভবাৰ থল আছে। মুছলমানৰ মাজত মৰিয়াসকলেও অসমীয়া সংস্কৃতিৰ সমৃদ্ধিত যথেষ্ট অৰিহণা যোগাইছে। তুৰ্বকৰ অধীনত যুদ্ধ কৰিবলৈ আহি যুদ্ধবন্দী হোৱা মুছলমানসকলেই পিছত 'মৰিয়া' ৰূপে পৰিচিত হোৱা বুলি অসমৰ সংস্কৃতি গ্ৰন্থত ড° লীলা গগৈয়ে উল্লেখ কৰিছে। অন্য এক প্ৰসঙ্গ অনুসৰি যুদ্ধবন্দী লোকসকল ধাতুৰ পাত্ৰ প্ৰস্তুতকৰণ বিদ্যাত অতি সিদ্ধহস্ত আছিল বাবে স্বৰ্গদেৱে পিছত তেওঁলোকক এই কাৰ্যত নিয়োগ কৰিছিল। পিছত তেওঁলোকেই মৰিয়াৰূপে পৰিচিত হয়।

আহোম ৰাজত্বকালত সমাজ-ব্যৱস্থা অতিশয় কঠোৰ আছিল আৰু সেই সময়ত যিসকল লোক যৌন অপৰাধত লিপ্ত হৈছিল, তেওঁলোকক সমাজচ্যুত কৰি থলুৱা লোকৰ পৰা আচুতীয়াকৈ বসবাস কৰিবলৈ দিয়া হৈছিল। এনেবোৰ গাঁৱকে গৰীয়া গাঁও বোলা হৈছিল। (টাই সংস্কৃতিৰ ৰূপৰেখা, পৃঃ ৭৯) গৌড়দেশৰ পৰা অহা ইছলাম ধৰ্মাৱলম্বী লোকসকলেই সময়ত গৌৰীয়া>গৰীয়া হিচাপে পৰিচিত হয় বুলিও আন এটা প্ৰবাদ আছে। পৰৱৰ্তী কালত আজান ফকীৰে এওঁলোকক ইছলাম ধৰ্মত দীক্ষিত কৰি ধৰ্মীয় উদাৰতাৰ পৰিচয় দিয়ে। পৰৱৰ্তী কালত মোমাই তামুলী বৰবৰুৱাই ৰাজ্য সংগঠন কৰোঁতে এনে গৰাকী লোককো খেলত অন্তৰ্ভুক্ত কৰি বৰুৱা, হাজৰিকা, শইকীয়া, বৰা প্ৰভৃতি বিষয় বাব দি 'অসমীয়া মুছলমান' হিচাপে স্বীকৃতি দিয়ে।

আজান পীৰ-চাহাবে সপ্তদশ-শতিকাত ইছলাম ধৰ্ম প্ৰচাৰ কৰাৰ আগলৈকে ইতিমধ্যে অসমীয়া মুছলমানসকলে থলুৱা ৰীতি-নীতি-আচাৰ আদিক আকোঁৱালি লৈছিল। আজান পীৰ চাহাবে অসমৰ থলুৱা লোকগীত, দেহবিচাৰৰ গীত আদিক ভিত্তি হিচাপে লৈ তাত ইছলামীয় নীতি আৰু আদৰ্শৰ সংমিশ্ৰণ ঘটাই ৰচনা কৰা জিকিৰ গীতবিলাক হিন্দু আৰু মুছলমান উভয় সম্প্ৰদায়ৰ লোকেই সমানেই শ্ৰদ্ধাৰে আদৰি লয়। সেইবাবেই

তেওঁৰ দ্বাৰা প্ৰৱৰ্তিত ইছলাম ধৰ্মত কোৰাণৰ প্ৰভাৱতকৈ পুৰাণৰ প্ৰভাৱহে অধিক বুলি পণ্ডিতসকলে মতপ্ৰকাশ কৰিছে।

যুদ্ধবন্দী মুছলমানসকলৰ বাহিৰেও আহোম ৰজা ৰুদ্ৰসিংহৰ দিনত মুছলমান তাঁতী আৰু অন্যান্য বৃত্তিধাৰী লোক অসমলৈ আনি তেওঁলোকক অসমত স্থায়ীভাৱে বসতি কৰিবলৈ দিয়া হয়। আজানপীৰ আৰু পৰৱৰ্তীকালত অহা পীৰসকলৰ নীতি আৰু আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ ভালেমান থলুৱা লোকে ধৰ্মান্তৰিত হ'লেও মৌলিক ৰীতি-নীতি আৰু পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱৰ পৰা তেওঁলোক সম্পূৰ্ণ মুক্ত নাছিল। সেয়েহে ভালেমান থলুৱা ৰীতি-নীতি, পৰম্পৰা আৰু আচাৰ আদি তেওঁলোকৰ মাজত জীণ যোৱাটো স্বাভাৱিক।

আহোম ৰজা প্ৰতাপসিংহৰ দিনত সোণাৰি, জয়হৰি আৰু নৰহৰি মুদৈয়ে ঢাকাৰ নবাবৰ অনুমতি লৈ বঙ্গদেশৰ সৈতে বেহাবেপাৰ কৰাৰ উল্লেখ বুৰঞ্জীত পোৱা যায়। আহোম ৰজাসকলৰ দিনতেই মোগলৰ ভালেমান সাজ-পাৰ আৰু অলংকাৰে অসমীয়া সংস্কৃতিত প্ৰৱেশ কৰা বুলি ভবাৰ থল আছে। বিশেষকৈ পাগজামা, মোগলাই টুপী আদি এই সময়ত ৰজাঘৰৰ যোগেদি সোমাই সত্ৰীয়া সংস্কৃতিতো প্ৰৱেশ লাভ কৰে। অসমৰ সূত্ৰধাৰী নৃত্যৰ সাজ-সজ্জাত ব্যৱহৃত চাপকণ আৰু পাগ, বিয়াহ গোৱা ওজাপালিৰ নৃত্যত ওজাই ব্যৱহাৰ কৰা চৌগা-চাপকণ আৰু জামা আদি মোগল সাজপাৰৰ সৈতে সাদৃশ্যযুক্ত। গতিকে অসমৰ সাংস্কৃতিক জীৱনত এইবোৰ মুছলমান জনগোষ্ঠীৰ যোগেদি প্ৰৱেশ কৰাটো স্বাভাৱকি। অসমীয়া শিপিনীয়ে ৰিহাত গুণা কৰা প্ৰথাটো মুছলমান তাঁতীসকলৰ পৰাই অহা বুলি অনুমান কৰা হৈছে।

অসমৰ মঠ-মন্দিৰসমূহৰ দুৱাৰ-খিৰিকীত মোগলাই ঠাঁচ দেখিবলৈ পোৱা যায়। সুকুমাৰ বৰকাথ প্ৰণীত হস্তীবিদ্যাৰ্ণৱ পুথিৰ শিল্পী দিলবৰ আৰু দোচাই আছিল মুছলমান শিল্পী। শংকৰদেৱৰ নৱ-বৈষ্ণৱ ধৰ্মৰ অনুগামী হোৱা চান্দসাই জাতিত এজন মুছলমান দৰ্জী আছিল। তেওঁৰ দ্বাৰা ৰচিত ভকতীয়া গীতসমূহ অসমীয়া সমাজত আজিও জনপ্ৰিয়। আজানপীৰ চাহাবৰ জিৰিসমূহৰ সৈতেও অসমৰ লোকগীত, দেহবিচাৰৰ গীতৰ সাদৃশ্য দেখা যায়। জিকিৰত কালিমা আৰু নামৰ মহিমা কীৰ্তিত হৈছে। তন্ত্ৰ-মন্ত্ৰ, বেজালি আৰু মাৰৈ পূজাৰ লগত জড়িত ভালেমান লোকবিশ্বাসৰ সৈতে ইছলামীয় উপাদান সানমিহলি হৈ আছে।

অসমীয়া সাজ-পাৰ, খোৱা-বোৱা আদি সামাজিক সাংস্কৃতিক জীৱনত সামগ্ৰিক প্ৰভাৱ নপৰিলেও তাৰ মাজতেই ভালেমান ইছলামী উপাদান জীণ গৈছে। ৰুদ্ৰসিংহৰ দিনত আঠঘৰ মুছলমান শিল্পীক ফাটীপঢ়ীয়া, আখৰকটীয়া, শিলাকটীয়া, মুগাকটীয়া, খনিকৰ, নেঘেৰিয়াল, দৰ্জী আৰু তাঁতী নিযুক্তি দি নিজৰ ৰাজ্যত ঠাই দিয়া হৈছিল। ৰাজঘৰীয়া জোলা তাঁতীৰ কাপোৰে পাছত সকলো শ্ৰেণীৰ লোকৰ মাজত সমাদৰ লাভ কৰে।

মুছলমান দৰ্জীসকলৰ হাতত অসমীয়া কাপোৰে নতুনত্ব লাভ কৰে। মোগলাই টুপী, জামা, কুৰ্তা, চাপকণ আদিৰ লগতে শাৰীয়েও অসমীয়া মানুহৰ মন আকৰ্ষণ কৰিবলৈ ধৰে। দিহিঙ্গীয়া ৰজাৰ দিনত কোচ ৰজাই শাৰী উপহাৰ হিচাপে পঠাওঁতে সেইবোৰ

খাৰচাই তিৰোতাইহে পিন্ধে বুলি উপলুঙা কৰাৰ কথা বুৰঞ্জীত উল্লেখ আছে। গতিকে অসমীয়া সমাজত শাৰীৰ প্ৰচলন আপেক্ষিকভাৱে পাছৰ। মুছলমান পাগজামাই পাছত সূত্ৰধাৰী নৃত্য, নটুৱা নৃত্য আদিৰ মাজেদি সত্ৰতো প্ৰৱেশ লাভ কৰে।

দ্বিজৰাম বিৰচিত মৃগাৱতী চৰিতৰ যোগেদি অসমীয়া সাহিত্যত চুফীবাদে প্ৰৱেশ কৰে। ইয়াৰ আন এটি নাম চাহাপৰী উপাখ্যান। জ্ঞানমালিনীৰ কবি মফিজুদ্দিন আহমদ হাজৰিকাৰ লেখাতো চুফীবাদী চিন্তাৰ খোৰাক পোৱা যায়।

সঙ্গীত চৰ্চাতো মুছলমানসকলৰ অৱিহণা অস্বীকাৰ কৰিব নোৱাৰি। মুছলমানসকলৰ যোগেদিয়েই চেতাৰ, সাৰোদ, চাহনাই, নাগেৰা আদি বাদ্য আৰু খেয়াল, গজল, ঠুংৰী, টপ্পা আদি গীত আৰু ইমন ৰাগ, ইমন বেহাগ, ইমন ভূপালী, মোকাম, পাথৰেজ আদি ৰাগ-সঙ্গীত অসমীয়া সঙ্গীত জগতত প্ৰৱেশ কৰা বুলি ভবাৰ থল আছে।

ধৰ্মীয় দিশৰ পৰা চাবলৈ গ'লে দেখা যায় যে ভালেমান থলুৱা লোকবিশ্বাসত মুছলমানসকলৰ জৰিয়তে ইছলামীয় ধৰ্মৰ প্ৰভাৱ পৰিছে। তাৰ ভিতৰত মৌলবীৰ দোৱা পঢ়া পানী, মাদলী, তাবিজ আদিৰে ভূত-প্ৰেত খেদোৱা, অপদেৱতাৰ বিশ্বাস আদিৰ কথা উল্লেখ কৰিব পাৰি। ভালেমান মন্ত্ৰৰ বিষয়বস্তুৰ সৈতেও মুছলমান পৰম্পৰা আৰু বিশ্বাস জড়িত হৈ আছে।

অসমীয়া মুছলমানসকলে স্থানীয় হিন্দু লোকৰ দৰেই মৰা সকাম পাতে, বসন্ত ওলালে আইসবাহ পাতে, ভূত-প্ৰেত খেদাবলৈ জৰা-ফুকা কৰে।

ভালেমান আৰবী, ফাৰ্চী শব্দও মুছলমান জনগোষ্ঠীৰ যোগেদিয়েই অসমীয়া ভাষাত প্ৰৱেশ লাভ কৰিছে।

পূৰ্ব বঙ্গৰ পৰা অহা পমুৱা মুছলমানসকলে সাধাৰণতে চৰ-চাপৰি অঞ্চলত বাস কৰি কৃষি-কৰ্মৰ যোগেদি অসমৰ অৰ্থনৈতিক উন্নয়নৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। পূৰ্ববঙ্গীয় মূলৰ চৰ-চাপৰি অঞ্চলত বসবাস কৰা লোকৰ মাজত নেপালী, মিছিং আৰু অন্যান্য জনজাতীয় লোক আছে যদিও সৰহসংখ্যকেই মুছলমান লোক। কিন্তু এওঁলোকৰ জীৱনত থলুৱা জনগোষ্ঠীৰ ৰীতি-নীতি আৰু হিন্দু-মুছলমানৰ যুক্ত সাধনাৰ অনেক সমল সন্নিৱিষ্ট হৈ আছে। বিশেষকৈ পুৰা কাহিনীবোৰত এনে সমল যথেষ্ট।

চৰ-চাপৰিৰ মাজত জনপ্ৰিয় গীতৰাজিৰ মাজত পল্লীগীত, ভাটিয়ালী গীত, ধুৱাগীত বা বাউল গীত, দৰিয়া পীৰৰ গীত, মতা পীৰৰ গীত, গাজীপীৰৰ গীত, চাৰী গীত, বাৰমাহী গীত, নাওখেলৰ গীত আদি প্ৰধান। পমুৱা মুছলমানসকলৰ প্ৰব্ৰজন আৰু জীৱন সংঘাতৰ সৈতে জড়িত কাহিনীৰ প্ৰতিধ্বনিও দুই-এটি গীতত শুনিবলৈ পোৱা যায়। যেনে—

"পদ্মা হইতে আইলাম আমি আসামেৰ চৰ।  
বৰমপুত্ৰই ভাঙলো আমাৰ সেইনা সোণাৰ ঘৰ।  
সেই ঘৰ ছাড়িয়া যাবো কোথায় উপায় বলনা।  
সাৰা জীৱন দুঃখে গেলো আৰতো সহেনা।" ইত্যাদি।

'ভাৱাইয়া গীত' বা 'দোতৰা গান'বোৰ ভাবোচ্ছ্বাসেৰে পৰিপূৰ্ণ গীত। আনহাতে মুৰ্শিদী গীতবোৰ অসমীয়া দেহবিচাৰৰ গীতৰ সৈতে সাদৃশ্যযুক্ত। চৰ-চাপৰিৰ মুছলমান

সমাজ আৰু থলুৱা হিন্দু বা জনজাতীয় যুৱকসকলৰ মাজত সখিপতা উপলক্ষে গোৱা গীতবোৰে সমন্বয়ৰ বাৰ্তা বহন কৰিছে। সেইদৰে কিশোৰী আৰু গাভৰুসকলৰ মাজত নিকাহ বা বিবাহৰ লগত জড়িত গীতে বিশেষ জনপ্ৰিয়তা লাভ কৰিছে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে, অসমীয়া সংস্কৃতিৰ পৰিপূৰ্ণ বিকাশত বিভিন্ন জনগোষ্ঠীয়ে অৰিহণা আগবঢ়াইছে আৰু এইক্ষেত্ৰত মুছলমানৰ অৰিহণাও কম নহয়। অসমৰ সাহিত্য, ধৰ্ম, সাজপাৰ, অলংকাৰ, ৰন্ধন প্ৰকৰণ, নৃত্য-গীত-বাদ্য, লোকাচাৰ, লোকবিশ্বাস আদিলৈ মুছলমানসকলৰ বৰঙণি যথেষ্ট। বাঘ হাজৰিকাৰ দৰে (ইচমাইল চিদ্দিকি) অসমীয়া মুছলমানে দেশৰ বাবে সাহসেৰে যুঁজ দিছিল। বাহাদুৰ গাঁওবুঢ়া, ফৰ্মুদ আলি আদিয়ে দেশৰ বাবে যথেষ্ট ত্যাগ স্বীকাৰ কৰিছিল। অসমৰ স্থাপত্য আদিৰ নিৰ্মাণতো মুছলমানসকলে যথেষ্ট অৰিহণা যোগাইছে। বৈচিত্ৰপূৰ্ণ অসমীয়া সংস্কৃতিৰ পৰিপূৰ্ণ বিকাশত মুছলমানসকলৰ বৰঙণি অবিস্মৰণীয়।

## ৫.৫ অসমৰ চাহ জনগোষ্ঠী

আপোনালোক সকলোৰে জ্ঞান যে— ঊনবিংশ শতিকাৰ প্ৰথম তিনিটা দশক অসমৰ ইতিহাসৰ কাৰণে অতি গুৰুত্বপূৰ্ণ। কিয়নো অসমৰ তদানীন্তন প্ৰশাসনীয় দুৰ্বলতাৰ সুযোগ লৈ মানসকলে ১৮১৫, ১৮১৯ আৰু ১৮২১ চনত একেৰাহে তিনিবাৰ অসম আক্ৰমণ কৰি অসমৰ আৰ্থ-সামাজিক ভেটিটো সম্পূৰ্ণ দুৰ্বল কৰি পেলায়। ইয়াৰ পাছতেই ১৮২৩ চনত ৰবাট-ব্ৰুছে অসমত চাহ-আৱিষ্কাৰ কৰে আৰু ১৯২৫ চনত অসমত খাৰুৱা তেলৰ আৱিষ্কাৰ হয়।

১৮২৬ চনত সংঘটিত হোৱা ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি অসম বৃটিছ চৰকাৰৰ অধীনলৈ যোৱাৰ লগে লগেই ছশ বছৰীয়া (১২২৮-১২২৬ খৃঃ) আহোম ৰাজত্বৰ বেলি মাৰ যোৱা বুলিব পাৰি। বৃটিছসকলে অসমৰ শাসনভাৰ হাতত লৈ বিভিন্ন উপায়েৰে ঔপনিৱেশিক শোষণ আৰম্ভ কৰে। অসমৰ কাঠ, কয়লা, খাৰুৱা তেল, চাহ আদি উৎপাদিত সামগ্ৰীৰ ব্যৱসায় কৰি ইংলেণ্ড প্ৰচুৰ চহকী হোৱাৰ বিপৰীতে অসমৰ আৰ্থ-সামাজিক দিশত ভাঙোন আৰম্ভ হ'ল। সেই সময়তেই অসমৰ স্বাধীনতা পুনৰুদ্ধাৰৰ বাবে সংগ্ৰামত অৱতীৰ্ণ হোৱা পিয়লী ফুকনক ১৮৩০ চনত ফাঁচী দিয়া হয়।

১৮২৩ চনত চাহ আৱিষ্কাৰৰ পিছতেই পোনপ্ৰথমে ডিব্ৰুগড় জিলাৰ চাবুৱাত চাহখেতিৰ শুভাৰম্ভ কৰা হয়। বৃটিছসকলে অসমত চাহখেতি কৰিবৰ বাবে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ পৰা বনুৱা আনি অসমত নিয়োগ কৰিছিল। অন্ধ্ৰপ্ৰদেশ, বিহাৰ, ওৰিশা, মধ্যপ্ৰদেশ, পশ্চিমবঙ্গ, তামিলনাডু ইত্যাদি বিভিন্ন ঠাইৰ পৰা অনা এই বনুৱাসকলক অতি কম মজুৰিত চাহ বাগিছাত নিয়োগ কৰি বৃটিছসকল অৰ্থনৈতিকভাৱে যথেষ্ট লাভবান হৈছিল। এনেদৰেই ঊনবিংশ শতিকাৰ তৃতীয় দশকৰ পৰা আৰম্ভ কৰি বিভিন্ন সময়ত অসমৰ চাহ বাগিছা সম্প্ৰসাৰণৰ লগে লগে উক্ত দেশসমূহৰ পৰা অধিক বনুৱা আমদানি কৰা হয়। এই বনুৱাসকল আৰু তেওঁলোকৰ বংশধৰসকলক লৈয়েই অসমৰ চাহ-জনগোষ্ঠীৰ সৃষ্টি হৈছে। তেওঁলোকে অসমলৈ আহোঁতে পূৰ্বৰ ঠাইৰ পৰা ভালেমান লোকাচাৰ, ৰীতি-নীতি, গীত-মাত আদি লগত লৈ আহিছিল আৰু নতুন ঠাইত বিভিন্ন

ঠাইৰপৰা অহা লোকসকলৰ সৈতে ভাব-বিনিময়, আদান-প্ৰদান, সমন্বয় আৰু সমাহৰণৰ যোগেদি এক বিশেষ— বৈশিষ্ট্যপূৰ্ণ সংস্কৃতিৰ সৃষ্টি কৰিছিল। অসমৰ থলুৱা ৰীতি-নীতি আৰু প্ৰব্ৰজিত ঠাইৰ পৰা কঢ়িয়াই লৈ অহা এনে ৰীতি-নীতি, পৰম্পৰা আদিৰ সমন্বয়ত গঢ় লৈ উঠা এই বিচিত্ৰ সংস্কৃতিয়েই চাহ জনগোষ্ঠীসকলৰ সংস্কৃতি; যিটো বৰ্তমান অসমীয়া সংস্কৃতিৰ অপৰিহাৰ্য সম্পদৰূপে বিবেচিত হৈছে।

এই আলোচনাত 'চাহ-জনগোষ্ঠীসকল আৰু অসমীয়া সংস্কৃতি' শীৰ্ষক আলোচনা সীমিত ৰখা হ'ব। চাহ জনগোষ্ঠীৰ লোকসকল বৰ্তমান আধুনিক অসমীয়া জনজীৱনৰ এক অপৰিহাৰ্য অঙ্গৰূপে পৰিগণিত হৈছে। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্য— বিশেষকৈ বিহাৰ, ওৰিশা, পশ্চিমবঙ্গ, মধ্যপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশ, তামিলনাডু ইত্যাদি ৰাজ্যৰ অন্তৰ্গত বিভিন্ন ঠাইৰ পৰা ঊনবিংশ শতিকাৰ তৃতীয়-চতুৰ্থ দশকৰ পৰাই গিৰমিটীয়া বা অন্য বন্দোৱস্তিত এই লোকসকলক বনুৱা হিচাপে অসমলৈ আমদানি কৰা হয়। এইদৰে চাহ বাগিছাৰ কামত নিয়োজিত চাহবনুৱাসকলে পূৰ্বৰ মাতৃভূমিৰ মোহ এৰি অসমৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক জীৱনৰ সৈতে মিলি গৈ বৃহত্তৰ অসমীয়া সংস্কৃতিৰ সমৃদ্ধিত অৰিহণা যোগায়।

চাহ জনজাতিৰ লোকসকল আৰ্থ-সামাজিক দিশত পিছপৰা আৰু সামাজিকভাৱে নিষ্পেষিত হোৱাৰ বাবেই তেওঁলোক অতি সহজেই বৃটিছৰ ফুচুলনিত ভোল গৈ চাহ-বাগিছাৰ বনুৱা হ'বলৈ অসমলৈ আহে। এওঁলোকৰ মাজত কিছুমান বৃত্তিয়াল জাতিৰ লোক আছিল যদিও তেওঁলোকে পিছলৈ নিজৰ বৃত্তি বা ব্যৱসায় বাদ দি একাণপতীয়াভাৱে চাহখেতিত আত্মনিয়োগ কৰে। এনে লোকৰ ভিতৰত ওৰাওঁ, চাওতাল, মুণ্ডা, ঘচিয়া, খৰিয়া, গদবা, তাঁতী, তাছা আদি প্ৰধান জনগোষ্ঠীসমূহৰ উল্লেখ কৰিব পাৰি। এওঁলোকৰ বাহিৰেও আৰু বহুতো সৰু সৰু জনগোষ্ঠীৰ লোক বিভিন্ন সময়ত অসমলৈ প্ৰব্ৰজিত হয়। তেওঁলোকৰ ভিতৰত তাঁতী, নায়ক, গণ্ডতাঁতী, পান, কমাৰ, কুমাৰ, কৰ্মকাৰ, মালী, তেলী, শবৰ, তাছা, কন্ধ, কৈৰী, বাউৰি, কালাহাণ্ডী, বিষাগ, পালিকা, ভূঁইয়া, কয়া, পৰ্জা, মুণ্ডা, গধবা, তুৰি, খুৱাল, কাটনি, ওৰাং, চাওতাল, ভোম, মিৰ্জা, চৰাল, ৰবিদাস, ভূমিজ, চমাৰ, খৰিয়া, টেলেঙা, ৰাজপুত, কন্দপান, বৰাইক, মানকি, হাৰি, ঘাঁমী, মাজি, বাৰ্লা, গদাল, মহান্তি, চাহু-পুৰীয়া, কালিন্দী, ৰাই, চাঁৱাৰী, কুলু, মুৰ্মু, ৰুণ্ডা, চাৰৱান, তামাৰিদা, পূৰ্ত্ত, গুৰিয়া, ভেংৰা, ধান, চুৰিণ, বণিয়া, ভীল, বিঞ্জিয়া, বেড়িয়া, বিৰহোৰ, বাগতি, বাৰুই, ছেৰো, ধানৱাৰ, ঘটোৱাৰ, লোহাৰ, লোধি, মাৰ্ল, মুণ্ডা, নাগবংশী, নেৱাৰ, নাপিত, পাতৰ, পাওৱা ইত্যাদি বিশেষভাৱে উল্লেখযোগ্য। এনেদৰেই বিভিন্ন জনগোষ্ঠীৰ লোকসকলে বৈচিত্ৰৰ মাজত ঐক্যৰ সূচনা কৰি অসমৰ জাতীয়-জীৱনৰ মূল সুঁতিটোৰ সৈতে মিলি যাবলৈ প্ৰয়াস কৰি আহিছে। মূলতঃ দ্ৰাবিড় আৰু অষ্ট্ৰিক সংস্কৃতিৰ উত্তৰাধিকাৰী এই চাহ জনগোষ্ঠীৰ লোকসকলে অসমলৈ আহি নিজকে অসমীয়া সংস্কৃতিৰ সৈতে বিলীন কৰি দিয়ে। এওঁলোকৰ ভিতৰত যিসকল কোল-মুণ্ডাসকলৰ বংশধৰ, তেওঁলোক অষ্ট্ৰিক মূলীয়। এওঁলোকে পৰম্পৰাগতভাৱে পালন কৰা ভালেমান উৎসৱ-পাৰ্বণত অষ্ট্ৰিকসকলৰ উৰ্বৰা বিশ্বাসৰ প্ৰভাৱ লক্ষ্য কৰা যায়।

চাহ-জনগোষ্ঠীৰ শতাধিক জাতি-উপজাতিৰ মাজত পাৰস্পৰিক যোগাযোগ স্থাপনৰ বাবে খৰঠা, পাঁচপৰগণীয়া, সাদানী প্ৰভৃতি উমৈহতীয়া ভাষাই গঢ় লৈ উঠিছে।

এইকেইটা উমৈহতীয়া ভাষাত অষ্ট্ৰিকৰ প্ৰভাৱ যথেষ্ট। বিশেষকৈ মুণ্ডা হো, বিৰহৰ, কোল, খাৰীয়া, ভূমিজ, চাওঁতাল আদি লোকসকল অষ্ট্ৰিকমূলীয় বুলি ইতিমধ্যে স্বীকৃত হৈছে।

ছোটনাগপুৰত বসবাস কৰা সদান (চদান) জাতিৰ লোকসকলে সাধাৰণতে সাদ্দান বা সাদনি ভাষা ব্যৱহাৰ কৰে। অসমৰ চাহ-জনগোষ্ঠীৰ বিশেষকৈ ৰাঁচী জিলাৰ পৰা অহা আদিবাসী জাতি-জনজাতিৰ লোকসকলে সাদানী ভাষা প্ৰধান ভাষা হিচাপে ব্যৱহাৰ কৰা দেখা যায়। ছোটানগাপুৰত ৰাঁচী জিলাৰ ওচৰা-ওচৰিকৈ থকা হাজাৰীবাগ আদি জিলাত কুৰ্মালি বা খৰঠা ভাষাৰ প্ৰচলন আছে। এইদৰে চাহ জনগোষ্ঠীৰ মাজত গঢ় লৈ উঠা স্বতন্ত্ৰবীয়া আঞ্চলিক ভাষাবোৰত চাহ জনজাতিৰ ভাষাৰ বিবিধ শব্দাৱলীৰ লগে লগে অসমীয়া ভাষাৰো বিবিধ শব্দাৱলী সোমাই পৰিছে আৰু সেইদৰে অসমীয়া ভাষালৈয়ো চাহ-জনগোষ্ঠীৰ ভাষাৰ বিবিধ শব্দৰ আগমন ঘটিছে।

চাহ-জনগোষ্ঠীৰ সাংস্কৃতিক জীৱনত বিভিন্ন লোকউৎসৱত পৰিৱেশিত লোকগীতসমূহে তেওঁলোকৰ জীৱনৰ বৰ্ণময়, উৎসৱমুখৰ কলাত্মক দিশটো প্ৰতিফলিত কৰিছে। এনে লোক-উৎসৱৰ ভিতৰত কৰম পূজা, তুচু পৰব, সৰহাই পৰব, ফাগুন পৰব, দুৰ্গা পূজা, গ্ৰাম্য পূজা, মনসা পূজা, ত্ৰিনাথ পূজা আদি বিশেষভাৱে উল্লেখযোগ্য। চাহবনুৱাৰ মৌলিক অনুষ্ঠানসমূহৰ সৈতে অসমৰ অষ্ট্ৰ-মঙ্গোলীয় সংস্কৃতিৰ মূল উপাদানবোৰৰ সামঞ্জস্য আছে। ভাদ মাহত অনুষ্ঠিত কৰমপূজাৰ সময়ত নিজৰ ঘৰত মৃতকৰ সকাম পতা, দেওধনি উঠা, কৰম পূজাৰ শস্য আগবঢ়োৱা, ঝুমুইৰৰ দৰে সমবেত নাচৰ আয়োজন অসমৰ বিভিন্ন অনুষ্ঠানৰ উপলক্ষ্যতো দেখা যায়। বিহুনাচৰ দৰে যৌন-আবেদন ঝুমুইৰ নাচতো আছে।

নৃত্য-গীতৰ প্ৰাধান্যৰ লগতে সাৰ্বজনীন মানৱীয় আবেদনৰ বাবে পৰম পৰব বা পৰম পূজাই চাহ জনগোষ্ঠীৰ বৰ্ণময় সাংস্কৃতিক জীৱনৰ প্ৰতিনিধিত্ব কৰিছে। কৃষিভিত্তিক লোকউৎসৱ হোৱা হেতুকে এই গীতসমূহত কৃষিজীৱি চাহ জনগোষ্ঠীৰ লোকসকলৰ আশা-আকাংক্ষা সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে।

চাহ জনগোষ্ঠীৰ উমৈহতীয়া জীৱনৰ অভিজ্ঞতা আৰু সৃষ্টিশীল মনীষাৰ স্বৰূপ প্ৰতিফলিত হৈছে তেওঁলোকৰ লোকগীতসমূহত। ঝুমুইৰ, ঘেৰা, ডমকচ, সাদী, সহৰাই, তুচু, নিচুকণী আৰু ওমলা গীত আদিৰ মাজেদি চাহ শ্ৰমিকসকলৰ সমাজৰ বহুমুখী বৈচিত্ৰ্যময় জীৱনৰ প্ৰতিফলন ঘটিছে।

ঝুমইৰ গীত আৰু নৃত্যৰ সমাদৰ শ্ৰমজীৱি চাহ জনগোষ্ঠীৰ মাজত যথেষ্ট। স্থানভেদে এইবোৰ গীতৰ সুৰ, পৰিৱেশন প্ৰণালী আৰু নৃত্য-ভঙ্গিমাৰ পাৰ্থক্য থাকিলেও গীতসমূহৰ মৌলিক গাঁথনিৰ মাজত বিশেষ মিল দেখা নাযায়। বিহুগীতৰ দৰেই এই গীতবোৰ উপমা-ৰূপকেৰে সমৃদ্ধ আৰু বিশেষ সাহিত্যিক গুণসম্পন্ন। কৰম পূজা উপলক্ষে অনুষ্ঠিত ঝুমইৰ নাচ আৰু গীতত চাহ-জনগোষ্ঠীৰ জাতীয় জীৱনৰ আশা-আকাংক্ষা, সুখ-দুখ, ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতি আৰু ইয়াৰ পৰিণতি স্বৰূপে হোৱা মিলন বিৰহৰ এক বহুৰঙী চিত্ৰ অংকিত হৈছে। উদাহৰণস্বৰূপে বিহুগীতৰ সৈতে সাদৃশ্যযুক্ত ঝুমুইৰগীতৰ উল্লেখ কৰা হ'ল ঃ

"আইড়ে শভে বকলী
পাথাৰে শভে ধান গ';
মায়েৰ কলাই ছাইলা শভে
যেমন নয়া ছান্দ গ'।" (ঝুমুইৰ গীত)

অনুৰূপ ভাৱে বিহুগীতত চাওক—

"মেঘতে জিলিকে বিজুলী ছটায়ে
শূন্যত জিলিকে তৰা;
পৃথিৱীত জিলিকে আমাৰে মইনা
তাতোকৈ এফেৰি চৰা।" (বিহুগীত) —ইত্যাদি।

চাহ জনগোষ্ঠীৰ মাজত ভাদ মাহে বিশেষ গুৰুত্ব লাভ কৰিছে। তেওঁলোকৰ কৃষিভিত্তিক লোকউৎসৱ কৰম পূজাও অনুষ্ঠিত হয় ভাদ মাহৰ একাদশী তিথিত। কৰম পূজাৰ গীতবোৰত কৃষিজীৱি লোকসকলৰ জীৱনৰ বহুৰঙী চিত্ৰ অংকিত হৈছে।

দেৱালী বা সহৰাই পৰৱ হৈছে চাহ জনগোষ্ঠীৰ লোকসকলৰ গৰখীয়া জীৱনৰ সৈতে পোনপটীয়াভাৱে জড়িত আন এটি কৃষি উৎসৱ। গো-লক্ষ্মীৰ অৰ্চনাৰ সৈতে এই পূজা উৎসৱ জড়িত হৈ আছে। এই পৰৱৰ দিনকেইটাত গো পূজা কৰাৰ লগতে গৰখীয়াসকলে নিশা ৰাইজৰ ঘৰে ঘৰে গৈ ঢোল, মাদল, তাল আদি বাদ্য লৈ সহৰাই পৰবৰ গীত গাই গৃহস্থসকলক আশীৰ্বাদ দিয়ে।

মাঘ বিহুৰ সমসাময়িকভাৱে চাহ জনগোষ্ঠীৰ লোকসকলে 'তুচু পৰৱ' বা 'তুচুপূজা' অনুষ্ঠিত কৰে। এই পৰৱত 'তুচু গীত' গোৱা হয় আৰু মাঘ বিহুৰ দৰেই পিঠা-পনা খাই সমূহীয়াভাৱে আনন্দ প্ৰকাশ কৰে। পুহ মাহত নিৰ্দিষ্ট এগৰত নাৰীসকল একত্ৰিত হৈ তুচুৰ থাপনা পাতি সেই থাপনাৰ ওচৰত ভক্তিভাৱে গীত গাই তুচুৰ উপাসনা কৰে। জনবিশ্বাস অনুসৰি তুচু দেৱী সন্তুষ্ট হ'লে ধনলাভ আৰু নিঃসন্তানৰ সন্তান লাভ হয়।

হোলি বা ফাগুৱা (ফাকুৱা) সৰ্বভাৰতীয় উৎসৱ যদিও চাহ-জনগোষ্ঠীৰ মাজত উদ্‌যাপিত এই উৎসৱৰ কিছু সুকীয়া বিশেষত্ব আছে। পশ্চিম ভাৰতৰ লোকনৃত্য গবৰাৰ দৰেই চাহ জনগোষ্ঠীৰ লোকসকলে হাতত দুফুটমান কাঠী লৈ ফাগুৱা উপলক্ষে ঢোল-মাদলৰ ছেৱে ছেৱে ঘূৰি ঘূৰি নৃত্য কৰে। এই নৃত্যৰ সৈতে জড়িত গীতসমূহৰ সৰহভাগেই কৃষ্ণবিষয়ক লোকগীত। চাহ জনগোষ্ঠীৰ লোকসকলে কৰমপূজা উপলক্ষে ঝুমুৰ গীত, তুচু পৰব উপলক্ষে তুচু গীত, চহৰাই পৰব উপলক্ষে জাহলী গীত গাই আন্তৰিক আনন্দ প্ৰকাশ কৰে। নিচুকণি আৰু ওমলা গীতসমূহ সৰু ল'ৰা-ছোৱালীক ওমলাবৰ বাবে গোৱা হয়। অনাখৰী লোকৰ সৃষ্টি হ'লেও ভালেমান গীত, ছন্দ আৰু অলংকাৰৰ দিশৰ পৰা বিশেষ তাৎপৰ্যপূৰ্ণ। উদাহৰণ স্বৰূপে তলৰ ঝুমুৰইটি লক্ষণীয় ঃ

"বাৰমাসেৰ বাৰ ফুল
ভাদ মাসেৰ কিয়াৰে
কিবা দযে ছাড়ে গেল
অভাগিনীৰ পিয়াৰে।"

তাহানি অসমীয়া ডেকা-গাভৰুৱে "তোৰো মনে গ'লে মোৰো মনে গ'লে কি

কৰিব অজাতি কুলে" বুলি কোৱাৰ দৰেই চাহ বনুৱাৰ ডেকা-গাভৰুসকলেও তুচু দেৱীক সাক্ষী কৰি যুৱীয়া জীৱনৰ পাতনি মেলাৰ প্ৰয়াস কৰে।

বিভিন্ন জাতি-উপজাতিৰ সংমিশ্ৰণত অসমীয়া জাতিয়ে গঢ় লৈ উঠিছে আৰু সেয়ে অসমীয়া সংস্কৃতিৰ সমৃদ্ধি আৰু বিকাশতো এই জনগোষ্ঠীসমূহৰ লগতে পৰৱৰ্তী কালত এই দেশলৈ প্ৰব্ৰজিত হোৱা বিভিন্ন জনগোষ্ঠীৰ লোকসকলে থলুৱা ভাষা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ গ্ৰহণ কৰি অসমীয়া সংস্কৃতিৰ সৈতে মিলি গৈছে। চাহ জনগোষ্ঠীৰ ক্ষেত্ৰতো এনে সমন্বয় আৰু সমাহৰণ বহুদিন পূৰ্বেই আৰম্ভ হৈছে। চাহ বনুৱাই অসমৰ পৰম্পৰাগত ঐতিহ্য অনুসৰণ কৰি অসমৰ জনজীৱনৰ সৈতে মিলি গৈছে। তেওঁলোকৰ জনজীৱনৰ প্ৰতিনিধিত্ব কৰা বিভিন্ন গীত-মাত, লোক উৎসৱ আদিয়ে চাহ জনগোষ্ঠীৰ লোকসকলৰ বৰ্ণময় সাংস্কৃতিক জীৱনৰ পৰিচয় দিয়ে। আধুনিক সভ্যতাৰ প্ৰচাৰ প্ৰসাৰৰ লগে লগে তেওঁলোকৰ মাজতো নতুনত্বই প্ৰৱেশ কৰিছে যদিও নিজৰ সাংস্কৃতিক ঐতিহ্যৰ উৎকৰ্ষ সাধনৰ প্ৰতি মনোনিৱেশ কৰাৰো সুযোগ আগবঢ়াই দিছে। বৃহত্তৰ অসমীয়া জনজীৱনৰ অপৰিহাৰ্য অঙ্গস্বৰূপে চাহ-জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগত থলুৱা সংস্কৃতিৰ পৰা ভালেমান উপাদান সংগ্ৰহ কৰাৰ লগে লগে নিজৰ পিতৃভূমিৰ পৰা কঢ়িয়াই অনা সাংস্কৃতিক সম্পদৰাজিৰ সমন্বয় সাধন কৰি সাংস্কৃতিক সমাহৰণত গুৰুত্ব দি আহিছে আৰু এনেদৰেই অসমীয়া সংস্কৃতিক বৰ্ণাঢ্য ৰূপ প্ৰদান কৰিছে।

### ৫.৬ অসমৰ নেপালী জনগোষ্ঠী

আপোনালোক সকলোৱে জানে যে, প্ৰত্ন-অসমীয়া লিখিত সহিত্যৰ প্ৰাচীন নিদৰ্শন হৈছে চৰ্যাগীতসমূহ। এই গীতসমূহ মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে কুৰি শতিকাৰ প্ৰথম দশকত নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থাগাৰৰ পৰা অন্যান্য তিনিখন গ্ৰন্থৰ সৈতে উদ্ধাৰ কৰি আনি হাজাৰ বছৰেৰ বাঙ্গলা ভাষায় বৌদ্ধগান ও দোহা নামেৰে বঙ্গীয় সাহিত্য পৰিষদৰ পৰা প্ৰকাশ কৰি উলিয়ায়। প্ৰসঙ্গক্ৰমে উল্লেখ কৰা উচিত যে এই গীতসমূহৰ ৰচনাকাল অষ্টমৰ পৰা দ্বাদশ শতিকা আৰু এই সমলৰাজিৰ নেপালত সংৰক্ষিত হৈ থকা কথাটিয়ে প্ৰাচীন কামৰূপৰ সৈতে নেপালৰ সাংস্কৃতিক সম্পৰ্কৰ কথাই সূচনা কৰে। চৰ্যাগীতৰ ভালেমান গীতিকাৰ তথা তেওঁলোকৰ সৈতে সম্পৰ্কিত সিদ্ধাচাৰ্যৰ যে নেপালৰ সৈতে সম্পৰ্ক ৰক্ষিত হৈছিল, তাৰ আভাস নেপালৰ ইতিহাসতো পোৱা যায়। চৰ্যাকালীন সমাজখনৰ প্ৰসিদ্ধ কবি হাড়ীপা বা জালন্ধৰী পা, কানুপা আদিৰ গুৰু গোৰক্ষনাথ আৰু তেওঁৰ গুৰু মীননাথৰ সৈতে নেপালৰ ইতিহাস জড়িত হৈ আছে।

কৌলজ্ঞান নিৰ্ণয়ৰ পাতনিত বিশিষ্ট পণ্ডিত প্ৰবোধচন্দ্ৰ বাগচীয়ে উল্লেখ কৰিছে যে মৎস্যেন্দ্ৰনাথে পাশুপাত বেশ ধাৰণ কৰি নেপালত প্ৰৱেশ কৰিছিল। মৎস্যেন্দ্ৰনাথ, গোৰক্ষনাথ প্ৰভৃতি সিদ্ধসকলে সমগ্ৰ ভাৰতবৰ্ষৰ উপৰি নেপাল, চীন, তিব্বত আদিৰ বিভিন্ন ঠাইত পৰিভ্ৰমণ কৰি শৈৱ-যোগ ধৰ্ম প্ৰচাৰ কৰিছিল। নেপালত মীননাথ আৰু গোৰক্ষনাথ আজিও পূজিত।

গতিকে দেখা যায় যে, নেপালৰ সৈতে পুৰণি কামৰূপৰ সম্পৰ্ক প্ৰায় ডেৰহাজাৰ বছৰ পুৰণি। খৃষ্টীয় অষ্টম শতিকা অথবা তাৰো বহুকাল পূৰ্বই নেপালৰ সৈতে প্ৰাচীন

কামৰূপৰ সাংস্কৃতিক যোগসূত্ৰ স্থাপিত হৈছিল আৰু তাৰ ফলস্বৰূপে ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক ইত্যাদি বিভিন্ন দিশত আদান-প্ৰদান আৰু বিনিময় সংঘটিত হৈছিল।

চৰ্যাগীতৰ পটভূমিলৈ চালে দেখা যায় যে, এই গীতসমূহ প্ৰায় তেইশগৰাকী সিদ্ধাচাৰ্যৰ দ্বাৰা সংকলিত প্ৰায় পঞ্চাশটি গীতৰ সমষ্টি। এই গীতিকাৰসকলৰ ভিতৰত কানুপা হ'ল সৰ্বাধিক গীতৰ ৰচক। এওঁ এগৰাকী প্ৰভাৱশালী সিদ্ধ আছিল। কানুপা জালন্ধৰীৰ শিষ্য আছিল আৰু গোৰক্ষ বিজয়, মীনচেতন আদি গ্ৰন্থত এওঁলোকৰ বিষয়ে বিভিন্ন কাহিনী বিবৃত হৈছে।

পৰৱৰ্তী কালত নৱবৈষ্ণৱ ভক্তিধৰ্মৰ পটভূমি বিচাৰ কৰিলেও দেখা যায় যে মায়ামৰীয়া সত্ৰৰ প্ৰতিষ্ঠাতা অনিৰুদ্ধদেৱৰ উপৰিপুৰুষ আছিল নেপালৰ নাগৰিক। ৰজনীকান্ত বৰদলৈয়ে চৰিত পুথিৰ বৰ্ণনাৰ ওপৰত ভিত্তি কৰি এই কথা উল্লেখ কৰি গৈছে। পৰৱৰ্তী কালৰ শংকৰদেৱৰ আদৰ্শ শিৰোধাৰ্য কৰি কেইবাগৰাকী নেপালীমূলীয় সত্ৰাধিকাৰে নৱবৈষ্ণৱ ভক্তিধৰ্মৰ গুৰি ধৰি অসমৰ বৈষ্ণৱ আন্দোলনতো বিশিষ্ট বৰঙণি আগবঢ়ায়। ভাৰতীয় স্বাধীনতা সংগ্ৰাম, ভাৰতীয় সাহিত্য আদিলৈয়ো নেপাল বংশোদ্ভৱ ভাৰতীয় তথা অসমীয়া লোকৰ বৰঙণি অতুলনীয়। বিভিন্ন সময়ত বিভিন্ন নেপালীসকল অসমলৈ আহে আৰু নিজস্ব কলা-সংস্কৃতি ৰক্ষা কৰিও বৃহত্তৰ অসমীয়া সমাজৰ সৈতে মিলি যায়।

মৎসেন্দ্ৰনাথৰ যোগেদি কামৰূপ আৰু নেপালৰ মাজত সংঘটিত হোৱা ধৰ্মীয় আৰু আধ্যাত্মিক সম্পৰ্ক, ১৮১৬ চনত সংঘটিত হোৱা সুগৌলী সন্ধিৰ দ্বাৰা ভাৰত অধিকৃত হোৱা নেপালী অধ্যুষিত স্থানসমূহৰ পৰা হোৱা আগমন, গোৰ্খা ৰেজিমেণ্টৰ যোগেদি অসমত বসতি স্থাপন কৰা নেপালীসকল আৰু কৃষিভূমিৰ সন্ধানত বিভিন্ন সময়ত অহা নেপালীসকলৰেই অসমীয়া নেপালী সমাজখন গঠিত হৈছে।

আগতেই উল্লেখ কৰি অহা হৈছে যে নেপালীসকলৰ সৈতে পুৰণি কামৰূপৰ সাংস্কৃতিক সম্পৰ্ক প্ৰায় ডেৰহাজাৰ বছৰৰ আগতেই সম্পন্ন হৈছে। মৎসেন্দ্ৰনাথ, গোৰক্ষনাথ প্ৰভৃতি সিদ্ধসকল এতিয়াও নেপালত দেৱতাৰূপে পূজিত। পুৰণি কামৰূপৰ শৈৱ-কৌল আৰু নাথ-ধৰ্মৰ ঐতিহ্যৰ সৈতে সম্পৰ্কিত এই দুগৰাকী সিদ্ধযোগী আৰু তেওঁলোকৰ শিষ্য-প্ৰশিষ্যসকলৰ স্মৃতি বিজড়িত চৰ্যাগীত, দোহাকোষ আদি নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থাগাৰত সংৰক্ষিত হোৱাটোৱে এই সম্পৰ্কৰ কথাই সোঁৱৰাই দিয়ে।

অসমত বসবাস কৰা নেপালীসকলৰ মাজত বিভিন্ন জনগোষ্ঠীৰ লোক আছে। ভিন ভিন জনগোষ্ঠীৰ নেপালীসকলে অতি প্ৰাচীন কালৰে পৰাই অসমত বসবাস কৰি আহিছে আৰু অসমৰ থলুৱা ভাষা-সংস্কৃতি গ্ৰহণ কৰি বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ অংশীদাৰ হৈছে। পুৰণি কামৰূপৰ সৈতে দাঁতি কাষৰীয়া এই দেশখনলৈ প্ৰব্ৰজিত সৰহসংখ্যক লোকেই জীৱিকাৰ সন্ধানত ইয়ালৈ আহিছিল আৰু অসমৰ বিভিন্ন অঞ্চলত স্থায়ীভাৱে বসতি স্থাপন কৰি থলুৱা ভাষা-সাহিত্যক আপোন কৰি লৈছিল। এনেদৰেই থলুৱা সংস্কৃতি গ্ৰহণৰ যোগেদি সাংস্কৃতিক বিনিময় আৰু সংমিশ্ৰণৰ যোগেদি নেপালীসকলে অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰিছে। ড° নগেন শইকীয়াৰ ভাষাত—

“যোগিনীতন্ত্ৰই আগতেই কৈ গৈছে কামৰূপৰ কৈৰাতজ বৈশিষ্ট্যৰ কথা। এই বিচিত্ৰতাক আৰু এটি জনগোষ্ঠীয়ে সমৃদ্ধিশালী কৰিছে; এই জনগোষ্ঠী হ’ল নেপালৰ পৰা আহি অসমীয়া হোৱা নেপালী-অসমীয়া সমাজ। অৱশ্যে নেপালো প্ৰাচীন কামৰূপৰ ভিতৰুৱা আছিল। অসমলৈ ইতিহাসৰ বিভিন্ন সময়ত প্ৰব্ৰজন কৰি আহি থিতাপি লোৱা নেপালৰ অনেক লোক ভাষিক, সাংস্কৃতিক, নৃতাত্ত্বিক সকলো ফালৰ পৰা অসমীয়া ভাষা-সংস্কৃতি আৰু জাতীয় জীৱনৰ লগত বেলেগ কৰিব নোৱাৰাকৈ মিশ্ৰিত হ’ল; আৰু এনে অনেক লোক আছে, যিসকল এই সংমিশ্ৰণৰ আৰু সমন্বয় প্ৰক্ৰিয়াৰ ভিতৰুৱা হৈ পৰিছে। এইসকল লোকৰ লগত নেপালৰ কোনো ৰাজনৈতিক-অৰ্থনৈতিক সম্পৰ্ক নাই।”

নেপালীসকলৰ মাজত আৰ্য আৰু আৰ্যভিন্ন উভয় জনগোষ্ঠীৰ লোক আছে। ব্ৰাহ্মণ, ক্ষত্ৰিয়, দৰ্জি, কমাৰ, কুমাৰ আদিৰ বাহিৰেও মঙ্গোলীয় গোষ্ঠীসম্ভূত ৰাই, লিম্বু, মগৰ, ধিমাল, তামাং, শ্বেৰ্পা, চেপাৰু, দানোৱাৰ, জিৰেল আদি লোকো আছে। এই লোকসকলৰ মাজত পাৰস্পৰিক যোগাযোগৰ বাবে নিৰ্দিষ্ট ভাষা আছিল যদিও অসমলৈ আহি তেওঁলোকে অসমীয়া আৰু নেপালী এই উভয় ভাষাৰ মাধ্যমেৰেই সামাজিক যোগাযোগ আৰু সম্পৰ্ক ৰক্ষা কৰি আহিছে। অসমৰ নেপালীসকলৰ মাজত বিভিন্ন সামাজিক স্তৰ আছে। অসমৰ নেপালীসকলৰ মাজত ধৰ্ম বিশ্বাস অতি প্ৰবল। অৱশ্যে ধৰ্মৰ নামত বহু সময়ত অন্ধবিশ্বাস আৰু কু-সংস্কাৰে প্ৰাধান্য লাভ কৰাত তেওঁলোকৰ সমাজখন আৰ্থ-সামাজিক আৰু সাংস্কৃতিক দিশতো যথেষ্ট পিছ পৰি আছে। নেপালীসকলৰ মাজত দেৱ-দেৱী, তন্ত্ৰ-মন্ত্ৰ, ভূত-প্ৰেত আদিৰ প্ৰাধান্য অধিক। সেইবাবেই তেওঁলোকৰ সমাজৰ অনেক প্ৰকাৰৰ পূজা-পাঠ, নানা দেৱ-দেৱী আৰু ধৰ্মীয় পৰম্পৰাত বিশ্বাসী লোকৰ আধিক্য লক্ষ্য কৰা যায়। অৱশ্যে বৰ্তমানে তেওঁলোকৰ মাজৰ পৰাও কিছুসংখ্যক ব্যক্তি শিক্ষা-দীক্ষাত আগুৱাই আহিছে আৰু সমান্তৰালভাৱে অসমৰ ভাষা, সাহিত্য, সংস্কৃতি আৰু আৰ্থ-সামাজিক দিশলৈ প্ৰভূত বৰঙণি আগবঢ়াইছে। ৰাজনৈতিক ক্ষেত্ৰৰ প্ৰতিও কিছুসংখ্যক লোক অগ্ৰসৰ হৈছে যদিও এই সংখ্যা অতি সীমিত।

অসমৰ লোক সাংস্কৃতিক বিকাশত বাচিক কলা হিচাপে লোক সাহিত্যই এখনি বিশেষ স্থান অধিকাৰ কৰিছে। নেপালীসকলৰ মাজতো ভালেমান লোকগীতৰ প্ৰচলন আছে। ইয়াৰে কিছুমান বিয়া-বাৰু, উৎসৱ আদিত গোৱা গীত, কিছুমান ভক্তিমূলক আৰু আনবোৰ নৃত্য-গীত আদিৰ সৈতে সম্পৰ্কিত লোকগীত। লোকগীতত নেপালীসকল চহকী। অসমৰ মাটি-পানীৰ সৈতে মিলি যোৱাৰ বাবেই নেপালীসকলৰ লোকগীত বিহুগীতৰ দৰেই ডেকা-গাভৰুৰ অন্তৰৰ আশা-আকাংক্ষা, হা-হুমুনিয়াহ আদিৰ সুন্দৰ প্ৰতিফলন ঘটিছে। উদাহৰণস্বৰূপে তলৰ গীতটি চাওক—

নেপালী লোকগীত— “উড়িজানে পুতলিকো পানী মণি ছাঁয়া।
জস্তো তিমিলাই পানী তিৰ্খা জস্তৈ মলাই মায়া।”

অসমীয়া বিহুগীততো অনুৰূপ ভাৱৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায় ঃ

“ওপৰে উৰিলে বগাকৈ বগলী
ক’লা হৈ পৰিলে ছায়া

ৰাতিৰ সপোনতে দুয়ো একেলগে
কিনো যে বিধাতাৰ মায়া।" (বিহুগীত)

এনেকুৱা যথেষ্ট উদাহৰণ দিব পাৰি। অসমৰ নেপালীসকলে থলুৱা অসমীয়া লোকৰ সৈতে গভীৰভাৱে মিলি গৈছে, বৈবাহিক সম্পৰ্ক স্থাপন কৰিছে আৰু অধিক কি মহাপুৰুষীয়া ধৰ্মৰ ছত্ৰছায়াত ভক্তি আৰু মুক্তিৰ পথ প্ৰশস্ত কৰি তুলিছে।

অসমৰ নেপালীসকল মূলতঃ দোভাষী। তেওঁলোকে নিজৰ মাজত নেপালী ভাষাত আৰু অসমীয়া লোকৰ সৈতে যোগাযোগৰ ক্ষেত্ৰত অসমীয়া ভাষাত প্ৰয়োজনীয় কথা-বতৰা পাতি ভাব বিনিময় কৰে। অসমীয়া ডেকাই 'তোকে চাই লাহৰী বান্ধি যাওঁ ডাঙৰি' বুলি গীত গাই মনৰ গোপন ভাৱ প্ৰকাশ কৰাৰ দৰেই নেপালী ডেকায়ো কোনোবা ৰূপহী গাভৰুক নেদেখি বুকুত বাঁহ বন্ধা বেদনাৰ ভাৱ প্ৰকাশ কৰে এনেদৰে—

"ধানকো ভৰি লিয়েৰ গায়ে য়ো বাটো চু-ৰু-ৰু
আওঁদা-জাঁদা তিমিলাই নেদেখি মন ৰনচ্ছ ধু-ৰু-ৰু।" ইত্যাদি।

অসমৰ নেপালীসকলৰ মাজত ভালেমান কাহিনী গীতৰো সৃষ্টি হৈছে। তেনে এটি গীতত ৰঙিলী আৰু পমিলী নামৰ দুগৰাকী অসমীয়া যুৱতীৰ প্ৰেমকাহিনী বিবৃত হৈছে। এনে গীত এটিৰ অসমীয়া ৰূপ এনেধৰণৰ ঃ

"সোৱণশিৰী গাঁৱৰে আমি দুয়ো বাই-ভনী
নদীত গা ধুবলৈ যাওঁ অ' আইজনী;
এজনীৰ নাম ৰঙিলী, আনজনী হ'ল পমিলী
ৰঙিলীক মুহিলে নেপালীৰ দৈ গাখীৰে
পমিলীক মুহিলে প্ৰেমে ঐ ককাইটি।
গা ধুই থাকোঁতে নেপালীয়ে সুধিলে
তহঁতৰ নামে বা কিয়ে ঐ ছোৱালী,
মোৰে নাম ৰঙিলী, তাইৰে নাম পমিলী
সোৱণশিৰী গাঁৱৰে আমি দুয়ো বাই-ভনী।" ....ইত্যাদি।

বছৰৰ আৰম্ভণি হয় ব'হাগ মাহত আৰু এই মাহটো তেওঁলোকৰ বাবে অতি পবিত্ৰ মাহ। এই মাহত বছৰটোৰ সুখ-শান্তি আৰু সমৃদ্ধিৰ অৰ্থে নানাধৰণৰ পূজাপাঠ আৰু মাঙ্গলিক অনুষ্ঠান কৰি নেপালীসকলে কৃষি-কৰ্মত আত্মনিয়োগ কৰে। মাঘ মাহত মকৰ সংক্ৰান্তি উপলক্ষে পৰশুৰাম কুণ্ডত স্নান কৰিলে মুক্তিলাভ হোৱাৰ লগতে সকলোধৰণৰ পাপ খণ্ডন হয় বুলি নেপালীসকলে বিশ্বাস কৰে। সংক্ৰান্তি উপলক্ষে নানা ধৰণৰ ফল-মূল, পিঠা-পনা তৈয়াৰ কৰি আলহী-অতিথিক আপ্যায়ণ কৰে।

আহাৰ মাহত পথাৰত বসতি কৰি থকাৰ সময়ত ৰোৱনীসকলৰ মাজত 'আচাৰে গীত' আদি গাই আনন্দ প্ৰকাশ কৰা হয়। আহিন-কাতি মাহত দুৰ্গাপূজা আৰু দিপান্বিতা উৎসৱো মহাসমাৰোহেৰে পালন কৰে। অসমীয়া সমাজত 'গৰু বিহু'ৰ দিনাখন বিহুৱান দি আশীৰ্বাদ লোৱাৰ দৰেই নেপালীসকলৰ মাজত 'লিগে পিং' খেলৰ আয়োজন কৰি বিজয়া দশমীৰ দিনা ঘৰৰ জ্যেষ্ঠজনে নিজ নিজ সন্তান আৰু মিতিৰ-কুটুমসকলৰ কপালত

ফোঁট (টিকা) দি আশীৰ্বাদ দিয়ে। তেওঁলোকে কাতি মাহত-তিহাৰ উৎসৱ পালন কৰে। এই উৎসৱত সাধাৰণতে দুবিধ গীত পৰিৱেশন কৰা হয় 'ভইলো' আৰু 'দেউসী'। দেউসী হ'ল পুৰুষপ্ৰধান খেল আৰু গীত।

নেপালী সমাজত ধৰ্মমূলক গীতৰ ভিতৰত ভজন-কীৰ্তন আৰু ব্ৰতৰ সৈতে যুক্ত গীতৰ উল্লেখ কৰিব পাৰি। কৃষ্ণৰ জন্মাষ্টমী আৰু শিৱৰাত্ৰিতো তেওঁলোকে সমূহীয়াভাৱে ভজন পৰিৱেশন কৰে।

নেপালীসকলৰ সংস্কাৰ কৰ্মৰ সৈতে জড়িত গীতৰ ভিতৰত 'বালন' আৰু বিয়াৰ গীতৰ উল্লেখ কৰিব পাৰি। বিবাহ অনুষ্ঠানৰ বিভিন্ন সময়ত গোৱা গীতে বিয়াঘৰ মুখৰিত কৰি ৰাখে। বিয়াৰ ৰাতি তিৰোতাবিলাকে গোট খাই 'ৰতৌলি' গীত গায় আৰু নৃত্য কৰে।

নেপালী সম্প্ৰদায়ৰ মাজত 'সেলো', 'ঝাউৰে' প্ৰভৃতি প্ৰণয়গীত আৰু 'অসাৰে' আদি কৰ্মগীত আৰু 'মাৰুণী গীত', 'গাইনেৰ গীত' প্ৰভৃতি ৰং-ধেমালিৰ গীতৰ প্ৰচলন আছে। নাৰীপ্ৰধান উৎসৱ 'তীজ' উপলক্ষ্যে গোৱা গীতবোৰ কৰুণ ৰসাত্মক। তীজত বিয়া দিনা কন্যাই মাতৃগৃহলৈ যাবলৈ নোপোৱাৰ মৰ্মবেদনা অতি কৰুণভাৱে প্ৰকাশিত হৈছে।

লোকমন্ত্ৰৰ ভিতৰত নেপালীসকলৰ মাজত 'যোগীৰ মন্ত্ৰ', 'ধৰ্মীয় মন্ত্ৰ' আৰু 'পিনাস' বা জৰাফুকাৰ মন্ত্ৰৰ প্ৰচলন আছে। পিনাসবোৰ মূলতঃ কাহিনীমূলক।

কাতিমাহৰ কৃষ্ণ ত্ৰয়োদশীৰ দিনা 'তিহাৰ' উপলক্ষে নেপালীসকলে কাউৰীপূজা কৰি কাউৰীক আহাৰ দান কৰে। তাৰ পিছদিনা 'কুকুৰ তিহাৰ' উপলক্ষে কুকুৰক খাবলৈ দি ডিঙিত মালা পিন্ধায়। আউসীৰ দিনা 'গাই তিহাৰ' অৰ্থাৎ গৰু বিহু। প্ৰতিপদৰ দিনা তেওঁলোকে গৰুক পূজা কৰি শিং আৰু খুৰাত তেল ঘঁহি ডিঙিত মালা পিন্ধাই দিয়ে। এনেদৰে নেপালীসকলৰ মাজত কাতি মাহৰ তিহাৰ উৎসৱে বিশেষ প্ৰাধান্য লাভ কৰিছে।

নেপালীসকলৰ মাজত ভাতৃ-দ্বিতীয়া অতি উলহ-মালহেৰে পালন কৰা হয়। ইয়াক ভাই টীকাও বোলে। ভাতৃত্বৰ প্ৰতীক 'ভাতৃ-দ্বিতীয়া' নেপালীসকলৰ অতি আদৰৰ আৰু জনপ্ৰিয় উৎসৱ। লোকবাদ্যত নেপালীসকল চহকী। তেওঁলোকৰ মাজত ব্যৱহৃত বাদ্যযন্ত্ৰসমূহৰ ভিতৰত মাদলে মুখ্য ভূমিকা গ্ৰহণ কৰিছে।

নেপালীসকলৰ বৰ্ণাঢ্য সাংস্কৃতিক জীৱনে এনেদৰেই অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰিছে। বৈচিত্ৰ্যপূৰ্ণ অসমীয়া সংস্কৃতিৰ পৰিপূৰ্ণ বিকাশত এনেদৰেই বিভিন্ন জনগোষ্ঠীৰ সহযোগিতাই সমাহৰণ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰিছে।

## ৫.৭ সাৰাংশ (Summing Up)

অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। যুগ যুগ ধৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক উপাদানসমূহৰ আদান-প্ৰদান আৰু বিনিময়ৰ যোগেদি সাংস্কৃতিক সমাহৰণ আৰু সংস্কৃতি গ্ৰহণৰ মাধ্যমেদি পৰিৱৰ্তিত ৰূপত বৃহত্তৰ অসমীয়া সংস্কৃতিয়ে বৰ্ণাঢ্য ৰূপ পৰিগ্ৰহ কৰিছে। সেইবাবেই কোন জনগোষ্ঠীৰ মাধ্যমেদি কোনবিধ উপাদান অসমীয়া সংস্কৃতিত প্ৰৱেশ কৰিছে, সেই কথা খাটাংকৈ ক'ব নোৱাৰি।

আগৰ বিভাগত আলোচনা কৰি অহা হৈছে যে, অসমীয়া সংস্কৃতিৰ পৰিপুষ্টি আৰু বিকাশত এই দেশত অতি প্ৰাচীন কালৰে পৰা বসবাস কৰি অহা জনজাতীয় মূলৰ বিবিধ জনগোষ্ঠীৰ প্ৰভাৱ অতি গভীৰ আৰু সুবিস্তৃত। অনুৰূপভাৱে কলিতা, নাথ-যোগী, কৈৱৰ্ত আদি জনগোষ্ঠীৰ বৰঙণিও কম নহয়। অসমলৈ পৰৱৰ্তী কালত প্ৰব্ৰজিত হোৱা টাই-আহোম মুছলমান, নেপালী আৰু চাহ-জনগোষ্ঠীৰ লোকসকলৰ বিষয়েও ইয়াত আলোচনা আগবঢ়োৱা হৈছে। অসমৰ জাতিসত্বা গঠনত এই জনগোষ্ঠীসমূহৰ নৃ-গোষ্ঠীয় অৱদানৰ লগতে সাংস্কৃতিক উপাদানেও বাৰেবৰণীয়া অসমীয়া সংস্কৃতিক বৰ্ণাঢ্য ৰূপ প্ৰদান কৰিছে। এই বিভাগটিত এই জনগোষ্ঠীসমূহৰ সামাজিক, সাংস্কৃতিক দিশসমূহৰ আলোচনা কৰাৰ লগতে অসমীয়া সংস্কৃতিৰ বিকাশত এই বৈশিষ্ট্যসমূহে কেনেদৰে বৰঙণি আগবঢ়াইছে এই বিষয়েও আলোকপাত কৰা হৈছে।

## ৫.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অসমীয়া সংস্কৃতিয়ে টাই-আহোমসকলৰ বৰঙণি সম্পৰ্কে এটি আলোচনা দাঙি ধৰক।

২) আহোমসকল কেতিয়া অসমলৈ আহে? অসমীয়া জাতিগঠনত আহোমসকলৰ বৰঙণি সম্পৰ্কে আলোচনা কৰক।

৩) আহোম যুগৰ চিত্ৰকলা আৰু ভাস্কৰ্য সম্পৰ্কে আলোচনা কৰক।

৪) অসমত বসবাস কৰি অহা চাহ-জনগোষ্ঠীৰ সংস্কৃতিৰ বিষয়ে চমুকৈ লিখক।

৫) অসমীয়া সংস্কৃতিৰ সমৃদ্ধি আৰু বিকাশৰ চাহ জনগোষ্ঠীৰ অৱদানৰ বিষয়ে চমুকৈ লিখক।

৬) চাহ-জনগোষ্ঠীৰ লোকসকল কেতিয়া অসমলৈ প্ৰব্ৰজিত হয়? এওঁলোক ভাৰতবৰ্ষৰ কোন কোন প্ৰান্তৰ পৰা অসমলৈ আহিছিল আৰু বৰ্তমান তেওঁলোকৰ পৰিচয় কি— বহলাই লিখক।

৭) চাহ-জনগোষ্ঠীৰ মাজত প্ৰচলিত লোকগীত আৰু নৃত্যৰ বিষয়ে চমুকৈ লিখক।

৮) অসমীয়া সংস্কৃতিৰ পৰিপূৰ্ণ বিকাশত নেপালী জনগোষ্ঠীৰ বৰঙণিৰ বিষয়ে চমুকৈ লিখক।

৯) নেপালীসকল কি উদ্দেশ্যে অসমলৈ আহে? তেওঁলোকৰ বাৰেৰহণীয়া সংস্কৃতিৰ বিষয়ে চমুকৈ লিখক।

১০) নেপালীসকলৰ লোকসাহিত্য সম্পৰ্কে চমু আলোচনা আগবঢ়াওক।

১১) মুছলমানসকলৰ কেতিয়া আৰু কি উদ্দেশ্যে অসমলৈ আগমন হয়? অসমীয়া সংস্কৃতিলৈ তেওঁলোকৰ বৰঙণিৰ বিষয়ে চমুকৈ লিখক।

১২) অসমৰ সাহিত্য শিল্প সঙ্গীতলৈ মুছলমানসকলে আগবঢ়োৱা বৰঙণিৰ বিষয়ে লিখক।

১৩) অসমৰ কোনবোৰ জনগোষ্ঠীৰ মাজত মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ প্ৰচলন দেখা যায়? ফঁহিয়াই আলোচনা কৰক।

১৪) অসমৰ জনজাতিসকলৰ মাজত কৃষিভিত্তিক লোক উৎসৱসমূহ কেনেদৰে উদ্‌যাপিত হয় লিখক।

১৫) অসমৰ কোন কোন জনগোষ্ঠীৰ মাজত অষ্ট্ৰিক আৰু দ্ৰাবিড় সংস্কৃতিৰ প্ৰভাৱ পৰিলক্ষিত হয় লিখক।

১৬) **চমুটোকা লিখক**

ঝুমখেতি, বাগৰুম্বা, ঐনিতম্‌, ঠেংপাৰা, ছাবিন আলুন, মাংখ্ৰাম, পঃৰাগ, বৰতপূজা, দোমাহী আলুন, বায়খো, গুমৰাগ নৃত্য, বিষহৰি পূজা, লালিলাং গীত, লাঙামাৰা, আলি আয় লৃগাং, বিযুৱা, মায়নাওব্ৰী, পাতিৰাভা, বাইথ' পূজা, বাশ পূজা, বৈছাগু, কেঁচাইখাতী, হায়দাংপূজা, হাইতাল, দোমাছি, দেওপূজা, জলসাই পূজা, পীৰা, ছেৰজা, ডাঙৰীয়া পূজা, চাংঘৰ, বৰকলিতা, বুৰিছিংকায়, ছগ্ৰা নৃত্য, ডেকাচাং, ঝুমুৰ, শুকতি (সিদল), কাতিগাছা, ফাকিয়াল (টাইফাকে), সহৰাই পৰব, কাতিকা পূজা, অৰিমাগা, তাওধৰ্ম, হোলি, মৰিয়া, হস্তীবিদ্যাৰ্ণৱ, মাৰৈ পূজা, সূত্ৰধাৰী নৃত্য, মৃগাৱতী চৰিত, জিকিৰ গীত, মাৰুণী গীত, নাথ-যোগী, দোতৰাগান, যোগীমন্ত্ৰ, ন-নাথ, যোগীঘোপা, তুচুগীত, জাহলী গীত, তুচুপূজা, ফাগুৱা, কৰ্মনাশা, মঞ্জুশ্ৰীমূলকল্প, বাচৰু, তামুলী পিৰা, চ'ৰানাও, ৰংঘৰ, পয়চাংকেন, চৰ্যাগীত, হঠযোগ, ছিফুং, হাংমা-হাংছানি ফালি, হাতা ছুৱানি/হাথাছুনৈ, চমাংকান, ফাৰকান্তি, হাৱলি ঘৰ, ঢাল-তৰোৱাল, মানছালেংকা, জাম্বিলি আথন, ৰজাৰু আহিৰ, কুলাবুঢ়ী নাচ, লাই হিলালী, ৰাতি খোৱা সম্প্ৰদায়, ডিঙাপূজা, তিঁতালাৰৱ খোল, বৰত পূজা, হোৰা, জোলোঙা, চালাঙি বাতি, দখনা থাওচি, ৰঙাপাতিন।

## ৫.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Books)


| | | |
|---|---|---|
| কাকতি, বাণীকান্ত | ঃ | পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, ১৯৯৫ |
| কাগয়ুং, ভৃগুমণি (সম্পা) | ঃ | মিচিং সংস্কৃতিৰ আলেখ্য, ১৯৭০ |
| গগৈ, লীলা | ঃ | অসমৰ সংস্কৃতি, ১৯৮৬ |
| — | ঃ | টাই সংস্কৃতিৰ ৰূপৰেখা, ১৯৭১ |
| গোস্বামী, প্ৰফুল্লদত্ত | ঃ | অসমীয়া জনসাহিত্য, ১৯৮৬ |
| — | ঃ | বাৰ মাহৰ তেৰ গীত, ১৯৬২ |
| গোস্বামী, সত্যেন্দ্ৰনাৰায়ণ | ঃ | অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ সমীক্ষা, ১৯৭১ |
| চাত্তাৰ, আব্দুচ | ঃ | সংমিশ্ৰণত অসমীয়া সংস্কৃতি |
| তেৰাং, ৰংবং | ঃ | সমন্বয় প্ৰৱাহ, ১৯৮৯ |
| দাস, ভূবনমোহন (সম্পা) | ঃ | অসমীয়া জাতি ইতিবৃত্ত |
| দেউৰী, মহেশ্বৰ | ঃ | মৰিগাঁও জিলাৰ লোক সংস্কৃতি, ১৯৯৪ |
| নাথ, ৰাজমোহন | ঃ | গৌৰৱময় অসম, ১৯৪৯ |
| নাথ, প্ৰফুল্ল কুমাৰ | ঃ | অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা, ২০০৪ |

নেওগ, মহেশ্বৰ ঃ পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, ১৯৬৬
— ঃ পবিত্ৰ অসম, ১৯৬৯
পাদুন, নাহেন্দ্ৰ ঃ অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি, ১৯৮৮
বৰদলৈ, নিৰ্মলপ্ৰভা ঃ অসমৰ লোক-সংস্কৃতি, ১৯৭২
বৰুৱা, অতুলচন্দ্ৰ ঃ মনসাকাব্য আৰু ওজাপালি, ১৯৭৬
বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমীয়া ভাষা আৰু সংস্কৃতি, ১৯৫৭
— ঃ অসমৰ লোক সংস্কৃতি, ১৯৮৫
বৰুৱা, প্ৰহ্লাদ কুমাৰ (সম্পা) ঃ অসমীয়া লোক-সাহিত্য, ২০০১
ভট্টাচাৰ্য, প্ৰমোদচন্দ্ৰ (সম্পা) ঃ অসমৰ লোক উৎসৱ, ১৯৬৯
— ঃ অসমৰ জনজাতি, ১৯৬২
ৰাভা, হাকাচাম, উপেন ঃ অসমৰ জনজাতীয় সংস্কৃতি, ২০০৫
শৰ্মা, নবীন চন্দ্ৰ ঃ অসমৰ লোকসংস্কৃতিৰ চমু আভাস, ১৯৯৫
শৰ্মা, শশী ঃ অসমৰ লোক সাহিত্য, ১৯৯৩
শৰ্মা, হেমন্তকুমাৰ ঃ অসমীয়া লোকগীতি সঞ্চয়ন, ১৯৭৮
সৰকাৰ, হৰিমোহন ঃ বহুৰঙী গীতৰ আঁচলত, ১৯৬৫
হাজৰিকা, অতুলচন্দ্ৰ ঃ উছৱৰ ভোগজৰা, ১৯৬৫
— ঃ উছৱৰ ৰংচ'ৰা, ১৯৬৩
হাজৰিকা, পৰীক্ষিত ঃ চৰ্যাপদ, ১৯৯৯
হাজৰিকা, সূৰ্যকান্ত (সম্পা) ঃ সংস্কৃতি সঞ্চয়ন, ১৯৮০
AIRTSC ঃ Socio Economic Conditions of the Kaibartas of Assam, A Case Study, 1994.
Buzarbarua, M ঃ Social and Cultural life of the Mishing of Assam, 1991
Bondapadhyay, P. K. ঃ The Tai Phakes of Assam, 1983
Barkakati, S. N. ঃ Tribal Folktales, 1971
Baruah, H. C. ঃ Marriage Customs of the People of Assam, 1895
Barua, B. K. ঃ A Cultural History of Assam, 1969
Barua, K. L. ঃ Early History of Kamrupa, 1966
Chetterjee, S. K. ঃ Kirat-Jana-Kriti, 1974
Das, J ঃ Folklore of Assam, 1973
Datta, B. N. (at.al.,ed.) ঃ A Handbook of Folkore Materials of North-East India, 1994
Dutt, K. N. (Ed) ঃ Aspects of the Heritage of Assam, 1959
Goswami, P. ঃ Ballads and Tales of Assam, 1980
– ঃ The Spring time Bihu of Assam, 1966

| | | |
|---|---|---|
| Kakati, B. | : | The Mother Goddess Kamakhya, 1967 |
| Nath, Rajmohan | : | The Background of Assamese Culture, 1948 |
| – | : | Pre-vedic Kamrup, 1958 |
| Sen, Sipra | : | Tribes and Castes of Assam, 1999 |
| Vidyarathi, L. P. | : | Art and Culture of North-East India, 1993 |
| Waddell, L. A. | : | The Tribes of the Brahmaputra Valley, 1900 |
| Tylor, E. B. | : | Primitive Culture, 1974 |

## ষষ্ঠ বিভাগ
## অসমৰ লোকাচাৰ আৰু লোক-বিশ্বাস

**বিভাগৰ গঠন ঃ**


৬.১ ভূমিকা (Introduction)
৬.২ উদ্দেশ্য (Objectives)
৬.৩ অসমৰ লোকাচাৰ
৬.৪ লোকবিশ্বাস
৬.৫ অসমৰ লোকবিশ্বাস
৬.৬ অসমৰ লোকাচাৰ, লোকবিশ্বাসত প্ৰতিফলিত লোকজীৱনৰ স্বৰূপ
৬.৭ সাৰাংশ (Summing Up)
৬.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
৬.৯ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


### ৬.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত অসমৰ সংগীত আৰু পৰম্পৰাগত বাদ্যযন্ত্ৰ সম্পৰ্কে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত অসমৰ লোকাচাৰ আৰু লোকবিশ্বাস সম্পৰ্কে পৰ্যালোচনা কৰা হ'ব।

সামাজিক আচাৰ-অনুষ্ঠান ঃ সংস্কৃতিৰ ক্ষেত্ৰ বা বিভিন্ন দিশৰ ভিতৰত সামাজিক আচাৰ - অনুষ্ঠানে তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বিশেষকৈ লোক সাধাৰণৰ আদৰ্শগত আৰু ধৰ্মীয় দিশটোৰ পৰিচয় দিয়ে- সামাজিক আচাৰ- অনুষ্ঠান আদিয়ে। সামাজিক আচাৰ বা লোকাচাৰ সমাজৰ সমস্ত লোকৰ মাজত প্ৰচলিত। হিন্দু, মুছলমান, খৃষ্টান আদি ধৰ্মাৱলম্বী সকলো জাতি-জনজাতিৰ মাজত এই আচাৰ-অনুষ্ঠানবোৰ পৰিলক্ষিত হয়। এই ফালৰপৰা ধৰ্মীয় প্ৰসংগ, প্ৰজাতীয় অনুষংগ আৰু ভাষিক গোষ্ঠীৰ সন্দৰ্ভত সমাজত প্ৰচলিত আচাৰ অনুষ্ঠানবোৰক সাধাৰণভাৱে এইদৰেও শ্ৰেণী বিভাজন কৰিব পাৰি; যেনে ঃ হিন্দু আচাৰ-অনুষ্ঠান, ইছলামীয় আচাৰ-অনুষ্ঠান, খৃষ্টানীয় আচাৰ-অনুষ্ঠান, বড়োসকলৰ আচাৰ-অনুষ্ঠান, হাজংসকলৰ আচাৰ-অনুষ্ঠান, বঙালী আচাৰ-অনুষ্ঠান, নেপালী আচাৰ- অনুষ্ঠান, চাহ জনগোষ্ঠীৰ আচাৰ-অনুষ্ঠান আদি।

### ৬.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ পিছত আপোনালোকে-

- সমাজত প্ৰচলিত পৰম্পৰা, ৰীতি-নীতি ইত্যাদিৰ স্বৰূপ সম্পৰ্কে জ্ঞাত হোৱাৰ লগতে এইবোৰৰ লগত জড়িত পৰম্পৰাগত মূল্যবোধ আৰু ঐতিহ্যৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব পাৰিব

- লোকাচাৰ, লোকৰীতি, লোক-বিশ্বাস প্ৰভৃতি লোকজীৱন চৰ্যাৰ সৈতে জড়িত জীৱনবোধৰ লগত পৰিচিত হ'ব পাৰিব
- লোক-সংস্কৃতিৰ স্বৰূপ উপলব্ধি কৰিব পাৰিব

## ৬.৩ অসমৰ লোকাচাৰ

অসমৰ সৰহ সংখ্যক লোকেই গাওঁবাসী, কৃষিৰ ওপৰত নিৰ্ভৰশীল আৰু পৰম্পৰা আশ্ৰয়ী গতিকে অসমৰ সামাজিক আচাৰ - অনুষ্ঠানসমূহত শাস্ত্ৰীয় উপাদান থাকিলেও এইবোৰ প্ৰায় লোকে সমাজত আশ্ৰয়ী। দ্বিতীয়তে, অসমৰ সামাজিক আচাৰ-অনুষ্ঠাৰাজিত জাতি-উপজাতিৰ নিৰৱচ্ছিন্নতা (**Caste-tribe continuum**) ৰ স্থিতি সহজে লক্ষ্য কৰিব পাৰি। অসমত প্ৰচলিত বিশ্বাস-ধৰ্মীয় আচাৰ কিদৰে শাস্ত্ৰীয়-লোকায়ত আৰু জনজাতীয় সাংস্কৃতিত সংমিশ্ৰণ ঘটিছে তাৰ প্ৰকৃষ্ট নিদৰ্শন যোগিনীতন্ত্ৰত উল্লেখ থকা 'কৈৰাতজ ধৰ্ম' বা 'কৈৰাতিকা ধৰ্মই' দিব পাৰে। সেইবাবে অসমৰ সামাজিক আচাৰ-অনুষ্ঠানক স্থুলভাৱে লোকায়ত আচাৰ-অনুষ্ঠান নাম দিয়াই সমীচীন হ'ব। সামাজিক আচাৰ-অনুষ্ঠান যথাৰ্থতে পৰম্পৰাগত জীৱনৰ প্ৰতিফলন মাথোন। গতিকে পৰম্পৰাগত জীৱন, বাচিক কলা আৰু ভৌতিক সংস্কৃতিৰ সংযোজন বিন্দুৰ দৰে। লোকাচাৰ ব্যক্তিগত জীৱনৰ অন্যোন্য ক্ৰিয়াৰ সমষ্টি নহয়, সামাজিক জীৱনৰ অন্যোন্য ক্ৰিয়াৰ সমষ্টিহে। সামাজিক লোক-আচাৰ-অনুষ্ঠান বা লোকাচাৰে কলা বা লোক সাহিত্য যথোপযুক্ত অনুষংগ স্বৰূপেহে ভূমিকা গ্ৰহণ কৰি আহিছে। সমাজ আৰু পৰিয়ালত প্ৰচলিত বিবিধ বিশ্বাস, ধৰ্ম, ধৰ্মীয় আচৰণ, বিবিধ উৎসৱ-অনুষ্ঠান, জন্ম-বিবাহ-মৃত্যুৰ সৈতে জড়িত বিবিধ অনুষ্ঠান, আচাৰ, অৱসৰ বিনোদন - খেল-ধেমালি, লোক - চিকিৎসা আদিকেই সাধাৰণভাৱে সামাজিক লোকাচাৰ আখ্যা দিব পাৰি। এই ধৰণৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদি প্ৰায়ে লোক বিশ্বাস নিৰ্ভৰশীল কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ সুনিৰ্দিষ্ট আৰু স্থানীয়। সাধাৰণ আৰু বিশেষ ধৰণৰ ধৰণ-কৰণ, আচাৰ-ব্যৱহাৰ আদিত প্ৰায়ে শাৰীৰিক কাৰ্য, লোক বিশ্বাস আৰু ভৌতিক পদাৰ্থৰ স্থিতি লক্ষ্য কৰিব পাৰি। যিবিলাক আচাৰ-অনুষ্ঠান আৰু ৰীতি-নীতি যাদুমূলক আৰু ধৰ্মীয় ভাৱ সম্পন্ন তেনেবিলাকৰ সাধাৰণতে ক্ৰিয়া - কাণ্ড বা আচাৰ-পদ্ধতি বুলিব পাৰি। ক্ৰিয়া-কাণ্ড বা আচাৰ-অনুষ্ঠানৰ ব্যক্তিগত আৰু ৰাজহুৱা হ'ব পাৰে। ৰাজহুৱা ক্ৰিয়া-কাণ্ড, আচাৰ-অনুষ্ঠানৰ সৈতে আন আন সামাজিক আচৰণ সংযুক্ত হৈ আন এবিধ সামাজিক লোকাচাৰৰ জন্ম হৈছে, যাক উৎসৱ-অনুষ্ঠান আখ্যা দিয়া হয়। এনে বিধৰ উৎসৱ-অনুষ্ঠানে পৰম্পৰাগত খেল-ধেমালি, গীত নৃত্য - বাদ্য অভিনয় আদিৰ বিশিষ্ট অনুষংগ স্বৰূপে ভূমিকা গ্ৰহণ কৰিব পাৰে। তেনেদৰে পূজা-উপাসনা আদিয়ে লোক-ঔষধ বা লোক চিকিৎসাৰ ভূমিকাও গ্ৰহণ কৰা দেখা যায়।

সামাজিক লোকাচাৰ চাৰিটা উপশ্ৰেণীত বিভক্ত ; যেনে -

ক) লোক বিশ্বাস আৰু লোকধৰ্ম

খ) লোক উৎসৱ-অনুষ্ঠান

গ) অৱসৰ বিনোদন আৰু খেল-ধেমালি আৰু

ঘ) লোক ঔষধ আৰু লোক চিকিৎসা।

## ৬.৪ লোকবিশ্বাস

লোক বিশ্বাস আচাৰ অনুষ্ঠান, ধৰ্মীয় কৃত্য আৰু ধৰ্মৰ বুনিয়াদ স্বৰূপ। অন্য প্ৰকাৰে লোক বিশ্বাসক ধৰ্মীয় ক্ৰিয়া-কাণ্ড আৰু আচাৰ-অনুষ্ঠানৰ চনদ, হুকুমনামা আৰু পথপঞ্জী (Guide book) বুলিব পাৰি।

লোক বিশ্বাস সৃষ্টিৰ কাৰণ ব্যাখ্যা কৰা অতিকে জটিল। বিশ্বাস প্ৰৱণ সমাজত লোক বিশ্বাস পৰম্পৰাগতভাবেই চলি থাকে। লোকমন সন্দেহ প্ৰৱণতা , দোষ দৰ্শিতা আদিৰ পৰা প্ৰায়ে বিমুক্ত সেইবাবেই লোকায়ত সমাজত লোকবিশ্বাসৰ গুৰুত্ব ৰক্ষিত হৈ আহিছে এই সন্দৰ্ভত ড° প্ৰফুল্লদত্ত গোস্বামীয়ে সমীচীন মন্তব্য আগবঢ়াইছে ঃ

It is difficult to explain the whys and wherefores of popular beliefs. Beliefs are traditionally handed down and in a society which does not appreciate the sceptical and critical attitude of mind, how they started or why they started is hardly remembered?.

কোনো কোনো পণ্ডিতৰ মতে লোক বিশ্বাসৰ উৎস অযৌক্তিত প্ৰত্যয়। সাধাৰণতে যি সমাজৰ মানসিক দিগন্তৰ পৰিসৰ তুলনামূলক ভাৱে সীমিত আৰু বিচাৰ-বিবেচনাৰ পৰিসৰ ঠেক তেনে সমাজতহে লোক বিশ্বাস বা অন্ধবিশ্বাস আদিৰ জনপ্ৰিয়তা লক্ষ্য কৰিব পাৰি। যিবোৰ নৈসৰ্গিক কাৰণ অথবা জাগতিক ব্যাপাৰ যুক্তি - তৰ্কৰ সহায়ত সমাধান কৰিব নোৱাৰি সেইবোৰৰ আধাৰত লোকবিশ্বাসৰ সৃষ্টি হয়। দ্বিতীয়তে, ভয় আৰু বিস্ময়ভাবৰ বাবেও লোকবিশ্বাসৰ সৃষ্টি হ'ব পাৰে।

**অন্ধবিশ্বাস ঃ** লোকবিশ্বাস বহল পৰিসৰে অন্ধবিশ্বাসকো সামৰি লয়। অন্ধবিশ্বাসৰ ইংৰাজী প্ৰতিশব্দ Superstition পদটো লেটিন Stare ৰ পৰা উদ্ভৱ হৈছে। Stare ৰ প্ৰতিশব্দ Survival (উ দ্ধৰ্তন)। ইংৰাজী Superstition ৰ সমাৰ্থক গ্ৰীক শব্দ Deisidaimonia আৰু ইয়াৰ অৰ্থ ঈশ্বৰৰ প্ৰতি ভয়। গ্ৰীক Deisidaimonia পদটোৱে পৰিদৃশ্যমান জগতৰ অন্তৰালত থকা অনিৰ্ণেয় শক্তিসমূহে মানৱ অন্তৰত কিদৰে বিশ্বাস প্ৰৱণতাৰ বিভিন্ন চক্ৰ নিৰ্মাণ কৰি আহিছে তাৰ ইংগিত বহন কৰে।

লোকবিশ্বাস সাধাৰণতে যুক্তি নিৰ্ভৰশীল অথবা যুক্তিৰ ফালৰপৰা এইবোৰ কম-বেছি পৰিমাণে বিশ্লেষণ কৰিব পাৰি। অন্যহাতে অন্ধবিশ্বাসবোৰ যুক্তিবিহীন, স্বমতাগ্ৰহ (Dogma) মাথোন। অন্ধবিশ্বাসো লোকবিশ্বাসেই বিজ্ঞানসন্মত বিচাৰ - বিশ্লেষণৰ পৃষ্ঠভূমিত

লোকবিশ্বাস আৰু অন্ধবিশ্বাসৰ ভূমিকা অস্বীকাৰ কৰিব নোৱাৰি। বিজ্ঞান আৰু যাদুবিদ্যাৰ মাজতো দূৰণিবটীয়া সম্পৰ্ক আছে। যি ব্যাপাৰৰ কাৰ্য-কাৰণ যুক্তিনিষ্ঠভাৱে অধ্যয়ন কৰিব পাৰি তাতেই বিজ্ঞানৰ স্থিতি লক্ষ্য কৰা যায়; আৰু য'ত বিজ্ঞান বিফল হৈছে তাতেই অন্ধবিশ্বাস- যাদু আৰু ধৰ্মই প্ৰাধান্য লাভ কৰিছে। গতিকে লোকবিশ্বাস বা অন্ধবিশ্বাসৰ সৈতে ধৰ্ম আৰু ধৰ্মীয়কৃত্যৰ সম্পৰ্ক ৰক্ষিত হৈছে। মানুহ যিমানেই শিক্ষা-দীক্ষা আদিত আগবঢ়া নহওঁক কিয় শতকৰা ৯০% ভাগ মানুহেই লোকবিশ্বাস, অন্ধবিশ্বাস আৰু যাদুবিদ্যাৰ আস্থা স্থাপন কৰে। এগৰাকী পণ্ডিতে এই প্ৰসংগত যথোপযুক্ত মন্তব্য এটি উপস্থাপন কৰিছে ঃ

Nearly everyone is more or less superstitious. Though most people would deny this, neverthless, ninety-nine persons out of a hundred will walk around ladder rather than under it.

লোক বিশ্বাস বা অন্ধবিশ্বাসৰ বৈজ্ঞানিক ভিত্তি নাই বুলিও খাটাংকৈ ক'ব নোৱাৰি। বতৰ সম্বন্ধীয় আৰু বিবিধ ৰোগ নিৰাময়ৰ বাবে সমাজত অনুষ্ঠিত যাদু (Magic) আদিত বৈজ্ঞানিক ভিত্তি নাই বুলি উৰাই দিব পাৰি নে নোৱাৰি নিশ্চয় ভাবি চাব লাগিব। লোক ঔষধ আৰু লোক চিকিৎসাৰ ক্ষেত্ৰত মিথ্যা অন্ধবিশ্বাস সত্যত পৰিণত হোৱাৰ প্ৰমাণ বিভিন্ন সমাজত পোৱা যায়। সাপে দংশন কৰা মানুহক বেজে জৰা-ফুকা কৰি নিৰাময় কৰা আমাৰ বহুতেই দেখিছে। জ্যোতিষতত্ত্বও অন্ধবিশ্বাসৰ পৰিসীমাত সামৰিব পাৰি; কিন্তু জ্যোতিৰ্বিদ্যাত বৈজ্ঞানিক ভিত্তি নাই বুলি কোনোৱে কব নোৱাৰে।

লোকবিশ্বাসবোৰ তিনিটা শ্ৰেণীত বিভাজন কৰিব পাৰি; যেনে - (ক) সংকেত লোকবিশ্বাস, (খ) যাদু-লোকবিশ্বাস আৰু (গ) পৰিৱৰ্ত্তিত লোকবিশ্বাস।

**(ক) সংকেত লোকবিশ্বাস ঃ** সংকেতমূলক লোকবিশ্বাসে ভৱিষ্যবাণীৰ দৰে প্ৰকাৰ্য সাধন কৰে। যেনে ঃ ভূমিকম্প হ'লে বৰষুণ হয়; পৰুৱাৰ লানি ওলালে বৰষুণ হয়, উঁইপৰুৱা ওলালে খৰ হয়।

**(খ) যাদু লোকবিশ্বাস বা যাদুমূলক লোকবিশ্বাস ঃ** এইবিধ লোকবিশ্বাস প্ৰায়ে যুক্তিবিহীন ; বিশ্বাস সংপ্ৰত্যয়ৰ আধাৰীভূত । উদাহৰণস্বৰূপে - বৃহস্পতিবাৰে আবেলি কোনো ধৰণৰ শুভকৰ্ম কৰা অনুচিত ; সোমবাৰে পূৱদিশে যাত্ৰা কৰিলে শুভফল লাভ কৰিব নোৱাৰি ; ভেকুলি বিয়া পাতিলে বা হুদুম - পূজা কৰিলে বৰষুণ হয়, ইত্যাদি।

**(গ) পৰিৱৰ্তিত লোকবিশ্বাস ঃ** পৰিৱৰ্তিত লোক বিশ্বাসবোৰ সংকৰ বা মিশ্ৰ লোকবিশ্বাস বুলিলেও কোনো ক্ষতি নাই। উদাহৰণ- ভাদমাহত কল-পুলি ৰুলে কল-পুলি মৰি যায় ; দুটা শালিকা একেলগে দেখিলে শুভফল হয় ; যাত্ৰাৰ সময়ত হাতী দেখা মঙ্গলকৰ, ইত্যাদি।

ইয়াৰ বাহিৰেও লোক-বিশ্বাস সমূহ আন কেইটিমান শ্ৰেণীত ভাগ কৰিব পাৰি; যেনে - ক) ধৰ্মীয় লোকবিশ্বাস, খ) জন্তুসম্পৰ্কীয় লোকবিশ্বাস, গ) চৰাই-চিৰিকতি সম্পৰ্কীয় লোকবিশ্বাস, ঘ) গছ-গছনি, লতা-লতিকা সম্পৰ্কীয় লোকবিশ্বাস, ইত্যাদি।

**৬.৫ অসমৰ লোকবিশ্বাস**

লোক বিশ্বাস হৈছে যুগ যুগ ধৰি জনসাধাৰণৰ মাজত পৰম্পৰাগত ভাবে গঢ় লৈ উঠা কেতবোৰ বিশেষ বিশ্বাস, যিবোৰ জনজাতীয়, অজনজাতীয় সকলো জনগোষ্ঠীৰ মাজতেই বিদ্যমান।

অসমত অতি প্ৰাচীন কালৰে পৰাই সৰ্প উপাসনাৰ এক পৰম্পৰা প্ৰচলিত হৈ আহিছে। সংক্ৰামক ব্যাধি আৰু মহামাৰীৰ সময়ত মনসা দেৱী বা মাৰৈ পূজা কৰাৰ পৰম্পৰা অতি পুৰণি কালৰে পৰাই প্ৰচলিত হৈ আহিছে।

অসমৰ খাচীয়াসকলৰ মাজতো সাপ-পূজাৰ প্ৰচলন আছে। মিলচৰ মতে লোথা নগাসকলেও তেনেকৈ কুকুৰনেজীয়া বাঘ বা কেতিয়াবা একোটা সাপ পোহে। ৰাভাসকলেও এসময়ত গুহাত বাস কৰা সৰ্পদেৱতা এজনৰ পূজা কৰি তেওঁক তুষ্ট কৰিছিল বুলি জনা যায়। আও নগাসকলেও সাপৰ অনিষ্টকাৰী প্ৰভাবৰ পৰা ৰক্ষা পৰিবলৈ বছৰি কুকুৰা বুলি দি তাক তুষ্ট কৰিছিল। কুকিসকলৰ বিশ্বাস যে পৃথিৱীখন এটি বিৰাট সৰ্পই মেৰিয়াই ধৰি আছে।

অসমীয়া আৰু জনজাতীয় মানুহৰ মাজত এটা সাধাৰণ বিশ্বাস প্ৰচলিত আছে যে পানী, ধানৰ ভঁৰাল আৰু ধন-সম্পতি থকা ঠাইত সাপে ৰখীয়া হৈ থাকে। জনজাতীয়সকলৰ বহুতেই সাপক জলদেৱতা বুলি ভাবে। গৰ্ভৱতী অৱস্থাত তিৰোতাই অথবা তেওঁৰ স্বামীয়ে সাপ মৰাটো নিষেধ। সৰ্প দংশনত মৃত্যু হোৱা মানুহক দুৰ্ভগীয়া বুলি গণ্য কৰি তেওঁৰ শটো প্ৰচলিত নিয়ম অনুযায়ী নুপুৰি পুতি পেলোৱা হয়। কিছুমান ঠাইত কলগছৰ ভুৰত মৰাশ তুলি দি নদীত উটুৱাই দিয়ে আৰু সেই ভুৰ নিজে নিজে সাপে খোঁটা ভাল কৰিব পৰা বেজৰ তাত গৈ ওলায় আৰু উপযুক্ত চিকিৎসা পাই মৰা লোকে বৰ্তি উঠে বুলি মানি আহিছে।

অসমীয়া মানুহে যোৰপতা সাপ দেখিলে প্ৰণয় আৰু কাজিয়াৰ বিষয়ত মঙ্গলজনক বুলি কয়। আনহাতে লুচাই সকলে যোৰ পতা সাপ দেখিলে মৃত্যু অথবা নৰিয়া হ'ব বুলি বিশ্বাস কৰে।

সপোনত সাপ দেখিলে নানা ধৰণে ব্যাখ্যা কৰা হয়। অসমীয়া মানুহে ইয়াক বন্ধুৰ লগত মনোমালিন্যৰ পূৰ্বাভাস বুলি বিশ্বাস কৰে। ৰেংমা সকলৰ মতেও সপোনত সাপ দেখা শুভ লক্ষণ নহয়।

মাছ সম্পৰ্কেও ভালেমান লোকবিশ্বাসৰ প্ৰচলন আছে। মাছ প্ৰজনন আৰু বংশবৃদ্ধিৰ প্ৰতীক। উচ্চ বৰ্ণৰ হিন্দুৱে মিৰিকা, শিঙি, নেৰীয়া, গৰুৱা আদি মাছ নাখায়। চেমা

নগাই আকৌ দুবিধ মাছ নাখায় । মনিপুৰৰ ৰাজপৰিয়ালৰ লোকসকলে আকৌ নগাৰুল নামৰ সৰ্পাকৃতিৰ মাছবিধ খাব নাপায়। খাছিয়াসকলৰো কোনো শ্ৰেণীৰ লোকৰ সৈতে মাছৰ গভীৰ সম্পৰ্ক থকা বুলি জনা যায়। সেয়ে তেওঁলোকে সেইবিধ নিৰ্দিষ্ট মাছ ভক্ষণ নকৰে।

অ-জনজাতীয় আৰু জনজাতীয়লোকসকলৰ মাজত মাছধৰাৰ আগতে কিছুমান আচাৰ-অনুষ্ঠান পালন কৰাৰ বিধি প্ৰচলিত হৈ আহিছে। সাধাৰণতে মাঘবিহুৰ উৰুকাত ৰাজহুৱা ভাবে মাছ ধৰা হয়। গতিকে পানীত নামিবৰ আগতে ভালদৰে মাছ ধৰিবৰ বাবে জলদেৱতাৰ নামত পূজা - উছৰ্গা কৰা হয়।

অসমীয়া মানুহে জাল, জুলুকি, পল, চেপা- জাল, খোকা, জিঙৰা, পাউৰী ইত্যাদি বিভিন্ন সঁজুলিৰে মাছ মাৰে। মাছ মৰা সঁজুলিৰ ভিতৰত সৰহভাগেই বাঁহেৰে নিৰ্মিত।

কোনো কোনোৱে মাছ মাৰিবলৈ যোৱাৰ আগতে জালত বাঢ়নীৰে সাতবাৰ কোবায়। সেইদৰে বিল বা পুখুৰীত নমাৰ আগতে মাছুৱৈয়ে সেই পানীত তিনিবাৰ থুৱায় আৰু মাছ লগাৰ লগে লগে জালৰ মাৰিত তিনিবাৰ কোবায়।

অসমীয়া বিবাহ অনুষ্ঠানত জোৰোণৰ লগত মাছ দিয়াতো অতি প্ৰয়োজনীয় ৰূপে গণ্য কৰা হয়। আঠমঙলাৰ খাদ্য সামগ্ৰীতো মাছ অপৰিহাৰ্য। মণিপুৰী সকলৰ মাজতো বিয়াত মাছ অপৰিহাৰ্য। খাছীয়া সকলৰ বিয়াতো মাছৰ ব্যৱহাৰ আছে। মিছিংসকলৰ বিয়া ঠিক কৰোঁতেও মাছ লাগে। মাছ নহ'লে তেওঁলোকৰ বিয়াৰ বন্দোবস্তী পকা হব নোৱাৰে। মিছিংসকলৰ দৰেই বাকিসকলেও বিয়াৰ সময়ত পূৰ্বপুৰুষৰ উদ্দেশ্যে শুকান মাছ উছৰ্গা কৰে। আও নগাসকলৰ বিয়াতো দৰাই মাছ দিহে বিয়াৰ স্থিৰ সিদ্ধান্ত কৰিব পাৰে।

কেঁচুৱা উপজিলে বন্ধু বান্ধৱ আৰু আত্মীয় স্বজনক মাছ দিয়াটো অসমীয়া মানুহৰ এটা সাধাৰণ নিয়ম। পুংস্বন উৎসৱত এ যোৰ মাগুৰ মাছ পূজা কৰি পূজাৰ অন্তত মাছযোৰ পানীত এৰি দিয়া নিয়ম। নামকৰণ উৎসৱতো মাছেৰে ভোজ দিয়া হয়। অসমীয়া মানুহে পৰিয়ালৰ কোনোবা লোক ঢুকালে অশৌচৰ দিন কেইটা মাছ-মাংস নাখায়। শ্ৰাদ্ধৰ পিছত গিয়াতি সকলৰ সৈতে মাছ ৰান্ধি ভোজ ভাত খায়।

দেৱ-দেৱীৰ উদ্দেশ্যেও মাছ উৎসৰ্গা কৰা হয়। শাৰদীয় দুৰ্গা পূজাত মাছ উৎসৰ্গা কৰাটো নিয়ম।

টোপনিত প্ৰসাৰ কৰা মানুহক পাটি-মুতুৰা মাছ খুৱালে সেই ৰোগ দূৰ হয় বুলি মানুহৰ বিশ্বাস। মাছ ঔষধ আৰু আহুদিতো ব্যৱহাৰ কৰা হয়। মণিপুৰীসকলে দৃষ্টিশক্তি দুৰ্বল হ'লে ৰৌমাছৰ পেটু খায়। ডিমাছাসকলে ৰাঘ মাছৰ পিত পাকস্থলীৰ ৰোগত ব্যৱহাৰ কৰে। ৰাভাসকলে কেঁচুৱা সোনকালে খোজ কাঢ়িব নিশিকিলে চেঙেলী মাছ আঁঠুত লগায়। পাতি ৰাভাসকলে কাপোৰ ব'বলৈ নিশিকা ছোৱালীক, 'বোৱানী কাটি' নামৰ এবিধ মাছ খুৱায়।

মাছ সম্বন্ধীয় বহুতো বিশ্বাস অন্ধবিশ্বাস জড়িত হৈ আছে। বিল, পুখুৰী আদিত

অপদেৱতা থাকে বুলি বিশ্বাস কৰা হয়। মাছপ্ৰিয় এইবিধ দেৱতাৰ বাক বোলে। প্ৰবাদ মতে -- 'থলত থল ৰজা, পোতা পুখুৰীত বাকেই ৰজা।' মিছিংসকলে প্ৰকাণ্ড মাছুন্দৰী নামৰ মাছটোক মৎস্য দেৱতাৰ অধীশ্বৰ বুলি ভাবে। এই মাছটোৰ সাক্ষাৎ পালে মানুহটোৰ দিন চমু চাপি আহিছে বুলি তেওঁলোকে বিশ্বাস কৰে। অসমীয়াই সমাজিকত মাছ দেখিলে বিয়া নাইবা সন্তান জন্মৰ আগজাননী বুলি ভাবে। সপোনত সৰহ মাছ দেখিলে গাৰোসকলে সৌভাগ্যৰ চিন বুলি ভাবে। বগা পুঠীজাতীয় সৰু মাছ সপোনত দেখিলে ডিমাছা কছাৰীয়ে ধনপ্ৰাপ্তিৰ লক্ষণ বুলি কয়।

মাছক সাধাৰণতে সৌভাগ্যৰ চিন হিচাপে বিবেচনা কৰা হয়। লোকগীততো মাছক নাৰী সৌন্দৰ্যৰ উপমা, যৌন প্ৰতীক আৰু দাম্পত্য সম্প্ৰীতিৰ আদৰ্শৰূপে ব্যৱহাৰ কৰা দেখা যায়।

অসমৰ লোকবিশ্বাস আৰু লোকজীৱনৰ সৈতে কুকুৰা চৰাইৰ সম্পৰ্ক মনকৰিবলগীয়া। কুকুৰা চৰাই আৰু কণীয়ে ধৰ্মীয় জীৱনতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। অসমীয়া বিবাহ অনুষ্ঠানত বেইৰ তলত কণীপুতি ৰখাটো এটা সাধাৰণ নিয়ম। আঙ্গামী নগাৰ জোৰোণ পিন্ধোৱা উৎসৱৰ দিনা কুকুৰাৰে মূল্য নিৰূপণ কৰা হয়।

আও নগাৰ বিবাহৰ সৈতে জড়িত আনুষ্ঠানিক উৎসৱৰ ভিতৰত দৰা কন্যাৰ মঙ্গল কামনা কৰি কুকুৰা চৰাই বলি দিয়াটো প্ৰধান। কুকিসকলৰ বিবাহ উৎসৱৰ সৈতেও কুকুৰা চৰাইৰ এৰাব নোৱাৰা সম্পৰ্ক দেখা যায়।

বড়ো-কছাৰীসকলে পৰিয়ালৰ কোনো লোকৰ মৃত্যুত গ্ৰাম্য দেৱতাৰ সন্মুখত কুকুৰা বলি দিয়ে। গাৰো আৰু ৰাভাসকলে মৃতকৰ সহযাত্ৰী হ'বলৈ বুলি মৰাশ সৎকাৰ কৰাৰ আগে আগে মৃতকৰ ভৰিৰে হেঁচুকি কুকুৰা এটা বধ কৰে। ৰোগ নিৰাময় কৰিবৰ বাবে আৰু বিভিন্ন ৰোগৰ পৰা হাত সাৰিবৰ বাবেও বিভিন্ন জনজাতিয়ে কুকুৰা বলি দিয়ে। অপদেৱতাই লম্ভিলে তাৰ পৰিত্ৰাণৰ বাবে বহুতো জনজাতিয়ে কুকৰা বলি দিয়ে। দুঃস্বপ্নৰ কুফলৰ পৰা হাত সাৰিবলৈয়ো কুকুৰা উৎসৰ্গা কৰি শুদ্ধিকৰণৰ অনুষ্ঠান পতা হয়।

আহোম সকলৰ মাজত কুকুৰা কাটি শপত খোৱা প্ৰথা আছে। আঙ্গামীসকলৰ মাজতো তেনেধৰণৰ নিয়ম আছে। আহোমসকলৰ এক বিশেষ শ্ৰেণীৰ বিষয়াই মতা বা মাইকী কুকুৰাৰ ঠেং পৰীক্ষা কৰি ভৱিষ্যৎ মঙ্গল - অমঙ্গল গণনা কৰে। খাচীসকলে কুকুৰা কণী ভাঙি মঙ্গল গণনা কৰাৰ প্ৰথা প্ৰচলিত। লোঠা নগাসকলে দা এখনৰ ধাৰৰ তলেদি এটা কণী ঘূৰাই সুফল-কুফল গণনা কৰে। যদি ধাৰ বা গাদীক ওপৰত কণীতো পৰে তেন্তে কুলক্ষণ বুলি ধৰা হয়।

পণ্ডিতসকলৰ মতে আমাৰ সমাজত প্ৰচলিত তামোল খোৱা প্ৰথাটো দ্ৰাবিড়ীয় প্ৰথা; কাৰণ মালয়ালম ভাষাৰ ৱেটিল্লা শব্দৰ পৰা (Betal) তামোল শব্দটো আহিছে। ৱাৎসায়নৰ কামশাস্ত্ৰত দাঁত ঘঁহি মুখ ধোৱাৰ পিছত তামোল খাই মুখৰ নিশ্বাস সুগন্ধি কৰিব লাগে। নিদান শাস্ত্ৰসমূহতো তামোলৰ গুণাগুণৰ উল্লেখ পোৱা যায়।

অসমত তামোল খোৱা প্ৰথাৰ ব্যাপক প্ৰচলন আছে। যোগিনীতন্ত্ৰত অসমীয়া তিৰোতাই সকলো সময়তে তামোল চোবোৱাৰ উল্লেখ পোৱা যায়। তামোলপাণ অসমীয়া গাঁৱলীয়া মানুহৰ অতি প্ৰিয়। ডাকৰ বচনতো তামোল পাণ সম্পৰ্কে বিস্তৃত উল্লেখ পোৱা যায়।

ধৰ্মীয় অনুষ্ঠান, পূজাৰ নৈবেদ্য, উৎসৱ অনুষ্ঠান আদিত তামোল পাণ অপৰিহাৰ্য। অতিথি সৎকাৰ, ৰাজহুৱা দায়-জগৰ ভঙা কাৰ্যত তামোল - পাণৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি।

ডেকা গাভৰুৰ প্ৰেম নিবেদন , বিবাহ আদিতো তামোলৰ ভূমিকা গুৰুত্বপূৰ্ণ। বিহুগীতত আছে --

অতি চেনেহৰে খালোঁ
সেইনো তামোলখনি খাবৰে পৰা
তোমাৰ লগত চিনাকি হ'লোঁ।

বিবাহৰ বিভিন্ন কাৰ্য-ক্ৰমণিকাতো তামোলৰ গুৰুত্ব অনস্বীকাৰ্য। আহোমৰ চকলং বিবাহ পদ্ধতিতো তামোলৰ প্ৰয়োজন। তামোলৰ ঔষধি গুণো সৰ্বজন স্বীকৃত। বিভিন্ন ৰোগৰ চিকিৎসাৰ বাবে তামোল-পাণ ব্যৱহাৰ কৰা হয়। অসমৰ জনজাতিসকলৰ মাজতো তামোল-পাণ খোৱা প্ৰথাৰ প্ৰচলন আছে।

ভৌগোলিক পৰিবেশনৰ ভিন্নতা, ৰুচি আৰু সৌন্দৰ্যবোধৰ লগে লগে সাজপাৰৰো অভ্যাস সলনি হোৱা দেখা যায়। বৃত্তি , ব্যৱসায়, সামাজিক মৰ্যাদা অনুসৰিও সাজপাৰ পৃথক পৃথক হ'ব পাৰে।

সামাজিক উদ্দেশ্য নিৰ্বিশেষে সাজপাৰ পৰিধান কৰাৰ বিধি সুকীয়া। দুৰ্গাপূজাত নতুন কাপোৰ পৰিধান কৰাৰ বিধান কালিকা পুৰাণত পোৱা যায়। বিবাহত নোৰনিৰ পিছত দৰা কন্যা উভয়ে নতুন কাপোৰ পিন্ধিব লাগে।

নামনি অসমত মাংগলিক কাৰ্যত আনাকাটা গামোচা, তেল গামোচা , তেলশাৰীৰ ব্যৱহাৰ বাধ্যতা মূলক।

ভাৰতৰ অন্যান্য দেশৰ দৰে অসমতো ধুতিয়েই সকলো শ্ৰেণীৰ পুৰুষৰ অধোবাস আছিল। সৰু ল'ৰা - ছোৱালীয়ে কেৱল কাছনী পিন্ধিছিল। মহিলাৰ বস্ত্ৰৰ ভিতৰত চাদৰ আৰু মেখেলাই প্ৰধান। আহোম যুগৰ শেষৰ ফালেহে শাৰীৰ প্ৰচলন হ'বলৈ ধৰে। পুৰণি কালত মূৰত পাগুৰি মৰা হৈছিল।

মেখেলা শব্দটো বৰ্হিবস্ত্ৰ বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। অৱশ্যে আদিতে নিয়মীয়া বস্ত্ৰৰূপেহে মেখেলাৰ ব্যৱহাৰ হৈছিল। দেহৰ উৰ্দ্ধাংশ আবৃত কৰিবৰ বাবে চাদৰ ব্যৱহাৰ কৰা হৈছিল।

## ৬.৬ অসমৰ লোকাচাৰ, লোকবিশ্বাসত প্ৰতিফলিত লোকজীৱনৰ স্বৰূপ

সমাজৰ স্বীকৃত বা গৃহীত আচাৰ পদ্ধতিসমূহক কোৱা হয় লোকৰীতি। আনহাতে লোকৰীতিতকৈ অধিক প্ৰত্যক্ষ ৰূপ সমাজৰ মৌলিক প্ৰয়োজনৰ সৈতে সম্পৰ্কিত আচৰণেই হ'ল লোকাচাৰ। সমাজৰ শান্তি, শৃঙ্খলা আৰু ঐক্যৰ ভাব প্ৰতিষ্ঠাত লোকাচাৰৰ গুৰুত্ব অপৰিসীম।

লোকাচাৰ সমাজ জীৱনৰ সৰ্বাঙ্গীন মঙ্গলৰ উদ্দেশ্যে পালনীয় কেতবোৰ সামাজিক কাৰ্যক্ৰমৰ সমষ্টি, যিবোৰ একোখন সমাজৰ সদস্যসকলে প্ৰয়োজনীয় বুলি মানি চলে। যেতিয়া লোকৰীতিবোৰ সামাজিক কাল্যাণৰ ধাৰাৰ সৈতে সংযুক্ত হৈ পৰে, তেতিয়াই লোকাচাৰৰ সৃষ্টি হয়। গতিকে লোকাচাৰ সমাজ জীৱনৰ সৈতে গভীৰ ভাবে সম্পৰ্কিত।

লোকাচাৰে আমাৰ ব্যক্তিগত আচৰণ সুদৃঢ় কৰাৰ লগে লগে সামাজিক গাঁথনি আৰু শৃঙ্খলাও সুদৃঢ় কৰে। মানুহক সমাজমুখী কৰি গঢ়ি তোলাতো লোকাচাৰৰ গুৰুত্ব অনস্বীকাৰ্য। অৱশ্যে সমাজৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি সময়ে সময়ে সামাজিক লোকাচাৰ সমূহৰো পৰিবৰ্তন সাধিত হয়। আধুনিক সমাজত এনে পৰিবৰ্তন তুলনামূলকভাবে দ্ৰুত প্ৰকৃতিৰ।

অসমৰ প্ৰধান জাতীয় উৎসৱ বিহুৰ সৈতে ভালেমান লোকাচাৰ জড়িত হৈ থকা দেখা যায়। স্থানভেদে আৰু জনগোষ্ঠীভেদে এনে লোকাচাৰৰ মাজত কিছু পাৰ্থক্য পৰিলক্ষিত হয়।

কৃষিভিত্তিক লোক উৎসৱ বাবেই ৰঙালী বিহুত প্ৰধানকৈ কৃষিৰ আহিলা গৰুৱে মুখ্য ভূমিকা গ্ৰহণ কৰিছে । ৰঙালী বিহুৰ প্ৰথম দিনটোৱেই মূলতঃ উৎসৰ্গিত হৈছে ৰাইজৰ হেঁপাহৰ ধন গৰুক কেন্দ্ৰ কৰি। কৃষিজীৱী গাঁৱলীয়া ৰাইজে পুৱাৰ পৰা গধূলিলৈ এই বিশেষ দিনটোত গো-সম্পৰ্কীয় ভালেমান লোকাচাৰ পালন কৰে। তেনে লোকাচাৰৰ ভিতৰত গৰু গা ধুওৱা কপালত ফোঁট দিয়া, জাগনি দিয়া, মাখিয়তি দীঘলতি আদিৰ ব্যৱহাৰ কৰা ইত্যাদি প্ৰধান। বিহুৰ পিছৰ পৰাহে সাধাৰণতে মানুহে বিচনী ব্যৱহাৰ কৰে।

উজনি অসমৰ সোণোৱাল কছাৰীসকলে চ'ত-ব'হাগৰ দোমাহীৰ দিনটো ‘বলিৰজাৰ দোমাহী’ হিচাপে পালন কৰে। দেউৰী আৰু উজনি অসমৰ মৰাণসকলে ব'হাগ মাহৰ প্ৰথম বুধবাৰৰ পৰাহে বিহু পালন কৰা দেখা যায়। দেউৰীসকলে গৰু বিহুৰ দিনটোক ৰাইজৰ বিহু হিচাপে অভিহিত কৰে। গৰু বিহুৰ দিনাখন বস্ত্ৰদান কৰাটো পৰম পৱিত্ৰ কৰ্ত্তব্য হিচাপে সেইদিনাখন সৰুৱে ডাঙৰক সেৱা কৰাৰ লগতে নৱবস্ত্ৰ তথা বিহুৱান দিয়াটোও নিয়ম। বিহুগীতত আছে -

‘গৰুৰ বিহু দিনা বস্ত্ৰ দান কৰিবা
তেহে পাবা বৈকুণ্ঠৰ স্থান।’

সেইদৰে বছেৰেকৰ বিহু দিনা বিহুৱান লবলৈ নোপোৱাজন অতি দুৰ্ভগীয়া বুলি বিবেচনা কৰা হয়। ব'হাগ বিহুত বিহুৱান দিয়া, জা জলপান খোৱা, মান্যজনক মান -

সৎকাৰ কৰা আদিৰ লগতে হুচৰি গোৱা অনুষ্ঠানটো আছে। যিটো সবাতোকৈ আকৰ্ষণীয়। হুচৰিয়ে গাঁৱৰ ৰাইজৰ মাজত ভেদাভেদ আঁতৰাই ঐক্য আৰু সম্প্ৰীতিৰ বান্ধোন কটকটীয়া কৰে।

ব'হাগ বিহুৰ সময়ছোৱাত অসমৰ বিভিন্ন স্থানত পৰম্পৰাগত, খেল-ধেমালি অনুষ্ঠিত হয়। এনে খেলৰ ভিতৰত ম'হযুঁজ, হাতী যুঁজ, কুকুৰা যুঁজ, কণীযুঁজ, মাল যুঁজ, ঢোপ খেল, কড়ি খেল, ঘিলা খেল, পাশা খেল, বাঘবল, কচুগুটি ইত্যাদি খেলৰ উল্লেখ কৰিব পাৰি। পুৰণি কালৰ ভালেমান খেল বৰ্তমানে লোপ পাইছে।

বিহুৰ সময়ছোৱাত গুৰু-গোঁসাই, দেৱ-দেৱতাৰ মন্দিৰলৈ গৈ সেৱা জনোৱাটোও নিয়ম। বছৰৰ আৰম্ভণিতে এনে কৰিলে সকলো ধৰণৰ অমঙ্গল নাশ হোৱা বুলি বিশ্বাস কৰা হয়। সুস্বাস্থ্য আৰু নিৰোগী জীৱন যাপনৰ বাবে বিহুৰ সময়ত সাত শাক খোৱাটোও নিয়ম। নামনি অসমৰ ভঠেলি, সুঁৱৰি উৎসৱৰ উদ্দেশ্যও হৈছে নৱবৰ্ষক আদৰণি জনোৱা আৰু পৃথিবীক শস্য শ্যামলা কৰি তোলা।

**স্ত্ৰী লোকাচাৰ ঃ** অসমীয়া লোক সংস্কৃতিৰ সমৃদ্ধি আৰু বিকাশৰ স্ত্ৰী - লোকাচাৰসমূহৰ গুৰুত্ব সৰ্বাধিক। নাৰীৰ গৰ্ভত ভ্ৰূণে স্থিতি লাভ কৰাৰ পৰাই প্ৰতিগৰাকী অসমীয়া নাৰীয়ে কেতবোৰ বিধিবদ্ধ নিয়মৰ মাজেদি জীৱন অতিবাহিত কৰিবলগীয়া হয়। গৰ্ভস্থ মাতৃক পঞ্চম মাহত পঞ্চামৃত খুওৱা হয়। নাৰীৰ মাজতে সীমাবদ্ধ এই অনুষ্ঠানত ভালেমান লোকাচাৰ পালন কৰা হয়। ছোৱালীৰ কৰ্ণবিন্ধাৰ উদ্দেশ্যেও কেতবোৰ লোকাচাৰ পালন কৰা হয়। নাৰীয়ে মাহেকীয়া ঋতুস্নান উপলক্ষে তিনিদিন ব্ৰত আচৰণ কৰাৰ বিধি প্ৰচলিত হৈ আহিছে। এই কেইদিন তেওঁলোকে সাধাৰণতে কেতবোৰ কৰ্মৰ পৰা আঁতৰি থাকে। নাৰীৰ যোগেদিয়েই ভালেমান লোক-সংস্কৃতিক সম্পদ আমাৰ সমাজত সংৰক্ষিত হৈ আহিছে।

**জন্ম সম্পৰ্কীয় ঃ** সন্তান জন্মৰ সময়তো নাৰীৰ ভূমিকা কম নহয়। সন্তানৰ প্ৰসৱ, নাভিচ্ছেদন, প্ৰসূতিৰ যত্ন লোৱা, সন্তানৰ পৰিচৰ্যা কৰা প্ৰভৃতিদিশত নতুনকৈ মাতৃ হোৱা নাৰীগৰাকীক উপদেশ দি সাহস যোগোৱাত নাৰীৰ ভূমিকা অনস্বীকাৰ্য। প্ৰসূতিৰ ওচৰত তুঁহ জুই ৰখা, অস্ত্ৰ ৰখা, দুৱাৰত সিজু বগৰী আদিৰ ঠাল গুজি দিয়া। সন্তানৱতীক সন্তান জন্মৰ পিছতে কচুঠোৰত জালুকৰ জাল দি খুওৱা আদি এই ক্ষেত্ৰত পালনীয় কৰ্তব্যৰ ভিতৰত পৰে। সন্তানৰ নামকৰণ , চূড়াকৰণ, অন্নপ্ৰাসন ইত্যাদি অনুষ্ঠানতো ভালেমান লোকাচাৰ পালন কৰা হয়।

**বিবাহ সম্পৰ্কীয় ঃ** বিবাহ সম্পৰ্কীয় স্ত্ৰী-লোকাচাৰসমূহে অসমীয়া সংস্কৃতিৰ ৰূপটো অধিক সুদৃঢ় কৰিছে। বিয়াৰ সৈতে জড়িত দৈয়ন দিয়া, গাঁঠিয়ন খুন্দা, পানী তোলা, মড়ল সজোৱা, বেই সজোৱা, দুণৰিত চাউল-বন্তি ভৰোৱা, বিয়ানাম গোৱা, উৰুলি দিয়া আদি লোকাচাৰৰ সৈতে নাৰীৰ অবিচ্ছেদ্য সম্পৰ্ক।

ছোৱালী পুষ্পিতা হ'লে চাৰিদিন অথবা সাতদিনত তোলনী বিয়া, পুহন বিয়া

অথবা উঠন বিয়া পতা হয়। এই বিয়াৰ সৈতে ভালেমান লোকাচাৰ জড়িত হৈ আছে। তোলনী বিয়াত নতুনকৈ যৌৱনত ভৰি দিয়া কন্যাগৰাকীক নাৰী জীৱনলৈ অহা দায়িত্ববোধৰ প্ৰতি আহ্বান জনাই ভালেমান গীত গোৱা হয়। গীত ৰাজিত নাৰীজীৱনৰ কাৰুণ্য আৰু কৰ্ত্তব্য সম্পৰ্কে আভাস পোৱা যায়।

বিবাহৰ যোগেদি বিবাহোপযুক্ত দুগৰাকী পুৰুষ-নাৰী সামাজিক ভাবে একত্ৰিত হয়। বিবাহোপযুক্ত দৰা-কন্যাৰ অভিভাৱকে যোগ্য পাত্ৰৰ সন্ধান কৰি পাছত ভাল দিনবাৰ চোৱাই তামোল-পাণৰ ভাৰ সোধাই কন্যা খোজা-বঢ়া কৰে আৰু পিছত পৰ্যায়ক্ৰমে আঙঠি পিন্ধোৱা, জোৰণ দিয়া, বিয়া আদিৰ বাবে দিনবাৰ ঠিক কৰা হয়।

বিয়াৰ জোৰণত প্ৰজনন আৰু বংশবৃদ্ধিৰ প্ৰতীক হিচাপে কন্যা ঘৰলৈ মাছ এটিও পঠিওৱা হয়। জোৰণত পাট, মুগা আদিৰ কেইবা সাজো কাপোৰৰ লগতে গহনা-পাতি, প্ৰসাধন সামগ্ৰী আদিও পঠোৱা হয়। জোৰণ দিয়াৰ লগে লগেই কন্যাগৰাকী বোৱাৰীলৈ ৰূপান্তৰিত হয়। জোৰোণ উপলক্ষে আয়তীসকলে গায় --

‘মাৰাৰ অলংকাৰ থোৱা কাটি কৰি
দেউতাৰাৰ অলংকাৰ থোৱাহে।
ৰামে দি পঠাইছে সুৱৰ্ণৰ অলংকাৰ
আজি মাথা দোৱাই লোৱাহে।’

জোৰোণৰ আগে আগে আয়তীসকলে পানী তোলে আৰু মংগল উৰুলি দি নানা তৰহৰ গীত গাই আনন্দ কৰে। অসমীয়া বিবাহ অনুষ্ঠানত নাৰীকণ্ঠৰ যোগেদি নিগৰিত আনন্দ-বেদনা মিশ্ৰিত নানাবিধ সুমধুৰ গীতেৰে সঙ্গীতমুখৰ হৈ উঠে। দৈয়ন দিয়া, সুৱাগুৰি তোলা, গাঁঠিয়ন খুন্দা আদিৰ সৈতেও ভালেমান লোকাচাৰ জড়িত হৈ আছে।

বিয়াত সাধাৰণতে দৰা-কন্যাক একত্ৰিক কৰিবৰ বাবে লগ্ন-গাঁঠিৰ ব্যৱস্থা হয়। বিয়াৰ দিনাৰপৰা খোৱাৰীলৈকে এই লগ্ন গাঁঠি খোলা নহয়। লগ্ন গাঁঠিৰ তাৎপৰ্য হৈছে প্ৰণয় আৰু পৰিণয়ক সুদৃঢ় কৰা। বিয়াৰ পৰৱৰ্তী পৰ্যায়তো দৰা-কন্যাই কেতবোৰ নিয়ম পালন কৰিব লাগে। বিয়াৰ পাছতেই দৰা কন্যাই প্ৰথম শাহুৰেকৰ ঘৰলৈ যোৱাৰ উদ্দেশ্যে আঠ-মঙ্গলা পালন কৰা হয়। সপ্তাহজোৰা বিচ্ছেদৰ অন্তৰ সেইদিনা আত্মীয়- পৰিজনৰ সৈতে কন্যাৰ পুনৰ্মিলন ঘটে। অৱশ্যে মাহ, তিথি, বাৰ অনুসৰি আঠমঙ্গলাৰ দিন সুবিধাজনকভাবে নিৰ্ণয় কৰা হয়। সাধাৰণতে শনিবাৰ, মঙ্গলবাৰ, আউসী, পূৰ্ণিমা তিথি, পুহ আৰু চ'ত মাহ আদিত দৰা-কইনাক আঠমঙ্গলাৰ বাবে মাকৰ ঘৰলৈ যাবলৈ দিয়া নহয়।

**মৃত্যু সম্পৰ্কীয় ঃ** স্বামীৰ মৃত্যুত নাৰীয়ে বৈধব্য জীৱনৰ ব্ৰত হিচাপে সেন্দূৰ আৰু জাকজমকতা পৰিহাৰ কৰে। কম বয়সীয়া সন্তানৰ মৃত্যু হ'লে সাধাৰণতে পুতি থোৱা নিয়ম। দুৰ্ঘটনাত পতিত হোৱা, আত্মহত্যা কৰা আদি ব্যক্তিৰ কাজকৰ্ম সাধাৰণতে তিনিদিনতে সম্পন্ন কৰা হয়। পিতৃ-মাতৃৰ মৃত্যুত পুত্ৰ সন্তানে দহ দিন ব্ৰত আচৰণ কৰি মুণ্ডায়ন কৰে। দহ দিনত দশা কৰ্ম, এঘাৰ দিনত কাজ আৰু তেৰদিনত ভোজ-ভাতেৰে শ্ৰাদ্ধ শেষ কৰা হয়।

## ৬.৭ সাৰাংশ (Summing Up)

সমাজ জীৱনৰ সৰ্বাঙ্গীন মঙ্গলৰ উদ্দেশ্যে পালনীয় সামাজিক কাৰ্যক্ৰমৰ সমষ্টিয়েই লোকাচাৰ, যাক একোখন সমাজত বসবাস কৰা সদস্যসকলে প্ৰয়োজনীয় বুলি ভাবে আৰু সেইবোৰ নিৰ্বিবাদে মানি চলে। সমাজৰ সদস্য হিচাপে ব্যক্তিৰ ব্যক্তিগত আচৰণ সুদৃঢ় কৰাত লোকাচাৰৰ গুৰুত্ব অনাস্বীকাৰ্য। আনহাতে, যুগ যুগ ধৰি জনসাধাৰণৰ মাজত পৰম্পৰাগতভাবে গঢ় লৈ উঠা বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত বিশেষ কেতবোৰ বিশ্বাসকেই লোক বিশ্বাস আখ্যা দিয়া হৈছে। অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত পৰম্পৰাগতভাবে ভালেমান লোকবিশ্বাস গঢ় লৈ উঠিছে আৰু এই বোৰে তেওঁলোকৰ জীৱন ধাৰণৰ পদ্ধতিৰ ওপৰত বিশেষ প্ৰভাব বিস্তাৰ কৰিছে।

## ৬.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) লোকাচাৰ বুলিলে কি বুজে? সামাজিক লোকাচাৰ সম্পৰ্কে এটি আলোচনা আগবঢ়াই নিবন্ধ লিখক।

২) লোক বিশ্বাস কাক বোলে? অসমৰ পৰম্পৰাগত লোক বিশ্বাসে লোক জীৱনৰ ওপৰত কেনেধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিছে চমুকৈ লিখক।

৩) জন্ম-মৃত্যু আৰু বিবাহৰ সৈতে সম্পৰ্কিত অসমীয়া লোক বিশ্বাসৰ এটা পৰিচয় দাঙি ধৰক।

৬) চমুটোকা লিখক।

স্ত্ৰী লোকাচাৰ, যাদু লোক-বিশ্বাস, বিয়া, মোহিনী মন্ত্ৰ, পানী কৰতি, ধনগুলৈ, বুঢ়াডাঙৰীয়া, প্ৰেতাত্মা, মঙল চোৰা, দেওধা ইত্যাদি।

## ৬.৯ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


| | |
|---|---|
| কাকতি, বাণীকান্ত | : পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, ১৯৯৫ |
| কাগয়ুং, ভৃগুমণি (সম্পা) | : মিচিং সংস্কৃতিৰ আলেখ্য, ১৯৭০ |
| গগৈ, লীলা | : অসমৰ সংস্কৃতি, ১৯৮৬ |
| (---) | : টাই সংস্কৃতিৰ ৰূপৰেখা, ১৯৭১ |
| গোস্বামী, প্ৰফুল্লদত্ত | : অসমীয়া জনসাহিত্য, ১৯৮৬ |
| (---) | : বাৰ মাহৰ তেৰ গীত, ১৯৬২ |
| চাত্তাৰ, আব্দুচ | : সংমিশ্ৰণত অসমীয়া সংস্কৃতি |
| তেৰাং, ৰংবং | : সমন্বয় প্ৰবাহ, ১৯৮৯ |
| দত্ত, বীৰেন্দ্ৰ নাথ (সম্পা) | : চিফুং গুংগাং, ১৯৮৬ |
| দাস, ভুবনমোহন (সম্পা) | : অসমীয়া জাতিৰ ইতিবৃত্ত, |
| নাথ, ৰাজমোহন | : গৌৰৱময় অসম, ১৯৪৯ |
| নাৰ্জি, ভবেন | : বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি, ১৯৬৬ |

নাথ, প্ৰফুল্ল কুমাৰ : অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা, ২০০৪
নেওগ, মহেশ্বৰ : পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, ১৯৬৬
পাদুন, নাহেন্দ্ৰ : অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি, ১৯৮৮
বৰদলৈ, নিৰ্মলপ্ৰভা : অসমৰ লোক-সংস্কৃতি, ১৯৭২
বৰুৱা, বিৰিঞ্চি কুমাৰ : অসমীয়া ভাষা আৰু সংস্কৃতি, ১৯৫৭
(---) : অসমৰ লোক সংস্কৃতি, ১৯৮৫
বৰুৱা, প্ৰহলাদ কুমাৰ (সম্পা): অসমীয়া লোক-সাহিত্য, ২০০১
ভট্টাচাৰ্য, প্ৰমোদচন্দ্ৰ (সম্পা) : অসমৰ লোক উৎসৱ, ১৯৬৯
(---) : অসমৰ জনজাতি, ১৯৬২
ৰাভা, ৰাজেন : ৰাভা জনজাতি, ১৯৭৪,
(---) : ৰাভা লোক গীত, ২০০১
ৰাভা হাকাচাম, উপেন : অসমৰ জনজাতীয় সংস্কৃতি, ২০০৫
(---) : ৰাভা লোক সংস্কৃতি, ২০০৬
ৰাভা, ধনঞ্জয় : ৰাভা জনজাতিৰ চমু ইতিহাস, ১৯৯৮
শৰ্মা, নবীন চন্দ্ৰ : অসমৰ লোকসংস্কৃতিৰ চমু আভাস, ১৯৯৫
শৰ্মা, শশী : অসমৰ লোক সাহিত্য, ১৯৯৩
শৰ্মা, হেমন্তকুমাৰ : অসমীয়া লোকগীতি সঞ্চয়ন, ১৯৭৮
শইকীয়া , ললিত কুমাৰ : সোণোৱাল কছাৰী সংস্কৃতি, ১৯৮১
স ৰকাৰ, হৰিমোহন : ৰাভা সমাজ আৰু সংস্কৃতিৰ আভাস, ১৯৮১
সোণোৱাল, গগন চন্দ্ৰ : সোণোৱাল সাধু, ১৯৯৫
হাজৰিকা, অতুলচন্দ্ৰ : উৎসৱৰ ভোগজৰা, ১৯৬৫
(---) : উৎসৱৰ ৰংচ'ৰা, ১৯৬৩
হাজৰিকা, পৰীক্ষিত : চৰ্যাপদ, ১৯৯৯
হাজৰিকা, সূৰ্যকান্ত (সম্পা) : সংস্কৃতি সঞ্চয়ন, ১৯৮০
হাঞ্চে, ছামছিং : ছাবিন আলুন, ১৯৮৬
AIRTSC : Socio Economic Conditions of the Kaibartas of Assam, A Caste Study, 1994.
Ali, ANM Irsad : Adoptation among the Bodo Kachari, 1973
Anderson, J.D : Kachari Folktales, 1911 and Athparia, R.P
Buzarbarua. M : Social and cultural life of the Mishing of Assam, 1991
Bondapadhyay, P.K : The Tai Phakes of Assam, 1983
Baruah, H. : History and Culture of the Khasi People,

1969

Barkakati, S.N : Tribal Folktales, 1971

Baruah, H.C : Marriage customs of the people of Assam, 1895

Barua, B.K : A Cultural History of Assam, 1969

Barua, K.L : Early History of Kamrupa, 1966

Brahma, M.M : Folk song of the Bodos, 1966

Chetterjee, S.K : Kirat-Jana-Kriti, 1974

Choudhury, P.C : The History of Civilization of the People of Assam, 1966

Croke, William : The People Religion and Folklore of Northern India, 1978

Dorson, R.M : Folklore and Folklife : An Introduction,1972

Das, J : Folklore of Assamese , 1973

Dundes, Alen : Essays in Folkloristic, 1978

Dutta, B.N. (at. al., ed.) : A Handbook of Folklore Materials of North-East India, 1994

Dutta, K.N. (Ed) : Aspects of the Heritage of Assam 1959

Goswami, P. : Ballads and Tales of Assam, 1980

(---) : The Spring time Bihu of Assam, 1966

Kakati, B. : Visnuite Myths and legends, 1982

(---) : The Mother Goddess Kamakhya, 1967

Kabiraj, Gopinath : Some Aspects of the History and Doctrine of the Naths,

Mipun, J. : The Mishing (Miris) of Assam: Development of a new life-style,1992

Nath, Rajmohan : The Background of Assamese Culture, 1948

(---) : Pre-vedic Kamrup, 1958

Playfair, M.A. : The Garos, 1909

Rabha, Rajen : The Rabhas, 2002

Sen, Sipra : Tribes and Castes of Assam, 1999

Jylor, E.B : Primitive Culture, 1974

Vidyarathi, L.P : Art and Culture of North-East India, 1993

## সপ্তম বিভাগ
## অসমৰ লোক-উৎসৱ

**বিভাগৰ গঠন**

৭.১ **ভূমিকা** (Introduction)

৭.২ **উদ্দেশ্য** (Objectives)

৭.৩ **অসমৰ লোক উৎসৱ**

৭.৪ **ধৰ্মীয় উৎসৱ**

৭.৫ **ধৰ্ম নিৰপেক্ষ উৎসৱ**

৭.৬ **অন্যান্য উৎসৱ**

৭.৭ **সাৰাংশ** (Summing Up)

৭.৮ **আৰ্হি প্ৰশ্ন** (Sample Questions)

৭.৯ **প্ৰসংগ গ্ৰন্থ** (References/ Suggested Readings)

### ৭.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগত অসমৰ লোকাচাৰ আৰু লোকবিশ্বাসৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত অসমৰ পৰম্পৰাগত উৎসৱসমূহৰ বিষয়ে আলোচনা কৰা হ'ব।

অসমৰ পৰম্পৰাগত উৎসৱ অনুষ্ঠান সমূহৰ সৈতে আপোনালোক আটায়ে কম-বেছি পৰিমাণে সুপৰিচিত। এনে উৎসৱ অনুষ্ঠানৰ ভিতৰত বছৰৰ বিভিন্ন দিনত পালন কৰা গ্ৰাম্য সমাজৰ সামাজিক আৰু ধৰ্মীয় জীৱনৰ সৈতে জড়িত উৎসৱ আছে। যিবিলাক পঞ্জিকা আশ্ৰয়ী উৎসৱ অনুষ্ঠান সেইবোৰ পালনৰ বাবে বিভিন্ন ধৰণৰ আচাৰ অনুষ্ঠান ক্ৰিয়া-কাণ্ড, উপবাস, স্নান, দান, দক্ষিণা আদিৰ শাস্ত্ৰীয় বিধি আছে। আনহাতে এনে কিছুমান উৎসৱ আছে যিবোৰ সম্পূৰ্ণ লৌকিক নিয়মেৰে পালন কৰা হয়। এই উৎসৱসমূহ গ্ৰাম্য জীৱনৰ অভিজ্ঞতাৰ সৈতে জড়িত আৰু ইয়াৰ ভিত্তি মূলতঃ আঞ্চলিক।

### ৭.২ উদ্দেশ্য (Objectives)

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপোনালোকে-

- জাতীয় জীৱনৰ সৈতে উৎসৱ - অনুষ্ঠানৰ অপৰিহাৰ্যতা সম্পৰ্কে অনুধাৱন কৰিব পাৰিব,
- অসমৰ পৰম্পৰাগত উৎসৱ-অনুষ্ঠান আৰু বিভিন্ন জনগোষ্ঠীয় উৎসৱ-অনুষ্ঠান সমূহৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব,

- অসমত প্ৰচলিত ধৰ্মীয় আৰু ধৰ্ম নিৰপেক্ষ উৎসৱসমূহৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব।

## ৭.৩ অসমৰ লোক উৎসৱ

উৎসৱ পাৰ্বন আদিৰ সৈতে ধৰ্মৰ সম্পৰ্ক আছে আৰু সেয়ে গাঁৱৰ মানুহে স্বকীয় ধৰ্মমত অনুসৰি বিবিধ পূজা- পাৰ্বন কৰে আৰু সমিলমিল আৰু সহযোগিতাৰ মাজেৰে জীৱন অতিবাহিত কৰে। অসমীয়া সংস্কৃতিৰ পৰিপূৰ্ণ বিকাশত ইয়াত অতীজৰে পৰা বসবাস কৰি অহা থলুৱা জনগোষ্ঠীসমূহৰ বিবিধ ৰীতি-নীতি, ধৰ্মীয় আচাৰ ব্যৱহাৰ, পূজা-পাৰ্বন আদিয়ে প্ৰধান্য লাভ কৰি আহিছে। বহুজাতিক অসমীয়া সংস্কৃতিৰ গঠনৰ মূলতেই জড়িত হৈ আছে দীৰ্ঘদিনীয়া সমন্বয় আৰু সমাহৰণ। এই ভূখণ্ডলৈ বিভিন্ন যুগত বিভিন্ন জাতি , ধৰ্ম, সম্প্ৰদায়ৰ লোক প্ৰব্ৰজিত হৈছে আৰু কালক্ৰমত ইয়াৰ থলুৱা লোকসকলৰ সৈতে সংস্কৃতি গ্ৰহণৰ যোগেদি তেওঁলোক মিলি গৈছে। ফলস্বৰূপে থলুৱা আৰু সৰ্বভাৰতীয় সংস্কৃতিৰ বিবিধ উপাদান আহি অসমীয়া সংস্কৃতিত বিলীন হৈ পৰিছে।

## ৭.৪ ধৰ্মীয় উৎসৱ

**বাঘ্ৰদেৱতা সোণাৰায় পূজা ঃ** গোৱালপাৰা জিলাৰ ধুবুৰী, গোলোকগঞ্জ, বিলাসীপাৰা, শালকোছা প্ৰভৃতি অঞ্চলৰ ডেকাসকলৰ মাজত বাঘ্ৰদেৱতা সোণাৰায়ৰ পূজাৰ প্ৰচলন আছে। লোক বিশ্বাস অনুসৰি এই দেৱতা সন্তুষ্ট হ'লে পোহনীয়া জীৱজন্তুৰ কোনো অপায় অমঙ্গল নহয়। সেইবাবেই - ডেকাসকলে পুহৰ সংক্ৰান্তিৰ দিনাৰ পৰা প্ৰায় এমাহ জুৰি দলবান্ধি হাতত কুলা লৈ নাচি নাচি গীত গায় সোণাৰায়ৰ বাবে দক্ষিণা বিচাৰে।

সোণাৰায়েৰ দক্ষিণা দিতে পূৰ্ণ কুলা ধান,<br>
তাৰ ওপৰে লাগে যোৰ গুৱা পাণ।<br>
গুৱাৰ কান্দালী নাহই আমি গুৱাৰ কথা কই,<br>
দেশ ব্যৱহাৰেৰ কথা কয়া দিয়া যাই।।

পিছত সকলোৱে মিলি পুখুৰীৰ পাৰত মাগি অনা চাউলেৰে লগ ভাত খাই গীত কৰি বাঘ্ৰদেৱতাৰ পূজা সম্পন্ন কৰে।

**হুদুমদেও পূজা ঃ** গোৱালপাৰা জিলাত গাঁৱলীয়া নাৰীসকলে বৰষুণ কামনা কৰি হুদুমদেও পূজা কৰে। এই পূজাৰ বাবে কোনো নিৰ্দিষ্ট দিন বাৰ নাথাকে। মহিলাসকলে মিলি পূজাৰ দিন ঠিক কৰি সন্ধিয়াৰ লগে লগে পথাৰৰ মাজত অথবা এৰাবাৰীত যৌনগন্ধী গীত মাত গাই নৃত্য কৰে। এই উদ্দেশ্যে এটি পজাঘৰ সাজি ভিতৰত এটা মাটিৰ বেদী সাজি চিত্ৰ বিচিত্ৰ ৰং গুৰিৰে শোভিত কৰে। বেদীৰ মাজত ঘট স্থাপন কৰি তাত আমপাত

আদি স্থাপন কৰা হয়। আগৰ দিনত বনৰ পৰা হুদু চৰাই এজনী ধৰি আনি বেদীৰ কাষতে বান্ধি ৰখা হৈছিল। বৰ্ত্তমানে মাটিৰে হুদু চৰাই এটি তৈয়াৰ কৰি তাকে বেদীৰ কাষত ৰখাৰ ব্যৱস্থা কৰা দেখা যায়। গাঁৱৰ তিৰোতাসকলে গোটেই ৰাতি যৌনগন্ধী গীত গাই বৰষুণৰ পানীৰ বাবে হুদুমদেওক খাটনি ধৰে আৰু শেষনিশা তেওঁলোক ঘৰলৈ ৰাওনা হয়। মুঠতে যৌনগন্ধী গীত মাত আৰু নৃত্যৰ লগত স্ত্ৰী লোকাচাৰৰ সমন্বয়ত এই পূজা অনুষ্ঠিত হয়।

**পচেতি উৎসৱ ঃ** জন্মাষ্টমী অনুষ্ঠানক কেন্দ্ৰ কৰি ইয়াৰ পঞ্চম দিনত পচেতি উৎসৱ পালন কৰা হয়। অৱশ্যে স্থান বিশেষে অন্য দিনতো এই উৎসৱ পালন কৰা হয়। শ্ৰীকৃষ্ণৰ জন্মৰ পঞ্চম দিৱসত গাৰ্গ মুনিয়ে কৃষ্ণৰ ভাগ্যফল নিৰ্ণয় কৰা পাৰম্পৰাৰ পৰাই পৰবৰ্তী কালত ই সামাজিক অনুষ্ঠানলৈ ৰূপান্তৰিত হৈ পচতি উৎসৱ হোৱা বুলি পণ্ডিতসকলে অনুমান কৰে। ই মূলতঃ স্ত্ৰীসকলৰ উৎসৱ। এই উৎসৱত নাৰীসকল একত্ৰিত হৈ পৰম উদ্দীপনাৰে পচেতিৰ নাম গায়। এই নামত বুটমাহৰ উপৰিও জালাগুড়াৰ ব্যৱহাৰ কৰা দেখা যায়। এই অনুষ্ঠানত গোৱা নামৰ নমুনা এনে ধৰণৰ ঃ

আহা সখি আহা বাই এ নন্দ ঘৰে যাওঁ এ
যশোদাৰ পুত্ৰ হৈছে নয়ন ভৰি চাওঁ, হৰি এ।
নন্দ জনম দিলা এ দেৱ নাৰায়ণ
গকুলৰ গপি সবে কৰে দৰশন
আজি আমাৰ শুভদিন ব্ৰজেৰ
হৰিএ শ্ৰীকৃষ্ণৰ ভৈল অবতাৰ।' ইত্যাদি

এই উৎসৱত গীতৰ ব্যৱহাৰ অধিক। অভিনয়ৰ জৰিয়তে অনুষ্ঠিত পচতি উৎসৱ লোকনাট্য হিচাপেও ধৰা হয়। লোক বিশ্বাস আৰু ধৰ্মীয় ভাবৰ সমন্বয় সাধনৰ যোগেদি পচেতিৰ মাজেৰে গ্ৰাম্য নাৰীসকলৰ কলাসুলভ আশা-আকাঙ্খাৰ স্বৰূপ প্ৰকাশিত হৈছে।

**কুমাৰী পূজা ঃ** কুমাৰী মাতৃ শক্তি দুৰ্গাৰেই এক প্ৰকাশ। বহুতে কুমাৰীক দুৰ্গা বুলিয়েই কয় আৰু কোলাসুৰ বধৰ সৈতে এওঁ জড়িত । কুমাৰী পূজাৰ সময়ত দেৱীৰ ৰূপ আৰু শক্তি সম্পূৰ্ণৰূপে কুমাৰীত আৰোপ কৰি সাধক তদগতোচিত্ত হয়।

বিষ্ণুৰ বক্ষস্থলৰ পৰা জন্ম লাভ কৰা কোলাসুৰৰ উৎপীড়নত তৎ নাপাই দেৱতাসকলে অসুৰৰ পৰা পৰিত্ৰাণ পাবৰ বাবে মহাকালীক উপাসনা কৰাত দেৱগণৰ উপাসনাত সুপ্ৰসন্ন হৈ দেৱীয়ে কোলাসুৰক কুমাৰীৰূপ ধাৰণ কৰি সবান্ধৱে বধ কৰে। তেতিয়া দেৱতাসকলে কুমাৰীৰূপী জগতজননী দেৱীক সুগন্ধি দ্ৰব্য আৰু ফুলৰ দ্বাৰা পূজা কৰে। পিছত মহাশক্তি অন্তৰ্দ্ধান হয়। তাৰে পৰাই কুমাৰী পূজাৰ প্ৰথাৰ প্ৰচলন হয়। এই পূজা অতিশয় শুভফল প্ৰদায়ক।

জনজাতিসকলৰ মাজত নিজা নিজা আচাৰ বিধিৰে শিৱ পূজা কৰাৰ প্ৰথা প্ৰচলন আছে। সৰ্বভাৰতীয় শৈৱধৰ্মৰ লগত থলুৱা জনজাতিসকলৰ লোক বিশ্বাস আৰু আখ্যান কিম্বদন্তিৰ সমন্বয়ত এই পূজা পদ্ধতি গঢ় লৈ উঠিছে। ইয়াৰে এবিধ শাস্ত্ৰীয় আনবিধ

লোক পৰম্পৰা আধাৰিত। সেয়ে শাস্ত্ৰসন্মত বিধি বিধান আৰু উপচাৰৰ লগে লগে থলুৱা জীৱ-জন্তু আৰু লাওপানী উৎসৰ্গা কৰাৰ পৰম্পৰাগত বিধিও প্ৰচলিত হৈ আহিছে।

**শিৱৰাত্ৰি ঃ** অসমত জন সাধাৰণৰ মাজত শিৱৰাত্ৰি অতি জনপ্ৰিয়। অসমৰ প্ৰধান প্ৰধান শিৱমন্দিৰ সমূহত সেইদিনা অগমন ভক্তৰ ভিৰ হোৱা দেখা যায়। এই উৎসৱত বিভিন্ন ধৰণৰ মেলা বহে আৰু মানুহৰ মাজত বিভিন্ন ধৰণৰ আনন্দ, নৃত্য গীত আদিৰ সূচনা হয়।

**অম্বুবাচী ঃ** আহাৰ মাহত অম্বুবাচী উপলক্ষে কামাখ্যা ধামত ডাঙৰ মেলা অনুষ্ঠিত হয়। ভাৰতবৰ্ষৰ বিভিন্ন স্থানৰ সাধু সন্যাসী আহি ইয়াত সমবেত হয়। অম্বুবাচী মূলতঃ কৃষি উৎসৱ আৰু সেয়ে এই সময়ত পৃথিৱী ঋতুমতী হোৱা বুলি বিশ্বাস কৰা হয়। বিধবাসকলে উৎসৱৰ দিনকেইটিত উপবাসে থাকি ব্ৰত পালন কৰে।

**দুৰ্গা পূজা ঃ** শৰৎ কালত মহা পয়োভৰেৰে শাৰদীয় দুৰ্গোৎসৱ উদ্‌যাপিত হয়। কামাখ্যাকে প্ৰমুখ্য কৰি কামৰূপত অতি প্ৰাচীন কালতেই শক্তি উপাসনাই প্ৰভাৱ বিস্তাৰ কৰিছিল। অসমীয়া সংস্কৃতিত শাক্তধৰ্মৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। বিভিন্ন ধৰণৰ তন্ত্ৰৰ সৃষ্টিও প্ৰাচীন কামৰূপতে হৈছিল আৰু এইক্ষেত্ৰত শাক্ত ধৰ্মৰ বিবিধ ক্ৰিয়া পদ্ধতি সম্পৰ্কীয় বৰ্ণনা সন্নিবিষ্ট হৈছিল।

অসমত শাক্তধৰ্মই প্ৰাধান্য বিস্তাৰ কৰাৰ ফলত কামাখ্যা, ভুবনেশ্বৰী, কালী, উগ্ৰতাৰা, ত্ৰিপুৰেশ্বৰী, চণ্ডী, দুৰ্গা, জয়দুৰ্গা, ভৈৰৱী, বসুন্ধৰী, বাঘ্ৰেশ্বৰী, চামুণ্ডা প্ৰভৃতি দেৱীৰ উদ্ভৱ হৈছে। এই দেৱীসকলক বিশেষভাবে পূজাপাতল আৰু বলিবিধানেৰে আজিও পূজা কৰা হয়। কেচাইখাতী গোঁসানীৰ আগত নৰবলি দিয়া হৈছিল। দৰং ৰাজবংশাৱলীত নৰনাৰায়ণৰ পিতৃয়ে ফৰিং কাটি দুৰ্গাক পূজা দিয়াৰ উল্লেখ পোৱা যায়। দুৰ্গাপূজাৰ সবৰোৎসৱ আৰু নকান্ত্ৰিকা আদি বিভিন্ন জাতি উপজাতি মাজত সমন্বয় সাধন কৰিছিল।

শৰদীয় পূজাৰ দৰে অন্য পূজাসমূহো বিভিন্ন উপচাৰেৰে জপ, হোম আৰু তৰ্পনৰ যোগেদি মহাসমাৰোহেৰে পালন কৰা হয়। লগতে ধূপ-দীপ আৰু নৃত্য গীতেৰে প্ৰতিমাৰ সন্মুখত আৰতিও কৰা হয়। জনসাধাৰণে আনন্দেৰে এই নৃত্য-গীত উপভোগ কৰে। শাক্ত ধৰ্মৰ সৈতে জড়িত আন আন পূজাসমূহ হ'ল কালীপূজা, লক্ষ্মী পূজা, শীতলাপূজা ইত্যাদি।

**বিশ্বকৰ্মাপূজা ঃ** বৰ্তমান শিল্পানুষ্ঠানৰ পয়োভৰ বৃদ্ধি পোৱাৰ ফলত ভাদ আৰু আহিনৰ সংক্ৰান্তিত-মহা-আড়ম্বৰেৰে বিশ্বকৰ্মা পূজাও পালন কৰা হয়। মাঘ মাহৰ শ্ৰীপঞ্চমীত অনুষ্ঠিত সৰস্বতী পূজা অতি জনপ্ৰিয়। গুৱাহাটীৰ চিত্ৰাচল মন্দিৰত নৱগ্ৰহ পূজা আৰু অসমৰ বিভিন্ন গণেশ মন্দিৰত বিঘ্নিনাশৰ উদ্দেশ্যে বিঘ্নেশ্বৰ গণেশৰ পূজা কৰা হয়।

**মনসা পূজা ঃ** মনসা পূজা শাক্ত পৰম্পৰাৰে সৈতে জড়িত এবিধ লৌকিক পূজা

। এই পূজা সাধাৰণতে শাওন মাহত অনুষ্ঠিত হয়। মাৰি-মৰক আৰু সৰ্পভয়ৰ পৰা ৰক্ষা পাবৰ বাবে মাৰৈ বা মনসা পূজা অনুষ্ঠিত কৰা হয়।

বিষ্ণু উপাসনাক কেন্দ্ৰ কৰি অসমত ভালেমান পুণ্যস্থান গঢ় লৈ উঠিছে। হাজোৰ হয়গ্ৰীৱ দেৱালয়, লক্ষীমপুৰৰ বাসুদেৱ থান, তেজপুৰৰ দুলাল মাধৱ, নগাঁৱৰ সৌভাগ্য মাধৱ আদি বৈষ্ণৱ ধৰ্মৰ প্ৰসিদ্ধ দেৱালয়। অসমৰ মহাপুৰুষীয়া বৈষ্ণৱসকলে জন্মাষ্টমীত, শংকৰদেৱ আৰু মাধৱদেৱৰ তিথি নিয়মিতভাবে পালন কৰে। জন্মাষ্টমীৰ গাঁৱৰ নামঘৰত নাম-কীৰ্ত্তন আৰু ভাওনা আদি মহা- সমাৰোহেৰে উদ্‌যাপন কৰা হয়। ৰথযাত্ৰা, ৰাস পূৰ্ণিমা, ঝুলন যাত্ৰা আৰু দৌল পূৰ্ণিমাও বৈষ্ণৱসকলৰ জনপ্ৰিয় উৎসৱ। সেইদৰে হোলি বা ফাকুৱা উৎসৱো বৰদোৱা আৰু বৰপেটাৰ দৰে অন্যান্য বৈষ্ণৱ সত্ৰবোৰত মহাসমাৰোহেৰে উদ্‌যাপিত হয়।

জন্মষ্টমীৰ বাহিৰেও ধৰ্মগুৰুসকলৰ তিথি আদিও প্ৰধান দুজনা ধৰ্মগুৰুৰ দৰেই অতি শ্ৰদ্ধাৰে গাঁৱৰ নামঘৰত ভক্তসকলে পালন কৰে।

**লখিমী সবাহ ঃ** নাৰীসমাজৰ মাজত অতি জনপ্ৰিয় লক্ষিমীসবাহ আহিন মাহত অনুষ্ঠিত হয়। আহিনমহীয়া ধানৰ ঠোক ওলাবৰ সময়ত মহিলাসকলে একত্ৰিত হৈ লখিমী নাম গাই এই সবাহ পাতে।

**৭.৫ ধৰ্ম নিৰপেক্ষ উৎসৱ**

**মহহো উৎসৱ ঃ** নামনি অসমৰ এবিধ ধৰ্ম নিৰপেক্ষ লোক উৎসৱ হ'ল মহোহো। অসমীয়া সমাজৰ বিশ্বাস যে এই উৎসৱ পালন কৰিলে মহ নোহোৱা হয়। সেইবাবেই আঘোন মাহৰ পূৰ্ণিমা তিথিত জাতি-বৰ্ণ নিৰ্বিশেষে এই উৎসৱ পালন কৰা হয়।

আঘোন মাহৰ পূৰ্ণিমাৰ দিনাখন সন্ধিয়া সময়ত গাঁৱৰ ডেকাবোৰে হাতে হাতে বাঁহৰ টাঙোন লৈ মানুহৰ ঘৰে ঘৰে গৈ চোতালত টাঙোণেৰে কোবাই কোবাই নৃত্য গীত কৰি চাউল-পইচা আদি মাগি গৃহস্থক আশীৰ্বাদ দিয়া উৎসৱটি এটি অতি জনপ্ৰিয় উৎসৱ।

মহোহো গীতবোৰ লোক সাহিত্যৰ অমূল্য সম্পদ। স্থানভেদে গীতবোৰৰ মাজত পাৰ্থক্য থাকিলেও ইয়াৰ অন্তনিৰ্হিত উদ্দেশ্যে একেটাই , ম'হখেদা। গোৱালপাৰা জিলাত ম'হখেদাক এউৰি মগা উৎসৱ বুলি কয়।

**ভঠেলি উৎসৱ ঃ** অসমৰ বিভিন্ন স্থানত বছৰৰ আৰম্ভণিতে পালন কৰা বিবিধ উৎসৱ পাৰ্বনৰ ভিতৰত নামনি অসমৰ এটি জনপ্ৰিয় লোক উৎসৱ হ'ল ভঠেলি। কামৰূপৰ বিভিন্ন অঞ্চলৰ এই উৎসৱক ভঠেলি বা পাওৱা তোলা উৎসৱ বোলে। নতুন বছৰক আদৰাৰ উদ্দেশ্যে কামৰূপত ব'হাগ মাহত এই উৎসৱ পালন কৰা হয়। এই উদ্দেশ্যে এডাল পোন বাঁহ ভালদৰে চাচি চুৰুকি ৰঙ-বিৰঙৰ কাপোৰ মেৰিয়াই তাৰ মাজে মাজে দহ-বাৰটা চোঁৰৰ আঁকি দি গুড়িত কাপোৰৰ জামা পিন্ধাই সুন্দৰকৈ সজোৱা হয়। কিছুমান

ঠাইত কল-পটুৱাৰে জোঙাকৈ মজু সজা হয় আৰু সূৰ্য অস্ত যোৱাৰ লগে লগে ডেকা ল'ৰাবোৰে মজুৰ ভিতৰৰ বস্তুবোৰ আঁতৰাই নি আগতে মজুৰ কাষতে ৰখা বাঁহৰ লাঠিৰে মজুটো কোবাই ভাঙি আনন্দ উৎসৱৰ সামৰণি কৰে। নলবাৰী অঞ্চলত গোটেই ব'হাগ মাহ জুৰি বিভিন্ন গাঁৱত বিভিন্ন দিনত এই উৎসৱ পালন কৰা হয়। কামৰূপ জিলাৰ ভিতৰত ছয়গাওঁ, পলাশবাৰী, ৰামদিয়া, বেলশৰ, নৰ্দি প্ৰভৃতিৰ ঠাইৰ ভঠেলি উৎসৱ অতি জনপ্ৰিয়।

**বিহু উৎসৱ ঃ** অসমৰ প্ৰধান জাতীয় উৎসৱ বিহু মূলতঃ তিনিটা-ৰঙালী বিহু, ভোগালী বিহু আৰু কঙালী বিহু। বিহু মূলতঃ কৃষি উৎসৱ। সাধাৰণতে ৰঙালী বিহু সাতদিন ধৰি পালন কৰা হয়। গৰুবিহু, মানুহ বিহু, গোঁসাই বিহু চেৰা বিহু ইত্যাদি পৰম্পৰাগত নীতি-নিয়মেৰে পালন কৰাৰ উপৰিও হুচৰি গোৱা , ঢোপ খেলা, কড়ি খেলা প্ৰভৃতি বিহুৰ সৈতে জড়িত হৈ আছে। মঙ্গলদৈ অঞ্চলত ব'হাগ বিহুত বিষ্ণুমূৰ্ত্তি স্থাপন কৰি বৈশাগী দৌল উৎসৱ পালন কৰে। পূজাৰ লগত ডাঙৰ মেলাও বহে। হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ আৰু গোৱালপাৰাৰ ভৈৰৱ থানতো বিহু উপলক্ষে খেলা অনুষ্ঠিত হয়।

কাতি বিহুত খেতিপথাৰৰ মঙ্গলৰ উদ্দেশ্যে আহিন-কাতিৰ সংক্ৰান্তিৰ দিনা বিভিন্ন ধৰণৰ বিধি বিধান পালন কৰা হয়। কাতিবিহুত তুলসীৰ গুৰিত বন্তি প্ৰজ্বলন কৰি তুলসীৰ নাম গোৱা হয়। ভঁৰালৰ গুৰিত বন্তি জ্বলোৱা হয়। কৃষি আৰু উৰ্বৰতাৰ উৎসৱ হিচাপে কাতিবিহুৰ লগত ওৰাওসকলৰ 'বাৰমগাৰা' পূজাৰ সাদৃশ্য মনকৰিবলগীয়া।

মাঘবিহু প্ৰাপ্তি আৰু প্ৰাচুৰ্যৰ , খেতি চপোৱাৰ আনন্দোৎসৱ। ইয়াৰ সৈতে মেজি ঘৰ, অগ্নি পূজা প্ৰভৃতি জড়িত হৈ আছে। এই বিহুত ন ধানৰ চাউল, মাহ, তিল আদি উৎসৰ্গা কৰা হয়। ঠাইবিশেষে ৰাজহুৱা ভাবে মাছ ধৰা, খেলধেমালি, ম'হ যুঁজ, কণীযুঁজ আদি অনুষ্ঠিত হয়।

**৭.৬ অন্যান্য উৎসৱ**

সামাজিক উৎসৱৰ ভিতৰত বিবাহ উৎসৱত গাঁৱৰ ৰাইজ সমূহীয়াকৈ মিলিত হয়। বিয়াৰ সৈতে জড়িত নীতি-নিয়ম ক্ৰিয়া কাণ্ড আদিত তিৰোতাসকলে বিশেষভাবে অংশগ্ৰহণ কৰে। দৈয়ন দিয়া, গাঁথিয়ন খুন্দা, বেই সজা, মড়ল দিয়া, সুৱাগুৰি তোলা , জোৰোণ দিয়া, খোৱা খুবুনী উৎসৱ প্ৰভৃতি বিবাহৰ সৈতে জড়িত কেতবোৰ জনপ্ৰিয় অনুষ্ঠান।

ছোৱালী পুষ্পিতা হ'লে চাৰি দিন অথবা সাতদিনত তোলনি বিয়া, নোৱাই তোলনি বা উঠন বিয়া পতা হয়। এই বিয়াত মাথোন তিৰোতাসকলেহে অংশগ্ৰহণ কৰে ।

## ৭.৭ সাৰাংশ (Summing Up)

ৰাজহুৱা ক্ৰিয়া-কাণ্ড, আচাৰ-অনুষ্ঠানৰ সৈতে আন আন সামাজিক আচৰণ সংযুক্ত হৈ উৎসৱ-অনুষ্ঠানৰ জন্ম হৈছে। এই উৎসৱ-অনুষ্ঠানে পৰম্পৰাগত নৃত্য-গীত, বাদ্য-অভিনয়, খেল-ধেমালি আদিৰ বিশিষ্ট অনুষংগ স্বৰূপে বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। এইবোৰে একোটা জাতিৰ ঐতিহ্য আৰু উৎকৰ্ষতাৰ পৰিচয় বহণ কৰে। অসমৰ লোকউৎসৱ সমূহক প্ৰধানত তিনিটা ভাগত ভাগ কৰি ইয়াত আলোচনা কৰা হৈছে। ধৰ্মৰ লগত জড়িত উৎসৱখিনি ধৰ্মীয় উৎসৱ, ধৰ্মৰ লগত জড়িত নথকা উৎসৱক ধৰ্ম নিৰপেক্ষ উৎসৱ আৰু দুয়োটা শিতানে সামৰিব নোৱাৰাখিনিক অন্যান্য উৎসৱ হিচাপে আলোচনা কৰা হৈছে।

## ৭.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত পৰম্পৰাগত উৎসৱ অনুষ্ঠান সম্পৰ্কে চমুকৈ লিখক।

২) ধৰ্মীয় লোকউৎসৱ মানে কি বুজা? অসমৰ ধৰ্মীয় লোকউৎসৱৰ বিষয়ে এটি প্ৰবন্ধ লিখক।

৩) অসমৰ ধৰ্ম নিৰপেক্ষ লোকউৎসৱ সমূহৰ বিষয়ে বহলাই আলোচনা কৰক।

৪) চমুটোকা লিখক-

পচেতি, মহহো উৎসৱ, ন খোৱা, গছ বিয়া, ভথেলি , কাতি বিহু, দুণৰি, জোৰণ দিয়া, দহৰ ফুৰোৱা, সোণাৰায় পূজা, হুদুমদেও পূজা, কুমাৰী পূজা, অম্বুবাচী, শিৱৰাত্ৰি, দুৰ্গাপূজা, মনসা পূজা, বিশ্বকৰ্মা পূজা, আলি আই লিগাং, বায়খো, বৈছাগু, বিহু উৎসৱ, ডিঙা উটুৱা।

## ৭.৯ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


কাকতি, বাণীকান্ত : পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, ১৯৯৫

কাগয়ুং, ভৃগুমণি (সম্পা) : মিচিং সংস্কৃতিৰ আলেখ্য, ১৯৭০

গগৈ, লীলা : অসমৰ সংস্কৃতি, ১৯৮৬

(---) : টাই সংস্কৃতিৰ ৰূপৰেখা, ১৯৭১

গোস্বামী, প্ৰফুল্লদত্ত : অসমীয়া জনসাহিত্য, ১৯৮৬

(---) : বাৰ মাহৰ তেৰ গীত, ১৯৬২

চাত্তাৰ, আব্দুচ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি

তেৰাং, ৰংবং : সমন্বয় প্ৰবাহ, ১৯৮৯

দত্ত, বীৰেন্দ্ৰ নাথ (সম্পা) : চিফুং গুংগাং, ১৯৮৬

দাস, ভুবনমোহন (সম্পা) : অসমীয়া জাতিৰ ইতিবৃত্ত,

নাথ, ৰাজমোহন : গৌৰৱময় অসম, ১৯৪৯

নাৰ্জি, ভবেন : বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি, ১৯৬৬

নাথ, প্ৰফুল্ল কুমাৰ : অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা, ২০০৪

নেওগ, মহেশ্বৰ : পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, ১৯৬৬

পাদুন, নাহেন্দ্ৰ : অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি, ১৯৮৮

বৰদলৈ, নিৰ্মলপ্ৰভা : অসমৰ লোক-সংস্কৃতি, ১৯৭২

বৰুৱা, বিৰিঞ্চি কুমাৰ : অসমীয়া ভাষা আৰু সংস্কৃতি, ১৯৫৭

(---) : অসমৰ লোক সংস্কৃতি, ১৯৮৫

বৰুৱা, প্ৰহলাদ কুমাৰ (সম্পা): অসমীয়া লোক-সাহিত্য, ২০০১

ভট্টাচাৰ্য, প্ৰমোদচন্দ্ৰ (সম্পা) : অসমৰ লোক উৎসৱ, ১৯৬৯

(---) : অসমৰ জনজাতি, ১৯৬২

ৰাভা, ৰাজেন : ৰাভা জনজাতি, ১৯৭৪,

(---) : ৰাভা লোক গীত, ২০০১

ৰাভা হাকাচাম, উপেন : অসমৰ জনজাতীয় সংস্কৃতি, ২০০৫

(---) : ৰাভা লোক সংস্কৃতি, ২০০৬

ৰাভা, ধনঞ্জয় : ৰাভা জনজাতিৰ চমু ইতিহাস, ১৯৯৮

শৰ্মা, নবীন চন্দ্ৰ : অসমৰ লোকসংস্কৃতিৰ চমু আভাস, ১৯৯৫

শৰ্মা, শশী : অসমৰ লোক সাহিত্য, ১৯৯৩

শৰ্মা, হেমন্তকুমাৰ : অসমীয়া লোকগীতি সঞ্চয়ন, ১৯৭৮

শইকীয়া , ললিত কুমাৰ : সোণোৱাল কছাৰী সংস্কৃতি, ১৯৮১

স ৰকাৰ, হৰিমোহন : ৰাভা সমাজ আৰু সংস্কৃতিৰ আভাস, ১৯৮১

সোণোৱাল, গগন চন্দ্ৰ : সোণোৱাল সাধু, ১৯৯৫

হাজৰিকা, অতুলচন্দ্ৰ : উৎসৱৰ ভোগজৰা, ১৯৬৫

(---) : উৎসৱৰ ৰংচ'ৰা, ১৯৬৩

হাজৰিকা, পৰীক্ষিত : চৰ্যাপদ, ১৯৯৯

হাজৰিকা, সূৰ্যকান্ত (সম্পা) : সংস্কৃতি সঞ্চয়ন, ১৯৮০

হাঞ্চে, ছামছিং : ছাবিন আলুন, ১৯৮৬

AIRTSC : Socio Economic Conditions of the Kaibartas of Assam, A Caste Study, 1994.

Ali, ANM Irsad : Adoptation among the Bodo Kachari, 1973

Anderson, J.D : Kachari Folktales, 1911 and Athparia, R.P

Buzarbarua. M : Social and cultural life of the Mishing of Assam, 1991

Bondapadhyay, P.K : The Tai Phakes of Assam, 1983

Baruah, H. : History and Culture of the Khasi People, 1969

Barkakati, S.N : Tribal Folktales, 1971

Baruah, H.C : Marriage customs of the people of Assam, 1895

Barua, B.K : A Cultural History of Assam, 1969

Barua, K.L : Early History of Kamrupa, 1966

Brahma, M.M : Folk song of the Bodos, 1966

Chetterjee, S.K : Kirat-Jana-Kriti, 1974

Choudhury, P.C : The History of Civilization of the People of Assam, 1966

Croke, William : The People Religion and Folklore of Northern India, 1978

Dorson, R.M : Folklore and Folklife : An Introduction,1972

Das, J : Folklore of Assamese , 1973

Dundes, Alen : Essays in Folkloristic, 1978

Dutta, B.N. (at. al., ed.) : A Handbook of Folklore Materials of North-East India, 1994

Dutta, K.N. (Ed) : Aspects of the Heritage of Assam 1959

Goswami, P. : Ballads and Tales of Assam, 1980

(---) : The Spring time Bihu of Assam, 1966

Kakati, B. : Visnuite Myths and legends, 1982

(---) : The Mother Goddess Kamakhya, 1967

Kabiraj, Gopinath : Some Aspects of the History and Doctrine of the Naths,

Mipun, J. : The Mishing (Miris) of Assam: Development of a new life-style,1992

Nath, Rajmohan : The Background of Assamese Culture, 1948

(---) : Pre-vedic Kamrup, 1958

Playfair, M.A. : The Garos, 1909

Rabha, Rajen : The Rabhas, 2002

Sen, Sipra : Tribes and Castes of Assam, 1999

Jylor, E.B : Primitive Culture, 1974

Vidyarathi, L.P : Art and Culture of North-East India, 1993

## অষ্টম বিভাগ

## অসমৰ পৰম্পৰাগত খেল-ধেমালি

**বিভাগৰ গঠন**

৮.১ **ভূমিকা** (Introduction)

৮.২ **উদ্দেশ্য** (Objectives)

৮.৩ **অসমৰ পৰম্পৰাগত খেল - ধেমালি**

৮.৪ **অৱসৰ-বিনোদনধৰ্মী খেল-ধেমালি**

৮.৫ **প্ৰতিযোগিতামূলক খেল-ধেমালি**

৮.৬ **সাৰাংশ** (Summing Up)

৮.৭ **আৰ্হি প্ৰশ্ন** (Sample Questions)

৮.৮ **প্ৰসংগ গ্ৰন্থ** (References/ Suggested Readings)

### ৮.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত অসমৰ লোকউৎসৱ সমূহৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত আলোচ্য বিষয় হ'ল অসমৰ পৰম্পৰাগত খেল-ধেমালি।

উৎসৱ-অনুষ্ঠানসমূহৰ লগত ওতঃপ্ৰোতঃভাৱে জড়িত হৈ আছে পৰম্পৰাগত খেল-ধেমালিসমূহ। খেল-ধেমালিসমূহৰ সৈতে অৱসৰ-বিনোদন আৰু মানসিক পৰিতৃপ্তিৰ সম্পৰ্ক আছে। শিশুৰ মনস্তাত্ত্বিক আৰু বুদ্ধিবৃত্তিৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা খেল-ধেমালিয়ে একোটা জাতিৰ ঐতিহ্য আৰু পৰম্পৰাৰ পৰিচয় বহন কৰে। এই বিভাগটিৰ জৰিয়তে অসমৰ পৰম্পৰাগত উৎসৱ আৰু খেল-ধেমালিসমূহৰ বিষয়ে বিস্তৃত আলোচনা দাঙি ধৰা হৈছে।

### ৮.২ উদ্দেশ্য (Objectives)

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপোনালোকে-

- অসমৰ পৰম্পৰাগত খেল-ধেমালিৰ স্বৰূপ সম্পৰ্কে জ্ঞাত হ'ব পাৰিব,
- পৰম্পৰাগত খেল-ধেমালিৰ প্ৰসংগত অৱসৰ বিনোদনধৰ্মী আৰু প্ৰতিযোগিতামূলক খেল-ধেমালিৰ বিষয়ে বস্তুনিষ্ঠভাৱে জানিব পাৰিব,
- শিশু, কিশোৰ আৰু পুৰুষ-নাৰী ভেদে প্ৰচলিত ভিন ভিন খেল-ধেমালিৰ বিষয়ে আলোচনা কৰিব পাৰিব।

### ৮.৩ অসমৰ পৰম্পৰাগত খেল - ধেমালি

পুৰণি কালৰে পৰা অসমৰ বিভিন্ন প্ৰান্তত বিভিন্ন জনগোষ্ঠীৰ মাজত বিভিন্ন ধৰণৰ খেল-ধেমালি প্ৰচলিত হৈ আহিছে। সেইবোৰ অবিকল ভাবে প্ৰচলিত হৈ আহিছে নে

সময়ৰ সোঁতত ৰূপ সলাইছে তাৰ কোনো স্পষ্ট প্ৰমাণ পাব পৰা নাযায় যদিও সমকালীন বিভিন্ন বুৰঞ্জী পুথি , প্ৰাচীন হাতেলিখা ইত্যাদি লিখিত সমলৰ পৰা ইয়াৰ ঐতিহ্য আৰু ৰূপান্তৰ সম্বন্ধে কিছু আভাস জানিব পৰা যায়। প্ৰাক্‌শংকৰী, শংকৰী আৰু উত্তৰ শংকৰী যুগৰ ৰচনাৰাজিত পৰোক্ষভাবে এইবোৰৰ কিছু কিছুৰ বিৰৰণ পোৱা যায়। আহোম যুগত প্ৰচলিত অথচ বৰ্তমান লুপ্ত বা অৰ্ধলুপ্ত খেল - সমূহৰ বিৰৰণ আহোম বুৰঞ্জী সমূহত অতি সুন্দৰ কৈ লিপিবদ্ধ কৰা আছে। বিহুগীত- বনঘোষা সমূহত বহু খেলৰ হুবহু বৰ্ণনা নাথাকিলেও নামোল্লেখ আছে। ইতিপূৰ্বে শ্ৰেণীভুক্ত কৰা খেল-ধেমালিৰ শাখা অনুযায়ী অসমৰ পৰম্পৰাগত খেল-ধেমালিসমূহকো আলোচনা কৰিব পাৰি। অসমৰ খেল-ধেমালিসমূহক অৱসৰ বিনোদন অৰ্থাৎ গীত-মাতৰ অংশ হিচাপে নতুবা প্ৰকৃত প্ৰতিযোগিতামূলক খেল হিচাপে আলোচনা কৰিলে আমাৰ আলোচনাত বেছি সুবিধা হয়। আনহাতে আন্তঃদ্বাৰ খেল (Indoor Games) বা বহিৰ্দ্বাৰ খেল (Outdoor Games), পুৰুষৰ খেল বা মহিলাৰ খেল, শিশুৰ খেল বা প্ৰাপ্ত বয়স্কৰ খেল-- এইদৰেও আলোচনা কৰিব পাৰি; যদিও কিছুমান খেল কোনো শ্ৰেণীতে গাইগুটীয়াকৈ নপৰে বাবে এনে আলোচনাত আহুকালে দেখা দিয়াটো তেনেই স্বাভাৱিক। সেই বাবে ইয়াক পৰিহাৰ কৰা হৈছে।

## ৮.৪ অৱসৰ-বিনোদনধৰ্মী খেল-ধেমালি

এই শ্ৰেণীৰ খেল-ধেমালিসমূহক দুটা ভাগত ভাগ কৰিব পাৰি - (ক) ওমলা গীতৰ লগত সম্পৰ্কীত খেল-ধেমালি আৰু (খ) প্ৰদৰ্শনমূলক (অপ্ৰতিযোগিতামূলক) খেল-ধেমালি।

**(ক) ওমলা গীতৰ লগত সম্পৰ্কিত খেল-ধেমালি ঃ** মাক, বুঢ়ীমাক, মাহীমাক বা বায়েকৰ কোলাত বা বোকোচাত শিশুহঁতে সৰহ সময় কটাবলগীয়া হয়। শিশুহঁতৰ আমনি, জেঙা ভাঙিবলৈ সিহঁতে নানা উপায় অৱলম্বন কৰে। তাৰ ভিতৰত নিচুকনি গীত বা ওমলা গীতেই প্ৰধান। ওমলা গীত গাঁওতে বয়স অনুযায়ী পৰোক্ষ বা প্ৰত্যক্ষ ভাবে শিশুহঁতেও ভাগ ল'বলগীয়া হয়। তেনে কৰোঁতে বিভিন্ন খেল - ধেমালিৰ সৃষ্টি হয়। তেনে খেল-ধেমালিসমূহৰ ভিতৰত -

১) বুঢ়ীমাকে বা বয়সস্থলোকে পানীকেঁচুৰা, বহা বা আৰু থিয়দঙা দিয়া মইনাহঁতক কোলাত লৈ দুই কাষলতিৰ তলেদি দুই হাত সুমাই উচাল মাৰি ওপৰলৈ দলিয়াই কৰা ধেমালি ঃ এই ধেমালি কৰিবৰ সময়ত সাধাৰণতে তলত দিয়া গীতটি গোৱা হয় -

মাৰৰ নিচিনা নহ'লি কিয় ?
বাপেৰৰ নিচিনা নহলি কিয় ?
বাৰীতে আছিলে চেৰাপেটী বেং
তাৰে নিচিনা দুখনি ঠেং।

সেইদৰে কুকুভা, ভাকুটকুট (তাই-বাই), ঢুলনি খুওৱা আদি ধেমালি কৰিবৰ সময়তো বিশেষ কিছুমান গীত গোৱা হয়।

২) বায়েক বা সমনীয়াহঁতৰ লগত ওমলোতে থুনুক-থানাক মাত শিকা শিশুৱে কৰা ধেমালিঃ এই ধেমালি কৰিবৰ সময়ত গোৱা গীতৰ ভিতৰত --

"জোনবাই এ' তৰা এটি দিয়া"

"এইডাল কাৰ বাঁহ?"

"চিকি - মিকি লোণ জালুকী"

"শালিকী এ' ৰটৌ টৌ"

"বগলী এ সবাহলৈ গৈছিলি কিয়? "

- আদি বিশেষভাবে উল্লেখযোগ্য ।

৩) পৰিবেশ- পৰিস্থিতিভেদে থাউকতে নাচি বা অংগী-ভংগী কৰি কৰা ধেমালিঃ এনে ধেমালিৰ ভিতৰত সন্ধিয়াপৰত মহৰ উপদ্ৰৱৰ পৰা ৰক্ষা পাবলৈ "মহ- মহনী কথা"; ৰ'দে - বৰষুণে বতৰে লুকা-ভাকু খেলিলে আনন্দত মতলীয়া হওঁতে "খঁৰা শিয়ালৰ বিয়া"; সন্ধিয়া ফেঁচাৰ কুৰুলি শুনোতে "ফেঁচা আৰু পৰঘুমাৰ বিয়া", শগুণক দেখিলে 'শগুণ শগুণ- কোনে দিলে লগুণ", ভেলা চৰাই দেখিলে "ভেলা ঘূৰ ঘূৰ"; হাতী আৰু মাউত দেখিলে "হাতী ঐ ডালত /মাখি ঐ ডালত; মিছা মাছে ফিছা মাৰে/ মাউতৰ গালত" ইত্যাদি ওমলা গীত গাই ধেমালি কৰাটো পূৰ্বৰ পৰা চলি অহা দস্তুৰ।

৪) ভৱিষ্যতৰ কৰ্মজীৱনৰ বাবে আখৰা ঃ 'বালিৰে ভাত ৰন্ধা', 'শিশু নিচুকা' (পুতলা খেল) 'দৰা-কইনা খেল' নতুবা 'ফল গছ ৰোৱা', 'লাউ বা কোমোৰাৰ পুলি ৰোৱা' ইত্যাদি ওমলা গীতৰে শিশুহঁতে ভৱিষ্যত কৰ্ম-জীৱনৰ পাতনি তৰে। ওমলা গীতৰ লগত সম্পৰ্ক থকা ধেমালিৰ গীত নাথাকিলেও "লুকা-ভাকু" খেলৰ যোগেদি ইজনে আনজনৰ পৰা আত্মগোপন কৰাৰ কৌশলৰ যে উদ্ভৱ হৈছে এয়া ধ্ৰুৱপ। সেইদৰে পানী হিলৈ ফুটোৱা (ভেলাঘৰত), চুঙা বন্দুক মৰা আদিও প্ৰকাৰন্তৰে ভৱিষ্যতে হিলৈদাৰী, কাড়ী-ৰণুৱা হোৱাৰ পূৰ্বপ্ৰস্তুতি বুলিব পাৰি।

৫) চেমনীয়া বা কিশোৰ-কিশোৰীৰ অৱসৰ বিনোদনৰ সময়ছোৱাত কৰা ধেমালি ঃ কচুগুটি (অলৌ গুটি তলৌ গুটি কচু গুটি ঘাই) , হাঁচতি বা হেতালি খেল (ইয়াৰ লগত জনগোষ্ঠী আৰু অঞ্চল ভেদে বিভিন্ন গীতৰ প্ৰচলন আছে), আঙুলি মোটোকা (চেন খেলোৱা), মানৱ শৃংখল (অলং-দলং, উপিনটি বায়স্কোপ) ইত্যাদি তেনে কিছুমান ধেমালি।

**(খ) প্ৰদৰ্শনমূলক (অপ্ৰতিযোগিতা মূলক) ঃ** খোট বা ওলোটা খোট (খৰ - বাগৰ মৰা, চাৰ্কাছৰ কুচকাৱাজৰ দৰে), পেংখেল (পেঙক উঠি বগোৱা খেল), টোকৰ মৰা খেল (চকুমুদি থাকোতে টোকৰ মৰা ব্যক্তিজনক চিহ্নিত কৰা), গছ কুমতি খেল (গছৰ ওপৰত বগোৱা জনক কুমতি হৈ ছুৱা), চৰিয়া খেল (চাৰি-পাঁচজনী ছোৱালী ইজনীয়ে

সিজনীৰ ভৰিৰ তলুৰাই তলুৰাই লগাই হাতত ধৰা-ধৰি কৰি চৰিয়াটোৰ দৰে ঘূৰণীয়াকৈ জোৰেৰে পৰি নোযোৰাকৈ ঘূৰি থকা খেল), গৰখীয়া এছাৰি খেল (গৰখীয়াহঁতে এঠাইত মিলিত হৈ তাৰ পৰা যিমান পাৰে দূৰলৈ গাতৰ এছাৰিডাল দলিয়াই দূৰগামী এছাৰিডাল পশ্চাদগামী এছাৰিজালৰ তলেদি সৰকাই নিয়া খেল) ইত্যাদি এই শ্ৰেণীৰ প্ৰদৰ্শনমূলক খেল বা অৱসৰ-বিনোদন। সেইদৰে চিলা উৰোৱা, লাটুম বা লাটিম ঘূৰোৱাও এই শ্ৰেণীৰে খেল।

আনহাতে ধনু- কাঁড়েৰে লক্ষ্য ভেদ কৰা (তীৰ মৰা), লাঠি খেল প্ৰদৰ্শন কৰা, বিহুৰ সময়ত গাঁৱৰ ল'ৰাই বাহুৰে বাহুৰে যুজাঁ (কুকুৰা যুঁজ) ৰ দৰে কঁকালে কঁকালে, বুকুৰে বুকুৰে, গলে গলে, মূৰে মূৰে, আঁঠুৰে আঁঠুৰে, ভৰিয়ে ভৰিয়ে, হাতে হাতে, মুঠিয়ে মুঠিয়ে বা বগৰা-বগৰিকৈ যুঁজি শক্তি পৰীক্ষা কৰা (মল্লযুদ্ধ বা মাল যুঁজ) কাৰ্যও- একধৰণৰ মনোৰঞ্জনধৰ্মী খেলেই। বিভিন্ন প্ৰকাৰৰ সাঁতোৰ, জাঁপ, খৰলুটি, বগুৰা বোৰা আৰু দৌৰো এক প্ৰকাৰৰ খেল-ধেমালিয়ে।

## ৮.৫ প্ৰতিযোগিতামূলক খেল-ধেমালি

প্ৰতিযোগিতাৰ মনোভাৱেৰে খেলা অৰ্থাৎ হৰা- জিকা হোৱা খেল সাধাৰণতে তিনিপ্ৰকাৰৰ। ১) এককভাবে খেলা, ২) দলীয়ভাবে খেলা আৰু ৩) অইন পোহ মনা জন্তু বা পক্ষীৰে খেলা। উদাহৰণ-

**১) এককভাবে খেলা খেল ঃ** কড়ি খেল (পঁচি বা পাঞ্চি), পাশা খেল (পাহ বা পাহ-ঢাল), ঘিলা খেল, টাংগুটি (ভন্টা), খুলি খেল (গাঁতা খলি), বাঘ-ঢাল (চক্ৰবেহু খেল) ইত্যাদি এই শ্ৰেণীৰ খেল।

**কড়ি খেল ঃ** ৰঙালী বিহুত এই খেল এতিয়াও জনপ্ৰিয় । এই খেলত দুজনৰ পৰা দহজন লৈকে ভাগ ল'ব পাৰে। চাৰিৰ পৰা ছটা লৈকে কড়িৰে পুৰুষ - মহিলা উভয়ে খেলিব পৰা এই খেলৰ প্ৰণালী কেবাটাও আছে। ঢাল সহকাৰে আৰু ঢাল নোহোৱাকৈ দুইধৰণে খেলিব পাৰি। মাটি বা পাটিত পৰাকৈ চাৰিটা বা পাঁচোটা কড়ি মাৰি দিয়া হয় আৰু আটাইকেইটা কড়ি উবুৰি খাই পৰিলে পূৰ্ণ নম্বৰ (চাৰি বা পাঁচ) পায়। পূৰ্ণনম্বৰ পোৱাৰ পিছত হাত খোলে আৰু যিমানটা কড়ি চিৎ হৈ পৰে দহৰ গণিতকত যথাক্ৰমে দহ, বিশ, ত্ৰিশ, চল্লিছ কিম্বা পঞ্চাশ পায়। এইদৰে বাৰেপতি খেলি খেলি উৰ্দ্ধতম সংখ্যাত (এশৰ পৰা পাঁচশলৈকে) উপনীত হয়। আন এক প্ৰকাৰেও ঢাল নোহোৱাকৈ কড়ি খেলা হয়। চাৰি বা পাঁচটা কড়িৰে খেলিব পৰা এই খেলত দুটা দুটা কড়ি টিলিকি মাৰি লগ লগাব পাৰিলে এযোৰত দহ, দুযোৰত বিশ, তিনিযোৰত ত্ৰিশ এই অনুক্ৰমে এশ বা দুশলৈকে সংখ্যা পাব পাৰে। যোৰ টিলিকি মাৰি লগ লগাব নোৱাৰিলে কড়ি অন্য এজনৰ হাতলৈ যায়। ঢাল পাতি খেলা কড়িখেলত মুঠ ছটা কড়িৰ আৱেশ্যক। এই খেলৰ ঢাল কাপোৰত বা মাটিত আঁকি লোৱা হয়। এহাতেৰে কড়িকেইটা ঢালখনত মাৰি পঠালে

এটা উবুৰি ঘাই পাঁচোটা চিৎখাই পৰিলে ‘দহ’ হয়। ইয়াকে ‘জগোৰা’ বোলে। পাঁচটা উবুৰি খাই এটা চিৎ খাই পৰিলে ‘পচি’ বোলে। ছয়টা কড়িয়েই তললৈ চিৎ খাই পৰিলে ‘মুদ্ৰা’ বোলে। বৰ্গক্ষেত্ৰাকাৰ ঢালত গুটি একোটা পৰিবলৈ হ’লে চাৰিওখন হাত বগাই ৭৩টা ঘৰ চেৰাব লাগে আৰু তেতিয়াই গুটি পকে। যিজনে পকাব পাৰে সেইজনেই জিকে। কড়ি খেল ধৰ্মীয়কৃত্যৰ লগত জড়িত আৰু ই প্ৰজননৰ প্ৰতীক হিচাপে অসমীয়া সমাজত গৃহীত।

**পাশা খেল ঃ** আহোম আৰু কমতাপুৰৰ ৰাজ-পৰিয়ালবোৰৰ মাজত এসময়ত এই খেল অতি জনপ্ৰিয় আছিল। আহোম যুগত পাশা খেলৰ গুটি (পাশটি) আৰু ঢাল হাতীদাঁতেৰেও তৈয়াৰ কৰা হৈছিল। পাশটিবোৰৰ আকাৰ চাৰিচুকীয়া গোটা বা ঘন বৰ্গক্ষেত্ৰ, যাৰ ছটা পিঠি থাকে আৰু প্ৰতিটো পিঠিতে এটাৰ পৰা ছটালৈকে চিন থাকে। খেলোঁতে মাৰি বা গুটিবোৰ হাতেৰে জোকাৰি ঢালখনত সামান্যভাবে দলিয়াই দি খেলা হয়। ঢালত খেলুৱৈয়ে ধৰা চিনকেইটা ওলাইছে নে নাই, তাৰ ওপৰতে হৰা-জিকা নিৰ্ণয় কৰা হয়।

**ঘিলা খেল ঃ** পুৰুষ - মহিলাতকৈ চেঙেলীয়া ল’ৰাৰ মাজত অতিকৈ জনপ্ৰিয় এই খেল অসমৰ প্ৰায়বোৰ জনগোষ্ঠীয় লোকৰ মাজত প্ৰচলিত আছিল। সাধাৰণতে ফাগুণ - চ’ত মাহৰ আজৰি পৰত ঘিলা গুটি পকিবৰ সময়ত এই খেল খেলা হয়। পিছলৈ বিহুৰ বতৰত খেলা খেল হিচাপে ইয়াক আড়ম্বৰে আদৰি ল’লে। দুজনৰ পৰা পাঁচ- ছয়জনে খেলিব পৰা এই খেলখনত প্ৰায় এমোনাকৈ ঘিলাৰ প্ৰয়োজন। খেলুৱৈকেইজন এঠাইত শাৰী পাতি থিয় হয়। এটা শাৰীত প্ৰথম লাই ঘিলা গুটিটোৰ পৰা বাৰ আঙুলি দূৰত্বত কেবাটাও ঘিলা পাতি থৈ দিয়ে। তাৰপিছত ঘিলা মাৰি তাত লগাব পাৰিলে গুটি ঘিলাটো পায়। যদি লাই ঘিলাটোত লাগে তেন্তে আটাইকেইটা ঘিলা ভৰিব লাগে। ঘিলা খেলৰ কৌশল ভেদে বুৰবুৰি, চেলচেলি, নৰখোৰা, চিউট, দেগলাই, ঘকৰ, আঠু, হাবাং, পেঙ, বেঙেঠি ইত্যাদি নামেৰে জনাজাত।

**টাংগুটি (ভন্টা) ঃ** অসমৰ প্ৰাচীন ভন্টা খেলে স্থান বিশেষে টাংগুটি বা বিন্তি নামেৰে পৰিচিত। পুৰুষৰ মাজত বিশেষকৈ চেমনীয়া আৰু ডেকাৰ মাজক অতিকৈ জনপ্ৰিয় এই খেলখন খেলিবলৈ এডাল দেৰহাত মান দীঘল কাঠৰ ডাণ্ডি আৰু তিনি চাৰি আঙুল দৈৰ্ঘ্যৰ এটা টাংগুটি প্ৰয়োজন। দুটা দলত বিভক্ত হৈ খেলা এই খেলত ডাণ্ডি লোৱাজনে ডাণ্ডিৰে মাটিৰ এটা সৰু খুলিত পাতিথোৱা টাংগুটি ডাণ্ডিৰে উচাল মাৰি বিপক্ষৰ ফালে দলিয়াই দিয়ে। যদি বিপক্ষত থকাজন গুটিটো তেওঁৰ মাৰি ডালেৰে কাটিব পাৰে তেতিয়া ডাণ্ডিধাৰীজনে ‘মৰে’ আৰু তেওঁ ডাণ্ডি ধৰিবলৈ যোগ্যতা অৰ্জন কৰে। গুটি বিপক্ষজনে কাটিব নোৱাৰিলে ডাণ্ডিধাৰীয়ে এই দললৈ মুখ কৰি পিছুৱাই আহি খুলিৰ পৰা এক ডাণ্ডি আঁতৰত ডাণ্ডিডাল পোতে। তেনে সময়তে বিপক্ষৰ জনে গুটিটো ডাণ্ডিলৈ মাৰি পঠিয়ায়। গুটি ডাণ্ডিত লাগিলে বা খুলিত সোমালে অথবা খুলিৰ

পৰা এক  ডাণ্ডিৰ ভিতৰত পৰিলে ডাণ্ডিধাৰীজন মৰে। আনহাতে ডাণ্ডিধাৰী নমৰিলে গুটিটো খুলিৰ পৰা কেইডাণ্ডি আঁতৰত পৰে জুখি তাৰ হিচাপ ৰাখে।


দ্বিতীয়বাৰত, ডাণ্ডিধাৰীয়ে গুটিটো খুলিত পথালিকৈ নথৈ গুটিটো বিপক্ষৰ পিনে মুখ কৰি এঢলীয়াকৈ থৈ ওলাই থকা আগটোত  ডাণ্ডিৰে কোব সোধায়। গুটিটো ফৰিং ছিটিকা দি ওপৰলৈ জাঁপ মাৰি উঠে। তেতিয়াই ডাণ্ডিধাৰীয়ে গুটিটো শূন্যতে কোবাই বিপক্ষৰ পিনে মাৰি পঠিয়ায়। বিপক্ষৰ জনে গুটিটো কাটে। কটাৰ পিছত , গুটি যি ঠাইত পৰিছিল তাৰ পৰা গুটিটো থিয়কৈ পুতি থোৱা ডাণ্ডি ডাললৈ দলিয়াই দিয়ে। প্ৰথমবাৰৰ নিচিনা গুটি ডাণ্ডিত লক্ষ্য ভেদ কৰিলে ডাণ্ডি ধাৰীজন মৰে। যদি নমৰে তেন্তে খুলিৰ পৰা কেইডাণ্ডি আঁতৰত পৰিছে তাক জুখি থয়। গুটিটো ডাণ্ডিধাৰীজন পুনৰ বিপক্ষলৈ মাৰি পঠিয়ায়।। যদি বিপক্ষৰজনে গুটিটো কাটিব নোৱাৰে তেন্তে গুটি পৰা ঠাইৰ পৰা খুলিলৈ কেইডাণ্ডি হয় জুখি থয়। এনেদৰে সাল-সলনিকৈ খেলোঁতে খেলোঁতে সৰ্বশেষত যি পক্ষই বেছি সংখ্যা ডাণ্ডি জোখত পায় সেই পক্ষই জিকে। এই খেল দুজনতকৈ বেছি লোকেও খেলিব পাৰে। মনকৰিবলগীয়া এই খেলৰ বাবে বিশেষ দূৰত্বত এটা চাৰিসীমা বন্ধা হয় আৰু ডাণ্ডিৰে গুটি কোবোৱাত যদি সেই সীমা পাৰ হৈ নাযায় তেতিয়া গুটি, ফিট্টা বা 'ফিৰতা' হয় আৰু ডাণ্ডিধাৰীয়ে গুটি আকৌ মাৰিব লগা হয়। কোনো কোনো ঠাইত কিছু সুকীয়াকৈ এই খেল খেলা হয়।

**খুলিখেল (গাঁতা খলি / চেংগুটি)** ঃ গৰখীয়াসকলৰ মাজত জনপ্ৰিয় এই খেল খেলিবলৈ মাটিত পাঁচটা পাঁচটাকৈ সমানে দুশাৰী সৰু সৰু খুলি (গাঁতা) খান্দি, প্ৰতিটো খুলিত শিল গুটি নতুবা গছৰ গুটি (হাতী ভেকুৰীৰ গুটি) পাঁচটাকৈ ভগাই ল'ব লাগে।

সাধাৰণতে দুজন খেলুৱৈৰ দ্বাৰা খেলা এই খেলত প্ৰথমে এজনে নিজৰ ভাগৰ যিকোনো এটা গাঁতৰপৰা পাঁচটা গুটি তুলি নি আন আন গাঁতত দি যাওঁতে য'ত শেষ হয় তাৰ ওচৰৰ পৰা আকৌ পাঁচটা গুটি লৈ এটা এটাকৈ আনজনৰ ভাগৰ গাঁতত দি যাব লাগে। এইদৰে গুটি ভগাই থাকোঁতে এসময়ত যেনে তেনে এটা  খালী গাঁত পাব আৰু এই গাঁতটো চেৰাই ওচৰৰ গাঁতৰ গুটিকেইটা তেঁও পাব। আনজনেও একেদৰে গুটি ভগাই অন্য গুটি হাত কৰাৰ চেষ্টা চলাব। যদি সেইটো  গাঁতত গুটি নাথাকে তেন্তে তেঁও একো গুটি নাপাব। ৫,১০,১৫ টাকৈ বেছি পালে পাওঁতাই যথাক্ৰমে এটা, দুটা, তিনিটা গাঁত তেওঁৰ ফালে বন্ধ কৰি দিব। এইদৰে গুটি পাওঁতাই কম গুটি পোৱাজনে ভাগত ৩, ৪ বা ৫ টা গুটিহে পাবগৈ, ফলত আৰু তেওঁ হাৰিব। খেল আকৌ নতুনকৈ আৰম্ভ হ'ব।

**বাঘ-ঢাল (চক্ৰবেহু) ঃ** মাটিত, চিলটত নাইবা শিলত চাৰিটাকৈ সৰু সৰু বৰ্গক্ষেত্ৰই আগুৰা এটা বৃহৎ বৰ্গক্ষেত্ৰ আঁকি লৈ প্ৰতিটো ৰেখা সংযোগ কৰা আৰু  দুই বৃহৎ কৰ্ণ সংযোগ কৰা চক্ৰবেহুত (চিত্ৰত দেখুৱাৰ দৰে) এই খেল খেলা হয়। চক্ৰবেহুত অংকিত

পথেদি কেন্দ্রস্থানলৈ সোমাই বা ওলাই (মাজত এটা গুটিক জাঁপ মাৰি) দুটা ডাঙৰ গুটিৰে বাঘ হোৱা জনে চৌকাযে চাৰিটা বিন্দুত থকা পাঁচোটাকৈ গুটি (গৰু) খোৱাৰ




চক্রবেহু

বিধান দিয়া থাকে। এইদৰে খাওঁতে  খাওঁতে খেলুৱৈৰূপী গৰখীয়াৰ সুপৰিচালনাত শেষত বাঘটো জঁপিয়াই পাৰ হৈ যাব নোৱাৰা অৱস্থা পায় আৰু তেতিয়াই বাঘ হোৱাজন খেলত হাৰে। বাঘ হোৱাজনক জব্দ কৰিব নোৱাৰিলে গৰখীয়া হোৱাজন খেলত হাৰে।

**২) দলীয়ভাবে খেলা খেল ঃ** হাউগুদু (হৈ গুদু / কপাটি), গোল্লা (বুঢ়ী খেল) ঢোপ খেল, ঘাই পকোৱা খেল, পক (দৰীয়া বন্ধা খেল), কোমোৱা খেল, হাজামনি খেল, ৰচী টনা খেল, নাওখেল আদি এই শ্ৰেণীত পৰে। তলত এইবোৰ খেলৰ বিষয়ে কিছু আলোচনা দাঙি ধৰা হ'ল।

**হাউগুদু (হৈ গুদু / কপাটি) ঃ** চেমনীয়া বা ডেকাসকলৰ এদনীয়া এই খেলটো বৰ্তমান ছোৱালী বিলাকৰ মাজত জনপ্ৰিয় হ'বলৈ ধৰিছে। উশাহ বন্ধ কৰি  'হাউ গুদু - নুগুদু' বুলি চিঞৰি দৌৰা বাবে  ইয়াক গুদু, হাউ গুদু  বা হৈ গুদু নাম দিয়া হৈছে। ই বৰ্তমান কালৰ অতিশয় জনপ্ৰিয় কপাটি বা  কাবাদি খেলৰ পূৰ্বৰ ৰূপ।

এই খেলত পাঁচৰ পৰা দহজনীয়া দুটি দলে অংশ গ্ৰহণ কৰে। খেলপথাৰত এই দুই দলৰ মাজত এডাল ৰেখা টনা হয়। প্ৰথম দলৰ পৰা এজন এজনকৈ উশাহ নিছিগাকৈ 'হাউ' মাৰি বিপক্ষ দলক চুবলৈ খেদি যায়। যিসকল  চোৱে তেওঁ লোক মৰে  কিন্তু 'হাউ' মৰাজনক বিপক্ষ দলে উশাহ এৰালৈকে ধৰি ৰাখিব পাৰিলে 'হাউ' মৰাজনেহে মৰে। আনহাতে 'হাউ ' মৰাজন উশাহ বন্ধ অৱস্থাত মুকলি হ'ব পাৰিলে ধৰাকেইজন মৰে। এইদৰে পাল পাতি দলৰ প্ৰত্যেক গৰাকীয়ে হাউ মাৰি বিপক্ষক চুই মাৰিবলৈ প্ৰাণপণে চেষ্টা কৰে। এইদৰে যি পক্ষৰ খেলুৱৈ আনপক্ষতকৈ বেছিকৈ মৰে, সেই পক্ষ হাৰে আনটো

জিকে।

**গোল্লা (বুঢ়ী খেল) ঃ** এই খেলো গুদুখেলৰ দৰেই- মাত্ৰ ইয়াত 'হাউ' মৰা দলটো সীমাৰ ভিতৰতে এটা সৰু ঘেৰৰ কেন্দ্ৰত থাকে। ঘেৰৰ কেন্দ্ৰত বাওঁভৰিৰ গোৰোহা সুমুৱাই এজনে কেউদিশে ঘূৰিব পৰাকৈ থিয় হয়। তেওঁকে 'বুঢ়ী' বোলা হয়। দলৰ বাকী কেইজনে বুঢ়ীৰ হাতত লানি নিছিগাকৈ ইটোৱে সিটোৰ হাতত ধৰা-ধৰিকৈ ঘূৰি, এখন ভৰি দাঙি বিপক্ষৰ লোকক চুবলৈ যত্ন কৰে। চুব পৰাজন 'মৰে' যাক কেতিয়াবা 'বুঢ়ীৰ' হাতৰ পৰা এৰা পৰি 'হাউ' মাৰি বিপক্ষৰ লোকক চুই মাৰিবলৈ চেষ্টা কৰা হয়। চুবপাৰিলে বিপক্ষৰ লোক মৰে যদিও বিপক্ষই হাউ মৰাজনক উশাহ এৰালৈকে ধৰি ৰাখিব পাৰিলে হাউ মৰাজনহে মৰে। এইদৰে শেহত, যি পক্ষৰ লোক বেছিতৈ মৰে, সেই পক্ষ হাৰে। আন পক্ষ জিকে। একেদৰে বুঢ়ীয়ে ছেগ চাই হাউ মাৰি বিপক্ষৰ দলক চুই বা নুচুই খেল পথাৰৰ সীমা পাৰ হ'ব পাৰিলে তেওঁ 'পকে' আৰু তেওঁৰ দল জিকে।

**ঢোপ খেল ঃ** এই খেল পুৰুষ বা মহিলা উভয়ে খেলিব পাৰে। সাধাৰণতে মাঘ আৰু ব'হাগ বিহুত অতীজত এই খেল বহলভাবে খেলা হৈছিল। গামোচা বা ফটাকানিৰে মেৰিয়াই টোপোলা বান্ধি এফালে নেজৰ দৰে দীঘল কৰি ঢোপ সাজে। দুটা ফৈদ হৈ দলিয়া দলি কৰি এই খেল খেলা হয়।

**ঘাই পকোৱা খেল ঃ** ই কচুগুটি খেলৰে উন্নত সংস্কৰণ দহ-বাৰজনীয়া দুটা দলত বিভক্ত হৈ খেলুৱৈ সকলে মুখা-মুখিকৈ শাৰী পাতি বহি এই খেল খেলে। পিছফালে ৰখা প্ৰত্যেকৰে হাতে হাতে গুটি দিয়াৰ নিচিনাকৈ নিজ দলৰ ঘাইজনে যিদলক দেখুৱায় অথচ বিশেষ এজনৰ হাততহে গুটিটো দিয়ে। বিপক্ষ দলে সেই গুটি ধৰা লোকক চিনাক্ত কৰিব পাৰিলে জিকে অন্যথা হাৰে। ক'ব নোৱাৰিলে যাৰ হাতত আছে তেওঁ দীঘলকৈ এটা জাপ মাৰি আগুৱাবৰ নিয়ম থাকে। এইদৰে আগবাঢ়ি নিৰ্দিষ্ট লক্ষ্য পালেই জয়ী হয়।

**পক (দৰীয়া বন্ধা খেল) ঃ** এই খেল খেলিবলৈ আধুনিক খো খো খেলৰ লেখীয়াকৈ কৰ্ট বা খেলৰ ঘৰ (বেৰিয়া) সাজি ল'ব লাগে। বহু খেলুৱৈৰ মাজত অনুষ্ঠিত এই খেলত মাজৰ পথালি আঁচবোৰত এজন এজনকৈ এটা দলে আগচি থাকে আৰু আনটো দলে চুব নোৱাৰাকৈ ঘৰবোৰ পাৰ হৈ পুনৰ ঘূৰি আগৰ ঠাইলৈ আহিব লাগে। আহিব পাৰিলে পকে আৰু তেতিয়া দলটো জিকে।

**কোমোৰা খেল ঃ** দহ-বাৰজনমান ল'ৰা-ছোৱালীয়ে এটাৰ কঁকালৰ আনটোৱে ধৰি এডাল শিকলিৰ দৰে সাজে। প্ৰথমটোৱে এডাল খুঁটি বা গছত ভালদৰে ধৰি থাকে। বিপক্ষ দলে আহি 'ইৰিকটি মিৰিকটি বাঁহৰ শলা' -বুলি গীত গাই ইজনে সিজনে ধৰি থকা শিকলি চিঙিবলৈ যায়। এৰুৱাব পাৰিলে জিকে অন্যথা হাৰে। কোমোৰা ছিঙিবলৈ বুলি টিকাত চিকুটি মাৰি টু কুৰিয়াই বিপক্ষ দলক হাৰাশাস্তি কৰে।

**হাজামণি খেল ঃ** এই খেলত ল'ৰা - ছোৱালীবোৰ পথাৰত গোট খায় আৰু দুটা

দলত ভাগ হয়। জুমটোৰ ভিতৰত কিছু পৰিমাণে টেঙৰজনে গুৰিয়াল বা মহাজনৰ নেতৃত্ব লয়। তেওঁ দুই দলৰ মাজত থাকি দুটা গুটি দুয়োহাতত লৈ সকলোকে চকু মুদিবলৈ কৈ এটা গুটি দূৰলৈ দলিয়াই দিয়ে। দলিওৱাৰ পাছত 'হাজামণি গ'ল, বিচাৰিবৰ হ'ল' বুলি তিনিবাৰ চিঞৰি অইন সকলোকে চকু মেলি গুটি বিচাৰিবলৈ দিয়ে। গুটি পাঁওতাজনক একে দলৰবোৰে আগুৰি লৈ মহাজনৰ ওচৰলৈ দিবলৈ আহে আন দলে হেতা- ওপৰা লগায়। তেনেতে আৰু আনটো গুটি দলিয়াই দিয়ে বা বুধি কৰি হাতৰ চিপত ৰাখে। যিটো দলে দুটা গুটি এবাৰো দিব নোৱাৰে সেই দল হাৰে।

**ৰচী টনা খেল ঃ** প্ৰকাণ্ড ৰচী এডোখৰ দুফালে দুটা দলত বিভক্ত হৈ বল প্ৰয়োগ কৰি শক্তি পৰীক্ষা কৰে। যিটো দলে তিনিওবাৰে নিজৰ ফালে বিপক্ষৰ দলক টানি আনিব পাৰে তেওঁলোক জয়ী হয়। ৰাভাসকলৰ বায়খো পূজাৰ 'লেৱা টানা' এনে এবিধ লতা টনা-টনি কৰি বলপৰীক্ষা কৰা খেল।

**নাওখেল ঃ** অতীজৰে পৰা অসমত বিশেষে বিশেষে উৎসৱ-পাৰ্বনৰ দিনত সাধাৰণতে শৰৎ বা শীত কালত নৈ, বিল বা ডাঙৰ পখুৰীত(সাগৰ) নাওখেল অনুষ্ঠিত হয়। দুখন নাওত থকা এজন - দুজন বা ততোধিক সমানসংখ্যক নাৱৰীয়াৰ মাজত এই খেল হয়। নাওখেলৰ গীত গাই নাৱৰীয়া বা বাইচাসকলে প্ৰতিযোগিতাত ভাগ লয়। আহোম যুগত চ'ৰা নাও, পানচৈ নাও, বৰনাও আদিৰে এই খেল অনুষ্ঠিত হৈছিল। বৰপেটা, শুৱালকুছি আদি ঠাইত অতি আড়ম্বৰপূৰ্ণভাৱে এতিয়াও নাও খেল অনুষ্ঠিত হয়।

## ৮.৬ সাৰাংশ (Summing Up)

অসমত পৰম্পৰাগতভাৱে চলি অহা উৎসৱ-অনুষ্ঠান, খেল-ধেমালিসমূহে অৱসৰ-বিনোদন আৰু মানসিক পৰিতৃপ্তিৰ সৈতে সম্পৃক্ত হৈ থকাৰ লগতে বিশেষকৈ খেল-ধেমালিসমূহে শিশুৰ মনস্তাত্ত্বিক আৰু বুদ্ধিবৃত্তিৰ বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই বিভাগটিৰ জৰিয়তে অসমৰ জনসমাজত পৰম্পৰাগতভাৱে চলি অহা বিভিন্ন উৎসৱ-অনুষ্ঠান আৰু খেল-ধেমালিসমূহৰ বিভিন্ন শিতানসমূহ সামৰি সিবোৰৰ বিভিন্ন দিশসমূহৰ বিষয়ে পুংখানুপুংখভাৱে আলোচনা দাঙি ধৰা হৈছে।

## ৮.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অসমৰ পৰম্পৰাগত খেল কেইবিধমানৰ চমু পৰিচয় দিয়ক।

২) খেল-ধেমালিৰ সামাজিক প্ৰকাৰ্য সম্পৰ্কে এটি আলোচনা যুগুত কৰক।

৩) অসমৰ অৱসৰবিনোদনধৰ্মী খেল-ধেমালি সমূহৰ বিষয়ে বৰ্ণনা কৰক।

৪) প্ৰতিযোগিতামূলক খেল-ধেমালি মানে কি? অসমৰ পৰম্পৰাগত প্ৰতিযোগিতামূলক খেল-ধেমালিৰ বিষয়ে আলোচনা কৰক।

৫) চমুটোকা লিখক-

কণী যুঁজ, ম'হ যুঁজ, নাওখেল, কড়িখেল, হেতালি বা হাঁচতি, টাংগুটি

## ৮.৮ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


কাকতি, বাণীকান্ত : পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, ১৯৯৫

কাগয়ুং, ভৃগুমণি (সম্পা) : মিচিং সংস্কৃতিৰ আলেখ্য, ১৯৭০

গগৈ, লীলা : অসমৰ সংস্কৃতি, ১৯৮৬

(---) : টাই সংস্কৃতিৰ ৰূপৰেখা, ১৯৭১

গোস্বামী, প্ৰফুল্লদত্ত : অসমীয়া জনসাহিত্য, ১৯৮৬

(---) : বাৰ মাহৰ তেৰ গীত, ১৯৬২

চাত্তাৰ, আব্দুচ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি

তেৰাং, ৰংবং : সমন্বয় প্ৰবাহ, ১৯৮৯

দত্ত, বীৰেন্দ্ৰ নাথ (সম্পা) : চিফুং গুংগাং, ১৯৮৬

দাস, ভুবনমোহন (সম্পা) : অসমীয়া জাতিৰ ইতিবৃত্ত,

নাথ, ৰাজমোহন : গৌৰৱময় অসম, ১৯৪৯

নাৰ্জি, ভবেন : বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি, ১৯৬৬

নাথ, প্ৰফুল্ল কুমাৰ : অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা, ২০০৪

নেওগ, মহেশ্বৰ : পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, ১৯৬৬

পাদুন, নাহেন্দ্ৰ : অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি, ১৯৮৮

বৰদলৈ, নিৰ্মলপ্ৰভা : অসমৰ লোক-সংস্কৃতি, ১৯৭২

বৰুৱা, বিৰিঞ্চি কুমাৰ : অসমীয়া ভাষা আৰু সংস্কৃতি, ১৯৫৭

(---) : অসমৰ লোক সংস্কৃতি, ১৯৮৫

বৰুৱা, প্ৰহলাদ কুমাৰ (সম্পা): অসমীয়া লোক-সাহিত্য, ২০০১

ভট্টাচাৰ্য, প্ৰমোদচন্দ্ৰ (সম্পা) : অসমৰ লোক উৎসৱ, ১৯৬৯

(---) : অসমৰ জনজাতি, ১৯৬২

ৰাভা, ৰাজেন : ৰাভা জনজাতি, ১৯৭৪,

(---) : ৰাভা লোক গীত, ২০০১

ৰাভা হাকাচাম, উপেন : অসমৰ জনজাতীয় সংস্কৃতি, ২০০৫

(---) : ৰাভা লোক সংস্কৃতি, ২০০৬

ৰাভা, ধনঞ্জয় : ৰাভা জনজাতিৰ চমু ইতিহাস, ১৯৯৮

শৰ্মা, নবীন চন্দ্ৰ : অসমৰ লোকসংস্কৃতিৰ চমু আভাস, ১৯৯৫

শৰ্মা, শশী : অসমৰ লোক সাহিত্য, ১৯৯৩

শৰ্মা, হেমন্তকুমাৰ : অসমীয়া লোকগীতি সঞ্চয়ন, ১৯৭৮

শইকীয়া , ললিত কুমাৰ : সোণোৱাল কছাৰী সংস্কৃতি, ১৯৮১
সৰকাৰ, হৰিমোহন : ৰাভা সমাজ আৰু সংস্কৃতিৰ আভাস, ১৯৮১
সোণোৱাল, গগন চন্দ্ৰ : সোণোৱাল সাধু, ১৯৯৫
হাজৰিকা, অতুলচন্দ্ৰ : উৎসৱৰ ভোগজৰা, ১৯৬৫
(---) : উৎসৱৰ ৰংচ'ৰা, ১৯৬৩
হাজৰিকা, পৰীক্ষিত : চৰ্যাপদ, ১৯৯৯
হাজৰিকা, সূৰ্যকান্ত (সম্পা) : সংস্কৃতি সঞ্চয়ন, ১৯৮০
হাঞ্চে, ছামছিং : ছাবিন আলুন, ১৯৮৬
AIRTSC : Socio Economic Conditions of the Kaibartas of Assam, A Caste Study, 1994.
Ali, ANM Irsad : Adoptation among the Bodo Kachari, 1973
Anderson, J.D : Kachari Folktales, 1911 and Athparia, R.P
Buzarbarua. M : Social and cultural life of the Mishing of Assam, 1991
Bondapadhyay, P.K : The Tai Phakes of Assam, 1983
Baruah, H. : History and Culture of the Khasi People, 1969
Barkakati, S.N : Tribal Folktales, 1971
Baruah, H.C : Marriage customs of the people of Assam, 1895
Barua, B.K : A Cultural History of Assam, 1969
Barua, K.L : Early History of Kamrupa, 1966
Brahma, M.M : Folk song of the Bodos, 1966
Chetterjee, S.K : Kirat-Jana-Kriti, 1974
Choudhury, P.C : The History of Civilization of the People of Assam, 1966
Croke, William : The People Religion and Folklore of Northern India, 1978
Dorson, R.M : Folklore and Folklife : An Introduction,1972
Das, J : Folklore of Assamese , 1973
Dundes, Alen : Essays in Folkloristic, 1978
Dutta, B.N. (at. al., ed.) : A Handbook of Folklore Materials of North-East India, 1994
Dutta, K.N. (Ed) : Aspects of the Heritage of Assam 1959

Goswami, P. : Ballads and Tales of Assam, 1980
(---) : The Spring time Bihu of Assam, 1966
Kakati, B. : Visnuite Myths and legends, 1982
(---) : The Mother Goddess Kamakhya, 1967
Kabiraj, Gopinath : Some Aspects of the History and Doctrine of the Naths,
Mipun, J. : The Mishing (Miris) of Assam: Development of a new life-style,1992
Nath, Rajmohan : The Background of Assamese Culture, 1948
(---) : Pre-vedic Kamrup, 1958
Playfair, M.A. : The Garos, 1909
Rabha, Rajen : The Rabhas, 2002
Sen, Sipra : Tribes and Castes of Assam, 1999
Jylor, E.B : Primitive Culture, 1974
Vidyarathi, L.P : Art and Culture of North-East India, 1993

## নৱম বিভাগ

# অসমৰ লোক-চিকিৎসা আৰু লোক ঔষধ


৯.১ ভূমিকা (Introduction)

৯.২ উদ্দেশ্য (Objectives)

৯.৩ লোক চিকিৎসা

৯.৩.১ প্ৰাকৃতিক লোক চিকিৎসা

৯.৩.১ যাদুবিদ্যাগত ধৰ্মীয় লোক চিকিৎসা

৯.৪ অসমৰ লোক-চিকিৎসা আৰু লোক-ঔষধ

৯.৫ সাৰাংশ (Summing Up)

৯.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

৯.৭ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


## ৯.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিৰ বিষয়বস্তু আছিল অসমৰ লোকাচাৰ আৰু লোকবিশ্বাস। এই বিভাগটিত অসমৰ লোকচিকিৎসা আৰু লোক ঔষধৰ বিষয়ে আলোচনা কৰা হ'ব।

বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে মানুহৰ বেমাৰ-আজাৰৰ উৎপত্তি আৰু সেইবিলাকৰ নিৰাময় সম্পৰ্কে বিজ্ঞানসন্মতভাৱে চিন্তা-চৰ্চা কৰা হৈছে। বিজ্ঞানৰ অগ্ৰগতিৰ আগৰচোৰা কালত মানুহৰ বেমাৰৰ উৎপত্তি আৰু সেইবোৰৰ চিকিৎসা সম্পৰ্কে পৰম্পৰাগত ভাৱে চিন্তা কৰা হৈছিল। সমাজত পৰম্পৰাগতভাৱে বিভিন্ন অসুখৰ চিকিৎসা কৰা হৈছিল আৰু প্ৰকৃতিত পোৱা বিভিন্ন বয়-বস্তুক ঔষধ হিচাপে ব্যৱহাৰ কৰা হৈছিল। এই বিভাগটিত অসমীয়া সমাজ জীৱনত প্ৰচলিত পৰম্পৰাগত চিকিৎসা পদ্ধতি আৰু ৰোগ নিৰাময়ৰ বাবে ব্যৱহৃত লোকঔষধৰ বিষয়ে এটি সম্যক ধাৰণা দিয়াৰ প্ৰয়াস কৰা হৈছে।

## ৯.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ পিছত আপোনালোকে-

- লোক চিকিৎসা সম্বন্ধে ধাৰণা লাভ কৰিব পাৰিব,
- অসমৰ পৰম্পৰাগত চিকিৎসা পদ্ধতিৰ বিষয়ে পৰ্যালোচনা কৰিব পাৰিব,
- লোকচিকিৎসা পদ্ধতিত ব্যৱহৃত লোকঔষধ সম্পৰ্কে এটি ধাৰণা লাভ কৰিব পাৰিব।

## ৯.৩ লোক চিকিৎসা (Folk Medicine / Ethnomedicine)

লোক চিকিৎসা বুলিলে ৰোগ সম্পৰ্কিত সকলো বিশ্বাস , ৰীতি নীতি, ধ্যান-ধাৰণাৰ লগতে ৰোগ নিৰাময় আৰু আৰোগ্য বা প্ৰতিকাৰ অৰ্থে গ্ৰহণ কৰা বিবিধ ব্যৱস্থা আৰু দ্ৰব্য এই সমস্ত দিশ সামৰি লয়। অৱশ্যে আয়ুৰ্বেদ শাস্ত্ৰৰ এটা উপবিভাগ হিচাপে

আলোচ্য লোক-চিকিৎসা বিধিৰ পোনপটীয়াভাবে আধুনিক চিকিৎসা বিজ্ঞানৰ ধ্যান ধাৰণাৰ সৈতে সম্পৰ্ক নাই; ই পৰম্পৰাগত বা থলুৱা চিকিৎসাৰ আলোচনাহে।

মানৱ জীৱন আৰু সমাজৰ আৰম্ভণিৰেপৰা মানুহে নিজৰ আৰু পোহনীয়া জীৱ-জন্তুৰ ৰোগ নিৰায়মৰ ব্যৱস্থা কৰিবলগীয়া হৈছিল আৰু এইদৰে লোক- ঔষধ বা লোক - চিকিৎসা আৰম্ভ হৈছিল। প্ৰত্যেক মানৱ সমাজতে বিভিন্ন ব্যাধিৰ চিকিৎসাৰ বাবে বিভিন্ন প্ৰকাৰৰ উপায় অৱলম্বন কৰি আহিছে। এনেদৰে নিজ নিজ ধৰণে সমাজ ভেদে একোটা চিকিৎসা পদ্ধতি ঠন ধৰি উঠে।

বিংশ শতিকাৰ আৰম্ভণিতে নৃতত্ত্ববিদসকলে ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে পৃথিৱীৰ বিভিন্ন সমাজ আৰু সংস্কৃতিৰ সম্বন্ধে তথ্য সংগ্ৰহ কৰি ফুৰোঁতে বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত এইধৰণৰ লোক-চিকিৎসা কথা পোহৰলৈ আহে। প্ৰখ্যাত ইংৰাজ চিকিৎসক আৰু নৃতত্ত্ববিদ W.H.R, Rivers এ ১৯২৮ চনতে পোন প্ৰথমে পৰম্পৰাগত চিকিৎসাৰ বিষয়ে চিন্তা -চৰ্চা কৰে। ৰিভাৰ্চৰ মতে পৰম্পৰাগত চিকিৎসা-পদ্ধতিও আন আন সামাজিক নিয়মৰ দৰে যুক্তিসংগত আচৰণ। তেওঁলোকে এই কথাও জানিব পাৰিছিল যে আদিম চিকিৎসা পদ্ধতিৰ লগত অকল সাধাৰণ চিকিৎসা পদ্ধতিয়ে জড়িত নাথাকে তাৰ লগত ধৰ্ম আৰু যাদুবিদ্যাও অংগাংগীভাবে জড়িত থাকে।

লোক চিকিৎসা দুটা প্ৰধান ভাগত ভগাই আলোচনা কৰি পাৰি -

১) প্ৰাকৃতিক লোক চিকিৎসা

২) যাদুবিদ্যাগত ধৰ্মীয় লোকচিকিৎসা

**৯.৩.১ প্ৰাকৃতিক লোক চিকিৎসা**

প্ৰাকৃতিক লোক চিকিৎসা বনৌষধি আশ্ৰিত। গছ লতা- তৃণ আদিৰ পাত ফুল-মুকুল, ফল-ফুল, ছাল - শিপা, কাঁইট-সাৰ, আদিয়েই প্ৰাকৃতিক লোক-চিকিৎসাৰ মূল উপাদান। এইবিধ চিকিৎসা বা ঔষধৰ আন নাম যুক্তিপূৰ্ণ (Rational) ঔষধ, অথবা ভেষজ ঔষধ (Herbal medicine) আখ্যা দিয়া হয়। বিজ্ঞানসন্মত ঔষধ প্ৰস্তুতিত ভেষজ ঔষধ অৱদান অস্বীকাৰ কৰিব নোৱাৰি। আদা , হালধী, নিম, বেল, আমলখি, শিলিখা, ভৈৰা, অশোক, অপৰাজিতা, আম, অশ্বগন্ধা, অমৃত, কল, মধুৰীআম, তুলসী, বাহকা, আদি গছ-বিৰিখ, লতা- লতিকা, তৃণ-উদ্ভিদ আদিৰ পাত, ফুল, ফল, ডাল, শিপা আদিৰপৰা আধুনিক যুগত বিজ্ঞানসন্মত ঔষধ প্ৰস্তুত কৰা হৈছে। বদহজম, পিত্ত, ফিকা, ফুলা, উখহা, ঘাঁ, কটা-ছিঙা-ভঙা, অৰ্শ, প্ৰসূতিৰ ঘাঁ আদি ৰোগ নিৰাময়ৰ বাবে কেঁচা হালধি অতিকে প্ৰয়োজনীয়। তেনেদৰে পেটৰ অসুখ, বিহ-কুব (বিষ আৰু বিষৰ ক্ৰিয়া), টনছিলাইটিচ, ফেৰেঞ্জাইটিছ, লৰেঞ্জাইটিছ, পানী - লগা , জ্বৰ-কাঁহ, আদি বিবিধি ৰোগৰ চিকিৎসাৰ বাবে আদা অতিকে প্ৰয়োজনীয়। সেইদৰে অমৃতা বা অমিতা বা মধুফল পিত্ত, বদহজম, কোষ্ঠ-কাঠিন্য , অৰ্শ আদি ৰোগৰ মহৌষধ। এইদৰে বিভিন্ন ৰোগৰ ঔষধ স্বৰূপে বিভিন্ন

গছ-লতা-তৃণ আদিৰ পাত-শিপা, ডাল-ফুল আদি ব্যৱহাৰ কৰা হয়। অকল মানুহৰ ক্ষেত্ৰতেই নহয়, গৰু, ছাগলী, হাঁহ-পাৰ, ঘোঁৰা-গাধ, উট-ম'হ-হাতী, গাহৰি আদিৰ বিবিধ ৰোগৰ নিৰাময়ৰ বাবে বিভিন্ন প্ৰকাৰ বনৌষধি ব্যৱহাৰ কৰা হয়। *হস্তীবিদ্যাৰ্ণৱ* আৰু *ঘোঁৰা নিদান* নামৰ পুথিত যথাক্ৰমে হাতীৰ আৰু ঘোঁৰাৰ বিভিন্ন ৰোগৰ লক্ষণ আৰু তাৰ প্ৰতিকাৰ বা আৰোগ্যৰ বিধান দিয়া আছে।

### ৯.৩.১ যাদুবিদ্যাগত ধৰ্মীয় লোক চিকিৎসা

প্ৰাকৃতিক লোক চিকিৎসা যদি যুক্তিনিষ্ঠ, তেনেহ'লে যাদুবিদ্যাগত ধৰ্মীয় লোক চিকিৎসা বিশ্বাসনিষ্ঠ । কোনো ৰোগ ব্যাধিৰ উৎপত্তিৰ কাৰণ নিৰ্ণয় কৰিবলৈ গৈ পোনতে মঙল বা ঠিকনা চোওৱা হয় আৰু তাৰ প্ৰতিকাৰ বা আৰোগ্যৰ বিধান দিয়া আছে। ধান-মাহ-সৰিয়হ, আম, কঁঠাল, তামোল পাণ, ৰঙালাউ-কোমোৰা, অমিতা আদি বিভিন্ন পোকে খালে, ফল পচিবলৈ ধৰিলে নানা বিধান অৱলম্বন কৰা হয়। মঙল বা ঠিকনা চোওৱা মঙলতী বা সৰবজানে কড়ি বা ৰেখা আদিৰ সহায়ত অৰ্থাৎ যাদুমূলক আচৰণৰদ্বাৰা কোনজন দেৱতা বা কোনজনী দেৱীৰ, অথবা কোন অপদেৱতা বা অপদেৱীৰ যোগত ৰোগ-ব্যাধি হৈছে তাৰ নিৰ্ণয় কৰি সেই দেৱতাক বা দেৱীক বা অপদেৱতাক বা অপৰেৱীক পূজা-উপাসনা কৰিবলৈ নিৰ্দেশ দিয়ে। মনসা বা বিষহৰি, শীতলা কালী, দূৰ্গা, শিৱ-মহাদেউ, বাথৌ-শিব্ৰাই, বিষ্ণু আদি দেৱ-দেৱীৰ পূজা কৰা হয়। তেনেদৰে ৰোগৰ নিৰাময় কামনা কৰি বিভিন্ন অপদেৱতাক আৰু অপদেৱীক (দেও-ভূত-বীৰা) পূজা কৰাৰ পৰম্পৰা অসমৰ জাতি - জনজাতিৰ উভয়ৰে মাজত প্ৰচলিত। এই অপদেৱতা আৰু অপদেৱীৰ ভিতৰত কুবেৰ, জলকুবেৰ, থলকুবেৰ, খেতৰ, খেতৰী, মূৰাকণ , যখ, যখিনী আদি উল্লেখযোগ্য। Malevolent বা অপায় - অমঙ্গলবাৰী দেৱ-দেৱীৰ প্ৰধান্য জনজাতীয় সমাজতে বেছি।

লোক- চিকিৎসা আৰু লোক-ঔষধ পৰিসীমাত মন্ত্ৰ প্ৰয়োগ তাৎপৰ্য্যপূৰ্ণ। মন্ত্ৰ দুবিধঃ পূজা-উপাসনাত প্ৰয়োগ কৰা মন্ত্ৰ - প্ৰাৰ্থনা সূচক, আৰু ৰোগ-ব্যাধি নিৰায়মৰ বাবে প্ৰয়োগ কৰা স্তুতিমূলক আৰু ধম্‌কিসূচক। কিছুমান মন্ত্ৰৰ উদ্দেশ্য কল্যাণ কামনা আৰু কিছুমান মন্ত্ৰৰ উদ্দেশ্য অকল্যাণ কামনা মন্ত্ৰৰ সহায়ত ৰোগীৰ ৰোগ-ব্যাধি নিৰোগী মানুহ গালৈ প্ৰেৰণ কৰিব পাৰি। ডাইনী-ভুতুনী, যখ-যখিনী শাক- শাকিনী আদিৰ ধৰণা এইদৰে ৰোপিত হৈছে।

মন্ত্ৰ আৰু কিছুমান বিশেষ বিশেষ সমল বা বস্তুৰ সহায়তো অপকাৰী যাদু সম্পাদন কৰিব পাৰি। অসমৰ জন জাতিসকলৰ খেতিপথাৰত ছোঁ আৰি থোৱা আদি তেনে কিছুমান যাদুমূলক ধৰ্মীয় লোক চিকিৎসা।

**৯.৪ অসমৰ লোক-চিকিৎসা আৰু লোক-ঔষধ**

আপোনালোকৰ আটায়ে জানে যে একোটা জাতিৰ লোক সংস্কৃতিৰ স্বৰূপ প্ৰকাশিত হয় তেওঁলোকৰ লোক বিশ্বাস, লোকাচাৰ আৰু লোক সাহিত্যৰ মাজেদি। অসমৰ লোক - ঔষধ আৰু লোক-চিকিৎসা সম্পৰ্কীয় ভালেমান তথ্য লোক সাহিত্যৰ বুকুত পুঞ্জীভূত হৈ থকা লক্ষ্য কৰা যায়। বিশেষকৈ 'ডাকৰ বচন'ত বিভিন্ন ঔষধি উদ্ভিদৰ গুণাগুণ আৰু নানা যোগত তাৰ প্ৰয়োগ বিধি সম্পৰ্কে সুন্দৰ উল্লেখ পোৱা যায়। ডাকৰ বচনত উল্লেখ থকা বিভিন্ন উদ্ভিদৰ ঔষধি গুণৰ বিষয়ে বৰ্তমানে দৃষ্টিকোণৰ পৰা বিভিন্ন চিন্তা চৰ্চা গোৱাটো মনকৰিবলগীয়া। বিশেষকৈ তুলসী গছ আৰু বেলগছৰ ৰোগাৰোগ্য কৰাৰ বিষয়ে ডাকৰ বচনত এনেদৰে উল্লেখ কৰিছে --

কলিয়া তুলসী বেলৰ পাত।
মুঠাই সহিতে বটি পটাত।।
তপত কৰিয়া জননী খাইবো
তেবেসে নাড়ীয়ে দৃঢ়ক পাইবো।

তেনেদৰে ভেদাই লতাৰ গুণাগুণ সম্পৰ্কেও উল্লেখ কৰিছে।

ভেদালী লতাৰ শিফাতে আনি
কাথ কৰি লৈব তাৰ পানী
লোণ জালুক দি পাগিয়া খাইবো
তেবেসে নাড়ী সুখাই যাইবো।।

বৰ্তমানৰ আধুনিক চিকিৎসা বিজ্ঞানওে এইটো নিশ্চিত কৰিছে যে তুলসী গছৰ গুটি আৰু পাত, বেল পাত, ভেদাই লতা প্ৰভৃতি ঔষধি গুণযুক্ত উদ্ভিদ।

অসমীয়া সমাজত সিজুগছৰো প্ৰভাৰ অপৰিসীম। কাঁহ, বুকুৰ বিষ প্ৰভৃতি ৰোগ নিৰাময়ত সিজুৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ডাকৰ বচন কিছু সম্পৰ্কে লিখিছে-

গৃহ চাৰি চুকে দ্বাৰ মুখত
বচ সিজু বগৰি ৰুইব সবাত।।

সিজু গছে সৰ্প ভয় নাশ কৰাৰ লগতে ভূত-পিশাচৰ পৰাও ৰক্ষা কৰে বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে।

ডাকৰ বচনত আদা, জালুক, পিপলি প্ৰভৃতিৰ ঔষধি গুণৰ বিষয়ে উল্লেখ কৰি লিখিছে--

আদাৰে ভোজন শিলিখাৰে শুদ্ধি
তেখেতে লভিবা আয়ুস বৃদ্ধি।।
লোণ জালুকেৰে খুৱাবা জাল।
তেবে স্তন ৰস হৈবেক ভাল।।

আদা হজম কাৰক। সেইদৰে পিপলি  বাতবিষ, পক্ষাঘাত আদি ৰোগৰ লগতে বংকাইটিছ আৰু অন্যান্য ৰোগৰো মহৌষধি। ডাকৰ বচনত পেটৰ বিষ, অভোক, অৰুচি প্ৰভৃতি বিনাশৰ  বাবেও কেতবোৰ ঔষধৰ উল্লেখ কৰিছে -

ভোগজৰা পটৰীয়া তৰুমূল
বেলপাত খালে নাশ হয় শূল।
প্ৰভাত সময়ে খাইলে ইয়াক।
অৰুচিৰে নাশ বোলে ডাক।
ঘৃত গুড় তেন্তেলী লবন সমান।
অৰুচি নাশ কৰে ভাল কৰি জান।।

ডাকৰ বচনত ধনীয়া,পুৰণলতা প্ৰভৃতি উদ্ভিদৰ ঔষধি সম্পৰ্কেও উল্লেখ পোৰা যায় -

ধনীয়া পুৰণলতা তেজপাত
সমভাগে খুন্দি শিলাত
কাথ কৰিয়া ইয়াৰ পানী
মতা পীড়া জ্বৰ ধৰিব জানি।।

ধনিয়া, পূৰণলতি আৰু তেজপাত একত্ৰিত কৰি তাক খুন্দি নিয়মিতভাবে খালে জ্বৰ ইত্যাদি পীড়াৰ পৰা পৰিত্ৰাণ লাভ কৰিব পাৰি। আমলখিও ঔষধি উপযুক্ত আৰু ই ডায়েৰীয়া, ডিচেন্ট্ৰি আৰু এজমা ৰোগৰ মহৌষধি -

অমৰা আমলখি আমৰি লতা
উদফাই ৰোগক মাৰিব  গতা।

নহৰু আন এবিধ ঔষধি গুণযুক্ত সামগ্ৰী , যিবিধ ঘা শুকুৱাৰ বাবে ব্যৱহাৰ কৰা হয়, লগতে কাঁহ কফৰ নিৰায়মৰ বাবেও ইয়াৰ প্ৰয়োগ কৰা হয়। নহৰুৰ দৰে পিয়াজো বিভিন্ন ৰোগ উপশমৰ বাবে ব্যৱহাৰ কৰা হয়। বাতবিষ বিভিন্ন ৰোগ উপশমৰ বাবে ব্যৱহাৰ কৰা হয়। বাতবিষ; বদহজম, ৰক্তচাপ আদি বিভিন্ন ৰোগত নহৰুক ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়।

গাজৰৰ ৰসে স্মৃতিশক্তি আৰু দৃষ্টিশক্তি বৃদ্ধিত  সহায় কৰে। ব্ৰাহ্মী আৰু মানিমুণি শাক ঘিউত ভাজি খালে স্মৃতি শক্তি বৃদ্ধি হয়। মানিমুনি আৰু চেঙেৰী টেঙাৰ পাত চকুৰ ৰোগৰ বাবেও ব্যৱহাৰ কৰা হয়। বিশেষকৈ চকুত  চানিপৰা ৰোগত ইয়াৰ প্ৰয়োগে সৰ্বজন বিদিত।

লোক ঔষধি হিচাপে গৰুৰ গোবৰ আৰু গোমূত্ৰৰ ব্যৱহাৰ অতি প্ৰাচীন কালৰে পৰা হৈ আহিছে।

ভূত পিশাচ খেদাবৰ বাবেও গোবৰ আৰু গোমূত্ৰ ব্যৱহাৰ কৰা হয়। সাপৰ মোট আৰু বিষ ঔষধি হিচাপে ব্যৱহাৰ কৰা দেখা  যায়। আধুনিক চিকিৎসাতো সাপৰ বিষ ব্যৱহাৰ কৰি বিভিন্ন ৰোগ নিৰাময় কৰা হৈছে। ফেঁচাৰ মঙহ আৰু পাখি কামোদ্দীপক

ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়। লোক বিশ্বাস অনুসৰি কাম প্ৰৱণতা বৃদ্ধিৰ বাবে ঘৰচিৰিকা চৰাইৰ মঙহ ঘিউত ভাজি খোৱা হয়।

মোহিনী মন্ত্ৰত তামোল-পাণ, সৰিয়হ ইত্যাদি ব্যৱহাৰ কৰা দেখা যায়। সাধাৰণতে মন্ত্ৰৰ যোগেদি ৰোগ নিৰাময়ৰ ক্ষেত্ৰত জৰা ফুকা কৰোঁতে বিহলঙনি, সৰিয়হৰ তেল, পোৱামাটি ইত্যাদি ব্যৱহাৰ কৰা হয়।

তামোল-পাণৰ ঔষধি গুণ সম্পৰ্কে বিভিন্ন শাস্ত্ৰত উল্লেখ পোৱা যায়। বৃহৎ সংহিতাতো তামোলৰ গুণাগুণৰ বৰ্ণনা কৰা হৈছে।

মাছে চকুৰ দৃষ্টি শক্তি বৃদ্ধি কৰে। টোপনিত প্ৰস্ৰাৱ কৰা ল'ৰা - ছোৱালীক পাটিৰ মুতুৰা মাছ খুৱালে এই ৰোগ দূৰ হয় বুলি মানুহৰ বিশ্বাস। সেইদৰে কোনো কোনো ৰোগত পুথি আৰু  দৰিকণা মাছ দৰৰ হিচাপে ব্যৱহাৰ কৰে। ৰক্তহীনতা , শাৰীৰিক দুৰ্বলতা ইত্যাদি নিৰাময়ৰ বাবে শিঙিমাছৰ জোল খাবলৈ দিয়া হয়।

ছালৰ ৰোগ নিৰাময়ৰ বাবে মিঠাতেল, কেচা হালধি ইত্যাদি ব্যৱহাৰ কৰা হয়। চৰ্মৰ উজ্বলতা বৃদ্ধি আৰু অন্যান্য ৰোগ নাশৰ বাবে তেল হালধি সনা হয়।

ব'হাগ বিহুত সাত-শাক খোৱাৰ সৈতে ৰোগ নিবাৰণ আৰু সুস্বাস্থ্য লাভ  নিহিত হৈ আছে। লৰাতিতা, মহানিম, খাগৰা বা আগৰা, বিহুৰী পাত, আমৰ আগ, কচু, খুতুৰা, নৰসিংহ , কলা কচুৰ পাত, চমহা কচুৰ পাত ইত্যাদি সাত শাক খালে বিভিন্ন ৰোগৰ উপশম হয় বুলি বিশ্বাস কৰা হয়। ব'হাগ বিহুৰ দিনা নিমপাত আৰু মচুৰ দাইল চোবাই খালে সৰ্প দংশনৰ পৰা হাত সাৰিব পাৰি বুলি বিশ্বাস কৰা হয়।

নখচুকীয়া ৰোগৰ পৰা পৰিত্ৰাণ লাভ কৰিবৰ বাবে জেতুকা পাত ব্যৱহাৰ কৰা হয়। জেতুকাই ছালৰ সৌন্দৰ্য কৰাৰ লগতে বিভিন্ন ধৰণৰ চৰ্মৰোগ নাশ কৰে। চুলিৰ সৌন্দৰ্য বৃদ্ধিৰ বাবে নুনি পাত, ঔটেঙাৰ বীজ ইত্যাদি ব্যৱহাৰ কৰা হয়। নাৰিকলৰ তেল, নেমুটেঙা, কেঁচা পিয়াজৰ ৰস আদি উফি নিৰ্মূলৰ বাবে ব্যৱহাৰ কৰা দেখা যায়।

দাঁতৰ বিষ নিবাৰণৰ বাবে মহানিম গছৰ ছাল ব্যৱহাৰ কৰা হয়। বকুল গছৰ চালেৰে প্ৰস্তুত ৰসেৰে  মুখ কুলকুলিয়ালেও দাঁতৰ বিষ ভাল হয়।

লোক সাহিত্যত সুস্থ শৰীৰ লাভ কৰিবৰ বাবে বছৰটোৰে বিভিন্ন ঋতু মাহত কেনেদৰে খাদ্য গ্ৰহণ কৰা উচিত, সেই বিষয়ে উল্লেখ পোৱা যায়। ডাকৰ বচনত লিখিছে-

জেঠত দৈ আহাৰত খৈ। শাওনে মৰাপাট খাবা গৈ।
ভাদত ওল  আহিনত কল। কাতিত কচু বঢ়াই  বল।।
আঘোণত খাবা চৰাই।
পুহত পিঠা মাঘত কড়াই।।  ইত্যাদি

অসমীয়া  মন্ত্ৰ সাহিত্যতো বিভিন্ন ৰোগ নিৰ্মূলৰ বাবে ব্যৱহৃত লোক ঔষধ আৰু লোক বিশ্বাসৰ পৰিচয় ফুটি উঠিছে। ধৰণি মন্ত্ৰত আছে -

ধৰণি কটকট ধৰণি চাল
মোৰ ধৰণিৰ উপৰে বিষ নাই আৰ।।
নানা ধৰণি নানা জল।
বিষ নামি যা পাতালপুৰ।।
সেয়ে চাৰি বিষ উপৰে যাশ
আই পদ্মকুমাৰীৰ মাথা খাস।
ধৰণীবান্ধো ইঠা ধৰণী বান্ধো সিঠা।
ধৰণী বান্ধো চন্দ্ৰ সূৰ্য দুই - দেৱতা।।" ইত্যাদি।

সেইদৰে সুদৰ্শন মন্ত্ৰত আছে --

সৰস্বতী দেৱী আই মোৰ কণ্ঠগত
বৈকুণ্ঠ ভুৱনে ৰাখি আছে নাৰায়ণে।।
হাতৰ প্ৰকাশ কৰে চক্ৰ সুদৰ্শন।
জগতৰ সাখি প্ৰভু তুমি চক্ৰধাৰি
মনত গুনিলো প্ৰভু হেঠ মাথা চাৰি।
মনুষ্যক প্ৰভু ৰক্ষা কৰা যাই।" ইত্যাদি।

মন্ত্ৰৰ পৰিসৰ অতি ব্যাপক। সংস্কৃত, অসমীয়া আৰু জনজাতীয় ভাষাত বিবিধ মন্ত্ৰ পোৱা যায়, যিবোৰ বিভিন্ন ৰোগৰ চিকিৎসাৰ বাবে জনসাধাৰণৰ মাজত বহুযুগ ধৰি ব্যৱহৃত হৈ আহিছে। মন্ত্ৰবোৰৰ বিভিন্ন প্ৰকাৰৰ- প্ৰাৰ্থনা মন্ত্ৰ, ধৰ্মীয় কৃত্যৰ সৈতে জড়িত মন্ত্ৰ আৰু বিদ্যাৰ সৈতে জড়িত মন্ত্ৰ। ইয়াৰে শেষৰবিধ সাধাৰণতে ৰোগ ব্যাধি নিৰ্মূল কাৰ্যত প্ৰয়োগ কৰা হয়। প্ৰতিবিধ ৰোগ-ব্যাধিৰ সৈতে কোনো দেৱী বা দেৱতা জড়িত থকা বুলি বিশ্বাস কৰি তেনে দেৱী বা দেৱতাৰ সন্তুষ্টিৰ বাবে কিছুমান স্তুতিমূলক মন্ত্ৰ প্ৰয়োগ কৰা হয়। শীতলা ৰোগ নিৰ্মূলৰ বাবে শীতলা দেৱীক স্তুতি কৰা হয়। যেনে --

কি দিয়া পূজিম আই তোমাৰ চৰণে
আই তোমাৰ চৰণ।
পাতালত আছিলা আই নাগৰ পূজা খায়।
মনুষ্যক আসিলা আই পঠা পাৰ পায়।।
আদাইদি পূজিম আই এ মাটি আগে খায়।
নিমখেদি পূজিম আই এ পানী উঠি যায়।।

যাদুবিদ্যাৰে জড়িত আনবিধ মন্ত্ৰ হ'ল ধমক বা ধমকি প্ৰদান মন্ত্ৰ। প্ৰাৰ্থনামূলক মন্ত্ৰেৰে ৰোগ নিৰাময় সম্ভৱ নহ'লে ধমক বা ধমকি প্ৰদান মন্ত্ৰ প্ৰয়োগ কৰা হয়।

যাদুমন্ত্ৰ দুবিধ -- এবিধ কল্যাণকাৰী যাদু আৰু আনবিধ অকল্যাণকাৰী যাদু বা কুমন্ত্ৰ। কুমন্ত্ৰৰ ভিতৰত অভিচাৰ মন্ত্ৰ বেছি বিখ্যাত।

অসমীয়া মন্ত্ৰ সাহিত্যত যাদুমূলক মন্ত্ৰৰ পৰিসৰ অতি ব্যাপক। এনে মন্ত্ৰৰ ভিতৰত সৰ্বঢাক মন্ত্ৰ, কৰতি মন্ত্ৰ, নৰসিংহ মন্ত্ৰ, ক্ষেত্ৰপাল যাদু, পক্ষীৰাজ মন্ত্ৰ, শ্ৰীৰাম মন্ত্ৰ, মুখভঙা মন্ত্ৰ, বান্ধ মেলা মন্ত্ৰ, সৰ্পৰ ধৰণী মন্ত্ৰ, মোৰৰ মন্ত্ৰ, পিশাচ মন্ত্ৰ, জ্বৰৰ মন্ত্ৰ, বায়ু মন্ত্ৰ, বাঘৰমন্ত্ৰ, আহু মন্ত্ৰ, বিষৰ মন্ত্ৰ, মোহিনী মন্ত্ৰ আদিৰ উল্লেখ কৰিব পাৰি। মানুহৰ লগতে পশু-পক্ষীৰ ৰোগ নিৰাময়ৰ বাবেও মন্ত্ৰৰ প্ৰয়োগ দেখা যায়।

অসমত বসবাস কৰা বিভিন্ন জনজাতীয় লোক সকলৰ মাজতো বিভিন্ন মন্ত্ৰৰ ব্যৱহাৰ দেখা যায়। বড়ো, ৰাভা, ডিমাছা কাৰ্বি, মিছিং, তিৱা, দেউৰা, প্ৰভৃতি জনগোষ্ঠীৰ মন্ত্ৰসমূহ তেওঁলোকৰ নিজা ভাষাতেই ৰচিত হৈছে। বড়োসকলে দৌৰি, বেজ, ওঝা, কবিৰাজ আদিৰ যোগেদি এই মন্ত্ৰবোৰৰ বিভিন্ন ৰোগ নিৰাময় অপায়-অমংগল আদি বহিষ্কৰণত প্ৰয়োগ কৰি আহিছে।

মিছিং সমাজতো তিনিশ্ৰেণীৰ মন্ত্ৰৰ প্ৰচলন দেখা যায়। ইয়াৰ প্ৰথমবিধ ধৰ্মীয় কৃত্যৰে সৈতে জড়িত মন্ত্ৰ, যাক, 'আঃবাং নিঃতম' বুলি জনা যায়।

ৰোগ-ব্যাধি নিৰাময়ৰ বাবে প্ৰয়োগ কৰা মন্ত্ৰবোৰত তেনে ৰোগৰ অধিষ্ঠাতা দেৱতা বা দেৱীৰ উদ্দেশ্যে কুকুৰা , গাহৰি, কণী আদি আগবঢ়াই এই জাতীয় মন্ত্ৰ মাতি ৰোগীৰ আৰোগ্য কামনা কৰা হয়। আনবিধ মন্ত্ৰ হৈছে খেতি পথাৰ আৰু ঘৰচীয়া জীৱজন্তুৰ মঙ্গল কামনা কৰি আবৃত্তি কৰা মন্ত্ৰ। মিছিংসকলৰ দৰে ডিমাছাসকলৰ মাজতো অনুৰূপ তিনিপ্ৰকাৰৰ মন্ত্ৰৰ প্ৰচলন দেখা যায়। কাৰ্বিসকলে ৰোগ নিৰ্ণয়ৰ বাবে 'ল'দেপ' অৰ্থাৎ দেওধ্বনিৰ সহায়ত মঙ্গল চাই ৰোগ নিৰূপণ কৰে। ৰাভাসকলৰ মাজতো ৰোগ- ব্যাধি নিৰাময়ৰ বাবে মন্ত্ৰৰ সহায় লোৱা দেখা যায়।

লোক চিকিৎসাৰ ক্ষেত্ৰত মন্ত্ৰ, জাৰণ-মাৰণ ক্ৰিয়া, কুমন্ত্ৰ, যাদু, ভেলেকি আদিৰ লগে লগে বিভিন্ন লোক বিশ্বাস আৰু লোক চিকিৎসা পদ্ধতিয়ে যুগ যুগ ধৰি জনসাধাৰণৰ মাজত প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

**৯.৫ সাৰাংশ (Summing Up)**

সংস্কৃতি জাতীয় জীৱনৰ অভিজ্ঞতাৰ সৈতে গভীৰভাবে সম্পৰ্কিত আৰু জাতীয় জীৱনৰ বিভিন্ন উপলক্ষ্যৰ জনসাধাৰণৰ জীৱনৰ মৌলিক চাহিদা পূৰণৰ অৰ্থে জনসাধাৰণে যুগ যুগ ধৰি পালন কৰি অহা পৰম্পৰাগত ঐতিহ্য আৰু মূল্যবোধৰ ওপৰত ভিত্তি কৰিয়েই সংস্কৃতিয়ে গঢ় লৈ উঠে। বৈদিকযুগৰে পৰা আৰম্ভ কৰি বিভিন্ন মন্ত্ৰ আয়ুৰ্বেদ আদিৰ যোগেদি মন্ত্ৰজ আৰু ভেষজ প্ৰভৃতি বিবিধ চিকিৎসা পদ্ধতিয়ে ভাৰতীয় জনগৰ চিকিৎসা সম্পৰ্কীয় লোক বিশ্বাসৰ ভেটি টনকিয়াল কৰি আহিছে। চড়ক সুশ্ৰুত প্ৰভৃতিৰ লগে লগে বৈদ্যনাথ আদিৰ দ্বাৰা প্ৰদৰ্শিত চিকিৎসা বিদ্যাৰ দৰেই ডাকৰ বচন আৰু লোক সাহিত্যৰ বুকুত সঞ্জীৱিত হৈ থকা বিভিন্ন চিকিৎসা সম্পৰ্কীয় জ্ঞানৰ সম্ভেদে লোকজ্ঞান আৰু লোকপ্ৰজ্ঞাৰ মাজেদি গঢ় লৈ উঠা সাংস্কৃতিক উত্তৰাধিকাৰৰ বিষয়ে আমাৰ ধাৰণা বিকশাই তোলে।

ডাকৰ - বচনত উল্লিখিত বিভিন্ন বনৌষধিৰ চিকিৎসাৰ বিষয়ে উল্লেখিত তথ্যসমূহ আধুনিক বৈজ্ঞানিক গৱেষণাতো সত্য প্ৰমাণিত হৈছে। সেইদৰে মন্ত্ৰৰ যোগেদি আগবঢ়াই অহা চিকিৎসা পদ্ধতিৰ যোগেদি যি Spirit of vibration ৰ মাধ্যমত মনস্তাত্ত্বিক চিকিৎসা কৰা হৈছিল, ৰোগীৰ ওপৰত তাৰ প্ৰভাৱ কেনেভাবে পৰিছিল, সেয়া চিন্তাশীল বিষয় হ'লেও ই আছিল পৰম্পৰাগত বিশ্বাস আধাৰিত। মন্ত্ৰৰ বশীকৰণ, সন্মোহন, জাৰণ, মাৰণ প্ৰভৃতি ক্ৰিয়া আধুনিক দৃষ্টিৰ পৰা আশ্চৰ্য যেন লাগিলেও লোক- সংস্কৃতিৰ দিশৰ পৰা সেইবোৰৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। এনে বিশ্বাসক ভিত্তি কৰিয়েই মধ্যযুগত ভালেমান মন্ত্ৰ পুথি ৰচিত হৈছিল আৰু সেইবোৰৰ চৰ্চা হৈছিল। মুঠতে তান্ত্ৰিক, যৌগিক, আয়ুৰ্বেদিক ইত্যাদি বিভিন্ন পদ্ধতিৰ চিকিৎসাৰ ব্যৱস্থা অসমত আছিল আৰু পুৰণি সাহিত্যৰ বুকুত সেইবোৰ আজিও সঞ্জীৱিত হৈ আছে।

### ৯.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১) লোক চিকিৎসা মানে কি? বুজাই লিখা।

২) প্ৰাকৃতিক লোকচিকিৎসা আৰু যাদুবিদ্যাগত লোক চিকিৎসাৰ বিষয়ে বহলাই আলোচনা কৰা।

৩) অসমৰ লোক চিকিৎসা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

৪) ডাকৰ - বচনত লোক চিকিৎসাৰ আভাস কেনেদৰে পোৱা যায় লিখক।

৫) অসমৰ লোক চিকিৎসা পদ্ধতিত মন্ত্ৰৰ প্ৰভাৱ কেনে স্পষ্টকৈ লিখক।

৬) চমুটোকা লিখক।

মুখ লগা আৰু মুখ ভঙা, কেঁণা লগা আৰু কেঁণা ভঙা

### ৯.৭ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


| | | |
|---|---|---|
| কাকতি, বাণীকান্ত | : | পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, ১৯৯৫ |
| কাগয়ুং, ভৃগুমণি (সম্পা) | : | মিচিং সংস্কৃতিৰ আলেখ্য, ১৯৭০ |
| গগৈ, লীলা | : | অসমৰ সংস্কৃতি, ১৯৮৬ |
| (---) | : | টাই সংস্কৃতিৰ ৰূপৰেখা, ১৯৭১ |
| গোস্বামী, প্ৰফুল্লদত্ত | : | অসমীয়া জনসাহিত্য, ১৯৮৬ |
| (---) | : | বাৰ মাহৰ তেৰ গীত, ১৯৬২ |
| চাত্তাৰ, আব্দুচ | : | সংমিশ্ৰণত অসমীয়া সংস্কৃতি |
| তেৰাং, ৰংবং | : | সমন্বয় প্ৰবাহ, ১৯৮৯ |
| দত্ত, বীৰেন্দ্ৰ নাথ (সম্পা) | : | চিফুং গুংগাং, ১৯৮৬ |
| দাস, ভুবনমোহন (সম্পা) | : | অসমীয়া জাতিৰ ইতিবৃত্ত, |
| নাথ, ৰাজমোহন | : | গৌৰৱময় অসম, ১৯৪৯ |

নাৰ্জি, ভবেন : বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি, ১৯৬৬
নাথ, প্ৰফুল্ল কুমাৰ : অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা, ২০০৪
নেওগ, মহেশ্বৰ : পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, ১৯৬৬
পাদুন, নাহেন্দ্ৰ : অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি, ১৯৮৮
বৰদলৈ, নিৰ্মলপ্ৰভা : অসমৰ লোক-সংস্কৃতি, ১৯৭২
বৰুৱা, বিৰিঞ্চি কুমাৰ : অসমীয়া ভাষা আৰু সংস্কৃতি, ১৯৫৭
(---) : অসমৰ লোক সংস্কৃতি, ১৯৮৫
বৰুৱা, প্ৰহলাদ কুমাৰ (সম্পা): অসমীয়া লোক-সাহিত্য, ২০০১
ভট্টাচাৰ্য, প্ৰমোদচন্দ্ৰ (সম্পা) : অসমৰ লোক উৎসৱ, ১৯৬৯
(---) : অসমৰ জনজাতি, ১৯৬২
ৰাভা, ৰাজেন : ৰাভা জনজাতি, ১৯৭৪,
(---) : ৰাভা লোক গীত, ২০০১
ৰাভা হাকাচাম, উপেন : অসমৰ জনজাতীয় সংস্কৃতি, ২০০৫
(---) : ৰাভা লোক সংস্কৃতি, ২০০৬
ৰাভা, ধনঞ্জয় : ৰাভা জনজাতিৰ চমু ইতিহাস, ১৯৯৮
শৰ্মা, নবীন চন্দ্ৰ : অসমৰ লোকসংস্কৃতিৰ চমু আভাস, ১৯৯৫
শৰ্মা, শশী : অসমৰ লোক সাহিত্য, ১৯৯৩
শৰ্মা, হেমন্তকুমাৰ : অসমীয়া লোকগীতি সঞ্চয়ন, ১৯৭৮
শইকীয়া , ললিত কুমাৰ : সোণোৱাল কছাৰী সংস্কৃতি, ১৯৮১
স ৰকাৰ, হৰিমোহন : ৰাভা সমাজ আৰু সংস্কৃতিৰ আভাস, ১৯৮১
সোণোৱাল, গগন চন্দ্ৰ : সোণোৱাল সাধু, ১৯৯৫
হাজৰিকা, অতুলচন্দ্ৰ : উৎসৱৰ ভোগজৰা, ১৯৬৫
(---) : উৎসৱৰ ৰংচ'ৰা, ১৯৬৩
হাজৰিকা, পৰীক্ষিত : চৰ্যাপদ, ১৯৯৯
হাজৰিকা, সূৰ্যকান্ত (সম্পা) : সংস্কৃতি সঞ্চয়ন, ১৯৮০
হাঞ্চে, ছামছিং : ছাবিন আলুন, ১৯৮৬
AIRTSC : Socio Economic Conditions of the Kaibartas of Assam, A Caste Study, 1994.
Ali, ANM Irsad : Adoptation among the Bodo Kachari, 1973
Anderson, J.D : Kachari Folktales, 1911 and Athparia, R.P
Buzarbarua. M : Social and cultural life of the Mishing of Assam, 1991
Bondapadhyay, P.K : The Tai Phakes of Assam, 1983

Baruah, H. : History and Culture of the Khasi People, 1969

Barkakati, S.N : Tribal Folktales, 1971

Baruah, H.C : Marriage customs of the people of Assam, 1895

Barua, B.K : A Cultural History of Assam, 1969

Barua, K.L : Early History of Kamrupa, 1966

Brahma, M.M : Folk song of the Bodos, 1966

Chetterjee, S.K : Kirat-Jana-Kriti, 1974

Choudhury, P.C : The History of Civilization of the People of Assam, 1966

Croke, William : The People Religion and Folklore of Northern India, 1978

Dorson, R.M : Folklore and Folklife : An Introduction,1972

Das, J : Folklore of Assamese , 1973

Dundes, Alen : Essays in Folkloristic, 1978

Dutta, B.N. (at. al., ed.) : A Handbook of Folklore Materials of North-East India, 1994

Dutta, K.N. (Ed) : Aspects of the Heritage of Assam 1959

Goswami, P. : Ballads and Tales of Assam, 1980

(---) : The Spring time Bihu of Assam, 1966

Kakati, B. : Visnuite Myths and legends, 1982

(---) : The Mother Goddess Kamakhya, 1967

Kabiraj, Gopinath : Some Aspects of the History and Doctrine of the Naths,

Mipun, J. : The Mishing (Miris) of Assam: Development of a new life-style,1992

Nath, Rajmohan : The Background of Assamese Culture, 1948

(---) : Pre-vedic Kamrup, 1958

Playfair, M.A. : The Garos, 1909

Rabha, Rajen : The Rabhas, 2002

Sen, Sipra : Tribes and Castes of Assam, 1999

Jylor, E.B : Primitive Culture, 1974

Vidyarathi, L.P : Art and Culture of North-East India, 1993

প্ৰথম বিভাগ

## অসমৰ ভৌতিককলা ঃ লোকশিল্প আৰু লোককলা

**বিভাগৰ গঠন ঃ**

**১.১ ভূমিকা (Introduction)**

**১.২ উদ্দেশ্য (Objectives)**

**১.৩ লোকশিল্প**

**১.৩.১ মাটিৰ শিল্প**

**১.৩.২ বাঁহ-বেতৰ শিল্প**

**১.৩.৩ কাঠ আৰু কুঁহিলাৰ শিল্প**

**১.৩.৪ হাতী দাঁতৰ শিল্প**

**১.৩.৫ ধাতু শিল্প**

**১.৪ লোককলা (Folk Art)**

**১.৫ সাৰাংশ (Summing Up)**

**১.৬ আৰ্হি প্ৰশ্ন (Sample Questions)**

**১.৭ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)**

### ১.১ ভূমিকা (Introduction)

লোকসংস্কৃতিৰ এক অন্যতম অঙ্গ ভৌতিক কলা বা Material culture **লোকসাহিত্য, লোকাচাৰ** আৰু **লোকপৰিৱেশ্য** কলাৰ দৰেই ভৌতিক কলায়ো লোকসংস্কৃতিৰ এক বিস্তৃত দিশ আগুৰি আছে। ক'বলৈ গ'লে মানৱ জীৱনৰ যি মৌলিক প্ৰয়োজন তাত এই ভৌতিক কলাৰেই সৰ্বাধিক বৰঙণি পৰিলক্ষিত হয়। মানুহ জীয়াই থাকিবলৈ মুখ্যতঃ খাদ্য , বাসস্থান আৰু পোছাকৰ প্ৰয়োজন। এই তিনিওবিধ সম্পদেই এই ভৌতিক-কলাৰ ভিতৰুৱা। সেয়ে জীৱনৰ নান্দনিক অনুভূতিৰ কথা বাদ দিলেও প্ৰাথমিক প্ৰয়োজনতে ভৌতিক কলাক অস্বীকাৰ কৰাৰ উপায় নাই। লোকসংস্কৃতিৰ আন তিনিটা শাখা ( লোকসাহিত্য, লোকাচাৰ, লোকপৰিবেশ্য কলা)-তকৈ এই ভৌতিক কলাৰ লগত জীৱনৰ সম্পৰ্ক অতি গভীৰ। জীৱনৰ বিভিন্ন প্ৰসঙ্গত প্ৰয়োজন হোৱা এই ভৌতিক সংস্কৃতিক 'physical folklife' বুলিও কোৱা হৈছে। সাধাৰণতে খোৱা খাদ্য প্ৰস্তুতকৰণ, থাকিবলৈ ঘৰ দুৱাৰ নিৰ্মাণ, পিন্ধিবলৈ কাপোৰ-কানি বোৱাকে প্ৰমুখ্য কৰি দৈনন্দিন জীৱনৰ লগত জড়িত বিবিধ কৰ্মত প্ৰয়োজন হোৱা আচ-বাব তথা সা-সৰঞ্জাম নিৰ্মাণ কাৰ্যই এই ভৌতিক সংস্কৃতি বা physical folklife ক বুজায়। এই দিশসমূহক সাধাৰণতে নিম্নলিখিত ধৰণে ভাগ কৰিব পাৰি -

ক) লোকশিল্প (Folk Crafts)

খ) লোককলা (Folk Art)

গ) লোকস্থপতি (Folk Architecture)

ঘ) লোকৰন্ধন (Folk Cookery)

ঙ) লোক আভৰণ (Folk Costume)

হীৰাসকলে সাধাৰণতে অনা ধৰ্মীয় বস্তু যেনে মাটিৰ কলহ, টেকেলী, চৰু, মলা, ধপাত খোৰা চিলিম আদি তৈয়াৰ কৰে। মৃৎশিল্প অসমৰ আটাইতকৈ প্ৰাচীন শিল্প বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। ইতিমধ্যে অসমৰ বিভিন্ন ঠাইৰ খনন কাৰ্যত উদ্ধাৰ হোৱা পোৰামাটিৰ মূৰ্তিসমূহেই এইবিধ শিল্পৰ ঐতিহ্য বহন কৰে। অসমৰ ভালেমান ঠাইত উদ্ধাৰ হোৱা পোৰা মাটিৰ ফলকসমূহো এইক্ষেত্ৰত উল্লেখযোগ্য। অসমৰ কুমাৰ আৰু হীৰা সকলে সজা মাটিৰ পুতলাবিলাকৰ ভিতৰত দৰা-কইনা, পিঠিত মাউতেৰে সৈতে হাতী, মানুহৰ সৈতে ঘোঁৰা, চৰাই আৰু দোলা-পাল্কী উল্লেখযোগ্য। পুতলাবোৰ সাধাৰণতে উকা কেৱল চকু মুখতহে আঁক দিয়া হয়। পুতলাত বগা ৰং, খৰিমাটি আৰু চূণকে ব্যৱহাৰ কৰা হৈছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

মাটিশিল্পৰ লগত অসমৰ কোন কোন সম্প্ৰদায় জড়িত?

.....................................................................................................

.....................................................................................................

.....................................................................................................

## ১.৩.২ বাঁহ-বেতৰ শিল্প

অসমৰ লোকজীৱনত প্ৰচুৰ পৰিমাণে ব্যৱহৃত শিল্পসমূহৰ ভিতৰত বাঁহ-বেতেৰে নিৰ্মিত শিল্পই বিশেষ প্ৰাধান্য লাভ কৰি আহিছে। অসমৰ প্ৰায়বোৰ ঠাইতেই বাঁহেৰে নিৰ্মিত পাচি , খৰাহী, দুলি, ঢাৰি, মূঢ়া, খেতিকৰা সঁজুলি, মাছ ধৰা সঁজুলি, বাঁহৰ বিচনী, ফণি, ডলা, কুলা, দোণ, তুলা, চালনী, জপা, তাঁতশালৰ সঁজুলি, বিভিন্ন প্ৰকাৰৰ চুঙা আদি এইবোৰৰ ভিতৰত পৰে। অসমীয়া বাৢয়ে অতীতৰে পৰা বাঁহ -বেতেৰে জীৱন নিৰ্বাহৰ প্ৰয়োজনীয় অনেক সামগ্ৰী সাজি আহিছে। এই ক্ষেত্ৰত ভৈয়ামবাসী আৰু পৰ্বতীয়া জনজাতি উভয়ৰে অৰিহণা সমান বুলিব লাগিব। উল্লেখনীয় যে অসমৰ বাহিৰৰ মানুহে বাঁহৰ বাহিৰেও খেৰ আৰু গছৰ পাতেৰেও পাচি খৰাহী আদি তৈয়াৰ কৰে। কিন্তু অসমৰ মানুহে বাঁহ-বেতেৰেহে কামি বৈ তুলাই পাচি খৰাহী সাজে।

বাঁহ-বেতৰ সঁজুলি সমূহক প্ৰধানত দুভাগত ভগাব পাৰি। এবিধ গোৰোঙা আৰু আনবিধ বহল আৰু চেপেটা। গোৰোঙাবিধত নানাবিধ শস্য আদি সংৰক্ষণ কৰিব পাৰি। ডুলি, দোণ, জপা, পাচি, খৰাহী, কুলা, খোকা, খালৈ আদি এইশ্ৰেণীৰ সঁজুলি। আনহাতে ঢাৰি, বিচনী, কুলা ডলা, চালনী আদিক চেপেটা শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰি। আনহাতে আকৌ চেপেটা হ'লেও পাটী, কঠ আদি বাঁহেৰে সজা নহয়। এইবোৰ পাটী দৈ (পাটদৈয়া), মোঠা, মাদুৰীবন আদি তৃণজাতীয় উদ্ভিদেৰেহে সজা হয়। কেতিয়াবা আকৌ টঙা, বিৰিণা, টকৌপাত, তালপাত আদিৰেও ভালেমান সামগ্ৰী সজা দেখা যায়। এইবোৰৰ ভিতৰত টঙাৰ ধাৰি, বিৰিণাৰ টুপী, তালপাতৰ বিচনী আদি উল্লেখযোগ্য। টকৌপাতেৰে সাধাৰণতে জাপি সজা হয়। অৱশ্যে জাপি সাজোতে বাঁহ আৰু বেতৰো প্ৰয়োজন হয়। মাছমৰা কামত ব্যৱহাৰ কৰা সঁজুলিবোৰো বাঁহেৰে সজা। এই বোৰৰ ভিতৰত পল, জাকৈ, চেপা, ঠুহা, ডিঙৰা, বহা, জুলুকি, খালে আদি উল্লেখযোগ্য।

কাঠৰ শিল্পকলাৰ দৰেই ঠাইবিশেষে কুঁহিলাৰো ভালেমান শিল্পকলা সজা পৰম্পৰা আছে। এইক্ষেত্ৰত গোৱালপাৰা অঞ্চল বিশেষভাবে উল্লেখযোগ্য। পুতলাৰ পৰা আৰম্ভ কৰি দেৱ-দেৱীৰ মূৰ্ত্তি , মুখা, নৃত্যৰত নাচনী, দৈত্য-দানৱৰ প্ৰতিকৃতি আদিক কুঁহিলাৰ পৰা তৈয়াৰ কৰা হয়। গোৱালপাৰাৰ দৰেই বৰদোৱা সত্ৰতো কুঁহিলাৰে সজা পুতলা , কাছ আদি বিবিধ শিল্প পোৱা যায়।

কুঁহিলাৰ দৰেই কলপটুৱাৰপৰা সাজি উলিওৱা ভালেমান শিল্পও আছে। বিশেষকৈ ব্ৰাহ্মণসকলে পূজা-পাৰ্বণৰ প্ৰসঙ্গত সজা, দোনা, ধূপদানি, গছা আদি কলপটুৱাৰ পৰাই সাজি উলিয়ায়। আনহাতে আকৌ মনসা পূজাৰ প্ৰসঙ্গত কলপটুৱাৰ পৰা সজা 'মজু'ও এক উল্লেখনীয় শিল্পকলা।

**আত্মমূল্যায়ন প্ৰশ্ন**

কুঁহিলা শিল্পৰ লগত পুতলা নাচৰ সম্পৰ্ক বিচাৰ কৰক।

..........................................................................................

..........................................................................................

..........................................................................................

## ১.৩.৪ হাতী দাঁতৰ শিল্প

অসমৰ হাতী দাঁতৰ শিল্প পুৰণি কালৰ পৰাই পৰিচিত। আনকি ৰজা ভগদত্তই যুধিষ্ঠিৰলৈ পঠোৱা তৰোৱালৰ নালো হাতীদাঁতৰে আছিল বুলি উল্লেখ পোৱা গৈছে। তেনেকৈ ভাস্কৰ বৰ্মাইয়ো হৰ্যবৰ্দ্ধনলৈ হাতী দাঁতৰ কুণ্ডল আৰু গজমুকুতা পঠিয়াইছিল। অতীতৰে পৰা অসমত হাতীৰ দাঁতৰ ভালেমান শিল্প যে নিৰ্মাণ হৈছিল তাত সন্দেহ নাই। এইবোৰৰ ভিতৰত হাতীদাঁতৰ ফণী, আঙঠি, টেমা, তৰোৱালৰ নাল, সঁফুৰা, মূৰত মৰা শলা, লাঠি আদি উল্লেখযোগ্য। আউনিআটী সত্ৰত হাতীৰ দাঁতেৰে তৈয়াৰ কৰা পাটীখনো এইক্ষেত্ৰত বিশেষ ভাবে উল্লেখযোগ্য। এইখন কেতিয়া কোনে সাজিছিল জনা নাযায়। ই দীঘলে চাৰি ফুট আৰু বহলে তিনিফুটমান হ'ব। হাতী দাঁতৰ শিল্পৰ ক্ষেত্ৰত বৰপেটাৰ নাম সৰ্বজন বিদিত। এওঁলোকে হাতীদাঁতৰ দ্বাৰা দেৱ-দেৱীৰ মূৰ্ত্তি, জীৱজন্তুৰ মূৰ্ত্তি, শৰাই আদিও সাজিছিল। বৰ্তমান এই শিল্প বিলুপ্তৰ পথত।

## ১.৩.৫ ধাতু শিল্প

ধাতুৰে নিৰ্মিত শিল্প বুলি ক'লেই কাঁহ-পিতল, তাম, সোণ, ৰূপ আৰু লোৰ শিল্প সমূহক বুজায়। অসমত পুৰণি কালৰেপৰা উল্লিখিত ধাতু সমূহেৰে নিৰ্মিত শিল্পৰ প্ৰচলন লক্ষ্য কৰা যায়। স্থানীয় লোকসকলেই এসময়ত এই শিল্প সমূহ নিৰ্মাণত আগ ভাগ লৈছিল। এই ক্ষেত্ৰত কলিতাসকলৰ নাম বিশেষভাবে প্ৰণিধানযোগ্য। কঁহাৰ-কলিতাসকলে যেনেকৈ কাঁহৰ বাচন-বৰ্তন নিৰ্মাণ কৰিছিল তেনেকৈ কমাৰ-কলিতাসকলে লোৰ সা-সামগ্ৰীবোৰ প্ৰস্তুত কৰিছিল। কাঁহৰ শিল্পসমূহৰ ক্ষেত্ৰত কাঁহী, বাণকাঁহী, ফুলাম কাঁহী, বোছকাঁহী, পাণধোৱা, বৰকাঁহী, বেলা বা বেৰাকাঁহী (মাইহাং), বাটি (সৰুবাটি, বৰবাটি, বাণবাটি, হাতীখুজীয়া বাটি), লোটা, চৰিয়া, ঘটি, বটা আদি উল্লেখযোগ্য।

কৰো। দৰাচলতে প্ৰায় বেছিভাগ শিল্পতে এই লোককলাৰ ধৰ্ম অক্ষুন্ন থকা দেখা যায়। উদাহৰণ স্বৰূপে শিপিনীয়ে তাঁতশালত বৈ কাটি উলিওৱা গামোচাখন মূলতঃ শিল্প, বস্ত্ৰশিল্প। কিন্তু আকৌ সেই গামোচাতে থকা ধুনীয়া ফুলজালি আঁচুসূতা খিনিয়ে মনক আনন্দ দান কৰি কলাৰ প্ৰকাৰ্য সাধন কৰে। এনেধৰণে বিচাৰ কৰিলে প্ৰায়বোৰ শিল্পতে কলাৰ গুণ ধৰা পৰে বা ৰক্ষিত হোৱা দেখা যায়। তথাপি অসমৰ লোককলা বুলিলে সাঁচিপতীয়া পুথিৰ চিত্ৰ, নামঘৰ-গোঁসাইঘৰ, সত্ৰ আদিত থকা সিংহাসন, বিভিন্ন কাঠৰ মূৰ্ত্তি, দুৱাৰৰ চৌকাঠ আদিত খোদিত ভাস্কৰ্য আদিলৈ আঙুলিয়াব পাৰি।

## ১.৮ সাৰাংশ (Summing Up)

অসমৰ ভৌতিককলা বুলিলে লোকশিল্প, লোককলা, লোকস্থপতি, লোকৰন্ধন আৰু লোকআভৰণক সামৰি লয়। লোকশিল্পৰ অন্তৰ্গত বিভিন্ন দিশসমূহৰ ভিতৰত মৃৎ শিল্প, বাঁহ-বেতৰ শিল্প, কাঠ আৰু কুঁহিলাৰ শিল্প, হাতী দাঁতৰ শিল্প আৰু ধাতু শিল্প উল্লেখযোগ্য। লোককলা বুলিলে সাঁচিপতীয়া পুথিচিত্ৰ, নামঘৰ, গোঁসাইঘৰ, সত্ৰ আদিত থকা সিংহাসন, বিভিন্ন কাঠৰ মূৰ্ত্তি, ঘৰ-দুৱাৰ আদিত খোদিত বিভিন্ন ভাস্কৰ্যসমূহক উনুকিয়াব পাৰি।

## ১.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১) ভৌতিক-কলা বুলিলে কি বুজে? অসমৰ ভৌতিক-কলাৰ বৈশিষ্ট্য কি।

২) লোক-শিল্পই কোন কোন দিশক সামৰি লয়? পৰ্যালোচনা কৰক।

৩) অসমৰ লোক-কলা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

৪) অসমৰ মাটি শিল্প সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

৫) বাঁহ-বেতৰ শিল্পত অসমৰ লোকজীৱন কেনেদৰে সম্পৃক্ত হৈ আছে ফঁহিয়াই দেখুওৱাক।

৬) চমুটোকা লিখক—

ক) কাঠৰ শিল্প, খ) কুঁহিলা শিল্প, গ) পুতলানাচ, ঘ) হাতীদাঁতৰ শিল্প

খ) ধাতুৰ শিল্প, ঙ) কাঁহ-পিতল

## ১.১০ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)

অসমীয়া বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয় ঃ অসমৰ সংস্কৃতি সমীক্ষা
কেশৱানন্দ দেৱগোস্বামী ঃ সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা
বাণীকান্ত কাকতি ঃ পুৰণি অসমীয়া সাহিত্য
বিৰিঞ্চি কুমাৰ বৰুৱা ঃ অসমৰ লোক-সংস্কৃতি

## দ্বিতীয় অধ্যায়
## অসমৰ লোক-স্থপতি, লোকৰন্ধন আৰু লোক আভৰণ

**বিভাগৰ গঠন ঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ লোক-স্থপতি
২.৪ লোক-ৰন্ধন
২.৫ লোক-আভৰণ
২.৬ সাৰাংশ (Summing Up)
২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৮ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)

### ২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগত অসমৰ ভৌতিককলাৰ দুটা উল্লেখযোগ্য দিশ লোকশিল্প আৰু লোককলাৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত অসমৰ লোকস্থপতি, লোকৰন্ধন আৰু লোক আভৰণৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ব।

ভৌতিককলাৰ তিনিটা উল্লেখযোগ্য দিশ হ'ল লোকস্থপতি, লোকৰন্ধন আৰু লোক আভৰণ। মানুহৰ মৌলিক প্ৰয়োজন বাসস্থান, খাদ্য আৰু বস্ত্ৰ এই তিনিটা উপকৰণক আতধৰিয়ে এই তিনিবিধ কলাৰ জন্ম হৈছে। থাকিবলৈ ঘৰ-দুৱাৰ নিৰ্মাণ, খোৱা বস্তু প্ৰস্তুতকৰণ, পিন্ধিবলৈ কাপোৰ-কানি বোৱাকে প্ৰমুখ্য কৰি দৈনন্দিন জীৱনৰ লগত জড়িত বিবিধ কৰ্মত প্ৰয়োজন হোৱা এই সামগ্ৰীসমূহ প্ৰস্তুতকৰণৰ প্ৰক্ৰিয়াই ভৌতিককলাৰ এই দিশসমূহৰ উন্মেষ ঘটাইছিল।

### ২.২ উদ্দেশ্য (Objectives)

এই অধ্যায়টিৰ অধ্যয়নৰ অন্তত আপুনি-

- অসমৰ লোকস্থপতিৰ বিষয়ে এক সম্যক ধাৰণা লাভ কৰিব পাৰিব
- অসমৰ লোক- ৰন্ধন প্ৰণালী সম্বন্ধে বিশেষ পৰিচয় পাব পাৰিব
- অসমৰ লোক-আভৰণ সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব।

### ২.৩ লোক-স্থপতি (Folk Architecture)

অসমৰ লোকস্থপতি বা লোকস্থাপত্য বুলিলে সাধাৰণতে বাঁহ, বেত, ইকৰা, খেৰ আৰু কাঠেৰে সজা ঘৰ-দুৱাৰবোৰকে বুজায়। ইয়াৰ ভিতৰত ব্যক্তিগত ঘৰ-দুৱাৰ যেনেকৈ আছে তেনেকৈ ৰাজহুৱা ঘৰদুৱাৰো আছে। লোকজীৱন সাধাৰণতে কৃষিৰ লগত জড়িত। গতিকে খেতি-বাতি কৰা লোক হিচাপে থকা ঘৰৰ উপৰিও ভঁৰালঘৰ,

কথা। জাতি-বৰ্ণ নিৰ্বিশেষে অসমীয়া মানুহৰ ভাতেই প্ৰধান খাদ্য। ভাতৰ ভিতৰত আকৌ আৰৈ-অখুৰা চাউলৰ ভাতেই হ'ল মূল। ভাত ৰন্ধা চাউল বিভিন্ন প্ৰকাৰৰ ধানৰ পৰাই আহৰণ কৰা হয়। সেই ধানৰ ভিতৰত জহা, মাগুৰি, মালভোগ, শুৱাগমণি, শালি, শিয়ালনেজী ইত্যাদি। ৰন্ধা তপত ভাতৰ বাহিৰেও বাহী, পঁইতা, কৰ্কৰা বা জকৰা ভাতো খোৱাৰ পৰম্পৰা আছে।

অসমীয়া জা-জলপানো ধান চাউলৰ পৰাই প্ৰস্তুত কৰা হয়। এইবোৰৰ ভিতৰত চিৰা, মুৰি , মুৰিৰ লাড়ু, আখৈ, আখৈলাড়ু, সান্দহ, গোটকৰাই, ডেৱাভজা, পিঠাগুৰি, কোমল চাউল, বৰাচাউল আৰু পিঠাই প্ৰধান। বিভিন্ন প্ৰকাৰৰ পিঠাৰ ভিতৰত তিলদিয়া বা খোলাচপৰীয়া পিঠা, ঘিলাপিঠা, টেকেলী পিঠা, ফেণীপিঠা, পানীপিঠা, সুতলী পিঠা, লাওপিঠা, কলপিঠা, উৰহীয়া পিঠা, চুঙা পিঠা আদি উল্লেখযোগ্য। গাখীৰ তপতাই ঘন কৰি খীৰ আৰু খীৰৰ লাড়ু কৰা হয়। লোকজীৱনত পৰমান্নও উৎকৃষ্ট জলপান। পৰমান্নত গাখীৰ চেনীৰ লগতে কৰ্পূৰ, জাইফল আদি গন্ধ দ্ৰব্য দিয়া হয়। অন্যান্য জলপানো গাখীৰ, দৈ আদিৰ লগত খোৱাৰ পৰম্পৰা আছে। বিশেষকৈ কোমল চাউল বা বোকা জলপান আৰু পিঠাগুৰিৰ লগত গাখীৰ মিহলাই খোৱা হয়। গাখীৰ পিঠাগুৰি আঠীয়া কলেৰে কৰা লুথুৰি কেচুৱাৰ উৎকৃষ্ট খাদ্য হিচাপে বিবেচিত হৈ পৰিছে। তেনেদৰে কোমলচাউল, দৈ, জুলিয়া গুৰ (চুৰা) আদি বিয়া সবাহৰ তৃপ্তিকৰ জলপান।

জলপানৰ দৰেই ফলাহাৰো উৎকৃষ্ট খাদ্য। এইক্ষেত্ৰত নামঘৰত আগবঢ়োৱা মাহ-প্ৰসাদৰ কথা বিশেষ ভাবে উল্লেখ কৰিব পাৰি। উল্লেখনীয় যে অসমৰ দৰে অন্য ঠাইত পূজা-পাৰ্বণত মাহ প্ৰসাদৰ প্ৰচলন নাই। ভাতৰ লগত ব্যৱহৃত হোৱা ব্যঞ্জন বা আঞ্জা সমূহো উল্লেখযোগ্য। উপকৰণ আৰু ৰন্ধণ অনুযায়ী এইবোৰক টেঙা, তিতা, খাৰ এই তিনিপৰ্যায়ত ভগাব পাৰি। শাক-পাচলিৰ ভিতৰত লফা, চুকা, কচুশাক, খুতৰা, ঢেঁকীয়া, মাটিকাদুৰি, মধুসোলেং, টেঙামৰা , কলমৌ আদি টেঙাৰ আঞ্জাৰ ভিতৰত পৰে। এই পাচলিবোৰ ৰান্ধোতে ঔ, তেঁতেলী, জলপাই,, কৰ্দৈ, বগৰি, অথবা কৰ্জা, কেঁচা ঠেকেৰা আদিৰ ৰস দিয়া হয়। এইবোৰৰ লগত আকৌ বিধে বিধে মাছ দিয়াৰো নিয়ম আছে।

তিতা খোৱা অভ্যাসৰ পৰিচয় অসমীয়া মানুহৰ প্ৰাচীন ৰন্ধন প্ৰকৰণতে পোৱা যায়। সাধাৰণতে শোকোতা, তিতাফুল, দোৰোণফুল, শুকলতি, বেতগাজ, নৰসিংহ, তিতাকেৰেলা, হেলেচি, ভেকুৰি তিতা, শেৱালি ফুল আৰু পাত আদি তিতা পাচলি হিচাপে ব্যৱহাৰ কৰা হয়। খাৰৰ প্ৰতি অসমীয়া মানুহৰ আকৰ্ষণ ইমানেই বেছি যে , যাৰ বাবে নেকি ‘খাৰখোৱা অসমীয়া’ নামেই পাইছে। খাৰ সাধাৰণতে দুবিধ সৎখাৰ আৰু কলাখাৰ। দলনিত হোৱা শাকৰ পৰা সৎখাৰ তৈয়াৰ কৰা হয় আৰু কলগছৰ পৰা কলাখাৰ প্ৰস্তুত কৰা হয়। দুয়োবিধ খাৰ বিশেষ যত্নেৰে কাতি মাহতে প্ৰস্তুত কৰি জীয়াৰী-বোৱাৰীহঁতে সাঁচি ৰাখে। সৎখাৰ ছাই খাৰণিৰ দৰে সৰাই মাটিৰ চৰুত পগোৱাৰ দৰে পগাই কলহত ভৰাই থলে গুৰৰ দৰে গোট মাৰে। আগতে ইয়াক লোণৰ পৰিৱৰ্তে ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ উপৰিও আঠীয়া কলৰ বাকলি শুকুৱাই পুৰিও খাৰ কৰে। সাধাৰণতে মাটি মাহ, কোমোৰা আৰু বৰালিমাছৰ খাৰৰ ব্যঞ্জন গাঁৱলীয়া ভোজ-ভাতত বিশেষ প্ৰচলন লক্ষ্য কৰা যায়। পচলাও মূলতঃ খাৰ ব্যঞ্জন। মাটিমাহৰ আঞ্জা বা ব্যঞ্জন

অসমীয়া মানুহৰ সাজপাৰ লিঙ্গভেদে যেনেকৈ বেলেগ তেনেকৈ বয়স অনুযায়ীও ইয়াৰ পাৰ্থক্য আছে। অসমীয়া মানুহৰ অতীতৰে পৰা  পদমৰ্যাদা তথা বংশমৰ্যাদা অনুসৰিও সাজপাৰৰ ভিন্নতা নথকা নহয়। অতীত কালৰ পৰাই অসমীয়া সমাজৰ পুৰুষসকলে ধুতিকেই প্ৰধান বস্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। এই ধুতি পিন্ধাৰো ভালেমান ৰীতি আছে। ধুতিৰ পিছতেই পুৰুষৰ অন্য  এপদ বস্ত্ৰ হ'ল চাদৰ। তিৰোতাৰ সাজপাৰৰ ভিতৰত মেখেলা , ৰিহা আৰু চেলেং অন্যতম। মতামানুহৰ অৱশ্যে পাগুৰি মৰা পৰম্পৰাও নোহোৱা নহয়। আহোমৰ দিনত পুৰুষে এঙাচোলা, গোমচেঙৰ চোলা, চাটনৰ চোলা, নৰাচোলা, বুকুচোলা, মিৰ্জাই চোলা, মোগলাই চোলা আদিও পিন্ধিবলৈ ধৰে। অসমীয়া মানুহে সাধাৰণতে কঁপাহী, এড়ি মুগা আৰু পাটৰ কাপোৰেই ব্যৱহাৰ কৰে। অৱশ্যে আজিকালি ৰেচমী বা কলকাৰখানাত উৎপাদন কৰা অন্যান্য ৰাসায়নিক সূতাৰে নিৰ্মিত সাজপাৰ পৰিধান কৰা দেখা যায়। অতীতত অসমীয়া বোৱনীয়ে মতা তিৰোতা উভয়ৰে প্ৰয়োজনীয় সাজপাৰখিনি ঘৰতে বৈ কাটি লৈছিল। শালত একঠীয়া, গামোচা, চাদৰ, চেলেং, বৰকাপোৰ, তিয়নি, চুৰিয়া বা ধুতি আৰু ৰিহা-মেখেলা , চোলাকাপোৰ সকলো বোৱা হৈছিল। অসমীয়া শিপিনীৰ ফুলবছা এটা লেখত ল'বলগীয়া লোককলা। কপাহী কাপোৰত সাধাৰণতে ৰঙাসূতাৰ ফুল আৰু পাট কাপোৰত গুণাৰ ফুল বছা হয়। অজনজাতীয় শিপিনীসকলে কাপোৰত সচৰাচৰ লতা, ফুল, পাত, পখিলা, শৰাই, গছ, পশু-পক্ষী আদি বাছি উলিয়ায়। আনহাতে জনজাতীয় শিপিনীয়ে ৰেখা, ত্ৰিভূজ আদি নানা জ্যামিতিক চিত্ৰ তোলে। অৱশ্যে নগা শিপিনী সকলে জীৱ-জন্তুৰ প্ৰতিকৃতি কাপোৰত তোলাটো এইক্ষেত্ৰত ব্যতিক্ৰম।

আহোম স্বৰ্গদেউ  ৰুদ্ৰসিংহৰ দিনতে অসমীয়া সাজপাৰৰ মাজলৈ মোগলাই পোচাকৰ আমদানি হয়। অৱশ্যে এয়া কেৱল ৰজাঘৰীয়া তথা ডা-ডাঙৰীয়া পৰ্যায়তহে হৈছিল। সাধাৰণ প্ৰজাৰ মাজত অতীতৰ সাজপাৰেই চলি আছিল।

অসমৰ অতীতৰ কাপোৰ কানি ব্যৱহাৰৰো বিশেষ তাৎপৰ্য আছিল। বিশেষকৈ আহোম ৰজাৰ দিনত পাগিয়া ধুতি আৰু গাত লোৱা চেলেংখনে সমাজৰ কাড়ী পাইক বা ডাডাঙৰীয়াৰ সামাজিক স্থান নিৰ্ণয় কৰিছিল। যুঁজলৈ গ'লে কঁকালত টঙালি বান্ধি যোৱাৰ পৰম্পৰা আছিল। সাধাৰণ লোকে আঁঠুৰ তলে চুৰিয়া পিন্ধাৰ নিয়ম আছিল। পিন্ধোতাৰ সাজপাৰত হাত দিলে মান সন্মানতো হাত দিয়াৰ নিচিনা হয়। বিয়াই বাৰুৰে গুৰু ঘৰলৈ খনিয়া কাপোৰ , বৰকাপোৰ আগবঢ়োৱা দস্তুৰ। ব'হাগবিহুত বিহুৱান দিয়া ৰীতিও অদ্যাৱধি প্ৰচলিত। আহোমৰ দিনত একে নিশাই সূতা কাটি বৈ দিয়া কৱচ কাপোৰখন আহোমৰজাৰ দিনত যুঁ জত কৱচ স্বৰূপে ব্যৱহাৰ হৈছিল। অসমীয়া সমাজত সাজপাৰ মৰম আৰু মৰ্যাদাৰো প্ৰতীক। কাপোৰৰ লগত বিশেষ কছুমান ৰীতি নীতিও জড়িত হৈ আছে। অসমীয়া বোৱনীয়ে শালৰ প্ৰথম গামোচাখন এতিয়াও নামঘৰলৈ বুলি আগ কৰে। গুৰু ঘৰলৈকো সেইদৰে কাপোৰ জুতিৰ প্ৰথম চেলেং বা চাদৰখন আগ কৰা হয়। লোণদান সোণদানৰ দৰে অসমীয়া মানুহৰ বস্ত্ৰদানো এটা ডাঙৰ পৰম্পৰা। অসমীয়া শ্ৰাদ্ধাদিতো মান অনুসৰি খেলৰ মেধি, সাতোলাক বেলেগ বস্ত্ৰ দান দিয়া নিয়ম আছিল। অসমীয়া তিৰোতা মানুহৰ পাগঘৰৰ সাজ সাধাৰণতে ৰঙা আৰু আছুতীয়া।

বাজু ফোপোলা ভিতৰত লা বা বালি ভৰোৱা থাকে। তিৰোতাসকলে কঁকালত কৰধ্বনি পৰিধান কৰিছিল। কৰধ্বনি ৰূপৰ তিনিডাল বা চাৰিডাল হাৰেৰে গঁথা থাকে। অতীতত বিয়াৰ কইনাই এইপদ অলংকাৰ বৰকৈ ব্যৱহাৰ কৰা দেখা গৈছিল। তিৰোতাসকলে ভৰিত খাৰু আৰু পাজোপো পিন্ধা ব্যৱস্থা আছে। ভৰিৰ অলংকাৰবোৰ সাধাৰণতে ৰূপৰ। ভৰিৰ খাৰু ভৰিৰ সৰু গাঁঠিত পিন্ধা দেখা যায়। খাৰু পিন্ধি খোজ কাঢ়িলে জুনুকাৰ দৰে শব্দ হৈছিল। পাজোপক নামনিৰ ফালে পাইজেপ বোলে। ছটীয়া হাৰৰ খাৰু ভৰিৰ পতাত লিপিট খাই থকাকৈ পাজোপ সাজিছিল। পাজোপাৰ তলৰফালে সৰু সৰু ফোপোলা মণিৰ শাৰী থাকে। অসমীয়া মতা বা তিৰোতাই ভৰিৰ আঙুলিত আঙুঠি পিন্ধাৰ কথা শুনা নাযায়। অৱশ্যে বিশেষ প্ৰসঙ্গত দুই একে পিন্ধিছিল বুলি জনা যায়। ইয়াক উঝন্টি বা উজাল্টি বোলা হৈছিল। আজিকালি এই জাতীয় অলংকাৰৰ প্ৰয়োগ তথা পৰিধান কমি আহিছে। অসমীয়া অলংকাৰবোৰ মিহি আৰু নিমজ নহয় কাৰণে প্ৰায়ে বাহিৰৰ অলংকাৰৰ ব্যৱহাৰ কৰাও পৰিলক্ষিত হৈছে। ক'বলৈ গ'লে অসমীয়া অলংকাৰে আজি যাদুঘৰতহে স্থান পাইছেগৈ।

## ২.৬ সাৰাংশ (Summing Up)

অসমৰ ভৌতিককলা বুলিলে লোকশিল্প, লোককলা, লোকস্থপতি, লোকৰন্ধন আৰু লোকআভৰণক সামৰি লয়। অসমীয়া মানুহৰ বিভিন্ন খাদ্যব্যঞ্জণ, ৰন্ধনপ্ৰণালী ইত্যাদিক লোকৰন্ধনে সামৰি লয়। লোকস্থপতি বুলিলে বিভিন্ন ঘৰ-দুৱাৰ, মন্দিৰ-নামঘৰ আদিৰ নিৰ্মাণ প্ৰণালী আদিক বুজা যায়। অসমীয়া মানুহে ব্যৱহাৰ কৰা বিভিন্ন সাজ-পাৰ আৰু সৌন্দৰ্য্য চৰ্চাৰ বাবে ব্যৱহাৰ কৰা অয়-অলংকাৰৰ বিষয়ে লোকআভৰণ শিতানটোৰে সামৰি লৈছে। এই বিভাগটিত এই সকলোবোৰৰ বিষয়ে যথাসম্ভৱ পৰ্যালোচনা কৰা হৈছে।

## ২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অসমৰ লোক-স্থপতি সম্পৰ্কে এটি প্ৰৱন্ধ যুগুত কৰক।

২) অসমৰ পৰম্পৰাগত খাদ্য-ব্যৱস্থা আৰু ৰন্ধনপ্ৰণালী সম্পৰ্কে আলোচনা কৰক।

৩) অসমৰ পৰম্পৰাগত সাজ-পাৰৰ বিষয়ে এটি টোকা যুগুত কৰক।

৪) অসমীয়া মানুহে ব্যৱহাৰ কৰা অলংকাৰৰ বিষয়ে এটি নিৰন্ধ লিখক।

## ২.৮ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)

অসমীয়া বিভাগ,

গুৱাহাটী বিশ্ববিদ্যালয় ঃ অসমৰ সংস্কৃতি সমীক্ষা

কেশৱানন্দ দেৱগোস্বামী ঃ সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা

বাণীকান্ত কাকতি ঃ পুৰণি অসমীয়া সাহিত্য

বিৰিঞ্চি কুমাৰ বৰুৱা ঃ অসমৰ লোক-সংস্কৃতি

মহেশ্বৰ নেওগ ঃ পৱিত্ৰ অসম

## তৃতীয় বিভাগ

## অসমৰ স্থাপত্য আৰু ভাস্কৰ্য

**বিভাগৰ গঠন ঃ**

**৩.১ ভূমিকা (Introduction)**

**৩.২ উদ্দেশ্য (Objectives)**

**৩.৩ অসমত মন্দিৰ-স্থাপত্যৰ ইতিহাস**

**৩.৪ অসমত উদ্ধাৰ হোৱা মন্দিৰ-স্থাপত্য**

**৩.৫ অসমৰ মন্দিৰ-স্থাপত্যৰ নক্সা**

**৩.৬ সাৰাংশ (Summing Up)**

**৩.৭ আৰ্হি প্ৰশ্ন (Sample Questions)**

**৩.৮ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)**

### ৩.১ ভূমিকা (Introduction)

অসমৰ স্থাপত্যৰ নিৰ্দৰ্শন স্বৰূপে পুৰণি কালত নিৰ্মাণ কৰা মঠ-মন্দিৰসমূহকে বিবেচনা কৰা হয়। মঠ-মন্দিৰসমূহৰ লগতে বিভিন্ন ৰজাঘৰীয়া প্ৰাসাদ-দূৰ্গ আদিয়েও পুৰণি অসমৰ স্থাপত্যৰ নিদৰ্শন দাঙি ধৰে। সেই বিভিন্ন মঠ-মন্দিৰ তথা প্ৰাসাদ-দূৰ্গ আদিৰ গাত খোদিত কৰা বিভিন্ন মূৰ্ত্তি-নক্সা আদিয়ে পুৰণি অসমৰ ভাস্কৰ্যৰ নিদৰ্শন দাঙি ধৰে। এইবোৰৰ উপৰি বিভিন্ন শিলালেখবোৰতো বিভিন্ন ভাস্কৰ্যৰ নিদৰ্শন পোৱা যায়। এতিয়ালৈ যিবোৰ পুৰণি মন্দিৰৰ স্থাপত্য উদ্ধাৰ হৈছে সেইবোৰৰ পৰা প্ৰমাণিত হৈছে যে, ইয়াৰ ইতিহাস গুপ্তযুগৰ পৰা আছে। গুপ্তযুগৰ পৰা আহোম ৰাজত্বৰ আৰম্ভণিলৈকে অসমৰ স্থাপত্য কলাৰ মধ্যযুগ। এই সময়তো অসমৰ বিভিন্ন ঠাইত মঠ-মন্দিৰৰ লগতে প্ৰাসাদ, দুৰ্গ আদি নিৰ্মাণ কৰা হৈছিল। অৱশ্যে এইবোৰৰ বেছিভাগেই ভগ্নাৱশেষ অৱস্থাত সিঁচৰতি হৈ পৰি আছে।

### ৩.২ উদ্দেশ্য (Objectives)

এই অধ্যায়টিৰ অধ্যয়নৰ অন্তত আপুনি---

- অসমত মন্দিৰ স্থাপত্যৰ ইতিহাস সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব
- অসমত এতিয়ালৈকে উদ্ধাৰ হোৱা স্থাপত্যৰ নিদৰ্শন মন্দিৰ, ৰাজ-প্ৰাসাদ আদিৰ বিষয়ে জ্ঞাত হ'ব
- বিভিন্ন স্থাপত্যসমূহৰ নিৰ্মাণ কৌশল সম্পৰ্কে অৱগত হ'ব পাৰিব
- অসমৰ ভাস্কৰ্য সম্পৰ্কে পৰ্যালোচনা কৰিব পাৰিব।

### ৩.৩ অসমত মন্দিৰ-স্থাপত্যৰ ইতিহাস

অসমত মন্দিৰ নিৰ্মানৰ ইতিহাস যথেষ্ট প্ৰাচীন। অসমত মন্দিৰৰ ইতিহাস জানিবলৈ হ'লে আমি পোনতে অভিলেখ আৰু লিখিত বিৱৰণীসমূহ অধ্যয়ন কৰিব লাগিব। প্ৰসঙ্গত

যে এই তোৰণখনৰ ভাস্কৰ্য, খৃ. পঞ্চম আৰু ষষ্ঠ শতিকাত পাটলিপুত্ৰ আৰু বাৰাণসীত বিকাশ হোৱা ভাস্কৰ্যশৈলীৰ লগত সাদৃশ্য আছে।

খৃ. পঞ্চম-ষষ্ঠ শতাব্দীত ভাস্কৰ বৰ্মাৰ কোনোবা উপৰি পুৰুষে নিৰ্মাণ কৰা বুলি অনুমান কৰা তেজপুৰৰ দ পৰ্বতীয়াৰ মন্দিৰটো পূৰ্ণাঙ্গ আছিল বুলি উদ্ধাৰ হোৱা ভেটিৰ ভগ্নাৱশেষৰ পৰা জনা গৈছে। মন্দিৰৰ গৰ্ভগৃহ বা মণিকূট, মণ্ডপ আৰু অৰ্ধমণ্ডপ আৰু মুখমণ্ডপো আছিল বুলি ধাৰণা কৰা হৈছে। প্ৰত্নতত্ত্ববিদ ড° আৰ. ডি. বেনাৰ্জি, ড° ৰবীন দেৱ চৌধুৰী, ড° প্ৰদীপ শৰ্মা আদিৰ মতে দ পৰ্বতীয়াৰ এই মন্দিৰটো গুপ্তযুগৰ ইটাৰে নিৰ্মিত মন্দিৰ সমূহৰ ভিতৰতে প্ৰাচীনতম। দ পৰ্বতীয়াৰ দৰেই তেজপুৰৰ মাজ গাঁৱতো গুপ্তযুগৰ শেষৰ ফালে নিৰ্মিত আন এটি মন্দিৰৰ ভগ্নাৱশেষ উদ্ধাৰ হৈছে। এই ভগ্নাৱশেষত থকা শিৰপট্টীৰ ওপৰ অংশত পাঁচটা মন্দিৰৰ চানেকি আৰু চাৰিটা চৈত্য খিড়িকী অলংকৃত কৰা আছে। চৈত্য খিড়িকীৰ ভিতৰত আসনত থকা দেৱতাৰ মূৰ্ত্তিও পোৱা গৈছে। তেজপুৰৰ বামুণী পাহাৰ আৰু কাছাৰী নিৰ্মাণৰ সময়ত খনন কাৰ্যত উদ্ধাৰ হোৱা স্থাপত্য ভাস্কৰ্য সমূহেও মন্দিৰৰ ভগ্নাৱশেষৰ পৰিচয় দাঙি ধৰিছে। অসমৰ আটাইতকৈ উচ্চতম মন্দিৰটো তেজপুৰৰ কাছাৰী মৈদামতে অৱস্থিত আছিল বুলি প্ৰত্নতত্ত্ববিদ সকলে অনুমান কৰিছে। এই অনুমান মতে দুৱাৰৰ ওপৰত দহফুট তিনি ইঞ্চি দীঘল আৰু এফুট আঠ ইঞ্চি বহল চতি এদালৰ পৰা আৰু তলৰ দুৱাৰ দলিডালৰ পৰা দুৱাৰখন অতিকমেও পোন্ধৰফুট ওখ আৰু সেই মতে মাটিৰপৰা শিখৰলৈকে মন্দিৰৰ উচ্চতা কমেও এশফুট আছিল। এইটো সূৰ্য্য দেৱতাৰ মন্দিৰ আছিল বুলি ঠিৰাং কৰা হৈছে। মন্দিৰটোৰ নিৰ্মাণ কাল আনুমানিক ভাবে নৱমশতিকা। এই মন্দিৰৰ ভগ্নাৱশেষত অলেখ ভাস্কৰ্যৰ নিদৰ্শনো আৱিষ্কৃত হৈছে। ইয়াত খোদাই কৰা কেতবোৰ ফুল জালিৰ লগত উৰিষ্যাৰ ভাস্কৰ্যকলাৰ মিল মনকৰিবলগীয়া। তেজপুৰৰ বামুণী পাহাৰৰ ভগ্নাৱশেষবোৰৰ মাজত একেখন চোতালতে সাতোটা মন্দিৰ আছিল বুলি প্ৰত্নতত্ত্ববিদসকলে মত প্ৰকাশ কৰিছে। ইয়াৰে এটা মন্দিৰ অতিকায় আছিল বুলি কোৱা হৈছে। এই মন্দিৰ কেইটাৰ স্থাপত্যও অষ্টম-নৱম শতিকাৰ বুলি ধাৰণা কৰা হৈছে। তেজপুৰৰ স্থাপত্যৰ দৰেই ইয়াৰ পূবৰ বিহালী, বিশ্বনাথ, গমিৰি আদি আন ভালেমান ঠাইতো প্ৰাচীন স্থাপত্য ভাস্কৰ্য পোৱা গৈছে। এইবোৰেও যে মন্দিৰৰ ভগ্নাৱশেষৰ সাক্ষ্যকে দাঙি ধৰে তাক অনুমান কৰিব পাৰি। একেদৰে চাৰিদুৱাৰৰ স্থাপত্য-ভাস্কৰ্যও এই ক্ষেত্ৰত উল্লেখযোগ্য। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ এই অঞ্চলবোৰত প্ৰধানত শিৱ আৰু দেৱীৰ মন্দিৰ থকা বুলি ধাৰণা কৰা হৈছে। এই ক্ষেত্ৰত অৱশ্যে গহপুৰৰ সূৰ্য্যৰ মূৰ্ত্তি আৰু চাৰিদুৱাৰৰ বেণুগোপালৰ মূৰ্ত্তিয়েও বিশেষ তাৎপৰ্য বহন কৰিছে। বামুণী পাহাৰ, শিঙৰী, গোঁসাই জুৰি, মিকিৰাটি, ন-নাথ থান, ৰাজবাৰী, দেৱস্থান, কাৱৈমাৰী আদি আন ভালেমান ঠাইতো একেলগে মন্দিৰৰ ভেটি আছিল বুলি প্ৰত্নতত্ত্ববিদসকলে অনুমান কৰিছে। সেইবোৰত নৱগ্ৰহৰ প্ৰমাণ নাই যদিও ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ মূৰ্ত্তিৰ লগতে সূৰ্য্য আৰু আন কেইবাটাও গ্ৰহৰ মূৰ্ত্তি ভালেমান শিৰপট্টীত একেলগে পোৱা গৈছে। ইয়াৰ পৰা ধাৰণা কৰিব পাৰি যে, শিৱ, বিষ্ণু, সূৰ্য্য আৰু শক্তি আদি দেৱ-দেৱী সকলৰ লগত নৱগ্ৰহক কেইটিমান দিক্‌পাল বা জ্ঞান উপদেৱতাৰ নামতো মন্দিৰ নিৰ্মাণ কৰা হৈছিল।

তেজপুৰত ৰাজত্ব কৰা শালস্তম্ভ বংশৰ কোনো এগৰাকী ৰজাই শিলঘাটৰ এই কামাখ্যা মন্দিৰটো নির্মাণ কৰাইছিল।

নগাঁও জিলাৰ দৰেই শিৱসাগৰৰ দেওপানী আৰু নুমলিগড় অঞ্চলতো অনেক দেৱমন্দিৰৰ স্থাপত্য আছিল বুলি অনুমান কৰা হৈছে। নুমলিগড়ৰ শিৱদ'ল নৱম শতিকাৰ বুলি পণ্ডিত সকলে অনুমান কৰিছে। দেওপানীৰ দেৱীদ'লো এই সময়তে নির্মিত। নুমলিগড় মন্দিৰৰ উপৰিও দেৱ-দেৱী গন্ধৰ্ব-কিন্নৰ আদি সকলো প্ৰকাৰৰ মূৰ্ত্তি পোৱা গৈছে। তাৰে ভিতৰত এছটা শিলত থকা এলানি নাৰী মূৰ্ত্তিৰ ভাস্কৰ্যকলা অতি মনোৰম। স্ফীত বক্ষ সহ হাতত পদ্ম ধাৰণ কৰোঁতা, মূৰত কিৰিটি, কপালত তিলক লৈ স্মিতহাস্য সহকাৰে চাই কৰা এই মূৰ্ত্তি সমূহ উৰি যোৱা অপ্সৰী যেনহে লাগে। একেদৰে দেওপানীৰ চতুৰ্ভূজ বিষ্ণুমূৰ্ত্তি আৰু চণ্ডীৰূপা চতুৰ্ভূজা দুৰ্গাৰ মূৰ্ত্তিৰ কাৰুকাৰ্যও মনকৰিবলগীয়া।

মূৰ্ত্তি -ভাস্কৰ্য সমূহে যিহেতু দেৱ-দেৱীৰ মন্দিৰ স্থাপত্যৰ ইঙ্গিত বহন কৰে সেই ফালৰপৰা লক্ষ্য কৰি গোৱালপাৰা জিলাৰো ভালেমান ঠাই-বিশেষকৈ শ্ৰীসূৰ্য পাহাৰত আৱিষ্কৃত দুৰ্গা মূৰ্ত্তি , শিৱৰ মূৰ্ত্তি, মনসা দেৱীৰ মূৰ্ত্তি আদিয়েও সেই ঠাইত মন্দিৰৰ ভগ্নাৱশেষ থকাৰ ইঙ্গিত বহন কৰে। অসমৰ পূবপ্ৰান্তৰ শদিয়াত থকা তাম্ৰেশ্বৰী মন্দিৰৰ মূল ভাস্কৰ্য কেতিয়াবাই লোপ পালে যদিও ইয়াৰ ইতিহাসেই প্ৰমাণ কৰে পুৰণি অসমৰ মন্দিৰ স্থাপত্যত এই মন্দিৰটোৰো এক বিশেষ স্থান আছিল। যাহওক প্ৰাক্ আহোম যুগৰ পৰা উদ্ধাৰ হোৱা মন্দিৰ স্থাপত্যৰ ভগ্নাৱশেষ বোৰৰ পৰা মন্দিৰৰ নক্সা সমন্ধে প্ৰত্নতত্ত্ববিদসকলে কিছু আভাস আগবঢ়াইছে। তাৰ অংশ বিশেষ তলত দিয়া হ'ল।

### ৩.৫ অসমৰ মন্দিৰ-স্থাপত্যৰ নক্সা

অসমত উদ্ধাৰ হোৱা প্ৰাচীন মন্দিৰ স্থাপত্যৰ নক্সা সমূহ নিম্নলিখিত ধৰণৰ

ক) তোৰণ ঃ এই তোৰণ সমূহ মূল মন্দিৰৰ পৰা কিছু আঁতৰত মন্দিৰলৈ সোমোৱা পথত নির্মাণ কৰা হয়।

খ) মুখ্য দুৱাৰ ঃ মন্দিৰৰ প্ৰৱেশদ্বাৰ। এই প্ৰবেশ দ্বাৰত দুটা দ্বাৰ শাখাৰ সৈতে ওপৰত শিৰট্টী থাকে। দ পৰ্বতীয়া মন্দিৰৰ এনে মুখ্য দ্বাৰ উদ্ধাৰ হৈছে।

গ) মণ্ডপ বা নাটমন্দিৰ ঃ মন্দিৰৰ ভিতৰত সমবেত হোৱা কক্ষ।

ঘ) অন্তৰাল বা প্ৰৱেশ কক্ষ ঃ মণ্ডপৰ পৰা গৰ্ভগৃহলৈ সোমোৱা পথ বা কক্ষ।

ঙ) গৰ্ভগৃহ বা মণিকূট ঃ অসমত উদ্ধাৰ হোৱা মন্দিৰৰ ভেটিসমূহ লক্ষ্য কৰিলে দেখা যায় পূৰ্ণাঙ্গ মন্দিৰতকৈ মঠৰ সংখ্যা বেচি। মঠসমূহত অকল মাথোন গৰ্ভগৃহ বা মণিকূট আৰু গৰ্ভগৃহৰ সমুখত অন্তৰাল থাকে। তদুপৰি তেনে মঠবোৰত মাথোন এজন দেৱতাৰহে মূৰ্ত্তি থাকে।

গৰ্ভগৃহ হৈছে দেৱালয়ৰ মণিকূট। সাধাৰণতে চাৰিচুকীয়াকৈ সজোৱা এইটো মণ্ডপতকৈ তলত থাকে। গৰ্ভগৃহলৈ সাধাৰণতে খটখটিৰে নামি যাব লাগে। প্ৰায় ভাগ মন্দিৰৰ গৰ্ভগৃহটো দ বাবে তাত পানী জমা হৈ থাকে। কৈ থোৱা ভাল, অসমৰ প্ৰায়বোৰ মন্দিৰৰে এইটো এটা বৈশিষ্ট্য। মণ্ডপ আৰু গৰ্ভগৃহৰ মাজৰ পথটোৱেই অন্তৰাল। মন্দিৰবোৰৰ গৰ্ভ গৃহৰ ওপৰত বিভিন্ন ধৰণৰ শিখৰৰ সৈতে বিমান নির্মাণ কৰা দেখা

নির্দেশমতেই নির্মাণ কৰা হৈছিল। অৱশ্যে এই নির্মাণ কলাত এফালে যেনেকৈ গুপ্ত হিন্দু কলাশৈলীৰ প্ৰভাৱ পৰিছিল; আনফালে তেনেকৈ উৰিষ্যাকে প্ৰমুখ্য কৰি উত্তৰ ভাৰতীয় সাধাৰণ মঠবোৰতো সাদৃশ্য ধৰা পৰিছিল।

### ৩.৬ সাৰাংশ (Summing Up)

পুৰণি অসম বা প্ৰাগজ্যোতিষত গুপ্তযুগৰে পৰা অগণন মঠ-মন্দিৰ, ৰাজপ্ৰাসাদ-দূৰ্গ আদি নিৰ্মাণ কৰা প্ৰমাণ পোৱা যায়। বিভিন্ন সময়ৰ বিদেশী পৰ্যটকৰ টোকা, তাম্ৰশাসন, ধৰ্মীয় গ্ৰন্থ আদিয়ে এই বিষয়ে আমাক তথ্য দিয়ে। বিভিন্ন কাৰণত এইবোৰ অক্ষত অৱস্থাত থকা নাই যদিও এইবোৰৰ ধ্বংসাৱশেষে এই বিষয়ে আমাক এটা থূল-মূল ধাৰণা দিয়ে। এই ধ্বংসাৱশেষবোৰৰ পৰা এইবোৰৰ নিৰ্মাণ প্ৰণালী সম্পৰ্কে জানিব পাৰি। স্থাপত্যৰাজিৰ গাত খোদিত কৰা বিভিন্ন মূৰ্ত্তি, নক্সা আদিয়ে অসমৰ পৰম্পৰাগত ভাস্কৰ্যৰ নিদৰ্শন দাঙি ধৰে। এই বিভাগটিত পুৰণি অসমৰ স্থাপত্য-ভাস্কৰ্যৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে।

### ৩.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অসমৰ স্থাপত্যৰ ইতিহাস সম্পৰ্কে আলোচনা দাঙি ধৰক।

২) অসমৰ স্থাপত্যৰাজিৰ নিৰ্মাণত কি কি যুগৰ নিৰ্মাণ-শৈলীৰ প্ৰভাৱ আছে? চমুকৈ আলোচনা কৰক।

৩) বৰ্তমানলৈকে উদ্ধাৰ হোৱা অসমৰ মন্দিৰ-স্থাপত্যৰ বিষয়ে বহলাই লিখক।

৪) অসমৰ মন্দিৰ-স্থাপত্যৰ নক্সা - এই বিষয়ে প্ৰৱন্ধ যুগুত কৰক।

৫) পুৰণি অসমৰ ভাস্কৰ্যৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

### ৩.৮ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


অসম সাহিত্য সভা ঃ অসমীয়া জাতিৰ ইতিবৃত্ত, ১৯৭৪

(-----) ঃ বজালী দৰ্পণ (স্মৃতিগ্ৰন্থ), অসম সাহিত্য সভাৰ পাঠশালা অধিবেশন, পাঠশালা, ১৯৮৭

অসম কলেজ শিক্ষক সন্থা ঃ প্ৰাগজ্যোতি (স্মৃতি গ্ৰন্থ), সন্দিকৈ কলেজ অধিবেশন, ২০০০

ড° বাণীকান্ত কাকতি ঃ পুৰণি অসমীয়া সাহিত্য

ধৰণীকান্ত দেৱশৰ্মা ঃ কামাখ্যাতীৰ্থ

ড° মহেশ্বৰ নেওগ ঃ পৱিত্ৰ অসম

(-----) ঃ প্ৰাচ্য শাসনাৱলী

গুণাভিৰাম বৰুৱা ঃ আসাম বুৰঞ্জী

Dr. P.C Choudhury ঃ The History of civilisation of the people of Assam

Dr. S.N Sarma ঃ A Socio Economic and Cultural History of Medieval Assam

## চতুৰ্থ বিভাগ

## অসমৰ সাঁচিপতীয়া পুথি আৰু পুথি চিত্ৰ

**বিভাগৰ গঠন ঃ**

৪.১ ভূমিকা (Introduction)

৪.২ উদ্দেশ্য (Objectives)

৪.৩ অসমৰ সাঁচিপতীয়া পুথি

৪.৪ পুথি চিত্ৰ বা চিত্ৰকলা

৪.৫ সাৰাংশ (Summing Up)

৪.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

৪.৭ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)

### ৪.১ ভূমিকা (Introduction)

আপোনালোক আটায়ে জানে যে অসমৰ চিত্ৰকলাৰ ইতিহাস অতি পুৰণি। মহাভাৰতত দানৱবংশী ৰজা বাণৰ জীয়াৰী ঊষাৰ সখীয়েক চিত্ৰলেখাৰ চিত্ৰবিদ্যাত পাৰদৰ্শিতাৰ উল্লেখ পোৱা যায়। পাৰ্বতীৰ বৰ অনুসাৰে ঊষাই সপোনতে দিব্যকুমাৰ অনিৰুদ্ধক দেখা পায় আৰু চিত্ৰলেখাই সখীয়েকৰ অনুৰোধ ক্ৰমে ত্ৰিজগতৰ সকলো যক্ষ, ৰক্ষ, গন্ধৰ্ব কিন্নৰ, আৰু যাদৱ বীৰসকলৰ লগতে অনিৰুদ্ধকো আঁকি দেখুৱায় আৰু পিছত তেওঁৰ যোগেদিয়েই অনিৰুদ্ধক লাভ কৰিবলৈ সক্ষম হয়।

পুৰণি কামৰূপৰ ৰজা কুমাৰ ভাস্কৰবৰ্মাই সম্ৰাট হৰ্ষবৰ্দ্ধনৰ সৈতে মিত্ৰতা স্থাপনৰ বাবে পঠোৱা উপঢৌকনৰাজিৰ ভিতৰত কামৰূপী সংস্কৃতিৰ এখনি ৰঙীন পুথি চিত্ৰৰ উল্লেখ পোৱা যায়। অনুৰূপভাবে ভাস্কৰবৰ্মা প্ৰদত্ত নিধানপুৰ আৰু অন্যান্য তামৰ ফলিত ৰাজপ্ৰসাদৰ বিতোপন দেৱাল চিত্ৰৰ উল্লেখ পোৱা যায়। পৰৱৰ্তী শালস্তম্ভ আৰু পাল ৰাজবংশৰ ৰজাসকলেও বিভিন্ন মঠ মন্দিৰ আদিৰ নিৰ্মাণ কৰোঁতে বিভিন্ন ধৰণৰ বিতোপন দেৱাল চিত্ৰ অঙ্কন কৰাৰ উল্লেখ পোৱা যায়।

মধ্যযুগৰ অসমৰ সুদক্ষ কলাকাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে চিহ্নযাত্ৰা নিৰ্মাণৰ উদ্দেশ্যে সাত বৈকুণ্ঠৰ পট আঁকি অঙ্কীয়া ভাওনাৰ যোগেদি জনসাধাৰণৰ মন ভগৱৎমুখী কৰিলে। এইগৰাকী শিল্পী-কলাকাৰে কোঁচৰজা নৰনাৰায়ণক উপহাৰ দিয়া বৃন্দাৱনী বস্ত্ৰখনিয়ে শংকৰী যুগৰ চিত্ৰকলাৰ উৎকৃষ্টতাৰ নিদৰ্শন দাঙি ধৰে।

### ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটিৰ অধ্যয়নৰ অন্তত আপুনি---

- অসমৰ পুৰণি সাঁচিপতীয়া পুথিৰ ইতিহাস আৰু এইবোৰৰ প্ৰস্তুত কৰণ আৰু লেখন-পদ্ধতি সম্পৰ্কে অৱগত হ'ব পাৰিব
- বৰ্তমানে প্ৰাপ্ত বিভিন্ন সাঁচিপতীয়া পুথিবোৰৰ বিষয়ে জ্ঞাত হ'ব পাৰিব
- পুৰণি অসমৰ চিত্ৰকলা আৰু পুথিচিত্ৰ সম্পৰ্কে পৰ্যালোচনা কৰিব পাৰিব

উলিওৱা হয়। এতিয়া তাৰ ৰস বা আঠাবোৰ গুছাবলৈ এঘন্টা চেঁচাপানীত বুৰাই থোৱাৰ পিছত কটাৰীৰে ওপৰখন চাঁচি মিহি কৰা হয়। তাৰ পিছত আধা ঘন্টামান ৰ'দোৱাৰ পিছত যেতিয়া সি ভালকৈ শুকায়, তেতিয়া পোৰা ইটাৰে ওপৰখন ঘঁহা হয়। ইয়াৰ পিছত মাটিমাহৰ পৰা কৰা একপ্ৰকাৰ কৰাল বা মণ্ড ঘঁহা হয় আৰু হাইতাল সানি হালধীয়া কৰা হয়। হাইতাল সনাৰ পিছত আকৌ ৰ'দত শুকুওৱা হয় আৰু ঘঁহি ঘঁহি মাৰ্বল শিলৰ দৰে মিহি কৰি লোৱা হয়।

সাঁচিপাতৰ দৰেই পুথি লিখিবৰ বাবে ব্যৱহাৰ কৰা আনবিধ বস্তু হৈছে তুলাপাত। ইয়াৰ প্ৰস্তুত প্ৰণালীও সুকীয়া। সাধাৰণতে গুটি গুছোৱা কপাহৰ জোলা। ভাগৱত পুৰাণৰ যিটো স্কন্ধৰ পৰা 'চিত্ৰ ভাগৱত' সংকলন কৰা হৈছিল, সেইখন দৰাচলতে তুলাপাতত লিখিত আৰু নগাওঁ জিলাৰ বালিসত্ৰৰ পৰা উদ্ধাৰ কৰা পুথি। ড° নেওগে এই পুথিখনিত ৰাজপুত-মোগল চিত্ৰাঙ্কণ পদ্ধতিৰ প্ৰভাৱ লক্ষ্য কৰিছে। পঞ্চম শতিকাত উত্তৰ ভাৰতত বৈষ্ণৱ আন্দোলনে গঢ় লৈ উঠাৰ সময়তে ৰাজপুত মোগল চিত্ৰকলাই প্ৰাণ পাই উঠিছিল। যোড়শ শতিকাত - মোগল চিত্ৰশিল্পৰ বিকাশ ঘটে আৰু সপ্তদশ শতিকাত ই চৰম উৎকৰ্ষ লাভ কৰে। আহোম স্বৰ্গদেউ শিৱসিংহৰ পত্নী অম্বিকাদেৱীৰ পৃষ্ঠপোষকতাত দিলবৰ আৰু দোচাইয়ে 'হস্তী বিদ্যাৰ্ণৱ' পুথিৰ চিত্ৰ অঙ্কণ কৰে। গ্ৰন্থখনৰ লেখক সুকুমাৰ বৰকাঠ।

'হস্তী বিদ্যাৰ্ণৱ'ত ৰঙা, নীলা, সেউজীয়া, বগা, ক'লা গুলপীয়া, বেঙুনীয়া আৰু ছাই ৰঙৰ মুঠ ১৭১ খন ৰঙীন চিত্ৰ সন্নিবিষ্ট হৈছে। আহোম যুগৰ আন এখনি সচিত্ৰ পুথি হ'ল বৰৰজা ফুলেশ্বৰীৰ পৃষ্ঠপোষকতাত ৰচিত 'আনন্দলহৰী'। অনুৰূপভাবে শিৱসিংহ আৰু কুঁৱৰী ফুলেশ্বৰীৰ নিদেৰ্শক্ৰমে 'গীতগোবিন্দ' আৰু 'শঙ্খচূড় বধ' কাব্য, শিৱসিংহ আৰু অম্বিকাদেৱীৰ পৃষ্ঠপোষকতাত 'ধৰ্মপুৰাণ, ৰুদ্ৰসিংহৰ পৃষ্ঠপোষকতাত 'কল্কিপুৰাণ' আদি পুথিৰ সচিত্ৰ ৰূপ প্ৰদান কৰা হয়।

নগাঁৱৰ বালিসত্ৰৰ পৰা উদ্ধাৰ হোৱা দশস্কন্ধ ভাগৱতত মুঠ ২৫২ খনি চিত্ৰ সন্নিবিষ্ট হৈছে। পুথিখনিৰ ৰচনাকাল যোড়শ শতিকা বুলি অনুমান কৰা হৈছে। পুথিখনিৰ আৰম্ভণিতেই পৰম বৈষ্ণৱ শুকদেৱ আৰু মহাৰাজ পৰীক্ষিতৰ এখনি বিতপোন চিত্ৰ অঙ্কন কৰা হৈছে। ইয়াৰ বাহিৰেও কালীদমন, বস্ত্ৰহৰণ, ৰামলীলা, গোবৰ্দ্ধন ধাৰণ, নন্দৰ বৰুণালয় বৰ্ণন, সুদৰ্শন বিদ্যাধৰৰ শাপমুক্তি, শঙ্খচুড় বধ, নাৰদৰ আগমন, অক্ৰুৰৰ প্ৰত্যাৱৰ্তন, অপ্সৰা গন্ধৰ্বৰ নৃত্য-সঙ্গীতৰ সমাৰোহ, কংসবধ, বসুদেৱ দৈৱকীৰ বন্ধন মোচন, বিপ্ৰপুত্ৰ আনয়ন, উদ্ধৱৰ মথুৰালৈ প্ৰত্যাৱৰ্তন প্ৰভৃতি দৃশ্যসমূহ অতি সুন্দৰ আৰু চিত্তাকৰ্ষক। মাধৱদেৱৰ দ্বাৰা ৰচিত ৰত্নাৱলী পুথিত প্ৰথম পৃষ্ঠাৰ পৰা ১৪১ পৃষ্ঠালৈ মুঠ ১৯৪ খনি বিতোপন চিত্ৰ অঙ্কিত কৰা হৈছে। চিত্ৰসমূহ প্ৰধানকৈ ৰঙা, নীলা, বগা, হালধীয়া, ক'লা, গুলপীয়া, পাতল নীলা আৰু ঈষৎ সেউজীয়া ৰঙেৰে সুন্দৰ আৰু অৰ্থব্যঞ্জকভাবে অঙ্কিত কৰা হৈছে। ইয়াৰ বাহিৰেও নিত্যানন্দ কায়স্থৰ 'শ্ৰীভাগৱৎ-মৎস-চৰিত', দিনজয় সত্ৰৰ 'বিষ্ণুৰ দশাৱতাৰ'ৰ ছবি, বাৰেঘৰ সত্ৰৰ ৰামানন্দ কায়স্থৰ 'কুমাৰ হৰণ' শুৱালকুছিৰ শ্ৰীশ্ৰীঈশ্বৰহাটী সত্ৰত থকা 'সচিত্ৰ কীৰ্ত্তন' আৰু অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা সচিত্ৰ সাঁচিপতীয়া পুথিসমূহে অসমৰ চিত্ৰকলাৰ সমৃদ্ধ ৰূপটোৰ কথা উপলব্ধি কৰাত

শুকাই কৰ্কৰীয়া হ'লে খাৰণিৰ খাৰ কাঢ়ি বাকলিবোৰ আকৌ শুকুৱাব লাগে। তাৰ পিছত সেইবোৰ পুথিৰ জোখমতে কাটি, চেঁচুৰে চাঁচি চাঁচি, বাকলিৰ নিকৰিবোৰ পেলাই দিব লাগে। ঝাও (শিল) মাৰি পাতবোৰ মিহি কৰি আকৌ শুকুৱাব লাগে। এইবেলি পাতখিনি হেঁচাদি থব লাগে। তাৰপিছত ঘিলা মাৰি সমান কৰি মাটিমাহৰ ৰসেৰে বোলাই হাইতাল ঘহিব লাগে। ঘঁহা হৈ গ'লে পাতবোৰ জাপি-জুপি কুটনীৰে জুখি, মাজতে বিন্ধা এটা দিয়া হয়। এই বিন্ধাটোক পুথিৰ 'নাভি' বা 'নাই' বোলে। নাইটোত জৰী সুমুৱাই পুথিখন কটকটীয়াকৈ বান্ধি থব পৰি।"

সাঁচিপাতসমূহত লেকেচীয়া বাঁহৰ বা ঢেকীয়াৰ নাইবা খাগৰিৰ কাপেৰে লেখা হৈছিল। লেখিবৰ বাবে ঘৰুৱাভাবে মহী বা চিঞাহী প্ৰস্তুত কৰা হৈছিল। তাৰবাবে চৰুছাই বা বৰাচাউলৰ ছাই, কেহেৰাজৰ ৰস, কলাকচুৰ, গৰুমূত, শিলিখা, আমছাল, জামছাল-- ইত্যাদি একেলগ কৰি সিজাই মাটিৰ চৰু এটাত থৈ তাৰ পৰা মহী প্ৰস্তুত কৰা হৈছিল। পুৰণি কামৰূপৰ সাঁচিপতীয়া পুথিসমূহ লিখিবৰ বাবে লিখক বা লেখাৰু নিয়োগ কৰা হৈছিল। লেখাৰুসকলে পোন পোন শাৰীৰ নিমজ আখৰেৰে অতি পৰিশ্ৰম কৰি এই পুথিসমূহ লিখিছিল। আহোম আৰু কোচৰজাসকলে পুথিলেখা লেখাৰু আৰু চিত্ৰ অঁকা খনিকৰসকলক পৃষ্ঠপোষকতা প্ৰদান কৰাৰ কথা ইতিহাসসন্মত। অসমীয়া মানুহে পুৰণি সাঁচিপতীয়া আৰু তুলাপতীয়া পুথিসমূহ অতি শ্ৰদ্ধা আৰু ভক্তি সহকাৰে সংৰক্ষণ কৰি ৰাখিছিল। অৱশ্যে বিভিন্ন ৰাজনৈতিক বিপ্লৱ, প্ৰাকৃতিক দুৰ্যোগ, কীট-পতঙ্গৰ আক্ৰমণ ইত্যাদি কাৰণত ভালেমান পুথি কালৰ বুকুত লয় পালে। মানুহৰ অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বাবেও পুথি নষ্ট হৈছে। তথাপিও পুৰণি অসমীয়া সাহিত্যৰ ভালেমান সম্পদ অসমৰ সত্ৰ, নামঘৰ, ব্যক্তিগত উপাসনা গৃহ, দেৱগৃহ আদিত সংৰক্ষিত হৈ আছে। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, কামৰূপ অনুসন্ধান সমিতি, ৰাজ্যিক সংগ্ৰাহালয়, গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰ, নলবাৰীৰ পূৰ্বভাৰতী ইত্যাদি বিভিন্ন শিক্ষাসদী অনুষ্ঠানত ভালেমান পুথি সংৰক্ষিত হৈ আছে। বৰ্তমান ভাৰত চৰকাৰে দুষ্প্ৰাপ্য পুথিসমূহৰ জৰীপ আৰু সংগ্ৰহৰ কাম আৰম্ভ কৰিছে। এনে কাৰ্যৰ যোগেদি অসমৰ সাঁচিপতীয়া পুথি আৰু পুথিচিত্ৰৰ বিষয়ে ভালেখিনি কথা পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

## ৪.৪ পুথি চিত্ৰ বা চিত্ৰকলা

আমি ইতিমধ্যে আলোচনা কৰিছোঁ আৰু আপোনালোকেও জানে যে অসমৰ নৱবৈষ্ণৱ জাগৰণৰ অন্যতম প্ৰকাশ হ'ল 'চিত্ৰকলা' । ভাওনাৰ আয়োজন কৰোতে পটচিত্ৰ অংকন কৰা বা তুলাপাতত সাত বৈকুণ্ঠৰ চিত্ৰ অঁকাৰ কথা গুৰু চৰিতত আপোনালোকে নিশ্চয় লক্ষ্য কৰিছেই। পৰবৰ্তী কালতো নৰনাৰায়ণ ৰজাৰ ৰাজসভা আৰু বৃন্দাৱনীবস্ত্ৰ নিৰ্মাণ আদি প্ৰসংগত চিত্ৰ ৰচনাৰ কথাও চৰিত পুথিত আছে। নামঘৰ নিৰ্মাণ কৌশলৰ বিভিন্ন স্তৰতো চিত্ৰকলাৰ প্ৰয়োগৰ কথা আপোনালোকে জানে। এই যুগটোৰ চিত্ৰকলাৰীতিৰ বিকাশৰ এটা প্ৰধান দিশ হ'ল পুথিচিত্ৰ **(Manuscript Painting)** ৰ চহকী ধাৰা। স্মৰণযোগ্য যে সাঁচিপাত নিৰ্মাণ কৰি পুথিলেখা বা তেনে

হৈছে যদিও বহুসংখ্যক পুথি এতিয়াও বিভিন্ন অনুষ্ঠানত সংৰক্ষিত হৈ আছে। এইবোৰে পুৰণি অসমৰ চাৰু আৰু কাৰু কলাৰ ঐতিহ্য বহন কৰি আহিছে। এই বিভাগটিত এইসকলোবোৰ দিশ সংক্ষেপে আলোচনা কৰা হৈছে।

## ৪.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অসমৰ সাঁচিপতীয়া পুথি- এই সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

২) অসমৰ চিত্ৰকলা সম্পৰ্কে এটি টোকা লিখক।

৩) পুৰণি অসমৰ লেখন সামগ্ৰী সমূহ কি কি? এইবোৰ কেনেদৰে প্ৰস্তুত কৰা হৈছিল?

৪) পুথিচিত্ৰ বুলিলে কি বুজে? অসমৰ পুথিচিত্ৰ সম্পৰ্কে আলোচনা কৰক।

৫) চমুটোকা লিখক ঃ সাঁচিপাত, বৃন্দাবনী বস্ত্ৰ, চিত্ৰ ভাগৱত।

## ৪.৭ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


অসমীয়া বিভাগ,

| | | |
|---|---|---|
| গুৱাহাটী বিশ্ববিদ্যালয় | ঃ | অসমৰ সংস্কৃতি সমীক্ষা |
| কেশৱানন্দ দেৱগোস্বামী | ঃ | সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা |
| বাণীকান্ত কাকতি | ঃ | পুৰণি অসমীয়া সাহিত্য |
| বিৰিঞ্চি কুমাৰ বৰুৱা | ঃ | অসমৰ লোক-সংস্কৃতি |
| মহেশ্বৰ নেওগ | ঃ | পৱিত্ৰ অসম |
| (----) | ঃ | পুৰণি অসমৰ সমাজ আৰু সংস্কৃতি |
| নবীনচন্দ্ৰ শৰ্মা | ঃ | অসমীয়া লোক সংস্কৃতিৰ আভাস |
| (----) | ঃ | লোক সংস্কৃতি |
| নিৰ্মল প্ৰভা বৰদলৈ | ঃ | অসমৰ লোক-সংস্কৃতি |
| যুগল দাস | ঃ | অসমৰ লোক-কলা |
| হৰি প্ৰসাদ নেওগ আৰু লীলা গগৈ (সম্পা.) | ঃ | অসমীয়া সংস্কৃতি |
| সূৰ্য হাজৰিকা (সম্পাদিত) | ঃ | সংস্কৃতি সঞ্চয়ন |
| প্ৰফুল্ল কুমাৰ নাথ | ঃ | অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা |
| P.C. Choudhury | ঃ | History and Civilization of the People of Assam |
| S.N Sarma | ঃ | A Socio Economic and Cultural History of Medieval Assam |

## পঞ্চম বিভাগ

## অসমৰ লোকনাট আৰু লোকনৃত্য

**বিভাগৰ গঠন ঃ**

৫.১ ভূমিকা (Introduction)
৫.২ উদ্দেশ্য (Objectives)
৫.৩ লোক-পৰিৱেশ্য কলা
৫.৪ পুতলা নাচ
৫.৫ ওজাপালি
৫.৬ ঢুলীয়া অনুষ্ঠান
৫.৭ খুলীয়া ভাওনা, কুশানগান আৰু ভাৰীগান
৫.৮ সাৰাংশ (Summing Up)
৫.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
৫.১০ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)

### ৫.১ ভূমিকা (Introduction)

মানৱ সমাজ বিবৰ্ত্তনৰ প্ৰক্ৰিয়াৰ মাজেৰে সমাজত ক্ৰমান্বয়ে শ্ৰেণী বিভাজনৰ সৃষ্টি হৈছে। জনজাতীয় সমাজ তথা গ্ৰাম্য সমাজৰ স্তৰৰ পাছতেই নগৰীয়া সমাজ গঢ় লৈ উঠিছে। একেদৰে কৃষিযুগৰ পৰা শিল্প যুগৰ সৃষ্টি হৈছে। কিন্তু পোনতে আদিম সমাজত কোনো শ্ৰেণী বিভাজন নাছিল। ফলত 'লোক' শব্দটো অপ্ৰাসংগিক আছিল। যেতিয়াই সমাজত কৰ্ম বিভাজনৰ মাজেৰে শ্ৰেণীবিভাজন লাহে লাহে বাধ্যতামূলক হৈ পৰিল তেতিয়াই এই শ্ৰেণী - বিতৰণ ঠেক গণ্ডীৰ মাজত আবদ্ধ হৈ পৰিল। কোনো কোনো শ্ৰেণী সম্প্ৰদায় হৈ পৰিল। কৃষি, পশুপালন আদিত নিয়োজিত শ্ৰেণী আৰু ধাতু দ্ৰব্য ব্যৱহাৰ, পাত্ৰ নিৰ্মাণ, নৌকা তৈয়াৰ, যুদ্ধৰ সা- সামগ্ৰী প্ৰস্তুতি, গৃহ নিৰ্মাণ আদিত আত্ম নিয়োগ কৰা শ্ৰেণী এই দুটা ভাগত সমাজত কৰ্ম বিভাজনৰ সৃষ্টি হয়। অকল এয়ে নহয় বিভিন্ন আনুষঙ্গিক কাৰণত উল্লিখিত দুটি কৰ্ম বিভাজনৰ ফলশ্ৰুতিতেই গ্ৰাম্য আৰু নগৰ এই দুটি শব্দই ভৌগোলিক ভিত্তিত লাগে লাগে গুৰুত্ব পাবলৈ আৰম্ভ কৰিলে। পাৰস্পৰিক যুদ্ধ-বিগ্ৰহৰ মাজেৰে ক্ৰীতদাস প্ৰথাৰ সৃষ্টি হ'ল। এনেদৰেই প্ৰভু অথবা ৰাজতন্ত্ৰ আৰু ক্ৰীতদাসৰ মাধ্যমেৰে সমাজত শোষণ-বৃত্তিৰ সূচনা হ'ল। সৃষ্টি হ'ল নগৰ বাসীৰ দৃষ্টিত গ্ৰাম্যবাসীক 'লোক' (Folk) আখ্যা দিয়াৰ প্ৰৱণতা।

বিশাল ভাৰতৰ জনসমষ্টিৰ যি বিচিত্ৰতা পৰিবেশ্য কলাসমূহৰো সেই একে বিচিত্ৰতা পৰিলক্ষিত। ভাৰতৰ জাতি গঠন প্ৰক্ৰিয়াত যি ধৰণে বিভিন্ন প্ৰজাতিৰ উপাদানে বিশেষ অৰিহণা যোগাইছে একেদৰে বিশেষ ভৌগোলিক পৰিস্থিতিত একো একোটা জনসমষ্টিৰ সৃষ্টি হৈছে। এই জনসমষ্টিসমূহৰ কোনো কোনোৱে বিভিন্ন আনুষংগিক কাৰণত অগ্ৰসৰ ৰূপত আৰু কোনো কোনোৱে অনগ্ৰসৰ ৰূপত বৰ্তি আছে। ৰাজনৈতিক , সামাজিক, ঔদ্যোগিক, অৰ্থনৈতিক কাৰণত কোনো অগ্ৰসৰ অঞ্চল নগৰলৈ (পৌৰ) ৰূপান্তৰিত হৈছে। কোনো জনসমষ্টি নিৰ্জন দ্বীপৰ দৰেই গ্ৰামীনতকৈ অকলশৰীয়া অনগ্ৰসৰ ৰূপত

বিভিন্ন জনশ্ৰুতি অথবা মৌখিক কাহিনী, কথা আৰু গদ্যৰূপত আত্মপ্ৰকাশ কৰিলে।

উদাহৰণস্বৰূপে অসমৰ কাৰ্বি জনজাতি সকলৰ মাজত 'ছাবিন আলুন' নামৰ ৰামায়ণৰ ক্ষুদ্ৰ পৰম্পৰা (Little Tradition) ৰূপভেদ আৰু পশ্চিম অসমৰ কোচ ৰাজবংশী সমাজৰ কুশান গানৰ দৰে এটি গীতি-নাট্যধৰ্মীৰ কথা উনুকিয়াব পাৰোঁ। মূলত ঃ গ্ৰাম্য সমাজৰ সৈতে যুক্ত এচাম পাৰদৰ্শী গায়ক, নৰ্তক বায়ন, অভিনেতা লাহে লাহে এনে পৰিবেশ্য কলাসমূহৰ ধাৰক আৰু বাহকৰ স্বাৰ্থত কৃষিকৰ্মৰ সৈতে বিচ্ছিন্ন হৈ বৃত্তিধাৰী হৈ পৰিল। পৰিভ্ৰমী এই বৃত্তিধাৰীসকলক ভাৰতৰ বিভিন্ন ঠাইত ভাঁড়, নট, গন্ধৰ্ব, বৈৰাগী, বীণকাৰ আদি নামেৰে জনাজাত হৈ পৰিল। এইসকলেই পাণিনিৰ দিনৰ পৰা স্বীকৃতপ্ৰাপ্ত হৈ ভাৰতীয় আন্তঃগাঁঠনিত সংঘটিত সংস্কাৰ আন্দোলনৰ বাহক হিচাপে পৰিগণিত হ'ল। ফলত এইসকলৰ দ্বাৰা সৃষ্টি হোৱা পৰিবেশ্য কলাসমূহ সামাজিক, সাংস্কৃতিক পৰিবৰ্তনৰ আহিলা হিচাপে গুৰুত্বপূৰ্ণ হৈ পৰিল। ড° বাৎসায়নৰ মতে ভাৱাই, নৌটঙ্কী, তেৰুকুথু ৰীথি নাটকম্‌, ওত্তান খুল্লাল আদি সমসাময়িক কলাসমূহ এই ৰীতিৰ।[৩] এইবোৰৰ আংগিক কলা -কৌশল আৰু ৰচনা ৰীতি অনুধাৱন কৰি এই কলাৰীতিসমূহক লোকনাট্য, পৰম্পৰাগত নাট্য অথবা লোক নৃত্য আখ্যা দিয়া হৈছে।

কৃষি আৰু অন্যান্য জীৱন কৰ্মৰ লগত জড়িত কলাসমূহকেই নগৰীয়া বিশেষ পৰিমণ্ডলত নিমজ কৰি সেয়া অধিক বিন্যাসবদ্ধ কৰি এক বিশেষ ৰূপভেদ কৰাকেই আমি শিষ্ট বুলি অভিহিত কৰি আহিছোঁ। ভাৰতৰ সকলো প্ৰান্তৰতে এয়া পৰিদৃশ্যমান। নক'লেও হ'ব জনজাতীয় অথবা গ্ৰামীন কলাই যুগে যুগে এনে শিষ্ট অথবা উচ্চ কলাক (Elite) প্ৰভাৱিত কৰি আহিছে। প্ৰকৃততে ভাৰতৰ জনজাতীয়, গ্ৰামীন বা পৌৰ কলাসমূহৰ মাজত পাৰম্পৰিক আন্তঃসম্পৰ্কৰ বাবেই পৰিবেশ্য কলাসমূহৰ মাজত এক পৰিয়ালকেন্দ্ৰিক সমৰূপতা পৰিলক্ষিত হৈছে। উদাহৰণ স্বৰূপে- ১) উৰিষ্যাৰ গঞ্জাম জিলাৰ পাইক জনজাতীয়সকল ময়ুৰভঞ্জৰ নৰ্তকসকল, যাত্ৰা শিল্পীসকল , আখৰাৰ গোটিপুৱাসকলৰ আৰু মন্দিৰৰ মাহাৰিসকলৰ কলাৰীতি ২) কলি, পুলিয়াৰা কলি, ৰেলকলি নৃত্যসমূহ আৰু দেৱী-উপাসনাগোষ্ঠীৰ খেয়ি-অট্টম, খেৰিয়ট্টম আৰু শেষত কুটিয়ট্টম আৰু কথাকলি ৩) ভাৰতৰ বিভিন্ন প্ৰান্তৰৰ ওড়িছি, ভৰতনাট্যম্‌, কথাকলি, মণিপুৰী আৰু অসমৰ সত্ৰীয়া নৃত্য আদি উচ্চ আদৰ্শযুক্ত নৃত্য ৰীতিসমূহ।[৪]

ভাৰতৰ বৈদিক যুগৰ পৰাই পৰিবেশ্য কলাসমূহৰ এক বিকাশশীল স্তৰ আমি অনুভৱ কৰিব পাৰোঁ। পশুপালন আৰু যাযাবৰী কেন্দ্ৰিক ঋগবেদীয় সমাজৰ পৰা উচ্চ বিকশিত অথৰ্ববেদীয় সমাজলৈকে এই কলাসমূহে এক নিজস্ব ৰূপ পৰিগ্ৰহ কৰিছিল। আমাৰ পঞ্চম বেদ হিছাপে পৰিগণিত নাট্যশাস্ত্ৰ প্ৰনেতা ভৰতমুনিয়ে নাট্যক সকলোৰে শিক্ষনীয় বিদ্যা বুলি কৈ ঋগবেদৰ পৰা কথা, সামবেদৰ পৰা সংগীত, যযুবেদৰ পৰা মুদ্ৰা আৰু অথৰ্ববেদৰ পৰা অন্তদৰ্শী মানসিক অৱস্থাসমূহক লৈ নাট্যশাস্ত্ৰ লিখি উলিওৱাৰ পাছত পৰিবেশ্য কলাসমূহৰ চৰিত্ৰ উদঘাটন কৰা আমাৰ বাবে সহজ হৈ পৰিল।

নৃত্য-গীত - বাদ্য আৰু অভিনয়ৰ সমাহাৰ এই পৰিবেশ্য কলাসমূহৰ ভিতৰত নাট্যকলাত উল্লিখিত চাৰিটা দিশ জড়িত হৈ থকা বাবে নাট্যকলাক পৰিবেশ্য কলাৰ সম্পূৰ্ণ ৰূপ বুলি কোৱা হয়।

### ৫.৪ পুতলা নাচ

পুতলা নাচ পৃথিবীৰ প্ৰাচীন লোক-নাট্যানুষ্ঠানসমূহৰ ভিতৰত অতি প্ৰাচীন। পৃথিৱীৰ প্ৰায়বোৰ দেশৰে প্ৰাচীন এই নাট্য পৰম্পৰা যিদৰে লেটিন পদ (Pupa) ৰ ইংৰাজী Puppet নিষ্পত্তি হৈছে এনেদৰে সংস্কৃত 'পুত্তলিকা'ৰ পৰা 'পুত্তিকা'ৰ > পুতলা হিচাপে ভাৰতত বিখ্যাত হৈছে। 'নাট্য শাস্ত্ৰ'ৰ 'সূত্ৰধাৰ' পদটোৰ প্ৰয়োগে সংস্কৃত নাটকত জনপ্ৰিয় হৈ পৰা 'সূত্ৰধাৰ' শব্দটো পুতলা নাচৰ 'সূত্ৰং ধাৰয়তি' 'সূত্ৰধাৰৰ পৰাই আহৰণ কৰিছে ই নিঃসন্দেহ। সেয়ে ভাৰতবৰ্ষত প্ৰাচীন কালৰে পৰা প্ৰচলিত এই নাট্যানুষ্ঠান অসমৰ বিভিন্ন ঠাইত পুতলা নাচ , বতি পুতলা, বা জাল পুতেলি নামে পৰিচিত। সূঁতাৰে পৰিচালনা কৰা পুতলা নাচৰ উপৰিও অসমত 'ছাঁয়া-পুতলা'ৰ ব্যৱহাৰ আছিল। ইয়াৰ প্ৰমাণ আমি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পদত পাওঁ;

কতো গীত গান্ত কৃষ্ণে গোপীৰ বচনে।
ছায়া পুতলাক যেন নচাৱে যতনে।।

বাঁহৰ দৈ, কুঁহিলা, কাঠ আদিৰ দ্বাৰা তৈয়াৰী পুতলাবোৰে নেপথ্যৰ সূত্ৰধাৰ আৰু গায়ন - বায়নৰ , সংলাপ, গীত-পদৰ তালে তালে বিভিন্ন অংগী-ভংগীৰে অভিনয় কৰে; গীত গায়, নাচে। অসমৰ পুতলা - নাচত ৰামায়ণকেন্দ্ৰিক কাহিনীবোৰে গুৰুত্ব লাভ কৰা দেখা যায়।

### ৫.৫ ওজাপালি

পৰিপূৰ্ণ লোকনাট্যৰ শাৰীত নেপেলালেও অসমৰ ওজাপালি অনুষ্ঠানৰ বিষয়ে আলোচনা নকৰিলে অসমৰ লোকনাট্যৰ বিষয় আধৰুৱা হ'ব। কাৰণ পুতলা নাচৰ পাছতেই প্ৰাচীন ওজাপালি অনুষ্ঠানৰ প্ৰভাৱ অকল শ্ৰীমন্ত শংকৰদেৱৰ নাট ভাওনাৰ ওপৰতে সীমাবদ্ধ নাছিল। অসমৰ বিভিন্ন লোক নাট্যানুষ্ঠানত ইয়াৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। আনকি অসমৰ বিভিন্ন ঠাইত ওজাপালি অনুষ্ঠানৰ সমপৰ্যায়ৰ বিভিন্ন পৰিবেশ্য কলা গঢ় লৈ উঠিল। অবিভক্ত গোৱালপাৰাত মাৰে গান, ভাসান গান, পদ্মা পুৰাণৰ গান, গীদালু গীত, নগাঁওৰ নগঞা ওজাপালি, অবিভক্ত কামৰূপৰ আপী ওজাপালি, ৰাইমন ওজাপালি, ভাইৰা ওজা, দুলড়ী ওজা আদি দৰঙৰ ওজাপালি অনুষ্ঠানৰ আৰ্হিত গঢ়ি উঠা আঞ্চলিক ৰূপ।

ওজাপালি অসমৰ এক অৰ্ধ নাটকীয় পৰিবেশ্য কলা। সৰ্বভাৰতীয় কথকতা পৰম্পৰাৰ প্ৰত্যক্ষ ধাৰক আৰু বাহক ওজাপালি প্ৰাচীন কালৰেপৰা অসমত এক জনপ্ৰিয় কলা হিচাপে প্ৰচলিত। ওড্ৰ- মাগধী শৈলীৰ চৰিত্ৰৰ লগত ভালেখিনি খাপখোৱা ওজাপালি অনুষ্ঠান ভাৰতীয় মাৰ্গীয় সংগীত- পৰম্পৰাত জন্ম। ইয়াৰ উদ্ভৱ আৰু বিকাশত ধৰ্মানুষ্ঠানৰ প্ৰভুত অৰিহণা আছে। এই ওজাপালি কলা শৈলীৰ উদ্ভৱ আৰু বিকাশ সন্দৰ্ভত বিভিন্ন মিথ (Myth) আৰু জনশ্ৰুতি জড়িত হৈ আছে। এক দৈৱিক মতবাদমতে বৃহন্নলাৰূপী অৰ্জুনৰ দ্বাৰা এইবিধ কলা স্বৰ্গৰ পৰা মৰ্ত্যত প্ৰচলিত হয়। পাৰিজাত নামৰ এগৰাকী মহিলাই স্বপ্নৰ দ্বাৰা এই কলা আয়ত্ব কৰি শিষ্য সকলৰ শিকায় বুলিও বিয়াহৰ ওজা পালি সকলে বিশ্বাস কৰে। ব্যাসকলাই আৰু কেন্দুকলাই এই

গোৱালপাৰাৰ সুকনানি ওজাপালিৰ সৈতে সংযুক্ত হোৱা দেখা যায়। ঢেপা ঢুলীয়া দৰঙৰহে সম্পদ।

বৰঢুলীয়া লোকনাট্যৰ দৰেই বাদ্য, নৃত্য, গীত আৰু অভিনয়ৰ সমষ্টি যদিও ইয়াৰ সৈতে কুষ্টি বা চাকাৰ্চ প্ৰদৰ্শন সংযুক্ত হৈ ই আৰু অধিক ব্যাপক আৰু বৰ্ণাঢ্য হৈ পৰিল। অসমৰ সংগীতৰ উৎপত্তি আৰু বিকাশৰ সৈতে ঢুলীয়াও সমগোত্ৰীয় বুলি ক'ব পাৰি। ঢুলীয়াৰ সৈতে ভোৰতাল আৰু কালি অপৰিহাৰ্য। অসমৰ সকলো ঠাইতে আঞ্চলিক ৰূপ বৈশিষ্ট্য পৰিগ্ৰহ কৰা ঢুলীয়াই ধৰ্মীয় উৎসৱ পাৰ্বন আৰু উৰ্বৰা জনিত লোক উৎসৱৰ সৈতে সংযুক্ত। অসমৰ বিভিন্ন দেৱ-দেৱী পূজা আনুষংগ , বিহু উৎসৱ, বিয়া বাৰু, সভা -মেলা আদিত ঢুলীয়া অপৰিহাৰ্য।

পিছে কামৰূপীয়া বৰঢুলীয়া নৃত্য-গীত-বাদ্য অভিনয় বা চং আৰু কুষ্টি বা চাৰ্কাচেৰে পৰিপূৰ্ণ এটি বৃহৎ লোক নাট্যানুষ্ঠান। প্ৰকাণ্ড প্ৰকাণ্ড ঢোল এই অনুষ্ঠানৰ মুখ্য হোৱা বাবেই সমগ্ৰ অনুষ্ঠানটি ঢুলীয়া নামে প্ৰখ্যাত হৈ পৰিল। একেদৰে দৰঙৰ খুলীয়া ভাউৰীয়া আৰু ঢুলীয়া দুয়োটি অনুষ্ঠানৰ মাজত অন্যোন্য প্ৰক্ৰিয়াৰ (Inter action) ফলত কুষ্টি প্ৰধান ঢুলীয়া অনুষ্ঠানত অভিনয় বা চং গুৰুত্বপূৰ্ণ হৈ পৰিল। ৰামায়ণ , মহাভাৰত তথা বিভিন্ন পুৰাণ, উপপুৰাণৰ সৈতে জড়িত আৰু সমসাময়িক ঘটনা প্ৰবাহক ব্যংগৰূপত প্ৰকাশ (ইয়াকে চং বোলা হয়।) এই দুটি ধাৰা বিষয়বস্তুক লৈ ঢুলীয়াৰ দলে অভিনয় প্ৰদৰ্শন কৰে। খুলীয়া ভাউৰীয়াৰ গুৰুত্বপূৰ্ণ 'বহুৱা' চৰিত্ৰ এই ঢুলীয়াৰ পৰা আহৰণ কৰা বুলি ক'লে বঢ়াই কোৱা নহয়।

আগতেই উল্লেখ কৰা হৈছে যে ঢুলীয়া অনুষ্ঠান অসমৰ সংগীতৰ দৰেই প্ৰচীন। ঢুলীয়া আৰু ওজাপালি যে প্ৰচীন দেৱালয় আৰু মন্দিৰৰ বাদ্যকাৰ হিচাপে ৰজাসকলে সংস্থাপিত কৰিছে ইয়াৰ প্ৰমাণ ড° মহেশ্বৰ নেওগে 'প্ৰাচ্য শাসনাৱলী'ত স্পষ্টভাবে উল্লেখ কৰিছে।

The Copper plate inscription of Dhareswara Temple (Hatimura Hill, Kamrup, 1660 Saka, 1738 AD) was donated by king Siva Singha. The epigraphs gives the humber of priests and paiks along with Dhulia, Kalia, Ojapali etc.

কামৰূপীয়া সভা গোৱা বৰঢুলীয়া দলত তিনিপ্ৰকাৰৰ ঢুলীয়া পৰিলক্ষিত -- গাই ঢুলীয়া, ভাৰৰীয়া বা ভাইৰা আৰু খৰ বা কুষ্টিদিয়া ঢুলীয়া। যিজনে আটাইতকৈ ডাঙৰ ঢোলটো বজায় তেওঁকেই বৰঢুলীয়া বা ঘাই ঢুলীয়া বুলি কোৱা হয়। ইয়াৰ সৈতে বায়ন বা বাইন , গায়ক বা গাইন, তালুৰৈ, আঁৰিয়া ধৰা আদি। এটি ঢুলীয়া দলত কমেও বিশৰ পৰা ত্ৰিশলৈ কলা-কুশলী থাকে।

খুলীয়া ভাউৰীয়াৰ সংযুতিৰ সৈতে অংকীয়া নাট- ভাওনাৰ সম্পৰ্কৰ কথা ইতিমধ্যে আলোচনা কৰা হৈছে। সৰ্বভাৰতীয় লোক - নাট্যৰ লক্ষণসমূহৰ মাজত নিহিত হৈ থকা সংযুক্তি এককবোৰ অনুধাৱন কৰিলে লোক নাট্যানুষ্ঠানসমূহৰ মাজতো পাৰস্পৰিক সমৰূপতা লক্ষ্য কৰা যায়। উৰিষ্যাৰ 'প্ৰহ্লাদ নাটক' (Prahla Natak), তামিলনাডুৰ 'থেৰুকুথু' (Therukkoothu) কৰ্ণাটকৰ 'শ্ৰীকৃষ্ণ পাৰিজাত' (Sri Krishna

হ'ল তেতিয়াহে এই দুই ৰামায়ণৰ পদৰ প্ৰভাৱ লোক অনুষ্ঠানত পৰিল। তেনেতে বৰপেটা, কোচবেহাৰ আদি ঠাইত গুৰু দুজনাই অংকীয়া নাটভাওনাৰ প্ৰচলন কৰাত এই প্ৰণালীবদ্ধ অংকীয়া নাট ভাওনাৰ প্ৰভাৱ উল্লিখিত অৰ্ধনাটকীয় অনুষ্ঠানৰ ওপৰত পৰিল। অংকীয়া নাট ভাওনাৰ বৰধেমালি, সৰু ধেমালিৰ দৰে খুলীয়া ভাউৰীয়া, ভাৰী গানত খোল ঘাটেনী আৰু কুশান গানত খোলা বন গুৰুত্বপূৰ্ণ অংগ হৈ পৰিল। আধুনিক যুগত মাধৱ কন্দলি, দুৰ্গাবৰী ৰামায়াণতকৈ কৃতিবাসী ৰামায়ণৰ মুদ্ৰিত সংস্কৰণ সহজলভ্য হৈ পৰাত অসমৰ পছিম অঞ্চলত কৃতিবাসী ৰামায়ণ জনপ্ৰিয় হৈ পৰিল আৰু ইয়াৰ প্ৰভাৱ ভাৰীগান, কুশান গানতো পৰিলক্ষিত হ'ল।

খোল ঘাটেনীৰ পাছত খুলীয়া ভাউৰীয়া আৰু ভাৰীগানত ৰামৰে অথবা কৃষ্ণৰ বন্দনাযুক্ত শ্লোক গায়। সংস্কৃতগন্ধী এই শ্লোক খুলীয়া ভাউৰীয়াত এনেধৰণৰ--

নাৰায়ণং নমস্কৃতং নৰবৈষ্ণৱ নৰোওম
দেৱী সৰস্বতী ব্যাসং ততো জয়মুদীৰচয়ৎ ইত্যাদি।

কুশান গানত -

ৰাম লক্ষণ পূৰ্বজং ৰঘুবৰং সীতাপতিং সুন্দৰম্।
কাকুংসৃং কৰুণাময়ং গুণনিধিং বিপ্ৰপ্ৰিয়ং ধাৰ্মিকম্।। আদি

ইয়াৰ পাছতহে কুশান গানত সৰস্বতী বন্দনা আৰম্ভ হয় থলুৱা ভাষাত।

তাৎপৰ্যপূৰ্ণভাবে ভাৰীগান আৰু খুলীয়া ভাউৰীয়াৰ সংযুতি প্ৰায় একে। খোলৰ বাদি, গীতৰ সুৰৰো মিল পৰিলক্ষিত। খুলীয়া ভাউৰীয়াত খোলঘাটেনীৰ পাছত ওজাই হাতত চোঁৱৰ অথবা ৰুমাল লৈ হাতেৰে মুদ্ৰা দি, দি নচাৰ অন্তত পদ লগাই দিয়ে। পালি তথা অন্যান্য শিল্পীসকলে সহযোগ কৰে --

অ' সৰ্বশাস্ত্ৰ বীজ হৰি -- হয় হয়
নামে দুই অক্ষৰ
আদি অন্ত নাই যাৰ
বেদ আগোচৰ হে।।
অ' সীতাহৰণ নাট হয় হয়
কৰিবো প্ৰচাৰ
অ' বঢ়া টুটা দোষ যেন
নধৰা আমাৰ এ।

ইয়াৰ পাছত ইষ্টদেৱতাৰ বন্দনা আৰম্ভ হয়--

বন্দো মই ৰামৰে চৰণ- নাৰায়ণ ... আদি।

কুশান গানত সৰস্বতী বন্দনাৰ পাছত কুশানী, দোৱাৰী আৰু চুকুৰী থিয় হয়। তেতিয়া কুশানীয়ে বেলাড পয়াৰত সুৰ বজালে দোৱাৰী আৰু চুকুৰীয়ে ঘূৰি ঘূৰি নাচে। ইয়াক নাচাৰী বোলে। ইয়াৰ পাছত ৰামৰ বন্দনা। তাৰ পাছত চাৰি যুগৰ মাহাত্ম্য গোৱাৰ পাছত দোৱাৰীয়ে প্ৰশ্ন কৰে। গীদালে ব্যাখ্যা কৰে। এই অংশক জপসাল অথবা ভাংতি বোলা হয়। ব্যাখ্যাৰ প্ৰসংগত দোহাৰীয়ে হাস্যৰসৰ সৃষ্টি কৰে। আচলতে কাহিনী আগবঢ়াই

এই কেইটা চৰিত্ৰই প্ৰায়ে নাটকীয় কাহিনীৰ গতিত Cathersis ৰ ভূমিকা পালন কৰে। নিজৰ প্ৰিয়পুত্ৰ যুৱৰাজ ৰামচন্দ্ৰ, বোৱাৰী সীতা, অন্য এগৰাকী পুত্ৰ লক্ষ্মণ বনবাসলৈ যাব ওলাইছে-- নিজ গৃহ, ৰাজ্য ত্যাগ কৰি- তাকো নিজৰ দোষত সেয়ে দশৰথে যেতিয়া বুকুত ভুকুৱাই কান্দি কৈকেয়ীক তিৰস্কাৰ কৰি মৃত্যুবৰণ কৰিছে। এনে গভীৰ শোকে যাতে দৰ্শকৰ হৃদয়ৰ গভীৰত উপচি নপৰে ইয়াৰ বাবে খুলীয়া ভাউৰীয়াৰ নাটকৰ বহুৱাই দশৰথ ৰজাজন যে এজন সাধাৰণ মানুহ আৰু তেওঁক এতিয়া ৰজাৰ অভিনয় কৰাৰ বাবেই দাঙি নিব লগা হৈছে এনে ধৰণৰ বক্তব্য উত্থাপন কৰি দৰ্শকক অভিনয়ৰ মোহাচ্ছন্নৰ পৰা নিলগাই আনে। অৰ্থাৎ প্ৰায়ে বহুৱা, কেতুৱা অথবা দোৱাৰীয়ে গাম্ভীৰ্যপূৰ্ণ চৰিত্ৰসমূহ লৌকিক ৰসৰ চাটনীৰে দৰ্শকৰ সন্মুখত উপস্থাপন কৰে। প্ৰায়ে এই তিনিটা চৰিত্ৰই বিষয়ৰ পৰা বিষয়ান্তৰলৈ গতি কৰে। হনুমানে নিজৰ নেজেৰে সোণৰ লংকা পুৰি ছাঁই কৰিলে। থাকিবলৈ ঘৰ নাই। সেয়ে নিজৰ ঘৈণীয়েকসহ খুলীয়া ভাউৰীয়াৰ বহুৱা দেশচাৰি যাবলৈ ওলাইছে এনেদৰে--

যাওগৈৰে ভাইহাত, আজিপে দেশচাৰি যাওগৈৰে।।
এ পলেই আন্‌লা পলেই আন্‌লা
আন্‌লা পৰৰ তিৰী
কৰবাৰ বান্দৰ আহি ভাইহাত
ঘৰখান পেল্লা পুৰি।

কুশান গানত বিৰতিৰ সময়ত চুকুৰীসকলে ভাৱাইয়া, চট্‌কা অথবা দেহতত্ত্বমূলক গীত নাচে পৰিবেশন কৰে। ফলত কুশানগান হৈ পৰিছে বৈচিত্ৰ্যময়। উদাহৰণ, --

আৰ গেইলে কি আসিবেন
মোৰ মাউত বন্ধুৰে ....... ।

আকৌ

একবাৰ হৰি বল মন বসনা
মানৱ দেহেৰে গৈৰৱ কৰৈনা।।

কুশান গানৰ শেষত ৰামায়ণৰ মাহাত্ম্য গোৱা হয়-

সেইজন শুনিবাৰে কৰে অভিলাষ।
সৰ্ব পাপ গুচে তাৰ স্বৰ্গে হয় বাস।।
মৃত্যু কালে ৰাম নাম কৰে সেইজন।
সশৰীৰে কৰিবেসে বৈকুণ্ঠ গমন।। আদি।

খুলীয়া ভাউৰীয়া মঙ্গলসূচক ভটিমাৰে সমাপ্তি হয়,

অপৰাধ ক্ষমা কৰাহে নাৰায়ণ
অ চৰণে শৰণ লৈলো ৰখো নাৰায়ণহে।

আগতে খুলীয়া ভাউৰীয়াৰ সংলাপ পদছন্দ বন্ধন আছিল। মাধৱ কন্দলিৰ ৰামায়ণ, দুৰ্গাবৰী ৰামায়ণ ৰামসৰস্বতীৰ বধকাব্যৰ হুবহু পদ সংলাপ সমূহত দৃষ্টিগোচৰ হোৱা ভাৰীগানত এতিয়াও পদছন্দৰ আধিক্য আছে। কুশান গানত কথা আৰু পদ দুয়োবিধেই পৰিলক্ষিত । ৰাম কথা বা ৰাসলীলাৰ দৰে কথাত কুশান গানৰ দৰে নমুনা শুনক --

ওপৰত নপৰাটোহে অস্বাভাৱিক হ'লহেঁতেন। আজি খুলীয়া ভাউৰীয়া, ভাৰীগান, কুশান গান অংকীয়া নাট ভাওনাৰ স্পৰ্শত অধিক বৈচিত্ৰ্যময় হৈ পৰিছে। উজনী অসমত প্ৰচলিত 'ধুৰা নাট' বা 'ভাওনা নাট'ৰ সৈতে খুলীয়া ভাউৰীয়াৰ বহু ক্ষেত্ৰত মিল দেখা যায়। যিহেতু এই অনুষ্ঠান অংকীয়া নাট'ৰ লোকৰূপ (Folk- form) সেয়ে খুলীয়াৰ সৈতে সমৰূপ দৃশ্যমান। খুলীয়া ভাউৰীয়াৰ বহুৰাই লঘুহাস্য - ব্যংগ অনুষ্ঠান পৰিৱেশন কৰে, একেদৰে ধুৰা নাটতো এই দিশ গুৰুত্বপূৰ্ণ। ধুৰা নাট ভাওনাই বধকাব্যৰ বিষয়বস্তুক প্ৰাধান্য দিয়াৰ দৰে খুলীয়া ভাউৰীয়াইও বধকাব্যৰ ওপৰত গুৰুত্ব দিয়ে। খুলীয়া ভাউৰীয়াৰ বহুবোৰ প্ৰকাৰ্যৰ (Activities) সৈতে এই ধুৰা নাটৰ মিল পৰিলক্ষিত।

### ৫.৮ সাৰাংশ (Summing Up)

অসমৰ পৰিৱেশ্যকলা বুলিলে নাটক, নৃত্য আৰু গীত এই তিনিটা দিশৰ কথা সততে বিবেচনা কৰা হয়। পুতলা নাচ, ওজাপালি, ঢুলীয়া আৰু খুলীয়া ভাওনা, কুশানগান, ভাৰীগান আদি নাট্যকলাৰ লগত জৰিত। আনহাতে এই অনুষ্ঠানসমূহৰ লগত জৰিত আছে বিভিন্ন নৃত্য আৰু গীতসমূহ। সংগীতৰ লগত ওতপ্ৰোত ভাৱে সম্পৃক্ত হৈ আছে পৰম্পৰাগত বাদ্যযন্ত্ৰসমূহ। এই বিভাগটিত অসমৰ পৰিৱেশ্যকলাৰ বিভিন্ন দিশসমূহ পুংখানুপুংখভাৱে আলোচনা কৰা হৈছে। বিভিন্ন শিতানসমূহ সুকীয়াকৈ আলোচনা কৰাৰ লগতে ইটোৰ লগত সিটোৰ সম্পৰ্কও দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

### ৫.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অসমৰ লোকনৃত্যসমূহ অনুষংগ আৰু বিষয়বস্তুৰ দিশৰ পৰা শ্ৰেণী বিভাজন কৰি প্ৰত্যেকৰে একোটাকৈ টোকা লিখক।

২) লোকনৃত্য বুলিলে কি বুজো? অসমৰ লোকনৃত্যৰ বিষয়ে এটি আলচ যুগুত কৰক?

৩) লোক পৰিৱেশ্যকলা হিচাপে ওজাপালি সম্বন্ধে এটি ৰচনা লিখা।

৪) খুলীয়া ভাউৰীয়া আৰু ভাৰীগানৰ সাদৃশ্য-বৈসাদৃশ্য দেখুৱাই এটি তুলনামূলক আলোচনা আগবঢ়াওক।

৫) চমু টোকা লিখক ঃ
ওজাপালি, কুশানগান, পুতলা নাচ, ভাৰীগান।

### ৫.১০ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


অসমীয়া বিভাগ,

গুৱাহাটী বিশ্ববিদ্যালয় ঃ অসমৰ সংস্কৃতি সমীক্ষা

কেশৱানন্দ দেৱগোস্বামী ঃ সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা

বাণীকান্ত কাকতি ঃ পুৰণি অসমীয়া সাহিত্য

বিৰিঞ্চি কুমাৰ বৰুৱা ঃ অসমৰ লোক-সংস্কৃতি

মহেশ্বৰ নেওগ ঃ পৱিত্ৰ অসম

## ষষ্ঠ বিভাগ

## অসমৰ সংগীত আৰু বাদ্য

**বিভাগৰ গঠন ঃ**

**৬.১ ভূমিকা (Introduction)**

**৬.২ উদ্দেশ্য (Objectives)**

**৬.৩ অসমৰ সংগীত**

**৬.৩.১ লোক সংগীত**

**৬.৩.২ জনজাতীয় সংগীত**

**৬.৩.৩ মাৰ্গীয় বা শাস্ত্ৰীয় সংগীত**

**৬.৪ অসমৰ বাদ্য**

**৬.৫ সাৰাংশ (Summing Up)**

**৬.৬ আৰ্হি প্ৰশ্ন (Sample Questions)**

**৬.৭ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)**

### ৬.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত অসমৰ পৰিবেশ্য কলা (লোকনাট আৰু লোকনৃত্য)ৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিৰ আলোচ্য বিষয় হ'ল অসমৰ সংগীত আৰু বাদ্য।

পৰিবেশ্য কলাৰ লগত নিবিড় ভাৱে সম্পৃক্ত হৈ থকা অন্য দুটা দিশ হ'ল সংগীত আৰু বাদ্য। গ্ৰাম্য সমাজত পৰিবেশ্য কলা সমূহ কৃষক ৰাইজৰ দৈনন্দিন জীৱনৰ সৈতে জড়িত। ঋতুভিত্তিক এক বাৰ্ষিক কাৰ্যক্ৰমৰ সৈতে এই সংগীত, নৃত্য, বাদ্য, অভিনয়সমূহ অংগাংগীভাৱে পৰিগণিত হ'ল। কৃষিকাৰ্যৰ আৰম্ভণি কৃষি ৰক্ষণাবেক্ষণ আৰু চপোৱা কাৰ্যৰ সৈতে নাৰী-পুৰুষৰ উৰ্বৰতাজনিত লোকাচাৰ সমূহৰ প্ৰতীকীৰূপো ইয়াৰ মাজত সম্পৃক্ত হৈ পৰে।

### ৬.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপুনি-

- অসমৰ পৰম্পৰাগত সংগীতৰ বিষয়ে আলোচনা কৰিব পাৰিব
- অসমৰ সংগীতৰ প্ৰসংগত লোকসংগীত, জনজাতীয় সংগীত আৰু শাস্ত্ৰীয় সংগীতৰ বিষয়ে বিস্তৃতভাৱে পৰ্যালোচনা কৰিব পাৰিব
- সংগীতৰ লগত জৰিত বিভিন্ন বাদ্যযন্ত্ৰসমূহৰ বিষয়ে অৱগত হ'ব পাৰিব।

### ৬.৩ অসমৰ সংগীত

চৌষষ্টি কলাৰ ভিতৰত সংগীত হৈছে শ্ৰেষ্ঠ কলা। ভাৰতীয় সংগীতৰ শাস্ত্ৰীয় পৰম্পৰাত "গীতং বাদ্যং নৃত্তং ত্ৰয়ং সংগীতমুচ্যতে" অৰ্থাৎ গীত-নৃত্য-বাদ্যৰ সমলয়েই হৈছে সংগীত। আকৌ শংকৰদেৱ প্ৰভৃতি এচাম সংগীত-বিশেষজ্ঞই সংগীতত গীতৰ

কলা-সংগীতত ভৰতমুনিৰ ‘নাট্য শাস্ত্ৰ’ই এনে পৰম্পৰাৰ বেদ হিচাপে পৰিগণিত হ’ল। এনেদৰেই সামগ্ৰিক প্ৰয়োজনত নাট্যশাস্ত্ৰ পঞ্চমবেদ হিচাপে পৰিগণিত হ’ল। নৃত্যত আসন, গতি, মুদ্ৰা, অভিনয় আদি অপৰিহাৰ্য। নাট্যশাস্ত্ৰৰ উপৰিও অভিনয়-দৰ্পন, শ্ৰীহস্ত মুক্তাৱলী আদিয়ে ভাৰতীয় সংগীতৰ শাস্ত্ৰ হিচাপে মৰ্যাদা লাভ কৰিছে।

অসমৰ নৃত্য পৰম্পৰা - লোক আৰু শাস্ত্ৰীয় এই দুইধৰণে বৰ্ণাঢ্য। ব্যাসৰ ওজাপালি, দেৱদাসী আৰু সত্ৰীয়া নৃত্য পৰম্পৰা শাস্ত্ৰীয় পৰম্পৰাত গঢ়ি উঠিছে।

**শ্ৰেণী বিভাজন ঃ**

ঐতিহ্যমণ্ডিত অসমৰ সংগীতক আমি তিনিটা শ্ৰেণীত ভাগ কৰি দেখুৱাব পাৰোঁ। যেনে --

১) লোক সংগীত

২) জনজাতীয় সংগীত আৰু

৩) মাৰ্গীয় অথবা শাস্ত্ৰীয় সংগীত।

### ৬.৩.১ লোক সংগীত

অসমৰ লোক সমাজত প্ৰচলিত লোকগীত, লোকবাদ্য আৰু লোক নৃত্যৰ সমাহাৰকেই লোক সংগীত বোলে। মূলতঃ পৰিবেশ্য কলাৰ আধাৰত গঢ় লৈ উঠা অসমৰ লোকগীতৰ সৈতে বাদ্য, নৃত্য অপৰিহাৰ্য। মুখ পৰম্পৰা অথবা সুনিৰ্দিষ্ট প্ৰণালীবিহীনতাই এই লোক সংগীতৰ প্ৰধান বৈশিষ্ট্য।

এই সংগীত অসমৰ উৎসৱ অনুষ্ঠান, পূজা-উপাসনা, মানুহৰ সংস্কাৰমূলক কৃত্য, শিশুৰ সৈতে, শ্ৰমৰ সৈতে, সকাম, সবাহ আদিৰ সৈতে জড়িত। সেয়ে তলত দিয়ানুসৰি অসমৰ লোক সংগীতৰ শ্ৰেণী বিভাজন দেখাৱাব পাৰি --

১) উৎসৱ অনুষ্ঠানৰ সৈতে জড়িত -- বিহু সংক্ৰান্তীয় গীত, ভঠেলি গীত, হুচৰি গীত, পচতি গীত, মঠনী গীত, পাউৰা তোলাৰ গীত, ফাকুৱাগীত, মহৌহো গীত, সুৱেৰী গীত, দহৰ ফুৰুওৱা গীত ইত্যাদি।

২) পূজা উপাসনাৰ সৈতে জড়িত - আইনাম বা শীতলা গীত , জগন্নাথৰ নাম, গনেশৰ নাম, সুবচনীৰ গীত, ভবানী পূজাৰ গীত, আইলা পূজাৰ গীত, কাহুৰী আইৰ গীত, লক্ষ্মীদেৱীৰ গীত, সৰস্বতীৰ গীত, অপেচৰীৰ গীত, মদন- কামদেৱৰ পূজাৰ গীত, ভগৱতী বাঁশ পূজাৰ গীত, সোনাৰায় পূজাৰ গীত, হুদুম পূজাৰ গীত, গোপী - কৃষ্ণৰ গীত, শিৱ-পাৰ্বতীৰ গীত, সত্যনাৰায়ণৰ পূজাৰ গীত ইত্যাদি।

৩) সংস্কাৰমূলক কৃত্য-নোৱাই তোলনী বিয়াৰ গীত, উপনয়নৰ গীত, চূৰাকৰণৰ গীত, চুন্নতৰ গীত, বাহি বিয়াৰ গীত, পাছবিয়াৰ গীত, পুংসবন বা পোহন বিয়াৰ গীত ইত্যাদি।

৪) শিশুৰ সৈতে জড়িত গীত -- ‘ধাই গীত অথবা নিচুকনি গীত, খেল-ধেমালি ইত্যাদি।

৫) শ্ৰমৰ সৈতে জড়িত গীত -- নাও - খেল তথা নাও বোৱা গীত, মাহুত-

ঝুমইৰ (চাহ বাগিছাৰ সমাজ); ইত্যাদি।

**(ঙ) কাহিনী গীত** ঃ গীতবোৰ জনজাতি আৰু অজনজাতীয় উভয়ৰে মাজত ওজাপালি, ঢুলীয়া, বীণ-বৰাগী, খুলীয়া ভাউৰীয়া, কুশান গান, ভাৰীগান আৰু বিশেষ বিশেষ গায়ক বা গায়িকাসকলে গায়। কাৰ্বিসকলৰ মাজত প্ৰচলিত ‘ছাবিন আলুন’ (কাৰবি ৰামায়ণ) বিশেষ বিশেষ গায়ক গায়িকাই গায়।

**লোকনৃত্য ঃ**

তাৎপৰ্যপূৰ্ণভাবে জনজাতিয়েই হওক বা অজনজাতিয়েই হওক পূজা উপাসনা, উৎসৱ-অনুষ্ঠান, কৃষি আৰু প্ৰেম-প্ৰণয় সংক্ৰান্তত লোকনৃত্য পৰিবেশিত হৈ আহিছে। উদাহৰণ স্বৰূপে ঃ

পূজা উপাসনাৰ সৈতে জড়িত লোকনৃত্য - পুতনা নাচ, ঢুলীয়া আৰু ওজাপালি।

উৎসৱ-অনুষ্ঠানৰ সৈতে জড়িত লোকনৃত্য- বিহুনৃত্য, বৈশাগু নাচ, হুচৰি নৃত্য, দোমাসী নাচ, বাগৰুম্বা, চাথাৰ বহুৰঙী, গুমৰাগ নাচ, বগেজাৰী নাচ, হাচ্চা-কেকান, হাগ্ৰা নাচ, বাই-ডিমা ইত্যাদি।

কৃষিৰ সৈতে জড়িত লোক নৃত্য- বিহু, বৈশাগু (বৰো) খোকছি (ৰাভা) গুম্ৰাগ (মিছিং) বাই-ডিমা নাচ আদি।

প্ৰেম-প্ৰণয় সংক্ৰান্তীয় লোকনৃত্য - বিহু, ছাথাৰ গুম্ৰাগ, বাই ডিমা, ঝুমইৰ, বাগুৰুম্বা আদি নাচ।

**৩) লোকনৃত্য (জনজাতীয় আৰু অজনজাতীয়) ঃ**

লোকগীত আৰু লোকনৃত্যৰ মাজত ৰক্ষিত হৈ আহিছে অবিচ্ছেদ্য সম্পৰ্ক। সাধৰণতে কোনো এটা লোক গীতৰ নাম অনুসৰি সেই গীতটোৰ সৈতে সম্পৃক্ত নৃত্য বা নাচটোৰ নামকৰণ কৰা হয়। উদাহৰণ স্বৰূপে বিহুগীতৰ লগত সম্পৰ্কযুক্ত নৃত্য বিশেষৰ নাম ৰখা হৈছে বিহুগীত বা বিহুনাচ। অনেক ক্ষেত্ৰত যি সামাজিক পৰিৱেশত অৰ্থাৎ অনুষংগত (Context) গীত আৰু নৃত্য অনুষ্ঠিত হয় সেই অনুষংগৰ নাম অনুসৰি গীত আৰু নৃত্যৰ নামকৰণ কৰা হয়। উদাহৰণ স্বৰূপে বিহু উৎসৱৰ অনুষংগত গোৱা গীত আৰু গীতৰ সৈতে সম্পৃক্ত নাচৰ নামেই ক্ৰমে বিহু গীত আৰু বিহু নৃত্য বা নাচ। ডিমাছা সকলৰ বুচু উৎসৱৰ অনুষংগত গোৱা গীত আৰু এই গীতৰ সৈতে জড়িত নৃত্যৰ নামেই ক্ৰমে বুচুগীত আৰু বুচুনাচ (বাইদিমা)। বৰোসকলৰ দোমাসী উৎসৱৰ অনুষংগত গোৱা গীত আৰু গীতৰ লগত নচা নাচৰ নাম ক্ৰমে দোমাসী গীত আৰু দোমাসী নাচ।

অসমৰ পৰম্পৰাগত নৃত্য তেহলৈ লোক নৃত্যই হওক কিম্বা জনজাতীয় নৃত্যই হওক এইবিধ কলাক কেইটিমান ভাগত ভগাব পাৰি; যেনে ঃ

(ক) পূজা-উপাসনাৰ লগত জড়িত নৃত্য

(খ) উৎসৱ-অনুষ্ঠানৰ লগত সম্পৰ্কযুক্ত নৃত্য

(গ) কৃষিৰ লগত জড়িত নৃত্য

(ঘ) প্ৰেম-প্ৰণয় যাজ্ঞামূলক নৃত্য ইত্যাদি

(ক) পূজা-উপাসনাৰ লগত জড়িত নৃত্য ঃ i) পুতলা নাচ ii) ঢুলীয়া নাচ, iii)

বহন কৰা বাবেই ইতিমধ্যে ভাৰত চৰকাৰে মাৰ্গীয় সংগীত হিচাপে সত্ৰীয়া সংগীতক স্বীকৃতি প্ৰদান কৰিছে।

সত্ৰীয়া গীতপদৰ ভিতৰত ভটিমা, বৰগীত, অংকৰ গীত, ঘোষা-গীত, ওজাপালিৰ গীত, নামঘোষা অন্যতম।

অংকীয়া নাট-ভাওনাৰ সৈতে জড়িত নৃত্য , চালি নাচ, সূত্ৰধাৰী নাচ, গোঁসাই প্ৰবেশৰ নাচ, ঝুমুৰা, নাদু-ভংগী, ৰজাঘৰীয়া নাচ, বেহাৰ নাচ, ওজাপালি নৃত্য আদি অসংখ্য নৃত্যই সত্ৰীয়া নৃত্যক সু-সমৃদ্ধ কৰিছে।

**৬.৪ অসমৰ বাদ্য**

বাদ্য-সংগীতৰ অন্য এক অপৰিহাৰ্য অংগ। অসমৰ লোক-সংগীত, জনজাতীয় সংগীত আৰু শাস্ত্ৰীয় সংগীতত বাদ্যই গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। তাৎপৰ্যপূৰ্ণভাবে নাট্যশাস্ত্ৰ প্ৰণেতা ভৰত মুনিয়ে বাদ্যযন্ত্ৰৰ যি শ্ৰেণীবিভাজন কৰিছে সেয়া সামগ্ৰিকভাবে বিশ্বৰ সমূহ বাদ্যযন্ত্ৰৰ সন্দৰ্ভতো প্ৰযোজ্য। ভৰতমুনিৰ মতে --

তত চৈদাৱনদ্ধং ঘন সুষিৰমেৱ চ।
চতুৰ্বিধ'ৰং চ বিজ্ঞেয়মাতোদ্যং লক্ষণান্বিতম।।

তত, আৱনদ্ধ, ঘন আৰু সুষিৰ এই চাৰি প্ৰকাৰ বাদ্যযন্ত্ৰৰ শ্ৰেণীবিভাজন অসমৰ বাদ্যযন্ত্ৰৰ সন্দৰ্ভতো দেখুৱাব পাৰি--

**১) তত বাদ্যযন্ত্ৰ ঃ** তাঁৰযুক্ত বাদ্যযন্ত্ৰসমূহেই হৈছে তত শ্ৰেণীৰ বাদ্যযন্ত্ৰ। যেনে - বীণ বা বীণা, সৰদ, চেতাৰ, এচৰাজ, তানপুৰা, টোকাৰী, একতাঁৰা, দোতোৰা, থমক, তেন্দ্ৰা (গোৱালপাৰা অঞ্চলত ব্যৱহৃত), গগনা, চৰাজ (হাজং). চেৰজা (বৰো), দেলেংদাহ (কুকি), চেৰেঙা (ৰাংখাল), তন্দ্ৰাং (তিৱা), বাদুংদুপ্পা (ৰাভা), গংগনা (বৰো), গুংগাং (মিছিং) ইত্যাদি।

**২) আৱনদ্ধ বাদ্যযন্ত্ৰ ঃ** চালেৰে ছোৱা যন্ত্ৰসমূহেই আৱনদ্ধ বা অনদ্ধ বাদ্যযন্ত্ৰ। বেদত ইয়াৰ নাম ভৌমী দুন্দভি বা ভাণ্ড বোলা হয়। ঢোল, ডগৰ, খোল, মৃদঙ্গ, পাখোৱাজ, ঢাক, নাগাৰা, ডবা, তবলা আদি আদৰ্শ আৱনদ্ধ বাদ্যযন্ত্ৰ। আমাৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত ঢোলজাতীয় বাদ্যসমূহ হৈছে-- বৰঢোল, ঢেপাঢোল বা চুঙা ঢোল, মাদল, খাম, জয়ঢোল, দেওঢোল, খাম ছেং, দুমদুম, খুবং, ছেংক্ৰুপ, বিহুঢোল, কৰ্কাঢোল ইত্যাদি।

**৩) ঘনবাদ্যযন্ত্ৰ ঃ** বাঁহ, কাঠ, শিল, মাটি বা ধাতুৰে নিৰ্মিত বাদ্যযন্ত্ৰই ঘনশ্ৰেণীৰ। যেনে - কৰতাল, খুটিতাল, ভোৰতাল, পাতিতাল, মণ্ডহীৰা, টকা, গগনা, কাঁহ, বৰকাঁহ, জুবি উপৰিও অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত লুপি (মিছিং), জথা (বৰো), ছেংছ (কাৰ্বি), কান্সি (ৰাভা), চাহপাবু (কুকি) আদি ঘন বাদ্যযন্ত্ৰৰ প্ৰচলন দেখা পোৱা যায়।

**৪) সুষিৰ বাদ্যযন্ত্ৰ ঃ** ফুঁ দি বজোৱা বাদ্যযন্ত্ৰই সুষিৰ শ্ৰেণীৰ। যেনে সুতোলি, বাঁহী, চাহনাই, ভেৰি, শংখ, কালি, মহৰী, পেঁপা, শিঙাৰ উপৰিও অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত চিফুং (বৰো), পেম্পা, শিঙা, তু-লু, দুম্পে (মিছিং), ব্ৰাংশি, ছিংগা (ৰাভা),

| | | |
|---|---|---|
| (----) | ঃ | পুৰণি অসমৰ সমাজ আৰু সংস্কৃতি |
| নবীনচন্দ্ৰ শৰ্মা | ঃ | অসমীয়া লোক সংস্কৃতিৰ আভাস |
| (----) | ঃ | লোক সংস্কৃতি |
| (----) | ঃ | অসমৰ পৰিৱেশ্যকলাঃ ওজাপালি |
| নিৰ্মল প্ৰভা বৰদলৈ | ঃ | অসমৰ লোক-সংস্কৃতি |
| যুগল দাস | ঃ | অসমৰ লোক-কলা |
| হৰি প্ৰসাদ নেওগ আৰু লীলা গগৈ (সম্পা.) | ঃ | অসমীয়া সংস্কৃতি |
| সূৰ্য হাজৰিকা (সম্পাদিত) | ঃ | সংস্কৃতি সঞ্চয়ন |
| প্ৰফুল্ল কুমাৰ নাথ | ঃ | অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা |
| P.C. Choudhury | ঃ | History and Civilization of the People of Assam |
| S.N Sarma | ঃ | A Socio Economic and Cultural History of Medieval Assam |

## দ্বিতীয় বিভাগ
## সংস্কৃতিৰ সমন্বয়, সমাহৰণ, অনাৰ্যীকৰণ আৰু সাংস্কৃতিক বিনিময়

**বিভাগৰ গঠন ঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ অসমীয়া সংস্কৃতিৰ সমন্বয়, সমাহৰণ আৰু সাংস্কৃতিক বিনিময়
২.৪ অসমীয়া সংস্কৃতিৰ অনাৰ্যীকৰণ/খিলঞ্জীয়াকৰণ/জনজাতিকৰণ
২.৫ সাৰাংশ (Summing Up)
২.৬ আৰ্হি প্ৰশ্ন (Sample Question)
২.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত অসমৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান আৰু সংগঠন সমূহৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত অসমীয়া সংস্কৃতিত কেনেদৰে সমন্বয় ঘটিছে তাৰ বিষয়ে এটি ধাৰণা দিয়াৰ প্ৰয়াস কৰা হৈছে। তাৰ লগতে অসমীয়া সংস্কৃতিত ঘটা সমাহৰণ, অনাৰ্যীকৰণ প্ৰক্ৰিয়া আৰু বিভিন্ন ধৰণে সম্পন্ন হোৱা সংস্কৃতিক বিনিময়ৰ বিষয়ে এটি ৰূপৰেখা দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

অসম তথা উত্তৰ-পূৰ্বাঞ্চল (বৰ অসম)ৰ দৰে এখন বহুভাষিক আৰু বহু সাংস্কৃতিক প্ৰান্ত (ৰাজ্য/দেশ)ত ভিন ভিন ভাষা-ধৰ্ম-সমাজ-সংস্কৃতিৰ ধাৰক আৰু বাহকসকলে একেলগে বহু কাল বহু যুগ ধৰি সহ-অৱস্থান কৰি অহাৰ ফলত ক'ব নোৱাৰাকৈয়ে পাৰস্পৰিকভাৱে প্ৰভাৱান্বিত হৈ কিছু এৰা-ধৰাৰ মাজেদি ক্ষুদ্ৰ ক্ষুদ্ৰ সমাজ আৰু সংস্কৃতিৰ পৰিমণ্ডলত একোটা বৃহৎ সংস্কৃতিৰ পৰিবৃত্ত ৰচিত হৈ নিজ নিজ সমাজ-সংস্কৃতি প্ৰবৰ্তাই ৰাখে।

### ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰি আপোনালোকে—

- "অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি" এই কথাষাৰি ব্যাখ্যা কৰিব পাৰিব,
- অসমত সংস্কৃতিৰ সমাহৰণ প্ৰক্ৰিয়া কেনেদৰে আগবাঢ়িছে তাক বিশ্লেষণ কৰিব পাৰিব,
- অসমীয়া সংস্কৃতিত ঘটা সাংস্কৃতিক বিনিময়ৰ বিষয়ে পৰ্যালোচনা কৰিব পাৰিব,
- অসমীয়া সংস্কৃতিত পৰিদৃশ্যমান হোৱা অনাৰ্যীকৰণ প্ৰক্ৰিয়াৰ বিষয়ে পুংখানুপুংখভাৱে বৰ্ণনা কৰিব পাৰিব।

## ২.৩ অসমীয়া সংস্কৃতিৰ সমন্বয়, সমাহৰণ আৰু সাংস্কৃতিক বিনিময়

মানুহে জীৱন-যাপনৰ স্বাৰ্থত একেলগে ব্যৱসায়-বাণিজ্য (বজাৰ-সমাৰ), চাকৰি-বাকৰি (চৰকাৰী বা বেচৰকাৰী), শিক্ষা-দীক্ষা (পঢ়া-শুনা আৰু ধৰ্মীয় ৰীতি-নীতি), নৃত্য-গীত, উৎসৱ-পাৰ্বণত ভাল গৈ আৰু বন্ধুত্বৰ এনাজৰীৰ বান্ধ খাই (কেতিয়াবা বৈবাহিক সম্পৰ্কৰ মাজেদিও) ভালেমান বিষয়ত আদান-প্ৰদান আৰু ভাৱ-বিনিময় কৰোঁতে কৰোঁতে স্বাভাৱিকভাৱে নিজৰ নিজৰ ভাষা-সমাজ-সংস্কৃতিত আনৰ ভাষা-সমাজ-সংস্কৃতিৰ উপাদান বা সমলৰাজি সোমাই যায়। ঠিক সেইদৰে আনসকলেও প্ৰতিবেশীৰ ভাষা-সমাজ-সংস্কৃতি গ্ৰহণ-বৰ্জনৰ দ্বাৰা ক্ৰমে-অনুক্ৰমে আত্মীকৰণ অৰ্থাৎ জতুৱাকৰণ (Nativization) কৰি সন্তুলিত অৱস্থাৰ সৃষ্টি কৰে।

এইক্ষেত্ৰত সমমান বিশিষ্ট বা সমসংখ্যক জনবহুলতা থকা জনগোষ্ঠীসমূহৰ মাজত যি মাত্ৰাত সমন্বয়ৰ হাৰ দেখিবলৈ পোৱা যায়; তাৰ বিপৰীতে এটা বৃহৎ জনসংখ্যা আৰু প্ৰভাৱশালী জনগোষ্ঠীৰ ভাষা-সমাজ-সংস্কৃতিয়ে ক্ষুদ্ৰ বা কম জনসংখ্যাৰ ভাষা-সমাজ-সংস্কৃতিৰ ওপৰত প্ৰভাৱ খটুৱাই সেইসমূহ নিঃশেষ কৰি পেলোৱাৰহে উদাহৰণ পোৱা যায়। অৱশ্যে কেতিয়াবা ইয়াৰ ওলোটা প্ৰক্ৰিয়া হোৱাটোও নুই কৰিব নোৱাৰি। স্বজাতি বা স্বভাষা বা স্বদৰ্মৰ প্ৰতি মাত্ৰাধিক প্ৰীতি থকা জাতি-জনগোষ্ঠীয়ে অতি সহজে আন এটা ভাষা, ধৰ্ম বা জাতিৰ প্ৰতি, সি যিমানে প্ৰভাৱশালী নহওক কিয় অনুৰাগী হৈ নিজস্বতা বিলীণ কৰি দিয়াৰ বিপৰীতে বিজেতাসকলকহে প্ৰভাৱান্বিত কৰি নিজ ভাষা-সংস্কৃতিৰ জয়জয়কাৰ কৰি ৰখাৰ উদাহৰণো তেনেই বিৰল নহয়।

বৰ-অসম বা উত্তৰ-পূৰ্বাঞ্চলৰ পটভূমিত বিচাৰ কৰিলে বিশেষকৈ আৰ্য-আৰ্যভিন্ন (অনাৰ্য) আৰু জনজাতি-অজনজাতিৰ সমাজ-জীৱনৰ পটভূমিত বিচাৰ কৰিলে স্বাভাৱিকতে আৰ্যমূলীয় হিন্দু ধৰ্ম বা সংস্কৃত ভাষা-সাহিত্যই প্ৰভাৱশালী জাতি-ভাষা-সংস্কৃতিৰ ভূমিকা পালন কৰা দেখা যায়। প্ৰাচীন কামৰূপ বা প্ৰাগ্‌জ্যোতিষপুৰৰ অসুৰ বা কিৰাট নামেৰে অভিহিত মংগোলীয় মূলজ আৰু তিব্বত-বৰ্মীয় ভাষা-ভাষীসকলে একালত একছত্ৰীভাৱে এই প্ৰান্তত বসতি আৰু প্ৰভুত্ব বিস্তাৰ কৰি আছিল। সেইদৰে নিষাদ, সবৰ আদি নামেৰে অভিহিত অষ্ট্ৰিকসকলেও তেওঁলোকৰ সভ্যতা-সংস্কৃতিত চামিল হৈ অষ্ট্ৰ'-মংগোলয়ড্ সংস্কৃতিৰ ভিত্তি পত্তন কৰাত ইন্ধন যোগাইছিল।

প্ৰাগ্ঐতিহাসিক কালৰ এই পৰিঘটনাই লাহে লাহে ঐতিহাসিক কালত অৰ্থাৎ খ্ৰীঃপূঃ ১৫০০/২০০০ চন মানৰপৰা কিছু নতুন সুঁতিলৈ ৰূপ সলালে। কোৱা হয় যে— মহাভাৰতীয় যুগত কামৰূপ কামাখ্যাৰ নৰকাসুৰৰ দিনৰ পৰাই তদানীন্তন মধ্যভাৰত অৰ্থাৎ মিথিলা অঞ্চলৰ পৰা আৰ্যমূলীয় লোকসকল এই প্ৰান্তলৈ অভিপ্ৰয়াণ হ'বলৈ আৰম্ভ কৰে। পুৰাণ-উপপুৰাণৰ আখ্যান-উপাখ্যানৰ কথা উপেক্ষা কৰিলেও আৰ্যৱৰ্তৰ পৰা যে আৰ্য-দ্ৰাবিড় মূলৰ (সংস্কৃতিধাৰী) লোকসকলৰ এই ভূখণ্ডলৈ প্ৰব্ৰজন ঘটিছিল সেয়া ইয়াৰ থলুৱা জনগোষ্ঠীৰ ভাষা-সমাজ-সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰলৈ মন কৰিলে সততে পৰিলক্ষিত হয়। একালৰ মাতৃতান্ত্ৰিক আৰু জড়োপাদক বা উৰ্বৰা লোকবিশ্বাসৰ

আধাৰত প্ৰকৃতি-পুৰুষৰ নামত যোনি-লিংগ-ভূমি-শিল পূজা কৰা জনজাতিসকলেই ক্ৰমান্বয়ে পিতৃতান্ত্ৰিক আৰু হিন্দু ধৰ্মীয় শৈৱ-শাক্ত-বৈষ্ণৱ (সাকাৰ বা নিৰাকাৰৰূপত বলি-বিধান ভোগ প্ৰসাদ-নৈবেদ্যৰ দ্বাৰা মন্ত্ৰোচ্চাৰণ বা নাম-গুন গাই) এই তিনি ধাৰাৰ প্ৰতি অনুৰাগী হৈ নিজ নিজ ভাষা-সাহিত্য-সংস্কৃতিক এৰাপৰলীয়া কৰি প্ৰাকৃত জাত প্ৰাচীন অসমীয়া (কামৰূপী-সৌমাৰ)ৰে নব্যৰূপ আঞ্চলিক অসমীয়া (গোৱালপৰীয়া-কামৰূপী-শিৱসাগৰীয়া) বা নৃগোষ্ঠীয় অসমীয়া (ৰাভামিজ-তিৱামিজ-মিছিংমিজ-দেউৰীমিজ প্ৰভৃতি) কথ্যৰূপকে মাতৃভাষাৰ দৰে ব্যৱহাৰ কৰিবলৈ ধৰিলে। এইদৰে আৰ্যীকৰণ বা সংস্কৃতায়নৰ গণ্ডীত সোমাই সাতামপুৰুষীয়া বহু ৰীতি-নীতি-পৰম্পৰা, বেশন-ভূষণ, খাদ্যাভ্যাস বাদ দিয়াই নহয় নতুন নতুন গোষ্ঠী-উপগোষ্ঠীৰ নামেৰে নিজকে নকৈ চিনাকি দিবলৈকো কুণ্ঠাবোধ নকৰিলে। তেনে আৰ্যীভূত (sanskritized) জনগোষ্ঠীসমূহৰ ভিতৰত চুতীয়া (হিন্দু চুতীয়া, বৰাহী চুতীয়া, আহোম চুতীয়া, মিৰি চুতীয়া) কোচ, ৰাজবংশী (প্ৰাচীন কোচ/কুৱাচ, মেচ/ম্লেছ হিচাপে পৰিচিত), শৰণীয়া (কছাৰী), মেচ (কছাৰী), ঠেঙাল (কছাৰী), সোণোৱাল (কছাৰী), মৰাণ (মোৱামৰীয়া মটক নামেৰে একালত সমাদৃত), আহোম (ৰীতিঙ্গা/অৰীতিঙ্গা), বৰ্মন (কছাৰী), হাজং (ঘাটাল-বৈষ্ণৱ), মদাহী, সংকৰ কোচ আদিৰ নাম বিশেষভাৱে ল'ব লাগিব। তদুপৰি ভৈয়ামৰ তিৱা (দাঁতিয়লীয়া), ভৈয়ামৰ কাৰ্বি (ডুমৰালি, আম্‌ৰি), ৰাভাৰ পাতি-দাহৰি-টোটলা, দেউৰীৰ টেঙাপনীয়া-বৰগঞা, মিছিঙৰ চামগুৰীয়া-বেৰেজীয়া-বিহিয়া-বংকোৱাল আদি খেল বা ফৈদেও ক্ৰমান্বয়ে নিজ ভাষা ত্যাগ কৰি মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মত (বামুনীয়া/দামোদৰীয়া-শংকৰ সংঘ-কাল সংহতি-মোৱামৰীয়া) বা হিন্দুধৰ্মীয় ব্ৰাহ্মণ্য পন্থা (শৈৱ-শাক্ত-বৈষ্ণ-সূৰীয়া-গাণপত্য)ত শৰণ-ভজন লৈ দীক্ষান্তৰ হৈ পুৰণি ৰীতি-নীতি মানি চলা আৰু ভাষা-সংস্কৃতি ধৰি ৰখা কিছু পৰিমাণে ৰংক্ষণশীল মূল ফৈদৰ পৰা ফালৰি কাটি আহি (ধৰ্মান্তৰিত হৈ) নিৰ্দিষ্ট দূৰত্ব অৱলম্বন কৰা দেখা যায়।

**বৰ অসমৰ জাতি-জনগোষ্ঠী আৰু তেওঁলোকৰ উমৈহতীয়া সংস্কৃতি ঃ**

অসমৰ জনজাতিসকল বৰ্তমান দুটা প্ৰধান শ্ৰেণীত বিভক্ত। এটা পৰম্পৰাগত পৰম্পৰাৰ প্ৰতি সদা সচেতন (Non-Sanskritised group) আৰু আনটো পুৰণি ঐতিহ্যৰ প্ৰতি অতি উদাসীন (Sanskritised group)। বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত পিছৰ বিধৰ জনজাতিসকলৰ অৱদান সৰ্বাধিক। সেয়েহে ১৮৩৭ খ্ৰীঃত জন মেক্‌কোশ্ব চাহাবে অসমীয়া জাতি, ভাষা আৰু সংস্কৃতিৰ অভিন্নতা সম্পৰ্কে এনেদৰে অভিমত দিব পাৰিছিল— "Indeed these tribe form so large a share of the population, that it is not easy matter to distinguish the pure Assamese amongst them, and the distinction is needed still more obsecure by intermarriages with some of the tribes." সেইদৰে অসমৰ জনজাতীয় ভাষাৰ সৈতে অসমীয়া ভাষাৰ পাৰস্পৰিক সাদৃশ্যৰ ক্ষেত্ৰত বড়ো ভাষাৰ সৈতে অসমীয়াৰ তুলনা প্ৰসংগত কৰা এণ্ডাৰছন চাহাবৰ মন্তব্য অতি প্ৰণিধানযোগ্য। তেওঁৰ মতে— "I can think of

no other two languages in which it would be possible to translate a long statement word for word out of one into the other and yet be idiomatic." আৰ্যমূলীয় অসমীয়া আৰু তিব্বত-বৰ্মীয় মূলীয় এই ভাষাসমূহত ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ যেনে মিল আছে শব্দ সম্ভাৰ আৰু বাক্য গাঁথনিৰ (জতুৰা ঠাঁচ আদিৰো) ক্ষেত্ৰতো অনুৰূপ সাদৃশ্য আছে। এইসমূহ ভাষাৰ লগত অসমীয়া ভাষা সাতামপুৰুষীয়া সম্পৰ্কেৰে দীঘ-বাণি হৈ সাঙোৰ খাই আছে বাবেই অসমীয়া ভাষাই বৰ্ণাঢ্যতাৰ লগতে সাৰ্বজনীনতা (lingua franca) লাভ কৰিছে।

বৰ অসমৰ উমৈহতীয়া সংস্কৃতি অৰ্থাৎ বৃহত্তৰ অসমীয়া সংস্কৃতিৰ বৰভেঁটি উৰ্বৰা লোক-বিশ্বাস আৰু বাঁহ সভ্যতাৰ বাহক স্বৰূপ অষ্ট্ৰ-মংগোলীয় মূলজ জাতিসকলেই প্ৰতিষ্ঠা কৰিছিল বুলি পণ্ডিতসকলে সৰ্ববাদীসন্মতভাৱে মানি লৈছে। সেই অনুসাৰে অসমৰ জাতীয় উৎসৱ বিহু আৰু ইয়াৰ লগত জড়িত নানা বিশ্বাস-লোকাচাৰ অষ্ট্ৰ'-মংগোলীয় চিন্তা প্ৰসূত। ব'হাগ বিহুত প্ৰাক্‌বৈবাহিক যৌনাচাৰ আৰু বিয়া বাছনি গীতৰ সমাহাৰ, আমৰলি টোপ-সাত শাকতী ভক্ষণ আদি এফালে যেনেকৈ বিদ্যমান তেনেকৈ মাঘৰ উৰুকাৰ সমজুৰা মৎস্য চিকাৰ সমন্বিতে ভোজ ভাত, বিহুত চুঙাপিঠা-মাহকৰাই-পোৰা আলু ভক্ষণ, কুকুৰা যুঁজ-ম'হ যুঁজ-কণী যুঁজৰ উপস্থাপন এইকেইটা অষ্ট্ৰ'-মংগোলীয় সংস্কৃতিৰ সৈতে হোৱা সমাহৰণৰ সুষম সমাহাৰ। কাতি বিহুৰ দিনা খেতি পথাৰত ঔটেঙাৰ খোলত বন্তি প্ৰজ্বলন, খেতি চপোৱাৰ পূৰ্বে শুভ দিন-বাৰ চাই লখিমীৰ আগ অনা, ন-খোৱা আদি উৎসৱত পুৰুষৰ সমানে সমানে নাৰীৰ অংশগ্ৰহণ আৰু পূৰ্বপুৰুষক সোঁৱৰণ তেনে সাংস্কৃতিক সমাহৰণেৰে মধুৰ ফলশ্ৰুতি।

সেইদৰে অসমৰ জনমানসত কি জনজাতি কি অজনজাতি আটাইৰে মাজত প্ৰকৃতি-পুৰুষৰ উপাসনাৰ অনুপম স্বাক্ষৰ— আই পূজাৰ পৰম্পৰা (বুঢ়ীগোসাঁনী, বুৰ্লিবুৰৈ, কামাখ্যা, কেঁচাইখাতী ইত্যাদি নামত) আৰু শৈৱ পৰম্পৰা (বুঢ়াগোসাঁই, বাথৈৱাই, শিৱাই, ফা মাহাদেউ, বলিয়া বাবা আদি নামত) যেনেকৈ একত্ৰে বিদ্যমান তেনেকৈ নামনি অসমত বসন্তকালীন পাউৰা দেও/পাৰবাহ, বাঁহগোসাঁই/বাঁহপূজা আৰু উজনি অসমত ব'হাগ বিহুৰ লগত জড়িত বহুৱা (বিহু)ৰ উপস্থাপন, বৰটকা (বলি ৰজা বা পাৰ্বতীৰ ৰাজহাঁহৰ প্ৰতীক)ৰ প্ৰতি ভক্তিভাৱ, বিহুগোসাঁই-বিহুগোসাঁনীৰ প্ৰতি অগাধ বিশ্বাস— এতিয়াও পূৰ্ণমাত্ৰেই অটুত আছে।

ইয়াৰ বিপৰীতে বৃষ্টি আনয়ন আৰু কৃষিৰ উৎপাদনৰ লগত জড়িত বিভিন্ন লোকাচাৰ-লোকবিশ্বাস (আমতী বা অম্বুবাচী, গো পূজা, লক্ষ্মী-অলক্ষ্মীৰ ধাৰণা, খোবা-খুবী অনুষ্ঠান, ভেকুলী বিয়া-হুদুম দেও পূজা, নাঙল বা ঢেঁকী ওভোটাকৈ পোতা আদি), মহোহৌ বা ভালুক নাচ, শ্ৰাদ্ধ-পিণ্ডাদি কাৰ্যত বাওঁহাতৰ বিশেষ ভূমিকা ভূত-প্ৰেতাদিৰ প্ৰতি বিশ্বাস, জন্মান্তৰবাদ, হাড় শুচি কৰা বিয়া, দেওধা-দেওধনী প্ৰথা আদি উত্তৰ-পূৰ্বাঞ্চলৰ উমৈহতীয়া সংস্কৃতি; যাৰ ধাৰাবাহিকতা কিছু সম্বৰ্দ্ধন-বিৰৰ্দ্ধনৰ মাজেদি এতিয়াও পূৰ্বাৰধি বিদ্যমান। অৱশ্যে ধুতি-বিধুতিৰ ক্ষেত্ৰত পিতৃতান্ত্ৰিক বৰ্ণহিন্দু বিভিন্ন

সমাজৰ তুলনাত জনজাতীয় সমাজত বিশেষকৈ মাতৃতান্ত্রিক সমাজত ক্ষীণ মাত্রাতহে পালন কৰা দেখা যায়। আনকি পুষ্পিতা নাৰীৰ তোলনী বিয়াকে ধৰি তিৰোতাৰ ৰজঃস্বলা বা ঋতুধৰ্ম পালনৰো জনজাতীয় সমাজত সিমান ধৰা-বন্ধা নিয়ম নাই। সেইদৰে মনোমত স্বামী লাভ, সতি-সন্তানৰ লগতে স্বামীৰ মংগল চিন্তি কৰা হিন্দুৰ ব্রত (বৰত) পালনো অসমৰ বহু জনগোষ্ঠী আৰু সম্প্রদায়ৰ মাজত বৰকৈ প্রচলন নাই।

অকল এয়াই নহয় উত্তৰ-পূর্বাঞ্চলৰ বিভিন্ন অঞ্চল আৰু জাতি-জনগোষ্ঠীৰ মাজত প্রচলিত বিহুধর্মী গীত-মাত, জুনা-মালিতা, সাধুকথা, প্রবাদ-পটন্তৰ (লোক-সাহিত্য), বিভিন্ন থলুৱা খেল-ধেমালি, উৎসৱ-অনুষ্ঠান, নৃত্য-গীত-বাদ্য (লোক পৰিবেশ্য কলা) ইত্যাদি সর্বত্রতে অনৈক্যৰ মাজত ঐক্যহে বিৰাজমান।

সেইদৰে অসমৰ উমৈহতীয়া ভৌতিক সংস্কৃতি বুলিলে বোকামাটিৰে লিপা-মোচা কৰা বাঁহ-খেৰেৰে নির্মিত অসম আৰ্হিৰ ঘৰ (ভঁৰাল ঘৰ, জুপুৰী ঘৰ, চাংঘৰ, মাৰল ঘৰ আদি) আৰু টাটী-চকোৰা, জেওৰা-জপনাৰে পৰিৱেষ্টিত ইয়াৰ চৌহদ (ঘৰ-বাৰী), কঠ-ঢৰা, ঢাৰি-পাটী, ডুখৰি পীৰা-বৰপীৰা, বাঢ়নী-শোটা, কুলা-দোণ, পাচি-খৰাহি, খদা, বিচনী, জাপি-টুপী, জাকৈ-খালৈ (বাঁহ-বেতৰ সঁজুলি) প্রভৃতিৰ লগতে কলহ-টেকেলি, মলা-চৰু আদি মৃৎপাত্র, শৰাই-বটা, দুণৰি-ভোগজৰা-মাইহাং আদি কাঁহ-পিতলৰ বাচন-বর্চন, দুগদুগি-বিৰি-গেজেৰা-জাংফাই, কেৰু-মণি-থুৰীয়া, সাতসৰী-লোকাপাৰ প্রভৃতি আ-অলংকাৰ, ৰিহা-মেখেলা, চাদৰ-চেলেং, গামোচা-বিহুৱান প্রভৃতি হাতে বোৱা সাজ-পাৰৰ কথাকে পোনচাটেই আমাৰ মনলৈ আহে।

তদুপৰি নাঙল-যুৱলি, মৈ-মৈটকা, ওখন-ৰয়না; জবকা-বাওকা, এছাৰি-টোকোন, কানমাৰি-বিৰিয়া-হোলোঙা আদি কৃষিকাৰ্যত ব্যৱহৃত সঁজুলি; চেপা-থোহা-ডিঙৰা, পল-জুলুকি, জাকৈ-খালৈ, খেৱালি-লাঙি-পৰঙিজাল আদি মাছ মৰা সঁজুলি; ৰাচ-গৰকা, টোলোঠা-দোৰপতি, উঘা-চেৰেকী, চিৰি-বচুঙা, যঁতৰ-মহুৰা আদি তাঁতশালৰ সঁজুলি; দা-কুঠাৰ, জোং-যাঁঠি, হাঁকোটা-হাঁকুটি, জপা-বেতেৰি, কাকৈ-ফণি, খৰিকা-চেপেনা, হেতা-বৰহেতা, জোলোঙা-মোনা, বিভিন্ন ধৰণৰ চুঙা-লাওৰ খোল আদি গৃহস্থালিৰ সঁজুলিবিলাক শ্রমজীৱী পৰিয়ালৰ কাৰ ঘৰতনো নাছিল। গৃহ নির্মাণৰ ৰুৱা-মাৰলি-চালি, চাং-পাভতী-একাজি, গাধৈ, গৰিলা-জখলা-নঙলা, বেৰ-পোলা-থবুৱা-কুকুৰ খুঁটি আদিৰ কথা নকলোৱে যেনিবা।

শিষ্ট সমাজৰ সত্ৰীয়া পৰিবেশতহে নালাগে অশিষ্ট সমাজৰ জকাইচুকীয়া পৰিবেশতো এসময়ত খোল-মৃদঙ্গ, নাগেৰা-দোতৰা, তাল-ভোৰতাল, নানাধৰণৰ জুখা-জলমবটা, আৰিয়া-জোঁৰ আদিৰে বাৰেওটি কাল ভাওনা-মুখানৃত্যৰ পয়োভৰ আছিল। সেইদৰে ৰাজকীয় পৰিবেশত ব্যৱহাৰ্য কাঠেৰে নির্মিত বিভিন্ন দোলা, চৈ, নাও, গৰুগাড়ী আদিৰ নির্মাণ কাৰ্যত বাঢ়েহে নালাগে সাধাৰণ লোকেও হাত উজান দিছিল। কাঁহ-পিতলৰ শিল্প, হাতীদাঁতৰ শিল্পী, ম'হৰ শিঙৰ শিল্প, কুঁহিলাৰ শিল্প, এড়ি-মুগা-পাট শিল্পতো সকলোৱে আগভাগ লৈছিল। বংশগত শিল্প নৈপুণ্যৰ পৰিৱৰ্তে অভ্যাসগত

শিল্প নৈপুণ্যত অধিক গুৰুত্ব আৰোপ কৰা হৈছিল। সেয়েহে অসমত মৎস্যজীৱী, তাঁতী, চমাৰ-কমাৰ আদি বৃত্তিগত শিল্প বা বৃত্তিয়ে ব্যাপকতা লাভ কৰিব নোৱাৰিছিল।

অসমৰ সকলো শ্ৰেণীৰ লোকৰ মাজতে বিদ্যমান-ঘিলাঘুটিৰ সাহ, ঔটেঙাৰ বীজ, ক'লাখাৰ আদিৰে মূৰ ধুই বিভিন্ন খোপাৰে কেশ সজ্জা কৰা, ঢোল-পেঁপা-টকা-গগনা প্ৰভৃতি লোকবাদ্যৰে বিভিন্ন নৃত্য-গীতত অংশগ্ৰহণ কৰা, তামোল-পাণ-দেৰাচালি, মলা-ধঁপাত, কানি-ভাং আদি মাদক দ্ৰব্য সেৱনেৰে মুহুদি কৰা, পঁইতা-পচলাৰে, শলে-মূলে-বেঙেনাই, খাৰ-খাৰলি-খৰিচাৰে, পোৰা-পিটিকাৰে মুখৰোচক ব্যঞ্জন প্ৰস্তু কৰা, পিঠা-পনা (চুঙা পিঠা, ভাপত দিয়া পিঠা, টোপোলা পিঠা ইত্যাদি), সান্দহ-মাহকৰাই, মুৰি-হুৰুম, চেৰা দিয়া ভাত, কোমল চাউল-বৰা চাউলৰ বিভিন্ন জলপানেৰে আলহী আপ্যায়নকৰা এই অঞ্চলৰ উমৈহতীয়া দস্তুৰ। ভাত-মাছ এই অঞ্চলৰ যেনেকৈ প্ৰধান খাদ্য তেনেকৈ কণী-পাৰ-ছাগ প্ৰায়বিলাক ধৰ্মীয় সম্প্ৰদায়ে গ্ৰহণ কৰাত একো বাধা নাই। অৱশ্যে কেৰ্কেটুৰা-কেঁটেলা পহু, কাছ, কেঁকোৰা-কুচিয়া, শামুক-লিংকৰি, লেটা-পলু, উঁইচিৰিঙা-চাকচন, কুকুৰা-গাহৰি আদি গ্ৰহণৰ বেলিকা কিছু বাধা-নিষেধ নথকা নহয়। জনজাতীয় লোকৰ মাজত শুকটি বা সিন্দলৰ যিমান জনপ্ৰিয়তা অন্য সমাজত সিমান জনপ্ৰিয়তা নাই বুলিব পাৰি। তেনেকৈ জনজাতীয় আৰু মংগোলীয় মূলজ লোকৰ মাজত (আহোম বা কছাৰী হিচাপে একালত পৰিচিত লোকৰ মাজত) লাওপানী-সাঁজপানী, জুগলী, পোহন, মদ-ৰহিমদৰ বিস্তৰ প্ৰচলন আছে। সেইবাবে সেই সমাজত মদ প্ৰস্তুত কৰা বিভিন্ন বন-দৰৱ (মদ-পিঠা) আৰু সা-সামগ্ৰীৰো বিস্তৰ সাদৃশ্য আছে।

সেইদৰে বনৰীয়া হাতী চিকাৰ কৰি বশ কৰা বা পোহ মনোৱা (ফান্দী, মাহুত বৃত্তিধাৰী লোকৰ দ্বাৰা), শেন-কণুৰা আদি মেলি চিকাৰ কৰা, কেৰ্কেটুৰা-কেঁটেলা পহু চিকাৰ, বন গাহৰি (বৰা), পহু আদি চিকাৰ কৰা, মাছ মৰা আদি এই অঞ্চলৰ উমৈহতীয়া আদিম বৃত্তি। বোৱা-কটা, কঠিয়া তোলা-ভঁই ৰোৱা, ধান বনা (উৰালত খুন্দা জনজাতীয় প্ৰথা; ঢেঁকী দিয়া অজনজাতীয় প্ৰথা), ৰন্ধা-বঢ়া আদি এশ-এবুৰি কামত অসমীয়া নাৰী আগৰণুৱা। তাহানি কালত একে ৰাতিৰ ভিতৰতে বৈ-কাটি কবচ কাপোৰ উলিয়াই ৰণত পিন্ধাই পঠিয়াব পৰা, দুৰ্দিনত বিচক্ষতাৰে ৰাজকাৰ্য পৰিচালনা কৰিব পৰা, নৃত্য-গীত আদিৰ মাজেদি তিথিয়ে-পৰ্বই ইষ্টসেৱা-মিত্ৰসেৱাৰ দ্বাৰা নাৰীয়ে সকলোতে মুখ্য ভূমিকা লোৱা কথাটি অকল উত্তৰ-পূৰ্বাঞ্চলৰ (প্ৰমীলাৰ ৰাজ্যৰ) নাৰীৰ বাবেহে সম্ভৱ। এই ধৰণে ভাৰতৰ অন্য প্ৰান্তত বিৰল অথচ উত্তৰ-পূৱ এচিয়াৰ সকলো মংগোলীয় আৰু অষ্ট্ৰিক মূলজ জনগোষ্ঠীৰ মাজত প্ৰবল ৰূপত এতিয়াও বিদ্যমান।

উত্তৰ-পূৰ্বাঞ্চলত বিয়াত কইনাক গা-পণ দিয়া, ঢোকা ৰখা বা চপনীয়া চপা, বিধবা বিবাহ, পলুৱাই নিয়া বিবাহ (চোৰবিয়া বা গন্ধৰ্ব বিবাহ) আদিৰ ব্যাপক প্ৰচলন থকা বাবেই যৌতুকৰ বাবে বোৱাৰী নিৰ্যাতন, বৈধব্য ব্ৰত প্ৰচলনৰ অছিলাত সতী যোৱা/দাহ প্ৰথা, শিশুবধ প্ৰথা বা বাল্যবিবাহ আদি সৰ্বভাৰতীয় বৰ্ণ হিন্দুৰ মাজত সামাজিক ব্যাধিস্বৰূপে একালত পৰিগণিত হোৱা কুপ্ৰথাবোৰ গা-কৰি উঠিব পৰা নাছিল।

(যিটো ব্ৰাহ্ম সমাজ আৰু বৃটিছ মনীষীসকলৰ প্ৰযত্নত আইন প্ৰণয়ন কৰিহে বিলোপ সাধন কৰিবলগা হৈছিল।)

সেইদৰে মহাত্মা গান্ধীয়ে তদানীন্তন কালত অস্পৃশ্যতা দূৰীকৰণ আৰু জাতিভেদ প্ৰথা অৱসানৰ বাবে অনশন কৰোঁতে পূৰ্বভাৰতৰ শংকৰ-আজানৰ দেশত বিদ্যমান জাতি-ভেদ-ভাৱহীন সমাজ ব্যৱস্থাকে এক আদৰ্শ হিচাপে গ্ৰহণ কৰিছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

সংস্কৃতিৰ সমন্বয় মানে কি?

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

**অবিচ্ছিন্ন ধাৰা ঃ**

সাংস্কৃতিক সমলৰাজিৰ দিশত যেনেকৈ গাইগুটীয়া গোট বা একক বৈশিষ্ট্য খুব কমেইহে বিদ্যমান, তেনেকৈ আৱয়বিক নৃতাত্ত্বিক দিশতো বিশুদ্ধ ৰক্তৰ বুলি দাবী কৰিব পৰা কোনো প্ৰজাতি অসম তথা উত্তৰ-পূৰ্বাঞ্চলত নাই। এই পৰিপ্ৰেক্ষিততে বৰ অসমত জাতি-জনজাতিৰ অবিচ্ছিন্ন ধাৰা (Tribe-Caste Continuum) বোলা তাত্ত্বিক কথাৰ প্ৰাসঙ্গিকতা আহি পৰে। অসমত এনে কোনো জাতি বা জনজাতি নাই, যি কাৰো লগত মিলা-মিছা নকৰাকৈ নিৰঙ্কুশ দূৰত্বত অৱস্থান কৰি বৰ্তি আছে। লোকগীত-লোকভাষা, লোকাচাৰ-লোকধৰ্ম, বেশন-ভূষণ, খাদ্যাভ্যাস এই সকলোতে কাৰোবাৰ নহয় কাৰোবাৰ মাজত সাদৃশ্য বিচাৰি পাবই। ইয়াৰ বিপৰীতে এটা জাতি বা জনজাতিৰ ভিতৰতে আন্তঃবিৱৰ্তন উৎপৰিৱৰ্তন (micro-evolution)ৰ ফলশ্ৰুতিত কেতবোৰ সুকীয়া উপফৈদ বা খেলৰো সৃষ্টি নোহোৱাকৈ থকা নাই। আৰ্যীকৰণৰ দৃষ্টিৰে চাবলৈ গ'লে একেটা ৰাভা জনজাতিৰ মাজত যি সাত-আঠটা খেল আছে। তাৰ ভিতৰত যথাক্ৰমে ৰংদানি— মায়তৰি—দাহৰি—পাতি/টোটলা—মদাহী/কোচ/শৰণীয়া এনেধৰণৰ সামাজিক স্থিতি পোৱা যায়। সেইদৰে তিব্বতবৰ্মীয় ভাষী কোচ জনজাতিৰ মাজত ৱানাং/ছংগা/তিনতেকীয়া—হাৰিগাঞ্জা—সাতপাৰিয়া—চাপৰা—সংকৰ কোচ/কোচ ৰাজবংশী এই অনুক্ৰমে সামাজিক স্থিতি লাভ কৰিছে। বৃহত্তৰ বড়ো (কছাৰী) জনজাতিৰ পৰাই মেচ (কছাৰী), সোণোৱাল (কছাৰী), ঠেঙাল (কছাৰী), তিৰুৱাল কছাৰী, বৰাহী কছাৰী, মহং কছাৰী, ফুলগুৰীয়া, দাঁতিয়াল (কছাৰী), শৰণীয়া (কছাৰী) আদি বিভিন্ন ফৈদ-উপগোষ্ঠীৰ বিকাশ বা একোটা স্বতন্ত্ৰ জনজাতি হিচাপে নব্য পৰিচিতি লাভ কৰা কথাটো পণ্ডিতসকলে মানি লৈছে। সেইদৰে আৰ্যীকৰণ দৃষ্টিৰে দেউৰী (চুতীয়া)

জনজাতিৰ সমাজত আটাইতকৈ নিম্নত দিৰঙীয়া আৰু ক্রমান্বয়ে টেঙাপনীয়া—বৰগঞা—পাটৰ গঞা (বিলুপ্ত)—বৰাহী চুতীয়া/বুৰুক চুতীয়া—আহোম চুতীয়া—হিন্দু চুতীয়া প্রভৃতি উপগোষ্ঠীৰ স্থান। মিছিঙৰ ক্ষেত্রতো চামগুৰীয়া, বেবেজীয়া, ৰিহিয়া, বংকোৱাল আদি মিছিং ভাষা নোকোৱা ফৈদতকৈ পাগ্ৰ, তেমেৰা, দামৰী আদি মিছিং ভাষা কোৱা ফৈদৰ স্থান ভালেখিনি উচ্চস্থানত বুলি ভবা হয়। উজনি অসমৰ কোচ জাতিৰ মাজতে মদাহী কোচ—শৰণীয়া কোচ—হেৰেমিয়া কোচ/সৰু কোচ—কামতালি কোচ/বৰকোচ আৰু আহোমৰ মাজতো ৰীতিয়া-অৰীতিয়া, কেঁচা ভকত-পকা ভকত (ৰাতি খোৱা/সেৱা পন্থা), আহোম চুতীয়া প্রভৃতি ফৈদ-উপফৈদৰ গিজগিজনি দেখা যায়। সেইদৰে সদৌ উজনি-নামনি অসম (প্রাচীন কামৰূপ-কামাখ্যাৰ অন্তর্গত ৰত্নপীঠ-কামপীঠ-স্বর্ণপীঠ-সৌমাৰপীঠ) ব্যাপি কোচ-ক্ষত্রিয়-ৰাজবংশী, নাথ-যোগী-কাটনী, বৰ কলিতা-সৰু কলিতা-পানী কলিতা, কেওট (হালোৱা/জালোৱা), কৈৱৰ্ত (ডোম), গৰীয়া-মৰিয়া-দেশী (মুছলমান) মটক-মৰাণ, কায়স্থ-ভূঞা-মহন্ত, বামুণ-গণক-হাবুঙীয়া-বৰীয়া (দ্বিজ-দৈৱজ্ঞ, চন্দ্রবিপ্র-সূর্যবিপ্র), হীৰা-কুমাৰ-মালী-মালাকাৰ, হাৰী-চমাৰ-ধোবা (ৰজক)-চণ্ডাল, সূত্রধাৰ-নমঃশূদ্র-জলধা, সূত-সূৰী-শালৈ-বৈশ্যমৰল আদি বিভিন্ন ফৈদ-উপফৈদৰে গঠিত তাহানিৰ বামুণ-শূদিৰ, কায়স্থ-কলিতা, গোসাঁই-মহন্ত ইত্যাদি নামেৰে বহুল পৰিচিত এক বৰ্ণ হিন্দু (Caste Hindus) সমাজ।

মন কৰিবলগীয়া যে জাতি-জনজাতিৰ অবিচ্ছিন্ন ধাৰা বৰ্তি থকা অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ মাজত এক সমাহৰিত সংস্কৃতি (Cultural assimilation/synthesis) বা সংস্কৃতিধাৰণ (Acculturation) অধিক মাত্রাত পৰিলক্ষিত হয়। এয়া ক'বলৈ গ'লে একপ্রকাৰৰ সাংস্কৃতিক বিনিময় (Exchange of culture)। এই ধৰণৰ আৰ্যীকৰণ-অনাৰ্যীকৰণৰ দ্বন্দ্বত অৰ্থাৎ জাতি-জনজাতিৰ দোমোজাত পৰি বৃহত্তৰ অসমীয়া জাতি গঠন প্রক্রিয়াই কেতিয়াবা পূর্ণতাৰ পিনে আৰু কেতিয়াবা পশ্চাৎমুখী হৈ অসমীয়া সমাজ জীৱনক নিয়ন্ত্রণ কৰি ৰাখিছে বুলি ক'লে বঢ়াই কোৱা নহ'ব। উদাৰ নীতি গ্ৰহণ কৰা আহোমসকলৰ ছশবছৰীয়া ৰাজত্বকালত বা মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত জাতিভেদহীন নৱবৈষ্ণৱ ধৰ্মৰ পাৰ ভঙা উছাহত অসমীয়া আৰু অসমৰ লোকজীৱনত ভাৰতৰ আন প্রান্তৰ দৰে হিন্দুধৰ্মীয় কু-সংস্কাৰৰ কু-প্ৰভাৱ বৰকৈ পৰিলক্ষিত হয়। বাল্যবিবাহ, শিশুবধ প্ৰথা, সতীযোৱা প্ৰথা, যৌতুক প্ৰথাই কোনোকালে অসমত গ্রাস কৰিবতো নোৱাৰিলেই বৰঞ্চ অস্পৃশ্যতা আৰু বৰ্ণপ্ৰথাই অসমত গাকৰি উঠিবই নোৱাৰিলে। আধুনিক জীৱন-যাত্ৰাত পাথেয় বুলি বিবেচিত হোৱা স্ত্রী শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ, নাৰী সবলীকৰণ, বিবাহত নাৰীৰ মতামতক প্ৰধান্য দান, কৃষি-ব্যৱসায়-বাণিজ্য সকলোতে নাৰীৰ সমঅংশীদাৰিত্ব আৰু গৃহ পৰিচালনা-ৰন্ধন কলা-ব্যঞ্জন কলা ইত্যাদি সকলো দিশতে অসমীয়া আৰু অসমৰ জীয়ৰী-বোৱাৰীৰ দপ্দপনি তাহানিৰ পৰা আজিৰ বিশ্বায়নৰ দিনলৈকে সমমাত্ৰাত বিৰাজমান।

এনে পৰিপ্ৰেক্ষিততে অসমৰ সমাজ-সংস্কৃতি বিশেষকৈ অসমীয়া আৰু অসমৰ

ভাষা-সাহিত্যৰ ক্ষেত্ৰখনত বৈচিত্ৰ্যৰ মাজত ঐক্যই দেখা দিলে। আৰ্যভিন্ন ভাষাৰ দ্বীপৰ দৰে সহঅৱস্থান কৰা অসমীয়া ভাষাই এওঁলোকৰ কথিত ভাষাৰ পৰা লাভ কৰিলে সুৰ-লহৰকে ধৰি নানা ধৰণৰ আৰ্য ভাষাত বিৰল ধ্বনিমালা (দন্তমূলীয় ধ্বনিৰ প্ৰাধান্য ইয়াৰ অন্যতম বৈশিষ্ট্য), কেতবোৰ ৰূপ-তাত্ত্বিক বৈশিষ্ট্য (সম্বন্ধবাচক আৰু সংখ্যাবাচক নিৰ্দিষ্টতা, নঞৰ্থক পূৰ্বসৰ্গকে প্ৰমুখ্য কৰি অপ্ৰত্যয়ান্ত লিংগ আৰু বচনবাচক ৰূপ) আৰু বিপুল শব্দসম্ভাৰ (সংস্কৃতিৰ লগত জড়িত)। ঠিক সেইদৰে অসমীয়াৰ চৌপাশে আগুৰি থকা লিপিবিহীন (অলিখিত) আৰ্যভিন্ন বড়ো, ৰাভা, তিৱা, মিছিং, দেউৰী, কাৰ্বি আদি ভাষাই লিপিকে ধৰি আৰ্য অসমীয়াৰ সুশৃংখলিত ব্যাকৰণিক ৰূপ আৰু জটিল বাক্য-গাঁথনি। লোকভাষা-লোকসাহিত্যৰ দিশতটো ক'বই নালাগে। অসমীয়া বিহুগীত-বনঘোষা, কাহিনী, গীত-মালিতা, নিচুকণি গীত, খেল-ধেমালিৰ গীত, প্ৰবাদ-পটন্তৰ আদিৰ লগতে বহুকেইটা সাধুকথা-দৃষ্টান্তৰ মূল জন্মদাতা এইসকল ভাষা-ভাষীৰ অনামী কবি বা শ্ৰষ্টা। ঠিক একেদৰে ধৰ্মীয় স্তোত্ৰমালা, মন্ত্ৰ সাহিতচ্য, দেহ বিচাৰৰ গীত, বিয়ানাম-আইনাম আদি আধ্যাত্মিক দিশৰ লগত জড়িত অসমীয়া লোকসাহিত্যৰ সমলৰাজিৰ ইয়াৰ থলুৱা বা ভাষাবিলাকো চহকী হৈছে। নিজ ভাষালৈ অনুবাদ কৰি বা হেনা-হুচা অসমীয়াৰ মাজেদি এনে গীত-মাতবোৰ পৰিপুষ্ট হৈছে।

সাজ-পাৰ, খাদ্যাভ্যাস, লোকবাদ্য, বাসস্থান আৰু জীৱিকাৰ লগত জড়িত ভৌতিক সংস্কৃতি, সামাজিক ৰীতি-নীতি আৰু লোকপৰিবেশ্য কলা এই সকলো উমৈহতীয়া বৈশিষ্ট্যৰে বৈশিষ্ট্যময়। কৃষি উৎসৱ বিহু আৰু বিহুধৰ্মী উৎসৱ-পাৰ্বণ, বিহুৰ লগত জড়িত নানা লোকাচাৰ আৰু লোকনৃত্য, বিহু-হুঁচৰি সকলোতে সমন্বয়ৰ আদৰ্শ বিৰাজমান। জাতীয় সাজ-পাৰেৰে সুসজ্জিত হৈ লোকবাদ্য বজাই সাতবিহুলৈকে ৰঙালী বিহু উদ্‌যাপন কৰি ধৰ্মীয় কৃত্যৰ সমান্তৰালভাৱে মিতিৰ-কুটুম, চেনেহ-চেনেহীৰ শ্ৰদ্ধা-মৰম বিনিময় কৰি ডেকা-গাভৰুৱে সমজুৱাভাৱে জীৱন লগৰী নিৰ্বাচন কৰি জীৱন যাপন আৰু জীৱন উদ্‌যাপন কৰাৰ সমন্বয় ক্ষেত্ৰ হ'ল অসমীয়াৰ হিয়াৰ আমঠু ব'হাগৰ বিহুটিয়ে। কিছু কিছু আঞ্চলিকতা বিদ্যমান যদিও উজনি অসমৰ দেউৰী-চুতীয়া, বৰাহী-কছাৰী, মৰাণ-মটকৰ মাজত গছৰ তলত পতা বিহুকে ৰংঘৰ বাকৰিলৈ আনি আহোম স্বৰ্গদেউসকলে ৰাজকীয় স্বীকৃতি দিয়াই নহয়, ইয়াক সমন্বয়ৰ মেলালৈ ৰূপান্তৰ কৰিলে। উজনি-নামনিভেদে, জাতি-জনগোষ্ঠীভেদে কথ্য ৰূপত দোৱান আকাৰত প্ৰচলিত অসমীয়া ভাষাৰে বুৰঞ্জীপুথিকে প্ৰমুখ্য কৰি ব্যৱহাৰিক গদ্য, চিঠি-পত্ৰৰ ভাষা আদিত ব্যৱহাৰ কৰি নতুন মাত্ৰা প্ৰদান কৰিলে। প্ৰাক্‌শংকৰী আৰু শংকৰী যুগৰ কবি-ধৰ্মপ্ৰচাৰকসকলক পৃষ্ঠপোষকতা কৰি অকল আহোম ৰাজপৰিয়ালে নহয় নামনিৰ কোচ-কমতা ৰজা, কছাৰী ৰজা আৰু ৰাজন্যবৰ্গই মান্য অসমীয়াৰ ভেঁটি মজবুত হৈ উঠাত ইন্ধন যোগালে। কছাৰী ৰজা মহামানিক্য (মহামানিক্য), কোচ ৰজা নৰনাৰায়ণ, মহাবীৰ চিলাৰায়, ৰুদ্ৰসিংহ, কছাৰী ৰামী চন্দ্ৰপ্ৰভাৰ সাহিত্য প্ৰীতি সঁচাকৈ ঈৰ্ষণীয় আছিল। প্ৰাচীন কামৰূপৰ সিদ্ধাচাৰ্যসকলৰ চৰ্যাপদৰ পিছতে কমতেশ্বৰ দুৰ্লভনাৰায়ণৰ ৰাজসভাত

হেম সৰস্বতীয়ে প্ৰহ্লাদ চৰিত্ৰ, হৰিবৰ বিপ্ৰই বভ্ৰুবাহনৰ যুদ্ধ ৰচনা কৰাৰ দৰে কছাৰী ৰজা মহামানিক্যৰ পৃষ্ঠপোষকতাত মাধৱ কন্দলীয়ে ৰামায়ণ আৰু তাৰ পৰৱৰ্তীকালত অন্যান্য পাঁচালী কবিসকলে মনসা পুৰাণ, বৈষ্ণৱ কবিসকলে ৰামায়ণ-মহাভাৰতৰ পদ ভাঙনি কৰি এই ধাৰা অব্যাহত ৰাখিছিল। শংকৰোত্তৰ যুগত অসমীয়া সাহিত্যই গদ্য-পদ্য, নাট-ভাওনাৰ মাজেদি পূৰ্ণ বিকশিত ৰূপ লাভ কৰিছিল।

সংস্কৃতিৰ যে অকল সমাহৰিত বা বিনিময়ে হয় এনে নহয় সংস্কৃতিৰ আত্মীকৰণ আৰু সংস্কৃতি ধাৰণো (acculturation) হয়। সংস্কৃতি ধাৰণে একোটা ফৈদ-সম্প্ৰদায় বা জাতি-জনগোষ্ঠীক সমৃদ্ধ কৰে বা কেতিয়াবা আন এটা সংস্কৃতিৰ সৈতে সম্পূৰ্ণৰূপে বিলীণো হৈ যাব পাৰে। নিজস্বতা এৰি দি আনৰ সংস্কৃতি ধাৰণ কৰি একালৰ মংগোলীয় মূলীয় ৰাজবংশী, মৰাণ, চুতীয়া, আহোম যেনেকৈ বৃহত্তৰ অসমীয়া জাতিসত্তাৰ পতন কৰিলে, তেনেকৈ সুদূৰ কান্যকুব্জ, মিথিলা, আৰ্যবৰ্তৰ পৰা চামে চামে অহা ব্ৰাহ্মণ-কায়স্থ-নাথযোগী আদি বৰ্ণহিন্দুই অসমীয়া ভাষা গ্ৰহণ কৰি অকল উগ্ৰ ব্ৰাহ্মণ্যভেদে পৰিত্যাগ নকৰিলে মাছ-মাংস ভক্ষণ, তামোল-পাণ গ্ৰহণ, মদ-মদিৰা সেৱনৰ পৰম্পৰাও নিজ খাদ্যাভ্যাসৰ উপৰি পূজা-পাতলতো প্ৰৱৰ্তন কৰালে। অসমীয়া ক'লাখাৰ, খাৰলি-কাহুদি, টেঙা-খৰিচা, চুঙাপিঠা, শুকান মাছ, পলু-আমৰলিৰ টোপ, কেঁকোৰা-কুচিয়া, কুকুৰা-কুকুৰাকণী, কচুলতি-ভেদাইলতা, মেচাকি-মেজেঙা-মেমেধু, শোকোতা-শুকতি, পোৰা-পিটিকাৰে আহাৰ-বিহাৰ কৰি অসমৰ থলুৱা জীয়াৰী-বোৱাৰীৰে ঘৰ-সংসাৰ কৰি বহল মনৰ পৰিচয় দাঙি ধৰিলে। বিবাহত আন আন হিন্দু ধৰ্মীয় চতুৰ্বৰ্ণ প্ৰথাৰ উপৰিও গান্ধৰ্ব্য-ৰাক্ষস-পৈশাচকে ধৰি বিধবা বিবাহকো মৰ্যাদা দি আকোঁৱালি ল'লে। শ্ৰাদ্ধ-পিণ্ড, যাগ-যজ্ঞ সকলোতে কিছু শিথিল ৰূপ পৰিগ্ৰহ লাভ কৰাৰ পৰিবেশ ৰচনা কৰিলে। বুঢ়াগোসাঁই-বুঢ়ীগোসাঁনী, আইপূজা, বাঁহপূজা, লিংগ-যোনী পূজা, বৃক্ষপূজা, ভূমিপূজাৰ দৰে কৈৰাতজ ধৰ্মমতকো যোগিনীতন্ত্ৰ বা কালিকা পুৰাণত অন্তৰ্ভুক্ত কৰি মৰ্যাদা প্ৰদান কৰি ল'লে।

নিজৰ কাঠৰি পিতৃতান্ত্ৰিক সমাজ-ব্যৱস্থাৰ পৰা কিছু পৰিমাণে মুক্ত হৈ নাৰী স্বাধীনতাক (নাৰীপূজা) স্বীকৃতি দি হাজৰিকা, শইকীয়া, বৰা, বৰুৱা, মেধি, দাস, ঠাকুৰীয়া, ভৰালী, ডেকা, পাচনী, তামুলী, দলৈ, ফুকন, খনিকৰ, খাৰঘৰীয়া, ৰাজখোৱা আদি জাতি-বৰ্ণ-ধৰ্মৰ পৰিচয় নথকা সাৰ্বজনীন উপাধিৰে পৰিচিত হৈ নিজকে বৃহত্তৰ অসমীয়া জাতি গঠনৰ অংশীদাৰিত্ব কৰি ল'লে।

বৃটিছৰ দিনত ভাৰতৰ ভিন ভিন প্ৰান্তৰ পৰা অহা ভিন ভিন মূলৰ শ্ৰমজীৱী চাহ জনগোষ্ঠী (বাগানীয়া) আৰু কৃষিজীৱী মৈমনসিঙীয়া (মিঞা)ৰ লগতে গো-পালক নেপালী (গোৰ্খালি), ব্যৱসায়ী মাৰোৱাৰী (কেঞা), বৃত্তিজীৱী বাঙালী (কেৰাণী-মহৰি-কাৰিকৰ), যোদ্ধা শিখ-যবন (শ্বেখ-চৈয়দ-মোগল-পাঠান) আৰু ভোজপুৰী/মালবাহী দেশোৱালী (বিহাৰী)ৰে গঠিত ন-অসমীয়াৰ এক বৃহৎ জনসংখ্যাও ক্ৰমে-অনুক্ৰমে এই অসমীয়া জাতি গঠনত চামিল হ'বই ধৰিছে। মুঠতে অসমত জাতি-

উপজাতি, জনজাতি-জনগোষ্ঠীৰ সীমা-সংখ্যা নাই।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। সমাহৰণ অভিধাটিয়ে কি সূচায়?

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

২। সংস্কৃতিৰ সমাহৰণ আৰু বিনিময় একে নে?

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ২.৪ অসমীয়া সংস্কৃতিৰ অনাৰ্যীকৰণ/খিলঞ্জীয়াকৰণ/জনজাতিকৰণ

অতি সাম্প্ৰতিক কালত জনজাতীয় সমাজতো মধ্যবিত্ত মানসিকতাৰ উদয় হোৱাত আৰু শিক্ষিত এচাম ৰাজনীতি সচেতন ব্যক্তিৰ প্ৰত্যক্ষ হস্তক্ষেপত পুনৰ পূৰ্বৰ পৰ্যায়লৈ উভতি যোৱাৰ বা নতুন পৰিচয় বিসৰ্জন দিয়াৰ কুচকাৱাজ আৰম্ভ হৈছে। বহু যুগ ধৰি অব্যাহত ৰখা সংস্কৃতায়ন বা আৰ্যীকৰণৰ বিপৰীতে স্বাধীনতাৰ পৰৱৰ্তী কালত ভাৰতত বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলত হঠাতে এই গতি ৰুদ্ধ কৰাৰ প্ৰৱণতাই গা কৰি উঠিছে। লোক-সংস্কৃতিৰ বা সমাজ তত্ত্বৰ পৰিভাষাত ইয়াক আমি অনাৰ্যীকৰণ (Non-Asyanisation) বা অসংস্কৃতায়ন (de-sanskritization) বুলিব পাৰোঁ যদিও ইয়াত ৰাজনীতিৰ গোন্ধ থকা বাবে এই নামটো পৰিহাৰ কৰি খিলঞ্জীয়াকৰণ (Indienisation) বা সাংস্কৃতিক পুৰনজীৱিতকৰণ ( cultural revivalisant) বুলিলেহে অধিক ৰজিতা খাব। অৱশ্যে একে প্ৰক্ৰিয়াটোকে সাংবিধানিক স্বীকৃতিৰ দিশত জনজাতীয়কৰণ (tribalisation) বা ষষ্ঠ অনুসূচিত অন্তৰ্ভুক্তিকৰণ (Indusion of Sixth schedule) বুলিহে বৰ্তমান অধিক মাত্ৰাত চৰ্চিত।

অন্যান্য বৰ্ণহিন্দু জাতি-সম্প্ৰদায়ৰ চলনা আৰু বঞ্চনাৰ দোহাই দি (ৰাজনৈতিক কাৰণত) নিজৰ নিজৰ পূৰ্বৰ জাতিগত পৰিচয় অক্ষুণ্ণ ৰাখিবলৈ পুনৰ পূৰ্বৰ স্বজাতীয় ভাষা-সমাজ-সংস্কৃতিৰ প্ৰতি ঘোৰ অনুৰাগী হৈ পৰা পৰিঘটনাই অনাৰ্যীকৰণ বা খিলঞ্জীয়াকৰণ বা সাংস্কৃতিক পুনৰজীৱিতকৰণ। সংবিধান প্ৰদত্ত জনজাতীয় পৰিচয়, ৰাজনৈতিক ৰক্ষণাবেক্ষণ, স্বায়ত্ত সাসন আদিৰ সুবিধা লাভৰ বাবে উগ্ৰ জাতীয়তাবাদ (জনজাতীয়কৰণ/trifalism) ঠন ধৰি উঠাটো তেনেই স্বাভাৱিক। কিন্তু ইয়াক তৃণমূল পৰ্যায়লৈ নিবৰ বাবে উগ্ৰ জনজাতীয় বা জাতীয়তাবাদী দৃষ্টিৰে এটা বা একাধিক

ৰাজনৈতিক কাৰক (issue)ৰ সুবিধা গ্ৰহণ কৰে। অসমৰ ৰাজ্যিক ভাষা আইন (১৯৬২/১৯৭১) অসম ছাত্ৰ আন্দোলন (১৯৭৯-৮৬) কেন্দ্ৰীয় আৰু ৰাজ্যিক উভয় চৰকাৰৰ জনজাতীয়কৰণৰ কোনো স্পষ্ট নীতি নথকাৰ অজুহাত আৰু সেই কালছোৱাত ক'ৰবাত দুই-এক সৰু-সুৰা অপ্ৰীতিকৰ ঘটনা-অনুঘটনাৰ গইনা লৈ তাতে বৰ্ণবাদৰ শোষণ-নিপীড়ন বুলি মাৰ্কা মাৰি উগ্ৰ অসমীয়াকৰণ (অসমীয়াগিৰি)ৰ গোন্ধ পাই প্ৰকাশ্যে আৰু ঐক্যবদ্ধভাৱে সিবোৰৰ প্ৰত্যাহ্বান জনাবলৈ বড়ো মাধ্যম আন্দোলন, বড়ো ছাত্ৰ আন্দোলন সফল হোৱাত তাক অনুসৰণ কৰি অসমৰ সৰু-বৰ জাতি-জনগোষ্ঠীয়ে উগ্ৰ জনজাতীয়/জাতীয় মানসিকতা প্ৰদৰ্শন কৰিবলৈ বহু দন-সংগঠনৰ জন্ম দিলে। স্বজনগোষ্ঠীয় বেশন-ভূষণ পৰিধান কৰি (ৰাজহুৱা ঠাইতো), স্বজনগোষ্ঠীয় চাল-চলন প্ৰদৰ্শন কৰি (নিজ নিজ ভাষাৰে সভাই-সমিতিয়ে বক্তৃতা দি, সৰু সৰু থূল বা দলত বিভক্ত হৈ), বিপুল অৰ্থ আৰু শ্ৰম ব্যয় কৰি সাহিত্য সভা, ছাত্ৰ সন্থা, মহিলা সন্থাৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰি আৰু ৰাজনৈতিকভাৱে ঐক্যৱদ্ধ হৈ পৃথক ৰাজ্য বা স্বায়ত্ত শাসনৰ দাবী তুলি এনে আন্দোলন বা জনজাগৰণ জোৰদাৰ কৰাব পৰিবেশ ৰচনা কৰিলে। ফলত বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত সাময়িকভাৱে কিছু ব্যাঘাত ঘটা পৰিলক্ষিত হ'ল আৰু বহুতে ব্ৰাহ্মণ্য বা মহাপুৰুষীয়া পৰম্পৰা বহিৰ্ভূত আচৰণ কৰি পূৰ্বৰ দৰে জড়োপাসনা বা অহিন্দু দেৱ-দেৱীৰ পূজা-আৰাধনাকে পুনৰ আকোঁৱালি ল'বলৈ ধৰিলে। মাতৃভাষা পাহৰি যোৱা ফৈদ-উপফৈদৰ মাজতো মাতৃভাষাৰ বিদ্যালয় বা মাতৃভাষা শিক্ষাৰ বাবে ব্যাকৰণ-অভিধান-পাঠ্যপুথি প্ৰণয়ন হ'বলৈ ধৰিলে। ফলত অসমৰ বিদ্যালয়ত ত্ৰিভাষাৰ পৰিৱৰ্তে চতুৰ্ভাষা সূত্ৰ চৰকাৰী-বেচৰকাৰী অনুষ্ঠানসমূহত বহু সাংস্কৃতিক চৰিত্ৰ (multicultural dimension) আৰু দৈনন্দিন সমাজ জীৱনতো সহিষ্ণুতাৰ আদৰ্শ পূৰ্বৰ তুলনাত অধিক মাত্ৰাত প্ৰকট হোৱা দেখা গৈছে। এয়া একপ্ৰকাৰৰ সন্তুলিত সমাজ-ব্যৱস্থা আৰু বহুভাষিক-বহুনাগৰিক (cosmopolitan) ৰাজ্য এখনৰ বাবে অতিশয় কাম্য।

**আত্মমূল্যায়ন প্ৰশ্ন**

অনাৰ্যীকৰণ বা খিলঞ্জীয়াকৰণৰ মূল তাৎপৰ্য কি?

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

## ২.৫ সাৰাংশ (Summing Up)

সংস্কৃতি এখন বোঁৱতী নৈ। নদীয়ে সময়ে সময়ে গতি পথ সলায়, ক'ৰবাত ন-সুঁতি আৰু ক'ৰবাত এৰাসুঁতিৰ সৃষ্টি কৰে আৰু এইদৰে সাগৰমুখী হৈ মূল সুঁতি

অনুসাৰে ধাৱিত হয়— অবিৰামভাৱে। সংস্কৃতিৰ ক্ষেত্ৰতো আদান-প্ৰদান আৰু বিনিময়ৰ দ্বাৰা ই কেতিয়াবা কোৰাল সুঁতিৰে সমৃদ্ধ হয় আৰু কেতিয়াবা বালিচৰ পৰি শুকাই যায়। যুগৰ পৰিৱৰ্তনৰ লগে লগে পুৰণি ৰীতি-নীতি, লোকাচাৰ, খাদ্যাভ্যাস-সাজপাৰ আদি সাংস্কৃতিক সমলৰাজিৰ পৰিৱৰ্তন হ'বলৈ ধৰে। বিশ্বায়নে এই পৰিৱৰ্তনক অতি দ্ৰুত কৰিলে। সেয়েহে পৰিৱৰ্তনশীল সমাজ-ব্যৱস্থাত ইয়াৰ জনজীৱনৰ মানসিকতাৰ পৰিৱৰ্তন হোৱাৰ লগে লগে ভাষা-সংস্কৃতিৰো পৰিৱৰ্তনৰ সূচনা হয়। সাংস্কৃতিক সমাহৰণ, সংস্কৃতি ধাৰণ, সাংস্কৃতিক বিনিময় আদি পৰিভাষা-পৰিঘটনাই তাৰে ইংগিত বহন কৰে।

## ২.৬ আৰ্হি প্ৰশ্ন (Sample Question)

১। সমন্বয় মানে কি? সংস্কৃতিৰ সমন্বয় সম্পৰ্কে আলোচনা কৰক।

২। "অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি" কথাষাৰিৰ তাৎপৰ্য বিচাৰ কৰক।

৩। সংস্কৃতিৰ সমাহৰণ মানে কি? অসমীয়া সংস্কৃতিক আধাৰ হিচাপে লৈ ব্যাখ্যা কৰক।

৪। সংস্কৃতিৰ সমাহৰণে উমৈহতীয়া সংস্কৃতিক বুজায় নে? বহলাই আলোচনা কৰক।

৫। "অসমীয়া সংস্কৃতিত সমন্বয়"- শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰক।

৬। সাংস্কৃতিক বিনিময় মানে কি? অসমীয়া সংস্কৃতিক আধাৰ হিচাপে লৈ ফঁহিয়াই চাওঁক।

৭। অনাৰ্যীকৰণ মানে কি? বহলাই আলোচনা কৰক।

৮। অনাৰ্যীকৰণক খিলঞ্জীয়াকৰণ অথবা জনজাতিকৰণ বুলিব পাৰি নে? অসমীয়া সংস্কৃতিৰ বিষয়বস্তু লৈ আলোচনা কৰক।

## ২.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

দত্ত, বীৰেন্দ্ৰনাথ ঃ লোকসংস্কৃতিৰ স্বৰূপ আৰু অধ্যয়ন, ড° লীলা গগৈ স্মাৰক বক্তৃতা, ৩০ নৱেম্বৰ, ১৯৯৬,

নাথ, প্ৰফুল্ল ঃবিশ্বায়ন আৰু অসমীয়া সংস্কৃতি',অসমীয়া লোকসাহিত্য আৰু সংস্কৃতি, ২০১৯

Bushan, B.: Dictionary of Sociology, 1997

Dorson, R.M. :Folklore in the Modern World. 1981

Margeret Rouse, whatis.com, 17 May 2019.

Y.M. Sololov- (Russian Folklore, 1950

## তৃতীয় বিভাগ
## সংস্কৃতিৰ গোলকীকৰণ

**বিভাগৰ গঠনঃ**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ গোলকীকৰণ বা বিশ্বায়নৰ ধাৰণা
    ৩.৩.১ বিভিন্ন গণমাধ্যম (চিনেমা, ৰেডিঅ', টেলিভিশ্যন, ফটোগ্ৰাফী আদি)
    ৩.৩.২ চাইবাৰ ক্ৰাইম (চাইবাৰ সংস্কৃতিৰ ধাৰণা)
    ৩.৩.৩ ইণ্টাৰনেট, ই-সাহিত্য, অন-লাইন জাৰ্ণেল, বেব-ছাইট, ছ'চিয়েল চাইট, ভিডিঅ' গেম, পৰ্ণ ছাইট, ইত্যাদি
৩.৪ ইণ্টানেটৰ ক্ষতিকাৰক দিশসমূহ
৩.৫ বিশ্বায়নৰ আৰু অসমীয়া ভাষা-সাহিত্য
৩.৬ বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি
৩.৭ বিশ্বায়নৰ কু-প্ৰভাৱ আৰু ইয়াৰ প্ৰত্যাহ্বান
৩.৮ সাৰাংশ (Summing Up)
৩.৯ আৰ্হি প্ৰশ্ন (Sample Question)
৩.১০ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ৩.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত সংস্কৃতিৰ সমন্বয়, সমাহৰণ, অনাৰ্যীকৰণ আৰু সাংস্কৃতিক বিনিময়ৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিৰ আলোচ্য বিষয় হ'ল সংস্কৃতিৰ গোলকীকৰণ বা বিশ্বায়ন।

বৰ্তমান সমাজত অন্য এক সংস্কৃতিয়ে গা কৰি উঠিছে। বৰ্তমান যুৱ সমাজত গা কৰি উঠা সপোনৰ পিছত দৌৰি ক্লান্ত হ'লেও সপোনক চুই চোৱাৰ আকাংক্ষা এৰি নিদিয়া এই সংস্কৃতিয়ে হৈছে **বিশ্বায়ন সংস্কৃতি** (global culture)। ইণ্টাৰনেট, বিভিন্ন গণ মাধ্যম তথা সামাজিক মাধ্যমৰ বহুল প্ৰয়োগ এই বিশ্বায়ন সংস্কৃতিৰ মূল আধাৰ।

এক বা একাধিক জনগোষ্ঠীয়ে বসবাস কৰা কোনো এখন ভূখণ্ডৰ অথবা এক বা একাধিক ভূখণ্ডত বসবাস কৰা বিশেষ এটা জনগোষ্ঠীৰ প্ৰণালীবদ্ধভাৱে পালন কৰি অহা ৰীতি-নীতি, বিশ্বাস-অবিশ্বাস, খাদ্যাভাস, সাজ-পাৰ, লোক-কলা, উৎসৱ-পাৰ্বন, নৃত্য-গীত, মাত-কথা আদি ;যাক আমি সংস্কৃতি (culture) বুলি বুজো সেয়া আন এটা সংস্কৃতিৰ সংস্পৰ্শলৈ আহিলে (সহাৱস্থান, সংঘাত , সমন্বয়, আন্তঃবিবাহ আদিৰ প্ৰভাৱত) সেই দুই বা ততোধিক সংস্কৃতিৰ সমাহৰণ (assimilation), সংস্কৃতি-

ধাৰণ (acculturation) নতুবা বিশ্বায়নৰ প্ৰভাৱত পৰি হয় দ্বিতীয় অস্তিত্ব (Second existence) নহয় কৃত্ৰিম লোকবিদ্যা (fakelore) লৈ পৰিৱৰ্তন হয়।

## ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- বিশ্বায়নৰ ধাৰণা লাভ কৰি ইয়াৰ কাৰক সমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- ইণ্টাৰনেটৰ প্ৰতিকাৰক দিশসমূহ চালি-জাৰি চাব পাৰিব,
- অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ ওপৰত বিশ্বায়নৰ প্ৰভাৱ সম্পৰ্কে পৰ্যালোচনা কৰিব পাৰিব,
- বিশ্বায়নৰ কু-প্ৰভাৱ আৰু ইয়াৰ প্ৰত্যাহ্বান সম্বন্ধে বিচাৰ কৰিব পাৰিব।

## ৩.৩ গোলকীকৰণ বা বিশ্বায়নৰ ধাৰণা

বিশ্বায়ন এটা আধুনিক পৰিভাষা আৰু মাধ্যমো বুলিব পাৰি। ব্যৱসায়-বাণিজ্য আৰু যোগাযোগ ব্যৱস্থাৰ সম্প্ৰসাৰণে বিশ্বায়নৰ প্ৰক্ৰিয়া অতি সহজ কৰি তুলিছে।১৯৬০ চনত Marshall Mchuhan নামৰ এগৰাকী চিন্তাবিদে Globalization অভিধাটোকে 'Global village' আখ্যা দি ইলেক্ট্ৰনিক যোগাযোগ মাধ্যমে এদিন সমগ্ৰ পৃথিৱীখনকে একত্ৰিত কৰি পেলাব বুলি এক ভাবিব নোৱাৰা বক্তব্য দাঙি ধৰিছিল।

বৰ্তমানে বিশ্বায়ন বা বাণিজ্যিকীকৰণৰ বিশ্ব-অৰ্থনীতি সম্পৰ্কীয় সূত্ৰই ক্ৰমান্বয়ে সমগ্ৰ বিশ্বকে গ্ৰাস কৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত-উন্নয়নে আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক ক্ষেত্ৰত দ্ৰুত-পৰিবৰ্তনৰ সূচনা কৰিছে । এনে এক পৰিৱেশত সমগ্ৰ পৃথিৱীখনে এতিয়া এখন সৰু গাঁৱলৈ পৰিণত হৈছে, যাক এক কথাত 'ভৌগোলিক গ্ৰাম'(Global Village) বুলিব পাৰি। বিশ্বায়নৰ প্ৰভাৱত সমগ্ৰ বিশ্বৰে সৰু -বৰ প্ৰায়বোৰ ভাষা-সাহিত্য আৰু জাতি-জনগোষ্ঠীসমূহৰ পৰম্পৰাগত সংস্কৃতিলৈ ভাবুকি আহি পৰিছে । বিশ্বায়নে এহাতে সকলো ধৰণৰ ভৌগোলিক, ভাষিক বন্ধন ছিন্ন কৰি স্বকীয় পৰিচয় তচনচ কৰি পেলাইছে , আনহাতে সমগ্ৰ পৃথিৱীখনক এক কৰি সমহাৰত সাৰ্বজনীন আৰ উমৈহতীয়া সংস্কৃতিৰ পিনে ধাৱমান কৰিছে।

বৰ্তমান সমগ্ৰ বিশ্বই বিশ্বায়নৰ কবলত পৰিছে। মুক্ত অৰ্থনীতিৰ পৰিণতি স্বৰূপে বিশ্বৰ বিভিন্ন ধনী দেশসমূহে নিজৰ উৎপাদিত সামগ্ৰীসমূহ বিক্ৰীৰ কাৰণে বিশ্বৰ বজাৰত মুকলি কৰি দিয়াৰ ফলত বিভিন্ন দেশত থলুৱা ভাৱে প্ৰস্তুত আৰু উৎপাদিত সামগ্ৰীৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। বিভিন্ন শ্ৰমজীৱি কৃষক, বনুৱা, শ্ৰমিকৰ লগতে কাৰিকৰ, শিল্পী, সাহিত্যিক আদিৰ জীৱনযাত্ৰাত বিশ্বায়নে এক ধুঁৱলি-কুঁৱলী পৰিৱেশৰ সৃষ্টি কৰিছে। বিশ্বৰ অৰ্থনীতিলৈ অহা এনে পৰিৱৰ্তনৰ পৰিণতি স্বৰূপে সাংস্কৃতিক ক্ষেত্ৰখনলৈয়ো প্ৰত্যাহ্বান নামি আহিছে। বিশ্বৰ চহকী আৰু বণিক গোষ্ঠীসমূহৰ পৃষ্ঠপোষকতাক কিছুমান পণ্য সামগ্ৰীয়ে বিশ্বৰ বজাৰত এক সুকীয়া আৰু স্থায়ী মূল্যমান নিৰ্ধাৰিত হোৱাৰ লগে

লগে আধুনিক ছপা আৰু বৈদ্যুতিন মাধ্যমৰ জহত ব্যাপক হাৰত প্ৰচাৰ হৈ হাজাৰ হাজাৰ মানুহৰ কাষ চাপিবলৈ সক্ষম হোৱাত প্ৰতিযোগিতামূলক বজাৰত সেইসমূহ সামগ্ৰী তিষ্ঠি থকাটো তেনেই স্বাভাৱিক হৈ পৰিছে। বিশ্বৰ বজাৰত স্থান লাভ কৰাৰ লগে লগেই সেই সেই সামগ্ৰীৰাজিৰ উৎপাদন আৰু মূল্যমান নিৰূপণতো গুৰুত্ব দিবলগীয়া হোৱাত তুলনামূলকভাৱে কম মূল্যতে সেইসমূহ সামগ্ৰী বিশ্বৰ বজাৰত মুকলি কৰি দিব পৰাগৈ হৈছে।

ভাৰতবৰ্ষ বিভিন্ন জাতি-ধৰ্ম - বৰ্ণ আৰু ভাষা-ভাষীৰ মিলনক্ষেত্ৰ। ইয়াৰ 'অনৈক্যৰ মাজত ঐক্য' পৰিচয় অক্ষুণ্ণ ৰাখি জাতীয় ঐক্য আৰু সংহতিৰ ক্ষেত্ৰত ইয়াৰ ভাষা-সাহিত্য-সংস্কৃতিয়ে অতীজৰে পৰা এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অৱশ্যে বিশ্বায়নৰ আগ্ৰাসনে ইয়াৰ সৰু সৰু ভাষা-গোষ্ঠীসমূহলৈ এক অশনি সংকেত কঢ়িয়াই আনিছে আৰু ইয়াৰ ভাষা-সাহিত্য-সংস্কৃতিক বিশ্বায়নৰ সৈতে খাপ খুৱাই নিবলৈ বহুতে অপৰাগতা প্ৰকাশ কৰিছে।

ভাৰতৰ সংবিধান স্বীকৃতি ভাষাসমূহৰ ভিতৰত অসমীয়া ভাষা-ভাষীৰ সংখ্যা হিন্দী বা বাংলা ভাষা-ভাষীতকৈ যথেষ্ট কম। সেয়েহে বিশ্বায়নৰ প্ৰভাৱে অসমীয়া ভাষাকো স্পৰ্শ নকৰাকৈ থকা নাই। বৰ্তমান ভাৰতবৰ্ষৰ আন প্ৰান্তৰ দৰে অসমতো চুকে-কোণে কাঠফুলাৰ দৰে গঢ়ি উঠা ইংৰাজী মাধ্যমৰ বিদ্যালয়ে সৰ্বনাশী ভূমিকা গ্ৰহণ কৰিছে আৰু ইয়াৰ ফলত অসমীয়াকে ধৰি অসমৰ থলুৱা ভাষা-কৃষ্টি, সাংস্কৃতিক মূল্যবোধ, ঐতিহ্য-পৰম্পৰা এই সকলো কালৰ সোঁতত ক্ৰমান্বয়ে বিলুপ্তিৰ পথলৈ গতি কৰিছে।

বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয় আৰু সমাহৰণৰ যোগেদি বৃহত্তৰ অসমীয়া জাতিৰ সৃষ্টি হৈছে। অসমৰ প্ৰধান সংযোগী ভাষা অসমীয়া আৰু ই ৰাজ্যখনৰ প্ৰধান ৰাজ্যভাষা। সেইদৰে অসমৰ অন্যতম সহযোগী ভাষা হিচাপে বড়োৰ বাহিৰে অসমৰ ৰাভা, কাৰ্বি, তিৱা, দেউৰী, ডিমাছা, মিচিং, গাৰো আদি তিব্বত-বৰ্মীয় আৰু খামতি, ফাকে, আইতন, তুৰুং আদি টাইমূলীয় ভাষাৰ প্ৰচলন আছে। বিশ্বায়নৰ পৰিণতি স্বৰূপে অসমৰ প্ৰায়বোৰ জনগোষ্ঠীয়ে নিজস্ব লিপিৰ অভাৱ হেতুকে পূৰ্বে ব্যৱহাৰ কৰা অসমীয়া লিপিৰ পৰিৱৰ্তে নতুনকৈ ৰোমান লিপি গ্ৰহণ কৰিছে। হাজং,ৰাজবংশী, শৰণীয়া কছাৰী, নাথ-যোগী, মৰাণ, চুতীয়া, আহোম, সোণোৱাল কছাৰী আদি জনগোষ্ঠীসমূহৰ নিজস্ব ভাষা নাথাকিলেও সুকীয়া সমাজ-সংস্কৃতি বিদ্যমান। দেখ দেখকৈ বিশ্বায়নে এই ক্ষুদ্ৰ জনগোষ্ঠীসমূহৰ স্বকীয়তাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে।

আমেৰিকা-ইউৰোপ, জাপান প্ৰভৃতি দ্বিতীয় বিশ্বৰ উন্নত দেশসমূহৰ বাবে বৰ্তমান ভাৰতবৰ্ষত ঔপনিবেশিক বজাৰৰ সৃষ্টি হৈছে। আনকি চুবুৰীয়া ৰাষ্ট্ৰ চীনদেশেও ভাৰতবৰ্ষত অধিক মাত্ৰাত ব্যৱসায়- বাণিজ্য সম্প্ৰসাৰণ কৰাৰ ফলত আমাৰ অৰ্থনীতিত বহিৰ্বিশ্বৰ অৰ্থনীতিয়ে বিৰূপ প্ৰভাৱ পেলাইছে।

### ৩.৩.১ বিভিন্ন গণমাধ্যম (চিনেমা, ৰেডিঅ', টেলিভিশ্যন, ফটোগ্ৰাফী আদি)

বৰ্তমান সংস্কৃতিৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণত গণমাধ্যসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সেইদৰে গণমাধ্যমে জনসংযোগৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। পূৰ্বতেও গণমাধ্যমসমূহে জনগণৰ মাজত সংযোগ স্থাপন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এই ক্ষেত্ৰত গণসংযোগ মাধ্যমসমূহক --লোকমাধ্যম, ছপা মাধ্যম, বৈদ্যুতিন মাধ্যম ইত্যাদি ভাগত বিভক্তি কৰি দেখুৱাব পাৰি। আদিতে লোক মাধ্যমৰ ৰূপত লোক গীত-মাতে প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল।

গণসংযোগ মাধ্যম হিচাপে জনসাধাৰণৰ সৈতে সংযোগ স্থাপন কৰাৰ ক্ষেত্ৰত কথাছবি বা চিনেমাৰ গুৰুত্ব সৰ্বাধিক। গণমাধ্যমৰ যোগেদি সাধাৰণতে আমোদ দান কৰা আৰু জনশিক্ষা প্ৰদান কৰা এই দুয়োটা দিশতে গুৰুত্ব দিয়া হয়। বৰ্তমান বিভিন্ন ধৰণৰ চৰকাৰী আচঁনি প্ৰচাৰৰ লগে লগে প্ৰাপ্তবয়স্ক শিক্ষাকে ধৰি চিকিৎসা, স্বাস্থ্য, সমাজ, অৰ্থনীতি প্ৰভৃতি বিভিন্ন বিষয় সামৰি ভালেমান তথ্যচিত্ৰ বা কথাছবি নিৰ্মিত হৈছে আৰু এইবোৰৰ যোগেদি জনশিক্ষা প্ৰদান কৰি জনসচেতনতা অনাটো তেনেই সহজসাধ্য হৈ পৰিছে।

ৰেডিঅ' বা অনাতাঁৰ আৰু দূৰদৰ্শন কেন্দ্ৰও গণসংযোগৰ দিশত অতি গুৰুত্বপূৰ্ণ মাধ্যম। ৰেডিঅ' অথবা টেলিভিশ্যনৰ যোগেদি জনসমাজৰ সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰি। থলুৱা ভাষা-সাহিত্য, সমাজ-সংস্কৃতিক বিভিন্ন কাৰ্যসূচী যোগে ৰেডিঅ' আৰু টেলিভিশ্যন যোগে সম্প্ৰচাৰ কৰি সংস্কৃতিৰ সংৰক্ষণত জনসাধাৰণৰ মাজত জনসচেতনতা বৃদ্ধি কৰিব পাৰি। সংস্কৃতিৰ পৰিৱৰ্তন, সংস্কৃতিৰ সংশ্ৰৱ ( Fusion of Culture ), সংস্কৃতিৰ আধুনিকীকৰণ ইত্যাদি বিভিন্ন বিষয়ত সেই সেই বিষয়ৰ বিশেষজ্ঞসকলক মাতি আনি তেওঁলোকৰ মতামতবোৰ প্ৰকাশ কৰি বিশ্বায়নৰ ধামখুমীয়াত যাতে থলুৱা-সংস্কৃতি নিশেষ হৈ নাযায় তাৰ বাবে বিভিন্ন আঁচনি যুগুত কৰি উলিয়াব পাৰি। এইবোৰ সংস্কৃতি যুগোপযোগী ৰূপত বৰ্তাই ৰাখিবৰ কাৰণে একোখন মঞ্চ তৈয়াৰ কৰি দি ৰেডিঅ' আৰু দূৰদৰ্শনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। এই দুটি প্ৰচাৰ মাধ্যমৰ যোগেদি প্ৰত্যক্ষভাৱে জনগণৰ সৈতে সংযোগ স্থাপন কৰি তেওঁলোকৰ মতামত গ্ৰহণ কৰি নৱপ্ৰজন্মৰ উপযোগীকৈ সমাজ এখন নকৈ গঢ়ি তুলিব পৰা যায়। যোগাযোগ মাধ্যম হিচাপে ৰেডিঅ' আৰু দূৰদৰ্শনে জনসাধাৰণক শিক্ষিত কৰি যুগৰ প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ তেওঁলোকক সাজু কৰি তোলে।

বৰ্তমান কেম্পাচ বা কমুউনিটি ৰেডিঅ'ৰ বিভিন্ন এফ. এম. চেনেলসমূহে জনগণৰ মাজত বিশেষ জনপ্ৰিয়তা লাভ কৰা দেখা যায়। অৱশ্যে এনে এফ. এম. ৰেডিঅ'ৰ যোগেদি বঙলুৱা ধঙেৰে ইংৰাজী-হিন্দী মিশ্ৰিত ভাষা (Hinglish) প্ৰয়োগ কৰি অসমীয়া ভাষাটোক বিজতৰীয়া কৰি তোলা বুলিও সততে অভিযোগ উত্থাপন হয়। আৰ. জে. ( Radio-Jokey) সকলৰ বক্তব্য উপস্থাপনত ব্যৱহাৰ কৰা চলতি ভাষাৰ খিচিৰি ৰূপটোৱে নৱপ্ৰজন্মক অধিক প্ৰভাৱান্বিত কৰিছে। যাৰ ফলত অসমীয়া ভাষাৰ মান্য

ৰূপটোৰ প্ৰতি শংকা মাতি আনিছে। নিৰক্ষৰতা দূৰীকৰণ, জনস্বাস্থ্য সচেতনতা বৃদ্ধি, জনশিক্ষাৰ সম্প্ৰসাৰণ আদি বিভিন্ন দিশত ৰেডিঅ' আৰু দূৰদৰ্শনে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। ভাৰতৰ দৰে এখন জনবহুল আৰু বৈচিত্ৰ্যময় দেশতআঞ্চলিক ভাষাত সম্প্ৰচাৰ কৰা ৰেডিঅ' আৰু দূৰদৰ্শনৰ জনপ্ৰিয়তা সৰ্বাধিক । প্ৰসাৰ ভাৰতী মন্ত্ৰণালয়ৰ যোগে শিক্ষামূলক কাৰ্যসূচী প্ৰচাৰত গুৰুত্ব দিয়া এই দুই মাধ্যমে এই দিশত বিশেষ ভূমিকা পালন কৰি আহিছে।

বিশ্বায়নৰ ক্ষেত্ৰত ফটোগ্ৰাফিয়েও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সংবাদ মাধ্যমত ফটোৱেও কথা ক'ব পাৰে। ফটোৰ যোগেদি লেখাতকৈয়ো অধিক স্পষ্টৰূপত একো একোটি ধাৰণা জনসাধাৰণৰ চকুৰ আগত উপস্থাপন কৰিব পাৰি। সেয়েহে কোৱা হয় --"ফটোৱে কেতিয়াও মিছা নকয়।" ফটোৰ মাধ্যমত বিভিন্ন মাধ্যম যোগে এইদৰে জনসাধাৰণৰ মতামত গ্ৰহণ কৰি অতি সহজে জনমত গঠন গ্ৰহণ কৰিব পাৰি। বিশ্বায়নৰ সু আৰু কু প্ৰভাৱ সম্পৰ্কে জনমত গঠন কৰা আৰু তাৰ দ্বাৰা জনসাধাৰণক সজাগ কৰাৰ ক্ষেত্ৰত ফটোগ্ৰাফৰ ভূমিকা আটাইতকৈ বেছি।

বৰ্তমান ই-জাৰ্ণেলৰ যোগেদি প্ৰকাশিত ৰচনাসমূহে এক শ্ৰেণীৰ নতুন পাঠকৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিছে। তেনেদৰে ফেচবুক্, ৱাটচ্ আপ, ,ছচিয়েল নেটৱাৰ্কিং ছাইট ঃ টুইটাৰ, জেণ্ডাৰ, ইউ-টিউব আদিৰ মাধ্যমেদি এক শ্ৰেণীৰ ফ্ৰেণ্ড চাৰ্কেল বা অনুগত পাঠকৰ সৃষ্টি কৰি কম সময়ৰ ভিতৰতে পৰস্পৰৰ মাজত মতামত বিনিময় কৰি বিশেষ এটা সিদ্ধান্তত উপনীত হ'বলৈ এয়া উপযুক্ত মাধ্যম। অৱশ্যে এনে হোৱাৰ পৰিণতি স্বৰূপে প্ৰশংসা আৰু তোষামোদৰ জগতখন ক্ৰমান্বয়ে বহল হৈ গৈছে আৰু সকলো সাহিত্য-কলা-সংস্কৃতি এতিয়া ব্যৱসায়িক পণ্যদ্ৰব্যলৈ পৰিণত হৈছে। নতুন প্ৰজন্মৰ মাজত অধিক জনপ্ৰিয় ভাবে ব্যৱহৃত বিবিধ সামাজিক মাধ্যম ( ছ'চিয়েল-মিডিয়া)-ই ভয়াৱহ ৰূপত ভাইৰেলৰ দৰে শিপাই যোৱাৰ ফলত জনপ্ৰিয়তাৰ গ্ৰাফডাল এফালে ঊৰ্ধ্বমুখী হোৱাৰ বিপৰীতে আনফালে সংস্কৃতিৰ স্বৰূপ ম্লান পৰি গৈছে।

দেশ-বিদেশৰ (পাশ্চাত্য) সঙ্গীতৰ অনুকৰণত স্বকীয় ৰূপৰ লোকসঙ্গীতক জনপ্ৰিয় কৰি তুলিবৰ বাবে বিশেষকৈ আমদানিকৃত বাদ্যৰ সুৰ সমলয়ত ইয়াক পৰিৱেশ্য ৰূপত সজাই তুলিবৰ বাবে প্ৰয়াস কৰা হয়। পৰিণতিস্বৰূপে বৰ্তমানৰ প্ৰায়বোৰ গীতৰেই সাঙ্গীতিক সুষমাতকৈ পৰিৱেশনধৰ্মী লয়লাস ভঙ্গিমা, নৃত্যসুলভ মানসিকতা আদিয়ে প্ৰাধান্য লাভ কৰিছে । এইদৰে সস্তীয়া জনপ্ৰিয়তা অৰ্জনৰ বাবে সেইবোৰ ইউ-টিউৱ আদি যোগে আগতীয়াকৈ সামাজিক মাধ্যমৰ যোগেদি ভিডিঅ' আপল'ড কৰি (অসম্পাদিত ৰূপত) প্ৰচাৰ কৰাত জনপ্ৰিয়তা বাঢ়িছে হয় কিন্তু সকলো ক্ষেত্ৰতে তাৰ গুণগত মান ৰক্ষিত হোৱা বুলি মুঠেই ক'ব নোৱাৰি।

Popular Culture বা জনপ্ৰিয় সংস্কৃতিয়ে দৰাচলতে Folk Culture বা লোক-সংস্কৃতিৰ বিপৰীত ছবি দাঙি ধৰে । বৰ্তমান বিশ্বায়নৰ পৰিণতি স্বৰূপে সমগ্ৰ বিশ্ব এক

ভৌগোলিক গ্ৰাম (গ্ল'বেল ভিলেজ)-ত পৰিণত হোৱাত আঞ্চলিক সঙ্গীত, নৃত্য-নাট্য, সাহিত্য-সংস্কৃতি এই সকলো দিশতে অনুকৰণ, অনুসৰণ, প্ৰভাৱ আদিৰ মাত্ৰা বৃদ্ধি হৈছে আৰু ইয়াক গণসংযোগৰ আহিলাত পৰিণত কৰিবৰ কাৰণে অহৰহ প্ৰচেষ্টা অব্যাহত ৰখা হয়। এনে প্ৰচেষ্টাৰ পৰিণতি স্বৰূপে সঙ্গীতকো গণ-সংযোগৰ প্ৰধান আহিলা হিচাপে ব্যৱহাৰ কৰিবলৈ লোৱাৰ বাবে লোকনৃত্য-গীতবোৰ অভিনয়ৰ সমাহাৰ ঘটাই ইয়াক পৰিৱেশ্য কলা ৰূপে বিকশাই তুলিবলৈ (প্ৰমোদ মূল্যসহ) বৃত্তিজীৱি শিল্পীসকলে সদায় যত্নবান হয়।

### ৩.৩.২ চাইবাৰ ক্ৰাইম (চাইবাৰ সংস্কৃতিৰ ধাৰণা)

বৰ্তমান সময়ত দেখা যায় যে-- কম্পিউটাৰ বা ইণ্টাৰনেটৰ মাধ্যমত ভালেমান অপৰাধজনিত কাৰ্য সংঘটিত হৈ আহিছে। একাউণ্ট হেকিং, ফলচ্ একাউণ্ট, বেংক জালিয়াতি, তথ্য চুৰি, অশ্লীলতা বিস্তাৰ, অসামাজিক আচৰণ প্ৰদৰ্শন আদি হ'ল তেনে কিছুমান অপৰাধ; যাক চাইবাৰ ক্ৰাইম বোলা হয়।[১০] ইংৰাজী Cybernetics শব্দৰ পৰা সংক্ষিপ্ত ৰূপত আধুনিক Cyber ৰূপটো পোৱা হৈছে। সামগ্ৰিক ভাৱে চৌদিশে চানি ধৰা ( Viral হৈ পৰা ) এনে অপৰাধমূলক সংস্কৃতিক চাইবাৰ সংস্কৃতি নামে জনা যায় আৰু ছ'চিয়েল মিডিয়াসমূহে এইবোৰ অসামাজিক কাৰ্য সংঘটিত কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

'চাইবাৰ'(Cyber)-ক প্ৰকৃতাৰ্থত সংস্কৃতি বা অপসংস্কৃতি বুলিব নোৱাৰি। কাৰণ ইয়াৰ অন্তৰালত মানুহৰ উপকাৰতকৈ অপকাৰৰ মাত্ৰাহে বেছি থাকে। সেইবাবেই আইনৰ দৃষ্টিত ইয়াক অপৰাধৰ গণ্ডীত পেলোৱা হৈছে। চাইবাৰ অপৰাধ (Cyber crime) হ'ল আধুনিত জগতৰ মূল চাবিকাঠিস্বৰূপ ইণ্টাৰনেট সেৱাক দুষ্টচক্ৰৰ দ্বাৰা অপপ্ৰয়োগ কৰা এটা ব্যৱস্থা। আধুনিক সমাজত এনে ধৰণৰ চাইবাৰজনিত অপৰাধ ঘটি থকাটো এতিয়া তেনেই এটা সাধাৰণ পৰিঘটনা ।অৱসৰপ্ৰাপ্ত বুঢ়াৰ পৰা কম বয়সৰ শিক্ষাৰ্থীলৈকে সকলোৱে এনে ষড়যন্ত্ৰৰ চিকাৰ হোৱা দেখা গৈছে। হ্যাছ মী টু, হ'নী ট্ৰেপিং, ব্লেক মেইলিং, Identity fraud, Child sexual exploitation, Terrorist activities, তথ্য- চুৰি আদিৰ পাল্লাত পৰি বহুতো অভিজাত প্ৰতিষ্ঠান-কোম্পানীৰ ব্যৱসায়িক লেন-দেন বা সম্ভ্ৰান্ত লোকৰ পাৰিৱাৰিক জীৱন হয় ধ্বংস হৈছে নহয় আইনৰ কাঠগড়াত বন্ধী হৈ আছে। প্ৰেমৰ অভিনয় কৰি অন্তৰংগ মুহূৰ্তৰ গোপন ভিডিঅ' ছচিয়েল মিডিয়াত আপলোড কৰি বা কৰাৰ ভাবুকি দি টকা ডিমাণ্ড কৰি প্ৰতিপক্ষক হাৰাশাস্তি কৰাৰ বাতৰি আমি প্ৰায়ে দেখি আহিছোঁ। কেতিয়াবা ৰাজনৈতিক কাৰণতো নাৰী কেলেংকাৰী আদিক এইদৰে ব্যৱহাৰ কৰি পলিটিকেল কেৰিয়াৰ খতম কৰি দিয়া হয়। এই ধৰণৰ অমানৱীয় আৰু অপৰাধজনিত মানসিকতাক প্ৰৰোচিত কৰা চাইবাৰজনিত অপৰাধক ( Cyber Crime) সেয়ে মনোবিজ্ঞানীসকলে মানসিক ব্যাধি বা দুষ্কৃতিৰ শাৰীতে পেলাব বিচাৰে।

### ৩.৩.৩ ইণ্টাৰনেট, ই-সাহিত্য, অন-লাইন জাৰ্ণেল, বেৱ-ছাইট, ছ'চিয়েল চাইট, ভিডিঅ' গেম, পৰ্ণ ছাইট, ইত্যাদি

ইণ্টাৰনেটৰ আগমনে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সহযোগত সাহিত্য, সংস্কৃতি, শিক্ষা, বাণিজ্য, পৰ্যটন প্ৰভৃতি সকলো দিশতে ঘৰতে বহি বহি বহল পৃথিৱীখনক হাতৰ মুঠিত লাভ কৰাটো সম্ভৱ কৰি তুলিছে। এনে কাৰণতেই সমগ্ৰ পৃথিৱীখনক এতিয়া এখন গাঁৱলৈ পৰ্যবসিত হৈছে। সাতসাগৰ তেৰনদীৰ সিপাৰলৈ চেকেণ্ডৰ ভিতৰতে এতিয়া কম খৰচত মূল্যবান চিঠি-পত্ৰ, লেখা, তথ্য, ছবি, দৃশ্য-শ্ৰাব্য কেছেট, ফাইল আদি পঠাব পৰা হৈছে।

এইদৰে চাইবাৰ সংস্কৃতিৰ কেতবোৰ ভাল ভাল দিশো জড়িত হৈ আছে। তলত তেনে কেতবোৰ উল্লেখযোগ্য দিশৰ উল্লেখ কৰা হ'ল —

☞ ভাৰতবৰ্ষত প্ৰথমে ইণ্টাৰনেট সেৱাৰ আৰম্ভ হয়--১৯৯৬ চনত । বৰ্তমান বিশ্বত ২.৯ বিলিয়নতকৈও অধিক লোকে ইণ্টাৰনেট ব্যৱহাৰ কৰে।

☞ মন কৰিবলগীয়া যে-- ইণ্টাৰনেট কোনো যন্ত্ৰ নহয়। ইণ্টাৰনেটৰ নেটৱৰ্কটোৱে কম্পিউটাৰসমূহক সমগ্ৰ বিশ্বতে মকৰাৰ দৰে আবৰি আছে। সেয়েহে ইয়াক কোৱা হয় ৱৰ্ল্ডৱাইড ৱেব (world-wide-web) সংক্ষেপতে www। ১৮৮৯ চনত বৃটিছ কম্পিউটাৰ বিজ্ঞানী টাম বাৰ্ণছে মতান্তৰে ছাৰ টিম কৰ্ণছিলী wwwৰ আৱিষ্কাৰ কৰে। ইণ্টাৰনেটৰ ঠিকনাক কোৱা হয় ৱেব এড্ৰেছ আৰু এই এড্ৰেছ লিখি যি ঠিকনা পোৱা যায় তাক কোৱা হয় ৱেবছাইট(web site)।

☞ আধুনিক যুগত দ্ৰুতগতিৰে কাম-কাজ কৰা আৰু সঠিক হিচাব-নিকাচৰ বাবে ব্যাপক হাৰত ব্যৱহৃত ইংৰাজী ভাষাৰ কম্পিউটাৰ শব্দটো আহিছে লেটিন শব্দ 'কম্পিউটে'-ৰ পৰা, যাৰ অৰ্থ হৈছে গণনা।

☞বৰ্তমান কম্পিউটাৰ মানৱ সভ্যতাৰ এক অত্যাৱশ্যকীয় আহিলাত পৰিণত হৈছে। ইণ্টাৰনেটৰ আগমনে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ লগতে সাহিত্য, সংস্কৃতি, শিক্ষা, বাণিজ্য, পৰ্যটন, চিকিৎসা আৰু যোগাযোগৰ যিকোনো তথ্য হাতৰ মুঠিত পোৱা সুবিধা দি পৃথিৱীখনক তেনেই এখন সৰু গাঁৱলৈ পৰ্যবসিত কৰিছে। বৰ্তমানৰ কম্পিউটাৰ সৰ্বস্ব কালত বহুতে তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰখনত কম্পিউটাৰৰ জ্ঞান-বুদ্ধিৰে নিজৰ কৰ্মসংস্থাপনৰ ব্যৱস্থা নিজেই সম্ভৱ ( Self employment) কৰি তুলিছে।

☞বৰ্তমান জীৱন আৰু জীৱিকাৰ ক্ষেত্ৰত কম্পিউটাৰে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। আধুনিক কম্পিউটাৰত ব্যৱহৃত। I.P.Oৰ সম্পূৰ্ণ ৰূপটো এনে ধৰণৰ— Input-Process-Output. মেম'ৰি ইউনিট, এৰিথমেটিক এণ্ড লজিকেল ইউনিট আৰু কণ্ট্ৰ'ল ইউনিটক একেলগে 'চেণ্ট্ৰেল প্ৰছেচিং ইউনিট' (CUP) বোলে।

☞ কম্পিউটাৰ এনে ইলেক্ট্ৰনিক যন্ত্ৰ যিয়ে তথ্য জমা (store) আৰু প্ৰক্ৰিয়াৰে (Process) এটা নিখুঁত বা অৰ্থপূৰ্ণ ফল (Result) দিয়ে। ই অতি বেগী, বিশ্বাসযোগ্য, সম্পূৰ্ণ শুদ্ধ আৰু স্বয়ংক্ৰিয় । ব্ৰিটিছ গণিতজ্ঞ চাৰ্লছ বেবেজক (1792-1872) আধুনিক কম্পিউটাৰৰ জনক বুলি কোৱা হয়। ডিফাৰেন্স ইঞ্জিন আৰু এনালাইটিকেল ইঞ্জিন পৰিকল্পনাৰে চাৰ্লছ বেবেজে কম্পিউটাৰ বিজ্ঞানৰ ইতিহাসত নিজৰ নাম খোদিত কৰি ৰাখিছে। তেওঁৰ পৰিকল্পিত সম্পূৰ্ণ স্বয়ংক্ৰিয় যন্ত্ৰটো পাঁচটা প্ৰধান ভাগত বিভক্ত আছিল। সেইবোৰ— ক) ষ্টোৰ (Store), খ) মিল (Mill), গ) কণ্ট্ৰ'ল (Control), ঘ) ইনপুট (Input) আৰু ঙ) আউটপুট (Output)।

☞ তাহানিৰ আৰু বৰ্তমান কম্পিউটাৰতকৈ অধিক শক্তিশালী আৰু উন্নত কম্পিউটাৰৰ বাবে প্ৰচেষ্টা অব্যাহত ৰখা কালছোৱাক কম্পিউটাৰ প্ৰজন্ম Computer Generation বুলি জনা যায়। কম্পিউটাৰৰ বিভিন্ন গুণাগুণ আৰু বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি ইয়াক কেইটামান প্ৰজন্মত ভাগ কৰা হৈছে। সেই কেইটা হ'ল যথাক্ৰমে-- প্ৰথম প্ৰজন্ম (1946-1959), দ্বিতীয় প্ৰজন্ম (1959-1965), তৃতীয় প্ৰজন্ম (1965-1970), চতুৰ্থ প্ৰজন্ম (1970-1985) আৰু পঞ্চম প্ৰজন্ম (1985ৰ পৰা বৰ্তমানলৈ)। কম্পিউটাৰ মূলতঃ এনালগ (Analog), ডিজিটেল (Digital) আৰু হাইব্ৰিড (Hybrid) কম্পিউটাৰ এই তিনি ৰূপত পোৱা যায়। মন কৰিবলগীয়া যে কম্পিউটাৰে মানুহৰ দৰে নিজাববীয়াকৈ কোনো সিদ্ধান্ত ল'ব নোৱাৰে। ই এটা বাধ্য আৰু নিৰ্বোধ যন্ত্ৰ। ইয়াৰ কোনো নিজস্ব বুদ্ধিমত্তা নাই। বৰ্তমান বহুলভাৱে ব্যৱহৃত কম্পিউটাৰ হ'ল হাইব্ৰিড কম্পিউটাৰ। এইবোৰ হ'ল ব্যক্তিগত কম্পিউটাৰ, লেপ্‌ট্‌প বা আইপেড্।

☞ ১৯৯১ চনত ভাৰতত প্ৰথম মোবাই ফোনৰ ছিম কাৰ্ড চলতি কৰা হয়। শ্ববিৰ ভাটিয়া হৈছে ইণ্টাৰনেট মেইল ছাৰ্ভিচ হ্‌ট-মেইলৰ জন্মদাতা। বৰ্তমান ইণ্টাৰনেট যুক্ত মোবাইলৰ যোগেদি বহুতো অসাধ্য সাধন সম্ভৱ হৈ উঠিছে। মোবাইল জাৰ্ণেলিজম্‌ৰ যোগেদি বিশ্বৰ বিভিন্ন প্ৰান্তৰ খবৰ সংগ্ৰহ কৰি উপগ্ৰহৰ মাধ্যমেদি (Satellite Chanell) সম্প্ৰচাৰ কৰাটো সুবিধা হৈছে। এইবাবেই বৰ্তমান বহিৰ্বিশ্বৰ সৈতে সংযোগ স্থাপন অতি সহজ হৈ পৰিছে। ইণ্টাৰনেট মেইল ছাৰ্ভিচৰ যোগেদি মানুহে দ্ৰুত ৰূপত সংযোগ স্থাপন কৰিব পৰা হোৱাত সমগ্ৰ বিশ্বখন হাতত মুঠিত ধৰা দিছে।

☞ ২০০১ চনৰ ১৫ জানুৱাৰী URL:www.wikipedia.org নামৰ অন-লাইন সংস্থাটি প্ৰতিষ্ঠা কৰে জিম্মী ৱেলচ আৰু লেৰী ছেংগাৰে। মুক্ত বিশ্বকোষক লক্ষ্য হিচাপে লৈ বিশ্বৰ প্ৰায় ২৭৫ টা সক্ৰিয় ভাষাক সামৰি এই অন-লাইন সংস্থাটো গঢ়ি তোলা হয়। ১৯৭৬ চনৰ পৰা এতিয়ালৈকে বিশ্বৰ কোটি কোটি লোকক আপ্লুত কৰি অহা মিউজিক বেণ্ড 'দা ইগল্‌ছ'-ৰ অতিকৈ জনপ্ৰিয় গীত 'হোটেল কেলিফৰ্ণিয়া'-ৰ আৰ্হিত কোনো গুণমুগ্ধই ৰচনা কৰি উলিয়াইছে 'হোটেল ৱিকিপিডিয়া' নামৰ এটি বিশেষ থীম ছং। তেনেদৰে সৰু সৰু ল'ৰা -ছোৱালীৰ বাবে তেনেই সৰল ভাষা আৰু সহজে ব্যৱহাৰযোগ্য কৰি তোলা মূল 'ৱিকিপিডিয়া'-ৰ এটা সংস্কৰণ হৈছে 'ছিম্পল ৱিকিপিডিয়া'। ইয়াৰ

URL হৈছে– simple.wikipedia.org।

☞ ২০০১ চনত ‘ৱিকিপিডিয়া’-ৰ URLআছিল www.wikipedia.com। কিন্তু পিছলৈ ইয়াক সলাই www.wikipedia.org কৰা হয়। সাধাৰণতে .com ৱেবছাইটবিলাক বাণিজ্যিক আৰু .org ৱেবছাইটবিলাক অব্যৱসায়িক বা সাংগঠনিক হয়।

☞ আধুনিক পৃথিৱীৰ যোগাযোগৰ আটাইতকৈ সহজ মাধ্যম হিচাপে ব্যৱহৃত হৈ কম্পিউটাৰ অভিযন্তাজনে প্ৰথমটো এছ. এম. এছ. ‘মেৰী খ্ৰীষ্টমাছ’ প্ৰেৰণ কৰিছিল। আনহাতে facebook, whats up, youtube প্ৰভৃতিক ‘ছছিয়েল ছাইট’ বুলি কোৱা হয়। এইবোৰ ইণ্টাৰনেটযুক্ত মোবাইলত উপলব্ধ।

☞ fiber, massenger, true caller, imo, video call chat, geochat, hike, meet me sight, instragam, hikend end, meet up, facebook, twitter, whats up, you-tube, OAl-X, fate talk, kiwi, gmail আদিৰ যোগেদি বৰ্তমান জনসংযোগ সম্ভৱ হৈ উঠিছে। নতুন প্ৰজন্মই এইসমূহৰ সাৰ্থক প্ৰয়োগৰ যোগেদি সুফল লাভ কৰিবলৈ সক্ষম হৈছে।

☞ ‘You Tube’ নামৰ ভিডিঅ’ ছেয়াৰিং ছাৰ্ভিচটো গোগোলে (Google)উদ্ভাৱন কৰিছিল। ফেচবুক্, ৱাটচ্ আপ্ প্ৰভৃতিৰ মাধ্যমত চেয়াৰিং ছাৰ্ভিচ উপলব্ধ হোৱাত জনসংযোগ অতি দ্ৰুততৰ হৈছে। বিশ্বৰ বিভিন্ন প্ৰান্তত ঘটি থকা ঘটনা প্ৰবাহৰ কথা মানুহে অতি সোনকালে লাভ কৰাটো সম্ভৱ হৈ উঠিছে।

☞ ‘বুক’ শব্দৰ পৰাই ‘ফেচবুক’ (Facebook) শব্দৰ উৎপত্তি হৈছে। ১৮৮৪ চনৰ ১৪ মে’ত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্ক মহানগৰত জন্মগ্ৰহণ কৰা মাৰ্ক এলিয়ট জুকাৰবাৰ্গ হ’ল ফেচবুক্‌ৰ জন্মদাতা। ফেচবুক্‌ৰ জৰিয়তে একেলগে যথেষ্ট সংখ্যক লোকৰ জীৱনলৈ পৰিবৰ্তন আনিব পাৰি। বৰ্তমানলৈকে ফেচবুকে ১৩টা ভাৰতীয় ভাষাত সুবিধা আগ বঢ়াইছে। বৰ্তমান ছ’চিয়েল মিডিয়া স্বৰূপে ফেচবুক্, টুইটাৰ, ইউটিউব, জেণ্ডাৰ, ৱাটচ্ আপ আদিয়ে জনসংযোগৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ছ’চিয়েল-মিডিয়াৰ এই সৰ্বগ্ৰাসী ৰূপটোৱে বৰ্তমান বিভিন্ন দেশৰ নিৰ্বাচনতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা গৈছে। যুৱচামৰ আশী শতাংশই ছ’চিয়েল-মিডিয়াৰ প্ৰতি আসক্ত হোৱাত বৰ্তমান সংস্কৃতিৰ সংৰক্ষণ, সংবৰ্দ্ধনৰ বাবে প্ৰচাৰ-মাধ্যমৰ ওপৰত অধিক নিৰ্ভৰ কৰিবলগীয়া হয়।

☞ বৰ্তমান বেপাৰ-বাণিজ্যিৰ পৰিচালনাত ই -কমাৰ্চ , ই-বেংকিং আদিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

☞ ই প্ৰকাশন হ’ল বিভিন্ন ষ্ট’ৰেজ কৌশল কম্পিউটাৰ নেটৱৰ্ক ব্যৱহাৰ কৰি ডিজিটেল ৰূপত ব্যাপক প্ৰচাৰ আৰু প্ৰচলন কৰা প্ৰচাৰ মাধ্যম। বৰ্তমান ই-জাৰ্ণেলৰ প্ৰকাশো সম্ভৱ হৈ উঠিছে। তাৰ ফলতে Index Referred Journal আদি Citation ধৰ্মী গৱেষণা পত্ৰিকাৰ ধাৰণা ৰোপিত হৈছে।

### ৩.৪ ইণ্টানেটৰ ক্ষতিকাৰক দিশসমূহ

বৰ্তমান মোবাইল অথবা ইণ্টাৰনেটৰ যোগেদি বিশ্বৰ বিভিন্ন প্ৰান্তত হৈ থকা আইফা, ৱাৰ্ল্ড কাপ,ৰঞ্জিৎ ট্ৰফী, এছিয়াড, অলিম্পিক আদিত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতামূলক খেল ড্ৰয়িংৰুমত বহি উপভোগ কৰাৰ লগতে বিভিন্ন ধৰণৰ ভিডিঅ' গেম খেলাৰো সুবিধা হৈছে। ফুটবল-ক্ৰিকেটৰ পৰা আৰম্ভ কৰি কাৰ ৰেচ লৈকে, পাহাৰ বগোৱাৰ পৰা চিকাৰ কাহিনীলৈকে, ফেণ্টমৰ পৰা ডিজনীলেণ্ডলৈকে বিবিধ কাৰ্যসূচী মোবাইল গেমৰ যোগেদি উপলব্ধ হৈছে। সেই সমূহৰ ভিতৰত--Racing game (City racing 3d, bike racing, car racing, space racing), Mission game ( mini malasia, class of clans, need for speed),War game ( cold war, evil war,), Action game, Moral combat, Shadow fight, Ninza fighting warrior আদি বিশেষ ভাৱে উল্লেখযোগ্য। সাধাৰণতে কিশোৰ আৰু যুৱচাম এই খেলবোৰৰ প্ৰতি অধিক আকৰ্ষিত হোৱা দেখা যায়। এই খেলবোৰত আত্মনিমগ্ন হৈ ছাত্ৰ জীৱনৰ দৰেবহুতো সময় অপব্যয় হৈছে আৰু হোৱাইট হোৱেল (White whale game ), পাবজী (PubG game) আদি গেম খেলি বহুতৰ জীৱন বৰবাদ হৈ গৈছে। হতাশাত ভোগা বা অকলশৰীয়া নতুন প্ৰজন্মৰ যুৱক- যুৱতীয়ে প্ৰায়েই এনে ধৰণৰ খেলত মগ্ন হৈ ভাল পায়। এনে ধৰণৰ খেলে মগজুৰ কৰ্ষণ বৃদ্ধি কৰে যদিও দৃষ্টি-শ্ৰৱণ উভয় ইন্দ্ৰিয় ক্ষতিগ্ৰস্ত কৰাত এইবোৰে ইন্ধন যোগায়।

এইদৰে আধুনিক যুগৰ সহজলভ্য ইণ্টাৰনেট সেৱাই অসম তথা ভাৰতৰ সাতামপুৰুষীয়া ঐতিহ্য -পৰম্পৰা আৰু সভ্যতা- সংস্কৃতিত কুঠাৰাঘাত কৰি পাশ্চাত্যৰ বিজতৰীয়া সংস্কৃতিৰ প্ৰতি অনুকম্পা বৃদ্ধিত অৰিহণা যোগাইছে।

পৰ্ণ ছাইট ঃ

ইণ্টাৰনেটত চৌবিশ ঘণ্টা সহজলভ্য বিভিন্ন পৰ্ণ ছাইট (XXXsites, porn sites), পৰ্ণ হাব (Hot hub), এডাল্ট আৰু নেকেট চেনেলসমূহে আজিৰ নৱ প্ৰজন্মকহে নালাগে প্ৰাপ্তবয়স্ক লোকসকলৰো টোপনি হৰণ কৰি দিছে। যৌন উত্তেজক উদ্দাম নৃত্য-গীতৰ পৰা বিকৃত ৰুচিৰ যৌনসংগমলৈকে সকলো নিষিদ্ধ দৃশ্য মবাইলৰ স্ক্ৰীনত এতিয়া সহজে উপলব্ধ। দুই- এগৰাকী সাংসদ বা বিধায়কে পবিত্ৰ সংসদ বা বিধান সভা চলি থাকোতে এনে দৃশ্য উপভোগ কৰি শ্বো ক'ছৰ সন্মুখীন হ'বলগীয়া ঘটনা মাজে- সময়ে নিউজ চেনেল যোগে আমাৰ অৱগত নোহোৱাকৈ নাথাকে।[১১]

### ৩.৫ বিশ্বায়নৰ আৰু অসমীয়া ভাষা-সাহিত্য

বিশ্বৰ আন আন সংস্কৃতিৰ দৰে অসমীয়া সংস্কৃতিও বৰ্তমান বিশ্বায়নৰ গ্ৰাসত পৰিছে। বিশ্বায়নৰ কৰাল গ্ৰাসত পৰি হাবু-ডুবু খোৱা অসমীয়া সংস্কৃতিৰ প্ৰথম আক্ৰান্ত ধৰা পৰিছে-- 'চিৰ চেনেহী ভাষা জননী' স্বৰূপ অসমীয়া ভাষাটোতে। ভাষা লিখিবৰ বাবে লিপিৰ প্ৰয়োজন আৰু এই লিপি ইন্টাৰনেট যোগে সমগ্ৰ বিশ্বতে স্বীকৃত হ'বলৈ

হ'লে Unicode-ত সন্নিৱিষ্ট হোৱাটো একান্তই আৱশ্যক। বৰ্তমান ইউনিকোডত অসমীয়া ভাষা লিখাৰ বাবে বাংলা লিপি ব্যৱহৃত হোৱাত অসমীয়া লিপিৰ লগতে ভাষাৰো স্বতন্ত্ৰতা খৰ্বৰ লগে লগে অস্তিত্ব বিপন্ন হোৱাৰ দিশে আগবাঢ়িছে। অৱশ্যে এই লৈ সাম্প্ৰতিক কালত অসম সাহিত্য সভা আৰু চৰকাৰ দুয়ো উদ্বিগ্ন হোৱা দেখা গৈছে।

বিশ্বৰ বিভিন্ন ভাষালৈ অসমীয়া সাহিত্যৰ সমৃদ্ধ ৰচনাসমূহ অনুবাদ কৰিব লাগিলে বা বিশ্বৰ ক্লাচিক আৰু বৰেণ্য সাহিত্যৰাজি অসমীয়া ভাষালৈ অনুবাদ কৰিব লাগিলে বহিৰ্দেশীয় সাহিত্য অধ্যয়নৰ বাবে অসমত প্ৰয়োজনীয় পৰিৱেশ গঢ়ি তুলিব লাগিব। এই ক্ষেত্ৰত বৈদ্যুতিন মাধ্যম বিশেষকৈ ইণ্টাৰনেট, ৱেব-ছাইট, ছ'চিয়েল মিডিয়া আদিৰ যোগেদি এইবোৰ সহজলভ্য কৰি তুলিব লাগিব। সাহিত্যৰ অভিযোজনা; অনুবাদ সাহিত্য আদিত গুৰুত্ব আৰোপ কৰি ইতিমধ্যে যিসকল সাহিত্যিক ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰিছে, তেওঁলোকৰ সাহিত্যৰাজিক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পৰিচিত কৰাই দিবৰ বাবে ইংৰাজী, ফ্ৰান্স, ৰুছ, স্পেনিচ, জাপানিজ প্ৰভৃতি বিশ্বৰ প্ৰধান প্ৰধান ভাষালৈ অনুবাদ কৰিব লাগিব।

## ৩.৬ বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি

সঙ্গীত নাট্য-কলাৰ যোগেদি বিশ্বৰ বজাৰ দখল কৰিবলৈ হ'লে এইসমূহক গণসংযোগৰ মাধ্যম হিচাপে গঢ়ি তুলিব লাগিব। বিশ্ববিখ্যাত সংগীতকাৰ, কলাকাৰসকলৰ সমপৰ্যায়ৰ নহ'লেও প্ৰায় তেওঁলোকৰ ওচৰা-উচৰিকৈ বিশ্বই যাতে গম পায় সেই উদ্দেশ্যে আধুনিক মাধ্যমসমূহৰ সদ ব্যৱহাৰ কৰিব জানিব লাগিব। এই দিশত ভূপেন হাজৰিকা, ভৱেন্দ্ৰনাথ শইকীয়া, জাহ্নু বৰুৱা, মঞ্জু বৰা, আদিল হুছেইন, শুক্ৰাচাৰ্য ৰাভা প্ৰভৃতিৰ দৰে কলা-সঙ্গীতক উপযুক্ত মৰ্যাদাৰে বিশ্ববাসীৰ সন্মুখত তুলি ধৰি অসমীয়া কলা-সঙ্গীতৰ মাধুৰ্য উপলব্ধি কৰাবলৈ সক্ষম কৰি তুলিব লাগিব। জ্যোতি-বিষ্ণু-নটসূৰ্য ফণী শৰ্মাকো বিশ্ববাসীৰ আগত নকৈ তুলি ধৰিব লাগিব। তাৰ বাবে তেওঁলোকৰ সৃষ্টিসমূহ কলাত্মকভাৱে দাঙি ধৰিব লাগিব।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই অসমীয়া সংস্কৃতিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিবৰ জোখাৰে বিভিন্ন মাধ্যমৰ দ্বাৰা (কলা সাহিত্য, নৃত্য-সংগীত আৰু বোলছবি, যাত্ৰাভিনয়ৰ মাধ্যমেদি) পৰীক্ষা-নিৰীক্ষা চলাইছিল আৰু সফলতাও অৰ্জন কৰিছিল। 'শোণিত কুঁৱৰী'-ত নব্য সংযোজিত প্ৰতীকধৰ্মী 'পদুমকলি নাচ' নতুবা 'জাপি নৃত্য', বিভিন্ন নৃত্যৰ সমাহাৰেৰে উদ্ভাৱিত ৰংগমঞ্চৰ নৃত্য-নাটিকা আৰু বনগীত-বিয়াগীত সুৰীয়া জ্যোতিসংগীতৰ মাধ্যমেদি এই ধাৰা এতিয়াও প্ৰৱৰ্তি আছে। সেইদৰে মন্দিৰৰ ধৰ্মীয়-কৃত সম্পাদনত পৰিৱেশিত দেৱদাসী নৃত্য (বিলুপ্তপ্ৰায়), ওজাপালি নৃত্য, সত্ৰৰ চাৰি বেৰতে আৱদ্ধ সত্ৰীয়া নৃত্য, ভোৰতাল নৃত্য, অংকীয়া নাট, ভাওনা আদি সত্ৰীয়া /শংকৰী পৰম্পৰা মুকলি মঞ্চলৈ আনি এক সাংস্কৃতিক আন্দোলন গঢ়ি তুলিছিল। আনকি আন্ধাৰৰ ভেটা ভাঙি অন্ধবিশ্বাসৰ কবলৰ পৰা মুক্ত কৰি অসমীয়া

যাত্ৰা-ভাওনা আদিত স্ত্ৰীকো প্ৰাধান্য দিয়া সহঃ অভিনয়েৰে এক কালজয়ী কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

ইয়াৰ লগে লগে ভাৰতীয় গণনাট্য সংঘৰ (PTI) সবল নেতৃত্বৰ প্ৰতি সঁহাৰি জনাই অসমৰ বিভিন্ন জনজাতীয় কলা-কৃষ্টিৰ সাধকসকলে তেওঁলোকৰ স্বকীয় নৃত্য-গীতৰ পুনৰুদ্ধাৰ আৰু সংস্কাৰ সাধনাৰ মাজেদি সৰ্বভাৰতীয় পৰ্যায়ত পৰিৱেশন কৰি ভুয়সী প্ৰশংসাৰ লগতে ৰাষ্ট্ৰীয় স্বীকৃতিও লাভ কৰিছিল। এইক্ষেত্ৰত বৰ অসমৰ হেমাংগ বিশ্বাস, ভূপেন হাজৰিকা, মঘাই ওজা, মোহন ভাউৰা, প্ৰতিমা পাণ্ডে বৰুৱা প্ৰভৃতি গণশিল্পীসকলৰ হাতত হাত ধৰি বড়ো জনগোষ্ঠীৰ পৰা কামিনী নাৰ্জাৰী, ৰাভা জনগোষ্ঠীৰ পৰা ৰাজেন পাম, মিচিং জনগোষ্ঠীৰ পৰা বিক্ৰম সিং য়েইন, শিল্পী গণেশ পেগু প্ৰভৃতিয়ে নিজ নিজ সামৰ্থ্য অনুসাৰে স্ব-জাতীয় কলা-কৃষ্টি বিশেষকৈ লোকগীত, লোকনৃত্যৰ উদ্ধাৰ, সংৰক্ষণ আৰু প্ৰসাৰত আত্মনিয়োগ কৰি জাতীয় প্ৰীতিৰ নিদৰ্শন দাঙি থৈ গ'ল। তেওঁলোকৰ সেই পথেদি অসম সুৰ বাহিনী, সদৌ অসম শিল্পী সাংস্কৃতিক বাহিনী আদিয়ে নিজ নিজ কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে।

আনহাতে, প্ৰকৃতাৰ্থত অসমীয়া জাতীয় সংস্কৃতিৰ বহুল ব্যাখ্যা তথা সৰ্বাধিক চৰ্চা হয় --যোৱাটো শতিকাৰ শেষৰ দুটা দশকৰ পৰাহে। অসমীয়াৰ জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে নেতৃত্ব লৈ 'সদৌ অসম ছাত্ৰ সন্থাই' অনুভৱ কৰিলে যে অসমৰ সাতামপুৰুষীয়াৰ সাজ-পাৰ, মাত-কথা, ধৰ্মীয় ঐতিহ্য, ভাষা-সাহিত্য -সংস্কৃতি নিজৰ ৰাজ্যতে পুনৰ প্ৰতিষ্ঠা কৰিব নোৱাৰিলে অসমীয়াৰ অস্তিত্ব চিৰদিনলৈ নিঃশেষ হৈ যাব। সেই নিমিত্তে সদৌ অসম ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদৰ অস্তিত্ব ৰক্ষাৰ শেষ ৰণৰ মুক্ত আহ্বানত সঁহাৰি জনাই অসমীয়া জীয়াৰী-বোৱাৰী, আই-বাই-ভনীয়ে, ছাঁতে শুকোৱা মুঠিতে লুকোৱা মুগাৰ নহ'লেও হাতে বোৱা কপাহী মেখেলা-চাদৰখনকে গৰ্বেৰে পিন্ধি প্ৰথমে ৰাজপথলৈ ওলাই আহি পৰৱৰ্তী কালত আনুষ্ঠানিক সাজপাৰ হিচাপে পৰিধান কৰি স্বাচ্ছন্দেৰে ঘূৰা-মেলা কৰি গৌৰৱ অনুভৱ কৰাৰ সৎ সাহসকণ (Inferiority complex পৰিহাৰ কৰি) ঘূৰাই আনিবলৈ এটা অনুকূল পৰিৱেশ প্ৰদান কৰিলে। অসমীয়াৰ নৱপ্ৰজন্মই প্ৰবীণ নাগৰিক বা বয়োবৃদ্ধসকলৰ দৰে 'মৰমৰ দীঘ দি চেনেহৰ বাণিৰে বোৱা' বিহুৱান গামোচাখনেৰে কঁকালত টঙালি বান্ধি নতুবা ডিঙিত মেৰিয়াই নিজেও সভাই -সমিতিয়ে উপস্থিত থাকি, অন্য অতিথিবৰ্গকো ডিঙিত পিন্ধাই সম্বৰ্ধনা জনাই নিজৰ স্বাভিমান জাহিৰ কৰাত আগভাগ লোৱা দেখা গ'ল। সমান্তৰালভাৱে অসমৰ বিভিন্ন থলুৱা জনগোষ্ঠীসমূহেও তেওঁলোকৰ নিজ নিজ স্বাভিমানৰ প্ৰতীক গলবস্ত্ৰ (বড়োৰ আৰ'নাই, ৰাভাৰ পাজাৰ, কাৰ্বিৰ পহ', তিৱাৰ ফালিকে ধৰি বিভিন্ন বস্ত্ৰসম্ভাৰ) আদিক গুৰুত্ব দিয়াৰ পৰিৱেশ ৰচিত হ'ল।

ইয়াৰ আগতেও অৱশ্যে অসমীয়া সাহিত্যৰ নৱন্যাসৰ গুৰি ধৰোঁতে ৰথী-মহাৰথীসকলে সাহিত্যৰ দিশত অসম জাতীয় উন্নতি সাধিনী সভাৰ ছত্ৰছায়াত (পৰৱৰ্তী কালত অসম সাহিত্য সভাৰ ছত্ৰছায়াত) এই ধৰণৰ ঐতিহ্য-প্ৰীতিৰ নিদৰ্শন দাঙি ধৰিছিল।

সাহিত্য-সংস্কৃতিৰ সেই ধাৰাৰে এঢাপ আগুৱাই অসমৰ সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা প্ৰমুখ্যে এচাম দূৰদৃষ্টি সম্পন্ন মহান লোকৰ বদান্যতাত ৰাজকীয় পৃষ্ঠপোষকতাৰে অৱহেলিত হ'বলৈ ধৰা গছতলৰ বিহুৱে মঞ্চ বিহু হিচাপে (লতাশিলৰ বিহু সন্মিলন, প্ৰথম ১৯৬১ চন) দ্বিতীয় অস্তিত্ব স্বৰূপে প্ৰবৰ্তিবলৈ সক্ষম হৈ উঠিছিল। সেই পৰম্পৰাই এতিয়া অসমীয়াৰ জাতীয় সংস্কৃতি স্বৰূপে 'শ্ৰীময়ী অসমীৰ শীতলী কোলাত' শীৰ্ষক বিহু আদৰণী গীত গাই, বিহুৱানেৰে সজোৱা বিহু পতাকা উৰুৱাই, অসমৰ জাতীয় আৰু থলুৱা নৃত্য-গীত পৰিৱেশনৰ জৰিয়তে অসমৰ পৰম্পৰাগত খেল-ধেমালি প্ৰদৰ্শন কৰি, অসমৰ থলুৱা খাদ্য পৰিৱেশনৰ মাজেদি (পিঠা-পনা আদি প্ৰতিযোগিতা পাতি) এক উৎসৱমুখৰ পৰিৱেশত পতা বিহু সন্মিলনৰ প্ৰাৰম্ভণি।

এতিয়া সেই মঞ্চবিহু বহুজাতিক কোম্পানীসমূহৰ হাতত মুঠিত সোমাই বিজ্ঞাপনৰ সুচল থকা এক বৃহৎ বজাৰলৈ পৰ্যবসিত হৈছে বুলি সততে অভিযোগ উত্থাপন কৰা শুনা যায়। বিহু সম্ৰাজ্ঞী- বিহু কুৰঁৰী প্ৰতিযোগিতাৰ নামত কেবা লাখটকীয়া গাড়ী,অলংকাৰ ছেট, গৃহসজ্জাৰ সামগ্ৰীৰে শকত উপঢৌকনেৰে বিজয়িনীসকলক উপচাই দিয়া হৈছে। ৫-৭ লাখটকীয়া কণ্ঠশিল্পীক মাতি আনি মঞ্চত সুৰীয়া-বেসুৰীয়া গান গোৱাই উদ্যোক্তাসকলে পুৰতীনিশালৈকে (বাৰবজাৰ পিছত মঞ্চ সামৰিব লগা আইনকো বুঢ়া আঙুলি দেখুৱাই) গোটেই ব'হাগ মাহ (কেতিয়াবা জেঠো গৈ পায়) জুৰি কাম-বন ক্ষতি কৰি বিহু উদযাপন কৰি আহিছে।

সুখৰ কথা যে-- বিহু উৎসৱে এতিয়া পৰ্যটন উদ্যোগ হিচাপেও মৰ্যাদা লাভ কৰিছে। বিহু নাচ ভাৰতৰ ভিতৰতে নহয় বিদেশতো এতিয়া প্ৰদৰ্শিত হৈ global heritage হিচাপে কলাৰসিকসকলৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বিহুক যোৱা কেইবাবছৰ ধৰি আন্তৰ্জাতিক পৰ্যায়ত ব'হাগী উৎসৱ, ৰঙালী উৎসৱ হিচাপে অনুষ্ঠিত কৰি অসম চৰকাৰে দেশ-বিদেশৰ পৰ্যটকৰ দৃষ্টি আকৰ্যণ কৰিবলৈ সক্ষম হৈছে। সেইদৰে ৰংঘৰৰ বাকৰিত আশী-নব্বৈৰ দশকত মন্ত্ৰী পৰাগধৰ চলিহাৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত হোৱা সাতভনীৰ সমাৰোহৰ আৰ্হিত লেখাপানীৰ দৰে পিছপৰা ঠাইতো সদ্য অনুষ্ঠিত 'দিহিং পাটকাই পৰ্যটন মেলা' সাম্প্ৰতিক কালৰ পৰ্যটকৰ অন্যতম আকৰ্যণৰ থলী হিচাপে বিবেচিত হৈছে। তাহানিতে আহোম ৰজাসকলেও ৰংঘৰৰ বাকৰিত এনেধৰণৰ পৰম্পৰাগত ম'হ যুঁজ, হাতী যুঁজ, কুকুৰা যুঁজ আদি অনুষ্ঠিত কৰিছিল আৰু সাধাৰণ পাইক চমুৱাৰ জীৱন নিৰ্যাসৰ লগত ওতপ্ৰোতভাৱে জড়িত এই ধৰণৰ লোকখেল, লোকবাদ্য, লোকনৃত্য পৰিৱেশনৰ বিৰল সুযোগ প্ৰদান কৰি বঁটা-বাহনেৰে উৎসাহ-উদ্দীপনা যোগাইছিল।

এইদৰে আহোম ৰজাসকলৰ ছশবছৰীয়া ৰাজত্বকালত তেওঁলোকৰ পৃষ্ঠপোষকতাত অসম প্ৰান্তত বিশেষকৈ সৌমাৰপীঠ বা উজনি অসমত 'বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াই' পূৰ্ণতা লাভ কৰিছিল। ইয়াৰ বিপৰীতে অৱশ্যে নামনি অসমত দীৰ্ঘকাল জুৰি কোনোটোহঁত ৰাজকীয় ফৈদে একছত্ৰী ৰাজত্ব প্ৰতিষ্ঠা কৰিব নোৱাৰা

হেতুকে ইয়াত জাত-পাতহীন এখন উমৈহতীয়া ভাষা-সংস্কৃতিৰে বৈশিষ্ট্যময় সমাজ এখন প্ৰকৃতপক্ষে ঠন ধৰি উঠিব পৰা নাছিল; যদিও পৰৱৰ্তীকালত শংকৰদেৱ প্ৰৱৰ্তিত নৱ বৈষ্ণৱ ধৰ্মই এই অভাৱ ভালেখিনি আঁতৰ কৰিব পাৰিছিল।

অসমীয়া নাৰীৰ গৌৰৱস্বৰূপ 'ছাঁতে শুকোৱা মুঠিতে লুকোৱা' পাটমুগাৰ ৰিহা-মেখেলা-চাদৰ, অসমীয়া পাহোৱাল ডেকাৰ আভূষণ ফচৌ-এঙাচোলা, চেলেং-খনীয়া পাগ, ভুতি- চুৰিয়া অথবা বিহুৱা-বৰকাপোৰ এতিয়া কিমানজনেনো জাতীয় সাজ হিচাপে পৰিধান কৰি গৌৰৱবোধ কৰে? কেইখন গাঁৱত নামঘৰে-গোসাঁইঘৰে এতিয়া ডবা-কাঁহ-নাগাৰাৰ শব্দৰে পুৱা-গধুলি ৰজনজনাই থাকে; কীৰ্তন-দশম-ভাগৱত পাঠ কিম্বা নাট-ভাওনাৰে গুৰু দুজনাৰ তিথি কেইখন সত্ৰত উলহ-মালহেৰে উদ্‌যাপিত হয়? সেইদৰে জাকৰুৱা ছোৱালীয়ে জাক পাতি নদীৰ ঘাটত পানী আনিবলৈ যোৱা কিম্বা বিলত মাছ মাৰিবলৈ যোৱা, জাঁত জাঁত নাম-গুণ গাই বিয়াথলী উদুলি-মুদুলি কৰা নতুবা বিহুতলী দলদোপ-হেন্দোলদোপ কৰা দৃশ্য আজিৰ নৱ প্ৰজন্মই প্ৰত্যক্ষ কৰাৰ সুবিধা পাইছেনে? (বিভিন্ন বৈদ্যুতিন আৰু দৃশ্য-শ্ৰাব্য মাধ্যমৰ জহত অৱশ্যে কিছু কৃত্ৰিম হ'লেও এইবোৰ চিত্ৰায়ন নোহোৱাকৈ থকা নাই।)

### ৩.৭ বিশ্বায়নৰ কু-প্ৰভাৱ আৰু ইয়াৰ প্ৰত্যাহ্বান

কিন্তু বিশ্বায়নৰ প্ৰবল বিস্তাৰণে ক'বলৈ গ'লে বাণিজ্যিকীকৰণে ঘৰতে বহি বহি বিশ্বসুন্দৰী প্ৰতিযোগিতাত ভাগ ল'ব পৰাৰ সকলো কিটিপ অথবা গ্লেমাৰসৰ্বস্ব জীৱন-যাপনৰ সুকীয়া ঢং বিভিন্ন মাধ্যমৰ জৰিয়তে অহৰ্নিশে আমাক প্ৰত্যক্ষ কৰাই আহিছে। আমি জকাইচুকত থাকিও আজি ইণ্টাৰনেটৰ জৰিয়তে ই-বিবাহেই নহয় ডেটিং/লিভিং টুগেদাৰৰ দৰে ভোগবাদী জীৱনত অভ্যস্ত হ'ব পাৰিছোঁ। বিভিন্ন ৱেব্‌ছাইটৰ জৰিয়তে (পৰ্ণগ্ৰাফিক ছাইট) অস্বাভাৱিক যৌন ক্ৰিয়া (oral sex, anal sex, homosex) প্ৰত্যক্ষ কৰা কিম্বা নগ্নতা প্ৰদৰ্শন কৰাৰো সুবিধা লাভ কৰিছোঁহক। আমাৰ উঠি অহা ডেকা-গাভৰুৱে এতিয়া বছৰেকৰ মূৰকত অহা বিহুকে ধৰি অন্যান্য তিথি-পৰ্বলৈ প্ৰেম-প্ৰণয়ৰ বাবে বাট চাব নালাগে; বাৰ্থ ডে, নিউ ইয়াৰ্চ ডে, ভেলেণ্টাইন ডে, ফ্ৰেইণ্ডশ্বিপ ডেৰ নামত যেতিয়াই-তেতিয়াই কোনোবা অচিনাকি-সদ্যচিনাকি এজন বা এজনীৰ লগত নিঃসংকোচে ডেটিং কৰিব পাৰে বা 'ডিস্ক' থেক ( Disco theque), নাইট ক্লাব আৰু বিভিন্ন পাৰ্টিত জইন কৰি (wish কৰি ) সংগসুখ লাভ (অৰ্থাৎ মস্তি বা এনজয়মেণ্ট) কৰিব পাৰে।

সেইদৰে আমাৰ সাতামপুৰুষীয়া ৰুচি-অভিৰুচি, পৰম্পৰাগত খাদ্যাভ্যাস কিম্বা জাতীয় সম্পদৰ ওপৰতো বহু ৰাষ্ট্ৰীয় কোম্পানীয়ে পেটেণ্ট কৰি ব্যৱহাৰৰ সকলো স্বত্ব কুক্ষিগত কৰি ল'ব পাৰে। আমি কেনেকৈ চিন্তা কৰিম, কেনেকৈ খাম কিম্বা পিন্ধিম, মধুযামিনীত কেনেকৈ প্ৰেম-সম্ভাষণ জনাম— এই সমস্ত কথা এতিয়া বিশ্বায়নৰ নিয়ন্ত্ৰনলৈ গুচি গৈছে অৰ্থাৎ সাংস্কৃতিক-সাম্ৰাজ্যবাদৰ মৰ্জিত ইয়াৰ নীতি নিৰ্ধাৰিত হ'বলৈ ধৰিছে।

এইবিলাক তেনে দুই-এটা সাংস্কৃতিক সাম্ৰাজ্যবাদৰ নমুনাহে মাথোন। ইয়াতকৈ অধিক মাৰাত্মক আৰু জীৱনধ্বংসী কাৰকো বিশ্বায়নৰ লগতে জড়িত হৈ আছে। বৰ্তমান বজাৰত সহজলভ্য হৈ পৰা ককেইন, হেৰোইন, ব্ৰাউন ছুগাৰ আদি জীৱনধ্বংসী ড্ৰাগছৰ লগতে এইড্‌ছ সংক্ৰমণকাৰী নানা ধৰণৰ মাধ্যম, জৈৱিক তথা ৰাসায়নিক অস্ত্ৰ, আন্তৰাষ্ট্ৰীয় নাৰীদেহৰ সৰবৰাহ ( বিউটি পাৰ্লাৰ, স্পা মেচেছ চেণ্টাৰ আদিৰ বাহানাত), আন্তঃৰাষ্ট্ৰীয় মাফিয়া চক্ৰ আদিৰ টিঘিল-ঘিলনিত আজিৰ সুসভ্য নাগৰিকে শান্তিৰে এঘুমটি মাৰিব পৰা নাই। তেওঁলোকে এতিয়া প্ৰতিটো মুহূৰ্ত আতংকত দিন কটাবলগীয়া হৈছে। দ্বিতীয় বিশ্বৰ পুঁজিবাদী দেশসমূহৰ উমৈহতীয়া সাম্ৰাজ্যবাদৰ কবলত গোটেই তৃতীয় বিশ্বৰ বজাৰ আজি সুনিয়ন্ত্ৰিত হৈছে। ভাৰতৰ দৰে সৰু সৰু ৰাষ্ট্ৰৰ বৈদেশিক নীতি এই পুঁজিবাদী ৰাষ্ট্ৰসমূহে নিয়ন্ত্ৰণ কৰিছে। গতিকে উৎকট জাতীয় প্ৰেম নাথাকিলে, নিজৰ সাতামপুৰুষীয়া জাতীয় ভাষা-সাহিত্য. সমাজ-সংস্কৃতি প্ৰৱৰ্তাই ৰাখাটো ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্তাৰ বাবে একপ্ৰকাৰ অসম্ভৱ হৈ পৰিছে।

ইয়াৰ প্ৰত্যাহ্বান স্বৰূপে আমি আন্তঃৰাষ্ট্ৰীয় বজাৰৰ সৈতে ফেৰ মাৰিব পৰা পানীয়, ভোজন সামগ্ৰী, সাজ-পাৰ, আভূষণ, প্ৰসাধন আদিৰ উৎপাদন আৰু ব্যৱহাৰত গুৰুত্ব আৰোপ কৰিব পাৰিব লাগিব। শুৱালকুছিৰ পাট-মুগাৰ বস্ত্ৰশিল্প বা সৰ্থেবাৰীৰ কাঁহ-পিতলৰ বাচন-বৰ্তন উৎপাদন কেন্দ্ৰৰ বিস্তাৰণ ঘটাব লাগিব। তেতিয়াহে মাদুৰাইৰ গামোচা বা মোৰাদাবাদৰ শৰাই আমদানি হোৱাটো বন্ধ কৰিব পৰা হ'ব। সেইদৰে অন্ধ্ৰপ্ৰদেশৰ পৰা মাছ বা কণী অহাটো বন্ধ কৰিবলৈ হ'লে অসমৰ থলুৱা মীনপালন উদ্যোগ বা হাঁহ-কুকুৰা পালনত গুৰুত্ব দিব লাগিব। বাহিৰৰ পৰা অহা ফুলৰ তোৰা (বুকে) আদি আমাৰ বাৰীৰ নাহৰ- তগৰ- কপৌফুলেৰে প্ৰতিহত কৰিব পাৰিব লাগিব। বাহিৰৰ আমদানিকৃত সৌন্দৰ্যবৰ্দ্ধক প্ৰসাধন (কস্মেটিক আইটেম) আদি আমাৰ চন্দন-বটা, মাহ-হালধি, জেতুকা-বৰহমথুৰি, ঘিলা-ঔটেঙাৰে ফেৰ মাৰিব নোৱাৰা কৰি তুলিব লাগিব। হোটেল-ৰেস্তোৰাঁ আদিত অসমীয়া জলপান (সান্দহ,ৰহকৰা, নানাধৰণৰ পিঠা-পনা), অসমীয়া জুতি-বুধি ( মাহৰ দাইল, অমিতাৰ খাৰ, মাছৰ টেঙা, কলডিলেৰে ৰন্ধা পাৰ মাংস, খৰিছাৰে ৰন্ধা গাহৰি মাংস, পোৰা বেঙেনা, আলু পিটিকা, পাতত দিয়া মাছ, খাৰলি-কাঁহুদী  ইত্যাদি) উভৈনদী হ'ব লাগিব,  কোনো ধৰণৰ নীচাত্মিকা মনোভাবত নোভোগাকৈ অসমীয়া ডেকা-গাভৰুৱে জাতীয় বা জনগোষ্ঠীয় সাজ-পাৰ পিন্ধি গৌৰৱেৰে, উখল-মাখল পৰিৱেশেৰে চৌদিশে চলাথ কৰিব পাৰিব লাগিব। আমি মনত ৰখা ুচিত যে-- প্ৰতিভা বা  স্মাৰ্টনেছ থাকিলে পোছাক বা ভাষাই কেৰিয়াৰ গঢ়াত কোনো প্ৰবিন্ধকতাৰ সৃষ্টি কৰিব নোৱাৰে। এইক্ষেত্ৰত মণিপুৰী, বাঙালী বা পাঞ্জাবীসকলৰ জাতিপ্ৰেম আৰু জাতীয়তাবোধক আমি অসমীয়াসকলেও নিশ্চয় আদৰ্শ হিচাপে ল'ব পাৰোঁ।

কিন্তু আমাৰে দুৰ্ভাগ্য যে বৃহত্তৰ অসমীয়া জাতিসত্তাৰ পৰিচয় অক্ষুণ্ণ ৰাখিব পৰা সাৰ্বজনীন ভাষাস্বৰূপে অসমীয়া, সাৰ্বজনীন উৎসৱ বিহু আদিত উমৈহতীয়া চিন্তা-চৰ্চাৰ এখনি মুকলি ক্ষেত্ৰ (জাতি-ভেদহীন সমাজ ব্যৱস্থা) থকা সত্ত্বেও ইয়াৰ পৰিসীমাৰ

পৰা আঁতৰি যাবলৈ সম্প্ৰতি অসমীয়া জাতিসত্তা গঠনত আগভাগ লোৱা বহুকেইটা জনগোষ্ঠীয়ে কুৰুং-কাৰাং কৰিছে। ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্তাই আজি নিজ নিজ ভাষা-সাহিত্য, সাজপাৰ, নৃত্য-গীতৰ স্বকীয়তা প্ৰতিপন্ন কৰিবৰ বাবে আৰু এখন ৰাজনৈতিক ক্ষেত্ৰত মুকলি মনেৰে চলাথ কৰিবৰ সুবিধাৰ্থে স্বায়ত্ত শাসন বিচাৰি তাল-ফাল লগাইছে। অসমৰ ঐতিহাসিক ছাত্ৰ আন্দোলনে পূৰ্ণতা লাভ কৰিবলৈ নৌপাওঁতে অসমৰ এমুঠিমান অদূৰদৰ্শী আৰু ক্ষমতালোভী নেতৃত্বৰ জাত্যাভিমানী আচৰণৰ দোহাই দি আজি আমি বহু জনগোষ্ঠীয়ে নিজাববীয়াকৈ নিজ নিজ উপ-জাতীয়তা ( sub-nationality) পুনৰগঠনত উঠি-পৰি লাগিছোঁ। আজি অসম তথা উত্তৰ পূৰ্বাঞ্চলত যি হাৰত যুৱ মানসিকতাৰ স্খলন ঘটিছে, নৈতিক অৱক্ষয় ঘটিছে, তেনেক্ষেত্ৰত আমাৰ সাতামপুৰুষীয়া ঐতিহ্য-পৰম্পৰা ৰক্ষাৰ হকে মাত মাতিবই বা কোনে? সহজতে ধনী হোৱাৰ স্বপ্নত সহজলভ্য ধনৰ (easy money) বিনিময়ত, সস্তীয়া জনপ্ৰিয়তাৰ (cheap popularity) বাবে নিজৰ জাতীয় সংস্কৃতি বিকৃত কৰি হ'লেও খাল খান্দি ঘঁৰিয়াল চপোৱাৰ দৰে আমি বিভিন্ন মিডিয়া (ব্যক্তিগত খণ্ডৰ টিভিৰ প্ৰাইভেট চেনেল) মাতি আনি আমাৰ নিগাজি ভূমিত বৰপীৰা পাৰি দিছোঁহক। আমাৰ মানুহৰ মানসিকতা আজি কলুষিত হৈছে। ব্যক্তিকেন্দ্ৰিকতা, ভোগবাদী জীৱনসৰ্বস্ব ধাৰণাৰ বশৱৰ্তী হৈ আৰ্থিক সক্ষমতা নাথাকিলেও ফাইভ ষ্টাৰ হোটেলৰ বুফে ছিষ্টেম বা শ্বপিং মল-বিগ বাজাৰৰ ব্ৰেণ্ডেড সামগ্ৰীৰ প্ৰতি আকৰ্ষিত হৈ সেইবোৰ বিচাৰি উন্মুখ হৈ পৰাটো আজিৰ যুৱপ্ৰজন্মৰ এক মানসিকতা।

একান্ত স্বাৰ্থপৰতা আৰু সমাজ-পৰিয়ালৰ প্ৰতি দায়বদ্ধহীনতা আদি পশ্চিমীয়া সভ্যতাৰ কু-প্ৰভাৱৰ ফলত পৰি সমাজৰ সৰ্বত্ৰে এতিয়া অৱক্ষয়ে ছানি ধৰিছে। পূৰ্বৰ সমভাবাপন্ন (বসুধৈৱ কুটুম্বকম) আদৰ্শৰে ৰোপিত হোৱা সমজুৱা শ্ৰমদান, সমবায় আদৰ্শ, সমষ্টিগত চিন্তাধাৰা এতিয়া প্ৰায় নোহোৱাৰ দৰেই হৈছে। আজিকালি কাৰোবাৰ এঘৰত বিয়া বুলিলে তালৈ গোটেইখন গাঁও, মিতিৰ-কুটুম ভাগি নাহে; তাৰ পৰিৱৰ্তে বিবাহ ভৱনত কেটাৰাৰৰ দ্বাৰা পৰিৱেশিত বুফে ছিষ্টেমত বা কনট্ৰেক্ট বেচিছত অহা ভাৰাতীয়া পৰিৱেশকৰ (ৱেটাৰ) জৰিয়তে নিমন্ত্ৰিত অতিথিবৰ্গক আন্তৰিকতাহীনভাৱে পৰিচৰ্যা কৰাৰ ব্যৱস্থা হৈছে। মেৰেজ এনিভাৰ্ছৰী বা ৰিং ছেৰিমনি, বাৰ্থ ডে বা অন্নপ্ৰাসন, উপনয়ন, তোলনী বিয়া (ফাষ্ট মেৰেজ) আদিকে ধৰি প্ৰায়বোৰ অনুষ্ঠানে হোটেল-ৰেস্তোৰাঁ অথবা বিবাহ ভৱন আদিতে পতা হয়। ভাগ্যে যেনিবা পিতৃ-পিতামহৰ ইষ্টসেৱা, দহা-শ্ৰাদ্ধ আদি এই পৰ্যায়লৈ যোৱাগৈ নাই।

## ৩.৮ সাৰাংশ (Summing Up)

মুঠতে বিশ্বায়নৰ আগ্ৰাসনত পৰি আমাৰ সাতামপুৰুষীয়া সংস্কৃতি, লোকাচাৰ, লোকৰুচি আদি সকলো স্তৰতে আমূল পৰিৱৰ্তন ঘটিছে। ইয়াক ৰুধিবৰ বাবে এতিয়া আন কাৰো সাধ্য নাই আৰু সেইবাবেই আমি বিশ্বায়নৰ ভালখিনি অন্তকৰণেৰে গ্ৰহণ কৰি বেয়াখিনিক কিছু পৰিমাণে নিলগাইহে থ'ব পাৰোঁ মাথোন।

## ৩.৯ আৰ্হি প্ৰশ্ন (Sample Question)

১। গোলকীকৰণ বা বিশ্বায়ন মানে কি? সংস্কৃতিৰ গোলকীকৰণৰ বিষয়ে আলোচনা কৰক।

২। সংস্কৃতিৰ গোলকীকৰণৰ দিশত কি কি কাৰকে প্ৰভাৱ পেলাই চমুকৈ পৰ্যালোচনা কৰক।

৩। গণমাধ্যম (Social Media) মানে কি? 'বৰ্তমান সময়ত সমাজত গণমাধ্যমৰ প্ৰভাৱ' শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰক।

৪। চাইবাৰ ক্ৰাইম মানে কি? ই সমাজ তথা সংস্কৃতিৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলাইছে আলোচনা কৰক।

৫। 'বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি' শীৰ্ষক এটি আলচ যুগুত কৰক।

৬। বিশ্বায়নক বাণিজ্যিকীকৰণ বুলিব পাৰিনে? বহলাই আলোচনা কৰক।

৭। সমাজত বিশ্বায়নৰ কু-প্ৰভাৱ আৰু ইয়াৰ প্ৰত্যাহ্বান সম্পৰ্কে পৰ্যালোচনা কৰক।

৮। বিশ্বায়নৰ সু-প্ৰভাৱ আৰু কু-প্ৰভাৱ সম্পৰ্কে ফঁহিয়াই দেখুওৱাক।

## ৩.১০ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

দত্ত, বীৰেন্দ্ৰনাথ ঃ লোকসংস্কৃতিৰ স্বৰূপ আৰু অধ্যয়ন, ড° লীলা গগৈ স্মাৰক বক্তৃতা, ৩০ নৱেম্বৰ, ১৯৯৬,

নাথ, প্ৰফুল্ল ঃবিশ্বায়ন আৰু অসমীয়া সংস্কৃতি',অসমীয়া লোকসাহিত্য আৰু সংস্কৃতি, ২০১৯

Bushan, B.: Dictionary of Sociology, 1997

Dorson, R.M. :Folklore in the Modern World. 1981

Margeret Rouse, whatis.com, 17 May 2019.

Y.M. Sololov- (Russian Folklore, 1950